কাতিবিহুৰ ৰূপৰেখা

সম্পাদনা

ড° যতীন মিপুন

বিশাল প্ৰকাশন

গুৱাহাটী-৩

KATI BIHUR RUPREKHA : A Collection of Assamese articles on Kati Bihur Edited by Dr Jatin Mipun and published by Sri Brajendra Nath Deka, Bishal Prakashan, Guwahati - 781003

First editon October, 2003 Price Rs 150 00 only

প্ৰকাশকঃ
ব্ৰজেন্দ্ৰ নাথ ডেকা
বিশাল প্ৰকাশন
গুৱাহাটী-৭৮১০০৩

গ্ৰন্থস্বত্ব ঃ "শতদল"

প্ৰচ্ছদঃ নীলপৱন বৰুৱা

প্ৰথম প্ৰকাশঃ অক্টোবৰ, ২০০৩

মূল্যঃ ১৫০ ০০ টকা

মুদ্ৰণঃ

পুথি প্ৰকাশ (প্ৰেছ)
ভঙাগড, গুৱাহাটী ৫

উচৰ্গা

সাহিত্য সংস্কৃতি আৰু সামাজিকভাবে
সদা-সচেতন প্ৰতি গৰাকী
পাঠক পাঠিকাৰ হাতত।।

"শতদল"

সম্পাদনা সমিতি

ড° নবীন চন্দ্ৰ শৰ্মা

ড° যতীন মিপুন

পুতলী কায়স্থ

ডাঃ দীপক দেউৰী

উৎপলা বৰুৱা

নিৰ্মল বৰা

পাতনি

প্ৰকৃতিৰ অনবদ্য সৃষ্টি সুজলা-সুফলা, শস্য-শ্যামলা আমাৰ জন্মভূমি অসম। ইযাৰ ভৌগোলিক পৰিসীমাৰ ভিতৰত থকা বাৰে ৰহনীয়া ভিন্ন জনগোষ্ঠীৰ সমন্বিত সংস্কৃতিয়েই অসমৰ সংস্কৃতি। পৰম্পৰাগত বা জাতিগত ভিন্নতাৰ মাজতো সমন্বয়ৰ অৱদান ঋতুগত উৎসৱ-পাৰ্বন আদি সাংস্কৃতিক অনুষ্ঠান সমূহে আমাৰ মাজত অভিন্নতা প্ৰদান কৰিছে। এই অভিন্নতাৰ পটভূমিত বাস্তৱ সত্য আৰু তথ্যক সংকীৰ্ণতাৰ উৰ্দ্ধত ৰাখি অসমবাসীয়ে গুৰুত্ব আৰোপ কৰা মৌলিক বিষয়সমূহৰ ওপৰত প্ৰাধান্য দিযাৰ সিদ্ধান্ত, অসমৰ সামাজিক-সাংস্কৃতিক অনুষ্ঠান "শতদল"ৰ।

চিন্তাৰ উদ্ৰেক, সময প্ৰদত্ত এক সম্পদ। ১৯৯৬ চনৰ ২৯ ছেপ্তেম্বৰত অসমৰ সামাজিক-সাংস্কৃতিক অনুষ্ঠান শতদলে প্ৰতিষ্ঠা লাভ কৰে। অনুষ্ঠানটিৰ পৰিকল্পিত আঁচনি সমূহৰ ভিতৰত সাহিত্য-সংস্কৃতিমূলক গ্ৰন্থ প্ৰকাশৰ বিষয়টোক এক অন্যতম বিষয় হিচাপে গ্ৰহণ কৰা হয। এই বিষয়ত গুৰুত্ব আৰোপ কৰি ১৯৯৭ চনৰ পৰা আশাশুধীয়া প্ৰচেষ্টাৰে ২০০০ চনত অসমৰ বিভিন্ন স্থান আৰু গোষ্ঠী সমন্বিত "অসমৰ মাঘবিহু" শীৰ্ষক এখনি গ্ৰন্থ ৰাইজৰ হাতত তুলি দিবলৈ সক্ষম হওঁ। যাৰ ফলত বহুকেইজন প্ৰতিষ্ঠিত লেখক-সাহিত্যিক তথা পাঠকৰ সমাদৰ আৰু পৰামৰ্শই আমাক উৎসাহিত কৰে। এই উৎসাহৰ ভিত্তিত আমি "শতদল"ৰ দ্বিতীয় প্ৰকাশ "কাতিবিহুৰ ৰূপৰেখা" শীৰ্ষক গ্ৰন্থখনি প্ৰকাশৰ বাবে ২০০১ চনৰ অক্টোবৰ মাহৰ পৰা প্ৰচেষ্টা চলোৱাৰ প্ৰয়াস কৰোঁ। প্ৰথম খনি গ্ৰন্থ প্ৰকাশৰ অভিজ্ঞতাৰে দ্বিতীয় খনি গ্ৰন্থত অধিক স্থান, গোষ্ঠী আৰু তথ্য সন্নিবিষ্ট কৰিবলৈ যৎপৰোনাস্তি প্ৰচেষ্টা চলোৱা হৈছে। পৰিকল্পনামতে লেখনিসমূহ নিৰ্দ্ধাৰিত সময়ত সংগ্ৰহ নোহোৱাৰ বাবে আৰু ছপাশালে অধিক সময় লোৱাৰ বাবে গ্ৰন্থখনি প্ৰকাশত যথেষ্ট পলম হ'ল। কোনো কোনো লেখক-লেখিকাৰ পৰা সম্পাদনা সমিতিয়ে নিৰ্দ্ধাৰণ কৰা মতে তথ্য নোপোৱাত (লেখক পৰিচয়ৰ) আৰু যোগাযোগৰ অসুবিধাত পৰি

সংগৃহীত তথ্যৰ ওপৰতে ভিত্তি কৰিবলগা হোৱাত যি অনিচ্ছাকৃত অপৰাধ হৈছে, তাৰ বাবে তেখেতসকলৰ ওচৰত ক্ষমা বিচাৰিছোঁ।

আমি গুৰুত্ব সহকাৰে অনুভৱ কৰিছোঁ সন্মানীয় লেখক-লেখিকা, বিভিন্ন ব্যক্তিৰ সহায়-সহযোগিতা আৰু পৰামৰ্শৰ অবিহনে "শতদল"ৰ গ্ৰন্থ প্ৰকাশৰ এই দ্বিতীয় প্ৰচেষ্টাৰ সফলতা সম্ভৱ নহ'লহেঁতেন। সেয়েহে গ্ৰন্থখনিলৈ লেখা পঠোৱা সন্মানীয় ব্যক্তিসকল আৰু "শতদল"ৰ শুভাকাংক্ষীসকললৈ আমি কৃতজ্ঞতাৰ শৰাই যাচিলোঁ। লগতে সীমাহীন ব্যস্ততাৰ মাজতো গ্ৰন্থখনিৰ বাবে বেটুপাত অংকণ কৰি দিয়া "শতদল"ৰ অন্যতম উপদেষ্টা তথা স্বনামধন্য যশস্বী শিল্পী নীলপৱন বৰুৱাদেৱৰ ওচৰত আমি চিৰঋণী হৈ ৰলোঁ।

প্ৰসঙ্গক্ৰমে গ্ৰন্থখনি সম্পাদনাৰ দায়িত্ব গ্ৰহণ কৰা "শতদল"ৰ সভাপতি ড° যতীন মিপুনদেৱ আৰু "অৱতৰণিকা" আগবঢ়াই গ্ৰন্থখনিৰ সৌষ্ঠৱ বৃদ্ধি কৰা "শতদল"ৰ আন এগৰাকী অন্যতম উপদেষ্টা ড° নবীন চন্দ্ৰ শৰ্মাদেৱ আৰু "শতদল"ৰ কৰ্মীসকলৰ আশাশুধীয়া প্ৰচেষ্টা অনস্বীকাৰ্য।

এইখিনিতে একাগ্ৰ আন্তৰিকতাৰে গ্ৰন্থখনি প্ৰকাশ কৰি উলিওৱাৰ বাবে "বিশাল প্ৰকাশন"ৰ স্বত্বাধিকাৰী ব্ৰজেন্দ্ৰ নাথ ডেকা তথা প্ৰকাশনৰ কৰ্মকৰ্তাসকললৈ অশেষ ধন্যবাদ থাকিল।

গ্ৰন্থখনিয়ে অসমৰ পৰম্পৰাগত ঐতিহ্য আৰু লোক-সংস্কৃতিৰ চিত্ৰ বহন কৰি অসমবাসীক উপকৃত কৰিব পাৰিছে বুলি জানিব পাৰিলে আমাৰ কষ্ট আৰু প্ৰচেষ্টাৰ সফলতা অনুভৱ কৰিম। গ্ৰন্থখনিৰ তাত্ত্বিক মূল্যায়নৰ দায়িত্ব পঢ়ুৱৈ সমাজক অৰ্পণ কৰিছোঁ।

বিনীত
"শতদল"ৰ হৈ
পুতলী কায়স্থ,
উপ-সভাপতি
"শতদল"

অৱতৰণিকা

কাতিবিহুৰ তাৎপৰ্য

কাতিবিহু বা কাৰ্তিক সংক্ৰান্তি জলবিষুৱ সংক্ৰান্তি স্বৰূপেও জনাজাত। কাতিবিহু যিসময়ত অনুষ্ঠিত হয়— সেই কালৰ পৰা বাসন্তী-উৎসৱ অৰ্থাৎ বিহু (বহাগবিহু) আৰু শীতোৎসৱ অৰ্থাৎ বিহু (মাঘবিহু) উৎসৱতকৈ অধিক তাৎপৰ্যপূৰ্ণ। ইয়াৰ অন্যতম কাৰণ বসন্ত ৰজঃ গুণৰ প্ৰতিনিধি আৰু শৰৎ সত্ব গুণৰ প্ৰতিনিধি। ৰজঃ বা তমঃ গুণতকৈ সত্ব গুণ তুলনামূলকভাৱে অধিক আদৰণীয়। সেয়েহে প্ৰাচীনকালত ভাৰতবৰ্ষত শৰত কালৰ পৰাই নববৰ্ষ আৰম্ভ হৈছিল। ইয়াৰ আভাস পোৱা যায় তলৰ বৈদিক মন্ত্ৰটোৰ পৰা, যেনে ঃ

পশ্যেম্ শৰদঃ শতম্,
জীৱেম্ শৰদঃ শতম্,
শৃণুয়াম্ শৰদঃ শতম্।।

কালিদাসৰ ৰঘুবংশ মহাকাব্যত "ত্বং জীৱ শৰদঃ শতম্" মন্ত্ৰেৰে শৰতকালৰ পৰা বছৰ আৰম্ভ হোৱাৰ স্পষ্ট আভাস দিয়ে। ইয়াৰ পৰা সহজে অনুমান কৰিব পাৰি যে, প্ৰাচীন কালত কাৰ্তিক সংক্ৰান্তি অৰ্থাৎ কাতিবিহুৰপৰা নব বৰ্ষ বা নতুন বছৰ আৰম্ভ হৈছিল। আনকি কাৰ্তিক সংক্ৰান্তিৰ পূৰ্ব অথবা উত্তৰ সময়তেই শত্ৰুৰ বিপক্ষে যুদ্ধযাত্ৰা কৰা হৈছিল, যিহেতু শৰত সূৰ্যৰ কিৰণ-প্ৰভাৱত স্থলভাগ পংক শূন্য হয়। বৈৰী ৰজাৰ বিৰুদ্ধে সমৰাভিযান আৰম্ভ কৰাৰো এইটোৱেই প্ৰশস্ত সময়। বাল্মীকি ৰামায়ণত ইয়াৰ স্পষ্ট আভাস পোৱা যায়, যেনেঃ

সূৰ্য্যাত পক্ৰামণ নষ্টপংকা ভূমিশ্চিৰোদ্বাটিত সান্দ্ৰৰেণুঃ।
অন্যোন্য বৈৰেণ সমাযুতানামুদ্যোগ কালোহদ্য নৰাধিপানাম্।।

শৰত-কাল যাত্ৰাৰ বাবেও প্ৰসিদ্ধ। বাল্মীকি ৰামায়ণৰ মতে ৰজাসকলে প্ৰথমযাত্ৰা আৰম্ভ কৰিছিল শৰত-কালত; যেনেঃ

ইয়ং সা প্ৰথমা যাত্ৰা পাৰ্থিৱানাং নৃপাত্মজ।

এনে স্থলত, শৰত কালত অনুষ্ঠিত কাতি-বিহুটিও যে বৈশিষ্ট্যপূৰ্ণ হ'ব— তাত সন্দেহ নাই।

সংস্কৃত পৰম্পৰাত দোমাহীৰ নাম সংক্ৰান্তি। দুই মাহৰ সমাহাৰেই দোমাহী আৰু ৰবি এক ৰাশিৰ পৰা অন্য ৰাশিলৈ গমন কৰাৰ নামেই সংক্ৰান্তি; যেনেঃ

ৰাশ্যন্তৰ সংযোগানুকুল ব্যাপাৰঃ সংক্ৰান্তিঃ।

এই ফালৰ পৰা সংক্ৰান্তিৰ সংখ্যা ১২টা— অৰ্থাৎ দ্বাদশ বা বাৰ ৰাশিত প্ৰত্যেটোতে ৰবি বা সূৰ্য এমাহকৈ থাকে আৰু সেই ৰাশিৰ নাম অনুসৰি মাহৰ নাম বা সংক্ৰান্তিৰ নাম হয়। মেষত ৰবি থাকিলে বহাগ, বৃষ ৰাশিত সূৰ্য থাকিলে জেঠ, মিথুনত সূৰ্য থাকিলে আহাৰ, তেনেদৰে কৰ্কট ৰাশিত সূৰ্য প্ৰৱেশ কৰিলে শাওন, সিংহত সূৰ্য প্ৰৱেশ কৰিলে ভাদ্ৰ, সূৰ্য কন্যা ৰাশিত থকা সময়ছোৱাই আহিন, ৰবি তুলা ৰাশিত থকা সময়ছোৱাই কাতি, সূৰ্য বৃশ্চিক ৰাশিত থকা সময়ছোৱাই আঘোণ; ৰবি ধনু ৰাশিত অৱস্থান কৰা সময়ছোৱাই পুহ, মকৰ ৰাশিত ৰবি অধিষ্ঠিত হোৱাৰ সময়ছোৱাই মাঘ, ৰবি কুম্ভ ৰাশিত থকা সময়ছোৱাৰ নাম ফাগুন আৰু ৰবি মীনৰাশিত অধিষ্ঠিত সময়ছোৱা চ'ত মাহ নামেৰে পৰিচিত।

বিশেষ বিশেষ সংক্ৰান্তিৰ নাম সংস্কৃত পৰম্পৰাত এনেদৰে ৰখা হৈছে, যেনেঃ (১) মকৰ সংক্ৰান্তি, অৰ্থাৎ ৰবি মকৰ ৰাশিত সংক্ৰমণ কৰা কালছোৱাত অনুষ্ঠিত সংক্ৰান্তি বা দোমাহী বা বিহু অৰ্থাৎ মাঘ বা ভোগালীবিহু। (২) কৰ্কট সংক্ৰান্তি, অৰ্থাৎ ৰবি কৰ্কট ৰাশিত অধিষ্ঠিত কৰি থকা সময়ছোৱাত অনুষ্ঠিত সংক্ৰান্তি বা দোমাহী বা বিহু অৰ্থাৎ শ্ৰাৱণ-সংক্ৰান্তি (অসমীয়াত এই সংক্ৰান্তিটোৰ কোনো সাংস্কৃতিক গুৰুত্ব নাই)। (৩) মহাবিষুৱ সংক্ৰান্তি অৰ্থাৎ মেষ সংক্ৰান্তি অৰ্থাৎ ব'হাগ সংক্ৰান্তি বা ব'হাগবিহু বা ৰঙালীবিহু। (৪) তুলা সংক্ৰান্তি অৰ্থাৎ তুলাৰাশিত ৰবি অধিষ্ঠান কৰাৰ সময়ত অনুষ্ঠিত সংক্ৰান্তি অৰ্থাৎ কাৰ্তিক সংক্ৰান্তি বা কাতিবিহু বা কঙালীবিহু। মকৰ সংক্ৰান্তি বা মাঘবিহুক উত্তৰায়ণ বিহু বোলে। কৰ্কট সংক্ৰান্তি বা শ্ৰাৱণ সংক্ৰান্তিক দক্ষিণায়ণ সংক্ৰান্তি আখ্যা দিয়া হয়। মেষ সংক্ৰান্তি বা ব'হাগবিহু মহাবিষুৱ ৰূপে পৰিচিত। তুলা সংক্ৰান্তি অৰ্থাৎ তুলাৰাশিত ৰবি অধিষ্ঠিত হোৱাৰ সময়ত অনুষ্ঠিত সংক্ৰান্তিক কাৰ্তিক সংক্ৰান্তি বা কাতিবিহু বা জলবিষুৱ সংক্ৰান্তি বোলে। ধনু(পুহ), মিথুন (আহাৰ), কন্যা (আহিন) আৰু মীনত (চ'ত) যি সংক্ৰান্তি হয় সেই সংক্ৰান্তিৰ নাম ষড়শীতি সংক্ৰান্তি। বৃষ (জেঠ), বৃশ্চিক (আঘোণ), কুম্ভ (ফাগুন), সিংহত (ভাদ্ৰ/ভাদ) যি সংক্ৰমণ হয় সেই সংক্ৰান্তিকেইটাক বিষ্ণুপদী সংক্ৰান্তি বোলে।

জলপদী সংক্ৰান্তিয়েই বিষ্ণুপদী সংক্ৰান্তি। কৃত্তিকা নক্ষত্ৰৰ সৈতেও কাতিবিহু জড়িত। সাধাৰণতে যি চান্দ্ৰমাহ কৃত্তিকা নক্ষত্ৰৰ পূৰ্ণিমা তিথিত অন্ত হয় সেই চান্দ্ৰমাহৰ নামেই চান্দ্ৰ কাৰ্তিক মাহ আৰু কাৰ্তিক মাহ যি সংক্ৰান্তিৰ পৰা আৰম্ভ হয়— সেই সংক্ৰান্তি বা বিহুৰ নামেই কাৰ্তিক সংক্ৰান্তি বা কাতিবিহু।

কার্তিক সংক্ৰান্তি বা কাতিবিহু বিবিধ ধৰ্মীয় কৃত্যৰ বাবে প্ৰসিদ্ধ। ইয়াৰ ভিতৰত ব্ৰতসমূহ উল্লেখযোগ্য। ব্ৰত অৰ্থাৎ উপবাস সহ সম্পাদিত ধৰ্মীয় কৃত্যৰ নামেই ব্ৰত। কাতিবিহুত অথবা কার্তিক সংক্ৰান্তিত কেইবাটিও ব্ৰত পালন কৰাৰ পৰম্পৰা চলি আহিছে। এই ব্ৰতসমূহৰ ভিতৰত 'জল-সংক্ৰান্তি ব্ৰত' বিশেষভাৱে উল্লেখযোগ্য। জল-সংক্ৰান্তি ব্ৰত'ৰ অন্যতম উদ্দেশ্য—শ্ৰীবিষ্ণুপ্ৰীতি কামনা। এই বিধ ব্ৰতৰ সৈতে জড়িত ব্ৰতকথা বা গুণ-কথা পোৱা যায় ভৱিষ্য-পুৰাণত। বছৰৰ প্ৰতিটো সংক্ৰান্তিত বিভিন্ন ব্ৰত পালন কৰাৰ ঐতিহ্যও আমাৰ দেশত প্ৰচলিত। এনেজাতীয় ব্ৰতৰ ভিতৰত দান-সংক্ৰান্তি ব্ৰত উল্লেখ কৰিব পাৰি। শ্ৰীবিষ্ণুৰ প্ৰীতিৰ অৰ্থে প্ৰতিটো সংক্ৰান্তিতে একোবিধকৈ বস্তু বা সামগ্ৰী দান কৰা বিধেয়। বহাগ-সংক্ৰান্তিত দান কৰিব লাগে বস্ত্ৰসহ জলপূৰ্ণ কুম্ভ। তেনেদৰে কাতিবিহুত তিলৰ লাডু দান কৰা বিধেয়। দান সংক্ৰান্তি ব্ৰতৰ ব্ৰতকথা বা গুণ কথা পোৱা যায় ব্ৰহ্মাণ্ড-পুৰাণত। দধি-সংক্ৰান্তি ব্ৰত উত্তৰায়ণ সংক্ৰান্তিত আৰম্ভ কৰি কার্তিক আদি সংক্ৰান্তিতো এই ব্ৰত কৰা বিধেয়। দধি সংক্ৰান্তিত লক্ষ্মী আৰু নাৰায়ণক দধিৰে স্নান কৰোৱা হয়— লক্ষ্মী-নাৰায়ণৰ অনুগ্ৰহ আৰু কৃপা লাভৰ অৰ্থে। ব্ৰতৰ অন্তত ভৱিষ্য পুৰাণত বৰ্ণিত দধি-সংক্ৰান্তি ব্ৰত পাঠ কৰা উচিত। তেনেদৰে অন্ন-সংক্ৰান্তি, ফল-সংক্ৰান্তি, মংগল-সংক্ৰান্তি আদি ব্ৰত কার্তিক সংক্ৰান্তিত উদ্‌যাপন কৰাৰ নিৰ্দেশ পুৰাণ-ধৰ্ম শাস্ত্ৰত পোৱা যায়। কার্তিক সংক্ৰান্তিত পালন কৰিবলগীয়া সংক্ৰান্তিব্ৰতৰ ভিতৰত এটি উল্লেখ কৰিবলগীয়া ব্ৰত হৈছে যম-পুষ্কৰণী ব্ৰত। নৰক-নিবাৰণ আৰু বিষ্ণুলোক গমন আকাংক্ষাৰে এই ব্ৰত পালন কৰা বিধেয়। ব্ৰত কথা শ্ৰৱণ যম-পুষ্কৰণীব্ৰতৰ অন্যতম এক। এই ব্ৰতৰ প্ৰসংগত যম-পূজা অপৰিহাৰ্য। কার্তিক- সংক্ৰান্তিত পালিত ব্ৰতৰ তালিকাত সৰ্বজয়া নামৰ ব্ৰতটোকো সামৰিব পাৰি। এই ব্ৰতৰ উদ্দেশ্য শিৱ-পাৰ্বতীৰ প্ৰীতিকামনা। কার্তিক মাহৰ অৰ্থাৎ কাতি-মাহৰ সংক্ৰান্তিত অনুষ্ঠিত হয় কার্তিকেয় ব্ৰত। এই ব্ৰতৰ প্ৰসংগত দিনৰ চাৰি প্ৰহৰত চাৰিবাৰ দেৱ সেনাপতি কাৰ্ত্তিকক পূজা কৰা উচিত। এই ব্ৰতৰ প্ৰসংগত তাৰকাসুৰ নিধনকাৰী কাৰ্ত্তিকক এনেদৰে আহ্বান কৰা হয়, যেনে ঃ

ওঁ কাৰ্ত্তিকেয় মহাভাগ সৰ্বসিদ্ধি প্ৰদায়ক।
দেৱ সেনাপতে শ্ৰীমন্ সান্নিধ্যমি কল্পয়।।
কাৰ্ত্তিকেয় সমাগচ্ছ স্বকীয় স্থানকাদিহ।
পাৰ্বতী নন্দন তিষ্ঠ যাৱৎ পূজাং কাৰোম্যহম্।।৮.

হোমৰ পূৰ্বেই কাৰ্তিক দেৱতাৰ গুণকথা শ্ৰৱণ কৰা উচিত। কাৰ্ত্তিকৰ ব্ৰতকথা বৰ্ণিত হৈছে স্কন্দপুৰাণত। কাতিবিহুৰ পৰা আৰম্ভ কৰি আঘোণৰ বিহুলৈকে এই সময়ছোৱা ধৰ্ম-কৰ্মৰ বাবে অতিকে প্ৰশস্ত। কাতিবিহুৰ দিনা ৰাতিৰ ভাগত ধন-সম্পত্তিৰ দেৱী শ্ৰীশ্ৰীলক্ষ্মীক পূজা কৰা হয়। অঞ্চল বিশেষে শ্ৰীশ্ৰীলক্ষ্মীদেৱী সাগৰৰ গৰ্ভৰ পৰা আবিৰ্ভাৱ হোৱা কাহিনীভাগৰ আধাৰত মথনী-উৎসৱ পালিত হয় দেৱতা-অসুৰৰ সাগৰ মন্থন বা সমুদ্ৰ মন্থনৰ অভিনয়েৰে। দেৱতা-অসুৰৰ সাগৰ বা সমুদ্ৰ মন্থনৰ কাহিনীভাগ বিষ্ণু পুৰাণ, মহাভাৰত, ভাগৱত পুৰাণ আদিত পোৱা যায়। ভাষা-পুৰাণ যেনে ঃ সুকবি নাৰায়ণ দেৱৰ পদ্ম-পুৰাণ আদিতো সমুদ্ৰ-মন্থনৰ আখ্যানভাগ বৰ্ণিত হৈছে। শ্ৰীশ্ৰীলক্ষ্মীদেৱীৰ পূজা-উপাসনাৰ প্ৰসংগত সুকন্নানি ওজাপালিয়ে এই কাহিনীভাগ গীত-নৃত্য-বাদ্য-অভিনয়ৰ মাজেৰে প্ৰদৰ্শন কৰে।

পৌৰাণিক কাহিনীভাগৰ মতে এবাৰ দেৱৰাজ ইন্দ্ৰক দুৰ্বাসা ঋষিয়ে এধাৰ পাৰিজাতফুলৰ মালা দিছিল আশীৰ্বাদস্বৰূপে। মদগৰ্বী আৰু অহংকাৰদীপ্ত দেৱেন্দ্ৰই সেই মালাধাৰ নিজে পৰিধান নকৰি থলে ঐৰাৱত হস্তীৰ মস্তকত। হাতীয়ে নো পাৰিজাত ফুলৰ মালাৰ কি আদৰ জানে? শুঁৰেৰে মালাডাল ছিঙি পেলালে। ফুলবোৰ অনাদৃতভাৱে পৰি থাকিল। কিছু পৰৰ মূৰত সেইপিনে আহক দুৰ্বাসা ঋষি। পাৰিজাত ফুলবোৰ পৰি থকা দেখি তেওঁৰ বুজিবলৈ বাকী নাথাকিল যে তেওঁ আশীৰ্বাদ স্বৰূপে দেৱেন্দ্ৰক দিয়া পাৰিজাত পুষ্পৰ এনে অৱস্থা হৈছে। ইন্দ্ৰৰ ওপৰত দুৰ্বাসাৰ বৰ খং উঠিল। স্বৰ্গত লক্ষ্মীভ্ৰষ্ট হবলৈ দুৰ্বাসাই ইন্দ্ৰক অভিশাপ দিলে। দুৰ্বাসাৰ অভিশাপ ফলিল। স্বৰ্গত আকাল-দুৰ্ভিক্ষ, মাৰি-মৰকে দেখা দিলে। উপায়ন্তৰ হৈ দেৱতাসৱ ব্ৰহ্মাৰ ওচৰলৈ গ'ল—ব্ৰহ্মাই তাৰ প্ৰতিকাৰ বিচাৰি বিষ্ণুৰ ওচৰত আবেদন জনালে। দেৱতা আৰু অসুৰে মিলি সমুদ্ৰ মন্থন কৰিবলৈ নিৰ্দেশ দিলে। সেইমতে সাগৰ মন্থন কৰাৰ ফলত লক্ষ্মী নিৰ্গতা হ'ল, স্বৰ্গত সুখ-শান্তি, আনন্দ স্বাচ্ছন্দ্যই দেখা দিলে।

মথনী-উৎসৱত দেৱাসুৰৰ সাগৰ মন্থনৰ অভিনয় প্ৰদৰ্শনৰ ৰূপাত্মক উদ্দেশ্য হ'ল ঐশ্বৰ্যৰ দেৱী লক্ষ্মীক আহ্বান। গাঁৱলীয়া ৰাইজৰ মাজত ঐশ্বৰ্য বুলিলে ধান-চাউলকেই সূচায়। ধান-চাউলেই লক্ষ্মী। কাতিমাহ কঙালৰ দিন— সেয়ে এই বিহুটিৰ আন এটা নাম কঙালীবিহু। অঞ্চল বিশেষে কঙালীবিহুৰ আন এটা নাম আদা বিহু— যেন আদা অকণমানৰ বাহিৰে ভগৱন্তৰ ওচৰত নিবেদন কৰিবলৈ জন-সাধাৰণৰ আন একো নাই। লক্ষ্মী অৰ্থাৎ ধানৰ খেতি পথাৰত কৰা হৈছে— গেঁৰ ওলাবলৈ ধৰিছে— ধানৰ খেতি প্ৰাচুৰ্যময় হৈ উঠি প্ৰতিঘৰ মানুহৰ ভঁৰালঘৰত লক্ষ্মী স্বৰূপে স্থিতি লয়হি যেন— এয়ে হ'ল সাগৰ মন্থনৰ ৰূপাত্মক

উদ্দেশ্য— পথাৰত লখিমী আবিৰ্ভাৱ হৈ প্ৰতিঘৰ মানুহক কৃপা কৰক, প্ৰতিঘৰ মানুহৰ যেন খোৱা-মুঠা উভয়নদী হৈ পৰে— এয়ে আকাংক্ষা আৰু এই আকাংক্ষাই উৎসৱৰ প্ৰতীকেৰে প্ৰকাশ পায়।

কাতি-বিহুৰ আন এটি ধৰ্মীয় কৃত্য হ'ল গোঁসাইঘৰ বা ভঁৰাল ঘৰৰ সমুখত মাটিৰ বেদী এটা নিৰ্মাণ কৰি তাত এটা তুলসীৰ পুলি ৰোপণ। তুলসী বিষ্ণুৰ ভাৰ্যা। তুলসী ৰোপণ, প্ৰদীপ প্ৰদান, জল দান আদিৰ প্ৰসংগত তলৰ মন্ত্ৰটো আবৃত্তি কৰা হয় ঃ

ওঁ গোবিন্দ বল্লভাং দেবীং ভক্ত চৈতন্য কাৰিনীং।।
স্নাপয়ামি জগদ্ধাত্ৰীং হৰি-ভক্তি প্ৰদায়িনীম্।।

বিশ্বাস প্ৰচলিত আছে যে, বিষ্ণুৰ প্ৰীতিৰ অৰ্থেই তুলসীৰোপণ, জল-দান আৰু প্ৰদীপ প্ৰদান অপৰিহাৰ্য ঃ

ওঁ বৃন্দায়ৈ তুলসী দেব্যৈ প্ৰিয়ায়ৈ কেশৱস্য চ।
বিষ্ণুভক্তি প্ৰদায়িন্যৈ সত্যৱত্যৈ নমোনমঃ।।

তুলসীৰ গুৰিত সন্ধিয়া চাকি দিয়া ৰীতি সৰ্বভাৰতীয়। গোটেই কাতি মাহটোতে সন্ধিয়া তুলসীৰ গুৰিত চাকি দিয়া দস্তুৰটো কৃষিৰ সৈতে সম্পৃক্ত— উদ্দেশ্য খেতিৰ অপকাৰী পোক-পৰুৱা বিনাশ। পোহৰ আৰু জাতিতেল বা মিঠাতেলৰ গোন্ধ ধান-খেতিৰ বাবে উপকাৰী। কাতিবিহুত তুলসী ৰোপণৰ সৈতে এটি পুৰাণগত বেলেড্ প্ৰচলিত। গীতটোৰ দুটিমান পংক্তি তলত দিয়া হ'ল ঃ

তুলসীৰ তলে মৃগপহু চৰে।
তাকে দেখি ৰামচন্দ্ৰই ধনু-শৰ যোৰে।।
ৰামে ৰোৱা তুলসীত
লক্ষ্মণে দিয়ে পানী
গোবৰ মাটি দিয়া মোচে সীতা গোঁসানী।।

এই প্ৰসংগত তুলসী-বিষয়ক এটি পুৰাণগত বেলেড্ও আই-বাইসকলে গায় ঃ

দিহা ঃ আনিলা তুলসী প্ৰভু ৰাম গদাধৰে।
আনিলা তুলসী প্ৰভু মনুষ্য নগৰে।।
পদ ঃ যিটোজনে তুলসীৰ ডালে-মূলে ছিণ্ডে।
সাতাম পুৰুষ তাৰ নৰকত পৰে।
যিটোজনে তুলসীৰ পাতে পাতে ছিণ্ডে।

সাতাম পুৰুষ তাৰ বৈকুণ্ঠক চলে।।
ৰামে ৰোৱা তুলসী লক্ষ্মণে ঢালে পানী।
ঠাই গোবৰ দিয়া মোচে সীতা ঠাকুৰাণী।
শুনা শুনা বুধজন তুলসীৰ জনম।
জনমে জনমে হৌক শ্ৰীৰামত মন।।

কাতিবিহুত তুলসীৰ গুৰিত আকাশবন্তি জ্বলোৱা বা প্ৰদান কৰা হয়। আকাশবন্তিৰ আৰম্ভণি আৰু পৰিসমাপ্তিত বিষ্ণু-পূজন সম্পাদন অতিকে প্ৰয়োজন। বিষ্ণুৰ প্ৰীতিৰ বাবেই যে, আকাশবন্তি প্ৰদান কৰা হয় তাত সন্দেহ নাই, যেনেঃ

দামোদৰায় নভসি তুলায়াং লোলয়া সহ।
প্ৰদীপং তে প্ৰযচ্ছামি নমোহনন্তায় বেধসে।।

কাতিবিহুৰ পৰা কাতি মাহৰ শেষ দিনটোলৈকে তুলসীৰ গুৰিত চাকি দিয়া বা আকাশবন্তি প্ৰদান উভয়ৰে ফল তলৰ শ্লোকটিত বৰ্ণিত হৈছেঃ যেনেঃ

বিষ্ণু বেহস্মিন যো দদ্যাৎ কাৰ্তিকে মাসি দীপকং।
অগ্নিষ্টোম সহস্ৰাস্য ফলং প্ৰাপ্নোতি মানৱঃ।।
উচ্চৈ প্ৰদীপমাকাশে যোগ দদ্যাৎ কাৰ্ত্তিকে নৰঃ।
সৰ্বং কুলং সমুদ্ধৃত্য বিষ্ণুলোকমাবাৰুনুয়াৎ।।
চতুষ্পমেষু ৰক্ষাযু ব্ৰাহ্মণাবেথেসু চ।
বৃক্ষমূলেষু গোষ্ঠে কান্তৰে গহনেষু চ।
দীপ দানাদি সৰ্বত্ৰ মহাফলম, বা প্লুয়াৎ।।

খেতিৰ পথাৰত মাটিৰ চাকি, কলৰ দোনাৰ চাকি, ঔখোলৰ চাকি আদিত প্ৰদীপ জ্বলোৱা হয়। পথাৰত ওখ ওখ খুটি পুতি তাত বাঁহৰ কামি দি কেইবাখৰো চাকি দিয়া হয়। এইদৰে চাকি-বন্তি জ্বলোৱাৰ মুখ্য উদ্দেশ্য খেতিৰ অপকাৰী পোক-পৰুৱা নিবাৰণ। চাকি-বন্তি দিয়াৰ প্ৰসংগত মন্ত্ৰও আবৃত্তি কৰা হয়। ড° বিৰিঞ্চি কুমাৰ বৰুৱাৰ মতে, কৃষি ৰক্ষণৰ বাবে অথৰ্ববেদত আশ্বিন্‌ভ্ৰাতৃসকলক পূজা কৰা পৰম্পৰাৰ সৈতে আমাৰ পথাৰবোৰত মন্ত্ৰসহ চাকি-বন্তি জ্বলোৱা কৃত্যৰ সাদৃশ্য লক্ষ্য কৰিব পাৰি।

তুলসীৰোপণ, আকাশবন্তি প্ৰদান, দীপ-বন্তি-চাকি আদি জ্বলোৱাৰ একমাত্ৰ উদ্দেশ্য কৃষিৰ মংগল সাধন। তুলসী কীট-নাশক, পোক-পৰুৱা বিনাশক,ঔষধি গুণ বিশিষ্ট, চাকি-বন্তি-দীপ আদিও খেতিৰ অপকাৰী পোক-পৰুৱা নিধনকাৰী গতিকে কাতি-বিহুৰ প্ৰসংগত সম্পাদিত ধৰ্মীয় কৃত্যৰাজি যে, কৃষিৰ আধাৰত সৃষ্টি হৈছে তাত সন্দেহো নাই। আনকি বিষ্ণু-প্ৰীতিৰ বাবে যি কৃত্য সম্পাদন কৰা

হয় তাৰো উদ্দেশ্য কৃষিৰ উন্নতি সাধন, যিহেতু বিষ্ণু কৃষিৰ সৈতে সম্পৃক্ত।

কাতিবিহুত কোনো কোনো অঞ্চলত কাঠিত বা বাৰাণ্ডাত বিভিন্ন ৰঙৰ গুড়িৰে আল্পনা কৰি তাৰ কাষতে তিনিখৰ বা পাঁচখৰ বা সাতখৰ চাকি জ্বলোৱা হয়।

বিষ্ণু প্ৰীতিৰ অৰ্থে তুলসী-দান কৃত্য অপৰিহাৰ্য। কাতি-বিহুৰ পৰা আৰম্ভ কৰি সমগ্ৰ কাতিমাহটোত বিষ্ণুৰ প্ৰতি ১০৮ পাত তুলসী আনুষ্ঠানিকভাৱে প্ৰদান কৰা হয়। এই কৃত্যৰ নাম 'তুলসী দান'। গোবিন্দ আৰু তুলসীৰ ভক্তা-ভগৱন্তৰ মধুৰ সম্পৰ্কত 'তুলসী-দান' 'কৃত্য' পৰম্পৰাৰ আৰম্ভ হৈছে।

কাতিবিহুৰ পৰা আৰম্ভ কৰি এই মাহৰ শেষ ৰাতিটোলৈকে প্ৰতি নিশা সন্ধিয়া প্ৰতিঘৰ মানুহৰ ঘৰতে দেৱতাৰ উদ্দেশ্যে শলা-বন্তি জ্বলাই নৈবেদ্যাদি আগবঢাই পুথি-পঢা বা ৰামায়ণ, মহাভাৰত, ভাগৱত আদি পাঠ কৰা হয়। অঞ্চল বিশেষে গীতাও পাঠ কৰে। তাতে সময় উলিয়াই আই-বাইসকলেও নাম ধৰে, নাম-প্ৰসংগ কৰে। কাতি-মাহৰ শুক্লা নৱমী তিথিত অনুষ্ঠিত হয় জগদ্ধাত্ৰী বা নৱ-দুৰ্গাপূজা। এই মাহটোৰ বিভিন্ন দিনত আৰু নিশাত শ্ৰীশ্ৰীলক্ষ্মী-পূজা, শ্ৰীশ্ৰী সত্য নাৰাযণ-পূজা, গোস্বামীৰ মতে শ্ৰীশ্ৰীকৃষ্ণৰ শৰৎ ৰাস যাত্ৰা আৰম্ভ হয়। ইযাৰ উপৰিও দশৰথ ব্ৰত, গোবৰ্ধন গিৰিৰ ৰাধাকুণ্ডত স্নান, হৰিদেৱৰ তিথি, দীপান্বিতা, শ্ৰীশ্ৰীশ্যামা-পূজা, ভাতৃ-দ্বিতীযা, ষট্‌পঞ্চমীব্ৰত, বক্-পঞ্চমীব্ৰত, ষষ্ঠপূজা বা সূৰ্য-পূজা, গো-পূজা, শ্ৰীশ্ৰীহৰেৰুত্থান, কাত্যায়নীব্ৰত (গোস্বামীৰ মতে) আদি ব্ৰত, পূজা উপাসনা কাতিবিহুৰ পৰা আৰম্ভ কৰি মাহৰ শেষ দিনটো পৰ্যন্ত সম্পাদন কৰা হয।

ব্ৰাহ্মণ-সজ্জন, গোঁসাই-মহন্ত, ভকত-গুৰু আদিয়ে সমগ্ৰ কাতি মাহটোত মাছ্-মঙহ-কণী আদি ভক্ষণ নকৰে। এই সময়ৰ মাছ হেনো শূকৰ ন্যায়। গতিকে ব্ৰাহ্মণ-সজ্জন আদিয়ে মাছ্ খালে শূকৰ মাংস ভক্ষণৰ দৰে দোষ সিজিব পাৰে। প্ৰকৃতাৰ্থত এই সময়ৰ মাছৰ গাত বৰ বেছিকৈ তেল হয়। দ্বিতীয়তে, শ'ল, মাগুৰ, শিঙি, গৰৈ, আদি তলগৰীয়া মাছৰ মূৰত পোক হয়, গতিকে সেইবোৰ খোৱা অবিধেয়।

কাতিবিহু যে মুখ্যতঃ কৃষিৰ সৈতে জড়িত তাৰ আভাস পোৱা যায়—এই বিহুৰ পৰাই কোনো ফলৰ অশৌচ যোৱা আৰু খাব পৰা হোৱা বুলি বিশ্বাস কৰাৰ জৰিয়তে। এই ফলসমূহৰ ভিতৰত সোন্দোৰা টেঙা বা সুমথিৰা টেঙা, জৰা, নবাব টেঙা (ৰবাব টেঙা), পনিয়ল, হুকুম টেঙা, নতুনকৈ হোৱা কুঁহি তামোল ইত্যাদি। কাতিবিহুৰ নিশা বিশেষকৈ দৰঙৰ ফালে গোটা মাটিমাহৰ গাজি (মাহ-চাউল) খোৱাটো অপৰিহাৰ্য্য কিন্তু ওল খোৱা নিষেধ ইয়াৰ লগতে ৰোকা

নাৰিকল, চুৰা (জুলীয়া গুৰ) আৰু এবা পিঠাগুৰিৰ লাৰুও খোৱা হয়। কাতিবিহুৰ পৰা অন্ততঃ এমাহ গৰু-ম'হক নিয়ৰ খুৱাব লাগে। সেইবাবে এই সময়ত গৰু-ম'হ বিলাক মুকলি আকাশৰ তলত বন্ধা হয়। কৃষিতত্ত্বৰ ফালৰ পৰাও এই বিহু আৰু মাহটো তাৎপৰ্যপূৰ্ণ।

ডাক প্ৰবচনত কোৱা হৈছে যে, আহিন মাহৰ শেষ চাৰিদিন আৰু কাতি মাহৰ প্ৰথম চাৰিদিন (বিহুৰ সৈতে) মুঠ আঠদিন, মাহ অৰ্থাৎ মাটিমাহ সিঁচাৰ বা ৰোৱাৰ বাবে উপযুক্ত ঃ

আহিনৰ চাৰি কাতিৰ চাৰি।
মাহ ৰুবা যিমান পাৰি।।

ইয়াৰ বাহিৰেও এই সময়ত সৰিয়হ, আলু, কবি, মচুৰ, কলা আদিৰ খেতি কৰা উচিত।

কাতিবিহুৰ প্ৰসংগত আৰু কাতি মাহৰ আন আন দিনৰ গধূলি তুলসীগুৰিৰ তলত আই-বাইসকলে নাম ধৰে। তেনে নামত তুলসীৰ জন্ম-কাহিনীমূলক গীত অৰ্থাৎ কাঁহিনী গীত গায়। এই শ্ৰেণীৰ এটা গীত তলত দিয়া হ'ল। এই গীতটো টিহু অঞ্চলত প্ৰচলিত ঃ

দিহা ঃ কাল তুলসীয়ে চৰিলীয়া পাত।
প্ৰথমে জন্ম পালা শিৱৰ মাথাত।।

পদ ঃ কাৰ ঘৰৰ জীয়াৰী আই তই কাৰ ঘৰৰ বোৱাৰী।
কাৰ ঘৰৰ নিজ নাৰী কোৱা স্বৰূপ কৰি।।
দশৰথ ৰাজাৰ মই প্ৰথম বোৱাৰী।
জনক ৰাজাৰ মই চেনেহৰ জীয়াৰী।।
মোহক বুলয় প্ৰভু ৰামৰ ঘৰুণী।
মোত পৰ নাই আৰো নাই নিলাজিনী।।
দণ্ডকা বনৰ মাজে ৰামে ৰৈলা ঠাই।
বৃন্দাবনৰ কাল তুলসী আনিলা নমাই।।
সীতাই বোলে প্ৰভু মই তুলিলো খ্যাতি।
নখৰ ঘাঁ লাগি মৰি গেল তুলসী।।
মৰি গৈল তুলসী মৰি গৈল পাত।
মাথায় তুলিয়া ৰামে অটালা গঙ্গাত।।

কাতিবিহুৰ পৰা আৰম্ভ কৰি গোটেই মাহটো ধৰি ৰাতি ৰাতি নামঘৰ, গোঁসাইঘৰ আদিত নাগাৰা নাম বা নেগেৰা নাম, সংকীৰ্তন, পালনাম, খুলীয়া

ভাওৰীয়া, পুতলা-নাচ, ওজাপালি আদি অনুষ্ঠান অনুষ্ঠিত হয়। অসমৰ বিখ্যাত বিখ্যাত সত্ৰবোৰতো কাতি মাহত পালনাম অনুষ্ঠিত হয়।

উদাহৰণ স্বৰূপে মাজুলীৰ আউনীআটীসত্ৰত ২৮ কাতিৰ পৰা ৩০ কাতিলৈকে পালনাম অনুষ্ঠিত হয়। কাতিমাহত অনুষ্ঠিত এই পালনাম আউনীআটীসত্ৰৰ অন্যতম প্ৰধান অনুষ্ঠান। অসমৰ বিভিন্ন অঞ্চলৰ পৰা শৰণীয়া ভকত আৰু শুভকাংক্ষীসকল চাৰি-পাঁচ দিনৰ আগৰে পৰা সত্ৰত উপস্থিত হয়হি। তেনেদৰে আন আন সত্ৰতো পালনাম অনুষ্ঠিত হোৱাৰ পৰম্পৰা অতীতৰে পৰা চলি আহিছে।

কাতিবিহু আৰু কাতিমাহৰ প্ৰকৃতিৰ প্ৰতি লক্ষ্য কৰি এই বিহু আৰু মাহটোকে সাত্ত্বিক বিহু আৰু সাত্ত্বিক মাহ বুলিলেহে ৰঞ্জিতা খায়। বহাগবিহু ৰজঃ গুণ বিশিষ্ট, নৃত্য-গীত, জীৱন-যৌৱন ভোগ-বাসনা, কামনা-লালসাৰে পৰিপূৰ্ণ— আনকি যৌৱনৰ উন্মাদনাৰে প্ৰকৃতিও উন্মনা। মাঘত ভোগৰ তামসিকতা মাছ-মঙহ-কণী, পিঠা-পনা, আখৈ-চিৰা-মুৰি, দৈ-মাখন-ক্ৰীম আদিৰ পয়োভৰ, কেৱল ভোগ, কেৱল ভোগ, ভোগ তামসিকতাৰ জনক। ইয়াৰ বিপৰীতে কাতিবিহু শান্ত-শিষ্ট, স্নিগ্ধ অনুভূতি কাৰক ভকতি-বিৰকতি-মুকুতি কাৰক।

সৰ্বত্ৰতে এক আধ্যাত্মিক পৰিবেশ— তুলসী, চাকি-বন্তি, আকাশ-বাতি, নাম-প্ৰসংগ, ভক্তিমূলক গীত-পদ আদি। এয়া যেন কামনা-বাসনা আৰু ভোগ-আকাংক্ষাৰ ধুমুহাৰ অন্তত শান্ত সমাহিত মানৱীয় ভাবানুভূতিৰ জুৰ মলয় সমীৰ। মানৱ অন্তৰত আধ্যাত্মিকতা আৰু মানবিকতা উভয়ৰে কাৰক হ'ল কাতিবিহু। এই ফালৰ পৰা কাতিবিহু আৰু কাতি মাহটোৰ আছে এক আধ্যাত্মিক আৰু সাংস্কৃতিক তাৎপৰ্য। শংকৰদেৱৰ ভাষাত ঃ

শৰত-কালৰ নিশ্চল সাগৰ
উৰ্মিৰ ৰোল নুশুনি।
চিত্ত শান্ত কৰি বেদ পাঠ এৰি
যেন মৌনে থাকে মুনি।।
এহিমতে সিটো শৰতৰ গুণে
আমোদিত বৃন্দাবন।
গৰু গোপ গণ সমে ভ্ৰমে তাত
আনন্দে নন্দ নন্দন।।

ড° নবীন চন্দ্ৰ শৰ্মা

সূচীপত্ৰ

- পাতনি ০৫
- অৱতৰণিকা ০৭

(ক) উৎসৱ-অনুষ্ঠান ঃ বিহু ঃ কাতিবিহু ঃ

- অসমত কাতি বিহু ঃ যতীন্দ্ৰ কুমাৰ বৰগোহাঞি ২১
- কাতিবিহুৰ পৰম্পৰাত বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ উপাদান ঃ ড° দীনেশ বৈশ্য ২৮
- কাতিবিহুৰ জালীকটা পোহৰ ঃ নীলপৱন বৰুৱা ৩৪
- কাতিবিহু—আঞ্চলিক এটি আভাস ঃ নিত্যানন্দ সেনাপতি ৩৮
- কাতিবিহু ঃ ইন্দিবৰ কোঁৱৰ ৪৩

(খ) কাতিবিহু ঃ প্ৰজাতিগত ৰূপ ঃ

- মিচিং জনগোষ্ঠীৰ মাজত কাতিবিহু উদ্‌যাপন ঃ অই আপ্পুন (শিল্পী) গণেশ পেগু ৪৯
- তিৱাসকলৰ মাজত কাতিবিহু উদ্‌যাপন ঃ বলাইৰাম সেনাপতি ৫২
- মটক সম্প্ৰদায়ৰ মাজত কাতিবিহু ঃ সুশীল কুমাৰ গগৈ ৫৬
- দেউৰী জনগোষ্ঠীৰ মাজত কাতিবিহু উদ্‌যাপন ঃ নন্দেশ্বৰ দেউৰী ৬২
- কাৰবি সকলৰ কাতিবিহু ঃ ৰাজেন্দ্ৰ টুমুং ৬৯

- চাহ জনজাতি সমাজত কাতিবিহু ঃ সুশীল কুৰ্মী ৭২
- বৰ' সমাজৰ 'গাসা সাৱনায়' উৎসৱ ঃ ভূপেন নাজাৰী ৭৬
- গোৱালপাৰা জিলাৰ বড়ো-কছাৰীসকলে উদ্‌যাপন কৰা কাতিবিহু ঃ তৰুণ বসুমতাৰী ৮২
- কাতিবিহুৰ সমধৰ্মী 'ৰাভাসকলৰ' শৰৎকালীন উৎসৱ পাৰ্বন ঃ ড° উপেন ৰাভা হাকাচাম ৮৪
- সোণোৱাল কছাৰীসকলৰ কাতিবিহু ঃ নিবেদিতা বড়া সন্দিকৈ ৮৯
- দৰঙত মুছলমানসকলৰ মাজত কাতিবিহু উদ্‌যাপন ঃ এম হাফিজ আলি ৯৭

■ চৰ অঞ্চলত মুছলমানসকলৰ মাজত
কাতিবিহু উদ্‌যাপন ঃ মোঃ আব্দুল গফুৰ ১০০
■ অভিবাসী অসমীয়া মুছলমান সমাজত কাতিবিহু ঃইছমাইল হোছেইন ১০৪
■ অসমৰ চুতীয়াসকলৰ মাজত কাতিবিহুৰ প্ৰচলন ঃ বিভা হাতীবৰুৱা ১০৮
■ খাম্‌তিসকলৰ মাজত কাতিবিহু ঃ প্ৰণীতা বৰদলৈ ১১৪
■ হাজংসকলৰ কাতিগাছা আৰু
কৌত্‌কী পূজা ঃ ৰতন কুমাৰ ৰায় হাজং ১১৭
■ মৰাণৰ বিহুৰ পৰম্পৰা আৰু কাতিবিহু ঃ শ্ৰীকুমাৰ দহোটীয়া ১২২
■ ডিমাছাসকলৰ কাতিবিহু ঃ চাও লোকেশ্বৰ গগৈ ১২৯
■ বেঙ্গলীসকলৰ মাজত কাতিবিহু উদ্‌যাপন ঃ গীতা দত্ত ১৩৩
■ অসমৰ নেপালীসকলৰ মাজত কাতিবিহু উদ্‌যাপন ঃ ইন্দু প্ৰভা দেৱী ১৪০
■ অসমীযা শিখসকলৰ কাতিবিহু পালনৰ পৰম্পৰা ঃ মনজিৎ সিং ১৪৩
■ কাতি মাহত জৈন ধৰ্মৰ পৰ্ব ঃ কিশোৰ কুমাৰ জৈন ১৫১
■ সাওঁতালসকলৰ চহৰাই পৰব ঃ পৃথিবী মাঝি ১৫৪
■ কৰণ্ডাৰ চাউদাং আৰু আহোম সম্প্ৰদাযৰ
কাতিবিহু ঃ ড° অন্তৰা বৰুৱা কলিতা ১৫৯
■ কাতিবিহু ঃ লোক সংস্কৃতিৰ ঃ হৰপ্ৰিয়া বাৰুকিয়াল বৰগোহাঞি ১৬২

(গ) **কাতিবিহুৰ আঞ্চলিক ৰূপ ঃ**

■ শদিযাত কাতিবিহু ঃ জীউৰাম চাংমাই — ১৬৭
■ তিনিচুকীযা জিলাত কাতিবিহু ঃ অনুভা বৰুৱা — ১৭১
■ নাহৰকটীযাত কাতিবিহু ঃ তৰংগ কল্লোল শইকীযা — ১৭৭
■ ডিবুৰুৰ কাতিবিহু ঃ ডিম্বেশ্বৰ চলিহা — ১৮৩
■ ধেমাজি জিলাত কাতিবিহু উদ্‌যাপন ঃ বিমলা গগৈ গোঁহাই — ১৮৭
■ শিৱসাগৰ জিলাত কাতিবিহু ঃ ড° প্ৰহ্লাদ কুমাৰ বৰুৱা — ১৯২
■ ঢকুৱাখনাৰ কাতিবিহু ঃ পুষ্পা গগৈ — ১৯৬
■ লখিমপুৰ জিলাত কাতিবিহু উদ্‌যাপন ঃ নন্দকিশোৰ মহেশ্বৰী — ২০১
■ যোৰহাটত কাতিবিহু ঃ ড° জয়জ্যোতি গোস্বামী — ২০৬
■ মাজুলীত কাতিবিহু প্ৰসঙ্গত ঃ খগেন বৰঠাকুৰ — ২০৯
■ গোলাঘাট অঞ্চলত কাতিবিহু ঃ কীৰ্তি কমল ভূঞা — ২১১
■ শোণিতপুৰ জিলাত কাতিবিহু উদ্‌যাপন ঃ সদানন্দ বৰদলৈ ২১৪

■ কলিয়াবৰ অঞ্চলৰ কাতিবিহু আৰু তাৰ তাৎপৰ্য ঃ বুদ্ধীন্দ্ৰ কুমাৰ বৰুৱা ২১৯
■ নগাঁও জিলাত কাতিবিহুৰ পৰম্পৰা ঃ ভানু হাজৰিকা বৰা ২২৩
■ কাৰবি আংলং জিলাত ছুকক্ৰিম কাংথুৰ ঃ টংক কোঁৱৰ ২২৭
■ কাছাৰ জিলা তথা বৰাক উপত্যকাত কাতিবিহু ঃ সুহাগমণি বৰ্মণ ২৩০
■ বৰাক উপত্যকাত পালন কৰা কাতিবিহুৰ
আচাৰ অনুষ্ঠানঃ তুষাৰকান্তি নাথ ২৩৪
■ মৰিগাঁও জিলাত কাতিবিহু উদ্‌যাপন ঃ নবকান্ত বৰদলৈ ২৪২
■ মৰিগাঁও অঞ্চলত কাতি বিহুৰ পৰম্পৰা ঃ হীৰেণ শৰ্মা ২৪৭
■ দৰঙ জিলাৰ কাতিবিহু ঃ ড° বিজয় কুমাৰ শৰ্মা ২৫১
■ অসমৰ প্ৰাচীনতম জ্যোতিষ চৰ্চাৰ কেন্দ্ৰস্থল
'গন্ধিয়াৰ কাতিবিহু' ঃ হিমাদ্ৰি কুমাৰী শৰ্মা ২৬০
■ ডিমৰীয়াৰ কাতিবিহু ঃ ড° সূৰ্য দাস ২৬৫
■ গুৱাহাটীত কাতিবিহু উদ্‌যাপন ঃ নীলাক্ষি চৌধুৰী ২৬৯
■ কামৰূপ জিলাত কাতিবিহু ঃ লীলাধৰ হাজৰিকা ২৭৫
■ নলবাৰীৰ কাতিবিহু ঃ ড° পৰাগ কুমাৰ ভট্টাচাৰ্য ২৮৬
■ বৰপেটাৰ কাতিবিহু ঃ হিৰণ শইকীয়া লহকৰ ২৮৮
■ বজালী অঞ্চলৰ কাতিবিহু উৎসৱ ঃ গীতা দেৱী ২৯২
■ গোৱালপাৰা জিলাত কাতিবিহু উদ্‌যাপন ঃ শ্যামা চৰণ নাথ ২৯৫
■ বঙাইগাঁও জিলা তথা অবিভক্ত গোৱালপাৰা জিলাত
কাতিবিহু উদ্‌যাপন সম্পৰ্কীয় কিছু তথ্য ঃ অৰুণ কুমাৰ ৰায ৩০০
■ কোকোৰাঝাৰৰ কাতিবিহু ঃ ডাঃ ফনীন্দ্ৰ নাথ নাজ্জাৰী ৩০৪
■ পশ্চিম অসমত কাতিবিহু আৰু গাম্বী উৎসৱ ঃ কাছেমা খাতুন — ৩০৭

(ঘ) আলোক চিত্ৰ ঃ

(ঙ) পৰিশিষ্ট ঃ
(১) সম্পাদনা সমিতিৰ সদস্য/সদস্যাসকল
(২) "শতদল"ৰ কাৰ্য নিৰ্বাহক

(ক) উৎসৱ-অনুষ্ঠান ঃ বিহু ঃ কাতিবিহু ঃ

যতীন্দ্ৰ কুমাৰ বৰগোহাঞি

জন্ম ঃ ১৯৫০ চন, নগাঁও জিলাৰ জখলাবন্ধা।

শিক্ষা ঃ স্নাতকোত্তৰ।

কৰ্মজীৱন ঃ হাউলী বি এইচ কলেজত অধ্যাপনা আৰম্ভ কৰি বৰ্তমান মুক্ত সাংবাদিকতা আৰু সাহিত্য চৰ্চা।

সাহিত্য কৃতি আৰু সাংস্কৃতিক জীৱন ঃ বাতৰি কাকতৰ প্ৰাক্তন সম্পাদক (৭), কবিতা সংকলন (৩), গল্প সংকলন (১), উপন্যাস (২), প্ৰবন্ধ সংকলন (৪), অৰ্থনীতি সম্পৰ্কীয় গ্ৰন্থ (৫), শিশু উপন্যাস (১), অলেখ গল্প, প্ৰবন্ধ, কবিতা আদি কাকত-আলোচনীত প্ৰকাশ।

ৰাজহুৱা জীৱন ঃ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ পৰামৰ্শ দাতা আৰু ৰাজহুৱা কৰ্মৰ লগত সক্ৰিয়ভাৱে জড়িত।

অসমত কাতিবিহু ঃ

বিহু আদিম উৰ্বৰতা কৃষ্টিৰ বিকশিত ৰূপ। ঋতুগত পৰিবৰ্তনৰ লগত ইয়াৰ সম্পৰ্ক থকা বাবে বহু সময়ত ইয়াক বিশুদ্ধ ঋতুগত উৎসৱ যেন লাগে যদিও প্ৰকৃতাৰ্থত কৃষি-জীৱনৰ লগত উৰ্বৰতা কৃষ্টিৰ সম্পৰ্ক থকা বাবেহে এনে এটা সাদৃশ্য গঢ় লৈ উঠে। উদাহৰণ স্বৰূপে বসন্তকালীন উৎসৱবিলাকৰ কথাই ধৰা যাওক। এই উৎসৱবিলাক মূলতঃ কৃষি জীৱনৰ বাৰ্ষিক শুভাৰম্ভৰ লগত জড়িত। গো-পূজা, শস্য-মৎস্য বৃদ্ধিৰ উদ্দেশ্যে প্ৰাৰ্থনা, মানৱ আৰু অন্যান্য সকলো সম্পদৰ সমৃদ্ধিৰ উদ্দেশ্যে নানা ঐন্দ্ৰজালিক ক্ৰিয়া এনে উৎসৱৰ লগত জড়িত হৈ আছে। বসন্তকালত এনে ঐন্দ্ৰজালিক ক্ৰিয়াৰ নানা ৰূপ থাকিব পাৰে। ইয়াৰ এটা সাৰ্বজনীন ৰূপ যৌন-নৃত্য তথা কিছুমান যৌনাচাৰ। যৌন-উদ্দীপক গীত-মাত ইয়াৰ সহজাত। বসন্তকালত হয় বাবে এনে যৌন গীত-মাত, নৃত্যক বসন্তকালীন যৌন গীত তথা যৌন-নৃত্য যেন লাগে। বসন্ত কালতে হওক বা

শৰৎ কালতে হওক, আদিম অৱস্থাত ই আছিল কেৱল পৃথিৱী মাতৃৰ বুকুত সৃষ্টি আৰু সমৃদ্ধিৰ উদ্দীপনা আনিবৰ বাবে কৰা ঐন্দ্ৰজালিক ক্ৰিয়া। পৃথিৱীৰ প্ৰায় সকলো আদিম জনগোষ্ঠীৰ মাজতে এনে উৰ্বৰতা কৃষ্টি বিভিন্ন ৰূপত বিদ্যমান।

আৰ্নষ্ট ফিছাৰে তেওঁৰ অধুনাখ্যাত গ্ৰন্থ 'দি নেছেচিটি অৱ আৰ্ট' গ্ৰন্থৰ দ্বিতীয় অধ্যায়ৰ দ্বিতীয় স্তবকতে কৈছে যে 'মানুহ' প্ৰথমৰে পৰাই এক 'মেজিচিয়ান'— ঐন্দ্ৰজালিক ক্ৰিয়াৰ জৰিয়তে আদিম মানুহে প্ৰকৃতিক নিজৰ নিযন্ত্ৰণলৈ আনিব পাৰিব বুলি ভাবিছিল। ই মানুহৰ আদিম যুগৰ মানসিক কৰ্ষণৰ ফল। কৰ্মৰে মানুহে যিদৰে পাৰে, ঠিক 'মেজিক'ৰেও সেইটো কৰিব পাৰি বুলি ভবাৰ পৰাই আৰম্ভ হৈছে — চিকাৰ কৰিবলৈ যোৱাৰ আগতে জয় দুৰ্গা বুলি সিংহক বশীভূত কৰি মহিষক মৰ্দন কৰা পৃথিৱী শক্তিক সেৱা কৰাৰ কৃষ্টি। আদিম চিকাৰীজীৱী মানুহে গুহাত চিকাৰৰ দৃশ্য আঁক-বাঁক আদিম ৰেখাৰে অংকন কৰাৰ আৰম্ভণিও ইযাতে। পৃথিৱীয়ে গছ-গছনি, জীৱ-জন্তুৰ সমস্তকে বুকুত ধাৰণ কৰে, পৃথিৱী নিজেই প্ৰজননৰ আদি শক্তি। পৃথিৱী পূজাৰ সকলো ৰূপেই মূলতঃ আদ্যা শক্তি— প্ৰজনন শক্তিৰ পূজা। পৃথিৱীৰ প্ৰজনন শক্তিৰ 'মেজিকেল' বা ঐন্দ্ৰজালিক অনুকৰণ মানুহৰ যৌনক্ৰিয়া। পৃথিৱী মাতৃ অথবা পৃথিৱী পিতৃৰ পূজাৰ সমস্ত ৰূপতে নৰ-নাৰীৰ যৌন-নৃত্য-গীত আছেই। এই ঐন্দ্ৰজালিক ক্ৰিয়াৰ প্ৰাধান্যই তান্ত্ৰিক পদ্ধতিত নানা যৌনাচাৰৰ জন্ম দিছিল— প্ৰতীকী অৰ্থত যোনি আৰু লিংগ পূজাৰ সূত্ৰপাত প্ৰজনন শক্তিৰ পূজাৰ মাজতে নিহিত আছে। আমাৰ সকলো ঋতুগত কৃষি উৎসৱ এনে উৰ্বৰতা কৃষ্টিৰ পুঞ্জীভূত ৰূপ।

বাস্তৱজগতত কৰ্মৰে মানুহে প্ৰকৃতিক জয় কৰে, প্ৰকৃতিৰ বুকুত নিজৰ আধিপত্য প্ৰতিষ্ঠা কৰে। কৰ্মৰে যিটো সম্ভৱ, মেজিক বা ইন্দ্ৰজাল বিদ্যাৰ জৰিয়তেও এইটো সম্ভৱ বুলি ভবা হয়। আনহাতে এইটো লক্ষণীয যে আদিম মানুহে অন্তৰ্মুখী (ডায়নিচিযান) আৰু বহিৰ্মুখী (এপলনিয়ান)— দুয়োধৰণৰ কৃষ্টিৰ জৰিয়তেই প্ৰকৃতিক তথা প্ৰকৃতিৰ শক্তিৰ ওপৰত ঐন্দ্ৰজালিক প্ৰভাৱ বিস্তাৰ কৰিবলৈ চেষ্টা কৰে। বহিৰ্মুখী ক্ৰিয়াসমূহ আনন্দমুখৰ বা উৎসৱ প্ৰধান। ইয়াৰো আকৌ বহু ৰূপ আছে। এটা প্ৰধান ৰূপ গণ বা লোক নিয়ন্ত্ৰিত বা লোকায়তিক। আনটো ৰূপ শাস্ত্ৰীয়। আনহাতে দুয়োটা ৰূপৰে সম্মিলনত গঢ লোৱা সান-মিহলি ৰূপো আছে। গণ-নিয়ন্ত্ৰিত বা লোকায়তিক ৰূপটোৰ বাহিৰেও আনএটা বহিৰ্মুখী ৰূপ আছে সেইটো ব্যক্তিকেন্দ্ৰিক নৃত্য-গীত বা যজ্ঞ প্ৰধান। শক্তি বা প্ৰকৃতিক নিয়ন্ত্ৰণ কৰাৰ আনটো পথ ব্যক্তিকেন্দ্ৰিক— অন্তৰ্মুখী বা তপ প্ৰধান। এই পথ আদিম যুগৰে পৰা তপ-জপ কৰা অসুৰ আৰু আৰ্য উভয় পক্ষৰ লোকেই অনুসৰণ

কৰি আহিছে। উল্লেখযোগ্য যে অন্তৰ্মুখী সাধনা প্ৰধান কৃষ্টিৰ লগত আহুতি আৰু যজ্ঞৰ সম্মিলনে জন্ম দিয়ে কোনো কোনো ক্ষেত্ৰত যাগ-যজ্ঞ, বলি প্ৰধান তান্ত্ৰিক পূজাৰ। যোনি আৰু লিংগ পূজাৰ আয়োজনৰ লগত ব্যক্তিকেন্দ্ৰিক অন্তৰ্মুখী তান্ত্ৰিক সাধনা আৰু বহিৰ্মুখী যজ্ঞ, বলি, নৃত্য-গীতৰ সম্মিলনে পূজাৰ চৰিত্ৰকে সময়ত সলনি কৰি দিয়ে গণ-মেলা বা মেলা প্ৰধান পূজালৈ।

আমাৰ প্ৰধান কৃষি উৎসৱ বিহুও মূলতঃ উৰ্বৰতা কৃষ্টিৰ উল্লিখিত পথসমূহৰ সম্মিলিত ৰূপ। ইয়াত লোকায়তিক বহিৰ্মুখী ধাৰাটো বা গণ-নিয়ন্ত্ৰিত গণ-উৎসৱৰ ধাৰাটোৱেই শক্তিশালী যদিও মাঘবিহুত অগ্নি পূজা, অগ্নি আহুতি আৰু অগ্নি-মন্ত্ৰৰ সংযোজন আৰু কাতিবিহুত তুলসী পূজাৰ সংযোজনে এটা অন্তৰ্মুখী আহুতি আৰু সাধনাৰ পৰিসৰো ৰাখিছে। বহাগ বিহুত অন্তৰ্মুখী ধাৰাৰ প্ৰভাৱ তেনেই সামান্য।

অসমত কাতিবিহু

কাতিবিহু অসমত কেতিয়াৰ পৰা হ'ল তাৰ কোনো সুস্পষ্ট ইতিহাস নাই। ৰবিনছনৰ 'একাউণ্টছ অব আচাম'ত বহাগ বিহু আৰু মাঘ বিহুৰ উল্লেখ আছে। শাওন, ভাদ আৰু কাতি মাহত আয়োজন কৰা নানা ধৰণৰ অনুষ্ঠান অৱশ্যে বিভিন্ন জনগোষ্ঠীৰ মাজত পুৰণি কালৰে পৰা আছে।

বৰ্তমান আহিন মাহৰ সংক্ৰান্তিত কাতিবিহু পালন কৰা হয়। লখিমী আদৰা অনুষ্ঠানৰ এইটো এটা সংস্কৃত ৰূপ বুলিব পাৰি। আহিন মাহৰ সংক্ৰান্তিত পালন কৰা এই শৰৎকালীন উৎসৱক আদিতে বিহু বোলা হৈছিল নে নাই বা মাত্ৰ এক আহিনা সংক্ৰান্তি হিচাপে পালন কৰা হৈছিল সেই সম্পৰ্কে বিস্তৃতভাৱে জনাৰ উপায় নাই। এই কথা অৱশ্যে অনুমান কৰিব পাৰি যে বিহু শব্দৰ উৎপত্তিগত অৰ্থ গো-পূজা বা গৰুৰ লগত জড়িত আনন্দ উৎসৱ বুলি ধৰিলে বিহু মানে কেৱল বহাগৰ গো-পূজা প্ৰধান উৎসৱটিকহে বুজোৱা হয় বুলি কব পাৰি। টাই ভাষাত হু মানে গৰু আৰু 'ৰয়' বা 'পথ' মানে আনন্দ উৎসৱ বা ৰং-ৰইচপূৰ্ণ উৎসৱ। দেউৰী 'বিচু' ৰং-ৰহইচপূৰ্ণ উৎসৱ। ডিমাচা 'বুচু' ৰং ৰহইচপূৰ্ণ উৎসৱ। সকলো কিৰাত আৰু নিষাদ জনগোষ্ঠীৰ মাজতে বহাগবিহু ৰং ৰহইচপূৰ্ণ উৎসৱ হিচাপে পালিত হৈ আহিছে। লোকায়তিক গো-পূজা, আশীৰ্বাদমূলক হুচৰি অনুষ্ঠান, যৌন-ধৰ্মী নাম আৰু নাচৰ অনুষ্ঠান জেং বিহু (চেং বিহু) আৰু আধুনিক বিহু নাচৰ উপৰি বিভিন্ন ক্ৰীড়া, আনন্দৰ খেল-ধেমালি, সাজ-পাৰ আৰু শৌৰ্য-বীৰ্যৰ প্ৰদৰ্শনে মূলতঃ বহিৰ্মুখী কৃষ্টিমূলক ধাৰা এটা প্ৰদৰ্শন কৰে। মাঘবিহু আনহাতে দেউৰী 'মঘায়' উৎসৱ, 'মিচিঙৰ আলি আই লৃগাং' আদিৰ

লগত একেলগে পালন কৰা নহয়। মাঘবিহুত অগ্নি বন্দনা কৰা হয়, অগ্নি পূজা আৰু ভোজ-ভাত খাবৰ বাবে মেজি বা ভেলাঘৰ নিৰ্মাণ কৰা হয়, মেজিৰ ভোজত বেছিভাগ ঠাইতে নাৰীৰ প্ৰবেশ নিষেধ, পুৰুষ প্ৰধান গীত-নাচ আৰু ৰং-ৰহইচ প্ৰধান এই উৎসৱ। পুৱাৰ মেজি জ্বলোৱা অনুষ্ঠানতহে সকলো থাকিব পাৰে। এই অংশত 'অগ্নি প্ৰজ্জ্বলিতং বন্দে চতুৰ্বৰ্ণ হুতাশনম্' বুলি যি আহুতি দিয়া হয় সেয়া কৃষিজাতৰ লগতে ফুল, তুলসী, দুবৰি, আমপাত, আদিৰ আহুতি। মন্ত্ৰফাকিয়ে আৰ্যীকৃত বা আৰ্যমূলীয় উৎসৱৰ ইংগিত দিয়ে। প্ৰসঙ্গতঃ উল্লেখযোগ্য যে আৰ্যমূলীয় সভ্যতা থকা দেশবোৰত— মধ্য ইউৰোপীয় দেশবোৰত চতুৰ্দশ শতিকামানলৈকে ভেলাঘৰ জাতীয ঘৰ সাজি অগ্নিক আহুতি দিযা বা ভোজ-ভাত খোৱাৰ উদাহৰণ আছে। মাঘ বিহুত মোৱা আলু পিঠাৰ প্ৰাচুৰ্যই আদিম জনগোষ্ঠীয় জন্মৰে ইংগিত দাঙি ধৰে।

আনন্দ উৎসৱ তথা খাদ্য, ভোজন, ৰং-ৰহইচ আদিৰ ফালৰ পৰা চাবলৈ গ'লে এই দুটা বিহুৰ লগত কাতি বিহুৰ কোনো মিল নাই, কাতি বিহুৰ ৰং-ৰহইচৰ প্ৰাধান্য কম। খোৱা-বোৱা, পিন্ধন-উৰণৰ বৈশিষ্ট্য আছে যদিও এই বিহুত প্ৰাচুৰ্যৰ পয়োভৰ আৰু গীত-মাত, উৎসৱৰ আযোজন কম বা প্ৰায নাযেই।

কাতিবিহুৰ সময়

কাতিবিহুৰ সময় শৰৎ কাল। শৰৎ কাল অতি বিতোপন। বাৰিষাৰ অন্ত— শীতৰ আৰম্ভণিৰ মাজৰ সময়। এই সময়ছোৱা অসমৰ মূল খাদ্য শস্য ধানৰ বৰ্ষাকালীন খেতিৰ বাবে অতীব গুৰুত্বপূৰ্ণ। কাতি বিহুৰ সময়তে ধানে গেৰ মেলে। আগতীয়া ধানবোৰ ওলাবৰ হয়। গতিকে কৃষিজীৱী ৰাইজৰ বাবে এই সকলোখিনি হৈ পৰে গভীৰ চিন্তাৰ সময।

শস্যৰ বহু শত্ৰু। কীট-পতংগ, ৰোগ আৰু বেযা বতৰ। এই সকলোবোৰ দৃশ্য-অদৃশ্যমান শত্ৰুৰ বিৰুদ্ধে মানুহে কিদৰে যুঁজিব? গেৰ মেলা ধান যদি এবাৰ কীট-পতংগই নাশ কৰে তেন্তে দুনাই পাবৰ বাবে কোনো উপায় নাই। এনে এটা শঙ্কাজনক পৰিস্থিতিত কৃষিজীৱী ৰাইজে কি কৰিব পাৰে? উল্লেখযোগ্য যে এনে এটা পৰিবেশতে দীপাৱলী বা দেৱালি উৎসৱ পালিত হয়, যি উৎসৱত অজস্ৰ বন্তি জ্বলাই এফালে গণ-বন্তি প্ৰজ্বলনেৰে পোহৰৰ জয়-গান গোৱা হয়, ঠিক সেইদৰে কীট-পতংগ আৰু ৰোগৰ বীজাণু নাশ কৰিবৰ বাবেও এনে গণ-বন্তি প্ৰজ্বলনে সহাযক উপাদান হিচাপে কাম কৰে।

শৰৎ কালৰ সুশোভিত প্ৰকৃতি, শীৰ্ণ নদী, শুকুলা কঁহুৱা বগা মেঘ, ঢৌখেলা ধাননি, বননি আৰু কঁহুৱানিৰ অপৰূপ সৌন্দৰ্যৰ মাজত মানুহে বিচাৰি পায়

ভৱিষ্যতৰ সেউজ সম্ভাৱনা। আদৰিবলৈ সাজু হয় লখিমীক। অৰ্থাৎ, আগতীয়া লখিমী আদৰাৰ বাবে কাতি বিহুৰ সময় উপযুক্ত। সম্ভৱতঃ আগতীয়াভাবে লখিমীক আদৰা আৰু শস্যৰ অনিষ্টকাৰী কীট-পতংগ নাশৰ বাবে পৰিবেশ ৰচনাৰ উমৈহতীয়া স্বাৰ্থতে আয়োজিত হয় কাতি বিহুৰ। আহিন মাহৰ সংক্ৰান্তিৰ দিনা আয়োজিত হয—এই অনুষ্ঠানৰ আৰম্ভণি আৰু প্ৰধান পৰ্বৰ।

কাতিবিহুৰ নিৰ্দিষ্ট অনুষ্ঠান

কাতিবিহুত বহাগ বিহু আৰু মাঘ বিহুৰ নানান ৰং-ৰহইচৰ, নাম-নাচৰ একো নাই বুলি সততে ভবা হয যদিও আচলতে তেনে ৰং-ৰহইচ নিষেধ কৰা নহয়। আনন্দ-উলাহ কাতি বিহুতো থাকে। কিন্তু কাতি বিহুৰ সময শস্যৰ গেৰ মেলাৰ সময। গতিকে শস্যৰ মঙ্গল আৰু উৎকৰ্ষৰ প্ৰয়োজনেই এই সময়ত অধিক প্ৰয়োজন। লগে লগে পৰিযালৰ মঙ্গল কামনাৰ প্ৰশ্নও জড়িত হয় আৰু বন্তি প্ৰজ্বলনৰ নানা প্ৰয়োজনে এটি উমৈহতীয়া প্ৰয়োজন পূৰণ কৰে।

কাতিবিহুৰ বন্তি প্ৰজ্বলনৰ অনুষ্ঠান কেবাবিধৰো। আকাশবন্তি, পদূলি মুখত বন্তি, পথাৰৰ মাজত বন্তি, চোতালৰ আগত বন্তি তথা গোঁসাই থাপনাৰ আগত বন্তি। আকাশ বন্তি প্ৰজ্জ্বলনৰ নিয়মো বিভিন্ন স্থানত বিভিন্ন ধৰণৰ। বেছিভাগ ঠাইতে এডাল কেঁচা বাঁহ শীৰ্ষ ভাগত থকা পাতৰে সৈতে চোতালৰ আগত পোতা হয়। এই বাঁহডালৰ কোনো নিৰ্দিষ্ট দৈৰ্ঘ নাই— ভঠেলি, সুঁৱেৰী আদিৰ দৰে বাঁহডালৰ কোনো নামো নাই। বাঁহ পোতা আৰু বাঁহৰ শীৰ্যত বন্তি প্ৰজ্বলনে অৱশ্যে আকাশ পূজাৰ বা আকাশত থকা স্বৰ্গৰ দেৱতা পূজাৰ এটা ইঙ্গিত দাঙি ধৰে। ৰঙা, হালধীযা, গোলাপী, সেউজীয়া আদি নানা ৰঙৰ বন্তি প্ৰজ্বলন কৰা হয়।

আকাশবন্তি প্ৰজ্বলন আৰু পথাৰৰ মাজত বন্তি প্ৰজ্বলনৰ ক্ষেত্ৰত বোলে শাস্ত্ৰীয় বিধান নাই। পথাৰৰ সকলো ঠাইতে বন্তি প্ৰজ্বলন কৰা হয়। প্ৰকৃততে সুবিধা থকাসকলে অধিক বন্তি প্ৰজ্বলন কৰি শস্যৰ সুৰক্ষাৰ অধিক বহল ব্যৱস্থা কৰে। কোনো কোনো স্থানত বন্তি প্ৰজ্বলন এসপ্তাহ অথবা এমাহ ধৰি চলে।

বন্তি প্ৰজ্বলনৰ আনুষংগিক আন এক অনুষ্ঠান হ'ল তুলসী ৰোপণ আৰু তুলসী তলত বন্তি প্ৰজ্বলন। তুলসী পুলি চোতালত পুব দিশে ৰোপণ কৰা হয়। সাধাৰণতে কৃষ্ণ (কলীয়া) তুলসীৰ পুলি ৰোৱা হয়। সন্ধ্যা তুলসী তলত বন্তি জ্বলোৱা হয় আৰু নাম লোৱা হয।

তুলসী তলৰ নামবোৰ আই নাম বা ধাই নামৰ দৰেই কোমল সুৰৰ। তুলসী তলৰ নামৰ ধৰণ এনেকুৱা ঃ

তুলসী তুলসী
অ' আই তুলসী
তুমি গোবিন্দৰ প্ৰিয়া।
কোন পথে
কানাই যায়
অ' আই তুলসী
তৎকালে সমিধান দিয়া।

তুলসী উপকথাত যি নহওক, বাস্তৱত বহু ৰোগৰ ঔষধি গছ। গতিকে তুলসী পূজাই এফালে বৃক্ষ পূজাক ঔষধি গছ পূজাৰ স্তৰলৈ উন্নীত কৰিছে, আনহাতে ই কীট আৰু ৰোগৰ বীজাণু বা জাৰ কালিৰ অসুখৰ ঔষধি গছ এজুপিৰ বন্দনাৰ ৰীতি এটাক প্ৰতিনিধিত্ব কৰিছে।

তুলসী ৰোপণ আৰু তুলসী তলৰ বন্তি প্ৰজ্বলন মূলতঃ পূজাৰ এটা সংস্কৰণ বা মঙ্গলময়ৰ পূজাৰ এটা ৰূপ। তুলসীয়ে মঙ্গলময় পৰমশিৱ পৰমেশ্বৰক পাবৰ বাবে নিজকে নিবেদিত কৰিছিল। গতিকে তুলসীক বন্দনা কৰাটো আওপকীয়াভাৱে ঈশ্বৰৰ ওচৰত আত্মনিবেদনৰ একান্ত নিঃস্বাৰ্থ ৰূপ বুলি ক'ব পাৰি।

নামঘৰীয়া অনুষ্ঠান

কাতিবিহুৰ আবেলি বিভিন্ন স্থাপন নামঘৰত নাম-প্ৰসঙ্গ বা সবাহৰ আযোজন কৰা হয়। নাম প্ৰসঙ্গত সাধাৰণতে গাঁৱৰ মহিলাসকলে অংশ গ্ৰহণ কৰে। নাম প্ৰসঙ্গত লখিমী, তুলসী তথা দেৱী পূজাৰ নামৰ উপৰি বৈষ্ণৱ ধৰ্মৰ নাম-প্ৰসঙ্গও কৰা হয়।

কাতিবিহুত দক্ষিণ ভাৰতৰ কোনো কোনো সম্প্ৰদাযে কৰা কাৰ্তিক পূজা তথা পশ্চিমবঙ্গ আৰু উৰিষ্যাৰ কাৰ্তিক পূজাৰ প্ৰভাৱ নাই। নাম প্ৰসঙ্গতে অৱশ্যে শিৱ, দুৰ্গা, কাৰ্তিক, গণেশৰ কথা আহিব পাৰে। কাৰণ, কাতিবিহুত কোনো শাস্ত্ৰীয় বিধান বান্ধি দিয়া হোৱা নাই। সামগ্ৰিকভাবে শস্য আৰু মানুহৰ মঙ্গল সাধন কৰিব পৰা সকলো আৰাধ্য দেৱ-দেৱীৰ প্ৰতি প্ৰাৰ্থনা এনে উৎসৱত থাকিব পাৰে।

সন্ধ্যা তুলসী তলত জ্বলোৱা বন্তিৰ একান্ত পবিত্ৰ আৰু শীতল পৰিবেশৰ প্ৰাধান্য থকা বাবে কাতিবিহুৰ নাম-প্ৰসঙ্গ সাধাৰণভাৱে তুলসী পূজাৰ পবিত্ৰ ভাবৰ দ্বাৰা অনুপ্ৰাণিত তথা প্ৰভাবান্বিত হোৱা দেখা যায়।

পথাৰত মাংগলিক অনুষ্ঠান

কাতিবিহুত ধাননি পথাৰত ফুৰিবলৈ যোৱাটো এটা স্বতঃস্ফূৰ্ত আয়োজনৰ

দৰে। সম্ভৱতঃ লখিমী স্বৰূপা ধানৰ প্ৰতি থকা শ্ৰদ্ধা-ভক্তিৰ বাবেই এই গেৰ ওলোৱা বা থোৰ মেলা বতৰত ধাননিডৰা চাই বন্তি প্ৰজ্বলনৰ প্ৰস্তুতি চলোৱা বাবে বিহুৰ দিনা ডেকা-গাভৰু আৰু সাধাৰণ মানুহৰ সমাগম হয়। পথাৰ ঘূৰি মেলি সাধাৰণতে হাতত নিয়া জলপান, পিঠা-পনাৰ উপৰি ৰবাব টেঙা আদি পথাৰৰ মাজতে বহি খোৱাৰ ফলত এইটোও কিছুমান ঠাইত ৰং-ৰহইচৰ অনুষ্ঠানৰ দৰে হৈছে।

সাধাৰণতে পথাৰখন ঘূৰি মেলি চাই সন্ধ্যাৰ আগে আগে বন্তি প্ৰজ্বলন কৰি ডেকা-গাভৰু আৰু কৃষক ৰাইজে কাতিবিহুৰ প্ৰধান মাঙ্গলিক অনুষ্ঠানৰ সামৰণি মাৰে। কাতিবিহুৰ মাঙ্গলিক অনুষ্ঠানত যৌনতাৰ প্ৰাদুৰ্ভাৱ নথকাটোৱে তুলসী পূজা আৰু বৈষ্ণৱী কৃষ্টিৰ প্ৰভাৱ বিস্তাৰৰ কথাই সূচায়।

কাতিবিহুত কাৰ্তিক দেৱতাৰ মূৰ্ত্তি স্থাপন কৰি বা অন্য কোনো প্ৰতীক স্থাপন কৰি পূজা কৰা নহয় যদিও আকাশ বন্তি প্ৰজ্বলনে আকাশত থকা দেৱতাকে পূজা কৰা বুজায়। ইন্দ্ৰৰ সেনাপতি কাৰ্তিক। গতিকে কাতিবিহুৱে কাৰ্তিক পূজা নকৰা অসমীয়াৰ কৃষ্টিকো মূলতঃ প্ৰতীকী অৰ্থত দেৱতাৰ প্ৰতিৰক্ষা বা যুদ্ধৰ সেনাপতি কাৰ্তিকৰ পৰা সুৰক্ষা বিচৰাৰো এটা সুৰুঙা দিছে। আকাশবন্তি প্ৰজ্বলনে প্ৰকৃতাৰ্থত বহুমাত্ৰিকভাৱে প্ৰতীকী অৰ্থৰ সম্প্ৰসাৰণৰ সুযোগ দিছে।

❖❖❖

ড° দীনেশ বৈশ্য

জন্ম ঃ ১৯৫৩ চন। কামৰূপ জিলাৰ দলিবাৰী গাঁও।

শিক্ষা ঃ স্নাতকোত্তৰ, পি এইচ ডি।

কৰ্মজীৱন ঃ গোৱালপাৰা মহাবিদ্যালয়ত প্ৰবক্তা হিচাপে যোগদান কৰি বৰ্তমান গুৱাহাটীৰ বি, বৰুৱা মহাবিদ্যালযৰ অধ্যাপক।

সাহিত্য কৃতি আৰু সাংস্কৃতিক জীৱন ঃ

সাহিত্য, সংস্কৃতি, বিজ্ঞান প্ৰযুক্তিবিদ্যা, নাটক আদি বিভিন্ন বিষয়ৰ ৩৩ খন পুথি প্ৰকাশ। ভালেকেইখন প্ৰতিষ্ঠিত আৰু জনপ্ৰিয় আলোচনীৰ সম্পাদক। The Telegraph নামৰ কাকতৰ অতিথি স্তম্ভকাৰ। গীতৰ পুথি ২ খন, আকাশবাণী আৰু দূৰদৰ্শনৰ অনুমোদিত গীতিকাৰ। ১১ খন তথ্য চিত্ৰৰ স্ক্ৰীপ্ট লেখক। এখন তথ্যচিত্ৰৰ পৰিচালক।

ৰাজহুৱা জীৱন ঃ যথাযথ প্ৰযুক্তি সমিতিৰ কাৰ্যবাহী সঞ্চালক, শিক্ষা, সামাজিক বিকাশ আদি আঁচনিৰ মুখ্য কাৰ্যনিৰ্বাহক, NERIWALAM Tezpurৰ গৱেষণা উপদেষ্টা পৰিষদৰ সদস্য, অসমৰ আঞ্চলিক স্বেচ্ছাসেৱী অনুষ্ঠানসমূহৰ নেটৱৰ্কৰ সভাপতি, শিক্ষা মৌলিক অধিকাৰ সম্পৰ্কীয় ৰাষ্ট্ৰীয় সমিতিৰ সদস্য, CAPARTৰ আঁচনি তত্বাৱধায়ক বিষয়া আৰু বহুতো স্বেচ্ছাসেৱী অনুষ্ঠানৰ সৈতে জড়িত।

কাতিবিহুৰ পৰম্পৰাত বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ উপাদান

বিবৰ্তনৰ পথেৰে জীযাই থাকিবলৈ মানুহে যি জীৱনসংগ্ৰাম চলাইছে আৰু প্ৰকৃতিৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিবলৈ যি প্ৰচেষ্টা চলাইছে সেয়াই হ'ল সংস্কৃতি। সংস্কৃতিৰ মূল ভিত্তি হ'ল—জীৱিকাৰ প্ৰয়াস সহজে আয়ত্ত কৰা। জীৱিকাৰ

প্ৰয়াসেৰে মানুহে যেনেদৰে অগ্ৰসৰ হয় তেনেদৰেই অগ্ৰসৰ হয় সংস্কৃতি। অৰ্থাৎ পৰিবৰ্তন আৰু পৰিবৰ্দ্ধনৰ মাজেৰে সংস্কৃতিৰ পৰিবৰ্তন হয়।

মানুহ প্ৰকৃতিৰ এক অংগ। মানুহ এবিধ প্ৰাণী। অইন প্ৰাণীৰ দৰেই মানুহে আহাৰ বিচাৰে, সন্তান উৎপাদন কৰে, যৌন কামনাত উদ্দীপ্ত হয়, মৃত্যুলৈ ভয় কৰে। কিন্তু এই সকলো জৈৱিক প্ৰক্ৰিয়াতেই মানুহৰ ভিন্নতা আছে। ক্ষুধা নিবাৰণৰ বাবে মানুহে আহাৰ গ্ৰহণ কৰে। এই আহাৰ গ্ৰহণতো মানুহে বৈচিত্ৰ্য সৃষ্টি কৰিছে। মানুহে নানা ধৰণে, নানা প্ৰকাৰে আহাৰ প্ৰস্তুত কৰে। মানুহৰ যৌনকামনা আছে। কিন্তু এই কামনা পাশৱিক নহয়। ই বৈচিত্ৰ্যতাৰে ভৰা। মানুহে সন্তানৰ জন্ম দিয়ে। এই জন্মদান সম্পূৰ্ণ প্ৰকৃতি নিয়ন্ত্ৰিত নহয়। মানুহৰ সন্তান উৎপাদন প্ৰক্ৰিয়াও স্ব-নিয়ন্ত্ৰিত। ইয়াতো বৈচিত্ৰ্যতা আছে। মানুহে মৃত্যুক ভয় কৰে আন জীৱৰ দৰেই। কিন্তু, মানুহৰ মৃত্যুক লৈ ৰচিত হৈছে নানা সংস্কৃতি। এই সংস্কৃতিয়ে মৃত্যুক এক মৰ্যাদা দান কৰিছে। মানুহে মৃত্যুক কেৱল এক জৈৱিক প্ৰক্ৰিযা কৰি ৰখা নাই। মানুহৰ হাতত মৃত্যুও এক কৃষ্টিত পৰিণত হৈছে। দেশৰ বাবে, সমাজৰ বাবে হোৱা মৃত্যুক মানুহে অমৰত্ব দান কৰিছে। দেশ, সমাজ, শিল্প, বিজ্ঞানৰ সাধনাত ব্ৰতী মানুহৰ মত্যুও এক সন্মান। মানুহে এনেদৰে মৃত্যু ভযক জয কৰিছে।

জীৱিকাৰ প্ৰযোজনতেই মানুহৰ প্ৰবৃত্তিৰ বিকাশ হয, বিচিত্ৰ হয। মানুহৰ জীৱনলৈ আহে নতুন ভংগী, নতুন নিয়ম। এনেদৰেই পৰিবৰ্তন আহে মানুহৰ জীৱনলৈ, মানুহৰ প্ৰবৃত্তিলৈ। এই পৰিবৰ্তনেই হ'ল সংস্কৃতিৰ গতি। মানুহৰ যদি এক সাংস্কৃতিক জীৱন নাথাকিলহেঁতেন, তেনেহ'লে মানুহ পশু হৈ থাকিলেহেঁতেন।

মানুহৰ প্ৰবৃত্তিৰ এই পৰিবৰ্তন চিৰন্তন। মানুহৰ জ্ঞাতে অজ্ঞাতে নিয়মিতভাৱে হৈ আছে এই পৰিবৰ্তন। এই পৰিবৰ্তন অনবৰতে মানুহৰ চকুত নপৰে। এই পৰিবৰ্তন চকুত পৰিবলৈ বহু সময়ৰ প্ৰয়োজন। এই সময়কেই আমি যুগান্তৰ বুলি কওঁ। যুগান্তৰৰ লগে লগে সমাজ আৰু সংস্কৃতিৰো ৰূপান্তৰ হয়।

সাংস্কৃতিক বিৰ্বতনৰ পথেৰে এনেদৰেই মানুহ আগবাঢে। সমাজৰ পৰিবৰ্তন হয়। সংস্কৃতিৰ বিকাশ হয়। কিন্তু কিয এই পৰিবৰ্তন? কি নিয়মেৰে, কি দিশেৰে হয় এই পৰিবৰ্তন? কি দিশেৰে আগবাঢিছে সমাজ আৰু সংস্কৃতি?

এইবিলাক প্ৰশ্নৰ উত্তৰ বিচাৰি আমি ওচৰ চাপিব লাগিব বিজ্ঞানৰ আৰু ইতিহাসৰ।

বৈজ্ঞানিক বিশ্লেষণেৰে চালে দেখা যায় মানুহৰ সামাজিক জীৱন আৰু মানুহৰ অন্তৰ্জগতত যি নিয়ম নীতি চলে সি সম্পূৰ্ণ বাস্তৱ। আমি বহুতে ভাবো যে

এক আধ্যাত্মিক নিয়মেৰেহে মানুহৰ সংস্কৃতি নিয়ন্ত্রিত। মানৱ সংস্কৃতি সদায় বাস্তৱ নিৰ্ভৰ। মানৱ সংস্কৃতিৰ কোঁহে কোঁহে নিহিত হৈ আছে বিজ্ঞান, অৰ্থনীতি, সামাজিক বান্ধোন আৰু উপযোগী প্রযুক্তি।

পৰম্পৰা আৰু সংস্কৃতি সম্পৰ্কে আমাৰ সমাজত যেনেদৰে বহুতো ভ্ৰান্ত ধাৰণা আছে ঠিক তেনেদৰেই —বিজ্ঞান আৰু প্রযুক্তিবিদ্যা সম্পৰ্কেও আমাৰ বহুতৰে এক ভ্ৰান্ত ধাৰণা আছে। আমি ভাবো বিজ্ঞান আৰু প্রযুক্তিবিদ্যা সাম্প্রতিক (আধুনিক) কালৰ উদ্ভাৱিত জ্ঞান। প্রাচীন কালত বিজ্ঞান আৰু প্রযুক্তিবিদ্যা নাছিলেই বুলি বহুতে কব খোজে। পাৰম্পৰিক সমাজৰ লোকে বিজ্ঞান প্রযুক্তিবিদ্যাৰ বিষয়ে একো নাজানিছিল, তেওঁলোকে কেৱল অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰ মাজতেই নিমজ্জিত আছিল বুলি আমাৰ বহুতে মন্তব্য কৰে।

সাম্প্রতিক আধুনিক সমাজৰ বহুতে আৰু এখোপ আগুৱাই গৈ ক'ব খোজে যে বিজ্ঞান আৰু প্রযুক্তিবিদ্যা মাথো পশ্চিমীয়া জগতৰহে (প্ৰধানকৈ ইউৰোপ আৰু আমেৰিকা মহাদেশৰ দেশসমূহৰ) অৱদান। বিজ্ঞান আৰু প্রযুক্তিবিদ্যাত পূবৰ কোনো অৰিহণা নাই।

দৰাচলতে বিজ্ঞান আৰু প্রযুক্তিবিদ্যা কেৱল আধুনিক যুগৰ অৱদান নহয় বা ই কেৱল পশ্চিমীয়া দেশৰহে উদ্ভাৱনো নহয়। পৃথিৱীৰ চুকে-কোণে থকা সকলো দেশৰ সকলো জাতি জনজাতিৰ লোকে আৱহমান কালৰে পৰা বিজ্ঞান আৰু প্রযুক্তিবিদ্যা চৰ্চা কৰি আহিছে আৰু বহুতো উল্লেখযোগ্য উদ্ভাৱন কৰিছে।

পাৰম্পৰিক সমাজত মুখ বাগৰি অহা মৌখিক জ্ঞান (Oral lore) সমূহৰ অধিকাংশই বিজ্ঞান আৰু প্রযুক্তিবিদ্যাৰ উল্লেখযোগ্য সমল। প্রত্যেক সমাজৰেই নিজস্ব পাৰম্পৰিক বিজ্ঞান আৰু প্রযুক্তিবিদ্যাৰ ধাৰা এটা প্ৰবাহমান। বিজ্ঞান প্রযুক্তিবিদ্যাৰ প্ৰায় সকলো বিষয়তেই পাৰম্পৰিক সমাজে বহুতো সমলৰ যোগান ধৰিছে। পাৰম্পৰিক সমাজে আগবঢ়োৱা বিজ্ঞান আৰু প্রযুক্তি বিদ্যাক আমি যদিও পাৰম্পৰিক বিজ্ঞান আৰু প্রযুক্তিবিদ্যা (Traditional Science & Technology) বুলিহে কওঁ, এইবিলাক সমল কিন্তু আজিৰ এই আধুনিক সমাজতো উল্লেখযোগ্য ভাৱে প্ৰাসংগিক। উদাহৰণ স্বৰূপে, অত্যাধুনিক পশ্চিমীয়া চিকিৎসা বিজ্ঞানৰ জয়যাত্ৰাৰ দিনতো পাৰম্পৰিক ঔষধি ব্যৱস্থা (আয়ুৰ্বেদ, লোক চিকিৎসা) আদিৰ প্ৰাসংগিকতা কমা নাই বৰং বাঢ়িছেহে। আনহাতে আধুনিক কৃষিবিজ্ঞানী সকলে এতিয়া পাৰম্পৰিক কৃষি বিজ্ঞানৰ সন্ধানত গৱেষণা চলাইছে। তেওঁলোকে মানি লৈছে পাৰম্পৰিক কৃষি ব্যৱস্থাহে টিকি থাকিব পৰা (Sustainable) ব্যৱস্থা।

বিশিষ্ট নৃতত্ত্ববিদ Claud Levi Straussএ তেওঁৰ বিখ্যাত পুথি Structural Anthropology (Vol-I)ত এই প্ৰসংগত এক উল্লেখযোগ্য মন্তব্য আগবঢাইছে — "The mind of so called primitive man possessed the capacity for logical thinking in the same measure as modern man there is no qualitative difference between the two minds what makes the a steel axe superior to stone axe is not that the first one is better made than the second They are equally well made, but steel is quite different from stone

বৰ্তমানৰ উত্তৰপূৱ ভাৰতবৰ্ষত পুৰণি কালৰ অসমৰ সাংস্কৃতিক ইতিহাস বিজ্ঞানসম্মনতভাৱে আজিলৈ উন্মোচিত হোৱা নাই বুলি ক'ব পাৰি। ছেগা চোৰোকাকৈ এই অঞ্চলৰ কোনো কোনো জনগোষ্ঠীৰ পাৰম্পৰিক সংস্কৃতি সম্পৰ্কে অধ্যয়ন কৰা হৈছে যদিও এই অধ্যয়নে এই জনগোষ্ঠীসমূহৰ পাৰম্পৰিক সংস্কৃতিত থকা বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ সমল সম্পৰ্কে বিজ্ঞানসম্মতভাৱে আলোকপাত কৰিব পৰা নাই। এই দিশত, বিজ্ঞানসম্মত গৱেষণাৰ অভাৱৰ বাবে সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ পাৰম্পৰিক সংস্কৃতিৰ মাজত লুকাই থকা পাৰম্পৰিক বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ এক বিস্ময়কৰ ইতিহাস অনাবিষ্কৃত হৈ আছে।

এই অঞ্চলৰ পাৰম্পৰিক সংস্কৃতিৰ ইতিহাস ফঁহিয়াই চালে দেখা যায় বিজ্ঞান প্ৰযুক্তিৰ প্ৰায় সকলো দিশতে এই অঞ্চলত বস্তুনিষ্ঠ অধ্যয়ন হৈছিল। বিজ্ঞান প্ৰযুক্তিৰ এই বস্তুনিষ্ঠ ছুটা পৰম্পৰাৰ মাজতেই লুকাই থাকিল।

উত্তৰপূৱ ভাৰতবৰ্ষৰ বিভিন্ন জনগোষ্ঠীয় পাৰম্পৰিক সংস্কৃতি বিজ্ঞান প্ৰযুক্তিবিদ্যা, সমাজ ব্যৱস্থা আৰু অৰ্থনৈতিক উপযোগিতাৰ উপাদানৰে ভৰি আছে। কিন্তু দুখৰ বিষয় যে আমাৰ সাহিত্য সংস্কৃতিৰ গৱেষকসকলে বৈজ্ঞানিক দৃষ্টি ভংগীৰে আমাৰ এই প্ৰান্তৰ বিভিন্ন জনগোষ্ঠীৰ পাৰম্পৰিক সংস্কৃতি বিশ্লেষণৰ কাম এতিয়াও ভালদৰে হৈ উঠা নাই। যদিও এই দিশত বিশ্বৰ বিভিন্ন দেশ বিভিন্ন জনগোষ্ঠী ভালেখিনি আগুৱাই গ'ল।

বিশ্বৰ বিভিন্ন প্ৰান্তৰ বিভিন্ন জনগোষ্ঠীৰ পাৰম্পৰিক সংস্কৃতিৰ কোঁহে কোঁহে সোমাই আছে বিজ্ঞান প্ৰযুক্তিবিদ্যা। পাৰম্পৰিক সমাজৰ মানুহে এই সংস্কৃতিক বিজ্ঞান বুলি নকয় বৰং সামাজিক আচাৰ বা নীতি বুলি হে মানে। যুগে যুগে পাৰম্পৰিক সমাজৰ লোকে জীৱন ধাৰণৰ মানদণ্ড উন্নয়নৰ প্ৰয়োজনত 'ট্ৰায়েল এণ্ড এৰ'ৰ', প্ৰক্ৰিয়াৰে উদ্ভাৱন কৰিছে বৈজ্ঞানিক নীতি আৰু উপযোগী প্ৰযুক্তি। অৱশ্যে এই নীতি আৰু প্ৰযুক্তিৰ লগত মিহলি হৈ আছে যাদুবিদ্যা বা মেজিক।

আছে বিশ্বাস ভক্তি আৰু সামাজিক বান্ধোন। লগত আছে লোকাচাৰ, লোকবিদ্যাৰ প্ৰদৰ্শন।

অসমৰ বিভিন্ন জনগোষ্ঠীৰ এক উমৈহতীয়া তথা ধৰ্মনিৰপেক্ষ সংস্কৃতি হ'ল বিহু। কোৱা বাহুল্য যে বিহুৰ প্ৰায় সকলো উপাদানৰ লগতেই কৃষিজীৱী লোকৰ বিজ্ঞান-প্ৰযুক্তি আৰু বিশ্বাস জড়িত হৈ আছে। বিহুৰ বিভিন্ন সাংস্কৃতিক উপাদানক আমি পাৰম্পৰিক ৰীতি বুলিয়েই মানি আহিছোঁ যদিও বিজ্ঞানসন্মত দৃষ্টিভংগীৰে লক্ষ্য কৰিলে এই পাৰম্পৰিক আচাৰ অনুষ্ঠানৰ মাজত স্পষ্ট বিজ্ঞান প্ৰযুক্তিভিত্তিক উপাদান বিচাৰি পোৱা যায়।

কাতিবিহুৰ আচাৰ অনুষ্ঠানৰ প্ৰসংগত কেইবাটাও কৃষি প্ৰযুক্তিৰ উপাদানৰ কথা উল্লেখ কৰিব পাৰি। কাতিবিহুক, কঙালীবিহু বুলিও কোৱা হয়। ইয়াৰ কাৰণ হ'ল— এই সময়ত মানুহৰ ভঁৰালত ধান কমি আহে। কেৱল ধানৰ খেতিৰ ওপৰতেই নিৰ্ভৰ কৰা আমাৰ গাঁৱৰ আৰ্থ-সামাজিক অৱস্থাই মানুহক দাৰিদ্ৰতাৰে জৰ্জৰিত কৰি ৰাখে। সেই সময়ত পথাৰত থাকে সেউজীয়া গাভিনী ধান। গৰ্ভৰ পৰা ওলাই আহিব ধানৰ থোক। এই থোক যদি পুৰঠ হয়, নিৰোগী হয় তেতিয়াহে ভঁৰাল ভৰিব সোণালী শইচেৰে। গতিকে পথাৰৰ গাভিনী ধানৰ সুস্বাস্থ্য কামনাৰে ৰচিত হৈছে কাতিবিহুৰ পাৰম্পৰিক আচাৰ ৰীতি। কাতিবিহুৰ প্ৰধান অনুষ্ঠানটোৱেই হৈছে পথাৰত গধূলি তেলৰ চাকি দিয়া। মৰাপাটৰ ঠাৰি নতুবা বাঁহৰ গছাত ঔৰ খোল, কলৰ দোনা বা মাটিৰে সঁজা চাকিত মিঠাতেল ঢালি ডাঙৰ শলিতাৰে বহুপৰলৈ জ্বলি থকাকৈ চাকি জ্বলোৱা হয়। সমগ্ৰ পথাৰ হাজাৰ হাজাৰ চাকিৰ পোহৰত উজলি উঠে। ধানৰ থোৰ মেলা সময়তেই ধানৰ পোকে গাখীৰ অৱস্থাত থকা ভ্ৰূণ ভোজন কৰি বংশ বৃদ্ধি কৰে। এই সময়ত ধানৰ অনিষ্টকাৰী পোকবিলাক যৌৱনপুষ্ট হয় আৰু প্ৰজননৰ বাবে স্ত্ৰী-পুৰুষ পোকে উভয়ে উভয়ক আমন্ত্ৰণ কৰে। যৌনৰসেৰে উদ্দীপ্ত ধানৰ পোকবিলাক চাকিৰ পোহৰত উদ্বাউল হয়। চাকিৰ পোহৰৰ প্ৰতি আকৰ্ষিত হোৱা পোকসমূহ চাকিৰ জুইৰ ফালে ধাৱিত হয় আৰু পুৰি মৰে। এনেদৰে সমগ্ৰ পথাৰতেই অলেখ ধানৰ পোকৰ মৃত্যু হয় আৰু গৰ্ভিনী ধান পোকৰ আক্ৰমণৰ পৰা বাচি যায়। কাতিবিহুৰ এই কৃষি-প্ৰযুক্তিক এক পাৰম্পৰিক ৰীতি তথা বিশ্বাসৰ মাজত সুমুৱাই যুগ যুগ ধৰি বৰ্তাই ৰাখিছে পাৰম্পৰিক সমাজৰ লোকে বিশেষকৈ পাৰম্পৰিক কৃষি বিশেষজ্ঞসকলে। কাতিবিহুত পথাৰত চাকি দিয়াৰ উপৰিও গাঁৱৰ প্ৰতি ঘৰে ঘৰে তুলসীতলত চাকি জ্বলাই নৈবেদ্য আগবঢ়োৱা আৰু প্ৰতিঘৰ মানুহৰ চোতাললৈ আশীৰ্বাদ দিবলৈ যোৱাটো কৃষিভিত্তিক সমাজৰ আৰ্থসামাজিক বান্ধোন তথা সহযোগিতাৰ ক'ৰে

অতি প্ৰয়োজনীয়। কাতিবিহুৱে এফালেৰে আমাৰ পথাৰ ৰক্ষা কৰিছে ক্ষতিকৰ কীট নাশকৰ পৰা আনফালে শস্য চপোৱাৰ প্ৰক্ৰিয়া ত্বৰান্বিত কৰিবলৈ শস্য চপোৱা সময়ৰ আগে আগে গঢ়ি তুলিছে এক সামাজিক ভাতৃত্ববোধ আৰু সহযোগিতাৰ পৰিবেশ। ভাতৃত্ববোধ আৰু সহমৰ্মিতাই মানুহক দুখৰ দিনত, আশংকাৰ দিনতো মনত আনন্দ দিয়ে। দুখ অতিক্ৰমি জীৱন সংগ্ৰামৰ বাবে সাজু হ'বলৈ শক্তি দিয়ে। কাতিবিহুৰ পাৰম্পৰিক সংস্কৃতিৰ মাজেৰে আমি এহাতে পাইছো এক উচ্চ পৰ্যায়ৰ স্বপোষিত বা ঠিক থকা (Sustainable) কৃষি প্ৰযুক্তি য'ত আছে জৈৱিক কীট নিয়ন্ত্ৰণৰ (biological pest control) দৰে প্ৰযুক্তি উপাদান। আনহাতে এই বিহুৰ অন্তৰ্গত পাৰম্পৰিক অনুষ্ঠানে দুখীয়া দৰিদ্ৰ ৰোগাগ্ৰস্ত কৃষকসকলক মানসিক আনন্দৰে শক্তিমন্ত কৰি সুস্বাস্থ্য লাভ কৰাত সহায় কৰিছে।

অসমৰ কৃষি সংস্কৃতিৰ বিভিন্ন স্তৰত বহুতো স্বপোষিত প্ৰযুক্তি বা Sustainable technology আছে। এইবিলাক পুনৰোদ্ধাৰ কৰি ইয়াৰ উপযোগিতা সম্পৰ্কে জনসাধাৰণৰ সজাগতা বৃদ্ধি কৰাটো সাংস্কৃতিক আৰু বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ কৰ্মী তথা গৱেষকসকলৰ এক দায়িত্ব। এই দায়িত্ব পালন কৰিব নোৱাৰিলে সংস্কৃতি আৰু বিজ্ঞান প্ৰযুক্তি উভয় ক্ষেত্ৰতেই আমি পিছপৰি থাকিম।

গ্ৰন্থপঞ্জী

১। *সংস্কৃতিৰ বিশ্বৰূপ— গোপাল হালদাৰ*

২। *বিজ্ঞানৰ আলোকে মানৱ সংস্কৃতি— অলোক মুখোপাধ্যায়*

৩। *Man makes himself- Gordon Childe*

৪। *Dialectic in Nature- Engels*

৫। *Elements of Science & Technology in the traditional lore of Nort-East India An exploratory study- Unpublished Ph D Thesis of Tezpur University by -Dr Dinesh Baishya*

❖❖❖

নীলপৱন বৰুৱা



জন্ম ঃ ১৯৩৫ চনৰ ১ জুন।
যোৰহাটৰ টিয়কত।

শিক্ষা ঃ স্নাতক (শিল্প কলা)

কৰ্মজীৱন ঃ মুক্ত সৃজনীশীল শিল্পী।

সাহিত্য কৃতি আৰু সাংস্কৃতিক জীৱন ঃ প্ৰবন্ধ সংকলন (১), চিত্ৰকলাৰ প্ৰথম গ্ৰন্থ (১), সম্পাদিত পত্ৰিকা (১), একক প্ৰদৰ্শনী (৪), দলীয় প্ৰদৰ্শনী (২), শ্ৰীনিকেতনৰ মৃত শিল্প (CIT)বিভাগৰ পৰা শ্ৰেষ্ঠ বঁটা লাভ, গুৱাহাটী 'ৰটাৰী ক্লাব'ৰ পুৰস্কাৰ প্ৰাপ্ত, জ্যোতিৰূপা পুৰস্কাৰ প্ৰাপ্ত, লোক কলাৰ যোগেদি গৱেষণা কৰ্মশালাৰ আয়োজন, বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ উদ্বোধক, শিল্পী পেঞ্চনাৰ।

ৰাজহুৱা জীৱন ঃ বিশ্ববিদ্যালয় শিল্প কলা পাঠ্যক্ৰম নিৰ্বাচনী সমিতিৰ সদস্য, প্ৰতিষ্ঠাতা অসম চাৰু কলা পৰিষদ, 'লোক কলা' (বশিষ্ঠ ষ্টুডিঅ'), বসুন্ধৰা কলা নিকেতন, চাৰু কাৰ্য লোক কলা (চন্দ্ৰপুৰ শাখা), ছাত্ৰ শিল্পী সাহিত্যিক ন্যাসৰ সভাপতি, অসম সাহিত্য সভাৰ আজীৱন সভ্য, ললিত কলা একাডেমীৰ প্ৰাক্তন সদস্য আৰু অসমৰ সামাজিক-সাংস্কৃতিক অনুষ্ঠান "শতদল"ৰ উপদেষ্টা।

কাতিবিহুৰ জালীকটা পোহৰ

ধৰ্মীয় আচাৰ-নীতিবিলাকে কেতিয়াবা কেতিয়াবা আমাৰ জাতীয় সংস্কৃতিৰ ভঁৰাললৈ অমূল্য সম্পদ দি যায়। ধৰ্মীয় আচাৰ-নীতিবিলাকে ৰূপ সলাই শিল্পৰ অনুষংগৰে সু-উচ্চ স্থান দখল কৰে। তেনেহ'লেই ই আমাৰ জাতিৰ এটা ক্ষুদ্ৰ সম্পদ নহৈ সমগ্ৰ মানৱ জাতিৰ সম্পদ হৈ পৰে। এইক্ষেত্ৰত আমাৰ বিহু কেইটাৰ দান অসীম। বহাগবিহুৰ কথা নকলোৱেইবা, কাতিবিহুনো কি কম? কঙালী হ'ব

পাৰে, কিন্তু নামে-গুণে, সাধু-কথাই এই বিহুৱেও আমাৰ অসমীয়াৰ মানসিকতা ৰঙীন কৰি ৰাখিছে। চন্দ্ৰৰ কলংকয়ো সাধু-কথাৰ সম্ভাৰেৰে আমাক সজাই ৰাখে। জোনবাইৰ বুকুৰ ক'লা দাগবিলাকত আইতাৰ চকুত 'তুলসীৰ তলত মৃগ পহু চৰে, তাকে দেখি ৰামচন্দ্ৰই শৰ ধনু ধৰে।' অৱশ্যে বিয়া নামতো গায়। জোনাক নিশা গধূলি চোতালত পাটী পাৰি আইতাই আঙুলিয়াই মইনাইঁতক দেখুৱায়—"সেইয়া জোনৰ বুকুত, তুলসীৰ তলত মৃগ পহু চৰিছে।" বিয়া নামতো সেই একেই গীত গায়— "তুলসীৰ তলে তলে মৃগ পহু চৰে কি ৰাম ৰাম, মৃগ পহু চৰে, তাকে দেখি ৰামচন্দ্ৰই শৰ ধনু ধৰে কি ৰাম ৰাম শৰ ধনু ধৰে।" এইদৰে মইনাইঁতে শৈশৱৰে পৰা কল্পনাৰ ৰথত উঠিবলৈ শিকে। বাস্তৱ অবাস্তৱ বিভিন্ন পৰিক্ৰমাৰে আমাৰ সোণইঁতে জীৱনৰ দীঘলীয়া ৰাস্তাত মাণিক-মুকুতা বোটলাৰ কাম আৰম্ভ কৰে। সিয়ে এসময়ত তাক জগত সভাত উচ্চ আসন লবলৈ সাহস যোগায়। আৰু কত কি নাম, সাধু কথা, ছবি আৰু কত কি সম্পদ আমাৰ মাজলৈ আহে আৰু যায়। তাৰে কিছু কথা, কিছু ৰূপ, কিছু সুৰ ৰৈ যায়, কালৰ বুকুত জাতীয় সংস্কৃতিৰ সম্পদ হিচাপে।

তুলসী হিন্দু সংস্কৃতিৰ এক এৰাব নোৱাৰা অংগ, ধৰ্মৰো, বিজ্ঞানৰো। এই তুলসীৰ ঔষধি গুণে আপদে-বিপদে ৰক্ষা কৰে। সকলোৱে জনা তুলসীৰ শ্লোকটিত গোৱা হয—

"ছাঁযাযা সৰ্ব তীৰ্থস্থানি
তুলসীভো নমো নমঃ"

আমাৰ পিতৃ-পুৰুষসকলে প্ৰকৃতিৰ য'ৰ পৰাই উপকাৰ পাইছিল তাকে দেৱতা জ্ঞানেৰে পূজা কৰিবলৈ লৈছিল। এৰা। কৃতজ্ঞতা, সংস্কৃতিৰ এক উচ্চ-স্তৰৰ সংজ্ঞা। সেয়েহে হিন্দুসকল প্ৰকৃতিৰো পূজাৰী, দেৱ-দেৱীৰো পূজাৰী। তাকে যেনিবা তুলসীক সাধাৰণ গছৰ পৰা দেৱীলৈ উত্তৰণ কৰাইছে। শিশুৰ কাহ হ'ল, তুলসীৰ পাত এটি মোহাৰি মৌ এধানমানৰ লগত খুৱাই দিলে শিশু শান্ত হৈ যায়, আৰু কত ঔষধি গুণৰ ইযাৰ লগত সম্পৰ্ক, তাৰ আদি-অন্ত নাই। শুনিছো, তুলসীৰ "অক্সিজেন গেছ" উগাৰি দিয়াৰ ক্ষমতা অসীম। মানৱ শৰীৰক মৃত্যুৰ সময়ত তুলসীৰ তললৈ কিয নিযা হয় বুলি প্ৰশ্ন সোধাত উত্তৰ পোৱা গৈছিল তুলসীয়ে—"অক্সিজেন গেছ" ইমান প্ৰদান কৰে, সেইকাৰণে কিজানিবা মৃত্যুমুখী মানুহজন প্ৰাণ পাই উঠে। কাতি মাহৰ সংক্ৰান্তিত কাতিবিহুৰ দিনা তুলসীৰ তলত বন্তি জ্বলোৱা হয়; আৰু নাম-কীৰ্ত্তনো কৰা হয়। এয়া বোধহয় সেই একে কৃতজ্ঞতাৰেই এটা ৰূপ নেকি! কাতি মাহত "অম্লজান গেছ"টো বাৰু বেছিকৈ প্ৰয়োজন হয় নেকি? —এই প্ৰশ্ন আপোনালৈ (পাঠকলৈ)।

আমাৰ শৈশৱত তুলসীৰ তলত চাকি জ্বলাওঁতে বতাহে কোবাই নুনোমাবলৈ মাটিৰ টেকেলী এটি ওভোটাই বাঁহ বা কল এডালত পুতি দি তাৰ ভিতৰত চাকি দিয়াৰ ব্যৱস্থা কৰা হৈছিল। টেকেলীৰ কাণটোত বিশেষ ব্যৱস্থাৰে থিয় কৰাই থৈ টেকেলীৰ ভিতৰত চাকিটো জ্বলোৱাৰ ব্যৱস্থা কৰা হয়। তুলসী গছৰফালে মুৰ কৰি বহলকৈ টেকেলীৰ পেটটোত এখন দুৱাৰমুখ কাটি দিয়া হয়। সেইফালে চাকিগছ অনা-নিয়া কৰা হয়, আৰু তুলসীৰ গালৈ পোহৰ পৰিবলৈ সুবিধা কৰি দিয়া হয়। মুখখনৰ বাদেও টেকেলীটোৰ চাৰিওফালে ফুলাম জালী কাটি দিযা হয়। সেই জালীয়েদি ওলোৱা পোহৰে তুলসী তলত এক ছায়া-ময়া সপোন যেন পোহৰৰ খেলা খেলে। এইখিনিৰ পৰাই আকৌ নতুন শিল্পৰ অনুষংগ আৰম্ভ হয়। শিল্পৰ উন্মেষণাই যাক চুই যায় সি সময়ত শিল্পৰ বহল ক্ষেত্ৰলৈ যাত্ৰা আৰম্ভ কৰে। তুলসী গুৰিত দুডাল বাঁহ পুতি এনেকুৱা এযোৰ টেকেলী বান্ধি ৰচীৰে ওপৰলৈ তুলি আকাশবন্তি জ্বলোৱা হয়। গোটেই কাতি মাহ এই আকাশবন্তিৰে এক অদ্ভুত মায়াৰ সৃষ্টি কৰে। আজিৰ বিজুলী বাতিৰ দিনত এই মায়াৰ খেল কিমান খেলা হয়, নাজানো। আকাশলৈ উত্তোলন কৰা আকাশবন্তিৰ আধাৰ কেতিয়াবা পিতলৰ হয, আৰু যোত্ৰ নথকাসকলে মাটিৰ টেকেলীৰেই সেই কাম সমাধা কৰে। আকাশবন্তি প্ৰজ্বলন কৰা পিতলৰ আধাৰ দুটি বিযাত ব্যৱহাৰ কৰা দুনৰীৰ নিচিনা। ওপৰত কোৱাৰ দৰেই তাত দুৱাৰ মুখ থাকে। চাকি জ্বলাই উঠি বতাহ নেপাবলৈ জপাই থ'ব পৰা দুৱাৰৰো ব্যৱস্থা থাকে, আৰু গোটেই গা-টোত পোহৰ বিৰিঙিবলৈ জালী কাটি ফুল বছা হয। দুনৰীৰ নিচিনা পাত্ৰটোত কলচি থাকে। পদুমৰ দৰে পাপৰি দি তাক সু-দৃশ্য কৰি তোলা হয। পিতল টান বস্তু। নামত পদুম হ'লেও পাপৰিবিলাক কাঁইটৰ দৰে হয়। দুৰ্ভাগ্যবশতঃ বহুতৰ আকাশবন্তিৰ ৰচী ছিঙি এই কাঁইটীয়া পিতলৰ কলচি মূৰত পৰি অঘটনো ঘটোৱাৰ নজীৰ আছে। কাতি মাহৰ সংক্ৰান্তিৰ দিনা এটা নতুন ভেটি বান্ধি মচি-কাচি কোনো কোনোৱে ফুল-পাত, আল্পনাৰে সজাই তুলসী পুলি ৰুই সাধাৰণ চাকিগছ দিয়া, আকাশবন্তি জ্বলোৱা আদি কামেৰে কাতিৰ কঙালী দিনতো এক উলহ-মালহ পৰিবেশৰ সৃষ্টি কৰে। কুমাৰে দুনৰীৰ দৰে আকাশবন্তিৰ পাত্ৰটি তৈয়াৰ কৰি ৰাখে, কমাৰে (পিতলৰ কাৰিকৰ) সদায় দিনৰ কাৰণে এযোৰ বন্তি জ্বলোৱা সু-দৃশ্য আকাশবন্তিৰ আধাৰ তৈয়াৰ কৰি ৰাখে। ধন দি কিনিলেই হয়। তাত জানো মন ভৰে? সেইকাৰণে আমি চেমনীয়া শিশুবিলাকে কাতিবিহু আহিলেই এযোৰ তেনে বন্তি প্ৰজ্বলনৰ কলচি তৈয়াৰ কৰিবলৈ উদ্যত হওঁ। আজিৰ মই ছবি অঁকা এই মানুহটোক বন্তি জ্বলোৱা সেই কলচি কেইটাৰ জালী কটা বিন্ধাৰে ওলোৱা পোহৰবিলাকেই বাৰু শিল্প যাত্ৰাৰ আৰম্ভণি কৰিলে নেকি?

অলপ আগতে উনুকিয়াই গৈছোঁ আজিৰ বিজুলী বাতিৰ দিনত আকাশবন্তিৰ প্ৰাসংগিকতাইবা কিমান? তুলসীক পূজা কৰি থকাতকৈ আমেৰিকা যুক্তৰাষ্ট্ৰই কাঢ়ি নিয়াৰ আগতে তুলসীক আমিয়ে “পেটেণ্ট” (Pattant) কৰি নলওঁ কিয় ..? এইবোৰ বাক-বিতণ্ডা আমি যিমানেই নকৰো, যিমানেই আধুনিক নহওঁ লাগে এটা জাতিয়ে যুগ-যুগ ধৰি পালন কৰি অহা এই নিয়ম-নিষ্ঠাবিলাক, উৎসৱ-পাৰ্বণ বিলাক মানুহৰ শৰীৰত “জীন্‌ৰ (gene)দৰে বহু যুগৰ পৰা বহু যুগলৈকে ই প্ৰচলিত হৈ থাকে আৰু থাকিবও। আনকি এটা ধৰ্মৰ পৰা আন এটি ধৰ্মলৈ ধৰ্মান্তৰ হোৱাৰ পাছতো পূৰ্বৰ অভ্যাসবোৰ ক'ৰবাত নহয় ক'ৰবাত থাকি যায়। নৃতাত্বিক গৱেষকসকলে এইবিলাকতে খোপনি ধৰি প্ৰবৰ্জিত লোকৰ পুৰণি ঠিকনা বিচাৰে। আমাৰ তুলসীয়েই বা কাৰ আছিল? কাতিবিহুৰ বহুত উপাদান জন-জাতীয়সকলৰ বুলি আমাৰ পণ্ডিতসকলে উনুকিয়াই গৈছে। লখিমী অনা, তুলসী পূজা কৰা আদিত জন-জাতীয়সকলৰেই অৱদান বেছি বুলি ধৰা হয়। আচলতে আমি সংস্কৃতিৰ ভঁৰালত জাতি-জনজাতি একাকাৰ হৈ সমন্বয়ৰ এক নতুন যুগৰ আৰম্ভণি কৰিছো।

❖❖❖

নিত্যানন্দ সেনাপতি



জন্ম ঃ ১৯৪৪ চন। লক্ষীমপুৰ জিলাৰ নাওবৈচা মৌজাৰ নাহৰবাৰী গাঁও।

শিক্ষা ঃ বি, এ, বি, টি।

কৰ্মজীৱন ঃ ১৯৬৪ চনত লথৌ এম, ভি, স্কুলত শিক্ষকতাৰে চাকৰি জীৱন আৰম্ভ কৰি ২০০১ চনৰ ৩১ ডিচেম্বৰত নাওবৈচা উঃ মাঃ বিঃ ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাপে অৱসৰ গ্ৰহণ। ২০০১ চনৰ কৃতি শিক্ষক হিচাপে পুৰস্কৃত।

সাহিত্য কৃতি আৰু সাংস্কৃতিক জীৱন ঃ গল্প, কবিতা, প্ৰবন্ধ, নাটক আদি বিভিন্ন কাকত আলোচনীত প্ৰকাশিত।

ৰাজহুৱা জীৱন ঃ বিভিন্ন সামাজিক অনুষ্ঠান প্ৰতিষ্ঠানৰ লগত একাত্মভাৱে জড়িত।

কাতিবিহু—আঞ্চলিক এটি আভাস

জাতীয় সংস্কৃতি হ'ল এটা জাতিৰ পৰিচয় প্ৰদানৰ প্ৰধান উপাদান। জাতীয় সংস্কৃতি এদিনতে গঢ় লৈ নুঠে। যুগ যুগ ধৰি এটা জাতিৰ কাৰ্য-কলাপ, উৎসৱ-অনুষ্ঠান, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, চিন্তা-ভাবনা, ধৰ্ম-কৰ্ম, শিল্প-সাহিত্য, সমাজ-ব্যৱস্থা আদিৰ মাজেদি জীৱনযাত্ৰা আৰম্ভ হৈছে আৰু সেই সকলোবোৰৰ সুসমন্বয় আৰু সঙ্গমতহে জাতীয় সংস্কৃতিয়ে গঢ় লৈ উঠে। জাতীয় সংস্কৃতিয়ে মানুহৰ শৰীৰ-মন দৃঢ় কৰে, মগজুৰ বিকাশ সাধন কৰে আৰু জীৱনবোধৰ প্ৰশিক্ষণৰ মাজেৰে পূৰ্ণাঙ্গ জাতি এটা গঢ়াত সহায় কৰে। সেয়ে প্ৰত্যেক জাতিয়ে নিজ নিজ কৃষ্টি-সংস্কৃতিৰ মাধ্যমেৰে স্বদেশ আৰু স্বজাতিৰ বৃহৎ সাংস্কৃতিক বৰঘৰটি মহীয়ান আৰু চহকী কৰি ইতিহাসৰ পাত সুউজ্জ্বল কৰাই নহয় বিশ্বৰ দৰবাৰতো দেশ তথা জাতিটোক চিনাকি কৰাৰ যুগে যুগে স্বাক্ষৰ বহন কৰি আহিছে।

অসমীয়া জাতিৰ চিনাকি দিব পৰা গৌৰবোজ্জ্বল জাতীয় উৎসৱ হ'ল— 'বিহু' সংস্কৃতি। বিহুৱে অসমীয়া জাতীয় জীৱনৰ পৌৰাণিক আৰু চলন্ত ইতিহাস

সংৰক্ষিত কৰি ৰাখিছে। গাঁও আৰু গাঁৱলীয়া জীৱনক দীঘ-বাণি হিচাপে লৈ অসমীয়া সংস্কৃতিৰ ফুলাম গামোচাখন বৈ গাঁৱলীয়া কৃষি-সংস্কৃতিক জাক-জমকীয়া কৰি ৰাখিছে। অসমৰ জনসাধাৰণে বছৰেকত তিনিটা বিহু পালন কৰে। তিনিটা বিহুৰ ভিতৰত কাতিবিহু বা কঙালী বিহুৱেই প্ৰথম বিহু বুলি ক'ব পাৰি। ইযেই পিছৰ দুটা বিহু (মাঘবিহু বা ভোগালীবিহু, আৰু বহাগবিহু বা ৰঙালীবিহু)ৰ শুভাৰম্ভ বুলি বহু পণ্ডিতে মত প্ৰকাশ কৰিছে।

শস্যে সেউজীযা হোৱা অৱস্থাত কাতিবিহু, খেতি চপাই আনি ভঁৰালত থৈ তাক নদন বদনকৈ সুখেসন্তোষে খোৱাৰ অৱস্থাত মাঘবিহু আৰু থাই-বই পুৰণা বছৰক বিদায় দি নতুন বছৰক আদৰি ৰং ৰহইচ্‌সহ উদ্‌যাপন কৰাক চ'তৰ বিহু বা বহাগবিহু বা ৰঙালীবিহু বোলে। খাদ্যাভাৱৰ বাবে কাতিবিহুক কঙালীবিহু বোলা হয় যদিও ইয়াৰ গুৰুত্ব কম নহয়। বহুতে ইয়াক তুলসী বিহু বুলিও ক'ব খোজে। কাৰণ এই বিহুত তুলসীগছৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰা হয়। এই বিহুক লৈ অসমীয়াৰ মাজত অনেক লোকাচাৰ প্ৰচলিত হৈ আহিছে। কাতিবিহু এক পবিত্ৰ বিহু। কাতিবিহুৰ দিনা পুৱা মানুহে দুৱাৰ মুখত অৰ্থাৎ চোতালৰ মূৰত ভেটি বান্ধি তুলসীবৃক্ষ ৰোপণ কৰে। হৰিপদ তুলসীক ভগৱানৰ প্ৰিয়া বুলি শাস্ত্ৰত উল্লেখ থকা সৰ্ববৃক্ষ শ্ৰেষ্ঠ তুলসী ৰোপণত ভগৱান সন্তুষ্ট হয় বুলি লোক বিশ্বাস আছে। কাতিবিহুত তুলসী ৰোপণ কৰিলে যমৰ দূতলৈয়ো ভয় নাথাকে বুলি ভবা হয়। প্ৰতি গৃহস্থৰ চোতালৰ আগত তুলসী গছ থকাটো বৰ পবিত্ৰ ভাবাদৰ্শ আৰু পুণ্যৰ কামেই অকল নহয় স্বাস্থ্যৰ পক্ষেও ভাল বুলি বিজ্ঞানসন্মত যুক্তি আছে। মানুহৰ মৃত্যুৰ আগমুহূৰ্তত চোতালৰ আগত থকা তুলসী গছৰ সন্মুখলৈ উলিয়াই অনাৰ নিয়ম প্ৰায় মানুহৰে আছে। শাস্ত্ৰত আছে— "তুলসী দৰ্শনে পুণ্যং স্পৰ্শনে পাপ নাশনম্।" যিসকল প্ৰকৃততে হৰিৰ ভক্ত সেইসকলৰ তুলসীৰ অবিহনে হৰিৰ পূজাই নহয়। মহাৰাজ নৰনাৰায়ণৰ ৰাজসভাত ৰজাই এই সন্দৰ্ভত সোধা প্ৰশ্নৰ উত্তৰত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে কৈছিল— "মহাৰাজ। মই হৰিৰ ভক্ত। তুলসী নহ'লে হৰিৰ পূজাই নহয়, মোৰ মূৰত তুলসীৰ মালা আছে চাওক।" —সেয়ে কাতিবিহুত তুলসীবৃক্ষ ৰোপণ কৰি পবিত্ৰ দিনৰ শুভ কৰ্ম বুলি গণ্য কৰা হয়।

কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ 'বিহু' সম্পৰ্কে লিখা প্ৰবন্ধটিত উল্লেখ কৰা মতে কঙালীবিহুক জ্যোতিষীসকলে কাৰ্তিক সংক্ৰান্তিও বোলে আৰু জলবিষুব সংক্ৰান্তিও বুলি অভিহিত কৰে। কন্যাৰাশিৰ পৰা তুলা ৰাশিলৈ সূৰ্যৰ সংক্ৰমণকে কাৰ্তিক সংক্ৰান্তি বোলা হয় আৰু তুলাৰাশিলৈ সূৰ্যদেৱৰ সংক্ৰমণ কৰাৰ লগে

লগে পৃথিৱীৰ গছ-লতা, তৰু-বন আদি আনকি পশু-পক্ষীও তেজহীন হৈ পৰে। জ্যোতিষৰ মতে তুলাৰাশিত সূৰ্যৰ মধ্যস্থান আৰু তাৰে দহ অংশ নীচাংশ বুলি কোৱা হয়। এই সময়তে সূৰ্য আৰু পৃথিৱীৰ সম্বন্ধ ক্ষীণতম্ হয় বুলি জ্যোতিষ শাস্ত্ৰই কয়। এই সময়তে অসমীয়া খেতিয়কে ব্ৰত উপাসনা আদিৰে আকাশবন্তি জ্বলাই সূৰ্যদেৱৰ মহাশক্তিৰ পুনৰ উদ্‌ঘাটনৰ প্ৰাৰ্থনা জনাই ক্ৰমান্বয়ে পূজা সেৱা আৰু বন্তি জ্বলোৱা এটা উৎসৱত পৰিণত হয়। এই উৎসৱেই শেষত কাতিবিহুত পৰিণত হৈ কঙালীবিহু নাম পায়।

বিহুৰ দিনা আবেলি সমযত পথাৰত ধান চাবলৈ যোৱাৰো এটা নিয়ম আছে। তাৰ অৰ্থ এয়ে যে এই সময়ত পথাৰ শস্য শ্যামলা হয়। ভোগালীবিহু উদ্‌যাপন কৰিবলৈ এই বিহুতে নদন বদন সেউজীয়া শস্য দৰ্শন কৰি আঁচনি যুগুতোৱা হয়। নিৰাপদে শস্য আনযনত ভগৱানৰ কৃপা-প্ৰাৰ্থনা কৰা হয়। গাওঁ অঞ্চলৰ ৰাইজে সেইদিনা পথাৰত শস্য নষ্টকাৰী পোক পৰুৱা ধ্বংসৰ কাৰণে জুই জ্বলাই থৈ আহে। ধৰ্মীয় আচাৰ-অনুষ্ঠানেৰে শৰৎকলীযা এই কাতিবিহু যেন শৰতৰ দৰেই স্নিগ্ধ সমাহিত ৰূপত আবিৰ্ভাৱ হয়, ৰাইজে তাকেই আশা কৰে। প্ৰাচুৰ্যৰ অহংকাৰ নাশ হ'লে মানুহৰ অন্তৰ আধ্যাত্মিকতাৰ জ্যোতিৰে আলোকিত হয। কাজেই এই বিহুত ঐহ্যিক প্ৰাচুৰ্যৰ পৰিবৰ্তে আধ্যাত্মিক প্ৰাচুৰ্যৰ প্ৰভাৱহে অধিক দেখা যায। ভঁৰাল, ঢেঁকীশাল, ধোঁৱা চাং, ধাননি পথাৰ আদিত বন্তি জ্বলোৱা হয। আকাশবন্তি জ্বলোৱা এই বিহুৰ অন্যতম বৈশিষ্ট্য।

নাওবৈচা অঞ্চলৰ কাতিবিহু ঃ অসমৰ ভৌগোলিক পৰিসীমাৰ ভিতৰত বসবাস কৰা অসমীয়া লোকসকলে জাতীয় উৎসৱ বিহু যেনেদৰে উলহ-মালহেৰে পালন কৰে সেইদৰে নাওবৈচা অঞ্চলৰ ৰাইজেও নিষ্ঠাৰে বিহু পালন কৰি আহিছে। বিভিন্ন জনগোষ্ঠীৰ বাসস্থান হ'লেও জাতিগত পৰম্পৰা তথা উৎসৱ অনুষ্ঠানবিলাকৰ ঐতিহ্য ৰক্ষা কৰা আৰু উদ্‌যাপন কৰাত এই অঞ্চলৰ জনসাধাৰণ অত্যাগ্ৰহী। আশী শতাংশ দৰিদ্ৰৰ সীমাৰেখাত বসবাস কৰা লোকসকলে কৃষি কৰ্ম শেষ কৰি আহিন আৰু কাতিৰ সংক্ৰান্তিৰ দিনা কাতিবিহু পালন কৰে। সংক্ৰান্তিৰ দিনা ঘৰ-দুৱাৰ মচে, ঢাৰি-ঢকুৱা, কাপোৰ-কানি তিয়াই, চৰু-হাডি ধোৱে। সকলো পৰিষ্কাৰ-পৰিচ্ছন্ন কৰাৰ পিছত গৃহস্থৰ সকলোৱে গা-পা ধুই পিতৃ-মাতৃ তথা জ্যেষ্ঠজনক সেৱা সন্মান জনাই অনুষ্টুপীয়াকৈ জা-জলপান খায়। নিজ নিজ গাঁৱৰ গঞা ৰাইজে নিজা নামঘৰত মাহ-প্ৰসাদৰ শৰাই-সফুৰা দি সমবেতভাৱে নামকীৰ্তন কৰে। গঞা ৰাইজৰ মঙ্গল কামনাৰে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনায়। কাতিবিহুৰ এই আধ্যাত্মিকতাই বিহুৰ পৰম্পৰা ৰক্ষা কৰাই নহয় জাতীয় উৎসৱ হিচাপেও ইয়াৰ

গুৰুত্ব অধিকতৰ কৰিছে বুলি ভাবিব পাৰি। কঙালীবিহু হ'লেও গএগ্ৰা ৰাইজ ইঘৰ-সিঘৰলৈগে ভাব বিনিময়ৰ মাজেৰে আত্মিক মৰমৰ এনাজৰীডাল যেন পুনৰ দৃঢ কৰাৰ সংকল্প বহন কৰে। বিহুৱে শত্ৰু-মিত্ৰ, ধনী-দুখীয়া, শিক্ষিত-অশিক্ষিত, উচ্চ-নীচৰ ব্যৱধান আঁতৰ কৰাত নৈতিক ভূমিকা গ্ৰহণ কৰে। সেয়ে বিহু সমন্বয়ৰ প্ৰতীক।

এই অঞ্চলৰ প্ৰত্যেকেই চোতালৰ মূৰত বিভিন্ন নক্সাৰে তুলসী ভেটি তৈয়াৰ কৰি মচিকাচি পৰিষ্কাৰ কৰে। সেই পৰিষ্কাৰ ভেটিটোত তুলসীবৃক্ষ ৰোৱে। সেইদিনা তুলসী পুলি নথকা লোকে আনৰ ঘৰৰ পৰা বিচাৰি আনি তুলসী পুলি ৰোৱাটোও এটা আনন্দকৰ পৰম্পৰা। তুলসী ভেটিটোৰ চাৰিওফালে তিনিটা কলপুলি আৰু ফুলৰ মালাৰে সুশোভিত কৰা হয়। তিনিটা কলপুলিক ব্ৰহ্মা-বিষ্ণু-শিৱৰ প্ৰতীক হিচাপে কল্পনা কৰি গোবিন্দৰ প্ৰিয়া তুলসী বৃক্ষ আৰু ভগৱানক সন্তুষ্ট কৰাৰ মানস কৰা হয়। প্ৰতিঘৰতেই সেইদিনা তুলসীৰ গুৰিত (কোনো কোনোৱে গোঁসাইঘৰত) মাহ প্ৰসাদ দি নামকীৰ্তন কৰে। এইক্ষেত্ৰত বিশেষকৈ একো একোটা চুবুৰীৰ ল'ৰা-ছোৱালীবিলাক গোটখাই এফালৰ পৰা তুলসীৰ গুৰিত নাম গাই গৃহস্থক আশীৰ্বাদ দি মাহ প্ৰসাদ খায। ল'ৰা-ছোৱালীবিলাকে তুলসীৰ গুৰিত গায—

"তুলসীৰ তলে
মৃগ পহু চৰে
তাকে দেখি ৰামচন্দ্ৰই
হৰধনু ধৰে।"

সন্ধ্যাৰ লগে লগে প্ৰত্যেকঘৰ গৃহস্থই গোঁসাই ঘৰত (যাৰ গোঁসাই ঘৰ আছে), তুলসী ভেটিত, ধাননি পথাৰত, গোহালি ঘৰত, পদুলি মুখত বন্তি জ্বলায়। এই অঞ্চলৰ কোনো কোনো লোকে গোটেই মাহটোৱেই আকাশবন্তি জ্বলায়। পথাৰত বন্তি জ্বলাই অপায় অমঙ্গল, শস্য অনিষ্টকাৰী পোক পৰুৱা ধ্বংসৰ চিন্তা কৰাৰ লগে লগে শস্যৰ পথাৰখনো যাতে বন্তিৰ দৰে উজ্জ্বল হয় তাৰো কামনা কৰে। শস্যই মানৱ জাতিৰ জীৱন ধাৰণৰ পথ। শস্যৰ তৈয়াৰী আহাৰ খায়েই মানুহে শাৰীৰিক, মানসিক, নৈতিক আৰু আধ্যাত্মিক শক্তি বৃদ্ধি কৰি মানৱ জীৱনৰ উত্তৰণ ঘটায়। সেয়ে আৰম্ভণিৰ এই কাতিবিহুৰ মাজেদিয়েই বস্তিক জ্ঞানৰ প্ৰতীক হিচাপে লৈ আধ্যাত্মিকভাৱেৰে গো পূজা, শস্য পূজা, তুলসী পূজা আদি কৰা হয়। ৰাইজে দিনটো লঘু আহাৰ কৰি সাত্ত্বিকভাৱে কাতিবিহুৰ এনে আচৰণ সমূহ পালন কৰি

গধূলি ঘৰৰ সকলোৱে মিলাপ্ৰীতিৰে এসাজ খায়। কোনো কোনোৱে আকৌ ইঘৰ সিঘৰলৈ মাতি ভাত-পানী নাইবা জা-জলপান আদি খুৱাই আত্মীয়তাৰ পথাৰখন সুদৃঢ় কৰি ৰখাৰ চেষ্টা কৰে। যদিও কাতিবিহু অভাৱ অনাটনৰ মাজত আৰম্ভ হয়—তথাপি অনুষ্টুপীয়াকৈ হ'লেও পিঠা-পনা বনাই বিহুৰ ঐতিহ্য ৰক্ষা কৰাত গৃহিণীৰ দায়িত্ব পালন কৰা দেখা যায়।

কাতিবিহুত এই অঞ্চলৰ ৰাইজেও আবেলি পথাৰত ধান চাবলৈ যোৱাৰ নিযম আছে। তাৰ আনুমানিক অৰ্থ এয়ে যে কৃষকে অশেষ পৰিশ্ৰম কৰি কৰা খেতিডৰা এই সময়ত শস্য শ্যামলা আৰু গেৰেলুৱা হয়। ৰিব্ ৰিব্ মলযাত দোলন দিয়া শ্যামলী শস্য পথাৰখন বিহুৰ দিনা নিজ চকুৰে চাই অকল আনন্দত আত্মহাৰা হোৱাই নহয় সেই সেউজীয়া নদনবদন শস্যৰ দৃশ্যই বিগত দিনত হোৱা অশেষ পৰিশ্ৰমৰ ভাগৰো যেন দূৰ কৰাৰ সুযোগ দিয়ে। কাতিবিহুৱে এনে হাবিয়াস সৃষ্টি কৰি কৃষক নাইবা খেতিয়কৰ প্ৰাণত ভৱিষ্যৎ কৰ্ম প্ৰেৰণাৰ পথ নিৰ্ণীত কৰে বুলি ভব্যাৰ থল আছে।

❖❖❖

ইন্দিবৰ কোঁৱৰ

জন্ম ঃ ১৯২৯ চন। শিৱসাগৰ জিলাৰ চৰাইদেউ মহকুমাৰ কোঁৱৰ গাঁও।

শিক্ষা ঃ প্ৰৱেশিকা।

কৰ্মজীৱন ঃ ৰেল বিভাগৰ পৰা অৱসৰ প্ৰাপ্ত।

সাহিত্য কৃতি আৰু সাংস্কৃতিক জীৱন ঃ বিভিন্ন আলোচনী, বাতৰি কাকত, গ্ৰন্থ আদিত প্ৰবন্ধ-নিবন্ধ প্ৰকাশ।

ৰাজহুৱা জীৱন ঃ উত্তৰ-পূব সীমান্ত ৰেলৱেৰ মজদুৰ ইউনিয়নৰ সভাপতি, মুক্তি যুঁজাৰু, সমাজসেৱক, ভাল চিকাৰী আৰু প্ৰাক্তন ফুটবল খেলুৱৈ হিচাপে পৰিচিত।

কাতিবিহু

অসমখন কৃষিপ্ৰধান দেশ। আৱহমান দিনৰ পৰা অসমৰ জনগোষ্ঠীৰ কৃষ্টি আৰু সমাজ ব্যৱস্থাৰ কঠিযাতলীখন বিস্তাৰ কৰি আহিছে কৃষিয়ে। স্বৰ্গদেউ চুকাফাই অসমত পদাৰ্পণ কৰাৰ পিছতেই পানীখেতি পৰিবৰ্তন কৰি অসমক কৃষিক্ষেত্ৰত স্বাৱলম্বী কৰিছিল। তাৰ ফলতেই অসমত ঋতু পৰিবৰ্তনৰ লগে লগেই কৃষি উৎসৱৰ প্ৰাধান্য লাভ কৰিছিল।

অসমত তিনিটা প্ৰধান বিহু উৎসৱ যেনে— মাঘত ভোগালী, চ'তত ৰঙালী আৰু কাতিত কঙালী। কাতি বিহুৱে শৰতৰ ঋতুক আঁকোৱালি ল'বলৈ সেউজী ধৰণীক নতুন বাসনাৰে উদ্বেলিত কৰি তোলে।

৩০ আহিনে সংক্ৰান্তি সূচায়। শৰতৰ ঋতুৰ আগমনে কৃষিজীৱী জনসাধাৰণৰ মনত নতুন পোহৰৰ ৰেঙণি বিৰিঙিয়ায়।

আহিন মাহৰ শেষ দিনা বা পুৱতি নিশা অৰ্থাৎ কাতি মাহৰ আগদিনাক সংক্ৰান্তি বুলি আখ্যা দিব পাৰি। সংক্ৰান্তিৰ দিনা কৃষিপ্ৰধান অঞ্চলৰ ৰাইজে ষড়ঋতুৰ এক ঋতু শৰৎকালক আদৰিবলৈ বিশেষকৈ পদুলিৰ মুখখন কোবেৰে চাফ-চিকুণ কৰি

পৰিষ্কাৰ কৰে। কাৰণ গধূলি বেলিকা বন্তি জ্বলাবলৈ, অমিতা বা কলৰ মধুনা বা ঔটেঙাৰ বাকলি কাটি তেল আৰু শলিতা দি সুন্দৰ কৈ চাকি তৈয়াৰ কৰে। ইয়াৰ উপৰিও মাটিৰ চাকি জ্বলায়। পোক-পৰুৱা, শস্য ধ্বংস কৰা চগা আৰু অন্যান্য ধ্বংসকাৰী জীৱবিলাক এই চাকিত পৰি নিধন হয়। শস্যবোৰ, শস্য নষ্টকাৰী পোক-পৰুৱাৰ পৰাও উদ্ধাৰ হয়।

গৃহস্থৰ প্ৰধান গৃহিণী গৰাকীয়ে দুপৰীয়া নাইবা আজৰি সময়ত চাউল খুন্দি পিঠা তৈয়াৰ কৰে। ঢেঁকীৰ খুট্‌লুক খুট্‌লুক কৰি শব্দৰে দেৱতাক আদৰিবলৈ আহ্বান জনোৱাৰ লগতে জলপান আদিও তৈযাৰ কৰে।

সন্ধিয়া হোৱাৰ লগে লগে গৃহস্থই চাকি-বন্তি জ্বলাই পথাৰত আগতে গোজ মাৰি থোৱা বাঁহৰ গছা সাজি তাৰ ওপৰত সজাই পৰাই বন্তি জ্বলাই পথাৰখন পৰিষ্কাৰ আৰু জাতিষ্কাৰ কৰি তোলে।

সেই ধাননিখন প্ৰজনন হ'বলৈ কৃষিপ্ৰধান ৰাইজে আগতিয়াকৈ নিৰোগী কঠীয়া লোৱা ধানবিলাক ভৰিৰে মাৰি জাবৰ-জোঁথৰ গুচাই টোমত ভৰাই সুন্দৰকৈ মাটি আৰু গোবৰেৰে লেপি ওপৰৰ চাঙত তুলি থয়। এইদৰেই খেতিৰ বীজ খেতিয়কসকলে সংৰক্ষণ কৰি ৰাখে।

কঠিয়াতলী উপযোগী হ'লে পানীত ৰাখি, গজালি ওলালে কঠিয়াতলীত সিঁচি দিয়ে। গৃহস্থই কঠিয়া সিঁচি দিওঁতে গীত এফাঁকি গায়— "ভকতক দিম, গুৰুক দিম, ফকি-ফকৰাক দিম, লগতে ৰাজছিক তাতহিক দিম।" নিজেও ভোক-পিয়াহ নিবাৰণৰ কাৰণে প্ৰাৰ্থনা জনায় আৰু চাৰিওফালে পূব-পশ্চিম, উত্তৰ-দক্ষিণে বীজখিনি সিঁচি দিয়ে। লগে লগে কঠিয়াতলীৰ চাৰি চুকত তিতা গছৰ ডাল পুতি দিয়ে। গৃহস্থৰ ধাৰণা পোক-পৰুৱা আৰু ধ্বংসকাৰী কীট-পতংগই বীজ খাব নোৱাৰিব।

যেতিয়া কঠিয়া ডৰা সবল বা ঠন্ ধৰি ৰুবৰ উপযুক্ত হ'য তেতিয়া কৃষক ৰাইজে কঠিয়াতলীৰ পৰা কঠিয়া উঠাই মুঠা বান্ধি শূলঙাত ভৰাই ৰুবৰ বাবে উপযুক্ত পথাৰলৈ লৈ যায়। আৰু সেই কঠিযাখিনি পথাৰত ৰোৱাৰ ব্যৱস্থা কৰে। ৰোৱা গচি লোৱাৰ দিনা প্ৰথমতে পথাৰ ডৰাৰ এটা কোণত গৃহস্থই গোছা সহ কিছু সামগ্ৰী শস্য দেৱতাক আদৰিবৰ বাবে আগবঢায়। এই সামগ্ৰীসমূহৰ ভিতৰত— জাম, লেটেকু, পনিয়ল, তৰাগছ, কচু, এগচি বন্তি আৰু তামোল-পাণ এযোৰেই প্ৰধান। শস্য উভৈনদী হোৱাৰ কামনাৰে এনেদৰে আশীৰ্বাদ বিচাৰি শস্য দেৱতাৰ নামত সামগ্ৰীসমূহ উচৰ্গা কৰি গোছ ৰোৱা কাৰ্য আৰম্ভ কৰা হয়।

কঠিয়া গোছা লোৱাৰ পৰা ঠন ধৰি সোণালী বৰণ নোহোৱালৈকে সূৰ্যৰ ৰেঙণিয়ে সোণালী ৰহন চৰাই সেউজী ধাননি পথাৰখন সজাই তোলে। পৰিপক্ক হোৱাৰ পাছত কৃষিজীৱী ৰাইজে ন-খোৱা পাতি ন-ধানৰ ভাত আৰু বৰা ধানৰ

চেৰা দিয়া ভাত দি ন-খোৱা পাতে। ইয়াৰ উপৰিও অঞ্চল ভিত্তিত হাঁহ বা কুকুৰাৰ মাংস আৰু মাছ আদি বিভিন্ন ধৰণৰ আঞ্জা ৰান্ধি ইষ্ট দেৱতাক পূজা দি উৎসৱ কৰি ন-খোৱা পালন কৰে। কিছুমান কৃষিপ্ৰধান অঞ্চলত সাজ (মদ) আদিও তৈয়াৰ কৰি উৎসৱত দিয়ে। যেতিয়ালৈকে ধান বা শস্য সকলোৱে মুক্তভাৱে খোৱা-লোৱাৰ বাবে মুকলি কৰিব নোৱাৰে, তেতিয়ালৈকে নতুন ধান খোৱা নিষিদ্ধ কৰি থয়।

ৰোৱা গোছা লোৱাৰ পৰা ন-খোৱা পৰ্যন্ত কালছোৱাক কঙালী ৰূপে গণ্য কৰিব পাৰি। কাৰণ ৰোৱা গোছা লোৱাৰ পৰা ন-খোৱা পৰ্যন্ত, নতুন শস্য খোৱা-বোৱা, বেচা-কিনা পদ্ধতিও অসমীয়া সমাজত নিষিদ্ধ বৰ্তি আছে।

যদিও ঋতু পৰিবৰ্ত্তনৰ লগে লগে বিভিন্ন শস্য উৎপাদন হয়, তথাপিও ৰোৱা গোছা লোৱাৰ পৰা ন-খোৱা পৰ্যন্ত এই সময়ছোৱাত খোৱাৰ বাবে শস্যৰ নাটনি হয়। সেইকাৰণেই কাতিবিহুক কঙালী বুলি আখ্যা দিয়ে। অৱশ্যে শৰৎ ঋতুৰ আগমনে কৃষিজীৱী লোকসকলৰ মনত নতুন আশাৰ সঞ্চাৰ কৰে।

অতীজতে স্বৰ্গদেউ চুকাফাই যেতিয়া অসমত পদাৰ্পণ কৰিছিল তেতিয়া সোণালী শস্যৰে পূৰ্ণ পথাৰবোৰ দেখি বিমুৰ্চ্ছিত হৈছিল, মুনদুন্ চুন্ খাম্ সোণালী শস্য দেশ। সেয়ে আজিও এই লোভনীয় কৃষিত চহকী দেশখনলৈ ঘটিছে অগণন প্ৰব্ৰজন।

❖❖❖

(খ) কাতিবিহু ঃ প্ৰজাতিগত ৰূপ ঃ

গণেশ পেগু

জন্ম ঃ ১৯৩৫ চন। মাজুলীৰ জেংৰাইমুখৰ কুমাৰবাৰী গাঁও।

শিক্ষা ঃ স্নাতক

কৰ্মজীৱন ঃ অৱসৰপ্ৰাপ্ত শিক্ষক।

সাহিত্য কৃতি আৰু সাংস্কৃতিক জীৱন ঃ অসমৰ আগ শাৰীৰ বিভিন্ন কাকত-আলোচনীত ভালেমান তত্ত্বগধুৰ প্ৰবন্ধ প্ৰকাশ, বিভিন্ন স্মৃতিগ্ৰন্থ, আলোচনী সম্পাদনা, স্ব-ৰচিত কেবাখনো পুথি প্ৰকাশ, একেধাৰে শিল্পী, সু-অভিনেতা আৰু ভাৰতী সংস্কৃতিৰ পূজাৰী।

ৰাজহুৱা জীৱন ঃ অসম সাহিত্য সভা, মিচিং আগম কৌবাং, সদৌ অসম সংগীত শিল্পী সংঘ, মিচিং সাংস্কৃতিক সংঘ আদি অনুষ্ঠানৰ লগত ওতপ্ৰোতভাৱে জড়িত।

মিচিং জনগোষ্ঠীৰ মাজত কাতিবিহু উদ্‌যাপন

নামকৰণ ঃ মিচিংসকলে কাতিবিহু নোবোলে। কাতি অগ্‌ৰাতি বা কেৱল কাতি বোলে। বিহু মানেই নৃত্য-গীত কৰি ৰাউচি জোৰা বা এটা হাইজেক হুলস্থূল বুজায়। সেয়ে কাতি অগ্‌ৰাতিক বিহু আখ্যা নিদিয়ে। কাতিত পবিত্ৰভাৱে সৃষ্টিকৰ্তা, লখিমীদেৱী আৰু পূৰ্বপুৰুষসকলকহে সুঁৱৰি চাকি-বন্তি জ্বলাই, সেৱা কৰি কুশল মঙ্গলৰ প্ৰাৰ্থনা জনায়। কাতিত বিহু প্ৰিয় মিচিংসকলেও ৰাজহুৱাভাৱে বা আনুষ্ঠানিকভাৱে বিহু বা নৃত্য-গীত নকৰে। এনেই ঘৰে বাহিৰে কোনো কোনো বুঢ়া-বুঢ়ী ভকত-ভকতনীসকলে কাতি চাকি লগোৱা গৃহস্থৰ ঘৰত আপং-পানী খাই ভকতীয়া পামৰ পিছত ছেগা-চোৰোকাকৈ পুৰণি গীত-মাত কৰি নচা দেখা যায়। কিন্তু, ডেকা-গাভৰুৱে বিহুতলিত বিহু নামাৰে।

মিচিংসকলে কাতিবিহুক কঙালীবিহু বুলি নিন্দা নকৰে। এক পবিত্ৰ সংক্ৰান্তি

বুলিহে কাতি অগ্ৰাতিক শ্ৰদ্ধা-ভক্তিসহকাৰে মানে। শংকৰদেৱেও শৰৎকালৰ বৰ্ণনাত কাতিক কঙালী আখ্যা দিয়া নাই। যদিহে কাতি সংক্ৰান্তি দিনটো শৰৎ কালত পৰে, তেন্তে শৰৎকালৰ নৈসৰ্গিক সৌন্দৰ্যৰ ৰূপ-ৰেখাহে বৰ্ণনা পোৱা যায়।

মিচিংসকলে আগে আহুধানৰ খেতিহে কৰিছিল। বাও শালি খেতিও নকৰাকৈ থকা নাছিল যদিও কম কৰিছিল। সেয়া চখতেহে উপৰুৱাকৈ কৰিছিল। আহু খেতিতহে প্ৰাধান্য দিছিল। সেয়ে, বাৰিষা বতৰত ভাদ মাহলৈকে আহু ধান চপাই ভঁৰাল ভৰাই ৰাখি সেই সময়ত নিচিন্তমনে খাব পাৰিছিল বাবে কঙালী অনুভৱ কৰা নাছিল। সেই শৰৎ কালত মাছ-কাছ, শাক-পাচলিৰ অভাৱ নাছিল। ঢেকীয়া, পুৰঠ ঔটেঙা, কচু, বেতগাজ আৰু নানান বন শাক ৰুতুনকৈ পুনৰ পোখা, কুঁহিপাত মেলি উভৈনদী হৈ পৰিছিল। গতিকে যি সময়ত ভাত, তৰি-তৰকাৰীৰ আৰু মাছ-কাছৰ অভাৱ অনুভৱ নহয়, তেনে সময়ক কঙালী আখ্যা দি পবিত্ৰ অগ্ৰাতিটোক কিয় লাজ দিব? মিচিঙে এই কালছোৱাত পূৰ্বপুৰুষৰ পিণ্ড দি সকাম নিকাম কৰে। পঃৰাগ (নৰাছিগা বিহু) পাতে। উলিযাই দিয়া জীয়ৰী পৰিয়ালক, ওচৰ চুবুৰীয়া গাঁৱৰ ৰহদৈক, মিতিৰ-কুতুম্বক নিমন্ত্ৰণ কৰি এই পঃৰাগ উৎসৱত মৰম-স্নেহেৰে ভোজ-ভাত খুৱাই ধন্য মানে। তদুপৰি ল'ৰা-ছোৱালীৰ বিয়া-বাৰুৰ দিনবাৰ বন্দবস্ত কৰা, খোজা, বঢা, জোঁৱাই খটা, ছোৱালী চোৱা, মিতিৰ-কুতুম্বৰ ঘৰলৈ আহ-যাহ্ কৰা কৰণীয কাম কৰে। খেতি-বাতি নকৰাসকলৰ বাবে অকল কাতিতেই কঙালী নহয, তেওঁলোক গোটেই জীৱনতে কঙালী বা কাঙালী বা কাঙাল হৈ থাকে।

ভাদ-আহিনত নৈৰ পাৰে পাৰে কঁহুৱাফুলে হালি-জালি নাচে, ধোঁৱাবৰণীযা নলফুল ফুলি জাতিষ্কাৰ হৈ পৰে।·মেগেলা ফুলৰ চোঁৱৰবোৰে মন মোহে। ৰঙা, হালধীয়া, বেঙুনীযা আৰু বগা নানান বৰণীয়া বনৰীয়া ফুলে অননিযে বননিযে ফুলি মন ৰহণীয়া কৰে। নৈ পাৰৰ পৰিষ্কাৰ পকা বালিয়ে ৰ'দত, ৰাতি জোনাকত জিল্-মিল্ জিল্-মিল্ কৰে। বাও ধান লহ্‌পহ্‌কৈ সেউজীযা নীলা বৰণীযাকৈ থোক মেলাৰ সপোন ৰচি থাকে।

কাতি অগ্ৰাতি পালন ঃ কাতি অগ্ৰাতিৰ উৰুকা নাই। প্ৰস্তুতি একো নাই। কিন্তু, আপং যোগাৰ কৰে। মাছ-কাছৰ যোগাৰ কৰে— আলহী অতিথিক শ্ৰদ্ধাৰে আপ্যায়ন কৰিবৰ বাবে। গা ধোৱাৰ, নতুন কাপোৰ পিন্ধাৰ ধৰাবন্ধা নিয়ম-নীতি নাথাকে। সেইদিনা পুৱাই ঘৰত জীয়ৰী-বোৱাৰীয়ে ধান খুন্দি উঠি চাং তল, চোতালঘৰ সাৰি পুচি পৰিষ্কাৰ কৰে। গা-পা ধুই উঠি আপং চাকে। ঘৰৰ বয়োবৃদ্ধ, শহুৰ-শাহুসকলক সেৱা জনাই আপং যাচে। বয়োজ্যেষ্ঠসকলে সৃষ্টিকৰ্তা ঈশ্বৰক

সুঁৱৰি, পূৰ্ব পুৰুষসকলৰ পৰম্পৰাক শ্ৰদ্ধা জনাই কুশল-মঙ্গল কামনা কৰি আশীৰ্বাদ দিয়ে। বৃদ্ধসকলে জুইশাল বা টিপাশালৰ চাৰি চুকত উপৰি পুৰুষ (ত্তমুন চয়্ং) সকলৰ আশীৰ্বাদ কামনা কৰি আপং এটোপ এটোপ ঢালি আঃ বাং (স্তুতি) গায়। পিছলৈ গাঁৱৰ ভকত-ভকতনী, সাধু, সাজ তোলা বা সাতোলাক নিমন্ত্ৰণ কৰি আনি গৃহস্থৰ সকলো সা-সম্পত্তি, খেতি-পথাৰৰ লগতে ঘৰৰ, গাঁৱৰ সকলো জীৱ-জন্তু, কোনো দুখত নপৰাকৈ নিৰোগী হৈ জীয়াই থাকিবলৈ 'কাতি চাকি' লগাই (বন্তিৰ আগত সাজ-সম্ভাৰ ৰাখি) পূৰ্ব-পুৰুষসকলক সন্তুষ্ট কৰিবলৈ সকাম পাতি প্ৰাৰ্থনা জনায়। নিমন্ত্ৰিত সাধু, সাজ তোলা, ভকত-ভকতনীসকলে পূৰ্ব পুৰুষসকলৰ নাম কাটি শ্ৰদ্ধাৰে প্ৰাৰ্থনাত সন্তুষ্ট হ'বলৈ হয়ভৰ দি আশীৰ্বাদ জনায়। তাৰ পিছতহে খোৱা-বোৱা চলে।

সেইদিনা গাভৰু ছোৱালীবিলাকে তাঁতৰ খুচি বনাবলৈ নলফুলবোৰ বিচাৰি আনে, কোনো ডেকা-গাভৰু আলহীক মাতি আনি আপং খুৱায়। নানান কথা-বাৰ্তা, আলাপ-আলোচনা কৰে। কোনে কিমান বৃগ্‌চাং' (ডেকা-গাভৰুৱে নিজাকৈ মাহ, সৰিযহৰ খেতি কৰি টকা-পইছা ঘটাৰ প্ৰক্ৰিয়া) আবৃগ্ (খেতি) কৰিছে, কোনে কিমান কাপোৰ বৈছে, কি ফুল তুলিছে, কোনে কাক খুজিবলৈ আহিছে, কোনে জোঁৱাই খাটিবলৈ আহিছে, কাৰ কেতিয়া কাৰ লগত বিয়া হ'ব, দৰা কেনেকুৱা, কইনা কেনেকুৱা, কিমান দূৰৈত, কোন গাঁৱত ঘৰ, কোন বংশৰ, দেখিবলৈ কেনেকুৱা ইত্যাদি ইত্যাদি কথা।

ডেকা চেঙেলীয়াবিলাকে গধূলি চাকি জ্বলাবলৈ ঔটেঙা, নলগছ কাটি আনে। শলিতা আৰু মিঠা তেল ঘৰৰ বোৱাৰীহঁতে যোগাৰ কৰে। গধূলি বেলি পৰাৰ লগে লগে নলগছবোৰ ওপৰ মূৰত খাকৰা কাটি তাত ঔটেঙাৰ বাকলি চকলা বহুৱাই মিঠা তেলৰ চাকি জ্বলায়। ঘৰৰ আগফালে পিছফালে আৰু ধানৰ ভঁৰাল, গৰু ম'হৰ গোহালি বা খুটিত চাকি জ্বলোৱাৰ উপৰিও, পথাৰত বিশেষকৈ বাও-শালী ধানৰ পথাৰত বন্তি জ্বলাই লখিমী দেৱীক আদৰ জনায়। অনিষ্টকাৰী পোকবোৰে চাকিত পুৰি মৰে।

আগেয়ে মিচিংসকলে ভাদ, আহিন আৰু কাতি মাহ তিনিটাক 'আম্‌ৰাগ্' 'বৃৰ্দুগ' অৰ্থাৎ সুখময়, আনন্দময় ঋতু বুলি পঃৰাগ উৎসৱ পাতিছিল। কিন্তু, কাতি মাহত বিয়া নাপাতিছিল। কোনেও ছোৱালী পলুৱাইও নিনিছিল। ছোৱালীয়েও পলাই নগৈছিল। কোনোবাই টানি নিলেও ঘৰত উঠিবলৈ দিয়া নহৈছিল। এতিয়া সেইদিন আৰু নাই। আম্‌ৰাগ্‌ও নাই, পঃৰাগও নাই।

❖❖❖



বলাইৰাম সেনাপতি

জন্ম ঃ ১৯৩১ চন। বাৰপূজীয়া, মৰিগাঁও।

শিক্ষা ঃ প্ৰবেশিকা।

কৰ্মজীৱন ঃ বৰথল মধ্য ইংৰাজী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক।

সাহিত্য কৃতি আৰু সাংস্কৃতিক জীৱন ঃ গীতি কবিতাৰ পুথি (১), প্ৰবন্ধ পুথি (২), ছাত্ৰাৱস্থাৰ পৰাই বিভিন্ন কাকত আলোচনীত লিখনি প্ৰকাশ, শিল্পী পেঞ্চনাৰ।

ৰাজহুৱা জীৱন ঃ বিভিন্ন সাহিত্য-সাংস্কৃতিমূলক আৰু সামাজিক অনুষ্ঠানৰ লগত ওতপ্ৰোতভাৱে জড়িত।

তিৱাসকলৰ মাজত কাতিবিহু উদ্‌যাপন

অসমত পালন কৰি অহা বিহু তিনিটি এসময়ত আহোম ৰাজ্যৰ ভিতৰুৱা বিশেষকৈ গুৱাহাটীৰ পৰা শদিয়ালৈকে এই অঞ্চলৰ গাঁও-ভূঁইবোৰতহে পালন কৰিছিল যেন লাগে। বিহুৰ লগত জড়িত বিহুৰ নাচ আৰু বিহুৰ গীতবোৰ আমাৰ সৰুকালছোৱাত আমাৰ অঞ্চলৰ তিৱাৰ ডেকা-গাভৰুবোৰে বেলেগে বেলেগে গাঁৱৰ পৰা আঁতৰত গৈ লোকচক্ষুৰ আঁৰত থাকি গীতগোৱা আৰু নচা দেখিছিলো। এই গীত গোৱা আৰু নচা মানুহবোৰক তেতিয়াৰ এই গীত নাচ ভাল নোপোৱা মানুহবোৰে লম্পট মানুহৰ কাম বুলি ভাবিছিল। এসময়ত অশ্লীল বুলি ভবা এই বিহুগীত আৰু বিহুনাচবোৰ কিছু পৰিমাণে মাৰ্জিত হৈ অসমৰ নগৰে চহৰে মঞ্চত উঠাৰ লগে লগে অসমৰ সীমা পাৰ হৈ দেশ-বিদেশ বিভিন্ন ঠাইৰ পৰা পৰিৱেশন কৰিবলৈ আমন্ত্ৰিত হৈছে আৰু খ্যাতিও অৰ্জন কৰিছে। হয়তো অসমৰ তিৱাসকলৰ মাজতো আহোমসকল অসমলৈ অহাৰ আগতে বিহু বুলি কোনো উৎসৱ নাছিল। আজিও কোনো দিনে আহোম ৰজাৰ তললৈ নহা মেঘালয়ত থকা তিৱাসকল আৰু কাৰ্বি আংলঙৰ বৰ মাৰ্জং, উমচোৱাই, হাদাও থাৰাকুঞ্জি, উলাংকুঞ্জি,

খাপলাংকুঞ্জি, চিলাংকুঞ্জি, বৰবংখে, বৰআমনি, সৰুআমনি, উলুকুঞ্জি, খাউৰা গাঁৱৰ তিৱা লোকসকলে ভৈয়ামৰ মানুহৰ দৰে বিহু বুলি একো নীতি-নিয়ম নেমানে কিন্তু যিসকল তিৱাই আহোম ৰজাৰ তললৈ বা সংস্পৰ্শলৈ আহিছিল সেই ভৈয়াম আৰু পাহাৰৰ দাঁতিকাষৰৰ তিৱাসকলৰ মাজত বিহু আছে, আজিও মানে। এই ভৈয়াম আৰু পাহাৰৰ দাঁতিকাষৰৰ তিৱাসকলে আহোমৰ লগত অহা এই বিহু উৎসৱ কেইটি মানিলেও তেওঁলোকে এই বিহুক নিজস্ব জাতীয় উৎসৱৰ লগত মিলাই নতুন ৰূপত ৰূপ দি লৈছিল। তেওঁলোকে সকলোৰে লগত কাতিবিহুটিৰ বাহিৰে অন্য দুটি বিহু সংক্ৰান্তিত নেপাতিছিল। তেওঁলোকৰ সুবিধা অনুযায়ী সংক্ৰান্তিৰ পিছত এই বিহু পাতিছিল। আজিকালি অৱশ্যে নিজাববীয়াকৈ পতা বিহুত চৰকাৰী বন্ধ নোপোৱাৰ বাবে তিৱাৰ চৰকাৰী চাকৰিয়ালসকলৰ তাগিদাত তিৱাজনগোষ্ঠীয়েও সকলোৰে লগত সংক্ৰান্তিত বিহু পাতিবলৈ লৈছে। আজিও তিৱাসকলৰ বিহুনাচৰ নৃত্যৰ ভংগী, বিহুনাচৰ গীতমাতৰ সুৰ, ঢোল আৰু ঢোলবাদ্যৰ বোল অন্যান্য সকলতকৈ পৃথক। আহিন মাহৰ শেষৰ দিনাখন অন্যান্যসকলৰ লগতে ভৈয়ামৰ তিৱাসকলেও কাতিবিহু উদ্‌যাপন কৰে। কাতিবিহু উদ্‌যাপন কৰাৰ সময়খিনিত প্ৰায়বোৰ খেতিয়কৰে অভাৱ অনাটন হয়। সেইসময়ত মাঘ মাহত চপোৱা ধান শেষ হওঁ হওঁ হয়। নতুন ধানো কাটিবৰ নৌ হয় এতিয়া। বাওধান, শালিধানবোৰ সেই সময়ত গেঁৰ হয়হে। এইবোৰ কাৰণতে কাতিবিহু মানুহবিলাকে বৰ অনুষ্ঠুপীয়াকৈ পালন কৰে। পিঠা-পনা খুব কম পৰিমাণে সাজে। সান্দহ প্ৰায়ে খুন্দা নহয়। মদো খুব কম পৰিমাণে প্ৰস্তুত কৰে। কাতিবিহুৰ আগদিনা সকলো গৃহস্থই ঘৰ-দুৱাৰ লিপি-পুচি পৰিষ্কাৰ কৰে। কাপোৰ-কানি কলাখাৰ চাবোন দি ধুই লয়। ওচৰ চুবুৰীয়া মিতিৰ-কুটুমবিলাকৰ মাজত পিঠা সাজিবৰ বাবে তিল, পথাৰত পেলাবৰ বাবে ৰবাব টেঙা, ইঘৰে সিঘৰক দিয়া দি কৰে। উৰুকাৰ দিনা গধূলি পিঠা পনা সাজে। বিহুত খাবৰ বাবে মদৰ কলহত পানী দি থয়। বিহুৰ দিনা ৰাতিপুৱা ঘৰৰ ডেকা-ল'ৰাবোৰে বাঁহৰ আগ কাটি আনে। বাঁহৰ আগটিৰ আগত অলপ চুটি চুটি জেং ৰাখি গুৰি ফালে আখিবোৰ কটালি মাটিত পুতিবৰ সুবিধাৰ অৰ্থে জোঙা কৰে। কোনোৱে সেই বাঁহৰ আগটিৰ আগত তমালেৰে তিনি কোণীয়া চালনিৰ দৰে বৈ লগাই দিয়ে। পথাৰলৈ যোৱাজনে বাঁহৰ আগটিৰ উপৰিও ৰবাব টেঙা, পথাৰত চাকি জ্বলাবৰ বাবে মিঠাতেল, শলিতা, তামোল-পাণ লগত লৈ যায়। বাঁহৰ আগটি পথাৰত পুতি দিয়ে। ৰবাব টেঙা কাটি পথাৰৰ মাজত বাকলিবোৰ ছটিয়াই দিয়ে আৰু মিঠাতেলৰ চাকি ধাননি পথাৰৰ মাজত জ্বলাই তামোল-পাণ দি সেৱা কৰে। বাঁহৰ আগটি পথাৰৰ মাজত পুতি দিয়াৰ

উদ্দেশ্য— অনুমান বাঁহৰ আগত চৰাই চিৰিকতি পৰিব আৰু সেই চৰাই চিৰিকতিয়ে ধান অনিষ্ট কৰা পোকবোৰ খাব। পথাৰৰ মাজত ৰবাব টেঙাৰ বাকলি ছটিয়াই দিয়াৰ উদ্দেশ্য তেনে কৰিলে গান্ধী আদি শস্যৰ অনিষ্টকাৰী পোক ধানৰ পৰা আঁতৰি যাব আৰু পথাৰত মিঠাতেলৰ চাকি জ্বলাই তামোল-পাণ দি সেৱা কৰাৰ উদ্দেশ্য হ'ল গৃহস্থই নবাগত লখিমীক আদৰণি জনোৱাটো। মাঘ আৰু বহাগবিহুৰ দৰে কাতিবিহুত তিৱাসকলৰ উপাস্য দেৱতাৰ ঘৰ বৰঘৰত কোনো পিঠা-পনা, সান্দহ, মদ লগোৱা নহয়। এই কথাৰ পৰাও এই বিহু যে তিৱাসকলৰ জাতীয় জীৱনৰ লগত জড়িত নহয় সেই কথা ধৰিব পাৰি। কিন্তু বৰঘৰত সান্দহ পিঠা-পনা নলগালেও ৰাতিপুৱাৰ সচং ঘৰত মাঘ আৰু বহাগবিহুৰ দৰে কাতিবিহুতো সেৱা ঘৰৰ লগত জড়িত প্ৰতিঘৰ গৃহস্থই সচং ঘৰৰ ধ্বজত বন্তি জ্বলাই পূৰ্ণশংকৰ গুৰুৰ নামত ধ্বজত পিঠা-পনা, মদ আদি অৰ্পণ কৰে। এই ৰাতিসেৱা ধৰ্মৰ লগত তিৱাসকল কিমান দিনৰ পৰা জড়িত হ'ল সেই সম্পৰ্কে একো জনা নেযায়। সকলো তিৱা ৰাতিসেৱাৰ পূজা ভাগৰ লগত জড়িত নহয়। ৰাতিসেৱাৰ লগত জড়িত তিৱাসকলৰ সচং ঘৰৰ বিষয়ববীয়া, বুঢ়াভকত, পাৰিষদ, চাকৰি সাজনী, পাচনিবে বিহুৰ দিনা ৰাতিপুৱা সচং ঘৰলৈ আহি সচং ঘৰটো তেওঁলোকে লিপি-পুচি পৰিষ্কাৰ কৰে। ধ্বজ চাকিকো চাঙৰ ওপৰৰ পৰা নমাই ভালদৰে ধুই থাপনাৰ ওচৰত আগপাত পাৰি থৈ দিয়ে। দুপৰীয়া একমান বজাত প্ৰতিঘৰ গৃহস্থই মিঠাতেল, মদ, পিঠা-পনা, তামোল-পাণ লৈ সচং ঘৰলৈ আহে আৰু সচং ঘৰৰ চাকৰি, সাজনী পাচনিৰ হাতত বস্তুবোৰ দিয়ে। সমূহ ভকত আহি পালে বুঢ়াভকতে পাৰিষদ সমন্বিতে সকলো ভকতে বিচাৰ (নাম)গায়। বিচাৰ (নামৰ)ৰ নিৰ্দেশ মৰ্মে চাকৰিয়ে ভকতৰ মাজত থকা থাপনাত ধ্বজ স্থাপন কৰি ধ্বজৰ ওপৰত চাকি দি বন্তি প্ৰজ্বলন কৰে। বন্তি প্ৰজ্বলন কৰাৰ পিছত, ধ্বজৰ নামনিত এযুৰি গুৱা-পাণ শংকৰৰ নামত, এযুৰি গুৱা-পাণ মূলৰ নামত অৰ্পণ কৰে। তাৰ পিছত একেদৰেই পাগপানীৰ কোঠাত থকা ধ্বজতো বন্তি প্ৰজ্বলন কৰি গুৱা-পাণ দুযোৰ দিয়ে। সেই সময়খিনিত বিচাৰ (নাম) চলিয়েই থাকে। তাৰ পিছত সমূহ ভকতৰ পৰা অনা পিঠা-পনা আদি গুৱা-পাণ স্থাপন কৰাৰ নামনিলৈ আগলি কলপাত পাৰি স্থাপন কৰে লগতে ধ্বজৰ গুৰিত সাজো (মদো) স্থাপন কৰে। ধ্বজৰ গুৰিত সাজ (মদ) স্থাপন কৰাৰ পিছত সমূহ ভকতক সাজ (মদ) দিয়ে। সাজ দিয়াৰ পিছত ভকতসকলে নাম প্ৰসঙ্গ কৰে। কিছুসময় নাম প্ৰসঙ্গ কৰাৰ পিছত নামৰ সামৰণি কৰি ধ্বজৰ আগত দিয়া পিঠা-পনাবোৰ ভকতসকলৰ মাজত চাকৰি সাজনীয়ে বিলাই দিয়ে। তাৰ পিছত ধ্বজত সাজ লগোৱাৰ বিচাৰ (নাম) গাই

সাজ লগাই সমূহ ভকতকো সাজ দিয়ে। তাৰ পিছত সেৱাৰ সামৰণি পৰে। সেৱাৰ সামৰণিৰ পিছত ভকতসকলে ধ্বজ আৰু বুঢ়া ভকতক এটি এটি সেৱা জনাই ঘৰাঘৰি গুচি যায়। ঘৰলৈ গৈ প্ৰতি ঘৰ গৃহস্থই পদুলিৰ মূৰত, তাঁত শালৰ ঘৰত তুলসীৰ তলত একোটিকৈ মাটিৰ চাকি জ্বলাই দিয়ে। ভঁৰাল ঘৰতো মাহ প্ৰসাদ আগবঢ়াই চাকি শলিতা জ্বলাই গৃহস্থই সেৱা কৰে। বিহুৰ বাবদ গৃহস্থই ভালৰো ভাল বস্তু গৃহিণীক গোটাই আনি দিয়ে আৰু গৃহিণীয়েও ৰান্ধি বাঢ়ি চলি কৰি যোৱা মৃতকসকললৈ এখনি আগলি কলপাতত খাদ্য দ্ৰব্য সেৱাৰে আগবঢ়াই দি, ঘৰৰ সকলোটিকে অন্ন ভোজন কৰোৱায়। এইদৰেই তিৰাসকলৰ কাতিবিহু উদ্‌যাপন পৰ্বৰ সামৰণি পৰে।

❖❖❖

সুশীল কুমাৰ গগৈ



জন্ম ঃ ১৯৩৭ চন। ডিব্ৰুগড় জিলাৰ চাবুৱাৰ খাঁজিখোৱা গাঁও।

শিক্ষা ঃ স্নাতক।

কৰ্মজীৱন ঃ অসম চৰকাৰৰ বিত্ত বিভাগৰ অৱসৰপ্ৰাপ্ত বিষয়া।

সাহিত্য কৃতি আৰু সাংস্কৃতিক জীৱন ঃ বিভিন্ন কাকত, আলোচনীত লিখনি প্ৰকাশ। স্ব-ৰচিত কবিতাৰ সংকলন(২), সম্পাদিত গ্ৰন্থ (৪), প্ৰবন্ধ সংকলন (১), ৩৪ তম সংখ্যাৰ কটনিযান সম্পাদনা, একাধিক কাব্যালোচনী আৰু স্মৃতিগ্ৰন্থৰ সম্পাদক।

ৰাজহুৱা জীৱন ঃ অসম সাহিত্য সভাৰ আজীৱন সদস্য হোৱাৰ উপৰিও জিলা সাহিত্য সভা, সদৌ অসম মায়ামৰা সাংস্কৃতিক সমাজ আৰু ভালে সংখ্যক সামাজিক সাংস্কৃতিক অনুষ্ঠানৰ সৈতে ওতপ্ৰোতভাৱে জড়িত।

মটক সম্প্ৰদায়ৰ মাজত কাতিবিহু

উজনি অসমৰ প্ৰধানকৈ তিনিচুকীয়া, ডিব্ৰুগড, শিৱসাগৰ, লক্ষীমপুৰ আদি জিলাত বসবাস কৰি অহা মটক সম্প্ৰদায়ৰ লোকসকল মূলতঃ কৃষিজীৱী। সেয়েহে এওঁলোকৰ ধৰ্মীয় সমাজতান্ত্ৰিক ব্যৱস্থাত কৃষিমূলীয় ভালে কিছু লোকাচাৰৰ লগতে অসমৰ জাতীয় উৎসৱ স্বৰূপ বিহু তিনিটাৰো প্ৰগাঢ় প্ৰভাৱ পৰম্পৰাগতভাৱে অটুট হৈ আছে। বিশেষকৈ মটকসকলে বছৰে বছৰে পালন কৰি অহা তেওঁলোকৰ ঐতিহ্য পৰম্পৰাৰে সমৃদ্ধ ৰঙালীবিহুৰ বৰ্ণাঢ্য ৰূপটো যে অতুলনীয়। ধৰ্মৰ আওতাৰ মাজতেই মটকসকলে ৰৰমগা হুঁচৰি, গছতলৰ বিহু, বিহু উৰুৱা আৰু সীমিত পৰিমাণে হ'লেও কাতিবিহুৰ দৰে লোকসংস্কৃতিৰ প্ৰাচীন সম্পদসমূহ ৰঙালীবিহুৰ মাজেদি কেনেদৰে যত্নসহকাৰে ধৰি ৰাখিছে সেই কথা ওচৰৰ পৰা প্ৰত্যক্ষ নকৰিলে অনুভৱ কৰিব নোৱাৰি। প্ৰসঙ্গক্ৰমে উল্লেখযোগ্য যে অসমৰ

জাতীয় জীৱনৰ অঙ্গীভূত হ'লেও অন্য বহু থলুৱা জনগোষ্ঠীৰ দৰে মটকসকলেও তেওঁলোকৰ স্বকীয় জীৱনচৰ্যাৰ কেতবোৰ প্ৰাচীন অথচ মূল্যবান সাংস্কৃতিক উপাদান সংবেদনশীলৰূপত আজিও জীয়াই ৰাখিছে। বিহু তিনিটাৰ মাজেদি ৰূপায়িত হোৱাৰ উপৰিও তেওঁলোকে খেতিৰ বতৰতে উদ্‌যাপন কৰা নাঙলধোৱাপৰ্ব, 'ন-খোৱা'-'ন-ভুঁই ৰোৱা', 'লখিমী সবাহ', 'গৰখীয়া সবাহ' আদি অনুষ্ঠানসমূহত সেইবোৰ প্ৰত্যক্ষভাৱে প্ৰতিফলিত হোৱা দেখা যায়।

ধৰ্মীয়সূত্ৰে মটক নামেৰে পৰিচিত সম্মিলিত জনগোষ্ঠীটো কাল-সংহতিৰ বৈষ্ণৱাচাৰ্য অনিৰুদ্ধদেৱৰ দ্বাৰা প্ৰবৰ্ত্তিত মায়ামৰা বৈষ্ণৱ ধৰ্মৰ অনুগামী। কিন্তু মন কৰিবলগীয়া বিষয়টো হ'ল যে একে বৈষ্ণৱকুলৰ হৈও এওঁলোকৰ ধৰ্মীয় ৰীতি-নীতি, আচাৰ-অনুষ্ঠান আদিৰ ভালেমান দিশত অন্যান্য মহাপুৰুষীয়া আনকি কালসংহতিৰ আনসকলৰ পৰাও পৃথক। এনে হোৱাৰ বাস্তৱিক কাৰণ হ'ল ধৰ্মীয় সংস্কৃতিৰ ওপৰত স্বাভাৱিকভাৱেই আহি পৰা এই সম্প্ৰদায়ভুক্ত জনগোষ্ঠীসমূহৰ বিশেষকৈ তদানীং উজনি অসমত বসবাস কৰা কৈৰাতজপন্থী চুতীয়া, মৰাণ, কছাৰী আদি লোকসকলৰ পৰম্পৰাগত লোকাচাৰ আৰু লোকবিশ্বাসমূহৰ ব্যাপক প্ৰভাৱ। মহাপুৰুষীয়া মায়ামৰা ধৰ্মৰ বৈশিষ্ট্য এইখিনিতেই যে ধৰ্মৰ ব্যাপক প্ৰচাৰৰ স্বাৰ্থত ইয়াৰ গুৰুসকলে নৈতিক শিক্ষাৰ লগতে ধৰ্মৰ উদাৰতাবাদী গণতান্ত্ৰিক চৰিত্ৰটোৰে সংশ্লিষ্ট লোকসমাজখনৰ প্ৰাচীন সাংস্কৃতিক উপাদানসমূহৰ সানমিহলি শিষ্টভাৱধাৰাটোকো এক আৱশ্যকীয় মৰ্যাদা দিয়াত কাৰ্পণ্য কৰা নাছিল। আৰু ইয়াৰ ফলশ্ৰুতি স্বৰূপেই এই বৈষ্ণৱী শাখাটোত দীক্ষিত হোৱা লোকসমাজখনৰ লোকাচাৰ, জনবিশ্বাস তথা সাংস্কৃতিক ধ্যান-ধাৰণাসমূহ ধৰ্মৰ আওতাৰ মাজতে অধিক পৰিমাৰ্জ্জিত আৰু সংবেদনশীল ৰূপত বিকশিত হৈ উঠি সমাজখনক নৈতিকতাৰ দিশত টনকিয়াল কৰাৰ লগতে সম্প্ৰদায়টোৰ সামাজিক অৱস্থানটোকো এক সুকীয়া ঐতিহাসিক ভিত্তি প্ৰদান কৰিছে। এই সমিলমিলিত ভাৱধাৰাৰে পুষ্ট, মাৰ্জ্জিত আৰু পৰিবৰ্দ্ধিত সংস্কৃতিৰ বৰ্ণাঢ্য ৰূপটোৰ প্ৰকাশ মটক সমাজৰ মাজত উদ্‌যাপিত অসমৰ জাতীয় উৎসৱ বিহু তিনিটাতো বহুলভাৱে অনুভৱ কৰা যায়।

নকলেও হ'ব যে বিহু মূলতঃ কৃষিভিত্তিক উৎসৱ। ই অষ্ট্ৰিক-মঙ্গোলীয় জনগোষ্ঠীৰ কৃষিজীৱী মানুহৰ উৰ্বৰা বিশ্বাসৰ ওপৰত প্ৰতিষ্ঠিত। য'তেই বোকাপানী ত'তেই অসমীয়া মানুহৰ জীৱন আৰু তাৰ লগতহে বিহুৰ সম্পৰ্ক। 'বিষুব' শব্দৰ সৈতে ইয়াৰ ধ্বনিসূচক মিল থাকিলেও কিম্বা 'বিষুব'ৰ পৰা 'বিহু' শব্দৰ সৃষ্টি বুলি পিছৰ জ্যোতিষ বিদ্যা চৰ্চাৰ কালত ধাৰণা জন্মিলেও এই উৎসৱৰ জন্ম তাৰ বহুকালৰ আগতে। আৰু ই যে মূলতঃ কৃষিমুখী উৰ্বৰা বিশ্বাসৰ লোক উৎসৱহে সেই কথা ভাৰতবৰ্ষৰ বিভিন্ন ঠাইত আগা-পিছাভাৱে প্ৰায় একেসময়তে

উদ্‌যাপিত কৃষিমূলীয় উৎসৱসমূহৰ লগত সংপৃক্ত হৈ থকা সামঞ্জস্যসিক ৰূপটোৱেই প্ৰতীয়মান কৰে। 'পৃথিৱী আৰু নাৰী উৰ্বৰা শক্তিৰ উৎস আৰু মঙ্গোলীয় সমাজত ইয়াত সমানে গুৰুত্ব আৰোপ কৰা হয়। মানুহৰ সংখ্যা বৃদ্ধি কৰে নাৰীয়ে, শস্যৰ উপাদান বৃদ্ধি কৰে পৃথিৱীয়ে। পৃথিৱীত গিৰিপনি মাৰি, যৌনধৰ্মী নাচ নাচি শস্য সৃষ্টিৰ প্ৰেৰণাৰে জাগৃত কৰা হয়। সেযেহে সকলো কৃষি উৎসৱ উৰ্বৰা বিশ্বাসধৰ্মী। নাৰীৰ হাতৰ পৰশত লখিমী লহ্‌পহকৈ বাঢ়ি আহে। সেযেহে মঙ্গোলীয় মানুহে নাৰীক পথাৰলৈ নিমন্ত্ৰণ জনায়। শস্যৰ গুটি সিঁচে পুৰুষে, বন নিৰায় নাৰীয়ে। শস্য চপায়, ধান দায়— জীয়ৰী বোৱাৰীয়ে।'

আহিন আৰু কাতিৰ দোমাহীৰ দিনাখনেই আমাৰ তিনিটা বিহুৰ ভিতৰৰ কাতি বা কঙালীবিহু উদ্‌যাপন কৰা হয়। কোনো কোনোৱে এই বিহুৰ উৎস বৈদিক আচাৰসম্ভূত বুলি কবলৈ প্ৰয়াস কৰিছে। 'বৈদিক যুগত অশ্বিন দেৱতাৰ সন্মানাৰ্থে কাতিবিহুৰ নিশা পূজা-সেৱা, যাগ-যজ্ঞৰ বিধান আছিল, ঐতৰেয় ব্ৰাহ্মণ নামৰ বৈদিক গ্ৰন্থমতে অশ্বিন দেৱতাৰ পূজাৰ লগতে অতিৰাত্ৰ নামেৰে যজ্ঞ এটি সম্পন্ন হৈছিল। ধন-সম্পত্তি আৰু প্ৰজনন বৃদ্ধিৰ বাবে এই উৎসৱ পাতিছিল'।[২] পিছে মটকসকলে উদ্‌যাপন কৰা কাতিবিহুৰ লোকাচাৰত এনে বৈদিক নিয়মৰ ক্ষীণ প্ৰভাৱ হয়তো থাকিলেও পৃথিৱীৰ সৃজনী শক্তিক প্ৰণিপাত জনোৱা কৃষ্ণ সংস্কৃতিৰ আচ্ছাদিত লোকায়তী দৰ্শনৰ সংবেদনশীল ৰূপ এটাহে সততে পৰিলক্ষিত হয়। বহাগ-জেঠমাহত আৰম্ভ কৰা কৃষিকৰ্ম খেতিযকে আহিন মাহত অন্ত পেলায় আৰু পথাৰত লহ্‌পহ্‌কৈ বাঢ়ি অহা শস্যডৰাই মাৰি-মৰক প্ৰতিৰোধ্যৰে অনিষ্টকাৰী কীট্-পতঙ্গৰ পৰাও ৰক্ষা পৰি যাতে নিৰ্বিঘ্নে জাতিস্কাৰ হৈ উঠিব পাৰে সেই উদ্দেশ্যৰেই এই বিহু পতা হয়। ধানৰ গেঁৰেলি মেলা দোমাহীৰ এই দিনটো উদ্‌যাপনৰ মূল উপলক্ষ্যই হ'ল সৃজনী শক্তিক অভিবাদন জনোৱা। সেয়েহে ক'ব পাৰি নতুন সম্ভাৱনাৰে উদ্দীপ্ত লখিমী আদৰিবলৈ আযোজন কৰা ই এক পবিত্ৰ অনুষ্ঠান, পথাৰ-সমাৰক বন্দনা কৰা উৎসৱ। এই কালছোৱাত খোৱা-লোৱা বস্তুৰো কাঙাল হয়। ঘাঁহ-বননিও গৰু-ম'হৰ বাবে নাটনি হৈ পৰে। সেয়েহে তেওঁলোকৰ এই বিহুত 'ৰঙালী'ৰ ৰং উলাহ যিদৰে নাই একেদৰে 'ভোগালী' বিহুৰ ভোগৰ আহ্বানো নাথাকে। থাকে মাথোন পথাৰৰ প্ৰতি প্ৰাণৰ কাতৰ আবেদন।

সেয়েহে তেওঁলোকে এই বিহুত ধাননি পথাৰ, মাহতলী, ভঁৰালঘৰ, গোহালি, থকাঘৰ আদিৰ সমুখত বন্তি জ্বলাই আনুষ্ঠানিকভাৱে এভাগী নৈবেদ্য উপাচাৰ আগবঢ়াই। নামঘৰত চাকি জ্বলায়। মটকসকলৰ ধৰ্মীয় জীৱনতো হিন্দু সমাজৰ অন্যান্যসকলৰ দৰেই বন্তিৰ আধ্যাত্মিক অৰ্থ অতি গভীৰ। বন্তিৰ লগত জড়িত হৈ থকা চাকি, তেল আৰু শলিতাই দেহ মন আৰু আত্মাক প্ৰতিনিধিত্ব কৰে

আৰু প্ৰতীকী অৰ্থত পৰম্পৰৰ মাজত সমস্ত ৰক্ষা কৰি সূচিতা বৃদ্ধি কৰে বুলি এই লোকসমাজে বিশ্বাস কৰে। মটক সমাজৰ মাজত পোনতে ফলীয়া অমিতা বা ঔ-টেঙাবাকলিতহে তেল-শলিতা দি বন্তি জ্বলোৱা প্ৰথা প্ৰচলিত আছিল। সেই পৰম্পৰাৰ আঁত ৰাখি এতিয়াও কাতি বিহুদিনাখন মাটি চাকিৰ লগতে তেনে দুই এখন চাকি প্ৰজ্বলন কৰা দৃষ্টান্ত অ'ত ত'ত দেখিবলৈ পোৱা যায়।

কাতিবিহুৰ দিনা খেতিয়ক সমাজৰ জীয়ৰী-বোৱাৰীসকলে জুম বান্ধি পথাৰ ফুৰিবলৈ যোৱাতো মটক সমাজৰ এক পৰম্পৰাগত নিয়ম। কাতিমহীয়া শালিধানে থোৰ মেলা এনে সময়ত পথাৰলৈ নাৰীৰ নিমন্ত্ৰণ, বন নিবায়ন তথা হাতৰ পৰশত লখিমী লহ্‌পহ্‌কৈ বাঢ়ি আহে বুলি এই সমাজত লোকপ্ৰবাদ আছে। উল্লেখযোগ্য যে কাতিবিহুত 'আকাশবন্তি' জ্বলোৱা চিৰাচৰিত প্ৰথা মটক সমাজৰ মাজত দেখা পোৱা নাযায়। অৱশ্যে মাৰি-মৰক প্ৰতিৰোধৰ উদ্দেশ্যে ধোঁৱাজাগ দিয়া পৰম্পৰা আছে। ডেকাসকলে বিহুৰ কেইদিনমানৰ আগতে পথাৰৰ হ্যফলু-হ্যফলুৰে শুকান জেং-পাত আদি নিৰাই গোটাই থৈ আহি বিহুৰ দিনা আবেলি জুই জ্বলাই পথাৰ ধোঁৱাময় কৰি তোলে। এনে কৰিলে অপায়-অমঙ্গল দূৰ হোৱাৰ লগতে পোক-পৰুৱা আদিও জুইত জাহ গৈ পথাৰৰ লখিমী নিৰ্বিঘ্নে থাকে বুলি তেওঁলোকে বিশ্বাস কৰে।

বিহুৰ দিনা 'বিহুছালি' খাবলৈ গাঁৱৰ ভকতবৈষ্ণৱ সকলে নামঘৰে নামঘৰে গোট খায়। এয়া বুঢ়াসকলৰ কাতিবিহুৰ মাঙ্গলিক পৰ্ব। তিথি পালন উপলক্ষে নিজ নিজ ঘৰ-পা-পৰিয়ালৰ হৈ অনা গুৱা-পাণ-ছালি আৰু মাহ-চাউলৰ নৈৱেদ্য আগবঢ়ায়। লগতে গুৰুঘৰলৈ বুলি এটি অৰিহণাও। 'ভাগৱত' (ভক্তিমঙ্গল)ৰ এফাঁকি বা দুফাঁকি পাঠ কৰাৰ অন্তত সমূহীয়া প্ৰাৰ্থনাৰে শইচ থলীৰ মাৰি-মৰক, অপায়-অমঙ্গল যাতে দূৰ হয় তাৰ বাবে সমাজৰ জ্যেষ্ঠজনৰ পৰা 'ৰাইক-বচন' (আশীৰ্বাদ) গ্ৰহণ কৰে।

কাতিবিহুত চোতালত তুলসী পুলি ৰুই সমুখত বন্তি প্ৰজ্বলনৰে মাহ-প্ৰসাদৰ নৈৱেদ্য আগবঢ়াই তুলসী পূজা কৰা প্ৰথাটোও মটক সম্প্ৰদায়ৰ কোনো কোনো বিশেষকৈ বৰ্ণহিন্দু শ্ৰেণীটোৰ মাজত পৰম্পৰাগতভাৱে বৰ্তমানেও প্ৰবৰ্তিত আছে আৰু এই লোকাচাৰটো সমাজখনৰ অন্যান্য বহুতৰে মাজত ক্ৰমাগতভাৱে কাতিবিহুৰ এক নিয়মীয়া ৰীতিলৈ পৰিণত হৈছে বুলিও ক'ব পাৰি। অৱশ্যে তুলসীগছ মটক সমাজতো অতি পবিত্ৰ বুলি জ্ঞান কৰা হয়, আৰু দৰৱজাতি আদিত ভালেমান গুণাগুণৰ বাবে ই ব্যৱহৃতও হয়। অন্যহাতেদি জনপ্ৰবাদমতে তুলসীপাত স্বয়ং নাৰায়ণৰ প্ৰিয় পৰিধান। কাতিবিহুৰ দিনা চোতালত তুলসী সেৱাৰে লখিমীৰ সুৰক্ষাৰ অৰ্থে নাৰায়ণক তুষ্ট কৰাৰ এক ধৰ্মীয় মাৰ্গ, সেয়েহে

তেওঁলোকে ভাত বিচাৰি পোৱাটোও কোনো অস্বাভাৱিকতা নেদেখে আৰু তেওঁলোকৰ ধৰ্মীয় পৰম্পৰাৰ বিৰোধী বুলিও ক'ব নিবিচাৰে। তুলসী পূজাত আয়তীসকলে বস্তিৰ ধীৰ পোহৰত বহি জাউৰি জাউৰিয়ে গোৱা—

'তুলসী ত'লে
মৃগপছ চ'ৰে
তাকে দেখি ৰামচন্দ্ৰই
শৰধেনু ধৰে'

আদি 'খেৰীগীত'বোৰৰ ব্যতিক্ৰমধৰ্মী স্বৰ-ৰাগিনীবোৰো বেছ মন কৰিবলগীয়া।

প্ৰসঙ্গক্ৰমে উল্লেখযোগ্য যে 'মটক' সম্প্ৰদায়ৰ ধৰ্মীয সমাজতান্ত্ৰিক ব্যৱস্থাত অসমৰ ভূমিপুত্ৰস্বৰূপ মৰাণসকলে এক গুৰুত্বপূৰ্ণ অংশ লৈ আছিছে যদিও তেওঁলোকৰ মাজত কাতিবিহুৰ কোনো প্ৰাদুৰ্ভাৱ নাই। একেদৰে 'মঙ্গলে উৰুকা বুধে বৃহস্পতিয়ে বিহু' বুলি নিজস্ব বিশ্বাস আৰু ঐতিহ্য-পৰম্পৰাৰে বৰ্ণাঢ্য ৰূপত ৰঙালীবিহু উদ্‌যাপন কৰা মৰাণসকলৰ মাজত সামান্যভাৱে জা-জলপান আৰু বাৰীৰ আলুপুৰি খোৱাৰ ব্যতিৰেকে মাঘবিহুৰ পৰম্পৰাও নাই বুলিলে হয়। 'বিহু বুলি ক'লে মৰাণসকলে ৰঙালীবিহুকে বুজে— কাৰণ মাঘবিহু আৰু কাতিবিহু তেওঁলোকে পালন নকৰে।'[৩] এনে হোৱাৰ কাৰণ হয়তো মৰাণসকল বৃহৎ বড়ো জনগোষ্ঠীৰে যিহেতু এটা ঠাল, সেয়েহে কৃষিজীৱী হ'লেও তেওঁলোক জড়োপাসক আছিল আৰু বিশেষকৈ তেওঁলোকৰ শস্য উৎপাদন প্ৰণালীত জুমখেতিয়ে অধিক প্ৰাধান্য পাইছিল বাবেই হয়তো শালিখেতিৰ উৎপাদনশীলতাৰ সৈতে সম্পৰ্কিত আন দুটা বিহুৱে তেওঁলোকৰ সমূহীয়া ধ্যান-ধাৰণাত বিশেষ প্ৰভাৱ নেপেলালে।

জালুকৰ জালেৰে কচুশাকৰ পাচলি এখন কাতিবিহুৰদিনা খোৱাৰ প্ৰথা এটাও মটক সম্প্ৰদায়ৰ কোনো কোনোৰ মাজত বৰ্তমানেও এৰা ধৰাকৈ চলি আছে। পথাৰৰ ছমাহ জোৰা ক্লান্তি-অৱসাদ এনে পাচলি সেৱনে দূৰাগত কৰে বুলি জনসমাজত বিশ্বাস।

শেষত এষাৰ কথা প্ৰণিধানযোগ্য যে 'মটক' এই শব্দটোৱে 'পোনতে অসমৰ পূব প্ৰান্তত বসবাস কৰা এচাম পৰাক্ৰমী মানুহকে বুজাইছিল যদিও কালক্ৰমত সৰ্বসাধাৰণলোকে মটককে লৈ অসমৰ বিভিন্ন জাতি-উপজাতি ফৈদক অন্তৰ্ভুক্ত কৰা কাল-সংহতিৰ অনিৰুদ্ধদেৱ প্ৰবৰ্তিত মায়ামৰা বৈষ্ণৱ সমাজৰ সকলো মানুহকে মটক বুলিবলৈ ললে।'[৪] অৱশ্যে উক্ত বিচাৰ্যৰে 'মটক' বুলিলে সচৰাচৰ একে মায়ামৰা বৈষ্ণৱ পন্থী মটককে লৈ মৰাণ, চুতীয়া, আহোম, কায়স্থ, কলিতা, কৈবৰ্ত আদি অসমৰ খিলঞ্জীয়া মানুহৰ ধৰ্মীয়সূত্ৰে সন্মিলিত এচাম জনগোষ্ঠীক বুজাই যদিও এই বৈষ্ণৱমূলৰ উদাৰতান্ত্ৰিক, ব্যতিক্ৰমধৰ্মী চৰিত্ৰটোৰ বাবেই সংশ্লিষ্ট

জনগোষ্ঠীসমূহৰ স্বকীয় বৈশিষ্ট্যগত ভালেমান প্ৰাচীন সাংস্কৃতিক উপাদান ধৰ্মীয় অনুশাসনৰ নিভৃত কোণত সংৰক্ষিত হৈ আহিছে আৰু সেই কথাৰ কিছু আভাস আৰম্ভণিতে দি অহাও হৈছে। এনে হোৱাৰ কাৰণ হ'ল— 'ধৰ্মৰ ভিত্তিত বিভিন্ন জাতি-জনজাতি-উপজাতিৰ লোকক একত্ৰিত কৰি এখন নতুন সমাজ গঢ়িবলৈ যাওঁতে গুৰুজনাই এহাতে জনজাতীয় সমাজৰ প্ৰগতিৰ প্ৰতিকূলে যোৱা সামাজিক বান্ধোনবোৰ আঁতৰ কৰিছিল আৰু আনহাতে তেওঁৰ নতুন মতাদৰ্শৰ লগত চলিত সমাজব্যৱস্থাৰ সুস্থ আৰু আদৰণীয় উপাদানবোৰ মিলাই লৈছিল।'[৪] সেয়েহে হয়তো অসমৰ জাতীয় উৎসৱ বিহু পালনত বিশেষকৈ ৰঙালীবিহু উদ্‌যাপনৰ ক্ষেত্ৰত মটক সম্প্ৰদায়ৰ মাজত প্ৰচলিত বিহুৰ ঐতিহাসিক পৰম্পৰা, লোকাচাৰ আদিত আন সৰ্বসাধাৰণ অসমীয়াৰ মাজত নথকা কিছু বৈচিত্ৰ্য আৰু ব্যতিক্ৰমধৰ্মিতা যিদৰে পৰিলক্ষিত হয়, সেই একেটা কাৰণতে অসমৰ অন্যান্যসকলতকৈ মটকসকলৰ কাতিবিহু উদ্‌যাপনতো যে তেনে কিছু ব্যতিক্ৰমধৰ্মিতা আছে সেই কথা ওপৰৰ আলোচনাৰ পৰাই নিশ্চয় অনুভৱ কৰিব পাৰি।

গ্ৰন্থপঞ্জী ঃ

(১) *'অসমৰ সংস্কৃতি' চতুৰ্থ সংস্কৰণ পৃঃ ১৪৬— ড° লীলা গগৈ।*

(২) *'অসমৰ লোক উৎসৱ' প্ৰথম সংস্কৰণ পৃঃ ৯— ড° প্ৰমোদ ভট্টাচাৰ্য।*

(৩) *'মৰাণ জনগোষ্ঠী' প্ৰথম সংস্কৰণ পৃঃ ৫১—ড° বীৰেন্দ্ৰ কুমাৰ গোঁহাই।*

(৪) *'মটক শব্দৰ উৎপত্তি আৰু তাৎপৰ্য' (প্ৰবন্ধ), 'অসমবাণী', ২০ আগষ্ট ১৯৭৬ চন সংখ্যা—*
ড° জীতেন তালুকদাৰ।

(৫) *'তিনিচুকীয়া জিলাৰ মানুহ' প্ৰথম সংস্কৰণ— তিনিচুকীয়া জিলা সাহিত্য সভাৰ প্ৰকাশ,*
সম্পাদনা ঃ চিত্ৰলেখা বৰা

❖❖❖

নন্দেশ্বৰ দেউৰী

জন্ম ঃ ১৯৪৩ চন। শিৱসাগৰ জিলাৰ টেঙাপানী দেউৰী গাঁও।

শিক্ষা ঃ স্নাতকোত্তৰ।

কৰ্মজীৱন ঃ প্ৰবক্তা, ধেমাজি মহাবিদ্যালয়।

সাহিত্য কৃতি আৰু সাংস্কৃতিক জীৱন ঃ বহুতো কাকত-আলোচনীত বিভিন্ন বিষয়ৰ গুৰুত্বপূৰ্ণ লিখনি প্ৰকাশ।

ৰাজহুৱা জীৱন ঃ অসম সাহিত্য সভাৰ আজীৱন সদস্য, অসম শিশু শিক্ষা সমিতি, ধেমাজি জিলা সাহিত্য সভা আৰু আন আন সামাজিক সাংস্কৃতিক অনুষ্ঠানৰ লগত ওতপ্ৰোতভাৱে জড়িত।

দেউৰী জনগোষ্ঠীৰ মাজত কাতিবিহু উদ্‌যাপন

'বিহু আমাৰ জাতীয় উৎসৱ' বুলিলে অসমীয়া সমাজত বিশেষভাৱে মাঘবিহু আৰু বহাগবিহু এই দুটা বিহুৱে প্ৰাধান্য লাভ কৰে। কাতিবিহুটো বিহু হিচাপে পালন কৰিলেও ইয়াক মাঘবিহু আৰু বহাগবিহুৰ দৰে আড়ম্বৰপূৰ্ণ উৎসৱৰূপে পালন কৰা নহয়। অসমীয়া সমাজৰে অংশ বিশেষ দেউৰী জনগোষ্ঠীয়েও এই তিনিওটা বিহুকে উদ্‌যাপন কৰিলেও কাতিবিহুটো যেন বিহু হিচাপে তেনেই নগণ্য। আন দুটা বিহুৰ দৰে কাতিবিহুটো উৎসৱৰূপে পালন কৰা নহয়। কিন্তু আবহমান কালৰে পৰা দেউৰী সমাজে মাঘবিহু আৰু বহাগবিহুক তেওঁলোকৰ অন্তৰঙ্গ উৎসৱ হিচাপে পালন কৰি আহিছে। মন কৰিবলগা যে উৎসৱস্বৰূপে পালন নকৰিলেও কাতিবিহুৰ গুৰুত্ব কিন্তু আন দুটাৰ পৰা কস্মিন কালেও কোনো গুণে হীন হ'ব নোৱাৰে। তিনিওটা বিহুৱেই দেউৰী সমাজ-জীৱনৰ তেজ-মঙহৰ, বাপতিসাহোন। সামাজিক, সাংস্কৃতিক, আধ্যাত্মিক আৰু কৰ্মজীৱনৰ উৎস অথবা ভেটিস্বৰূপ এই বিহুৱেই বুলি ক'লেও বোধকৰো বঢ়াই কোৱা নহ'ব।

'দেউৰী জনগোষ্ঠীৰ মাজত কাতিবিহু উদ্‌যাপন' সম্পৰ্কে আলোচনা কৰিবলৈ যাওঁতে বিহুৰ লগত জড়িত থকা 'পূজা' আৰু 'উৎসৱ' দুয়োটাৰে সম্যক ধাৰণা থাকিব লাগিব। পূজা কেইজনমান বিশেষ ব্যক্তিৰ দ্বাৰা ঘৰত, বাহিৰত যেনে— নৈ, বিল, জান-জুৰি আদিত আৰু গাঁৱৰ দেওশালত পতা হয়— ভিন ভিন পূজাৰ লগত জড়িত যথা ৰীতিৰে। আনহাতে উৎসৱ ৰাজহুৱাভাৱে গাঁৱত আৰু দেওশালত উদ্‌যাপন কৰা হয়, ৰং ৰহইচৰ মাজেৰে , উৎসৱৰ লগত সংগতি ৰাখি নানা গীত মাত, ঢোলে-ডগৰে, নাচোন-কাচোনেৰে। দেউৰীসকলে উৎসৱ উদ্‌যাপন কৰাৰ আগতে তেওঁলোকৰ খেলবৰীয়া দেওশালত (তিনি খেলৰ তিনি দেওশাল) প্ৰথমে পূজা ভাগ শালদেৱতাক আগবঢ়োৱাটো প্ৰাচীন কালৰে পৰা চলি অহা চিৰাচৰিত প্ৰথা। অৰ্থাৎ দেওশালত প্ৰথমে পূজা আগ নবঢ়োৱাকৈ উৎসৱ পতাটো নিষিদ্ধ। তেওঁলোকে বছৰত প্ৰধানকৈ দুটা উৎসৱহে পালন কৰে, সেইয়া মাঘবিহু আৰু বহাগবিহু উৎসৱ। তেওঁলোকৰ পূজাৰ দিন নিৰ্ধাৰণৰ ক্ষেত্ৰত জোনৰ সৈতে নেৰানেপেৰা সম্বন্ধ আবহমান কালৰে পৰা আছে। প্ৰতিটো চন্দ্ৰমাহৰ শুক্ল পক্ষৰ প্ৰথম বুধবাৰে দেওশালত পূজা অৰ্চনা কৰাৰ নিয়ম। সেয়ে বছৰৰ বাৰটা মাহত তেৰটা পূজা পতা হয়। প্ৰতিমাহৰ প্ৰথম বুধবাৰটো অতি পবিত্ৰ দিন হিচাপে গণ্য কৰি সেইদিনটোতহে পূজা অৰ্চনা কৰাৰ নিয়ম। প্ৰবাদ আছে যে দেৱ-দেৱীৰ পৰামৰ্শানুসৰিহে সেই নিয়ম পালি অহা হৈছে। দেৱ-দেৱীৰ পূজা অৰ্চনা কৰোতে যিবোৰ মন্ত্ৰ উচ্চাৰণ কৰে, মন্ত্ৰবোৰ অলিখিত, মুখে মুখে চলি আহিছে। কেৱল পুৰোহিতেহে সেইবোৰ পূজাৰ সময়ত পূজা মন্ত্ৰ হিচাপে ব্যৱহাৰ কৰে। মন্ত্ৰবোৰ নিজৰ ভাষা (দেউৰী ভাষা)ত থাকে। নিজৰ ভাষা প্ৰচলিত নথকা টেঙাপনীয়া আৰু বৰগঞা ফৈদেও আনকি পূজাৰ মন্ত্ৰ দেউৰী ভাষাতে উচ্চাৰণ কৰি অহাটো অতীতৰে পৰা চিৰাচৰিত প্ৰথা হৈ আহিছে। নিজৰ ভাষাত মন্ত্ৰ মাতিলেহে তেওঁলোকৰ উপাস্য দেৱ-দেৱী সন্তুষ্ট হয় বুলি তেওঁবিলাকৰ পৰম বিশ্বাস।

মাঘবিহু আৰু বহাগবিহু এই দুযোটাতে দেউৰীসকলৰ তিনিওটা ফৈদে দেওশালত নীতিগতভাৱে সংশ্লিষ্ট মাহৰ প্ৰথমটো বুধবাৰে পূজাভাগ আগবঢ়োৱাৰ পাচতহে উৎসৱ পালন কৰা হয় সপ্তাহদিন জুৰি। মাঘবিহুৰ পূজা উৎসৱতকৈ বহাগবিহুৰ পূজা উৎসৱ বেছি আড়ম্বৰপূৰ্ণ। মাঘবিহুৰ উৎসৱত ডেকাহঁতে গাঁৱৰ ভিতৰতে নাম গাই নাচি-বাগি বিহু উৎসৱ পাতে। মেজি পোৰে, পিঠা-পনা খাই ভোগালী বিহুৰূপে উদযাপন কৰে। মাঘবিহুত দেওশালত বিহু উৎসৱ উদ্‌যাপন কৰাৰ নিয়ম নাই। কেৱল বহাগবিহুতহে গাঁও আৰু দেওশাল দুয়ো স্থানতে বিহু উৎসৱ বৰ আড়ম্বৰপূৰ্ণভাৱে উদ্‌যাপন কৰে। আনহাতে কাতিবিহুত গৃহস্থৰ নিজা

ঘৰ আৰু গাঁৱৰ দেওশালত পূজা অৰ্চনাহে কৰা হয়, নিৰ্দিষ্ট দিনা। কাতিবিহুক উৎসৱ হিচাপে পালন কৰা নহয়। যিহেতু কাতিবিহু কঙালী, গতিকে ই উৎসৱমুখৰ নোহোৱাটোৱে স্বাভাৱিক। পূজাৰ আগদিনা পূজাৰী, বিষয়া, পৰিয়া, ঘৰৰ মুৰব্বী সকলো ব্ৰতে থাকিব লাগে। পূজাৰ দিনা পুৱাতে গা-পা ধুই পবিত্ৰভাৱে সকলোৱে ঘৰে ঘৰে ঘৰদেও (সুৱচনী) পূজা পাতে। সুৱচনী পূজা সাং কৰিহে গৃহস্থ, পূজাৰী, বিষয়া- বৰা আদিয়ে দেওশাললৈ যাত্ৰা কৰিব পাৰে। অৰ্থাৎ ঘৰদেও পূজা সমাপ্ত কৰিহে দেওশালৰ পূজা সেৱা সমাপন কৰে। দেওশালত প্ৰতিমাহৰ প্ৰথম বুধবাৰে পূজা কৰে। দেওশালৰ মাহেকীয়া পূজা উপলক্ষ্যত খিন পেলোৱা (তংলতীৰে শান্তি পানী ছটিয়াই শুদ্ধিকৰণ) আৰু সুৱচনী পূজা পতা নহয়। মাহেকীয়া পূজা অগত্যা পাতিব নোৱাৰিলে বুধবাৰৰ পৰিবৰ্তে দেওবাৰেও পতাৰ নিয়ম আছে। এই পূজা এদিনতে সমাপ্ত হয়। পূজাবোৰক দুটা ভাগত ভগাব পাৰি, যেনে— পূজা আৰু সবাহ। পূজাবোৰ পুৰুষ প্ৰধান আৰু সবাহবোৰ প্ৰকৃতি প্ৰধান। পূজাৰ কামবোৰ পুৰুষৰ দ্বাৰা আৰু সবাহৰ কামবোৰ মহিলাৰ দ্বাৰা সম্পন্ন হয। অৱশ্যে লখিমীৰ ক্ষেত্ৰত পূজা আৰু সবাহ দুয়োটাই-পালন কৰা হয। লখিমী সবাহক 'মিনুচি নিদৰুৱা' আৰু লখিমী পূজাক 'মিনুচি লিদুৰৱা' বোলে। লখিমী সবাহ বুধবাৰে গাঁৱৰ এক মুকলি আছুতীয়া ঠাইত ৰভাৰ তলত বেদী সাজি, পুৰুষ-মহিলা উভয়ে লগ লাগি সবাহ-সম্ভাৰ বেদীত ৰাখি বন্তি জ্বলাই নামকীৰ্তনেৰে পালন কৰে। মহিলাই লখিমী নাম গায় আৰু পুৰুষে কীৰ্তন পাঠ কৰি হৰি নাম গায়। পূজাৰ ভিতৰত উল্লেখ কৰিব পাৰি— কাতিবিহু, মাঘবিহু আৰু বহাগবিহুৰ পূজা, বুঢাডাঙৰীয়া পূজা, জলশাই-থলশাই-ডাঙৰীয়া পূজা, গাংৰখীয়াপূজা, গাটীযাল বা বাঘদেওপূজা, মেদি-খুকুৰী পূজা (ধনু কাঁড লৈ হাবিত বিচৰণ কৰি ফুৰা এবিধ দেৱতাৰ পূজা), ছাঁযায়াঁ বা সুৰুয দেৱতা পূজা, ৰঙাচন দেৱতা পূজা (সন্ধ্যা গছৰ তলত কৰা এবিধ পূজা), স্বৰগদেও পূজা (বৰুণ আদি দেৱতা পূজা) আদিযেই প্ৰধান। এইখিনিতে উনুকিয়াই যোৱা ভাল হ'ব যে দেউৰীসকলৰ প্ৰায সকলোবোৰ পূজাতেই তংলতী অনিবাৰ্য। তংলতী (এবিধ ফুলজাতীয় গছ) নহ'লে পূজাই নচলে। কিন্তু স্বৰগদেও পূজাত তংলতী আৰু তামোল-পাণৰ ব্যৱহাৰ নাই। তংলতীৰ ঠাইত স্বৰগফুল (এবিধ বগা পাতফুল) ব্যৱহাৰ কৰা হয। পাতৰ ক্ষেত্ৰতো এই পূজাত কৌপাতৰ বাহিৰে অন্য পাত ব্যৱহাৰ কৰা নিষেধ। জনা যায় যে স্বৰগদেও পূজা কৰা প্ৰথা আদিতে দেউৰী সমাজত নাছিল। স্বৰ্গদেৱসকলেহে এই পূজাৰ প্ৰথা প্ৰচলন কৰায়। স্বৰগদেৱতাসকলক কুকুৰা মাৰি পূজা দিয়াৰ নিয়মো তেতিয়াৰ পৰাহে প্ৰচলন হয়। আনহাতে সবাহৰ ভিতৰত লখিমীসবাহ, অপেস্বৰী সবাহ, আই-সবাহ আদিয়েই প্ৰধান। পূজাবোৰ মন্ত্ৰপূত আৰু সবাহবোৰ

নামপুত, যেনে— লখিমী নাম, আইনাম, অপেস্বৰী নাম আদিৰে সেই সেই সবাহ নিষ্পন্ন কৰে। ইয়াৰ উপৰিও গৰখীয়া ল'ৰাৰ দ্বাৰা গৰখীয়া সবাহ পতাৰো নিয়ম আছে।

দেউৰীসমাজত কাতিবিহুৰ গুৰুত্ব আৰু বিশেষত্ব হৈছে আই লখিমীক আদৰি সন্তুষ্ট কৰাৰ অৰ্থে লখিমী পূজা আৰু সবাহ খেলববীয়াকৈ উদ্‌যাপন কৰা। পথাৰৰ লখিমীয়ে গেঁৰ ধৰাৰ সময়তে কাতি মাহৰ শুক্লপক্ষৰ প্ৰথমটো বুধবাৰে এই পূজা বা সবাহ পতাটো অনিবাৰ্য। বুধবাৰটো লখিমীবাৰ হিচাপে গণ্য কৰে বাবেই লখিমী পূজা বা সবাহ বুধবাৰে আয়োজন কৰে। তেওঁলোকৰ বিশ্বাস যে লখিমী সন্তুষ্ট হ'লেহে পথাৰৰ শস্য ফচল নদন-বদন হৈ ভঁৰাল উপচি পৰে আৰু শস্য মৎস্যই দুখীয়া নিচলাজনৰো বিমুখ নহয়। লখিমীসবাহত কল, কুঁহিয়াৰ পিঠাগুৰি, মাহ-প্ৰসাদ, তামোল-পাণ, ধূপধুনা আদি উপকৰণেৰে বন্তি জ্বলাই মহিলাসকলে লখিমী নাম গাই গাই সশ্ৰদ্ধ স্তুতি মিনতি কৰে। ৰাজহুৱাভাৱে বছৰেকীয়া সবাহ পতাৰ উপৰিও প্ৰতি গৃহস্থই ঘৰে ঘৰে ধানৰ ভঁড়ালত মিনুচি-লিদুৰৱা পতাৰ নিয়ম। মিনুচি লিদুৰৱাত পূজা মন্ত্ৰ ব্যৱহাৰ হয়। এইখিনিতে মন কৰিবলগীয়া যে নিজৰ ঘৰৰ বা পৰিয়ালৰ বিজ্ঞজনৰ বাহিৰে আনে এই পূজাত পৌৰোহিত্য কৰাৰ নিয়ম নাই। পূজা অৰ্চনা সমাপ্ত কৰি পূজাৰীয়ে ভঁৰালৰ দুৱাৰ জপাই থয় আৰু ভঁৰালৰ দুৱাৰৰ বাহিৰফালে এখন শুধ বগা নতুন কাপোৰ মেলি থৈ আহে। পূজাৰ আৰম্ভণিৰ দিনাৰ পৰা সাদিনলৈকে ভঁৰাল সম্পূৰ্ণ বন্ধ ৰখা হয়। শস্য-ভৰা পথাৰতো এই পূজা পতা হয়। এই সময়ছোৱাত আনকি খোজনীয়া মগনীয়াকো এমুঠি ধান-চাউল দিয়া অথবা কাৰোবাক ধন-ধান ঋণ দিয়া নিষেধ। লখিমীপূজা দুই ভাগে কৰা হয়। এভাগে পিঠাগুৰি, মাহ-প্ৰসাদ, তামোল-পাণ, তংলতী আদি উপকৰণেৰে মিঠাতেলৰ শলিতা জ্বলাই আৰু আনভাগে উক্ত উপকৰণৰ উপৰিও মন্ত্ৰ উচ্চাৰণেৰে দুটা ৰঙা কুকুৰা আৰু এজনী ৰাঙলী কুকুৰা বলি স্বৰূপে আগবঢ়াই পূজা কৰে। তিনিওটা খেল (ডিবঙীয়া টেঙাপনীয়া, বৰগঞা)ৰ ভিতৰত পূজা পদ্ধতিৰ কিছু তাৰতম্য থাকিলেও পূজাৰ মূল উদ্দেশ্য ভিন্ন নহয়। লখিমীয়ে কিবা লেঠা ধৰাৰ উমান পালেও এই পূজা পতা হয়, যেনে— উধানৰ পৰা ভাতৰ চৰু বাগৰি পৰিলে, ধান পুৰিলে, অথবা ধানত জুই লাগিলে লখিমীৰ কোপদৃষ্টি পৰা বুলি ভাবি আই লখিমীৰ লেঠা ভাঙি তেওঁক তুষ্ট কৰাৰ উপলক্ষে এই পূজা পতা হয়। আনকি এখন ধাননি ভাঙি তাত নতুনকৈ ধান সিঁচিব লগা হলেও দোষ-দায় এৰাবৰ বাবে লক্ষ্মীপূজা পতাৰ নিয়ম। এইবোৰ পূজাৰ উপৰিও কাতিবিহুৰ সংক্ৰান্তিৰ দিনা পথাৰ, ভঁৰাল আৰু গোহালিত চাকি জ্বলোৱা হয়। কিছুলোকে তুলসীৰ তলতো বন্তি জ্বলায়। যিহেতু কাতিবিহুৰ প্ৰাধান্য আই লখিমী,

গতিকে কাতিবিহুৰ দিনা সকলো ঘৰ গৃহস্থই নিজৰ নিজৰ শস্য পথাৰলৈ গৈ পথাৰৰ চাৰিওফালে এপাক ঘূৰি চাই আই-লখিমীক সাদৰ সম্ভাষণ জনোৱা ৰীতি প্ৰচলিত। বুধবাৰটো দেউৰীসকলে লখিমীবাৰ বুলি গণ্য কৰে বাবে সেইদিনা কাকো ধান নিদিযে। আনকি খোজনীয়া মগনীযাকো সেইদিনা ভিক্ষা দিয়াৰ নিয়ম নাই। কেনেবাকৈ কাৰোবাক অথন্তৰত দিব লগা হ'লেও নিওঁতাৰ ডিঙি, কাণ অথবা হাতৰ পৰা এপদ ৰাখিহে ধান দিয়া হয়। আনকি পুৰুষ কিম্বা ন-বোৱাৰীহঁতকো ভঁৰালত সোমাবলৈ পৰাপক্ষত দিযা নহয। ঘৰৰ সবাতকৈ জ্যেষ্ঠ মহিলা গৰাকী অথবা জীয়াৰী নাতিনীহঁতক এই অধিকাৰ দিয়া হয়। গাঁৱত একেৰাহে যদি কেইবা বছৰো খেতিবাতি নহয, অনাটন হয, তেন্তে তেওঁলোকে লখিমী হেৰাইছে বুলি বিশ্বাস কৰে। যদি এনেদৰে লখিমী হেৰোৱা যুগ সমাগত হোৱা বুলি ভাবে তেন্তে সকলো গ্ৰামবাসী একত্ৰ হৈ নিৰ্ধাৰিত বুধবাৰে লখিমীসবাহৰ আযোজন কৰে। সেই সবাহৰ দিনা এগৰাকী ভৰণ মহিলা (যাৰ' পিতৃ-মাতৃ বা স্বামী সন্তান জীৱিত)ৰ হতুৱাই নতুন জাকৈৰে নৈত জাকৈ বাই লখিমী নাম গাই-গাই আই লখিমীক আদৰি অনাৰ নিযম। লক্ষ্মীদেৱীযে সাগৰৰ পৰা নৈযেদি আহিছিল বুলি দৃঢ বিশ্বাসৰ বাবেই এইদৰে লখিমী আদৰি অনাৰ প্ৰথা সমাজত চলি আহিছে।

দেউৰী জনগোষ্ঠীত বিভিন্ন দেৱ-দেৱী পূজাৰ প্ৰাধান্যতা চিৰবিদ্যমান। এই পূজা মাহ-প্ৰসাদেৰে কৰাৰ উপৰিও বলি বাহনেৰেও কৰা হয়। ধৰ্মীযভাৱে দেউৰীজনগোষ্ঠী সম্পূৰ্ণ শাক্ত পন্থীয। গতিকে পূজাত বলিবাহনৰ প্ৰাচুৰ্যতা মন কৰিবলগীযা। উদাহৰণস্বৰূপে, ডিবঙীযা খেলে মাঘৰ প্ৰথম বুধবাৰে দেওশালত মাঘী পূজাৰ লগতে কাতিবিহুৰ পূজা ভাগীও আগবঢাই থয। এই পূজাত প্ৰতি গৰাকী দেৱ-দেৱীৰ নামত এটাকৈ কুকুৰা বলি দিয়া হয। যেনে— বুঢা-বুঢী গোট (কুণ্ডীমামা গোট)ৰ দেৱতাসকলৰ নামত ১৪টা, বলিযা বাবা (পিচা ডেমা) আৰু তেওঁৰ ভাই-ককাইৰ সৈতে ইন্দ্ৰ দেৱতাৰ নামত ৭ টা, তাম্ৰেশ্বৰী (চুণ কেতুৰী বা পিচাচি ডেমা)ৰ নামত ১টা, নুমলী কুঁৱৰী (কুণ্ডী মামাৰ নুমলীজী)ৰ নামত ১টাকৈ কুকুৰা বলি দিযা হয। কাতিবিহু পূজাৰ বাবে ছাই ভঙা (চুৱা ভঙা) কাৰ্যত গাহৰি ১টা আৰু কুকুৰা ৪ টা লাগে। উল্লেখ্য যে ছাই ভঙা পূজাটো কৰি লৈহে থানঘৰ (দেওশাল)ৰ দুৱাৰ খুলি তাত পূজা-পাতল চলাব পাৰে। পূজাৰ ক্ষেত্ৰত খেলভেদে কিছু তাৰতম্য থাকিলেও আন দুটা খেলতো (টেঙাপনীয়া, বৰগঞা) বলি বাহনৰ বিধান সমানে গুৰুতৰ। অৱশ্যে ডিবঙীয়া আৰু বৰগঞা খেলৰ পূজা-পাতল টেঙাপনীয়া খেলতকৈ বহু কম বুলি কোৱা হয়। এইদৰে বিভিন্ন পূজাৰ উপৰিও শাওন, মাঘ আৰু বহাগৰ প্ৰতিটো মাহতে একোটাকৈ বৰপূজা পতা

হয। ইযাৰ প্ৰতিটো পূজাতে এটাকৈ ছাগলী, দুটাকৈ হাঁহ বলি দিয়া হয়, কুকুৰাৰ হিচাপ নাই। বৰবলি হিচাপে ম'হ বলি দিয়াৰো ব্যৱস্থা আছে। অতীতত নৰবলি প্ৰথাৰো প্ৰচলন আছিল।

"পৃথিৱীৰ সকলো জাতিৰে সামাজিক ক্ৰমবিকাশৰ আদিস্তৰ একে।" (দেউৰী সংস্কৃতি-পৃঃ ২৭৪)। কিন্তু ক্ৰমবিৱৰ্তন প্ৰক্ৰিয়াৰে সভ্যতাৰ পোহৰ পোৱাৰ লগে লগে পৃথিৱীৰ অনেক জাতি গোষ্ঠীয়ে শ্ৰেষ্ঠ মানৱৰ অন্বেষণৰ ফলশ্ৰুতিত পৰম তত্ত্বৰ গ্ৰন্থৰাজি অধ্যয়ন কৰি জ্ঞানপ্ৰাপ্ত হৈ আদিস্তৰৰ পৰা সম্পূৰ্ণ আঁতৰি আহি সৰ্বশ্ৰেষ্ঠ মানৱ জখলাত ভৰি দিবলৈ সক্ষম হৈছে আৰু ইমানদূৰ আগবাঢ়ি গৈছে যে জীৱাত্মাই পৰমাত্মালৈ গতি কৰাৰ পথো বিচাৰি পাইছে। দূৰলৈ নগৈ, আমাৰ ভাৰতভূমিৰে পৰমশ্ৰেষ্ঠ গ্ৰন্থ গীতা ভাগৱতে জাতি অজাতি নিবিচাৰি সবাকে অমৃত পুত্ৰলৈ গতি কৰিব পৰা পথ সুগম কৰি ৰাখিছে। কেৱল শ্ৰদ্ধাৰে বিচাৰিব জানিলেই হ'ল।

প্ৰসঙ্গক্ৰমে উল্লেখ কৰা হওক যে পৰাশৰ মুনিৰ পুত্ৰ মহামুনি ব্যাসদেৱে বদৰিকাশ্ৰমত বহি ব্ৰহ্মজ্ঞান চিন্তিছে। অথচ তেওঁৰ—

উগুল থুগুল মন নাহি সুখ শান্তি।
নপান্ত উপায় একো মনে গুণি গাছি।।

তেনেতে নাৰদে উপস্থিত হৈ ক'লে—

'তুমিসে কৰিলা সবে জগতকে নাশ।।
নিৰন্তৰে পশুৰ লোৱাইলা তুমি প্ৰাণ।
নাহি মন্দ কৰ্ম্ম আৰ ইহাৰ সমান।।
আকস্মিকে লোকক কৰাইলা হিংসা ধৰ্ম্ম।
নুবুজিলা তুমিও বেদৰ তত্ত্ব মৰ্ম্ম।।

গৰিহিত কৰ্ম্মকো কহিলা ধৰ্ম্ম বুলি।
তোমাৰ বচনে লোক নাশিল সমূলি।।

স্বভাৱে লম্পট বিষয়ত অনুৰাগ।
স্বৰ্গ পাইবো বুলি ৰঙ্গে কাটে হংসছাগ।।

কৰৈ নানা হিংসা ধৰ্ম্ম নানা দেৱপূজে।
পুণ্যক্ষয় ভৈলে দুনাই নৰকত মজে।।" (শ্ৰীমদ্ভাগৱত)

পাপৰ অঠাই সাগৰত ডুবি পাৰ নেপাই ককবকাই থকা ব্যাসক নাৰদে ঈশ্বৰ তত্ত্বৰ নানা উপদেশৰ মাজেৰে আকৌ ক'লে—

'মোৰ উপদেশে কৰা ভাগৱত শাস্ত্ৰ।
প্ৰচাৰোক গোবিন্দৰ গুণ নাম মাত্ৰ।।

ভকতি বিহীন জ্ঞান কৰ্ম্মসবে ব্যৰ্থ।
কহিলো স্বৰূপে বেদান্তৰ তত্ত্ব অৰ্থ।।

আৰে অনাদৰি জ্ঞান স্বধৰ্ম্ম নিশেষ।
কেৱলে দিয়োক ভকতিৰ উপদেশ।।

স্বধৰ্ম্মক তেজি ভজে কৃষ্ণক সম্প্ৰতি।
তাত প্ৰেমপূৰ্ণ যেৱে নভৈল ভকতি।। (শ্ৰীমদ্ভাগৱত)

—অৰ্থাৎ বলি বাহনেৰে নানা দেৱ-দেৱী পূজি থকা স্বধৰ্মক তেজি কেৱল ভগৱন্তক সম্প্ৰতি ভজিলে প্ৰেমপূৰ্ণ ভকতি নিসিজিলেও তেওঁৰ অকল্যাণ নহয়, কল্যাণহে হয়।

কস্মিনকালেও সুবিশাল পৃথিৱীখন নেদেখা কুঁৱাৰ ভেকুলীযে ওৰেটো জীৱনত খাৰ পানীকে খাই গৌৰৱ অনুভৱ কৰাৰ দৰে আমাৰ সমাজেও কৌটি কলীয়া কু-সংস্কাৰেৰে ভৰা কৰ্মকাণ্ডকে ধৰ্ম বুলি ভাবি 'আজো ককাৰ নিযমটি এৰিমবা কিয' বুলি চিৰদিন অন্ধকূপত মজি থকাটো কিমানদূৰ সমিচীন হৈছে এবাৰ চকু মেলি চোৱাৰ সময় সমাগত। মহামুনি ব্যাসদেৱক ধৰ্ম সংকটৰ পৰা উদ্ধাৰ কৰাৰ মানসেৰে দেৱৰ্ষি নাৰদে দিযা পৰম উপদেশৰ উক্ত কেইটিমান পংক্তি দেউৰী জনগোষ্ঠীৰ সুধি সমাজলৈ এৰি ইযাতে সামৰিলো।

❖❖❖

ৰাজেন্দ্ৰ টুমুং



জন্ম ঃ ১৯৬১ চন। কামৰূপ জিলাৰ সোণাপুৰ মৌজাৰ ৰেৱা মহেশ্বৰ গাঁও।

শিক্ষা ঃ স্নাতকোত্তৰ।

কৰ্মজীৱন ঃ ১৯৮৫ চনত ৰেৱা মহেশ্বৰ মধ্য ইংৰাজী বিদ্যালয়ত শিক্ষকতাৰে চাকৰি জীৱন আৰম্ভ কৰি বৰ্তমান নাহৰগুৰিঘাট উচ্চতৰ মাধ্যমিক বিদ্যালযৰ বিষয় শিক্ষক।

সাহিত্য কৃতি আৰু সাংস্কৃতিক জীৱন ঃ চুটিগল্প, অসমীযা ভাষাত পঞ্চাশটামান লিখনি প্ৰকাশ, সম্পাদিত আলোচনী (৫), কাৰবি পাঠ্যপুথি ৰচনা আৰু সম্পাদনা (১)।

ৰাজহুৱা জীৱন ঃ কামৰূপ কাৰবি লামমেত আমেই (সাহিত্য সভা), তেতেলীগুৰি কাৰবি লামমেত আমেই, অসম ভৈয়াম কাৰবি আদৰবাৰ আৰু স্থানীয সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত।

কাৰবি সকলৰ কাতিবিহু

কাতিবিহু কঙালী উৎসৱ। অভাৱ অনাটনৰ মাজত ইয়াক উদ্‌যাপন কৰা হয় কাৰণে ইয়াৰ এনে নাম। এই উৎসৱ অনাড়ম্বৰভাৱে পালন কৰা দেখা যায়। অসমৰ বৃহৎ জনগোষ্ঠীৰ ভিতৰত কাৰবি জনগোষ্ঠীও যিহেতু অন্তৰ্ভুক্ত সেয়ে তেওঁলোকেও এই কঙালী উৎসৱ পালন কৰি আহিছে। খোৱা ভাতমুঠিৰ উপৰিও এই সময়ত তামোলৰ নাটনিও হয়। ধানৰ লেখীয়াকৈ যিহেতু তামোল খেতিও অসমীয়া লোকে কৰে সেয়ে ইয়াক মান-সৎকাৰ কৰি তামোল খোৱাৰ উপযোগী কৰি তোলে।

কাতিবিহুৰ দিনাখন পৰিয়ালৰ মুৰব্বীজনে দিনৰ ভাগত গা-পা ধুই পবিত্ৰ হৈ লয় আৰু পূজাৰ যৎসামান্য সামগ্ৰীখিনি যোগাৰ কৰি লয়। সামগ্ৰীৰ ভিতৰত কলৰ পুলি এডাল, সৰু কুকুৰা চৰাই এটা, কুমলীয়া তামোল ২০টামান আৰু সেই

অনুপাতে পাণ, ধূপ, সেন্দুৰ ইত্যাদি। বেলি অস্ত যোৱাৰ প্ৰাকমুহূৰ্তত সামগ্ৰীখিনিৰ সৈতে লগত সৰু ল'ৰা দুজনমানো পথাৰলৈ লৈ যায। পথাৰৰ চাৰিচুকীয়া বা তিনিচুকীয়া আলীত ঘাঁহ বনখিনি পৰিষ্কাৰ কৰি লৈ তাতে কলডাল পুতি লোৱা হয়। কলডালকে বৃক্ষ আৰু গছ হিচাপে মানি লৈ ঔ-টেঙাৰ খৃলপ এটা চাকি হিচাপে ব্যৱহাৰ কৰি জ্বলাই দিয়া হয়। কলগছডালৰ নামনিত পাত পাৰি দিয়া হয়। মুঠ নটা থলী বা বেদী সজা হয়। মাজৰ ৫নং থলীৰ নামনিত আন এটা পাৰিষদ থলী পতা হয়। পাৰিষদ থলীৰ তাৎপৰ্য এয়ে যে নটা থলীত মন্ত্ৰ মাতোতে যদি কোনো দেৱতাৰ নাম মতা নাযায় বা ভাগ দিবলৈ পাহৰা যায় তেতিয়া সেই থলীতেই নাম বা ভাগ দিয়া হয়।

তামোল খেতি যিহেতু কাৰবিসকলে কৰে আৰু কাতি মাহত যিহেতু তামোল খাবলৈ নাটনি হয় সেয়ে তাতে কুমলীযা তামোলকে দি তামোল খাব পৰা অৱস্থা কৰা দেখা যায়। যদি তাত কোনো লোকে কুমলীযা তামোল নিদিয়ে তেতিয়া তেওঁ মাঘবিহুত তামোল দেৱতাৰ নামত নিদিয়া পৰ্যন্ত পৰিয়ালৰ মুৰব্বীজনে তামোল খাব নোৱাৰে। এই তামোল সচৰাচৰ পূৰ্ব পুৰুষৰ স্মৃতিত অৰ্পণ কৰা হয়। পূৰ্বপুৰুষক নিদিয়াকৈ কোনো লোকে তামোল ভক্ষণ কৰিলে মুখ বেকা হয় বুলি ভবা হয়। তাৰ উদাহৰণ কাৰবি সমাজত বিদ্যমান। তেনে মুখ বেকাৰ পৰা ৰক্ষা পাবলৈ গাহৰি পৰ্যন্ত 'ছাৰ'ৰ নামত উৎসৰ্গা কৰা দেখা যায়। অবিশ্বাস্য হলেও বাস্তৱসত্য তেনে ঘটনা কাৰবি সমাজত চলি থকা দেখা যায। সেইকাৰণে 'ছাৰ' বা পূৰ্বপুৰুষক আজিও কাৰবি লোকে বৰ ভয় কৰি পূজা-অৰ্চনা আগবঢ়ায়। কাতিবিহুত যদিও 'ছাৰ'ক স্মৰণ কৰা নাযায় তথাপি তামোল খোৱাৰ স্বাৰ্থত বহুত কাৰবি লোকে এই কঙালী উৎসৱতে কুমলীয়া তামোল দেৱতাক দি তামোল খোৱা প্ৰক্ৰিয়া সহজলভ্য কৰি তোলে।

খেতি পথাৰত থকা দেৱতাক তামোল-পাণ, ফলমূল দিয়াৰ পিছত সৰু কুকুৰা চৰাই এটা পূজাত বলি দিযা হয। প্ৰাণীবধ যিহেতু পাপ সেযে কাৰবি লোকে তেনে পাপ নিজে নলৈ চন্দ্ৰ সূৰ্যক অৰ্পণ কৰি নিজে মুক্ত হৈ লয। মন্ত্ৰত তাকেই কৈছে—

"লাবাং আপাপকে— লাবাং আছিদিৰকে
চিক্ল' নাংহমে আৰণি'নাং হমে'
(এই পাপ চন্দ্ৰ-সূৰ্যই গ্ৰহণ কৰিব)

বলিৰ প্ৰাকমুহূৰ্তত চৰায়ে যিহেতু ধৰফৰ কৰে সেয়ে তাক আলফুলকৈ হাত বুলাই ঠাণ্ডা কৰে। যি উদ্দেশ্যত বলি দিয়া হয় সেই উদ্দেশ্যৰ মন্ত্ৰখিনি মাতি তেনে কৰা হয়।

প'লক্ষীআযক— পে লক্ষীআয়ক
বলি ছিএন নাঙে-বাঠান ছিএন নাঙে
নাং মুদ ইংৰাক নাংনে— নাং কাং ইংৰাক নাংনে
নাং মুদছিপ নাঙে— নাং কাংছিপ নাঙে
নাং মুদ ইং ৰাকতিলে নাং কাং ইংৰাক তিনে
চিক্ল' নাংতুৰতে আৰণি নাংতুৰতে

(খেতি-বাতিৰ ভালৰ কাৰণে বলি-বিধানত সম্মতি দিব লাগে। তাৰ কাৰণে খং-ৰাগ কৰিব নালাগে। খং ৰাগ কৰিলে চন্দ্ৰ-সূৰ্যই তোমাক পোহৰ নিদিব।)।

খেতি-বাতি কৰা পথাৰত যিহেতু এটা সমযত সৌন্দৰ্যই বিৰাজ কৰে সেয়ে বিনাশকাৰী অপদেৱতাই বাস কৰাটো স্বাভাৱিক। শস্যত আশ্ৰয় লোৱা অপদেৱতা (ছিইক)ক বিতাৰণ কৰাই এই পূজাৰ মুখ্য উদ্দেশ্য। অপদেৱতা বিতাৰণ হ'লে অপদেৱতাই জাপি দিয়া পোক-পৰুৱা, বেমাৰ-আজাৰ আদি নাইকিয়া হ'ব আৰু শস্য শ্ৰীবৃদ্ধি হ'ব। মন্ত্ৰত কৈছে

'আৰজি আলং— বিতি আলং
ইংকেত কিৱাং— ফলং কিৱাং
পেছাম কিৱাং— পেৰক কিৱাং
নাংকল নাঙে— নাংদল নাঙে।

(খেতি-বাতিত হোৱা পোক-ফৰিং, শাও পৰা, পাত-ছেলেকা ৰোগ-আদি তুমি খেদি পঠাব লাগে)

বলি দিযাৰ পিছত শস্য দেৱতাৰ পৰা বৰ-আশীৰ্বাদ বিচৰা হয়। আশীষ ধন্য হৈ পথাৰৰ পৰা আহে গৃহলৈ।

বিথাৰলং 'কিদ' আৰ্পামিছাৰ— ছিইকছাৰ
নাংলিছি বৰহেলফু— এ হেমফু
নাংলি বৰপেন— নাংলি, এপেন
আৰ্বাদি থুৰুনাঙ— বিতি থুৰুনাঙে।

(পথাৰত থকা হে দেৱতা অপদেৱতা, তোমালোক যিহেতু বৰ-আশীৰ্বাদ দিয়াৰ গৰাকী, সেয়ে তোমালোকৰ বৰ আশীৰ্বাদেৰে খেতি-বাতি শ্ৰীবৃদ্ধি হ'বলৈ দিয়া)

পথাৰৰ দেৱতাৰ পৰা আশীৰ্বাদ বিচাৰি তাৰ কাম সমাপন কৰি অৱশেষত গৃহত বন্তি জ্বলাই কাতিবিহুৰ উৎসৱ সামৰা হয়।



সুশীল কুৰ্মী

জন্ম ঃ ১৯৫০ চন। শোণিতপুৰৰ চতিয়া।

শিক্ষা ঃ স্নাতক।

কৰ্মজীৱন ঃ অসম চৰকাৰৰ উদ্যোগ বিভাগৰ বিষয়া।

সাহিত্য কৃতি আৰু সাংস্কৃতিক জীৱন ঃ প্ৰকাশিত পুথি (৬), বিভিন্ন কাকত-আলোচনীত প্ৰায ২৫টা প্ৰবন্ধ প্ৰকাশ। চাহ জনজাতি যুৱ সন্থা ঢেকীযাজুলি অধিবেশনৰ স্মৃতিগ্ৰন্থৰ সম্পাদক। একেধাৰে তথ্যচিত্ৰ পৰিচালক, চিত্ৰ নাট্যকাৰ আৰু ভালেমান গীতৰ ৰচক।

ৰাজহুৱা জীৱন ঃ অসম সাহিত্য সভাৰ আজীৱন সদস্য হোৱাৰ উপৰিও চাহ জনজাতি ছাত্ৰ সন্থা, উত্তৰ অসম চাহ জনজাতি কলা-কৃষ্টি বিকাশ কেন্দ্ৰ, অসম চাহ জনজাতি সাহিত্য সংস্কৃতি পৰিষদ, সদৌ অসম সাহিত্য সাংস্কৃতিক গোষ্ঠী আৰু বিভিন্ন সামাজিক সাংস্কৃতিক অনুষ্ঠানৰ লগত ওতপ্ৰোতভাৱে জড়িত।

চাহ্ জনজাতি সমাজত কাতিবিহু

অসমীয়া সমাজৰ জাতীয় উৎসৱ বিহু মূলতঃ তিনিটা (১) বহাগবিহু, (২)মাঘবিহু আৰু (৩) কাতিবিহু। এই বিহু তিনিটা আজি অকল অসমীয়া সমাজৰে একচেতিয়া হৈ থকা নাই। সাৰ্বজনীন ৰূপত ই গঢ় লৈ উঠিছে। অসমৰ সকলো মানুহৰে এই তিনিটা বিহু আপোন হৈ পৰিছে। চাহ জনজাতি সমাজখনো তাৰ পৰা বাদ পৰা নাই। চাহ জনজাতি সমাজখনেও বিহুক আঁকোৱালি লৈছে। এইখন সমাজে অসমখনক কিদৰে আঁকোৱালি লৈছে তাক কোৱাৰ প্ৰয়োজন নাই। অসমীয়া ভাষা-সংস্কৃতিৰ লগত কিদৰে মিলি গৈছে তাকো কোৱাৰ প্ৰয়োজন নাই। মিলি গৈছে কাৰণেই আলোচ্য কাতিবিহুৰ মাজত ক'ব নোৱাৰাকৈয়ে সময়ৰ খোজত খোজ পেলাই সোমাই গৈছে।

আচলতে চাহ জনজাতিৰ স্বকীয় সংস্কৃতিৰ তালিকাত কাতিবিহুৰ স্থান নাই। অসমবাসী হিচাপে অসমীয়া সংস্কৃতিক মান্য সংস্কৃতিৰ ৰূপত উমৈহতীয়া ভাবে গণ্য কৰা হিচাপেহে কাতিবিহুৰ স্থান চাহ জনজাতি সমাজত আছে।

অসমীয়া সমাজ জীৱনত তিনিটা বিহুৱে যিদৰে প্ৰভাৱ বিস্তাৰ কৰিছে ঠিক সেইদৰে চাহ জনজাতি সমাজ জীৱনত তিনিটা পৰবে প্ৰভাৱ বিস্তাৰ কৰিছে। সেই পৰব তিনিটা হ'ল— (১) কৰম পৰব (২) টুসু পৰব আৰু (৩) সঁহৰাই পৰব। এই তিনিটা পৰব হৈছে চাহ জনজাতি সমাজৰ অতি জনপ্ৰিয় তথা জাতীয় পৰব। জাতি-উপজাতি নিৰ্বিশেষে চাহ জনজাতি সমাজৰ সকলো লোকে কম-বেছি পৰিমাণে এই পৰব তিনিটা পালন কৰে। এই তিনিটা পৰব পালন কৰাৰ বাহিৰেও আৰু বহুতো পূজা-পাতল চাহ জনজাতি সমাজত পালন কৰে। সেয়ে এইখন সমাজে বাৰটা মাহত তেৰটা পূজা কৰে বুলি বহুতে কথাৰ মাজতে মত প্ৰকাশ কৰে। বহুতো পূজা-পৰব এইখন সমাজত থকা সত্বেও কাতিবিহু সাৰ্বজনীন ৰূপত নথকাৰ কাৰণ আছে। কাতিবিহুৰ সম্পৰ্ক মূলতঃ চহা জীৱনৰ ভেটিত প্ৰতিষ্ঠিত। চহা জীৱন যিদৰে আড়ম্বৰহীন, কাতিবিহুও সেইদৰে আড়ম্বৰ হীন। ইযাত কোনো জাকজমকতা নাই। কোনো ৰং-ৰহইচ কৰাৰ কথা নাই। ৰঙালী বা ভোগালীবিহুৰ দৰে ফূৰ্ত্তি-ফাৰ্তা কৰাৰ কথা নাই। এই সকলোবোৰৰ পৰা কাতিবিহু বহুত দূৰত। এইবোৰৰ কোনো এটাই কাতিবিহুক স্পৰ্শ নকৰে। কাতিবিহুক স্পৰ্শ কৰে ভক্তিতত্বই। কাতিবিহুক স্পৰ্শ কৰে চোতালত থকা তুলসী গছ জোপাই। কাতিবিহুক স্পৰ্শ কৰে পথাৰত থকা ধাননি ডৰাই। ভক্তিভাৱেৰে কাতিবিহুৰ দিনা চোতালত থকা তুলসী থানত চাকি দিয়া হয়। পথাৰৰ ধাননি ডৰাত চাকি দিযা হয়। আই লখিমীক স্মৰণ কৰা হয়। আই তুলসীক স্মৰণ কৰা হয়। চাহ জনজাতি সমাজে আই তুলসীক স্মৰণ কৰে বিশেষভাৱে পতা তুলসী পূজাৰ দিনা। বহুতো পূজা-পাতল থকাৰ ভিতৰত তুলসী পূজা পালন কৰাৰ নিযম আছে এইখন সমাজত। তুলসী পূজাৰ দিনা যথা-ৰীতি-নীতি-বিধিৰ মাজেৰে এই পূজা সম্পন্ন কৰা হয়। আন হাতেদি আই লখিমীক স্মৰণ কৰাৰ থল এইখন সমাজৰ এভাগৰ আছে আৰু এভাগৰ নাই। চাহবাগিচাৰ চাৰিসীমাৰ মাজত জীৱন নিৰ্বাহ কৰা চাহ জনজাতিসকলৰ আই লখিমীক স্মৰণ কৰাৰ থল নাই। কাৰণ তেওঁলোকৰ সম্পৰ্ক চাহ খেতিৰ লগত আছে। তেওঁলোকৰ সম্পৰ্ক ধান খেতিৰ লগত নাই। তেওঁলোকে চাহ খেতিৰ কথা জানে। তেওঁলোকে ধান খেতিৰ কথা নাজানে। তেওঁলোকে চাহনিৰ কথা মনত ৰাখে। তেওঁলোকে ধাননিৰ কথা মনত নাৰাখে। ''জুপি জুপি চাহ গছৰ থুপি থুপি তৰা''ৰ লগত তেওঁলোকৰ চিনাকি আছে। "পকা ধানৰ মাজে মাজে সৰু সৰু আলি''ৰ লগত তেওঁলোকৰ

চিনাকি নাই। এটি কলি দুটি পাতৰ লগত আই লখিমীৰ সম্পৰ্ক নাই। দুৰ্গা-পূজা, কালি পূজা আদিবোৰৰ লগতহে সম্পৰ্ক আছে। বোনাছে সেই সম্পৰ্ক বেছি গাঢ কৰিছে। সেইয়া যে বাগিচাত বোনাছ দিয়া আৰু পোৱাৰ বতৰ। সকলোৰে পকেট গৰম হৈ থাকে। হাতত টকা পাই চমৰা-বুধুৱাহঁত গৰম হৈ থাকে। সকলোৰে মনবোৰ ৰঙালী হৈ থাকে। এনেহেন বতৰত কঙালীবিহু ওৰফে কাতিবিহুয়ে তেওঁলোকৰ মনত স্থান নাপায। মনত স্থান নাপায় যেতিয়া বাস্তৱ ক্ষেত্ৰতো স্থান নাপায়। সেয়ে কাতিবিহুৰ পৰা তেওঁলোক আঁৰতে থাকে। চাহ বাগিচাৰ সাংস্কৃতিক জীৱনত কাতিবিহুযে স্থান নাপায। চাহবাগিচাৰ পৰিসীমাৰ ভিতৰত থকা চাহ জনজাতিৰ লোকসকলে কাতিবিহু পালন নকৰে।

চাহ জনজাতি সমাজৰ আন ভাগ লোক গাঁৱত থাকে। বহুত দিনৰ আগতে তেওঁলোক বাগিচাৰ পৰা গাঁৱলৈ গুচি আহে। গাঁৱতে খেতি-বাতি বা অন্য কাম-কাজ কৰি থাকে। তেওঁলোক গাঁৱলীযা জীৱনৰ লগত মিলি গৈছে। খেতি-বাতিৰ লগতহে তেওঁলোকৰ সম্পৰ্ক আছে। নাঙল যুঁৱলীহে তেওঁলোকে চিনি পায। চাহগছ কলম দিয়া কলম কটাৰী তেওঁলোকে চিনি নাপায। ধান খেতি কৰাৰ কথা তেওঁলোকে জানে। চাহ খেতি কৰাৰ কথা নাজানে। দুযো যেন ভিন্ন মুখী। এভাগ চাহ বাগিচাৰ ভিতৰত আৰু আনভাগ চাহবাগিচাৰ বাহিৰত। চাহ জনজাতি সমাজৰ দুটি ভাগ। দুয়োটা ভাগৰে কৰ্মথলী বেলেগ বেলেগ। দুযোটা ভাগৰে কৰ্মৰাজি বেলেগ বেলেগ। এভাগৰ কৰ্মৰাজি চাহখেতিৰ লগত আৰু আনভাগৰ কৰ্মৰাজি ধানখেতিৰ লগত। বাগিচাৰ বাহিৰত থকা আৰু ধান খেতিৰ লগত সম্পৰ্ক থকা চাহ জনজাতি সকলৰ মাজত কিছু পৰিমাণে হলেও কাতিবিহুৰ লগত সম্পৰ্ক আছে। কাতিবিহুত পালন কৰা পালনীযখিনি তেওঁলোকে পালন কৰে। সন্ধিয়াপৰত তুলসী তলত চাকি বন্তি জ্বলায। আই তুলসীক সেৱা জনায়। তাত আন বিহুৰ দৰে ৰং-ৰহইচৰ কথা নাই। তাত আন্তৰিকতাপূৰ্ণ ভক্তি ভাবৰ কথা আছে। কাতিবিহুৰ দিনা ঘৰৰ চাৰিওফাল চাফ-চিকুণ কৰে। গোবৰ মাটিৰে ঘৰ-দুৱাৰ মচি নিকা কৰে। তুলসী থান মচে। কাৰোবাৰ ঘৰত তুলসী থান নাথাকিলে সেই দিনা আনৰ ঘৰৰ পৰা তুলসী পুলি আনি তুলসী থান পাতে। ঘৰ-দুৱাৰ মচি কাম শেষ হ'লে ঘৰৰ মুৰব্বীজনে পুৱা গা-পা ধুই তুলসী থানত যথা বিধি অনুসৰি পূজা-অৰ্চনা কৰে। চাহ জনজাতি সমাজখন শাক্য-পন্থী সমাজ। সেয়ে পূজা-পাতল বেছি মানে। পূজা-পাতলত বেছি মন কাণ দিয়ে। সমাজৰ সকলোবোৰ সামাজিক কৰ্ম-ৰীতি-নীতিৰ মাজত পূজা-পাতল কৰাৰ নিয়ম আছে। নিয়ম মানুহে পাতে আৰু নিয়ম মানুহে ভাঙে। চাহ জনজাতি সমাজখনত বহুতো জাতি-উপজাতি আছে। জাতি-উপজাতিবোৰৰ মাজত নিয়ম-নীতিৰ কিছু তাৰতম্য

আছে। পূজা-পাতল নিয়ম-কানুনৰ কিছু তাৰতম্য আছে। ই কোনো ডাঙৰ কথা নহয়। এনে তাৰতম্য সকলো সমাজতে আছে। বঙালী সমাজতো আছে। অসমীয়া সমাজতো আছে। পুৱাৰ ভাগত তুলসী থানত পূজা অৰ্চনা কৰাৰ পাছতহে ঘৰৰ সকলোৱে খোৱা-লোৱা কৰে। পৰাপক্ষত সেই দিনা মাছ মাংস নাখায়। মদ-লাওপানী নাখায়। আমিষ আহাৰ গ্ৰহণ নকৰে। নিৰামিষ আহাৰ গ্ৰহণ কৰে। চাহ জনজাতি সমাজখন নিৰামিষভোজী সমাজ নহয়। এখন আমিষভোজী সমাজ। মাছ-মাংস, মদ- লাওপানী সকলো খায়। লুক-ঢাক কৰিবলৈ তাত একো নাই। ঝুমুৰ গীতে কৈছে— "হামৰা বলি মদচাৰাপ, চাহাব বলে ওৱাইনৰে। তাৰা জানে মদেৰ ব্যৱহাৰ। হামৰা জানি ভাণ্ডিতে দুৱাৰ।" কোনো বস্তু খোৱা-লোৱাত যে লুক-ঢাক নাই গীত ফাঁকিয়েই তাৰ প্ৰমাণ কৰে। সন্ধিয়া হোৱাৰ আগে আগে নিজৰ নিজৰ ধাননি পথাৰত চাকি-বন্তি দিয়ে। এই চাকি-বন্তি কোনোবাই এদিন দিয়ে আৰু কোনোবাই তিনিদিন ধৰি দিয়ে। বিহু বুলি বহুতে পিঠা-পনাও পোৰে। বহাগবিহু বা মাঘবিহুৰ দৰে অৱশ্যে সৰহীয়াকৈ নোপোৰে। তুলসী থানত চাকি বন্তি দিয়াৰ পৰত দুই একে থাপনাত ধূপ-ধূনা জ্বলাই মাহ-প্ৰসাদো আগবঢ়ায় আই লখিমীৰ নামত। একেবাৰে অনুষ্টুপীয়াভাৱে সমাপন কৰে— এই কাতিবিহুটি।

চাহ জনজাতি সমাজত কাতিবিহুৰ স্বকীয় নাম নাই। স্বকীয় নাম নথকাটো স্বাভাৱিক। কাৰণ এই বিহু তেওঁলোকৰ মাজত আগতে নাছিল। এই বিহুৰ বিষয়ে তেওঁলোকে আগতে একো নাজানিছিল। অসমলৈ আহি চাহ বাগিচাৰ মাজত থাকি কাতিবিহুৰ খবৰ পোৱা নাছিল। আজিও যিসকলে বাগিচাত থাকে তেওঁলোকে কাতিবিহুৰ কথা ক'ব নোৱাৰে। কাতিবিহু খায় নে পিন্ধে ক'ব নোৱাৰে। বাগিচাৰ পৰা ওলাই গৈ গাঁৱত থাকি যিসকলে খেতি পথাৰৰ লগত সম্পৰ্ক স্থাপন কৰিছে, তেওঁলোকেহে জানে কাতিবিহুৰ কথা। তেওঁলোকৰ মাজতহে আছে কিছু পৰিমাণে হলেও কাতিবিহুৰ কথা।

❖❖❖

ভূপেন নাজৰী

জন্ম ঃ ১৯৬০ চন। বঙ্গাইগাঁও জিলাৰ দহলাপাৰা গাঁও।

শিক্ষা ঃ স্নাতকোত্তৰ।

কৰ্মজীৱন ঃ গুৱাহাটী বিশ্ববিদ্যালযৰ আধুনিক ভাষা বিভাগৰ প্ৰবক্তা।

সাহিত্য কৃতি আৰু সাংস্কৃতিক জীৱন ঃ বৰ'ভাষাৰ স্ব-ৰচিত গ্ৰন্থ (৭), গ্ৰন্থ সম্পাদনা (৩), পঞ্চাশটাৰো অধিক প্ৰবন্ধ (অসমীযা, ইংৰাজী আৰু বৰ'ভাষাৰ) প্ৰকাশ। ৰাষ্ট্ৰীয আৰু আন্তঃৰাষ্ট্ৰীয আলোচনা চক্ৰত অংশ গ্ৰহণকাৰী।

ৰাজহুৱা জীৱন ঃ বিভিন্ন সাহিত্য-সংস্কৃতি আৰু সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত।

বৰ' সমাজৰ 'গাসা-সাৱনায়' উৎসৱ

মঙ্গোলীয় বৰ' সকলৰ কৃষিয়েই জীৱিকাৰ একমাত্ৰ সমল। "এই জনগোষ্ঠীৰ লোকসকল আদিতে খাদ্য সংগ্ৰহকাৰী আছিল যদিও পিছলৈ খাদ্য উৎপাদনকাৰী হয়" বুলি ড° ভুবন মোহন দাসদেৱেও উল্লেখ কৰিছে। খাদ্য উৎপাদনকাৰী হোৱাৰ মূলতেই হ'ল কৃষি। কৃষি কাৰ্যৰ লগত বৰ'সকল কেতিয়াৰ পৰা জড়িত হৈ পৰিছিল সেই বিষয়ে সঠিককৈ কোৱা টান যদিও বিভিন্ন পণ্ডিতে মত পোষণ কৰিছে।

"Agriculture is still great industry of the kacharies of this district, both the hot weather and the cold season varieties of rice being largely cultivated, especially the latter In carring out this work the people show both application and skill, so much so, that failing some very over whelming convulsion of nature, it would seem to be hardly possible that a famine could take place in the Kachari Duars "[2]

ৰায় বাহাদুৰ কনকলাল বৰুৱাদেৱেও এইদৰে মন্তব্য দিছে, "অনুমান হয়, আগে

নহলেও অন্তত খৃঃ পূঃ ১০০০ত যেতিয়া তেওঁলোকে আৰ্যসকলক লগ পায় তেতিয়া তেওঁলোক নিগাজী খেতিযক। সিঁচা আৰু উঘালি নি ৰোৱা দুযো নিয়মৰেই তেওঁলোকে ধানখেতি কৰে। ডোঙৰ ব্যৱহাৰ কৰি কৰা জলসিঞ্চন পদ্ধতিও তেওঁলোকে জানিছিল। তদুপৰি ঘাঁহ আদিৰ আঁহৰ পৰাই নহয়, কপাহৰ খেতি কৰিও কাপোৰ বৈ উলিয়াইছিল।"[৩]

এইদৰে কৃষি কৰ্মক জীৱিকাৰ একমাত্ৰ পথ হিচাপে আকোঁৱালি লোৱাৰ পিছত কৃষিজীৱী বৰ'সকলৰ মাজত বিভিন্ন ধৰণৰ উৎসৱ অনুষ্ঠানবোৰে জন্ম লাভ কৰিলে। এই উৎসৱ অনুষ্ঠানৰ জন্মৰ লগত সমাজ ওতপ্ৰোতভাৱে জড়িত। সেয়ে ক'ব পাৰি যে "যি সময়ৰ পৰা বৰ'সকলে কৃষি কাৰ্যত জড়িত হৈ সমাজ পাতি একেলগে বসবাস কৰিবলৈ শিকিলে; তেতিয়াৰ পৰাই কিন্তু বৰ'সকলৰ মাজত বিভিন্ন ধৰণৰ উৎসৱ অনুষ্ঠানবোৰৰ জন্ম হয়।" কৃষিয়েই বৰ'সকলৰ জীৱিকাৰ একমাত্ৰ পথ হোৱা বাবেই কৃষিৰ লগত সম্পৰ্কিত বহু উৎসৱ পাৰ্বণ বৰ্তমান বৰ'সমাজত পোৱা যায়।

'গাসা সাৰনায' উৎসৱ বৰ' সকলৰ এটি কৃষিৰ লগত সম্পৰ্ক থকা উৎসৱ। 'গাসা সাৰনায' উৎসৱক বৰ' ভাষাত বিভিন্ন ঠাইত বিভিন্ন নামেৰে নামকৰণ কৰা হৈছে।

সেইবোৰ হ'ল 'গাসা হৗনায', খাথ্রিগাসা খাথ্রি দ'মাসি বা 'খাথি বিহু'। 'গাসা সাৰনায' উৎসৱ অসমীয়া সমাজৰ কাতিবিহু। কাতিবিহু বা কঙালীবিহু, তিনিটা বিহুৰে এটা। কিন্তু বৰ'সমাজৰ কাতিবিহু বা কঙালীবিহু সদৃশ 'গাসাসাৰনায়' উৎসৱটো বিহু অথবা 'বৈমাগী'ৰ ভাগ বুলি গণ্য কৰা নহয়। বৰ' সমাজৰ বৈসাগী, মাগী আৰু গাসাসাৰনায এই তিনিওটাই সুকীযা সুকীয়া কৃষিভিত্তিক উৎসব। এটাৰ লগত আনটো উৎসৱ উদ্‌যাপনৰ ক্ষেত্ৰত কোনো সম্বন্ধও নাই। কিন্তু যিবোৰ অঞ্চলত বিহুক বৰ'সকলেও বিহু বুলি কয় সেইবোৰ অঞ্চলত অসমীয়াৰ তিনিটা বিহুৰ লগত সামঞ্জস্য ৰাখি বৰ'ৰ 'বৈসাগী', 'মাগী' আৰৌ 'গাসাসাৰনায়' উৎসৱক বিহুৰ একো একোটা ভাগ বুলি ক'ব খোজে। অতি মন কৰিবলগীয়া কথাটো হ'ল 'বিহু' বুলি কওঁতা বৰ'সকলে বিহুৰ বৰ' শব্দ বৈসাগী শব্দটোও বিহুৰ প্ৰতিশব্দ হিচাপে ব্যৱহাৰ কৰে। তেওঁলোকে কিন্তু কেতিয়াও 'মাগী আৰু গাসাসাৰনায়'ক বৈসাগীৰ এটা ভাগ বুলি গণ্য নকৰে। কিন্তু তেওঁলোকে বিহুৰহে ভাগ বুলি গণ্য কৰে। এইদৰেই কিছু পৰিমাণে খেলি মেলি ভাবে বিশ্লেষণ কৰা কিছুসংখ্যক বৰ'লোকৰ মাজত দেখিবলৈ পোৱা যায়। কিন্তু বেছিভাগ বৰ'লোকেই বৈসাগী-মাগী আৰু গাসাসাৰনায় তিনিওটাই সুকীয়া সুকীয়া কৃষিভিত্তিক উৎসৱ বুলিহে গণ্য কৰে।

এই উৎসৱ সমূহৰ প্ৰায়বোৰৰেই জন্ম সম্পৰ্কে কিছু মন্তব্য পোৱা যায় যদিও

'গাসাসাৱনায়' উৎসৱৰ জন্মৰ বিষয়ে কোনো ধৰণৰ পৰম্পৰাগতভাৱে প্ৰচলিত হৈ অহা লোকসাধু বা কিম্বদন্তী বৰ'সমাজত পোৱা নেযায়।

এই কথাও অনস্বীকাৰ্য যে বৰ'সমাজত গাসাসাৱনায় উৎসৱৰ পাতনি হয়তো বৈসাগী, মাগী, উৎসৱ পালনৰ বহু বছৰ পিছতহে হৈছে। বৰ'সমাজত সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকসকলে যিবোৰ উৎসৱত অংশ গ্ৰহণ কৰিব পাৰে সেইবোৰ উৎসৱৰ প্ৰতি আকৰ্ষণ আৰু সমাদৰ বেছি। গাসাসাৱনায় উৎসৱত সমাজৰ যিকোনো লোকে অংশ গ্ৰহণ নকৰে আৰু ৰং-ৰহইচও যিকোনো লোকক আকৃষ্ট কৰিব পৰা বিধৰ নহয়। এনেদৰে যুক্তিৰ অৱতাৰণা কৰি বিচাৰ বিশ্লেষণ কৰিলে ক'ব পাৰি যে গাসাসাৱনায় উৎসৱৰ পাতনি নিশ্চয় বৈসাগী অথবা মাগী জাতীয় অন্যান্য কৃষি ভিত্তিক উৎসৱৰ পিছতহে জন্ম হৈছে। আকৌ এই উৎসৱ উদ্‌যাপনৰ সময় অৰ্থাৎ বতৰৰ কথা বিশ্লেষণ কৰিলেও ক'বলৈ বাধ্য হৈ পৰে যে "গাসাসাৱনায়" উৎসৱটো কিছু তত্ত্বগত কাৰণৰ বাবেহে উৎসৱটো পালন কৰা হয়।-এই উৎসৱ পালন কৰা হয় ধানৰ শীহ ওলোৱাৰ সময়ত। এই সময় বৰ'সকলৰ বাবে অতি গুৰুত্বপূৰ্ণ সময়। সেয়ে বৰ'সকলে এই সময়ত ধান বনোৱা, চাউল গুৰি কৰা আদি কাৰ্যবোৰ নকৰে। বৰ'সমাজৰ লোক বিশ্বাস অনুসৰি এই সময়ত ধান বনালে অথবা চাউল গুৰি কৰিলে ধানৰ গুটিবোৰ পতান হয়। এনে ধৰণৰ তত্ব বিচাৰ নিঃসন্দেহে পৰৱৰ্তী কালৰ বুলিব পাৰি।" সেয়ে গাসাসাৱনায় উৎসৱৰ জন্ম 'বৈসাগী-মাগী' উৎসৱৰ পৰৱৰ্তী কালত হোৱা বুলি নিঃসন্দেহে ক'ব পাৰি।

'গাসাসাৱনায়' উৎসৱ উদ্‌যাপন কৰা দিনটোও মন কৰিবলগীয়া। সাম্প্ৰতিক কালত বৈসাগী, মাগী আৰু গাসাসাৱনায় এই তিনিওটা উৎসৱ উদ্‌যাপনৰ সময় অসমীয়া সমাজৰ সৈতে একে। কিন্তু আদিম কালত, বৰ'সকলৰ এই উৎসৱবোৰৰ উদ্‌যাপনৰ সময় নিশ্চয় আজিৰ দৰে নাছিল বুলি ক'ব পাৰি। কিয়নো বৰ'সকলৰ মাজত মাহ গণনা কৰি বছৰ গণনা কৰা প্ৰথা বৰ্তমানেও নাই। অসমীয়াৰ মাহ গণনা কৰি বছৰ গণনা কৰা প্ৰথামতেই কৰে। কেৱল মাহৰ নামবোৰ মাথো বৰ' হিচাপে উচ্চাৰণ কৰে।

অসমীয়া বা বঙলা বছৰ গণনা প্ৰথা বৰ্তমানে ১৪০০ হে চলি আছে। ইংৰাজী বছৰ গণনা ২০০০ কিন্তু "বৰ'সকলে খৃঃপূৰ্ব ২০০০ বছৰ আগেয়ে যি সময়ত বেদ সম্পাদনা কৰা হৈছিল সেই সময়তে উত্তৰ পূৰ্বাঞ্চললৈ আহিছিল" বুলি ড° সুনীতি কুমাৰ চেটাৰ্জীদেৱে উল্লেখ কৰিছে। কনকলাল বৰুৱাদেৱেও "আৰ্য-সকলক লগ পোৱাৰ আগতেই বৰ'সকলক নিগাজী খেতিয়ক বুলি উল্লেখ কৰিছে।" যদিহে উপৰোক্ত বক্তব্য সঠিক বুলি ধৰি লোৱা হয় তেন্তে ক'ব পাৰি যে "বৰ'সকলে 'বৈসাগী' মাগী আৰু গাসাসাৱনায়' এই উৎসৱ তিনিটা আজিৰ

দৰে নিৰ্দিষ্ট মাহৰ নিৰ্দিষ্ট দিনত নিশ্চয় কৰা নাছিল। যিহেতু কৃষি কাৰ্যৰ সম্বন্ধ বতৰৰ লগতহে, সেয়ে বতৰক কেন্দ্ৰ কৰিহে তেওঁলোকে উৎসবোৰ উদ্‌যাপন কৰিছিল বুলি ক'ব পাৰি। বতৰৰ লগতে নিৰ্দিষ্ট দিন থিৰ কৰিবৰ বাবে হয়তো চন্দ্ৰৰ সহায় লোৱা হৈছিল বুলি ক'ব লাগিব। কিয়নো বৰ্তমানেও বৰ'সমাজৰ বহু উৎসৱ পাৰ্বণ চন্দ্ৰৰ স্থিতিৰ ওপৰত নিৰ্ভৰ কৰি উদ্‌যাপন কৰা হয়।" পূৰ্বতে কেতিয়া কোন সময়ত এই উৎসৱবোৰ উদ্‌যাপন কৰিছিল সেই বিষয়ে বিচাৰ-বিশ্লেষণ কৰি নেথাকি বৰ্তমানে এই উৎসৱসমূহ একোটা নিৰ্দিষ্ট দিনতহে কৰা হ'ল।

'গাসাসাৱনায়' উৎসৱ আহিন মাহৰ সংক্ৰান্তিৰ দিনা উদ্‌যাপন কৰা হয়। এই উৎসৱ বৰ অনুষ্ঠুপীযাকৈ পতা হয়। সংক্ৰান্তিৰ আবেলি ঔটেঙা ৩/৪ ফুটমান ওখকৈ বাঁহৰ দানিৰ কাঠি, আৰু তেল-শলা-চলাই লৈ গৃহস্থৰ মূল মানুহজনে বেলি মাৰ যোৱাৰ আগে আগে খেতি পথাৰলৈ গৈ ঔটেঙাৰ খোলাবোৰ কাটি উলিয়াই বাঁহৰ কাঠিৰে গুজি লৈ, খেতিপথাৰৰ উত্তৰ পূব কোণত বাঁহৰ কাঠিটো ধানতকৈ ওখ কৰি মাটিত গুজি দিয়ে। তাৰ পিছত দিন-ৰাতিৰ সন্ধিক্ষণৰ মুহূৰ্ত আহি পোৱাৰ লগে লগে ঔটেঙাৰ খোলাত তেল আৰু শলিতা দি সেৱা কৰি শলিতাত জুই জ্বলাই দিয়া হয়। শলিতাত জুই জ্বলাই দিয়াৰ লগে লগে গীত এফাঁকি গোৱা হয়। গীতটো এনেধৰণৰ—

বৰ' : গাসাসাৱনায দৌলী দৌলী
জৌংনি মাযা ড্যা বৌলী,
মালাযনি মৌসৌৱা বাজ্ৰেদ-বাথেৰ
জৌংনি মৌসৌৱা গীজৌ গেদেৰ।
মালাযনি মাযা গুগ্না-গুগ্নি
জৌংনিয়া জা গৌজৌং জৌংথি।

অসমীযা অনুবাদ : কাতিৰ বন্তি শাৰী শাৰী
আমাৰ ধান ভাল হ'ব,
আনৰ গৰু খীণ- দুৰ্বল
আমাৰ গৰু ওখ ডাঙৰ।
আনৰ ধান পতান
আমাৰ ধান ভাল।"

তাৰ পিছত নিজৰ খেতি পথাৰৰ অন্য কোণত আৰু পাৰিলে মাজে মাজে বন্তি জ্বলাই দি গান গায়। খেতি পথাৰৰ পিছত ঘৰলৈ আহি গোহালি ঘৰৰ উত্তৰ-পূব কোণত, নঙলা মুখৰ দুয়োকাষে বন্তি জ্বলাই গীত গোৱা হয়। আজি-কালি অৱশ্যে বাথৌশালীতো বন্তি প্ৰজ্বলন কৰা বহু ঠাইত দেখিবলৈ পোৱা যায়।

বৰ' সকলে প্ৰায়বোৰ উৎসৱ পাৰ্বণ ধৰ্মৰ লগত জড়িত কৰিব বিচৰাৰ যি প্ৰয়াস তাৰেই ফল হ'ল বাথৌ শালীত বন্তি প্ৰজ্বলন। এনেদৰেই গাসাসাৱনায উৎসৱ উদ্‌যাপন কৰা হয়।

গাসাসাৱনায় উৎসৱ উদ্‌যাপন অতি সাধাৰণভাৱে হয যদিও ইয়াৰ তাত্ত্বিক দিশ মন কৰিবলগীয়া। প্ৰথমতে, বন্তি প্ৰজ্বলনৰ বাবে ব্যৱহাৰ কৰা ঔ-টেঙাৰ খোলাৰ বিষয়েই আলোচনা কৰিবলৈ লোৱা হ'ল। ঔটেঙা বাথৌ ধৰ্মাৱলম্বী বৰ'সকলৰ লগত ওতপ্ৰোতভাৱে জড়িত। বাথৌ ধৰ্মৰ পঞ্চতত্ত্বৰ বিষয়ে আলোচনা কৰিবলৈ যোৱাৰ লগে লগে ঔটেঙাৰ কথা আহি পৰে।

"সিজৌৱানী সিৰিবা
বাথৌৱানী বান্দীবা
থাইগিৰ বিখঙা খংবা
বৰ'বীৰাযনি ৰাৱাবী খংবা।"
অসমীযা অনুবাদ ঃ
সিজু গছৰ শিৰা পাঁচটা
বাথৌৰ বান্ধ পাঁচটা
ঔটেঙাৰ খোলা পাঁচটা
বৰ' বুঢাৰ মাত পাঁচষাৰ।

ইযাৰ উপৰিও ঔটেঙাৰ খোলা বন্তি প্ৰজ্বলনত ব্যৱহাৰ কৰাৰ বিজ্ঞান সন্মত যুক্তিও আছে। ঔটেঙাৰ খোলাৰ ভিতৰ অংশত এবিধ প্লাষ্টিক সদৃশ পাতল চামনি থাকে। সেই চামনিটো থকাৰ বাবে বন্তি জ্বলোৱাৰ সময়ত ব্যৱহাৰ কৰা তেলবোৰ খোলাটোৱে শুঁহি লব নোৱাৰে। আকৌ ঔটেঙাৰ খোলা মাটিৰ চাকি সদৃশ আৰু তলৰ ফালে বাঁহৰ কাঠি গুজি থব পৰা ধৰণৰ ডাঠ মঙহ থাকে। এনেবোৰ সুবিধা থকাৰ বাবেই বৰ'সকলে গাসাসাৱনাযৰ সময়ত ঔটেঙা ব্যৱহাৰ কৰে। যিবোৰ ঠাইত ঔটেঙা পাবলৈ নাই সেইবোৰ ঠাইত কলগছৰ ঢকুৱাৰে সৰু সৰু দোনা কৰি বন্তি প্ৰজ্বলন কৰে। কিন্তু দোনাৰ তলত বাঁহৰ কাঠি গুজিবৰ বাবে বৰ অসুবিধা হয আৰু ঢকুৱাৰ ভিতৰ অংশত লাগি থকা প্লাষ্টিক সদৃশ পাতল চামনিটোও বৰ পাতল। সেযে ঔটেঙাৰ খোলাটোকেই ব্যৱহাৰ কৰা হয়, নেপালেহে কলগছৰ ঢকুৱা ব্যৱহাৰ কৰে।

শলিতা সাধাৰণতে কপাহেৰে বনোৱা হয আৰু তেল, সৰিযহৰ তেল ব্যৱহাৰ কৰে। বাঁহৰ কাঠি ব্যৱহাৰ কৰাৰ উদ্দেশ্য হ'ল— বন্তি গছি ধানতকৈ ওখ কৰি ৰখা।

গাসাসাৱনায়ৰ মুখ্য উদ্দেশ্য হ'ল "যি সময়ত বন্তি প্ৰজ্বলন কৰা হয সেইসময়ত ধানবোৰৰ ফুল ফুলে। সেই সময়ত ধানৰ অনিষ্টকাৰী পোকবোৰে ধানত পৰি

ধান নষ্ট কৰে। সেয়ে এনে সময়ত ৰাতি বন্তি জ্বলাই দিলে পোঁকবোৰে বন্তিৰ পোহৰ দেখা পাই তালৈ উৰি গৈ পৰি মৰি থাকে। সেই একেই উদ্দেশ্যে আজিকালিও বহু ঠাইত খেতি পথাৰত কলগছৰ মূঢ়াটো কাটি খই দিয়ে অথবা বাঁহৰ জেং পুতি দিয়ে। ইয়াৰ একমাত্ৰ উদ্দেশ্য হ'ল চৰাই চিৰিকতিবোৰে সেইবোৰত বহি কীট-পতঙ্গ চিকাৰ কৰে। সেইদৰে বাঁহৰ কাঠিত ঔটেঙাৰ খোলা গুজি ধানৰ কিছু ওপৰত ৰখাৰ উদ্দেশ্য হ'ল বন্তি গছি ধানতকৈ ওখ অৱস্থাত থাকিলে বন্তিৰ পোহৰ দেখি কীট-পতঙ্গবোৰ সোনকালে চাকিত পৰি মৰিব।

গোহালি ঘৰত বন্তি জ্বলোৱাৰ উদ্দেশ্য হ'ল— কৃষি কাৰ্যৰ লগত গৰুৰ ওতপ্ৰোত সম্বন্ধ আছে। সেয়ে কৃষিকাৰ্যৰ বাবে অতিকৈ গৰুক অনিষ্ট কৰিব পৰা জীৱাণুবোৰ যাতে চাকিত পৰি মৰি থাকে তাৰ বাবেই দিয়া হয়। নঙলা মুখত সেই একেই উদ্দেশ্যৰে চাকি দিয়া হয়। কিন্তু বাথৌসালিত বন্তি দিয়া প্ৰথাটো ধৰ্মৰ লগত এই উৎসৱ জড়িত কৰাৰ পিছতহে দিয়া হৈছে। বাথৌ ধৰ্মাৱলম্বী বৰ'সকলৰ বাথৌসালিত পুৱা-গধূলি বন্তি প্ৰজ্বলন কৰা হয়েই। আজিকালি পুৱাৰ সময়ত প্ৰজ্বলন কৰা নহয় যদিও সন্ধিয়া কৰা হয়। সেয়ে গাসাসাৱনায় উৎসৱৰ দিনা আকৌ এগছি বন্তি প্ৰজ্বলন কৰাৰ কোনো যুক্তি নেথাকে। এনেদৰে বিচাৰ বিশ্লেষণ কৰিলে বাথৌসালিত বন্তি প্ৰজ্বলন কৰাটো অৰ্থহীন বুলিব লাগিব।

এনেদৰে আলোচনা কৰি এটা সিদ্ধান্তত উপনীত হ'ব পাৰি যে কাতিবিহু বা কঙালীবিহুৰ লগত সামঞ্জস্য থকা বৰ'সকলৰ উৎসৱটো হৈছে 'গাসাসাৱনায়'। কিন্তু এই কথাও অনস্বীকাৰ্য যে গাসাসাৱনায় উৎসৱেই কাতিবিহু নহয়। কিয়নো অসমীয়া সমাজৰ কাতিবিহু বিহুৰ এটা ভাগ। কিন্তু বৰ'সকলৰ বৈসাগী-মাগী আৰু গাসাসাৱনায উৎসৱ তিনিওটা সুকীয়া সুকীয়া কৃষিজাত উৎসৱহে। কোনোটোৱে কোনোটোৰ ভাগ নহয়।

শেষত এটা কথা ক'ব লাগিব যে গাসাসাৱনায উৎসৱটো বৰ'সকলৰ মাজত পৰম্পৰাগতভাৱে প্ৰচলিত হৈ অহা এটি কৃষিভিত্তিক উৎসৱ আৰু এই উৎসৱ বৰ্তমানেও বৰ'সমাজত প্ৰচলিত হৈ আছে।

সহায়ক গ্ৰন্থপঞ্জী

১. *লীলা গগৈ (সম্পাদিত), অসমীয়া সংস্কৃতি,*

২ *Sidney Endle. The Kacharies,*

৩ *হৰিপ্ৰসাদ নেওগ আৰু লীলাগগৈ (সম্পাদিত); অসমীয়া সংস্কৃতি*

৪ *Dr Sukumar Chattarji. Kirata Jana krit.*

৫ *সূচকঃ (ক) প্ৰেমন বসুমতাৰী,*

(খ) ৰাখেৰ বৰ',

❖❖❖

তৰুণ বসুমতাৰী

জন্ম ঃ ১৯৩৭ চন। গোৱালপাৰা জিলাৰ ডুমুনী পাৰা।

শিক্ষা ঃ স্নাতকোত্তৰ, আইনৰ স্নাতক।

কৰ্মজীৱন ঃ অৱসৰপ্ৰাপ্ত জিলা আৰু ছেছনছ ন্যায়াধীশ।

সাহিত্য কৃতি আৰু সাংস্কৃতিক জীৱন ঃ বিভিন্ন কাকত আলোচনীত বিভিন্ন বিষয়ৰ লিখনি প্ৰকাশ।

ৰাজহুৱা জীৱন ঃ বিভিন্ন সামাজিক-সাংস্কৃতিক অনুষ্ঠানৰ লগত সক্ৰিয়ভাৱে জড়িত।

গোৱালপাৰা জিলাৰ বড়ো-কছাৰী সকলে উদ্‌যাপন কৰা কাতিবিহু

অসমৰ এটি অতি প্ৰাচীন জনগোষ্ঠী বড়ো কছাৰীসকল মঙ্গোলীয় তিব্বতী বৰ্মন মূলৰ লোক হ'লেও কেইবা শতাব্দীৰ পৰা উত্তৰ পূব ভাৰতৰ ভূখণ্ডত বিশেষকৈ অসমত নানাধৰণৰ প্ৰাকৃতিক আৰু ঐতিহাসিক উত্থান-পতনৰ মাজেদি অসমীয়া সমাজ আৰু সাংস্কৃতিক জীৱনৰ সৈতে প্ৰবাহিত হৈ আছে।

বহাগৰ বহাগী বা ৰঙালী আৰু মাঘৰ ভোগালীৰ বিপৰীতে সচৰাচৰ কাতিবিহুক বহুতেই কঙালীবিহু বুলি কয়। কিয়নো কৃষিজীৱী মানুহৰ মাজত এই সময়ত কিছুমানৰ ঘৰত অভাৱ অনাটনে দেখা দিয়ে। অৱশ্যে কিছুমান খেতিয়কে আহিনৰ শেষৰফালে কাতি-শালি অলপ হ'লেও ঘৰত চপায়। তাৰ আগতে ভাদ-আহিনতেই পৰমা-বিলছা ধানৰ খেতি ঘৰত কিছুমানে চপায়। প্ৰধান খেতি হ'ল আঘোণ পুহ মাহত পথাৰৰ পৰা চপোৱা শালিখেতি। এই খেতি সমগ্ৰ অসমতেই কৰা হয়। পথাৰ নদন-বদন হয়। আহিন শেষ হোৱাৰ লগে লগেই এই শালিখেতিৰ পথাৰ সেউজী ৰহণেৰে সূৰুযৰ সোণালী মৰম পাই জিল্‌মিল্‌কৈ জিলিকি উঠে। যেন লখিমীৰ মৰমৰ হাঁহি। এই সেউজীয়া পথাৰক আদৰিবলৈ আৰু অপায়

অমঙ্গল দূৰ কৰিবলৈ আহিনৰ শেষৰ তাৰিখৰ সংক্ৰান্তিৰ কাতিবিহুত কৃষিজীৱী বড়ো কছাৰীসকলে সন্ধিয়া মিঠাতেল আৰু শলিতাৰে নিজ নিজ পথাৰত চাকি-বন্তি জ্বলায়। বহুক্ষেত্ৰত এওঁলোকে মাটিৰ চাকিৰ সলনি ঔ টেঙাৰ ওপৰৰ চকলা কাটি চাকি ৰূপে ব্যৱহাৰ কৰে। কেঁচা বাঁহৰ টুকুৰা গছা হিচাপে ব্যৱহাৰ কৰি বন্তি জ্বলোৱা হয়। গভীৰভাৱে চিন্তা কৰিলে ধাৰণা হয় যে কাতিবিহুত ঘৰত আৰু খেতি পথাৰত এই চাকি জ্বলোৱা প্ৰথাতো মূলতঃ হিন্দু-ধৰ্মৰ প্ৰভাৱত প্ৰচলন হৈছে। আকাশবন্তি জ্বলোৱা প্ৰথা এওঁলোকৰ মাজত দেখা নেযায়। ভিন্নধৰ্মী বা আন আন পন্থা অবলম্বনকাৰীসকলৰ মাজত চাকি-বন্তি জ্বলাই কাতিবিহু পালন কৰা ৰীতি নাইকিয়া হৈছে বুলিযে ক'ব পাৰি।

ড° উপেন ৰাভা হাকাচাম



জন্ম ঃ ১৯৬০ চন। গোৱালপাৰা জিলাৰ বাযদাৰ ছাতাবাৰী গাঁও।

শিক্ষা ঃ স্নাতকোত্তৰ, পি এইচ ডি।

কৰ্মজীৱন ঃ সংগ্ৰহালয সঞ্চালকালযত মহকুমা আৰু জিলা পৰ্য্যায়ৰ বিষযা হিচাপে যোগদান কৰি বৰ্তমান গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ ৰীডাৰ।

সাহিত্য কৃতি আৰু সাংস্কৃতিক জীৱন ঃ অসমীযা ভাষাত ৰচিত (ৰাভা ভাষাত), দুশৰো অধিক গৱেষণাধৰ্মী নিবন্ধ প্ৰকাশিত হোৱাৰ লগতে "CIIL" আৰু "ABILAC"ৰ প্ৰকল্পৰ লগত জড়িত। ৰাষ্ট্ৰীয আৰু আন্তঃৰাষ্ট্ৰীয আলোচনা চক্ৰত অংশ গ্ৰহণকাৰী।

ৰাজহুৱা জীৱন ঃ অসম সাহিত্য সভা, অসম ভাষা বিজ্ঞান সমিতি, ৰাভা ভাষা পৰিষদ আদিৰ লগত জড়িত।

কাতিবিহুৰ সমধৰ্মী 'ৰাভাসকলৰ' শৰৎকালীন উৎসৱ-পাৰ্বণ

ৰাভাসকলে সংগ্ৰহজীৱী (চিকাৰ কৰা, মাছ মৰা আদি) স্তৰ অতিক্ৰম কৰি কৃষিজীৱী (বিশেষকৈ ভৈয়ামৰ পানী খেতি) স্তৰত ভৰি দিয়াৰ পৰাই তেওঁলোকৰ মাজতো গো-পূজা প্ৰমুখ্যে কৃষিৰ লগত জড়িত বিভিন্ন লোকাচাৰ আৰু লোক-উৎসৱ পালন কৰাৰ পৰিৱেশ ৰচিত হয বুলি ধাৰণা কৰা হৈছে। অষ্ট্ৰিক সংস্কৃতিৰ উৰ্বৰা লোক-বিশ্বাসৰ ভেটিত আৰ্য-দ্ৰাবিড় সংস্কৃতিৰ গো-পূজা পৰম্পৰাৰ সুষম সমাহাৰত বিষুৱ সংক্ৰান্তিৰ উদ্‌যাপিত বহাগবিহু/বিষমা/বিচুৱা/বৈসাগু আৰু মকৰ সংক্ৰান্তিত উদ্‌যাপিত মাঘবিহু/ পুষণা/ দোমাহী/ দোমাছি/ টুচু ইত্যাদি নামেৰে পৰিচিত পৰ্ব উছৱৰ উত্তৰ পূৰ্বাঞ্চলত সূত্ৰপাত হৈছিল বুলি পণ্ডিতসকলে মত পোষণ কৰিছে। সেইদৰে আহাৰ-শাওনৰ কৰ্কট সংক্ৰান্তিত উদ্‌যাপিত অম্বুবাচী/

আমতী (চুবা) পৰ্বত পূৰ্বকালীন বিহুৰ আংশিক ৰূপ ৰক্ষিত হোৱাৰ দৰে আহিন কাতিৰ জলবিষুব সংক্ৰান্তিত (সূৰ্যৰ তুলাৰাশিত সংক্ৰমণৰ দিনা) কাতিবিহু বা কাতি দল/ কাতি গাছা নামৰ আন এটা বিহু অনুষ্ঠিত হোৱাৰ কথা পণ্ডিতসকলে একমুখে স্বীকাৰ কৰিছে।[১]

ৰাভাসকল মূলতঃ মংগোলীয় জনগোষ্ঠীৰ লোক। সেয়ে তেওঁলোকৰ সমাজত বসন্তকালীন কৃষি উৎসৱৰ পয়োভৰ থকাটো স্বাভাৱিক। অসমীয়াৰ বহাগবিহু, বৰ'-কছাৰীৰ বৈসাগু, মিছিঙৰ আলি আয়ে লৃগাং, টাই-আহোমৰ পয় চাংকেনৰ সমধৰ্মী ৰাভাৰ বসন্তকালীন উৎসৱ হ'ল 'বায়খো' বা 'খোকছি'। সেইদৰে 'গ্ৰি'মবুদা' বা 'বি'ছাৰ থেফেনকায় দেৰা' হ'ল— ৰাভাসকলৰ শাৰদীয় উৎসৱ। ইযাক ঋতু পৰিবৰ্তন অৰ্থাৎ পুৰাণি বছৰটোক বিদায় দিয়া আৰু নতুন বছৰটোক আদৰি লোৱাৰ পৰ্ব হিচাপে অভিহিত কৰা হয়। আহিন কাতি মাহত অনুষ্ঠুপীয়াকৈ উদ্‌যাপিত এই উৎসৱটো কাতিবিহুৰ সৈতে ৰিজাব পাৰি।[২]

বায়খো আৰু গ্ৰি'মবুদা পৰম্পৰাগত দেৱ-দেৱীক বলি-বিধান, মদ, ফোকচাক (এবিধ বলিৰ মাংসৰে কৰা চুঙাপিঠা) সহকাৰে, উদ্‌যাপিত ৰাভাৰ দুবিধ ধৰ্মীয় অনুষ্ঠান। ইযাত জাতীয় বাদ্য আৰু জাতীয় নৃত্য-গীতৰ পযোভৰ আছে। ইয়াত মাহ-প্ৰসাদ, গোবৰ-তুলসী, কল-চেনি আদি উপাচাৰ নচলে। ইযাৰ পৰিবৰ্তে বামচি-পিথাৰ (পবিত্ৰ পিঠাগুৰি) ছটিযাই, দুপি খু'ন্দবাং (ধূপ-সুগন্ধিত পাত) জ্বলাই, মেৰামুক খু'মফাৰমুক (বৰতাবন-তংলতী) প্ৰতিষ্ঠা কৰি ৰোংজুমুক অৰ্থাৎ শালগ্ৰামকে আৰাধনা কৰে। অৱশ্যে চাকি-বন্তিৰ প্ৰজ্বলন ইয়াতো কৰা হয়।

আনহাতে অসমৰ বিহু তিনিটাকে ৰাভাসকলেও কিছু কিছু ভিন্নভাৱে উদ্‌যাপন কৰে। বিশেষকৈ নামনি অসমত পাতিৰাভাৰ লগতে ৰংদানি আৰু মায়তৰি ৰাভাসকলেও ঋতুকালীন কৃষি উৎসৱ হিচাপে গো-পূজা আৰু বৃক্ষ পূজাৰ সমাহাৰত বিছুৱা, কাতিগাছা আৰু দোমাছি এই তিনিটা উছৱ যথাক্ৰমে বহাগবিহু, কাতিবিহু আৰু মাঘবিহুৰ লেখীয়াকৈ উদ্‌যাপন কৰে।

'কাতিগাছা' বা 'কাতিদল' হ'ল আহিন-কাতিৰ সংক্ৰান্তিত উদ্‌যাপিত দিনটিয়া উছৱৰিশেষ। ৰাভাসকল নামনি অসমৰ বৰ', হাজং, ৰাজবংশী আদি জনগোষ্ঠীৰ দৰে কাতিবিহুক 'কাতিদল' বা 'কাতিগাছা' (বৰ' খাথিগাছা) বোলে, কঙালী (কাঙাল) বা কাতিবিহু নোবোলে। কাতি মাহৰ আগদিনাখনৰে পৰা এদিনীয়াকৈ বা মাহটো জুৰি এগছিকৈ চাকি (চাকিগাছা) চোতালৰ তুলসীজুপি (তুলসীগাছ) বা পথাৰৰ ধান গছি (গছা/গাছা)ক কেন্দ্ৰ কৰি প্ৰজ্বলন কৰা হয় বাবে এই অনুষ্ঠানটোক 'কাতিগাছা' বোলা হৈছে বুলি অতি সহজে অনুমান কৰিব পাৰি।[৩] আনহাতে অস্থায়ীভাৱে হ'লেও দেৱালয় সদৃশ কৰি দেৱকুলক আৰাধনা কৰা

প্ৰথাৰ পৰাই খুব সম্ভৱ কাতিদলৰ, দল (দৌল/দেউল) শব্দৰ ব্যুৎপত্তি সাধন হৈছে।[৪]

কাতিবিহুত তুলসীজুপিৰ তলত মাহটো জুৰি এগছিকৈ বন্তি নতুবা আকাশত আকাশবন্তি লগোবা ৰীতিৰ অনুৰূপে ৰাভাসকলেও ঔখোলত কেবাগছি বন্তি পথাৰে-সমাৰে, ঘৰে-চোতালে লগায়। বন্তি লগাবৰ সময়ত পথাৰ, ঘৰ আৰু চোতালভেদে তলত দিয়া গীতবিলাক (অসমীয়াৰ থলুৱা ৰূপত ৰচিত) আওৰায়।

(ক) কাতিদল কাতিদল
পৰাৰ ধান লৰচৰ।
আমাৰ ধান ভৰ ভৰ।।
অথবা
তোমাৰ চাং লৰচৰ।
আমাৰ চাং উকছিয়া পৰ।। (পথাৰত গোৱা)

(খ) কাতিদল কাতিদল
পৰাৰ ভাণ্ডাৰ লৰচৰ।
আমাৰ ভাণ্ডাৰ ভৰ ভৰ।। (ভঁৰালত গোৱা)

(গ) কাতি দল কাতিদল
পৰাৰ বাৰী লৰচৰ।
আমাৰ বাৰী ভৰ ভৰ।। (চোতালত গোৱা)

মন কৰিবলগীয়া যে ৰাভা সমাজত "তুলসীৰ তলে তলে মৃগ পহু চৰে। তাকে দেখি ৰামচন্দ্ৰই শৰধনু জোৰে।" এই জাতীয় নাম বা প্ৰাৰ্থনা গীতৰ প্ৰচলন নাই। অৱশ্যে মহাপুৰুষীয়া বা হিন্দুৰ অন্যান্য ধৰ্মৰ প্ৰতি আসক্ত ৰাভা পৰিয়ালত অসমৰ অন্যান্য প্ৰান্তৰ দৰে নতুনকৈ ভেটি বা ঢাপ বান্ধি এজুপি তুলসী ৰুই গোটেই মাহটো জুৰি তুলসীৰ তলত বন্তি জ্বলাই বা লক্ষ্মী আৰু দামোদৰক যুগলভাৱে বন্দনা কৰাৰ উদ্দেশ্যে ওখ বাঁহডালৰ আগত চাকি বান্ধি আকাশবন্তি প্ৰজ্বলন কৰি উত্তোলন কৰে আৰু তাতে নৈবেদ্য আগবঢাই নাম-কীৰ্তন কৰে। সেইকেইদিন বাৰী, চোতাল, পদূলীমুখ পৰিষ্কাৰ কৰি ৰাখি সদায় আবেলি বেলিকা বিশেষকৈ গোঁসাইঘৰ, গোহালিঘৰ, থকা ঘৰ আৰু পদূলি মুখত ধূপ-ধুনা দি মাংগলিক অনুষ্ঠানৰ আয়োজন কৰে। ৰাভাসকলে 'কাতিদল' বা 'কাতিগাছা'ৰ দিনাখন কেৱল ঔখোলতহে তেল শলিতা দি চাকি জ্বলায়। মাটিৰ প্ৰদীপ বা অন্য ধাতৱ গছাত বন্তি প্ৰজ্বলন নকৰে। আনকি অন্য দিনাৰ পূজাত সচৰাচৰ কৰাৰ দৰে বাঁহৰ চুঙাৰ চাকিতো (চেৰাবাতি) বন্তি প্ৰজ্বলন কৰা নহয়। ৰাভাসকলে ঔটেঙাক অতি পবিত্ৰ ফল হিচাপে মানে। কাতিগাছা নোযোৱালৈকে সেয়ে ঔ-টেঙা খোৱা নিষেধ।

অন্যথা মাছ মাৰিবলৈ গ'লে শিঙি মাছে বিন্ধে বুলি সাধাৰণ লোকৰ মাজত বিশ্বাস আছে। নিঃসন্দেহে ক'ব পাৰি যে ৰাভাসকলৰ মাজতে নহয় নামনি অসমৰ সৰ্বত্ৰতে উদ্‌যাপিত কাতিগাছা (কাতিবিহু) উছৱ নামত কঙালী যদিও ই ধনৰ অধিষ্ঠাত্ৰী লখিমী আদৰা এক ধৰ্মীয় উছৱ।

কৃষিজীৱী ৰাভাসকলে গৰু হাল যুটি নাঙলেৰে হাল বাই পানীখেতি কৰা প্ৰথাটো অতি পুৰণিকলীয়া। আৰ্যভাষী হিন্দু ধৰ্মৰ দ্বাৰা অতিকৈ প্ৰভাবান্বিত পাতিৰাভাসকলক সেয়ে অন্যান্য ৰাভাভাষী, ঝুমখেতিত অভ্যস্ত ৰংদানি, মায়তৰি ফৈদৰ ৰাভাসকলে 'হাবায়' অৰ্থাৎ মাটি চহাওঁতা বুলি অভিহিত কৰে। গাৰোসকলে এটা সময়ত ৰাভাসকলৰ পৰাই পানীখেতি কৰিবলৈ শিকিছিল আৰু তেওঁলোকক আৱে (ভৈয়ামৰ গাৰো) বা হানা ফৈদৰ লোক বুলি জনা যায়। মন কৰিবলগীয়া যে গাৰোসকলে কৃষিজীৱী লোকক হাজং/আজং অৰ্থাৎ 'মাটিৰ পোক' বোলে। কৃষিজীৱী হাজংসকল ৰাভাৰ সৈতে ঘনিষ্ঠতা থকা এটা জনগোষ্ঠী। হাজংসকলেও ৰাভাৰ দৰে শালিধানৰ 'ন' কঠিয়া পৰা (ৰাভা ঃ মাম্বে বাকায়), 'ন' গছা লোৱা (ৰাভা ঃ মায় গয়চা বাকায/গাছা দিয়া, হাজং ঃ পাইলা ৰোৱা লাগা), লখিমী আদৰা (কাতিগাছা/কাতিদল), 'ন' আগ অনা (ৰাভা ঃ মায়পিদান ৰাবাকায়/ আগ আনা), 'ন' ভাত খোৱা (ৰাভা ঃ মায়পিদান ছাকায়/ নোবান খাওৱা/ নোৱা ভাত খাওৱা, হাজংঃ নয়া খাওৱা/ চিনিক কৰা) খেতি চপোৱা পৰ্ব (ৰাভাঃ মায় দুংকায়/ধান উঠা ওৱা, হাজংঃ কাচি ধোৱা/ ধান ভুকা) হাল উঠা পৰ্ব (ৰাভাঃ হাল দুংকায়/ নাঙল জাক্ৰোওৱা) আৰু অন্য দুবিধ কৃষিৰ লগত জড়িত ঋতুকালীন পৰ্ব বহাগবিহু (বিছুৱা/বিষুৱা) আৰু মাঘবিহু (দোমাছি/পুষণা) অতি উলাহ-মালহেৰে পালন কৰে। সেয়েহে বৰ্তমান অনুষ্টুপীয়াকৈ পালন কৰিলেও এই পৰম্পৰাগত কৃষি কেন্দ্ৰিক কাতিগাছা বা কাতিদল যে এসময়ত কৃষিজীৱী লোকসকলৰ এটা প্ৰধান উৎসব (ধৰ্মীয় অৰ্থাৎ যাদু ধৰ্মীয় উৰ্বৰা লোকবিশ্বাসৰ আধাৰত উদ্‌যাপিত) হিচাপে বিবেচিত হৈছিল এয়া ধ্ৰুপ। অৱশ্যে এই দিশত গৱেষণাৰ যথেষ্ট সমল পোৱা নগ'লেও এয়া এটা জনগোষ্ঠীৰ উত্তৰণৰ দিশত সমন্বয় আৰু সমাহৰণ প্ৰক্ৰিয়াৰ অন্যতম কাৰক হিচাপে বিবেচিত হোৱাত নিশ্চয় কাৰো দ্বিমত থাকিব নোৱাৰে।

প্ৰসঙ্গ আৰু পাদ টীকা ঃ

১। *ৰাজমোহন নাথ ঃ Back ground of Assamese culture, 1978- pp 6-7*

২। *মণিৰাভা ঃ গ্ৰিমবুদা ঃ ৰাভাসকলৰ শাৰদীয় উৎসৱ, ৰাভা সংস্কৃতিৰ ধাৰা, ১৯৭৫।*

৩। ৰাভাসকলেও শালি ধানৰ ন কঠিয়া ৰোৱা পৰ্বক (ন গছ্ছা লোৱা) "গাছা দিয়া/গাছা খাওৱা" বোলে। এই দিশৰ পৰা বিবেচনা কৰিলে সংস্কৃত গচ্ছ মূলোদ্ভৱ 'গাছা/গছা' শব্দৰ পৰাই 'কাতিগাছা' শব্দটো সাধিত হৈছে বুলি ধাৰণা কৰিব পাৰি।

৪। ৰাভাসকলেও দৌলযাত্ৰা বা ফাকুৱা (হোলী) উদ্‌যাপন কৰে। ফাগুন মাহৰ পূৰ্ণিমাৰ পৰা এসপ্তাহ বা ততোধিক কাললৈ বিভিন্ন দেৱ-দেৱীৰ পীঠ বা বেদীত ফাকুওৰি বা আবিৰৰ ফোট পিন্ধাই এনে উৎসৱ পালন কৰে। তদুপৰি চিত্ৰ-বিচিত্ৰ বাঁহৰ ধ্বজা (দুউৰ/দেউল) উত্তোলন কৰি শোভাযাত্ৰা কৰে। সাধাৰণতে এনে প্ৰথাকে ৰাভাসকলে দৌল নমোৱা (দুউৰ দি'বাৰ কাম/দেউল নামাওৱা) বোলে। ইয়াত আকাশবন্তি সদৃশ বাঁহৰ দণ্ডত বন্তি প্ৰজ্বলন কৰা হয় বাবে এই পৰ্বটোৰ নাম 'কাতিদল' হৈছে যেন লাগে।

❖❖❖

নিবেদিতা বড়া সন্দিকৈ

জন্ম ঃ ১৯৬৪ চন। ধেমাজি।

শিক্ষা ঃ স্নাতকোত্তৰ।

কৰ্মজীৱন ঃ ধেমাজি উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ৰ বিষয় শিক্ষয়িত্ৰী।

সাহিত্য কৃতি আৰু সাংস্কৃতিক জীৱন ঃ অসমৰ বিভিন্ন প্ৰতিষ্ঠিত কাকত-আলোচনীত বিভিন্ন লিখনি প্ৰকাশ, গ্ৰন্থ সম্পাদনা(১), স্মৃতি গ্ৰন্থ আৰু আলোচনী সম্পাদনা ৬ খনৰো অধিক, ভালে কেইখন পুথি আৰু বাতৰি কাকত, আলোচনীত কবিতা প্ৰকাশ।

ৰাজহুৱা জীৱন ঃ সদৌ অসম নবীন লেখক-লেখিকা আৰু শিল্পী সমিতি, সদৌ অসম লেখিকা সমাৰোহ সমিতি, ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী আৰু বহুতো সামাজিক সাংস্কৃতিক অনুষ্ঠানৰ সৈতে বিশেষভাৱে জড়িত।

সোণোৱাল কছাৰীসকলৰ কাতিবিহু

অসমৰ বাৰেৰহণীয়া সংস্কৃতিৰ পথাৰত বহুপূৰ্বতেই নিজ ভাষা, ধৰ্ম বিসৰ্জন দি অসমীয়া ভাষাৰ গুৰি ধৰি অসমীয়া জাতি গঠনত বিভিন্ন জনগোষ্ঠীৰ লগতে অসমীয়া সমাজ আৰু সংস্কৃতিলৈ বৰঙণি আগবঢ়াই যোৱা মংগোলীয় জাতিৰ বড়ো জনগোষ্ঠীৰ এটি নৃ-গোষ্ঠী সোণোৱাল কছাৰীসকল।

অতীতৰ শদিয়াৰ হালালী ৰাজ্যত ৰাজপাট খোৱা সোণোৱাল কছাৰীসকল অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকাৰ দুয়োপাৰে বসবাস কৰে যদিও উজনি অসমৰ ডিব্ৰুগড়, শিৱসাগৰ, যোৰহাট, লক্ষীমপুৰ, ধেমাজি জিলাত তেওঁলোকৰ বসতি বেছি।

বিভিন্ন জনগোষ্ঠীয়ে নিজা ধৰ্মীয় ধাৰণা আৰু ৰীতি-নীতিৰে বিহুৰ জাতীয় স্বকীয়তা অটুট ৰখাৰ দৰে সোণোৱাল কছাৰীসকলেও তেওঁলোকৰ নিজস্ব ৰীতিৰে বিহুৰ স্বাভাৱিকতা ৰক্ষা কৰি আহিছে। সোণোৱাল কছাৰীসকলৰ সাংস্কৃতিক প্ৰতীক বিহু। বহাগ বা ৰঙালীবিহু, মাঘ বা ভোগালীবিহু, কাতি বা কঙালীবিহুৰ ভিতৰত

সোণোৱাল সমাজত কাতিবিহুৰ এক সুকীয়া পৰম্পৰা লক্ষণীয়। উৎসৱসমূহ সাধাৰণতে প্ৰকৃতি বৰ্ণনাৰ উৎসৱ। প্ৰকৃতিৰ বিভিন্ন ঋতুত পৃথিৱীয়ে ৰং সলায়। এনে ঋতু পৰিবৰ্তনৰ ফলশ্ৰুতিত সোণোৱাল সমাজত বিহু উদ্‌যাপিত হয়।

কাতিবিহুৰ উৎপত্তি সম্পৰ্কে বিভিন্ন ধৰণৰ জনশ্ৰুতি প্ৰচলিত আছে যদিও সোণোৱাল লোক-জীৱনত কাতিবিহুৰ উৎপত্তিৰ এক বিশেষ তাৎপৰ্য আছে।

সৃষ্টিকৰ্তা ব্ৰহ্মাই পৰ্বত-পাহাৰ, গছ-গছনি, জীৱ-জন্তু, পশু-পক্ষী, নৈ-বিল, জান-জুৰি আদি সৃষ্টি কৰি সেই সৃষ্টিৰ ৰহস্য চাই নিজেই আনন্দত আত্মহাৰা হৈ পৰিছিল। এইদৰে যুগ-যুগান্তৰ পাৰ হোৱাৰ পাছত ব্ৰহ্মাৰ সৃষ্ট জীৱ-জন্তু, পশু-পক্ষী, গছ-গছনি, নৈ-বিল, পৰ্বত-পাহাৰে পৃথিৱীখন নধৰা হ'ল। এই বিশাল সৃষ্টিৰ ভাৰ বসুমতীয়ে ল'ব নোৱাৰি ব্ৰহ্মাৰ ওচৰত কাতৰে প্ৰাৰ্থনা জনালে আৰু বসুমতীৰ প্ৰাৰ্থনাত ব্ৰহ্মাই সন্তুষ্ট হৈ বিষ্ণু আৰু শিৱৰ লগত আলোচনা কৰি সিদ্ধান্ত গ্ৰহণ কৰিলে যে, বসুমতীৰ বুকুত পৰ্যাপ্ত পৰিমাণে সৃষ্টিৰ ভাৰ জাপি দিয়া হৈছে। এই সৃষ্টিক পালন কৰিবলৈ বিষ্ণু সমৰ্থ নোহোৱাৰ হেতুকে শিৱক বসুমতীৰ ভাৰ পাতলাবলৈ সৃষ্টিৰ ধ্বংস লীলা পাতিবলৈ শিৱক দায়িত্ব অৰ্পণ কৰে। আৰম্ভ হ'ল শিৱৰ তাণ্ডৱ লীলা। শিৱৰ তাণ্ডৱ লীলাত পৃথিৱী কঁপি উঠিল। চাৰিওফালে প্ৰলয়ৰ হাহাকাৰ ধ্বনি শুনা গ'ল। শিৱৰ এনে আচৰণৰ কাৰণ জানিব পাৰি সকলোৱে প্ৰাণ ৰক্ষা কৰিবলৈ শিৱৰ ওচৰত প্ৰাৰ্থনা জনাবলৈ ধৰিলে। শিৱৰ ধ্বংস যজ্ঞত পৃথিৱী শূন্য হৈ পৰিল। মানুহ আৰু অন্যান্য জীৱ-জন্তু বিলাকে অনাহাৰে অনিদ্ৰাৰে দিন কটাবলগীয়া হ'ল। মানুহে এগছি বন্তি জ্বলাই শিৱক আৰাধনা কৰিবলৈ ধৰিলে। অনাহাৰে অনিদ্ৰাৰে কৰা কাতৰ প্ৰাৰ্থনাত শিৱ ক্ষান্ত হ'ল আৰু বিষ্ণুৱেও পৰম সন্তোষ লাভ কৰিলে। বিষ্ণুৰ অনুৰোধমৰ্মে শিৱই ধ্বংসৰ তাণ্ডৱ লীলা সম্বৰণ কৰিলে। এইদৰে মানুহ, জীৱ-জন্তু, পশু-পক্ষী আদিৰ কৰুণ বিননিত সন্তুষ্ট হৈ বিষ্ণু আৰু শিৱই আশীৰ্বাদ দি স্বৰ্গলৈ গুচি গ'ল। বিষ্ণুৰ বাবেহে তেওঁলোকৰ উদ্ধাৰ হোৱা বুলি ভাবি মানুহে বিষ্ণুক পূজিবলৈ ধৰিলে।

শংখচূড়ক বধ কৰিবলৈ শংখচূড়ৰ পত্নী বৃন্দাদেৱীৰ সতীত্ব বিষ্ণুৱে নষ্ট কৰাত বৃন্দাদেৱীয়ে তুলসীৰূপে শিৱৰ জঁটাত আশ্ৰয় লয়। বৃন্দাদেৱীৰ অভিশাপ মতে তুলসীপাত নহ'লে বিষ্ণু পূজা সমাধা নহয়। সেইবাবে কাতিবিহুৰ দিনা তুলসীৰ তলত বিষ্ণু পূজা কৰা প্ৰথা সোণোৱাল সমাজত প্ৰচলিত। আনহাতে শিৱই যাতে সৃষ্টি ধ্বংস নকৰে তাৰবাবে শস্যপথাৰ আদিত মানুহে গৈ ধূপ-ধূনা জ্বলাই শিৱৰ সন্তুষ্টিৰ বাবে চাকি জ্বলায়। শস্যৰ নদন-বদনৰ বাবে পথাৰত বন্তি জ্বলাই শিৱক পূজা কৰা হয়। ইয়াৰ উপৰিও ভঁৰাল, গোহালিঘৰ, বৰঘৰ, মাৰলঘৰ, ঘৰৰ পদূলি, মজিয়া, নাদ, পুখুৰী আদি বিভিন্ন ঠাইত চাকি জ্বলাই সৰ্বমংগল কামনা কৰি

-শিৱক প্ৰাৰ্থনা কৰা হয়। সেয়েহে কাতিমাহত "বগলীয়ে মাছ নাখায়" আৰু "জীৱ-জন্তু বিলাকে উপবাসে থাকে" বুলি লোকবিশ্বাস প্ৰচলিত আছে।

সোণোৱাল কছাৰী নৃ-গোষ্ঠীয়ে যদিও বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰে, তথাপিও তেওঁলোকক ধৰ্মৰ ফালৰ পৰা দুভাগত ভাগ কৰা হয়। (১) হিদুৰীয়া (২) বেহাৰী।

(১) হিদুৰীযাসকলে নানা দেৱদেৱীক মাহ-প্ৰসাদ, পায়স, ফুলপাত আদি নৈবেদ্যৰে পূজা-পাতল কৰে। তেওঁলোকৰ বলি দিয়া প্ৰথা নাই। বৈষ্ণৱ পন্থা অনুসৰি মেধিৰ দ্বাৰা শান্তি জলেৰে অশুচিক শুচি কৰে।

(২) বেহাৰীসকলে সম্পূৰ্ণ শাক্তধৰ্ম অনুসৰি পূজা-পাতল কৰে। মদেৰে শান্তি-জল কৰি বাইথ, ফুলকোঁৱৰ, মণিকোঁৱৰ, মালিনী, গজায়-মনায়, সৰগদেউ পূজা আদি সমাধা কৰে। পূজাত গাহৰি কুকুৰা বলি দিয়া হয়।[১]

ধৰ্মপ্ৰাণ সোণোৱাল গ্ৰাম্যসমাজত কৃষিৰ অধিষ্ঠাত্ৰী দেৱী লখিমী আইক বিশেষৰূপে পূজা কৰা হয়। সোণোৱালসকলে 'লখিমী'ক লুখ্মী বুলিহে উচ্চাৰণ কৰে।

সোণোৱাল লোকজীৱনত লখিমী আইক বিভিন্নজনে বিভিন্নৰূপে আদৰি অনা দেখা যায়।

ৰাজহুৱাভাৱে আৰু ব্যক্তিগত দুযোধৰণেৰে লখিমী আদৰাৰ বাবে প্ৰস্তুতি চলোৱা হয়। দুবাৰ অনুষ্ঠিত কৰা লখিমী সবাহ বছৰেকত প্ৰথম বাৰ কৰোতে সাধাৰণতে ব্যক্তিগতভাৱে খেতিৰ আৰম্ভণি পথাৰত ন-ভূই ৰোৱাৰ আগমুহূৰ্তত পথাৰৰ মাটি ডৰাৰ এচুকত মাটিৰ ঢিপ এটি কৰি পানী ছটিয়াই দেওপাতত মাহ-প্ৰসাদ, কটা তামোল পাণেৰে নৈবেদ্য আগবঢ়াই দি এজোপা তৰা আৰু কচুগছ ৰুই মাটিৰ চপৰাসহ এটা ডাঙৰ শিল আৰু পাতত কপাহৰ আঁহবোৰ মেৰিয়াই দি বসুমতী, কুবেৰ, বুঢ়া-বুঢ়ী আৰু ন-ভনী লখিমীক পূজা কৰা হয়। পূজাৰ শেষত কুবেৰ, বুঢ়া-বুঢ়ী আৰু ন-ভনী লখিমীৰ নামত একো গোছা কৈ মিঠাতেল সানি ভুঁই ৰোৱা হয়। এইদৰে কোনোবা এটা সোমবাৰ আৰু বুধবাৰে খেতিৰ শুভাৰম্ভ কৰা হয়।

কৰ্মঠ খেতিয়কসকলে আহাৰ শাওণ মাহত নিজৰ নিজৰ পথাৰত ভুঁই ৰুই কোৰ মাৰি আহিন, কাতিমাহত ধান গেঁৰেলি হলে ধানবোৰ যাতে কোনো ধৰণেৰে নষ্ট নহয়, তাৰ্লৈ লক্ষ্য ৰাখি লক্ষ্মী পূৰ্ণিমা নতুবা কাতিমাহৰ কোনোবা এটা সোম নতুবা বুধবাৰে লখিমী আইৰ নামত পূজা ভাগ অৰ্পণ কৰে। অৱশ্যে সোণোৱালসকলে কাতিবিহুৰ দিনাও পথাৰত চাকি জ্বলায়। হিদুৰীয়া আৰু বেহাৰী দুয়ো পন্থীসকলেও নিজ নিজ প্ৰথা অনুসৰি লখিমীপূজা সমাপন কৰা নামসমূহ এনে ধৰণৰ ঃ

"ঠায়ে মচি দিয়া, পাতে পাৰি দিয়া
লখিমী আই আহকে বুলি,
ৰাঙলী ৰঙা পাণ গুৱা কাটি দিয়া
গুৱা ভালে কৰি দিয়া।
কুবেৰক কঠীয়া খোজাগৈ মহাদেউ
সাগৰক খোজাগৈ মাটি,
আপোনাৰ থানলৈ আহা ঐ লখিমী আই
সুখিলীৰ কণ্ঠতে উঠি।
গোসাঁই হালে বালে ছাগকে বাঘকে
কাৰশলা সাপৰে লৰু,
ডালৰ হনুমন্তই আলি পাহ কাটিলে
ভালুকে ডকালে গৰু।
চাঙৰে কঠীয়া মাটিলৈ নামিলে
জেঠতে মুকলি হ'ল,
আহাৰে শাওণে খাটি বনবাসে
আঘোণৰ ভঁৰালত সোমায়।
ৰামৰ পথাৰখন কাঁহী চকলীয়া
ৰুই ৰুই আমনি লাগে।
বৰাহীকৰ পুতেকে বোলাইছে কঠীয়া
ভৰি দি ঘৰলৈ যাওঁ।
দুলীয়াৰ গুৰিতে কিৰিষি (কৃষি) কৰিলে
তাকো থুৰি পোকে খালে,
বাটত লগে পাই হৰিচন গোঁসায়ে
থুৰি পোক মোহাৰি খালে।
হাবিৰ পাতে পলু পথাৰৰ লখিমী আই
দুয়ো একে লগে হ'লে,
গোপিনীৰ কাকুতি সহিব নোৱাৰি
লখিমী আই আহিলে নামি।
পথাৰত আছিলে সোমবুঢ়ী বুধবুঢ়ী
চৰাই চিৰিকতি ৰাখে,
ফুলনিৰ বাৰীতে ফুলে মলে মলাই
সকলো কৰিব গতি।
গোঁসাই ধানে ৰূলে মাণিকী মধুৰী
শোকত হালি জালি কৰে,

ক'ৰ পৰা আহিলে খকুৱা বামুণে
চুটি গালে মাৰি থ'লে,
সহিব নোৱাৰি লখিমী আই ন-ভনী
গাতে বাকলি ল'লে।
লখিমী আইৰ পদূলি পানী ছলে-বলে
কুবেৰৰ পদূলি ধুলি,
কুবেৰৰ দুৱৰী দিয়া দুৱাৰ মেলি
লখিমী আই বহকগৈ বুলি
গংগাত গোৰ মাৰি কি কৰ লখিমী আই
মেঠা হ'ল মুকলি চুলি,
লখিমী আই ন-ভনী আহে বাহু মেলি
ভঁৰালত সোমাওঁগৈ বুলি।
সোণৰে এযুৰি খুঁটি ঐ লখিমী আই
ৰূপৰে এযুৰি খুঁটি
সোমবুটী-বুধবুটী দুয়ো বাই-ভনী
ভঁৰালত আছিলে উঠি।
লখিমীআই ন-ভনীক মাতিম কেনেকৰি
কৰিম কেনেকৰি সেৱা,
তেওঁৰ পাচনী দণ্ডাই লাহেকৈ
দুখীয়া জীৱৰে শৰীৰ
চাকৈ ঐ উৰিলে চকোৱা পৰিলে
ত্ৰিলেখত মেলিলে পাখি,
সোমবুটী-বুধবুটী আলচি আছিলে
ভঁৰালত সোমাওঁগৈ বুলি।
ভঁৰালৰ ভিতৰত ভোমোৰাই গৰজিলে
কুবেৰে ধৰিলে চালি।
কুবেৰৰ পাগুৰি সৰি পৰিলে
বুধবুটীয়ে বুটলি দিলে।
দহেকৈ পথাৰত কমুৱা এযুৰি
লয়েন পথাৰত চৰে,
সকলো গোপিনী মাতো তুলি কৰি
চুতীয়া নাৱতে উঠি।

পথাৰৰ পৰা লখিমী আই সুধিলে
নৰে কি হৰি ৰাৱ কৰে,
সুখিল পিঠাগুৰি লয় মলাভৰি
তাকে লৈ হৰি ৰাৱ কৰে।
পথাৰত বঢাবা মুঠি ঐ লখিমী আই
ভঁৰালত বঢাবা গুটি।
চাৰি চৌপাশে বঢাবা লখিমী আই
চৰুতো বঢাবা অন্ন।
চৰুৰ সুখিল গুৰি মনত ৰঙে লগা
গোপিনীয়ে দযা কৰি যাবা,
লখিমী আই ধানে দালে হেঙেলুৱা কাঁচি
ভঁৰাল ভৰি নধৰিলে পাচি।
ভঁৰালত গোসাঁনী লখিমী আযে
বস্ত্র ল'লে ঢাকি।
ঘৰৰ ঘৈণী আইহঁত
নবজাবা ঢেঁকী।
কঁঠালৰ খুঁটা শালিধানৰ পিঠা
লখিমী আই লাহেকৈ উঠা।
লখিমী আইৰ দীঘল চুলি
লৈ যাওঁ মেঠাতে তুলি
মেঠাতে তুলি লোৱা
লাহেকৈ থোৱা ফুলে চাটিত তুলি।
ঘৰৰ ঘৈণী ক'তে থওঁ লখিমী
থোৱা ফুলে চাটিত তুলি।
তামোলৰ আনিবা জুবিযা এথোকি
পাণৰো আনিবা গুছি।
লখিমী আই মেখেলা মাচে বকলীয়া
কঁকালত কিংকিনী বাজে।
লখিমী আই আছেগৈ হিমালয় পর্বতত
যেনে ভীমকলৰ পুলি,
ডম্বৰু মোমায়ে আদৰি আনিলে
ভাৰতক তৰাওঁগৈ বুলি।

হিমালয় পৰ্বতত আছিলা লখিমী আই
কচু কোমোৰা খাই,
মনিচৰ ৰাজ্যলৈ আহিলা লখিমী আই
সুখিল পিঠা গুৰি পাই।

—এইদৰে পথাৰৰ পৰা লখিমী আদৰা নাম গাই গাই লখিমী আদৰা কাৰ্য সমাপ্ত কৰে।

লখিমীসবাহ সাধাৰণতে কাতি মাহত লক্ষ্মীপূজাৰ দিনা নতুবা ফাগুন মাহৰ কোনোবা এটা সোমবাৰে উপবাসে থাকি লখিমীসবাহ পাতে। লখিমী সবাহৰ নাম সমূহ ঃ

মেঘৰ ঘিটঘিটনি ডালে মৃদঙে
লখিমী আইক আনোঁগৈ তুলি,
ভকতে গোপিনী দিয়া আশীৰ্বাদ
লখিমী আই আহক বুলি।
আগতে গৈছে ডালে মৃদঙে
পাছত গৈছে গোপিনী
মাজত গৈছে দুলন কুলচী
লখিমী আই আনোঁগৈ বুলি
উজায় আহিলে লখিমী আইৰ ন-ভনী
ইকৰা জানতে ৰ'লে,
পূবে পশ্চিমে জাকৈ খেৱা মাৰোতে
উঠিলে ৰূপহী পুঠি।
শ্ৰীদৈ লখিমী জলত পৰি আছে
শিলৰ বৰ লাৰু লৈ,
ভকতে গোপিনী আদৰি আনোঁগৈ
তালে মৃদঙে লৈ।
বাটৰ ঢেঁকীয়া আমাক বাটে দিয়া
লখিমী আইক আনোঁগৈ তুলি,
বেলি গ'ল ভটিয়াই, চৰাই গ'ল চিতিয়াই
লখিমী আই ধাবুঙে মেলে।
তলে বোৱতী নৈ ওপৰে সূবৰ্ণ চৈ
বুঢ়ী লখিমী আই জালত পৰি আছে
ব'লা বুটলি আনোঁগৈ।

পূবে এমৰা মাৰো ঐ প্ৰভুদেউ,
পশ্চিমে এমৰা মাৰো,
জবাই খেৰা মাৰোতে লখিমী আই আহিলে
দোলাত লাহেকৈ থোৱা।
এমৰাত আহিলে মাছুৰে চন্দৰী
এমৰাত আহিলে লক্ষ্মী,
এমৰাত আহিলে পুঠি খলিহা
লখিমী আইৰ স্নাৰথি হৈ।"

সোণোৱাল সমাজে গোটেই কাতিমাহটোতে তুলসীৰ তলত চাকি জ্বলোৱা প্ৰথাও প্ৰচলন আছে আৰু ঠাই বিশেষে কাতিবিহুত "আকাবাতি" নামৰ আকাশবন্তি জ্বলোৱা দেখা পোৱা যায়। কাতিবিহুত খোৱা-বোৱা আৰু পিঠা-পনাৰ যি পৰম্পৰা বাহুল্যভাৱে নহলেও অনুষ্টুপীয়াকৈ এই পৰম্পৰাৰ আযোজন কৰা হয়।

কাঁতিবিহুৰ উৎপত্তি সম্পৰ্কে শ্ৰীপ্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্যদেৱে এটি মনোগ্ৰাহী মন্তব্য কৰিছে— "বৈদিক যুগৰ অশ্বিন দেৱতাৰ সম্মানাৰ্থে কাতিবিহুৰ নিশা পূজা সেৱা, যাগ যজ্ঞৰ বিধান আছিল, ঐ তৰেয ব্ৰাহ্মণ নামৰ বৈদিক গ্ৰন্থমতে অশ্বিন দেৱতাৰ পূজাৰ লগতে অতিৰাত্ৰ নামেৰে যজ্ঞ এটি সম্পন্ন হৈছিল। ধন সম্পত্তি আৰু প্ৰজনন বৃদ্ধিৰ বাবে এই উৎসৱ পাতিছিল। অতিৰাত্ৰ যজ্ঞত নিশা জুইৰ চাৰিওফালে ঘূৰি ঘূৰি সোমৰস পান কৰাৰ নিযম আছিল।" (অসমৰ লোক উৎসৱ পৃষ্ঠা ১০)

চহাপ্ৰাণ কৃষিজীৱী সোণোৱাল কছাৰীসকলে হিন্দু ধৰ্মৰে অনুপ্ৰাণিত হ'লেও পাৰিবাৰিক আৰু সামাজিক লোকাচাৰ বিধি-বিধান, বিভিন্ন আচাৰ- অনুষ্ঠানৰ পৰা আজিও আঁতৰি আহিব পৰা নাই। চহা জীৱনৰ সৰলপ্ৰাণৰ আঁহে আঁহে এনে লোকাচাৰ এনেভাৱে সাঙোৰ খাই আছে, য'ত উৰ্বৰা শস্যৰ ফচলহে গোটাব পাৰি। এই ফচল সামাজিক আৰু সাংস্কৃতিক পথাৰত কৃষ্টিৰ কঠীয়া হওক।

প্ৰসঙ্গ পুথি ঃ

১। সোণোৱাল কছাৰী সংস্কৃতি ঃ লভিত কুমাৰ শইকীয়া।

১। সোণোৱাল কছাৰী সংস্কৃতি ঃ গগন সোণোৱাল

৩। বিভিন্ন অভিজ্ঞজনৰ সহায় লোৱা হৈছে।

❖❖❖

এম হাফিজ আলি



জন্ম ঃ ১৯৬৬ চন। দৰং জিলাৰ কলাইগাঁও।

শিক্ষা ঃ স্নাতক, হিন্দী প্ৰবীন।

কৰ্মজীৱন ঃ শিক্ষক, মাবৈ বিজুলীবাৰী উচ্চ ইংৰাজী বিদ্যালয়।

সাহিত্য কৃতি আৰু সাংস্কৃতিক জীৱন ঃ ভালেকেইখন অসমীয়া বাতৰি কাকতৰ প্ৰবন্ধকাৰ, আলোচনী সম্পাদনা (২), নাটক পৰিচালনা প্ৰায় কুৰিখন; অভিনয় ৩০খন মানত, অনাতাঁৰ আৰু দূৰদৰ্শনৰ জিকিৰ শিল্পী।

ৰাজহুৱা জীৱন ঃ সদৌ অসম নবীন-লেখক-লেখিকা আৰু শিল্পী সমিতি; অসম সাহিত্য সভা, বিভিন্ন নাট্যগোষ্ঠী কলাই গাঁও সাহিত্য সমাজ আদি বিভিন্ন সামাজিক সাংস্কৃতিক অনুষ্ঠানৰ সৈতে জড়িত।

দৰঙত মুছলমানসকলৰ মাজত কাতিবিহু উদ্‌যাপন

বৰ্তমান অসমৰ উত্তৰাঞ্চলত অৱস্থিত প্ৰাচীন দৰং ৰাজ্য আৰু পিছলৈ দৰং জিলা অসমৰ সাহিত্যক, সাংস্কৃতিক, ধৰ্মীয়জীৱনৰ লগত ওতপ্ৰোতভাৱে জড়িত এটি ঐতিহ্যমণ্ডিত অঞ্চল। বৃটিছৰ শাসনকালত পূৰ্বৰ দৰং ৰাজ্যক পৌৰাণিক শোণিতপুৰেৰে চামিল কৰি এখন জিলা গঠন কৰি এই দৰং জিলাৰ সৃষ্টি কৰা হয়। আমি আমাৰ আলোচনাত প্ৰাচীন দৰঙৰ মুছলমানসকলৰ মাজত কাতিবিহু উদ্‌যাপনৰ ওপৰত দৃষ্টিপাত কৰিবলৈ চেষ্টা কৰিম। প্ৰাচীনতালৈ, তাতে আকৌ সুদূৰ প্ৰাচীনতালৈ ঘূৰি চাওঁতে এক সচেতন দৃষ্টিৰ প্ৰয়োজন। লগতে প্ৰয়োজন সূক্ষ্ম বিচাৰ বিশ্লেষণ কৰিব পৰা এক সুস্থ বিশ্লেষক দৃষ্টিভংগীৰ। এতিয়া আমাৰ সেই যোগ্যতা থকা বুলি নিজৰ ক্ষেত্ৰত ভাবিব নোৱাৰো। তথাপি এয়া এক সচেতন প্ৰয়াস— ত্ৰুটি বৈ যোৱাটো স্বাভাৱিক।

দৰঙত মুছলমানসকলে কাতিবিহু উদ্‌যাপন কৰিছিল নে নাই— এই তথ্য পাবলৈ বৰ টান। তথাপি ইতিহাসত ভেজা দি কিছু তথ্য উদ্ধাৰ কৰিছো। সেইখিনি প্ৰকাশ কৰিবলৈ যাওঁতে কিছু ইতিহাসো খুচৰিবলগীয়া হৈছে। লগতে যিটো বিষয়ত আলোচনা কৰিব ওলাইছো বিষযটো বিতৰ্কিত।

ত্ৰয়োদশ শতিকাৰ আৰম্ভণিতে (১২০৪খৃঃ) বখতিয়াৰ খিলিজিৰ অসম আক্ৰমণৰ মাধ্যমেৰে অসমলৈ মুছলমান জাতিৰ প্ৰথম আগমন হয় বুলি ইতিহাসে সাক্ষী দিয়ে। তাৰ পাছৰ পৰাই ক্ৰমান্বয়ে এই সম্প্ৰদায়ৰ লোকসকলে বিস্তৃতি লাভ কৰি অসমৰ সামাজিক সাংস্কৃতিক জীৱনত প্ৰভাৱ বিস্তাৰ কৰে আৰু অসমীয়া জাতিৰ এক অবিচ্ছেদ্য অঙ্গ হৈ পৰে। সময়ত অসমীযা সভ্যতা সংস্কৃতিক হাড়ে হিমজুৰে আঁকোৱালি লৈ নিজৰ স্বকীয়ধৰ্মীয় ৰীতি-নীতিকো মানি ইয়াৰ প্ৰভাৱ বিস্তাৰ কৰাত মনোনিবেশ কৰে।

প্ৰথম অৱস্থাত নিজৰ ধৰ্মীয় আচাৰ-বিচাৰ, ৰীতি-নীতিত অসমৰ মুছলমানসকল পিছ পৰা আছিল। যদিও বিভিন্ন সময়ত হোৱা ধৰ্মীয ভাবাবেগৰ অভ্যুত্থানৰ মাজেৰে আজি সাতশ বছৰৰ পাছত তেওঁলোকৰ ওপৰত ইছলামী ভাবাদৰ্শৰ যথেষ্ট প্ৰভাৱ পৰিছে। কিন্তু সাতশ বছৰ আগতে বা মুছলমানৰ অসমলৈ আগমন ঘটাৰ সময়ত অসমৰ মুছলমানসকলে নিজৰ ধৰ্মীয় আচাৰ-বিচাৰ ৰীতি-নীতি পালন কৰাৰ উপৰিও বহু মুছলমানে হিন্দু ধৰ্মৰ আচাৰ-বিচাৰ, ৰীতি-নীতি পালন কৰিছিল। বিশেষকৈ পুৰণি দৰঙত ইয়াৰ প্ৰভাৱ যথেষ্ট আছিল। দৰঙৰ মুছলমানসকলে মাৰৈ(মনসা)পূজা কৰিছিল। আজিও মুছলমান লোকেৰে ভৰি থকা ছিপাঝাৰৰ মাৰৈ গাঁও তাৰ সুন্দৰ নিৰ্দশন। এই মাৰৈ গাঁৱৰেই মুছলমান সন্তান গৰিযা ওজা ওৰফে পৰশুৰাম ওজাই মনসা (মাৰৈ) পূজাত সুকনান্নী ওজা উঠিছিল। সেই মাৰৈ পূজা কৰা বাবেই গাঁওখনৰ নাম মাৰৈ হ'ল বুলি প্ৰবাদ আছে। আজিও মাৰৈ গাঁৱতেই ওজাঘৰ নামৰ এটি চুবা আছে। অৰ্থাৎ এই চুবাতেই গৰিযা ওজাৰ সতি-সন্ততি এতিয়াও জীৱিত আছে। এতিযাও তেওঁলোকে গো মাংস নাখায়। ওজাঘৰৰ ভঁৰালত এতিয়াও মাৰৈ পূজা কৰা সা-সঁজুলিৰ উপৰিও মনসা দেৱী (সৰ্প) আছে। কিন্তু বৰ্তমান থকা ওজাৰ বংশধৰে পূজা-পাতল নকৰে। যদিও পূজাৰ নৈবেদ্য দি থাকে। সেইদৰে মাৰৈ ওজাঘৰে কাতিবিহুও পালন কৰিছিল বুলি ওজাঘৰৰ বৰ্তমানে থকা আটাইতকৈ বয়সীযাল বৃদ্ধ মহিলা ৰহমানী বেগমে কয় যে— "আহিন আৰু কাতিমাহৰ সংক্ৰান্তিৰ দিনাখন তুলসী তলত চাকি দিয়া, বাৰী চিকুণোৱা, শস্যৰ অপৰাধী পোক-পৰুৱা নিধন কৰাৰ লগতে অতি কষ্টৰে গঢ়ি তোলা খেতি দৰা নদন-বদম হোৱাৰ প্ৰতি প্ৰাৰ্থনা জনাই পথাৰত চাকি বন্তি জলোৱা আমি বোৱাৰী হৈ অহা কালত দেখিছো। আজিও আমি কাতিবিহুত ধান

ৰ'দত নিদিওঁ, কাপোৰ-কানি নোধোওঁ, ঘৰ নমচোঁ। কিন্তু আগৰ দৰে তুলসী তলত বা পথাৰত চাকি-বন্তি নিদিওঁ। সেইবুলি কাতি মাহৰ তিথিক অতি পুণ্য তিথি বুলি গণ্য কৰি ঘৰ-দুৱাৰ, বাৰী, পদূলি আৰু গোহালিঘৰত ধুপ-ধুনা জ্বলোৱা হয়।"

সেইদৰে আহিন আৰু কাতিমাহৰ সংক্ৰান্তিৰ দিনাখন হাজৰিকাপাৰাৰ দেৱানন্দ সত্ৰত মথেনী উৎসৱ অনুষ্ঠিত হয়। এই অনুষ্ঠানৰ মূল কাৰ্য হ'ল ৰাইজে পূৰ্বতে সাজি ৰখা নিৰ্দিষ্ট স্থানত দেৱতা আৰু অসুৰৰ প্ৰতীকী সাগৰ মন্থন আৰু দেৱতা-অসুৰৰ কাজিয়া। এই অনুষ্ঠান সন্ধিয়া অনুষ্ঠিত হয়। আবেলি সেই নিৰ্দিষ্ট স্থানত দধিমন্থন হয়। দিনৰপৰা মথেনীখলাত মেলা বহে। এই মেলাত দেৱানন্দ সত্ৰৰ ওচৰৰে মুছলমান গাঁও বৰদৌলগুৰি আৰু সাতখলীৰ মুছলমান লোকে অংশ গ্ৰহণ কৰে। আগৰ দিনত হেনো দধিমন্থনত মুছলমান লোকেও অংশ গ্ৰহণ কৰিছিল। দূৰ-দূৰণিৰ পৰা মথেনী উৎসৱলৈ অহা আলহীক বৰদৌলগুৰিৰ মুছলমান সম্প্ৰদায়ৰ লোকে আজিও সেৱা কৰে।

অসমৰ সাংস্কৃতিক ইতিহাসত দৰং জিলাৰ বৰঙণি অলেখ। প্ৰাচীন কালৰে পৰা দৰং জিলাৰ মাজেৰে ব্যৱসায়িক পথ থকাৰ ফলত পৃথিৱীৰ বিভিন্ন জাতি-উপজাতিৰ লগত এটা সম্পৰ্ক গঢ় লৈ উঠিছিল। ঐতিহাসিক কালৰে পৰা শালস্তম্ভ বংশ, পাল বংশ, ভূঞা বংশৰ ৰজাসকলৰ প্ৰভাৱ আৰু শেষলৈ আহোম, কোঁচ, মুছলমানসকলৰ সংস্পৰ্শ ঘটাত এইদৰে দৰঙী সংস্কৃতিয়ে এটি নিৰ্দিষ্ট ৰূপ পৰিগ্ৰহ কৰাৰ লগতে আজিও মিলনৰ সম্প্ৰীতিৰ সেতুখন বাহিৰৰ কোনো শক্তিয়ে ছিঙিব পৰা নাই। দৰঙৰ হিন্দু-মুছলমানৰ সম্পৰ্ক সকলোৰে বাবে আদৰ্শনীয়।

প্ৰসঙ্গ পুথি ঃ

১। দৰঙৰ সাহিত্য সংস্কৃতিৰ ৰূপ ৰেখা— ছিপাঝাৰ সাহিত্য সভা।

২। অতুল চন্দ্ৰ বৰুৱাৰ ৰচনাৱলী— বৰুৱা প্ৰকাশন।

৩। দৰঙী কলা-কৃষ্টিৰ চমু কথা — শ্ৰীৰজনীকান্ত বৰুৱা।

৪। সম্প্ৰীতিৰ সেতু— মঃ খাইৰুল ইছলাম।

মোঃ আব্দুল গফুৰ



জন্ম : ১৯৪০ চন। ধুবুৰী জিলাৰ জালিকুৰা গাঁও।

শিক্ষা : স্নাতকোত্তৰ, হিন্দী বিশাৰদ।

কৰ্মজীৱন : চলন্তপাৰা হাইস্কুলত পাৰ্চী শিক্ষক হিচাপে শিক্ষকতা আৰম্ভ কৰি চাপৰ মাদ্রাছা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ।

সাহিত্য কৃতি আৰু সাংস্কৃতিক জীৱন : প্ৰকাশিত গ্ৰন্থ-উপন্যাস (১), স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ বাবে ৰচিত গ্ৰন্থ (৪), আন আন গ্ৰন্থ (৩), গোৱালপৰীয়া সংস্কৃতি সম্পৰ্কীয় লিখনিৰ উপৰিও বিভিন্ন কাকত-আলোচনীত অন্যান্য লিখনি প্ৰকাশ।

ৰাজহুৱা জীৱন : অসম সাহিত্য সভা আৰু আন আন সামাজিক সাংস্কৃতিক অনুষ্ঠানৰ সৈতে ওতপ্ৰোতভাৱে জড়িত।

চৰ অঞ্চলত মুছলমানসকলৰ মাজত কাতিবিহু উদ্‌যাপন

অসম উপত্যকাৰ সোঁমাজেদি পূবে শদিয়াৰ পৰা পশ্চিমে ধুবুৰীলৈ সুবৃহৎ ব্ৰহ্মপুত্ৰ নদ আৰু ইয়াৰ উপনৈবোৰে সৃষ্টি কৰিছে এক বৃহৎ চৰ অঞ্চল। অসমৰ মুঠ জনসংখ্যাৰ প্ৰায় ১৪% লোক ৰাজ্যখনৰ বিভিন্ন চৰ-চাপৰিত বাস কৰে। ১৯৯১ চনৰ লোকপিয়লমতে অসমৰ মুঠ জনসংখ্যা ২২৪১৪৩২২ জন। ইয়াৰ ১৬০০২৪২জন ব্ৰহ্মপুত্ৰ উপত্যকাৰ ১৪খন জিলাৰ ২০৮৯খন চৰ গাঁৱৰ বাসিন্দা। কৃষিয়েই চৰ অঞ্চলৰ লোকৰ জীৱিকাৰ প্ৰধান অৱলম্বন। ৯৫% লোকৰ জীৱিকা কৃষিৰ ওপৰতে নিৰ্ভৰশীল। অৰ্থাৎ চৰ-চাপৰিৰ ২৬৬৭৮৭টা পৰিয়ালেই কৃষিৰ লগত জড়িত।

চৰ অঞ্চলৰ সৰহভাগ ঠাই মুছলমান জনগোষ্ঠীৰ বাসভূমি। চৰ-চাপৰিত বাস কৰা এইসকল মুছলমানৰ প্ৰায় ৯০% লোক অবিভক্ত ভাৰতৰ পূৰ্ববঙ্গৰ ময়মনসিং, পাবনা, টাঙ্গাইল, সিৰাজগঞ্জ আদি জিলাৰ পৰা প্ৰব্ৰজন হোৱা। এইসকল লোক অসমলৈ আহোতে লগত নিজৰ ভাষা, কলা-কৃষ্টি আদি বহন কৰিছে। অসমত থাকিবলৈ লোৱাৰে পৰা এওঁলোক অসমৰ থলুৱা ভাষা-কলা-কৃষ্টিৰ লগত জাহ যায় যদিও, এওঁলোকৰ নিজস্ব কলা-কৃষ্টি কিছু পৰিমাণে হলেও পূৰ্ববঙ্গৰ ঠাঁচত গঢ়ি উঠা। সততে এইসকল লোক জনসমাজত ভাটীয়া (ভাটী ফালৰ পৰা অহা বাবে), চৰুৱা (চৰত বাস কৰা বাবে), ন-অসমীয়া (এসময়ত নতুনকৈ অসমলৈ আহি বাস কৰা বাবে), পমুৱা (কোনো এক সময়ত পাম খোৱাৰ উদ্দেশ্যে অসমলৈ অহা বাবে) আদি বিভিন্ন নামেৰে পৰিচিত। আচাৰ-ব্যৱহাৰত হীন-দেঢ়ি থাকিলেও এইসকল লোকে অসমীয়া বিহু পালন কৰি আহিছে। কাতি মাহত অসমত কাতিবিহু পালন হয়। দৰাচলতে চৰ অঞ্চলত কাতিবিহুৰ নামত স্পষ্ট আনুষ্ঠানিক ক্ৰিয়াকলাপ তেনেই বিৰল। কাতিবিহুৰ লগত সঙ্গতি ৰাখি মাহটোৰ বিশেষ কোনো কোনো সময়ত কেতবোৰ ক্ৰিয়াকলাপ অকলশৰীয়া বা গাইগুটীয়াকৈ উদ্‌যাপন কৰা হয়।

বানপানীৰ উপদ্ৰৱ বছৰৰ শেষবাৰৰ বাবে শাম কটাৰ লগে লগে চৰবাসীয়ে চৰৰ মাটিত শালিধান ৰোৱে। বাও ধানো সিঁচে। আহিন-কাতি মাহত ধানৰ থোৰ ওলায়। কাতিবিহুৰ দিনা গধূলি চৰৰ কোনো কোনো অঞ্চলত খেতি পথাৰত চাকি জ্বলায়, এই বিশ্বাসত যাতে পোক-পৰুৱা বা বেমাৰ-আজাৰে খেতিৰ কোনো প্ৰকাৰৰ অনিষ্ট সাধন কৰিব নোৱাৰে। সেইদিনা ঘৰৰ চৌহদৰ আৰু গোহালিঘৰৰ জাবৰ-জোঁথৰবোৰ সাৰি-সুৰি একগোট কৰি চৌহদৰ কোনো এক চুকত আৰু গোহালি ঘৰত সন্ধিয়া জুই লগাই পুৰি দিয়ে। ইয়াক চৰুৱা ভাষাত হান্‌জাল দিয়া বোলে। তেওঁলোকৰ বিশ্বাস ঘৰৰ মানুহ আৰু গোহালি ঘৰৰ গৰু-ছাগলী আদি বেমাৰ-আজাৰৰ পৰা ৰক্ষা পৰিব।

চৰৰ কোনো কোনো অঞ্চলত কাতিবিহুৰ আগৰ ৰাতি ঘৰৰ তিৰোতাই সৰিয়হ আৰু কেঁচা হালধি পিহি কলৰ দোনাত থৈ দিয়ে। পিচদিনা ৰাতিপুৱা ঘৰৰ পৰিয়ালৰ আটায়ে গা ধুই সেইবোৰ গাত লগাব। লগতে আগতে সংগ্ৰহ কৰি ৰখা পিয়াঁজ, আদা, তেতেলী আৰু ধানৰ থোৰ জুইত সেক দি তাৰ পৰা ৰস উলিয়াই পৰিয়ালৰ আটায়ে খাব। ইয়াক চৰুৱা ভাষাত 'গাস্বিজালান' বুলি কয়। এই ব্যৱস্থাৰে বিভিন্ন খৰ-খজুলিৰ পৰা ৰেহাই পাব পাৰি বুলি চৰুৱা লোকৰ বিশ্বাস।

কাতি মাহ মহঙ্গাৰ মাহ। খৰকালিৰ আৰম্ভণিৰ মাহ। খৰকালি বিশেষকৈ ফাগুন-চ'ত মাহত চৰ অঞ্চলত বসন্ত ৰোগৰ প্ৰাদুৰ্ভাৱ বাঢ়ে। খৰাং বতৰৰ মাহকেইটাত যাতে বসন্তৰ দৰে সংক্ৰামক ৰোগৰ আক্ৰমণৰ পৰা ৰক্ষা পাব পৰা যায় তাৰ বাবে এই মাহৰ যি কোনো দিনত গাঁৱৰ বা সমাজৰ লোকে সমূহীয়া চিৰ্নি কৰি পৰম করুণাময়ৰ নামত আগবঢ়ায়। এই উদ্দেশ্যে মছজিদত মিলাদ মেহুফিলৰ আয়োজন কৰি ৰোগ-ব্যাধিৰ পৰা মুক্তি পাবৰ কাৰণে সমূহীয়াভাৱে প্ৰাৰ্থনা কৰি আত্মিক তৃপ্তি লাভ কৰে।

কাতি মাহৰ অমাৱস্যা তিথিত চৰৰ কোনো অঞ্চলত চৰুৱা লোকে খেৰ বা গছৰ লতাৰে বাবীৰ গছ বান্ধে। বিশ্বাস সেই তিথিত গছ বান্ধিলে গছত ফল বেছিকৈ ধৰে আৰু ৰোগ-ব্যাধিৰ পৰা গছ মুক্ত হয়। তদুপৰি যি গছত একেবাৰে ফল নধৰে বা পাতলকৈ ফল ধৰে ঘৰৰ গিৰিহঁতে সেই গছৰ ওচৰলৈ চেমনীয়া ল'ৰাকেইজনক লৈ যাব আৰু গছ জোপাই কিয় ফল নিদিয়ে এই বুলি গছজোপাক গালি দিব। পিছত যেনিবা খং কৰি দা বা কুঠাৰেৰে গছজোপা কাটিব বিচাৰিব। তেতিয়া লগৰ ল'ৰাবোৰে ক'ব, "কাইটনা, কাইটনা, এইসম ফল দইৰব"। তেতিয়া তেওঁ গছ জোপা নেকাটি ঘূৰি আহিব। সেই একেই বিশ্বাসত এই কাৰ্য কৰা হয়।

যিসকল বেজ বা কবিৰাজে তন্ত্ৰ-মন্ত্ৰ চৰ্চা কৰে কাতি মাহৰ এই তিথিত তেওঁলোকে ৰাতি অকলশৰে ঢাৰি-পাটি পাৰি ধূপ-ধুনা জ্বলাই মুখস্থ থকা মন্ত্ৰবোৰ আওৰায় আৰু শিকিব লগা থাকিলে নতুনকৈ মন্ত্ৰ শিকে আৰু আনকো শিকায়। সেই ৰাতিয়ে তেওঁলোকে অগম্য স্থানৰ পৰা বস্তু দ্ৰব্য যেনে— শ্মশানৰ কাঠ, এণ্ডাৰ আৰু মৃতকৰ অস্থি-হাৰ্ড আদি তন্ত্ৰ-মন্ত্ৰৰ বাবে সংগ্ৰহ কৰে। এসময়ত চৰৰ কোনো কোনো ঠাইত এক অপসংস্কৃতিয়ে বিৰাজ কৰিছিল। বৰ্তমানে সেয়া লোপ পাই আহিছে। যাৰ চুৰ কৰাটো পেছা, সি অমাৱস্যা ৰাতিত ধৰা নপৰাকৈ অধিক সাৱধানেৰে গৃহস্থৰ বস্তু চুৰ কৰিছিল। সেই ৰাতি ধৰা নপৰিলে গোটেই বছৰে ধৰা নপৰাকৈ চুৰ কৰিব পাৰিব বুলি বিশ্বাস আছিল।

আনহাতে ঘৰৰ গৃহস্থয়ো সেই ৰাতি ঘৰৰ যাৱতীয় বয়-বস্তু অতি সাৱধান আৰু সতৰ্কতাৰে যতনাই ৰাখিছিল যাতে চোৰে কোনো বস্তু চুৰ কৰিব নোৱাৰে। তেতিয়া গোটেই বছৰ চোৰৰ দ্বাৰা ক্ষতিগ্ৰস্ত হোৱাৰ আশংকা নেথাকে বুলি চৰ অঞ্চলৰ লোকে বিশ্বাস কৰিছিল।

চৰৰ কোনো কোনো অঞ্চলত আকৌ আগন্তুক বছৰৰ মাহ কেইটাত বতৰৰ বতৰা আগতীয়াকৈ জানিবৰ বাবে কাতিবিহুৰ ৰাতি বা অমাৱস্যা তিথিত কচুৰ

পাত ছিঙি আনি প্ৰতিটো মাহৰ নামত একোটাকৈ পাত বান্ধি ৰখা হয়। ৰাতিপুৱা সেই বন্ধা কচুৰ পাত খুলি চোৱা হয। আশ্চৰ্যজনকভাৱে কোনো কোনো পাতত কুট-খৰি বা পানী দেখিব পোৱা যায়। যি মাহৰ পাতত কুট-খৰি থাকে সেই মাহত ধুমুহা বা তুফান হ'ব, যি মাহৰ পাতত পানী থাকে সেইমাহত বানপানী হ'ব, যি মাহৰ পাতত একো নাথাকে সেই মাহ স্বাভাৱিক থাকিব। এয়া চৰুৱা লোকৰ বিশ্বাস।

এইদৰে কাতিবিহুৰ লগত সঙ্গতি ৰাখি চৰৰ বিভিন্ন অঞ্চলৰ মুছলমানসকলে কাতিবিহু, কাতি মাহৰ বিভিন্ন সময়ত বিভিন্ন ধৰণে উদ্‌যাপন কৰি থাকে।

❖❖❖

ইছমাইল হোছেইন



জন্ম ঃ ১৯৬৫ চন। কয়াকুছি (বৰপেটা) গাঁও।

শিক্ষা ঃ ইঞ্জিনিয়াৰিঙৰ স্নাতক।

কৰ্মজীৱন ঃ ১৯৮৬ চনত ইনষ্টিটিউট অব ইলেক্ট্ৰনিক্‌চ ইঞ্জিনিয়াৰচত কৰ্ম জীৱন আৰম্ভ কৰি বৰ্তমান অসম ইঞ্জিনিয়াৰিং ইনষ্টিটিউটৰ চাকৰিয়াল।

সাহিত্য কৃতি আৰু সাংস্কৃতিক জীৱন ঃ কাব্যগ্ৰন্থ (৩), অন্যান্য গ্ৰন্থ (১৫), উপন্যাস(১), আলোচনী সম্পাদনা (৩), দেশ-বিদেশৰ বহুতো আলোচনীত মূল্যবান লিখনি প্ৰকাশ। অম্বিকাগিৰি ৰায় চৌধুৰী বঁটা বিজেতা।

ৰাজহুৱা জীৱন ঃ বিভিন্ন সাহিত্য-সংস্কৃতিমূলক অনুষ্ঠানৰ লগত নিবিড়ভাৱে জড়িত।

অভিবাসী অসমীয়া মুছলমান সমাজত কাতিবিহু

অসমৰ মুঠ জনসংখ্যাৰ প্ৰায় ১৮-২০ভাগ হ'ল অভিবাসী অসমীয়া মুছলমান। প্ৰব্ৰজনৰ ইতিহাসৰ সংমিশ্ৰণ প্ৰক্ৰিয়াৰে গঢ় লৈ উঠা বৃহত্তৰ অসমীয়া জাতিৰ অন্যতম অঙ্গ হ'ল অভিবাসী অসমীয়া মুছলমান। পূৰ্বতে বাংলাভাষী আছিল যদিও অসমীয়া ভাষা-সংস্কৃতিৰ সৈতে একাত্ম হৈ এই জনগোষ্ঠীটোৱে অসমৰ সমাজ আৰু সংস্কৃতিলৈ ব্যাপক অৱিহণা আগবঢ়াবলৈ সক্ষম হৈছে।

অসমীয়া ভাষা-সংস্কৃতি গ্ৰহণ কৰিলেও এই জনগোষ্ঠীটোৰ কিছুমান স্বকীয় কৃষ্টি আৰু পৰম্পৰা আছে আৰু সেইবোৰ কম-বেছি পৰিমাণে চৰ্চাৰ মাজেৰে জনগোষ্ঠীটোৱে স্বকীয়তা ৰক্ষা কৰিবলৈয়ো সক্ষম হৈছে। সেই স্বকীয় কৃষ্টি পৰম্পৰাৰ অন্যতম হ'ল কাতিবিহু।

স্থান আৰু পাত্ৰ সাপেক্ষে অভিবাসী অসমীয়া মুছলমানসকলে কাতিবিহুক 'গাস্যিৰ ৰাতি', 'কাতিবিহু', 'কাতি সংক্ৰান্তি' বা 'গাস্যি জাগা' বুলিও কোৱা হয়। আহিন আৰু কাতিৰ সংক্ৰান্তিত এই উৎসৱ পৰম্পৰাৰ মাজেৰে পালন কৰা হয়।

অভিবাসী অসমীয়া মুছলমানসকল মূলতঃ নৈৰ পাৰ বা দ' ঠাইত বসবাস কৰে। সেয়ে চৰ-চাপৰি আৰু নৈপৰীয়া অভিবাসী অসমীয়া মুছলমানসকলে পালন কৰা কাতিবিহুৰ সৈতে নদী, পানী, পানীৰ সৈতে জড়িত সামগ্ৰী আদিৰ সম্পৰ্ক থাকে।

অভিবাসী মুছলমান সমাজত কাতি মাহক 'মৰা কাতি' বুলি কোৱা হয়। কাতি মাহ আকাল বা অনাটনৰ মাহ। এই মাহত খাদ্যৰ নাটনি হোৱাৰ উপৰিও বেমাৰ-আজাৰ বেছিকৈ হয়। সেয়ে 'মৰা কাতি'ক বিদায় জনাবলৈ অভিবাসী মুছলমান সমাজত দুটা প্ৰক্ৰিয়াৰ মাজেৰে কাতিবিহু পালন কৰা হয়। তাৰে এটা প্ৰক্ৰিয়াত মূলতঃ সৰু ল'ৰা-ছোৱালী আৰু মতা মানুহ আনটো প্ৰক্ৰিয়াত গাভৰু ছোৱালী আৰু মহিলাসকল জড়িত হৈ থাকে।

ল'ৰা-ছোৱালী আৰু মতা মানুহ জড়িত হোৱা পৰ্বটোক 'গছকটা কাতিবিহু' বুলি কোৱা হয়। এই পৰ্বত গছ কটা কৰ্মক প্ৰতীক হিচাপে লোৱা হয়। বেলি ডুব যোৱাৰ প্ৰায় এঘণ্টামান পিছৰ পৰা এই পৰ্ব আৰম্ভ হয়। ঘৰ আৰু ওচৰ-পাজৰৰ সৰু ল'ৰা-ছোৱালী গধূলিতে একেলগ হৈ জুইৰ ভোটা বা চাকি হাতত লৈ ফল নিদিয়া গছৰ তললৈ যায়। বয়সীয়ালসকলে হাতত দা আৰু কটাৰী লৈ যেতিয়া গছৰ গুৰিত কাটিবলৈ ধৰে তেতিয়া ল'ৰা-ছোৱালীবোৰে ৰাউচি জুৰি চিঞৰি বাধা প্ৰদান কৰি কয়, "কাইট'না কাইট'না, আছাবাৰ ফল দিব।" অৰ্থাৎ, নেকাটিবা নেকাটিবা, অহা বছৰ ফল দিব।

ফল দিয়া গছত যদি কিবা কাৰণত ফল নিদিয়ে তেনেহ'লে কাতিবিহুত সেই বিশেষ গছত গধূলি বা ৰাতিৰ ভাগত কোবালে পিছৰবাৰ ফল দিয়ে বুলি লোক বিশ্বাস আছে। গছ কটা কামটো যিহেতু প্ৰতীকী অৰ্থত কৰা হয়, সেয়ে বাধা প্ৰদান কৰাৰ পিছত গছ কটা বন্ধ হয়। একেদৰে আটায়ে আন এঘৰৰ চোতাল বা বাৰীলৈ গৈ একে প্ৰক্ৰিয়াৰে এটা দলে গছ কাটে আৰু আনটো দলে বাধা প্ৰদান কৰে। এই সময়ছোৱাত গছ কটাক কেন্দ্ৰ কৰি ৰগৰো কৰা হয় আৰু তেনে ৰগৰ শুনিবলৈ ঘৰৰ মানুহবোৰ গোট খাই গছ কটা পৰ্বটো চাই থাকে। বাধা পাই গছ কটা বন্ধ কৰাৰ পিছত আটায়ে সমস্বৰে গান গায়—

"কাতি মাসেৰ আকালে গাছ কাটুমনা আৰ
গাছেৰ ফল বেইচ্যা আমৰা মাৰুম মাসেৰ ধাৰ।"

(কাতি মাহৰ আকালত অধিক গছ নেকাটো। অহাবাৰ ফল দিলে সেই ফল বিক্ৰী কৰি মাহৰ ধাৰ পৰিশোধ কৰিম।)

এটা সময়ত গছ কটা পৰ্ব বন্ধ হ'লে আটায়ে ঘৰাঘৰি যায় আৰু দিনৰ ভাগত গোটাই থোৱা সামগ্ৰীৰে 'গাস্যিৰ ৰাতি' বা কাতিবিহুৰ দ্বিতীয় পৰ্ব আৰম্ভ কৰে।

কাতিবিহুৰ দ্বিতীয় পৰ্বক 'জাগ দিয়া' পৰ্ব বুলি জনা যায়। এই পৰ্ব সম্পন্ন কৰিবলৈ নিম্নোক্ত সামগ্ৰীসমূহৰ প্ৰয়োজন। যেনে— দুবৰি বন, কেঁচা হালধি, চাল-কোমোৰা, নাৰিকল, ডালিমৰ কুঁহিপাত, ভেটফুল, বাঁহৰ গাজ, মিঠাতেল, মৰাপাটৰ গুটি অথবা শুকান পাত, পাণ, তামোল, কচুপাত, ধানৰ থোক, আৰৈ চাউল, বিভিন্ন ধৰণৰ ফুল, কলহ ভৰ্ত্তি পানী (সাত ঘাটৰ বা সাতোটা কুঁৱাৰ), গোটা সৰিয়হ, শেলেকু, বিভিন্ন ধৰণৰ গছৰ পাত আদি।

এই আটাইবোৰ সামগ্ৰী চোতালত কলপাত পাৰি তাৰ ওপৰত থোৱা হয়। কলপাত পাৰি দিয়া ঠাইখিনি আগতীয়াকৈ আলতীয়া মাটিৰে লেপি দিয়া হয়। তাৰ পিছত আটাইখিনি সামগ্ৰী বাহি হ'বলৈ দি পিছদিনা সেইবোৰ প্ৰয়োজনত ব্যৱহাৰ কৰাৰ উপৰিও হালধিখিনি বটি পানী, দুবৰি বন, তেল, মৰাপাটৰ গুটি, ডালিমৰ কুঁহিপাত আদিৰ সৈতে মিহলাই গা ধোৱা হয়। এনে কৰিলে বছৰটোৰ বাবে ছালৰ বেমাৰ বা আন বেমাৰ নহয় বুলি বিশ্বাস কৰা হয়। তদুপৰি ছোৱালীবোৰে 'গাস্যিৰ ৰাতি'ৰ সামগ্ৰীবোৰ ব্যৱহাৰ কৰিলে ছালৰ বৰণ ধুনীয়া হয় বুলি বিশ্বাস কৰে।

কাতিবিহুৰ ৰাতি কিছুমান আমোদজনক ঘটনাও ঘটে। বাৰ বছৰৰ পৰা ওঠৰ বছৰৰ ল'ৰাবোৰে 'গাস্যিৰ ৰাতি' ১২ বজাৰ পিছত 'চিকাৰ'ত নামে। এই চিকাৰৰ নিয়ম হ'ল 'গ্যাস্যিৰ ৰাতি'ৰ বাহি সামগ্ৰীবোৰৰ একাংশ চুৰি কৰা। গৃহস্থই বিছনা ধৰাৰ পিছতেই ল'ৰাবোৰে চোতালে চোতালে গৈ 'গাস্যিৰ ৰাতি'ৰ নাৰিকল, কোমোৰা আৰু শেলেকু চুৰ কৰে। কেবাঘৰৰ চোতালৰ পৰা সামগ্ৰীবোৰ গোটাই ল'ৰাবোৰে এঠাইত সঞ্চয় কৰি ৰাখে আৰু পিছদিনা সেইবোৰেৰে ভোজ-ভাত খায়। 'গাস্যিৰ ৰাতি' কোনোবাই সামগ্ৰীবোৰ চুৰ কৰোতে ধৰা পৰিলে একো অপৰাধ নহয়। এনেকি যিয়ে নিখুঁতভাৱে চুৰ কৰিব পাৰে তেওঁ বছৰজুৰি নিৰোগী আৰু সবল হৈ থাকে বুলি কোৱা হয়। 'গাস্যিৰ ৰাতি'ৰ সামগ্ৰীবোৰ যাতে চুৰি নহয় তাৰ বাবে ঘৰৰ গৃহস্থ বা বুঢ়ী আইতাগৰাকী ওৰে ৰাতি জাগি থাকে।

আনহাতে 'গাস্যিৰ ৰাতি'ৰ সুযোগ লৈ আচল চোৰ কিছুমানেও তেওঁলোকৰ কৃত-কৰ্ম আৰম্ভ কৰে। চোৰবোৰে ভবামতে 'গাস্যিৰ ৰাতি' কিবা এটা সামগ্ৰী চুৰি কৰি ধৰা নপৰাকৈ থাকিলে তেওঁ 'সমগ্ৰ বছৰটোতেই নিৰাপদে চুৰি কাৰ্য চলাই যাব পাৰে। সেয়ে সেই ৰাতিটো চোৰ এজনৰ বাবে উল্লেখযোগ্য সময়।

ওপৰত উল্লেখ কৰা কাতিবিহুৰ পৰ্ব দুটি কেৱল মুছলমান সমাজতে প্ৰচলিত নহয়, হিন্দু সমাজতো ইয়াৰ প্ৰভাৱ আছে। অভিবাসী মুছলমানসকল অবিভক্ত ভাৰতবৰ্ষৰ পূৰ্ববঙ্গৰ হিন্দু সমাজৰ পৰা ধৰ্মান্তৰিত হৈ ইছলাম ধৰ্ম গ্ৰহণ কৰা হেতুকে তেওঁলোকৰ লোকাচাৰ আৰু উৎসৱ-পাৰ্বণত হিন্দু সমাজৰ লোকাচাৰৰ প্ৰভাৱ পৰিছে। অভিবাসী অসমীয়া মুছলমানসকলে পালন কৰা কাতিবিহুৰ সৰহখিনি পৰম্পৰাই হিন্দু সমাজৰ পৰা অহা। সেয়ে 'গাস্যিৰ ৰাতি' বা কাতিবিহুৱে ধৰ্মনিৰপেক্ষ উৎসৱৰূপে স্বীকৃতি লাভ কৰিছে। অৱশ্যে মুছলমান সমাজত শুদ্ধিকৰণ প্ৰক্ৰিয়া জোৰদাৰ হোৱাৰ লগে লগে এই আনন্দমুখৰ পৰ্ব দুটিৰ প্ৰভাৱো লাহে লাহে কমি আহিবলৈ ধৰিছে।

লোক-বিশ্বাস জড়িত হৈ থাকিলেও অভিবাসী অসমীয়া মুছলমান সমাজত পালন কৰা কাতিবিহুৰ কিছুমান বিজ্ঞানসম্মত দিশো আছে। যেনে, গছত দা-কুঠাৰৰ কোব পৰাৰ লগে লগে ইয়াৰ ৰস ক্ষৰণ হয় আৰু তেতিয়া গছে বেয়া ৰসবোৰ উলিয়াই দি নতুন ৰস সঞ্চয় কৰি ল'ব পাৰে। ইয়াৰ ফলত গছৰ ধাৰণ ক্ষমতাও বাঢ়ে। তদুপৰি বাহি হোৱা সামগ্ৰীৰে ৰাতিপুৱাৰ ভাগতে গা ধুলে মনটোও ফৰকাল হয় আৰু মনৰ দৃঢ়তা বাঢ়ে।

উপৰিউক্ত পৰ্ব দুটাৰ উপৰিও কিছু সংখ্যক লোকে 'গাস্যিৰ ৰাতি' পথাৰত, বিশেষকৈ ধাননিত 'ভোগ' দিয়ে। ভোগ দিলে হেনো 'কৃষি-দেৱতা' বা পীৰ-মুৰ্শিদ সন্তুষ্ট হয় আৰু খেতিৰ শস্য নদন-বদন হয়। কিছুমানে তুলসীৰ তলত চাকিও জ্বলায়।

অলৌকিকতাক বাদ দি কাতিবিহু বা 'গাস্যিৰ ৰাতি'ৰ কৃষিমুখী দিশটোত গুৰুত্ব প্ৰদান কৰিলে এই উৎসৱটিয়ে ধৰ্মনিৰপেক্ষ উৎসৱৰূপে হিন্দু-মুছলমান উভয় সম্প্ৰদায়ৰ ৰাইজৰ মাজত গ্ৰহণযোগ্যতা বিচাৰি পাব।

❖❖❖

বিভা হাতীবৰুৱা

জন্ম ঃ ১৯৬৭ চন। যোৰহাট জিলাৰ মৰিয়নী।

শিক্ষা ঃ স্নাতকোত্তৰ।

কৰ্মজীৱন ঃ অস্থায়ীভাবে শিক্ষকতা আৰম্ভ কৰি বৰ্তমান ব্যৱসায়।

সাহিত্য কৃতি আৰু সাংস্কৃতিক জীৱন ঃ বিভিন্ন কাকত আলোচনীত লিখনি প্ৰকাশ, প্ৰকাশিত কবিতা সংকলন(২), গল্প সংকলন (১), সম্পাদিত আলোচনী আৰু স্মৃতিগ্ৰন্থ ২০খনৰো অধিক। অনাতাঁৰ কেন্দ্ৰৰ অনুমোদিত অভিনেত্ৰী।

ৰাজহুৱা জীৱন ঃ সদৌ অসম নবীন লেখক-লেখিকা আৰু শিল্পী সমিতিৰ উপৰিও বিভিন্ন সামাজিক আৰু সাংস্কৃতিক অনুষ্ঠানৰ সৈতে জড়িত।

অসমৰ চুতীয়াসকলৰ মাজত কাতিবিহুৰ প্ৰচলন

এটা জাতিৰ জাতীয় সত্তাৰ পৰিচয় লুকাই থাকে জাতিটোৰ কৰ্মৰাজিৰ মাজত। সেয়েহে জাতি এটাৰ জাতীয় চৰিত্ৰ বিশ্লেষণত লোক-সংস্কৃতিৰ ভূমিকা অপৰিসীম। বিভিন্ন সংস্কৃতি আৰু বহু জাতি-উপজাতিৰ সংমিশ্ৰণৰে গঠিত অসমীয়া জাতি। অসমীয়া জাতিৰ জাতীয় সত্তালৈ চুতীয়াসকলৰ অবদান অনস্বীকাৰ্য।

খৃঃ পূঃ দুহেজাৰ বছৰৰ আগতে অসমৰ উত্তৰ-পূব পথেদি অসমত প্ৰবেশ কৰা তিব্বতো-বৰ্মান বৰ'গোষ্ঠীৰ যিসকল লোকে প্ৰথমে সৌমাৰ খণ্ডতে ভৰি দি বৈ গৈছিল, সেইসকল লোকেই পাছত চুতীয়া আৰু তেওঁলোকৰ ৰাজ্য চুতীয়া ৰাজ্য বুলি খ্যাত হৈছিল। কালিকাপুৰাণ আৰু যোগিনীতন্ত্ৰৰ মতে প্ৰাচীন কামৰূপৰ পূৰ্বভাগেই আছিল সৌমাৰপীঠ।

বুৰঞ্জীয়ে গৰকা পৰিবৰ্তনৰ কোবাল সোঁতে চুতীয়াসকলৰ বাসভূমিত প্ৰভূত পৰিবৰ্তন আনিলে। বৰ্তমান অসমৰ চুতীয়াসকল অবিভক্ত লক্ষীমপুৰ, ডিব্ৰুগড়, শিবসাগৰ, যোৰহাট, নগাওঁ আৰু দৰং জিলাৰ বিস্তৃত অংশত আৰু কাছাৰ জিলাৰো একাংশত তাৰাপুৰ অঞ্চলত বাস কৰে। কামৰূপ জিলাৰ উত্তৰ গুৱাহাটীৰ ৰংমহল আৰু চুতীয়াপাৰাত (বৰ্তমান চাংসাৰি) বহুতো চুতীয়ালোক এতিয়াও আছে। সেইদৰে গুৱাহাটী মহানগৰীৰ বিভিন্ন ঠাইত চাকৰি আৰু অন্য কাৰণত থকা চুতীয়াসকলৰ সংখ্যাও কম নহয়।

প্ৰকৃতি আৰু জীৱনৰ প্ৰত্যেকটো পৰিবৰ্তনকে অতি আবেগিকভাৱে আদৰণি জনোৱা চুতীয়াসকলৰ আনন্দ-উল্লাস, হাঁহি-কান্দোনবোৰ গীত, বাদ্য আৰু আচৰণৰ মাজেদি আত্মপ্ৰকাশ কৰিছে। চুতীয়াসকলৰ তেনে অনুষ্ঠানৰ প্ৰথম নামটোৱেই বিহু।

"চুতীয়া ভাষাত বিহুক 'বিচু' বুলি কোৱা হয়। 'বি' মানে অতি 'চু' মানে আনন্দময বুজায। গতিকে 'বিচু' শব্দই অতি আনন্দময় এটি উৎসৱক বুজায়। বিচু শব্দটি অপভ্ৰংশ হৈ 'বিহু' শব্দ উৎপত্তি হৈছে। (দেউৰী চুতীয়া ঃ ড° পৱনচন্দ্ৰ শইকীয়া)

"বৰ্তমান পণ্ডিতসকলে বিষুব শব্দৰ পৰাই বিহু শব্দৰ উৎপত্তি হোৱা বুলি কয। কিন্তু আচলতে চুতীয়াৰ বিচু (সৰ্বোচ্চ আনন্দ) বা চীনৰ 'পিহু' শব্দৰ পৰাহে বিহু শব্দৰ উৎপত্তি হৈছে।" (চুতীয়া জাতিৰ ইতিহাস আৰু লোক সংস্কৃতি ঃ সূৰ্যকান্ত খনিকৰ, পৃষ্ঠা— ৩৩০)

চুতীযা সমাজত 'বিচু' মুঠতে তিনিটা। কাতিবিচু, মাঘীয়বিচু আৰু বহাগীয়বিচু। সাধাৰণভাৱে সকলো অসমবাসীয়ে বিহু তিনিটা পালন কৰে। কাতিবিহু বা কঙালীবিহু, মাঘ বিহু বা ভোগালীবিহু আৰু বহাগবিহু বা ৰঙালীবিহু। আনকি সমগ্ৰ ভাৰতবৰ্ষতে সংক্ৰান্তি হিচাপে ইয়াক পালন কৰা হয়। আগতে চুতীয়াসকলে কাতি, মাঘ আৰু বহাগ মাহৰ প্ৰথম বুধবাৰত বিহু পালন কৰিছিল যদিও আদ্যধৰ্মত বিশ্বাসী চুতীয়াসকলৰ ওপৰত হিন্দুধৰ্মৰ প্ৰভাৱ, জ্যোতিষশাস্ত্ৰ, পঞ্জিকা আদি চৰ্চা কৰাৰ ফলতে বিহু সংক্ৰান্তিৰ দিনাই পালন কৰা নিয়ম হ'ল বুলিব পাৰি।

কৃষিজীবী আৰু মাতৃশক্তিকে সৃষ্টিৰ মূল আধাৰ বুলি বিশ্বাস কৰাসকলে 'বিহু' উদ্‌যাপনৰ অন্তৰালত নাৰী জীৱনৰ তিনিটা স্তৰ সম্পৰ্কিত কৰিব খোজে। আদ্যধৰ্মত বিশ্বাসী চুতীয়াসকলে পিতৃ-মাতৃক সৃষ্টিৰ মূল আধাৰস্বৰূপে জ্ঞান কৰাৰ দৰে সকলো সৃষ্টিৰে আদি কাৰণ কুণ্ডিমামা (আদি পুৰুষ-প্ৰকৃতি), গিৰা-গিৰাচীক পূজা কৰে। সেয়েহে কৃষিকৰ্মৰ সৈতে জড়িত মানুহে প্ৰকৃতিৰ উৰ্বৰা শক্তি বৃদ্ধিৰ বাবে বিহু পালন কৰে। চ'ত-বহাগত প্ৰকৃতিয়ে ন-কুঁহিপাত সলায়। এই মাহতেই

মিলনৰ উৎসৱৰূপে উদ্‌যাপিত বসন্তোৎসব বা বহাগবিহুৱে অধিক আনন্দ প্ৰদান কৰে। বহাগ মাহতে কৃষিৰ বাবে কৰ্ষণৰ কাম আৰম্ভ হয়। গৰ্ভৱতী নাৰীক পাঁচমাহত পঞ্চামৃত আৰু সাতমাহত ভাতপিঠা খুউৱা ঘৰুৱা অনুষ্ঠানটি মাতৃস্বাস্থ্যৰ উন্নতিৰ সৈতে জড়িত আনন্দোৎসৱ, ঠিক সেইদৰে পথাৰত শস্যই গেঁৰ ধৰি চেৰা ওলাবৰ সময়ত পালিত কাতিবিহুৰ তাৎপৰ্যও মনকৰিবলগীয়া। পথাৰৰ পৰা শস্য চপাই কৃষকৰ ভঁৰাল পৰিপূৰ্ণ হোৱাৰ পিছত পালিত মাঘবিহুক নাৰীয়ে সন্তান জন্ম দিয়াৰ পিছত হোৱা আনন্দ উৎসৱৰ সৈতে সামঞ্জস্যতাক সূচায়।

শৰতৰ আগমনৰ লগে লগে পৃথিৱীয়ে নিৰ্মল স্নিগ্ধতা লভাৰ সময়ত পালিত হয় কাতিবিহু। আন দুটা বিহুৰ তুলনাত এই বিহুত আনন্দ-উল্লাস কম যদিও চুতীয়াসকলে কিছুমান নিৰ্দ্দিষ্ট কাম বাদ নিদিয়ে। পুৱাবেলাতে ঘৰ-দুৱাৰ সুন্দৰকৈ মচি-কাচি পৰিষ্কাৰ কৰা হয়। "মৃতকৰ উপৰি পুৰুষৰ নামত, বিহুৰ শলিতা লগাই চুতীয়া জনগোষ্ঠীৰ মানুহে পুৰুষ পৰম্পৰাৰ সঙ্গতিৰ সেতু বান্ধে। বৰা চাউলৰ 'চেৰা দিয়া', মাছ-মঙহৰ ভজাৰে 'মৃতকৰ জলপান' কৰায়। সংক্ৰান্তিৰ দিনা বিহু ইয়াৰেই খায়। চুতীয়া জনগোষ্ঠীৰ বাবে ইয়াতকৈ সোৱাদ আন জলপান একো নাই।" (বিহুৰ শলিতা লগোৱা ঃ কোযেশ্বৰ বৰুৱা, পৃষ্ঠা-৩)। মহাপুৰুষ শঙ্কৰদেৱ প্ৰচাৰিত বৈষ্ণৱ ধৰ্মৰ 'শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ'ৰ অন্তৰ্গত চুতীযাসকল আৰু তাৰ বাহিৰৰ আচৰণত চলা চুতীযাসকলৰ কামত কিছু পাৰ্থক্য পৰিলক্ষিত হয়। তথাপিও এইটো উল্লেখযোগ্য যে "বিহুৰ শলিতা লগোৱা বা বিহুৰ বতৰত শলিতা লগাই মৃতকৰ জলপান কৰোৱা অসমৰ চুতীযা জনগোষ্ঠীৰ এটি প্ৰাচীন অৰ্থবহ অনুষ্ঠান। কেউটা বিহুতে এইভাগ সেৱা চুতীযাসকলৰ ঘৰে ঘৰে পাতে। ইযাৰ মাজত চুতীয়াসকলৰ প্ৰাচীন ঐতিহ্য নিহিত হৈ আছে।' (বিহুৰ শলিতা লগোৱাঃ কোযেশ্বৰ বৰুৱা, পৃষ্ঠা-১)

কাতিবিহুত নতুনকৈ তুলসী পুলি ৰোপণ আৰু সন্ধিয়া তুলসী সেৱা এক বৈশিষ্ট্যপূৰ্ণ অনুষ্ঠান। দিনৰ আগভাগতে নতুনকৈ ৰোৱা তুলসীৰ গুৰিত মাটিৰে ঢাপ তুলি ওখ কৰি থাপনাৰ দৰে কৰি মচি-কাচি সুন্দৰ কৰি ৰাখে। সন্ধিয়া মাটিৰ চাকি নহলে অমিতাৰ চাকি কৰি মিঠাতেল দি শলিতা লগাই ঘৰৰ গৃহিণীগৰাকীয়ে মাহ-প্ৰসাদৰ শৰাই আগবঢায় আৰু সৰু ল'ৰা-ছোৱালীবিলাকে নাম গাই আঠু লয়। এখন থালত বন্তি এগছি লৈ ল'ৰা-ছোৱালীবিলাকে এঘৰৰ পৰা আনঘৰলৈ যায় আৰু নাম গাই তুলসী সেৱা কৰে। ঠাই বিশেষে চুতীয়াসকলৰ বুঢা-মেঠাসকলেও তুলসী সেৱা কৰা পৰিলক্ষিত হয়। কাতিবিহুৰ পিছৰ পৰা গোটেই কাত্তি মাহটোতে তুলসীৰ তলত চাকি জ্বলালে 'শুভ' বুলি বিশ্বাস প্ৰচলিত আছে। কাৰণ "তুলসী হিন্দুসকলৰ পৱিত্ৰ বৃক্ষ। তুলসী পূজাৰ পৰা লক্ষ্মী লাভ হয়।

পদ্মপুৰাণৰ মতে বিষ্ণুভক্তা বৃন্দা বিষ্ণুৰ বৰত তুলসী হৈ জনম ললে। ব্ৰহ্মবৈবৰ্ত পুৰাণৰ মতে তুলসী কৃষ্ণপ্ৰিয়া ৰাধিকাৰ সহচৰী। বিষ্ণুৰ বৰ মতে তুলসীৰ কেশৰ পৰাই লক্ষ্মীসদৃশ তুলসী গছৰ জন্ম। এপিনে পথাৰত ধান চাবলৈ গৈ আনপিনে সন্ধিয়া তুলসী তলত এগছি চাকি দিয়া আদৰ্শই ধানৰূপা লক্ষ্মী বৃদ্ধিৰ কামনাকে সূচায়। ই কৃষিৰ পবিত্ৰতা আৰু দেৱত্ব স্বীকাৰ কৰে। একালত কাতিবিহুৰ সময়তো এটা কোবাল উৎসৱ আছিল যেন লাগে।" (নীলাচল, ৭ম সংখ্যা, ১৯৬৯; বিহুৰ বাণীঃ ড°লীলা গগৈ।)

তুলসীৰ সৈতে জড়িত এটি কাহিনী এনেধৰণৰ—"বিষ্ণু অংশজাত শ্ৰীদক্ষ মাবৰ্ণিৰ বংশধৰ ধৰ্মধ্বজে সূৰ্য দেৱতাৰ অভিশাপ পাই শ্ৰীভ্ৰষ্ট আৰু ৰাজভ্ৰষ্ট হৈ লক্ষ্মীৰ উপাসনা কৰে। লক্ষ্মীদেৱী প্ৰসন্ন হৈ তেওঁলোকৰ কন্যাৰূপে জন্মগ্ৰহণ কৰিব বুলি কথা দিযে। কালক্ৰমত ধৰ্মধ্বজে লক্ষ্মীৰ চিহ্নযুক্ত কমনীয় কান্তিবিশিষ্টা কন্যা সন্তান লাভ কৰিলে। দৈৱজ্ঞসকলে অতুলনীয় ৰূপহী কন্যাটিৰ নাম দিলে তুলসী। জাতিস্মৰা তুলসীয়ে পূৰ্বজন্মৰ কাহিনী সুঁৱৰি নাৰায়ণক পতিৰূপে পোৱাৰ আশাৰে বনলৈ গৈ বায়ু, ফল-পত্ৰ ভক্ষণ কৰি দুৰ্বাৰ তপস্যা কৰিবলৈ ধৰিলে। তেওঁৰ তপস্যাত মুগ্ধ হৈ প্ৰজাপতি ব্ৰহ্মা সমুখত আবিৰ্ভাৱ হৈ তুলসীৰ অভিলাস জানিবলৈ বিচাৰিলে। তুলসীয়ে গোলোকধামত হোৱা সকলো ঘটনা শ্ৰীকৃষ্ণৰ কথামতে তুলসীৰ নৰৰূপ-ধাৰণৰ কথা আৰু ভগবান শ্ৰীকৃষ্ণই তুলসীৰ আশা পূৰণৰ বাবে দিয়া প্ৰতিশ্ৰুতিৰ কথা সদৰি কৰি ব্ৰহ্মাৰ পৰা উচিত বৰ প্ৰাৰ্থনা কৰিলে। ব্ৰহ্মাই তুলসীক আন এটি কাহিনী ক'লে— সিটো কাহিনী সুদামাৰ, যি ৰাধিকাৰ শাপত আহি ধৰাধামত শঙ্খচূড নামে ইতিমধ্যে জন্ম হৈছিল। ব্ৰহ্মাই ক'লে ইহজনমত পুণ্যাত্মা শঙ্খচূড়ক পতিৰূপে বৰণ কৰি জগতত অপাৰ খিয়াতি ৰাখি তেওঁলোকে শাপমুক্ত হ'বলৈ সক্ষম হ'ব।

এদিন প্ৰতীক্ষিতা তুলসীৰ আগলৈ শঙ্খচূড আহিল। দুয়ো দুয়োৰে সত্ত্ব গুণাত্মিকা বুদ্ধিৰ পৰিচয় ল'লে। ৰূপ আৰু গুণৰ অপূৰ্ব সমন্বয়ৰ প্ৰতীক দুয়ো পৰস্পৰৰ প্ৰতি আকৰ্ষিত হোৱাৰ সময়তে ব্ৰহ্মাৰ আবিৰ্ভাৱ হৈ তেওঁলোকৰ মিলন সুদৃঢ় কৰি তুলিলে। তুলসীৰ পাণি গ্ৰহণ কৰি দৈৱ বলেৰে বলী শঙ্খচূড মহাপ্ৰতাপী হৈ পৰে। তেওঁৰ গৰ্বই স্বৰ্গৰাজ্যকো থান-বান কৰি পেলালে। অমৰসবে ত্ৰাহি মধুসূদন বুলি মহাত্ৰাসত ব্ৰহ্মা, মহাদেৱকো লৈ বৈকুণ্ঠপুৰ পালেগৈ।

নাৰায়ণে দেৱতাসকলক সান্ত্বনা আলাপেৰে তুষ্ট কৰি শঙ্খচূড়ৰ জন্মান্তৰৰ সকলো কথা বিবৰি ক'লে আৰু তেওঁৰ বিনাশৰ বাবে পাশুপাত অস্ত্ৰ মহেশ্বৰক প্ৰদান কৰিলে। নাৰায়ণে ইয়াকো ক'লে যে শঙ্খচূড়ৰ অজয় কবচ আৰু তেওঁৰ

পত্নী তুলসীৰ সতীত্ব যিমান দিনলৈ ৰক্ষিত হ'ব সিমান দিনলৈ তেওঁ অবধ্য হৈ থাকিব।

শঙ্খচূড়ৰ লগত সুদীৰ্ঘ এবছৰ তয়ামূয়া ৰণ চলিল, কাৰো বিজয় কিম্বা পৰাজয় হোৱা নাই। এদিন সুবিধামতে নাৰায়ণে ব্ৰাহ্মণৰ বেশত আহি শঙ্খচূড়ক দান-ভিক্ষা বিচাৰি প্ৰতিজ্ঞাবদ্ধ কৰায় আৰু কবচ নিজ হাতলৈ নিয়ে। পিছ মুহূৰ্ততে শঙ্খচূড়ৰ বেশ লৈ ৰাজ অন্তেষপুৰত প্ৰবেশ কৰেগৈ। শঙ্খচূডবেশী নাৰায়ণক দাসীসবে জয়ধ্বনি কৰি আদৰিলে, স্বামীৰ প্ৰতীক্ষাত থকা তুলসীয়ে পত্নীসুলভ ব্যৱহাৰেৰে পৰিচৰ্যা কৰিলে।

'শঙ্খচূড় ৰূপে হেথা কৰিয়া গমন।
তুলসীৰ সতী ধৰ্ম কৰিলা হৰণ।।'

ইয়াৰ পাছত মহাদেৱৰ পক্ষে শঙ্খচূড় বধ সহজ হৈ পৰিল। পাশুপাত অস্ত্ৰৰ প্ৰভাৱত শঙ্খচুডে কিশোৰ গোপৰ বেশত দিব্য বিমানত উঠি গোলোকধামলৈ গতি কৰিলে। তেওঁৰ অৱশিষ্ট ভষ্মীভূত দেহ লৱণ সাগৰত ক্ষেপণ কৰাৰ পৰাই শঙ্খৰ উৎপত্তি হ'ল।

ইতিমধ্যে ভেশছদ্মৰূপী শঙ্খচুডৰ ব্যৱহাৰত সতী তুলসীৰ সন্দেহ হ'ল আৰু তেওঁৰ প্ৰকৃত পৰিচয় বিচাৰিলে অন্যথা অভিশাপৰ ভয় দেখুৱালে। খন্তেকৰ ভিতৰতে নাৰায়ণে নিজ ৰূপত তেওঁৰ ওচৰত থিয় দিলে। পূৰ্ণ ব্ৰহ্মক সাক্ষাৎ পালেও অন্যায় কৰি তুলসীৰ সতীধৰ্ম নষ্ট কৰি শঙ্খচূডক বধ কৰাৰ বাবে নাৰায়ণক শিলা হৈ থাকিব বুলি অভিশাপ দিলে। ইয়াৰ ফলত শালগ্ৰাম শিলাৰ জন্ম হয়। ব্ৰহ্ম অংশে জন্মা একান্ত ভক্তা আৰু সতীত্ব মহিমাৰে তুলসীয়ে নশ্বৰ দেহ ত্যাগ কৰি খন্তেকতে গোলোকধামলৈ গতি কৰিলে। কিন্তু পৰম কৃপালু নাৰায়ণে সেই অসাৰ দেহাক গণ্ডকী নদী ৰূপ দি নিজেও সেই নদীৰ সোঁতত শালগ্ৰামৰূপে বিৰাজিত হ'ল। তুলসীৰ চুলিখিনি সু-পবিত্ৰ তুলসীগছলৈ ৰূপান্তৰ কৰিলে। এই তুলসীয়েই কালক্ৰমত

"তুলসী প্ৰধান সৰ্ব পুষ্প হতে।
তুলসী পবিত্ৰ বৃক্ষ সমস্ত জগতে।।"

জল, স্থল, বায়ুৰ প্ৰবাহত এই তুলসীয়ে ক্ৰিয়াশীল হৈ আমাৰ জীৱ জগতত কল্যাণৰ কাৰ্যসাধন কৰি আহিছে। কাতিমাহৰ পূৰ্ণিমা তিথি তুলসী পূজাৰ প্ৰশস্ত দিন। তুলসীৰ ঐকান্তিক প্ৰেম-ভক্তিত ভগৱান নাৰায়ণো দায়বদ্ধ হৈ ভক্তি জগতত বিশিষ্ট ক্ষেত্ৰত স্থাপন কৰিছে। ত্ৰিতাপ হৰণকাৰী অপৰিসীম গুণসম্পন্ন তুলসীৰ নানা ঔষধি গুণো আছে।

'তুলসীৰ তলে প্ৰভু আছিলা লুকাই
ভালেতো গোপিনী কান্দে বিচাৰি নাপায়।'

এই তুলসীৰ তলত লুকাই থকা প্ৰভু শ্ৰীকৃষ্ণৰ লগত তুলসীৰ সম্পৰ্ক পুৰাণ প্ৰসিদ্ধ। জন্ম-জন্মান্তৰৰ শ্ৰীকৃষ্ণৰ প্ৰিয়তমা হিচাপে তুলসীৰ স্থান শীৰ্ষত।" (ভৱানী প্ৰসাদ সৌকাধৰা ঃ আজিৰ অসম ১৭ অক্টোবৰ ১৯৯২)

কাতিবিহুত তুলসী পুলি ৰুই চাকি দিয়া অসমৰ সকলো অঞ্চলতে দেখা যায় যদিও তুলসীৰ সৈতে আদা ৰোপণ কেৱল বৰপেটা অঞ্চলতহে পৰিলক্ষিত হয়। আদাৰ ঔষধিগুণ সৰ্বজনবিদিত। কিন্তু তুলসীৰ সৈতে আদাৰ কি সম্বন্ধ সিহে বিচাৰ্য। অসমৰ প্ৰাণকেন্দ্ৰ গুৱাহাটীস্থিত শ্ৰীমন্ত শঙ্কৰদেৱ কলাক্ষেত্ৰৰ দেৱালত খোদিত চিত্ৰ-ভাস্কৰ্যত কাতিবিহুৰ দৃশ্যত তুলসী গছৰ কাষত আদা পুলিটিও দেখা যায়। কিন্তু অসমৰ আন আন জনগোষ্ঠী বা অঞ্চলত তুলসীৰ ভেটিত আদা পুলিৰ সম্পৰ্ক চকুত নপৰে।

কাতিবিহুত পথাৰলৈ গৈ প্ৰতিডৰা ধান ভালদৰে নিৰীক্ষণ কৰা আৰু পথাৰত বন্তি দিয়াটো আনন্দদায়কভাবে কৰণীয় বুলি ধৰা হয়। আহিন কাতিত শালি ধানত গেঁৰ ধৰে আৰু এচিৰা-দুচিৰা ধান ওলাবলৈ ধৰে বাবে পোক-পৰুৱাৰ আক্ৰমণৰ পৰা শস্যডৰাক ৰক্ষাৰ হেতুকে পথাৰত মাটিৰ চাকি অথবা অমিতাৰ চাকি জ্বলোৱা হয়। এই চাকি মাটিত দিয়া নহয়। বাঁহৰ গোজৰ ওপৰত কলগছৰ গা-গছ কাটি গুজি দি তাৰ ওপৰত চাকি দিয়া হয়। কোনো কোনোৱে বাঁহক গছাৰ দৰে কৰি তাতো চাকি দিয়ে। এই বিহুত সামূহিকভাৱে মিঠাতেলৰ চাকি জ্বলোৱাটো এক উল্লেখযোগ্য পৰম্পৰা। আগতে অসমত কাতিবিহুতহে আকাশবন্তি লগাই, বন্তি জ্বলাই জোনাক কৰি তোলা হৈছিল, দেৱালীত নহয়। সেইদিনা যাৰ ঘৰতে চাকি দেখে তালৈকেহে লখিমী যায় বুলি জনবিশ্বাস আছে।

চুতীয়াসকলৰ লোক-সংস্কৃতিত বিহু পৰম্পৰাগতভাৱে বিবৰ্তিত হৈ আহি বৰ্তমানৰ অৱস্থাত, বৃহত্তৰ অসমীয়া সংস্কৃতিৰ জাতীয় উৎসৱৰূপে পৰিগণিত হৈছে।

❖❖❖

প্ৰণীতা বৰদলৈ



জন্ম ঃ ১৯৬০ চন। লক্ষীমপুৰ, নকাৰী।

শিক্ষা ঃ স্নাতকোত্তৰ।

কৰ্মজীৱন ঃ লক্ষীমপুৰ পোষ্ট গ্ৰেজুৱেট ট্ৰেইনিং কলেজৰ অধ্যাপিকা।

সাহিত্য কৃতি আৰু সাংস্কৃতিক জীৱন ঃ বিভিন্ন আলোচনীত প্ৰবন্ধ-নিবন্ধ আদি প্ৰকাশ।

ৰাজহুৱা জীৱন ঃ স্থানীয়ভাৱে গঠনমূলক সামাজিক কামত জড়িত।

খাম্‌তিসকলৰ মাজত কাতিবিহু

খাম্‌তিসকলে পালন কৰা উৎসৱসমূহৰ ভিতৰত 'কঠিন চীৱৰ দান' উৎসৱটি বিশেষভাৱে উল্লেখযোগ্য। খাম্‌তিসকলৰ আন আন উৎসৱসমূহৰ দৰে 'কঠিন চীৱৰ দান' উৎসৱো ধৰ্মৰ লগত জড়িত। পয় চাংকেন, পয় মাইমেফুঙৰ দৰে এই উৎসৱো বাপুচাং বা বৌদ্ধবিহাৰত পালন কৰা হয়।

'কঠিন চীৱৰ দান' উৎসৱটিক খাম্‌তিসকলে 'পয় কাঠিং' বা 'পয় ছিপছং কাঠিং' বোলে। পয় মানে উৎসৱ। আৰু কাঠিং শব্দই আৰ্থিক কঠিনতাক সূচাইছে। চীৱৰ হ'ল ভিক্ষু বা শ্ৰমণসকলে পৰিধান কৰা এবিধ বিশেষ পোছাক। কাতিমাহৰ পূৰ্ণিমা তিথিত ভিক্ষুসকলক একোখন চীৱৰ দান কৰিব পাৰিলে মহাপুণ্যৰ ফল লাভ কৰিব পৰা যায় বুলি খাম্‌তিসকলে বিশ্বাস কৰে। চীৱৰ দান কোনোৱে ব্যক্তিগতভাৱেও কৰিব পাৰে বা এই দানকাৰ্য সমূহীয়াভাৱেও হ'ব পাৰে। খাম্‌তি ভাষাত চীৱৰক ছাংকান্ বোলা হয়। সাধাৰণতে দান কৰা চীৱৰ বা ছাংকান্ আগতীয়াকৈ বৈ-কাটি সী দিয়া কাপোৰো হ'ব পাৰে নাইবা বজাৰৰ পৰা কিনি অনা নিসীয়া কাপোৰো হ'ব পাৰে। কিন্তু 'ছিপছং কাঠিঙ'ত দান কৰা চীৱৰ একে ৰাতিতে বৈ কাটি উলিওৱা হয়। বাপুচাং বা বৌদ্ধবিহাৰৰ কাষতে থকা 'চৌ-মৌ' নামৰ ৰাজহুৱা ঘৰটোত গাঁৱৰ জীয়ৰী-বোৱাৰী, ডেকা-বুঢ়া সকলোৱে মিলি কপাহ ধুনাৰ পৰা আৰম্ভ কৰি সূতা কাটি, তাঁত বৈ ৰাতিটোৰ ভিতৰতে কাপোৰ

উলিয়াই চিলাই কৰি ৰং দিয়ালৈকে সকলো কাম সমূহীয়াকৈ কৰে। কঁঠাল কাঠৰ শাহ আৰু আঁচুকাঠ সিজাই এবিধ বিশেষ ৰং প্ৰস্তুত কৰি লৈ সেই ৰঙত ছাংকান্ সিজাই পেলোৱা হয়। তাৰপাছত ছাংকান্খন শুকুৱাই সী লৈ কুকুৰা ডাকৰ আগতেই দান কাৰ্য সম্পন্ন কৰা হয়। মম, ধূপ, ফুলৰ শৰাই ভগৱানলৈ আগবঢ়াই উঠি বসুন্ধৰাক সাক্ষী কৰি 'খাময়ে নাম' গাই শ্ৰমণসকলক চীৱৰ দান কৰা হয়। দান গ্ৰহণ কৰি ভিক্ষু সংঘই আবৃত্তি কৰা সুত্ৰৰ তাৎপৰ্য এনেধৰণৰ ঃ

"জ্ঞান সংযুক্ত ৰাখি, কোনো কৃপণতাক প্ৰশ্ৰয় নিদিয়াকৈ যথাসময়ত আৰ্যসংঘৰ হাতত একাগ্ৰতাৰে আৰু আনন্দমনে কঠিন চীৱৰ দান কৰিলে মহাপুণ্যৰ ফল লাভ হয়। কোনোৱে যদি এই কাৰ্যত সহযোগিতাও কৰে তেওঁলোকো পুণ্যৰ ভাগী হয। লোভ, মোহ, হিংসা, দ্বেষ ত্যাগ কৰি শুদ্ধ চিত্তে কঠিন চীৱৰ দান কৰিলে মহাপুণ্যৰ ফল লাভ হয় আৰু এই পুণ্যই পৰকালৰ সাৰথি ৰূপে অপায় অমংগলৰ পৰা পৰিত্ৰাণ কৰে।"

কাতিমাহৰ দিনবোৰ অভাৱ-অনাটনেৰে ভৰা। এনে অভাৱৰ মাজতো প্ৰসন্নচিত্তে দান কৰোঁতাজন মহাপুণ্যৰ ভাগী হ'ব পাৰে। সেয়ে কাতিমাহত অৰ্থাৎ আৰ্থিক কাঠিন্যৰ দিনত শ্ৰমণসকলক চীৱৰ দান কৰিবলৈ এই উৎসৱ পালিত হয়। কেৱল শ্ৰমণসকলক চীৱৰ দান কৰাই নহয, যিসকল অভাৱী তেওঁলোককো এই দিনটোত নানাবিধ সামগ্ৰী দান কৰি খাম্তিসকলে এই ধৰ্মীয় অনুষ্ঠানটি মহত্বপূৰ্ণ কৰি তোলে।

মাঘ আৰু বহাগৰ দৰেই কাতিমাহৰ সংক্ৰান্তিও যথেষ্ট ক্ৰিয়াবহুল সংক্ৰান্তি। এই সংক্ৰান্তি উপলক্ষে গোটেই কাতি মাহটোতে মন্ত্ৰ মাতি আকাশবন্তি জ্বলোৱা শাস্ত্ৰীয নিয়ম আছে। কাতিবিহুত নতুনকৈ তুলসী ৰুই তুলসী তলত সান্ধ্য প্ৰদীপ জ্বলোৱা আৰু নাম-কীৰ্তন আদিৰ আয়োজন কৰা সেই পুণ্য তিথিৰ, পুণ্য কাতিমাহৰ ধাৰ্মিক প্ৰক্ৰিয়া। কাতিমাহত ভগৱানলৈ বন্তি আগবঢ়োৱা মহা পুণ্যৰ কৰ্ম বুলি শাস্ত্ৰতো তাৰ ফলশ্ৰুতিৰে উচ্চ প্ৰশংসিত হৈছে। এই পুণ্য তিথিত তুলসীতলত প্ৰদীপ জ্বলোৱা প্ৰথা খাম্তিসকলৰ মাজত দেখা নাযায় যদিও কঠিন চীৱৰ দান উৎসৱৰ দিনা অৰ্থাৎ কাতি মাহৰ পূৰ্ণিমা তিথিত ভগৱানলৈ বন্তি আগবঢ়োৱা হয়। ইচ্ছা কৰা সকলে এই পবিত্ৰ তিথিত বাপুচাং বা বিহাৰৰ চাৰিওদিশে মম জ্বলাই ভগৱানৰ নামত উচৰ্গা কৰে।

কঠিন চীৱৰ দান উৎসৱটি খাম্তিসকলে দুদিনীয়াকৈ পালন কৰে। তিথিৰ আগদিনা দিনৰ ভাগত কল্পতৰু দান কৰা হয়। খাম্তিসকলে সজাই তোলা কল্পতৰু বৃক্ষ চালে চকুৰোৱা। বাঁহ আৰু ৰঙীন কাগজ কাটি তাৰে ডাল-পাত সজাই কল্পতৰু বৃক্ষ তৈযাৰ কৰা হয়। কল্পতৰু বৃক্ষৰ ডালত মনোবাঞ্ছা অনুসৰি খাম্তিসকলে বিভিন্ন দ্ৰব্য আঁৰি দিয়ে। কল্পতৰু বৃক্ষক তেওঁলোকে স্বৰ্গীয় বৃক্ষৰূপে বিশ্বাস কৰে।

গছজোপাত মনোবাঞ্ছা অনুসৰি আঁৰি দিয়া কাগজ, কলম, কিতাপ, টকা-পইচাৰ আঁৰৰ বিশ্বাসটো হ'ল যি কৰ্ম এই জনমত পূৰ্ণ নহ'ল তাক যাতে স্বৰ্গত গৈ বা অহা জনমত ভোগ কৰিব পাৰে। কোনো কোনোৱে পৰজনমত ভাল বাঁহীবাদক হোৱাৰ কামনাৰে বাঁহী, গগনা আদিও আঁৰি দিয়া দেখা যায়। নানা তৰহৰ বস্তুৰে সুন্দৰকৈ সজাই তোলা কল্পতৰু বৃক্ষজোপা বসুন্ধৰাক সাক্ষী কৰি মাটিত পানী ঢালি ভগৱানৰ নামত উচৰ্গা কৰা হয়। এই দান কাৰ্য বাপু বা ভিক্ষুৰ পৰিচালনাত বিহাৰত সম্পন্ন কৰা হয়। দান কাৰ্যৰ অন্তত কল্পতৰু বৃক্ষ লৈ গাঁৱৰ ইমূৰৰ পৰা সিমূৰলৈ শোভাযাত্ৰা কৰা হয়। কোনো গৃহস্থই পদুলিমূৰত শৰাই আগবঢাই শোভাযাত্ৰাৰ দলক তেওঁৰ গৃহলৈ নিমন্ত্ৰণ জনালে ৰাইজে প্ৰাৰ্থনা গীত গাই গৃহস্থক আশীৰ্বাদ দি টকা-পইচা মাননি হিচাপে গ্ৰহণ কৰে। এনে অৱস্থাত গৃহস্থৰ পৰা অধিক মাননি দাবী কৰাও দেখা যায়। এই প্ৰথাৰ বহাগবিহুৰ হুচৰিৰ লগত সাদৃশ্য থকা দেখা যায়।

খামতিসকলে পালন কৰা বৰ্ষাবাসৰ সামৰণি তিথি অৰ্থাৎ আহিন মাহৰ পূৰ্ণিমা তিথিৰ পৰা কাতিমাহৰ পূৰ্ণিমালৈকে এইসময়ছোৱাই কঠিন চীৱৰ দানৰ সময়। বৰ্তমানে কাতিমাহৰ পূৰ্ণিমা তিথিতহে এই উৎসৱ উদ্‌যাপন কৰিবলৈ লোৱা হৈছে। এই পবিত্ৰ তিথিত বুঢা-মেথাসকলে পঞ্চশীল, অষ্টশীল অথবা কোনো কোনোৱে দশ-শীলো গ্ৰহণ কৰে। পয় চাংকেন বা পয়মাইমেফুং উৎসৱৰ দৰে এই উৎসৱত পিঠা-পনা, জা-জলপান খোৱাৰ প্ৰথা সমূলি দেখা নাযায়।

কাতিমাহটো এহাতে যেনেকৈ আৰ্থিক কাঠিন্যৰ দিন আনহাতে এই মাহটোতেই শস্য-সম্ভৰা প্ৰকৃতিৰ লখিমী ৰূপটি প্ৰস্ফুটিত হৈ উঠে। এনে দিনতে শস্যক্ষেত্ৰৰ শ্ৰীবৃদ্ধি কামনা কৰি মানৱে প্ৰকৃতিৰ উদ্দেশ্যে ধূপ-ধূনা, নৈবেদ্য আগবঢায়। খামতিসকলে এই কাতি মাহতে ধানে গেঁৰ মেলা দিনত আন এটি উৎসৱো পালন কৰে। সেই উৎসৱটিক তেওঁলোকে 'আহাৰ পূজা' উৎসৱ বোলে। এখন শৰাইত আহাৰ সজাই লৈ পথাৰলৈ লৈ যোৱা হয়। আহাৰেৰে পূৰ্ণ শৰাইখন বুদ্ধ বন্দনাৰ পাছত লক্ষ্মীদেৱীলৈ বুলি আগবঢোৱা হয়। এই আহাৰ পূজাত যাতে লক্ষ্মীদেৱী সন্তুষ্ট হৈ পথাৰ ধানেৰে নদন-বদন কৰি তোলে তাৰেই কামনা কৰা হয়। এই তিথিৰ বাবে নিৰ্দিষ্ট দিন-বাৰ নাথাকে। এই কৰ্মত অৱশ্যে বৈজ্ঞানিক ভিত্তিও নোহোৱা নহয়। পথাৰত থৈ অহা আহাৰ চৰাই-চিৰিকতিয়ে খাবলৈ পোৱাৰ ফলত পথাৰৰ শস্য নষ্ট কৰাৰ আশংকা কম।

খামতিসকলে পালন কৰা কঠিন চীৱৰ দান উৎসৱ আৰু আহাৰ পূজা উৎসৱক অসমীয়াই পালন কৰা কাতিবিহুৰ শাৰীত নিশ্চয় থব পাৰি।

❖❖❖

ৰতন কুমাৰ ৰায় হাজং

জন্ম ঃ ১৯৫৮ চন। গোৱালপাৰা।

শিক্ষা ঃ প্ৰবেশিকা।

কৰ্মজীৱন ঃ 'ফৰমেন' আসাম ট্ৰিবিউন।

সাহিত্য কৃতি আৰু সাংস্কৃতিক জীৱন ঃ কবিতা পুথি (১), গীতৰ পুথি (১); একক চিত্ৰ প্ৰৰ্দশন(৪); চিত্ৰ প্ৰদৰ্শনীত অংশ গ্ৰহণ (১৬), আলোচনী সম্পাদনা(১), পত্ৰিকা সম্পাদনা (২); বিভিন্ন কাকত-আলোচনীত, গঠনমূলক লিখনি প্ৰকাশ। আকাশবাণীত কথিকা আৰু আলেখ্য প্ৰচাৰ।

ৰাজহুৱা জীৱন ঃ হাজং শিল্পী সাহিত্যিক সমিতি, গুৱাহাটী আৰ্টিষ্ট গিল্ড আৰু অন্যান্য কলা সংস্কৃতিমূলক অনুষ্ঠানৰ লগত ওতপ্ৰোতভাৱে জড়িত।

হাজংসকলৰ কাতিগাছা আৰু কীত্‌কী পূজা

অসম নানা জাতি-উপজাতিৰ বাসভূমি। চিৰসেউজ এই ভূমিখণ্ডত বসবাস কৰা লোকসকলক কোৱা হয় অসমীয়া জাতি। বাৰেবৰণীয়া লোক সংস্কৃতিৰ গীত-মাত, নৃত্য-নাট, লোকগাথা, ভাওনা, পূজা-পাতল, উৎসৱ-পৰ্ব আদি পালন কৰি অসমীয়া সংস্কৃতিৰ ভঁৰাল চহকী কৰিছে। নানা জাতি-উপজাতি সমূহৰ বাৰেবৰণীয়া কৃষ্টি-সংস্কৃতিৰ সমন্বয়ত গঢ লৈ উঠিছে বৃহৎ অসমীয়া সংস্কৃতি, আৰু গঠন হৈছে অসমীয়া জাতি।

অসমৰ আন আন জনগোষ্ঠীৰ দৰে হাজংসকলো অসমৰ এটা ক্ষুদ্ৰ জনগোষ্ঠী। হাজংসকল হিন্দু ধৰ্মৰ লোক। হিন্দু সংস্কাৰমতে সকলো দেৱ-দেৱীক মানি চলে আৰু পূজা-পাতল, পৰ্ব-উৎসৱ আদি পালন কৰে। তদুপৰি তেওঁলোকে নিজস্ব ধৰণে পূজা-পাতল, উৎসৱ-পৰ্ব আদি পালন কৰে। তেওঁলোকৰ ৰীতি-নীতি, লোক বিশ্বাস, বৰ্তমানেও বিশ্বাস কৰি পালন কৰি আহিছে, মানি আহিছে।

বহাগবিহু, মাঘবিহু আৰু কাতিবিহু, এই তিনিওটা বিহুক তেওঁলোকে স্ব-ৰীতি-নীতিৰে পৰম্পৰাগতভাৱে পালন কৰি মানি চলি আহিছে। বহাগবিহুক ৰঙালী 'বিছুৱা', মাঘবিহুক ভোগালী 'পুষনা' আৰু কাতিবিহুক কঙালী 'কাতিগাছা' কোৱা হয়।

'কাতিগাছা' শ্ৰম আৰু উৎপাদনৰ সৈতে জড়িত পৰ্ব। খেতিয়কে হাল বাই কোৰ মাৰি বোকাৰে লুতুৰি-পুতুৰি হৈ শ্ৰম কৰে। কঠীয়া সিঁচি কঠীয়াতলী গঢ়ে। এসময়ত কঠীয়া উঠাই বোকা কৰি লোৱা ভুই পথাৰত ৰোৱা ৰোপণ কৰে। সেই ৰোপণ কৰা ৰোৱা লহপহকৈ বাঢ়ি সেই উৰ্বৰা ভূমিত গঢ লৈ উঠে সেউজীয়া ধাননি। সেই সেউজীয়া ধাননিডৰালৈ চাই কৃষকৰ কিযে অপাৰ আনন্দ হয, সেযা হযতো আমি ভাষাৰে বৰ্ণনা কৰা কঠিন। মেঘ মুক্ত আকাশৰ তলত কৃষকৰ আশাৰ ফচল

লাহে লাহে সেউজীযা ধাননি গৰ্ভৱতী হয, প্ৰসৱ হয। গুটি ধান ওলায। আনন্দৰ্বঁ চকুলো নিগৰে। ঘৰ্মাক্ত দুবাহুৰ শ্ৰমৰ সুফল কামনা কৰে। তথাপিতো কৃষকৰ মনত আকৌ দুঃচিন্তাই বাহ লয, জানোচা কীট-পতঙ্গই শস্য পথাৰ খাই নষ্ট কৰে

উপায মঙ্গল কামনা কৰি হাজং সমাজত প্ৰচলন কৰা হয 'কাতিগাছা' পৰ্ব বা কাতিবিহু।

'কাতিগাছা' মূলতঃ সেউজীয়া ধাননি পথাৰ যাতে পোক-পৰুৱা, কীট-পতঙ্গই খাই নষ্ট কৰিব নোৱাৰে, তাৰেই মঙ্গল কামনা কৰি ধাননি পথাৰত কাতিগাছা প্ৰজ্বলন কৰে। ঔটেঙাৰ বাকলিত সৰিযহৰ তেল বাকি দি, কপাহৰ শলিতা বনাই লৈ তাত অগ্নি সংযোগ কৰা হয়।এক ডেৰ ফুট সমান জোখৰ তিনিডাল মৰাপাটৰ শুকান খৰিত বাঁহৰ দৈ তুলি বান্ধি লৈ গছা তৈযাৰ কৰা হয। ঔটেঙাৰ চাকিটো তৈয়াৰ কৰি লোৱা মৰাপাটৰ গছাটোত সযতনে সজায ৰখা হয়। কলপাতৰ কোমল আগডোখৰ কাটি লৈ, তাত মান ধৰিবৰ বাবে পাণ-তামোল, প্ৰসাদ হিচাপে অকণমান আকাৰি চাউল, পকাকল, গাখীৰ, চেনী বা গুড, তুলসীপাত, ধান দুৰ্বা, হৰিতকি, সেন্দুৰ আদি পূজাৰ লাগতিয়াল সামগ্ৰী। ধাননি পথাৰৰ আলিৰ এচুকত ভালদৰে লেপি মচি লৈ শুদ্ধ মনে পূজাভাগ আগবঢ়ায়। স্তুতি কৰি উপায মঙ্গল কামনা কৰে যাতে পোক-পৰুৱা, কীট-পতঙ্গই শস্য পথাৰ নষ্ট কৰিব নোৱাৰে। ভাল ফচল যাতে উঠাব পাৰে, তাৰেই কামনা কৰি সমস্ত ধাননি পথাৰে পথাৰে কাতিগাছা প্ৰজ্বলন কৰা হয়। কোনো কোনো ঠাইত আকৌ আকাশবন্তিও প্ৰজ্বলন কৰা দেখা যায়।

উল্লেখযোগ্য যে পূজাভাগ আগবঢ়োৱাৰ পিছত হাজং ডেকা, চেমনীয়াসকলে আন্ধাৰ নাশি পোহৰ উজলাই তুলিবলৈ যেন সংকল্পবদ্ধ হয়.. ! আহিনৰ শেষ সন্ধিয়া। সেই সন্ধিযাৰ সময়ত হাজং ডেকা-চেমনীয়াই হাতে হাতে তুলি লয় একোটাকৈ মছাল। শুকান মৰাপাটৰ খৰিৰ জোৰ বনাই লৈ নিশাৰ আন্ধাৰত তেওঁলোকে গাঁৱৰ চাৰিওফালে সমদল হৈ দৌৰা-দৌৰি কাৰ্য কৰিবলৈ ধৰে, আৰু গীতৰ দৰে শব্দ কৰি চিঞৰি চিঞৰি গায়, এনেদৰে—

'কাতি আহে আঘোণ যায়
মসা মাও পোৰা যায়'

অৰ্থাৎ আহিনৰ লগে লগে মহ ডাঁহ, কীট-পতঙ্গ সকলো খেদিলো। তহঁতে আৰু নাহিবি। নিশাৰ আন্ধাৰ খেদি খেদি আমি পোহৰৰ ফালে আগবাঢ়িছোঁ। ৰাতি পুৱালেই কাতিমাহ আহিব। মেঘ মুক্ত আকাশৰ ফালে চাই কৃষকে ভাবিব অনাগত দিনৰ কথা। কবিয়ে ৰচিব কবিতা। গাযকে গীত গাব। শিপিনীয়ে বহিব তাঁতৰ শালত, 'ৰাঙা পাঠিন' নতুনকৈ সাজি উলিয়াবলৈ।

উল্লেখ্য যে মৰাপাটৰ জোৰ লৈ দৌৰা-দৌৰি কাৰ্য কৰাৰ পাছত প্ৰতিঘৰ গৃহস্থৰ নঙলা মুখত জোৰবোৰ পুতি থৈ ঘৰলৈ উভতি আহে।

'কৌত্‌কী' বা কাতিপূজা ঃ হেমন্তৰ ফৰকাল আকাশ। প্ৰকৃতিৰ ৰং ৰসে মানুহৰ মন উতলা কৰা বতৰ। এনে এটা সুন্দৰ বতৰতে দিন বাৰ চাই হাজংসকলে কৌত্‌কী পূজাৰ আয়োজন কৰে। কাৰ্তিক দেৱতাক স্মৰণ কৰি কৰা পূজাকে কৌত্‌কী পূজা বোলা হয়।

উল্লেখযোগ্য যে কোনো সন্তানহীনা দম্পতিযে সন্তান কামনা কৰিলে, মানস ৰাখি কৌত্‌কী পূজাৰ আযোজন কৰি, শুদ্ধমনে পূজাভাগ আগবঢালে সু-সন্তান লাভ হয বুলি বিশ্বাস কৰি আহিছে। এই পূজা কেৱল মহিলাসকলৰ দ্বাৰাহে উপস্থাপন কৰা হয়। গৃহস্থৰ চোতাল অথবা নিৰিবিলি ঠাই পূজাৰ বাবে উপযুক্ত। এই পূজাত পুৰুষ অনুপস্থিত। এই পূজাত ওৰে নিশা নৃত্য-গীত কৰা হয়। নৃত্য-গীতত অশ্লীলতাই বেছিকৈ প্ৰাধান্য পায়। অশ্লীলতাক বাদ দি ইয়াত আমি দুফাকি মান কাৰ্তিক বন্দনা গীত উল্লেখ কৰিলো।

(এক)

আগেবন্দং গণপতি দেৱ গণেশ ঠাকুৰ,
যালা দয়াতে হয় যত বাধা দূৰ।
দ্বিতীয়তে বন্দনা কৰং প্ৰভু নিৰঞ্জন,
যালা কৃপাতে হয় সৃষ্টি আৰু পালন।

বন্দং দেৱ ষড়ানন ময়ূৰ বাহন,
কৃপা দৃষ্টি ৰাখেক মহেশ নন্দন।
বন্দং দেৱী মাওলক্ষ্মীৰ যুগল চৰণ,
ধনে জানে ৰাখেক মাও ভাবি অভাজন।
পূব ভায় বন্দনা কৰং পূব ভানুশ্বৰ,
একভাদে বাঁৰাই বেলা সগলভলায় প'হ্ৰ।
উত্তুৰ ভায় বন্দনা কৰং কৈলাশ পাহাৰ,
ঐ জাগাতে বসতি কৰে পাৰ্বতী শংকৰ।
দক্ষিণে বন্দনা কৰং কালিন্দী সাগৰ,
ঐ সাগৰতে ভাহাব ডিঙা চান্দ সদাগৰ।
পশ্চিম ভায় শ্ৰীক্ষেত্ৰ বন্দং প্ৰভু জগন্নাথ,
জাতি নাই বিচাৰ নাই বহি খায় প্ৰসাদ।
আকাশ ভায় দেৱতা বন্দং পাতাল ভায় বাসুকী,
আপদ নিস্তাৰ কৰেক প্ৰভু কৃপা দৃষ্টি ৰাখি।

(দুই)

স্বৰ্গভূৱন নি থাকে কাতি পায় কত সুখ
মৰ্ত্যলোক নি আহিলে পায় পদে পদে দুখ।
দেৱ লোক নি থাকে ঠাকুৰ সনালা মন্দিৰ নি
মৰ্ত্যলোক নি কষ্ট পায় থাকিয়া বাহাৰ নি।
দেৱলোক নি ৱহে ঠাকুৰ সনালা সিংহাসন
মৰ্ত্তলোক নি বহে ঠাকুৰ ভাঙা-পিৰালা আসন।
সনালা থালিনি পৰমান-কাতি দেৱ লোক নি খায়
আউলা চাউল ক'লা প্ৰসাদ মৰ্ত্য নি পায়।
স্বৰ্গ নি ফল খায় কাতি বেবাকে ভালা
মৰ্ত্য নি ফল পায় টেঙা তিতা ঝালা
স্বৰ্গলা অপস্বৰা ঘিলী সুন্দুৰ নাচা জানে
মৰ্ত্তলা অবলা আমৰী নাচিবা নাজানে।
সুগন্ধ ফুল মালা দেৱ লোক নি পায়
গন্ধছাৰা ফুল মালা মৰ্ত্য নিকে পায়।
কত কষ্ট পালে ঠাকুৰ মৰ্ত্যনি আহিয়া
দয়া কৰি জাগা দি- ভলা চৰণ তলে।

কাত্‌কী পূজাৰ বাবে চাৰি ডাল কলপুলিৰে কলাসুলভভাৱে এখন সুন্দৰকৈ মণ্ডপ সাজি লয়। মণ্ডপৰ ওপৰত চান্দৰ কাপোৰ আৰি লব লাগে। মণ্ডপৰ সোঁমাজত কার্তিক ঠাকুৰক স্থাপন কৰা হয়। সন্মুখৰ ফালে পূজাৰ নৈবেদ্যসমূহ। মণ্ডপৰ চাৰিওফালে ঘূৰি ঘূৰি নাচি বাগি গীত গাব পৰাকৈ ঠাই ৰখা হয়। কার্তিক ঠাকুৰৰ মুখামুখি কৰি বহি লৈ আয়তীসকলে গীত গাব ধৰে। নানান ধৰণে স্ফূর্তি তামাচা কৰি নিশাটো কটায়, পূজা শেষ কৰি আয়তীসকলে কার্তিক ঠাকুৰৰ ওচৰত প্রার্থনা কৰে যাতে নিঃসন্তান দম্পতিৰ কোলাত সন্তানে খেলা কৰে।

❖❖❖

শ্ৰীকুমাৰ দহোটীয়া

জন্ম : ১৯৫২ চন। তিনিচুকীয়া জিলাৰ টঙনা গাঁও।

শিক্ষা : স্নাতকোত্তৰ, আইনৰ স্নাতক ।

কৰ্মজীৱন : উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক।

সাহিত্য কৃতি আৰু সাংস্কৃতিক জীৱন : বহুকেইখন গৱেষণামূলক গ্ৰন্থৰ ৰচক, সাহিত্য বঁটা বিজেতা, ইতিহাস বিষযক লিখনি প্ৰকাশ।

ৰাজহুৱা জীৱন : অসম মৰাণ সভা, ডিব্ৰুগড বিশ্ববিদ্যালয আৰু ভালেমান সামাজিক, সাংস্কৃতিক আৰু শিক্ষানুষ্ঠানৰ লগত ঘনিষ্ঠ ভাৱে জড়িত।

মৰাণৰ বিহুৰ পৰম্পৰা আৰু কাতিবিহু

অসমৰ আদিম জনগোষ্ঠীসমূহৰ ভিতৰত মৰাণ-জাতি অন্যতম। অসমলৈ মৰাণ জাতিৰ আগমনো বহু আগৰ। অসম দেশ আৰু অসমীয়া জাতি নিৰ্মাতা শান বা টাই জাতিৰ চুকাফাৰ বৰ্তমানৰ অসমলৈ প্ৰথম আগমন হৈছিল ১২২৮ খৃঃত আৰু ১২৫৩ খৃঃত তেওঁ শিৱসাগৰ জিলাৰ চৰাইদেওত স্থায়ী ৰাজধানীৰ ভেটি স্থাপন কৰে। সেই সময়ত চৰাইদেও অঞ্চলৰ মধ্যস্থানৰ এক বিস্তীৰ্ণ এলেকাত মৰাণসকলে তেওঁলোকৰ ৰজা বদৌচাৰ অধীনত ৰাজ্যপাতি বসবাস কৰি আছিল। পাচত চতুৰ ৰাজনীতিবিদ চুকাফাই মৰাণ ৰজা বদৌচাৰ সৈতে বৈবাহিক সমন্ধ ঘটাই নিজ ৰাজ্য সু-প্ৰতিষ্ঠিত কৰে। এই কথাই প্ৰমাণ কৰে যে মৰাণ জাতি বহু আগতে অসমত প্ৰতিষ্ঠিত এক যুঁজাৰু জাতি। প্ৰকৃততে বৃহৎ মঙ্গোলীয় গোষ্ঠীৰ পৰা ফালৰি কাটি অহা এই সুকীয়া মৰাণ জনগোষ্ঠীটোৱে ম্যানমাৰ আৰু শান ৰাজ্যৰ কাষৰীয়া ঠাইবোৰৰ পৰা চুকাফা অহাৰ বহু আগতেই এই ঠাইখণ্ডত প্ৰৱেশ কৰি পুনৰ আগৰ ঠাইলৈ ঘূৰি নগৈ ইয়াতেই নিগাজিকৈ বসবাস কৰিবলৈ ধৰে। শান ৰাজ্যতো এইসকল লোক মূলতঃ যুঁজাৰু জাতি আছিল

আৰু সেযে তেতিয়াৰ অচিন অজাস্তিমুলুক ঠাই আজিৰ অসমতো তেওঁলোকে ৰাজ্য পাতি বীৰৰ দৰেই বসবাস কৰি আছিল। পাচত একেই মঙ্গোলীয় জনগোষ্ঠীৰ মৰাণসকলৰ সফল ৰাজ্যস্থাপনৰ কথা শুনি চমৎকৃত হৈ টাই ৰাজকোঁৱৰ চুকাফাই আগতীয়াকৈ সকলো খোজ-খবৰ কৰি অতীজৰে পৰা থকা গিৰিপথ অথবা লুংলুঙীয়া পৰ্বতীয়া পথেৰে আহি যাত্ৰাৰ কোনো আঁত নোহোৱাকৈ মৰাণসকলৰ বাসস্থান চৰাইদেও পাইছিলহি। মৰাণসকলেও তেওঁলোকৰ আদি বাসস্থানৰ একেই জনগোষ্ঠীৰ লোক বুলি জানি অতি আনন্দিত হৈ তেওঁলোকক আঁকোৱালি লোৱাই নহয় বৈবাহিক সমন্ধ ঘটাই চুকাফাৰ ৰাজ্য প্ৰতিষ্ঠাৰ বাট সুগম কৰি তুলিছিল। একেই জাত নোহোৱা হ'লে নিঃসন্দেহে মৰাণসকলৰ লগত ইমান সহজে মিত্ৰতা হৈ নুঠিলহেঁতেন। একেই বৃহৎ গোষ্ঠীৰ অন্তৰ্ভুক্ত হোৱা বাবেই আজিও আহোম আৰু মৰাণৰ মাজত সামাজিক আৰু সাংস্কৃতিক সম্বন্ধৰো বহু মিল আছে। অসমীয়া লোক সংস্কৃতিৰ প্ৰধান অংগ বহাগবিহু অসমৰ অন্যান্য অসমীয়া জাতিসমূহৰ দৰেই মৰাণসকলেও বহু পুৰণি কালৰে পৰাই পালন কৰি আহিছে। কৃষিভিত্তিক এই বিহু উৎসৱৰ জৰিযতে মৰাণসকলে নিজা বৈশিষ্ট্যতাৰে বিহু পাতি নিজকে এটা বৈশিষ্ট্যসম্পন্ন জাতি হিচাপে পৰিচয় দি অহাৰ লগতে ন-জীৱন— সুন্দৰ জীৱন পোৱাৰ প্ৰেৰণা আৰু পণ লয়। অসমৰ অন্যান্য জাতিসমূহেও এনে উদ্দেশ্যেৰেই বিহু পাতি ন-জীৱনৰ পণ লয। তাৎপৰ্যপূৰ্ণ কথা এইটোহে যে জনজীৱনৰ ন-ন প্ৰেৰণা লোৱা এই বহাগবিহু উৎসৱ কিন্তু মৰাণে অসমৰ অন্যান্য জাতিসমূহৰ দৰে অৰ্থাৎ চ'তৰ শেষ আৰু বহাগৰ ১লা তাৰিখত দোমাহী নাপাতে। মৰাণসকলে বহাগৰ শুক্লা দশমীৰ মঙ্গলবাৰ অৰ্থাৎ পিচৰ মঙ্গলবাৰক উৰুকা হিচাপে লৈ বিহু পাতে। অৱশ্যে শুক্লা দশমীৰ বহাগবিহু পতাৰ প্ৰধান সূত্ৰধাৰজন হ'ল উজনি অসমৰ তিনিচুকীয়া জিলাৰ অন্তৰ্গত ডিৰাক সত্ৰৰ সত্ৰাধিকাৰ প্ৰভু। তেৰাৰ উদ্যোগতে ডিৰাক সত্ৰৰ শিষ্য আৰু অনুগামীসকলে পূৰ্ব-নীতি পৰম্পৰা অনুসৰি শুক্লা-দশমীৰ পিছত আৰু শদিয়াৰ কেঁচাইখাতি গোসাঁনীৰ পূজাৰ লগত সংগতি ৰাখি মঙ্গলবাৰটো আৰম্ভণী দিন হিচাপে লৈ বিহু পালন ঐতিহ্যপূৰ্ণভাৱে কৰি আহিছে। শুক্লা-দশমী মঙ্গলবাৰৰ দিনৰ পৰাহে বিহু পতাৰ এনে পৰম্পৰাগত নিয়ম থকাত শুক্লাদশমীৰ পাছৰ মঙ্গলবাৰ বিচাৰি কোনো কোনো বছৰত বহাগৰ শেষৰ ফালেহে মঙ্গলবাৰে উৰুকা, বুধবাৰে গৰুবিহু আৰু বৃহস্পতিবাৰে মানুহবিহু পাতে। মৰাণৰ পৰম্পৰাগত প্ৰথামতে বহাগৰবিহু পাতিবৰ বাবে মঙ্গল, বুধ, বৃহস্পতি এই তিনিটা বাৰ লাগিবই। এই কেইটা বাৰ অবিহনে মৰাণৰ কোনোৱে বিহু নাপাতে বা পতাতো এক প্ৰকাৰ পৰম্পৰাগত নিষেধ। মঙ্গলবাৰৰ অপৰিহাৰ্যতাৰ কথাৰ

প্ৰতি লক্ষ্য ৰাখি বহুতে সেয়েহে মৰাণৰ বিহুক মৰাণৰ মঙ্গলবৰীয়া বিহু বুলিও কয়। মৰাণসকলে মঙ্গলবাৰৰ দিনটো বিহু আৰম্ভ কৰাৰ দিন হিচাপে লোৱাৰ ঐতিহ্যসিক কাৰণ আছে। অসমত শ্ৰীমন্ত শঙ্কৰ-মাধৱৰ বৈষ্ণৱ আন্দোলনে ব্যাপক প্ৰভাৱ পেলালেও প্ৰথমতে মৰাণ সমাজত ইয়াৰ প্ৰভাৱ প্ৰায় নাছিল বুলিলেও হয়। মৰাণসকল আচলতে বৈষ্ণৱী হয়— শ্ৰীশ্ৰী অনিৰুদ্ধ দেৱৰ দিনতহে। ইয়াৰ আগতে উজনিৰ মৰাণসকল আছিল সম্পূৰ্ণ শাক্ত। শদিয়াৰ তাম্ৰেশ্বৰী বা কেঁচাইখাইতি গোসাঁনীয়েই আছিল তেওঁলোকৰ একেশ্বৰী দেৱী। অন্যহাতে গোসাঁনীশালত পুৰোহিত দেউৰীয়ে পূজা নিদিয়া পৰ্যন্ত বিহু আৰম্ভ হ'ব নোৱাৰে। এয়া আছিল তেতিয়াৰ তাম্ৰেশ্বৰী মন্দিৰৰ ভক্তসকলৰ নিয়ম। অন্যহাতে কেঁচাইখাইতি গোসাঁনীৰ শালত নতুন বছৰৰ পূজা-পাতলৰ কাম মঙ্গলবাৰেহে আৰম্ভ কৰিছিল। গতিকে একালৰ কেঁচাইখাইতি গোসাঁনীৰ একান্তভক্ত মৰাণসকলে পাচৰ পৰ্যায়ত বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰি "এক দেৱ এক সেৱ এক বিনে নাই কেৱ" বোলা বৈষ্ণৱী বচনক গ্ৰহণ কৰিলে কিন্তু, বহাগবিহুক নতুন বছৰৰ আদি নিয়ম মতে দেউৰীসকলৰ লগতে পৰম্পৰাগতভাৱে মঙ্গলবাৰ দিনটোক উৰুকাৰ দিন হিচাপে পালন কৰিয়েই থাকিল।

এনেদৰে মৰাণসকলে বেদৰ লগত একেলগে বিহু নাপাতি পাচত বিহু পতাৰো অৱশ্যে ঐতিহাসিক বহুতো কাৰণ আছে। মোৱামৰীয়া বিদ্ৰোহৰ সময়ত মৰাণ-মোৱামৰীয়াৰ দুজন প্ৰখ্যাত গুৰু শ্ৰীশ্ৰীচতুৰ্ভুজ আৰু শ্ৰীশ্ৰীঅষ্টভুজ প্ৰভুৰ বহাগৰ বিহুৰ দিনতে যথাক্ৰমে মঙ্গল আৰু বুধবাৰে দেহাৱসান ঘটে। সেয়ে গুৰু দুজনাৰ স্মৰণাৰ্থে মঙ্গল আৰু বুধবাৰে গুৰু তিথি আজি পৰ্যন্ত পাতি, প্ৰতিবছৰে মৰাণৰ গুৰু ভকতে বেদৰ বিহুৰ পাচত বিহু উদ্‌যাপন কৰি আহিছে। বিহু উপলক্ষে শনিবাৰেহে বিহু পতা তিথি পাতি সোমবাৰে সত্ৰত বিহু উৎসৱৰ সামৰণি তিথি পাতে। অৱশ্যে বৰ্তমানে এই পৰম্পৰা ভাঙি বা বিপৰীতে গৈ একাংশ মৰাণ সমাজে বিহু বেদৰ লগত অথবা তাৰ পাচত কৰি অহাৰ উদাহৰণ আছে। আচলতে বৰ্তমান সময়ত মৰাণ সমাজত বহাগবিহু তিনিজন গোসাঁইৰ অনুগত শিষ্যসকলে তিনি সময়ত (অৱশ্যে বহাগ মাহৰ ভিতৰতে) উদ্‌যাপন কৰে। যেনেকৈ কাকপথাৰৰ ওচৰৰ ডকন সত্ৰৰ অনুগামীসকলে বেদৰ লগত— টিপুক দিমলুগুৰি— হাতীগড় সত্ৰ তথা আন কেইবাখনো সত্ৰই একেলগে বেদৰ বিহুৰ পৰবৰ্তী মঙ্গলবাৰক উৰুকা হিচাপে লৈ বিহু পাতে। অন্যহাতে পূৰ্ব উল্লেখিত ডিৰাক সত্ৰৰ অনুগামীসকলে পূৰ্ব-নীতি পৰম্পৰা অনুসৰি বহাগৰ শুক্লা-দশমীৰ পিছত বিহু উদ্‌যাপন কৰি আহিছে। এনেদৰেই উজনি অসমৰ তিনিচুকীয়া জিলাৰ অন্তৰ্ভুক্ত

প্ৰত্যেকখন মৰাণ সমাজত গুৰু-ভকতে আলোচনা কৰি সমাজৰ পৰম্পৰাগত নীতি-নিয়ম অনুসৰি গুৰুৰ অনুমোদনেৰে উৎসৱৰ দিন বাৰ ধাৰ্য কৰি অতি আড়ম্বৰপূৰ্ণভাৱে এই উৎসৱ সাতদিন জুৰি পালন কৰি আহিছে। এই সময়ছোৱাতে পৰিবেশিত মৰাণ বিহুৰ অন্যতম অংগস্বৰূপ "বৰমগা উৎসৱ", "ধৰ্ম হুচৰি", "ৰাতি বিহু" আদিয়ে বিশেষ তাৎপৰ্য বহন কৰিছে। কোনোবা গৃহস্থৰ বহুদিন ধৰি সন্তি-সন্ততি নহ'লে অথবা বহুদিন ধৰি নানা অপায় অমংগলত ভুগি থাকিলে তাৰ পৰা পৰিত্ৰাণ বিচাৰি তেনে লোকে বিহু ঘৰলৈ গৈ তাত থকা বিহুৱা-বিহুৱতীসকলক সাক্ষাৎ 'শ্ৰীকৃষ্ণৰ দল' বুলি গণ্য কৰি তামোল পাণৰ খোম আগবঢ়াই গোটেই বিহু খোলাখনকে নিজৰ ঘৰলৈ আমন্ত্ৰণ কৰি আনে। নিজগৃহত গৃহস্থজনে আমন্ত্ৰিত বিহুৱা-বিহুৱতীসকলক বিহুৰ পৰম্পৰাগত পিঠা-পনাৰে আপ্যায়ন কৰি পাচত তামোল পাণৰ খোম লৈ দলটোৰ আগত সেৱা কৰি মনোকামনা পূৰণৰ বাবে আশীৰ্বাদ বিচাৰে। মৰাণৰ অন্যতম বৈশিষ্ট্যপূৰ্ণ "মৰাণৰ ধৰ্ম হুচৰি" পৰিবেশনৰ সুকীয়া ধৰ্মীয় ৰীতি-নীতি আছে। প্ৰত্যেক বছৰত বা প্ৰত্যেক গাঁৱতে এই হুচৰি পৰিবেশন কৰা নহয়। ধৰ্ম হুচৰি গাবৰ বাবে গুৰু ঘৰত উৰুকা তিথি বা গাঁৱৰ নাম ঘৰৰ উৰুকা তিথিত যাৱতীয় অনুমতি লোৱা হয। ধৰ্ম হুচৰিত ধৰ্মীয় গীতৰ বাদে বিহু গীত সম্পূৰ্ণ নিষেধ। শৰণীয়া লোকেহে গাব পৰা এই হুচৰিৰ বাবে তেওঁলোকে মূৰত বগা পাগুৰি, বগা ধুতি পিন্ধি খালি গাৰে অতি পবিত্ৰ মনে হুচৰি পৰিবেশন কৰিব লগা হয়। চক্ৰাকাৰে ঢোল-তাল বজাই নৃত্য আৰু পদ ফাঁকি সামৰাৰ পিছত ফুলকোঁৱৰৰ গীত গায়। ধৰ্ম-হুচৰি আকৌ দিনত নাগায়। নিশা গৃহস্থৰ ঘৰত প্ৰবেশ কৰে অতি সন্তৰ্পণে। গৃহস্থই আগতীয়াকৈ ঘৰৰ মুখত এটা চাকি বা লেম্প জ্বলাই থয়। হুচৰি দলটোৱে পদুলিত এপাক মাৰি "গৃহস্থৰ কুশল জয় হৰি ৰাম" ধ্বনি দিয়াৰ পাচতহে ঘৰৰ গৃহস্থ বাহিৰ ওলাই হুচৰি দলক নীতিগতভাৱে আদৰ সাদৰ জনাব পাৰে। "ৰাতি বিহুৰ" বাবে গাঁৱৰ ডেকাসকলে গাভৰুসকলক তেওঁলোকৰ অভিভাৱকৰ পৰা তামোলপাণেৰ সেৱা আগবঢ়াই ৰক্ষণাবেক্ষণৰ সম্পূৰ্ণ প্ৰতিশ্ৰুতিৰে খুজি আনি নিশা ৯/১০ মান বজাৰ পৰা ৰাতি পুৱালৈকে বিহু মাৰিছিল। অশ্লীলতাৰ তিলমানো আঁচোৰ নথকা আৰু এই সময়ছোৱাত কোনো যুৱক-যুৱতীৰ কোনো প্ৰকাৰৰ হৰণ-ভগন নোহোৱা পবিত্ৰভাৱৰ এই ৰাতি-বিহু অৱশ্যে বৰ্তমান দেশৰ বিশৃংখল পৰিস্থিতি আৰু নানা সমস্যাৰ বাবে বন্ধ আছে। মৰাণ বিহুৰ এনে স্বকীয়তা আৰু ঐতিহাসিক পৰম্পৰাই অসমীয়া সংস্কৃতিক নিঃসন্দেহে অধিক জীপাল আৰু চহকী কৰি ৰাখিছে। মৰাণসকলে বহাগবিহুৰ দৰে অন্য কেইটা বিহু বৰ

আড়ম্বৰপূৰ্ণভাৱে নাপাতে। আহিন আৰু কাতি মাহৰ সংক্ৰান্তিত আৰম্ভ হোৱা কাতিবিহু বা কঙালীবিহুত যিহেতু প্ৰায়ভাগ মৰাণৰ ঘৰতে খাবলৈ ভাত, ভঁৰালত ধান নাথাকে। এইখিনি সময়ত কোনো কোনো ভিতৰুৱা গাঁৱৰ লোকে লাজ-মান কাটি কৰি থৈ গাঁৱে গাঁৱে ধান বিচাৰি ফুৰা দৃশ্য অতি দুখজনক। ভঁৰাল-উদং, মন-উদং, ভোগ প্ৰাচুৰ্যহীনতাৰ স্বাক্ষৰ বহনকাৰী এই কঙালীবিহু সেয়ে মৰাণ সমাজে প্ৰায় নাপাতেই বুলি ক'ব পাৰি। অৱশ্যে আজিকালি কোনো কোনো মৰাণে একান্ত ব্যক্তিগতভাৱে অনাডম্বৰভাৱে হ'লেও কাতিবিহু নপতাকৈ নাথাকে। এনেদৰে ব্যক্তিগতভাৱে পালন কৰা কাতিবিহুত মৰাণৰ মূল গৃহস্থজনতকৈ মূল গৃহিণীগৰাকীহে অধিক তৎপৰ হৈ পৰে। আধ্যাত্মিকতাৰ জ্যোতিৰে আলোকিত হৈ গৃহিণীগৰাকীয়েই সিদিনা সোনকালে বিছনা ত্যাগ কৰি ঘৰৰ অন্ন-গৃহ, মূল-গৃহ, চোতাল-পদূলিমুখ, ভঁৰাল, ঢেঁকীশাল, গৰু গোহালি আদি সাৰি-পুচি পৰিষ্কাৰ কৰি নিজেও গা-পা ধুই চাফা বস্ত্ৰ পৰিধান কৰি হাঁহি মুখে সকলোকে ভাত-পানী দিয়ে। তাৰ পাছত সন্ধ্যাৰ আগতে ঠিক ৩/৪ মান বজাত পুনৰ গা-পা ধুই পৰিষ্কাৰ কাপোৰ পৰিধান কৰি অতি পবিত্ৰ মনেৰে ধাননি পথাৰলৈ গৈ একাবাতিত বন্তি প্ৰজ্বলন কৰি অকলে অকলেই তামোল পাণ কাটি শস্যলৈ আগবঢ়াই লক্ষ্মীদেৱীৰ শুভ দৃষ্টি কামনা কৰে। একাবাতিৰ বন্তিৰ প্ৰজ্বলনে যাতে শইচত থকা নানা অনিষ্টকৰ পোক-পৰুৱাক বিদূৰ কৰি ৰাখি শইচ ভালে থকাৰ বাবে লক্ষ্মীদেৱীক প্ৰাৰ্থনা জনায়। সন্ধ্যা - ভঁৰাল, গোহালি, ঘৰৰ আগফাল তুলসী গুৰি বা আগৰে পৰা ৰঙা মাটিৰে মচি-কাচি থোৱা তুলসী গুৰিৰ তলত বন্তি প্ৰজ্বলন কৰে। তুলসী গছ আগৰে পৰাই মৰাণৰ এক পবিত্ৰ আধ্যাত্মিক গছ। মৰাণে তুলসী গছক সদায় শ্ৰদ্ধাৰ চকুৰে চাই আহিছে। ঘৰৰ দাঁতিত তুলসী গছ ৰুই ঘৰখন সৰ্বমঙ্গলময় কৰি তোলাৰো প্ৰয়াস চলোৱা হয়। আনকি মৰাণে বিহু হুচৰি গীতত গায়—

"তুলসী তলে তলে চৰে মৃগ পহু
ৰামে হৰ ধনু ধৰে সমনীয়া।
তুলসী তলে তলে চৰে নাৰায়ণে
তাৰ মাজে মাজে থাকে লক্ষ্মী আয়ে
বিশ্ব ব্ৰহ্মাণ্ডকে ধৰি।।

সিদিনা নিশাৰ সাজত সম্পূৰ্ণ নিৰামিষ আহাৰ অথবা পিঠা-পনা গ্ৰহণ কৰাৰ আগতে মূল গৃহস্থীৰ উদ্যোগত ল'ৰা-ছোৱালীকো লক্ষ্মী-থাপনাৰ আগত বহুৱাই থাপনাত ধূপ-ধুনা চাকি জ্বলাই লক্ষ্মী আইৰ উদ্দেশ্যে প্ৰাৰ্থনা গায়। কোনো

কোনোৱে ধানৰ জন্ম কথা বৰ্ণাই লক্ষ্মী খেৰী গীতো গায়। খেৰী গীত গাই শেষ কৰাৰ পাচত কেঁচা সাজ অথবা চেনী, পিঠাগুৰি, তামোল-পাণ লক্ষ্মী আইলৈ আগবঢ়াই পাচত নিজৰ ভিতৰতো ভাগ কৰি খাই— অৰ্চনা সমাপ্ত কৰে। এনে পূজা অৰ্চনাত গোৱা লক্ষ্মী-গীতৰ একাংশ এনেধৰণৰ ঃ

গোলোক বৈকুণ্ঠত লক্ষ্মী আই আছিলে
সোণৰে আসনত বহি।
তেতিক্ষণে আহি নাৰদে মহেশে
লক্ষ্মী আইক কৰিলে স্তুতি।।
শুনা ঐ লক্ষ্মী আই মোহৰ বচন
কওঁ মই সত্য কৰি।
ভাগ্য ভাগ্যে নৰ মনিছে
আছে অপেক্ষা কৰি।।
নাৰদে বুলিলে শুনা লক্ষ্মী আই
নৰ-মনিছে গছৰে কুদলি খায়।।
অন্নৰ দুখতে নৰ মনিছে
আছে আঠু তলে চায়।।
কি কাৰ্যক লাগি আছা ধ্যান কৰি
সোণেৰে আসনত বহি।
নৰ মনিছলৈ উলটি নোচোৱা
কাৰনো আজ্ঞা পালি।।
ব্ৰহ্মাৰ আগতে লক্ষ্মী আই কান্দিলে
ইননি বিননি কৰি।
যাবহি লাগিব নগলে নহব
নৰে আছে আগ কৰি।।
সোণৰে জখলা ৰূপৰ হেতা মাৰি
আহে লাহে কৰি নামি।
এখুজি দুখুজি কাঢে তিনিখুজি
পৃথিৱীত দিলেহি ভৰি।।

এনেধৰণৰ খেৰী গীত মৰাণৰ অন্য সুকীয়া অনুষ্ঠান লখিমী সবাহতো আইতাসকলে অৱশ্যে গাই লক্ষ্মী আদৰে। এনেদৰেই মৰাণসকলে এনে বিহু উৎসৱ এক সুকীয়া ধৰ্মীয় অনুষ্ঠান হিচাপেও পালন কৰি আহিছে। এনে ধৰ্ম উৎসৱ বিহুৰ জৰিয়তে ঘাইকৈ ঘৰুৱা জীৱ-জন্তু যেনে— গৰু-ম'হ, হাঁহ-পাৰ, খেতি-

বাতি নিজৰ আত্মীয় সজ্জন তদুপৰি দহৰ আৰু দেশৰ কুশল-মঙ্গল কামনা কৰাৰ উপৰিও, উপৰি পুৰুষৰ সন্তুষ্টিৰ বাবে নানা বিধি-বিধানেৰে যথাযথ সেৱা আগবঢ়োৱা পুণ্য কামখিনি মৰাণসকলে বৰ আন্তৰিকতাৰে কৰি আহিছে। কাতিবিহুৰ পাছত অহা মাঘবিহুকো মৰাণসকলে সামাজিকভাৱে নাপাতে। এই সময়ত মানুহৰ আকাল কঙাল গুচে যদিও অথবা এই সময়ত মৰাণসকলৰ হাতত‌ো অফুৰন্ত আজৰি থকা সত্বেও মাঘবিহু নপতা কথাতো বিশেষ প্ৰণিধানযোগ্য। অৱশ্যে মাঘবিহুত সামান্যকৈ হ'লেও চুঙা-পিঠাকে ধৰি দৈ গাখীৰৰ জলপান, বাৰীৰ জাত আলু পুৰি খায়। মাঘবিহুত আলু নাখালে পিচৰ জনমত গাহৰি হৈ জনম লয় বুলি মৰাণৰ মাজত এক ধাৰণা প্ৰচলিত থকাৰ বাবেই হয়তো মাঘবিহুত আলু পুৰি খোৱাতো এক প্ৰকাৰ ধৰা-বন্ধা নীতি বুলিয়েই ক'ব পাৰি। অৱশ্যে বৰ্তমান সময়ত মৰাণৰ যুৱকসকলে মাঘৰবিহু নিশা উদং পথাৰত একগোট হৈ ভোজ-ভাত খাই গোটেই নিশা ঢোলে তালে নাচি-বাগি মাঘবিহুক বিদায় দিয়ে। নিঃসন্দেহে বিহু উৎসৱৰ এনেকুৱা আচাৰ-অনুষ্ঠান, নাচ-গান সময় আদিলৈ চাই ই যে মূলতঃ এক বৈশিষ্ট্যপূৰ্ণ কৃষি উৎসৱ তাক বুজিব পাৰি। অসমীয়া সংস্কৃতিৰ কৃষিভিত্তিক এই বিশিষ্ট অংগক কোনোধৰণৰ অনাৱশ্যক হৰণ-ভগন নোহোৱাকৈ ধৰি ৰাখিব পৰাটোৱেই অসমীয়া জাতিৰ ভৱিষ্যৎ নিৰ্ভৰ কৰে। সেয়ে অনাগত দিনত এই অপৰিবৰ্তিত বিহুক আৰু অধিক প্ৰগতি আৰু সমন্বয়ৰ মহা শক্তিৰে জিলিকাই তোলাৰ দায়িত্ব আমাৰ সকলোৰে।

❖❖❖

চাও লোকেশ্বৰ গগৈ

জন্ম ঃ ১৯২৮ চন। গোলাঘাট জিলাৰ খুমটাই নগাঁও।

শিক্ষা ঃ স্নাতকোত্তৰ।

কৰ্মজীৱন ঃ ১৯৪৬ চনত গোলাঘাটৰ চুণ্ডীহোলা প্ৰাথমিক বিদ্যালয়ত শিক্ষকতা আৰম্ভ কৰি নগাঁও জিলাৰ ৰহা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা ১৯৯১ চনত অৱসৰ গ্ৰহণ।

সাহিত্য কৃতি আৰু সাংস্কৃতিক জীৱন ঃ কবিতা পুথি (১), অন্যান্য সাহিত্য-সংস্কৃতি আৰু ইতিহাসমূলক গ্ৰন্থ (২০); অনেক প্ৰবন্ধ বিভিন্ন আলোচনী, পত্ৰিকা আদিত প্ৰকাশ, সাংবাদিকতা (৩); আলোচনা চক্ৰৰ সঞ্চালক(৪), সত্ৰীয়া নৃত্য আৰু ঢোল বাদ্যৰ প্ৰশিক্ষক হিচাপে কৃতিত্ব লাভ, আৰু ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় আলোচনা চক্ৰত বক্তৃতা প্ৰদান। সম্বৰ্দ্ধনা লাভ (৬)।

ৰাজহুৱা জীৱন ঃ মহাবিদ্যালয় প্ৰতিষ্ঠা, অসম সাহিত্য সভা, অসম নাট্য সম্মিলন, তাই সাহিত্য সভা, Folklore Society, Assam আদিৰ লগত নিবিড়ভাৱে জড়িত।

ডিমাছাসকলৰ কাতিবিহু

অতীজত ডিমাছাসকলৰ সমাজত বিহু উদ্‌যাপন কৰিবৰ বাবে ডেকাসকলৰ কাৰণে 'নাগা হোজা' (ডেকা নেতা) আৰু গাভৰুসকলৰ বাবে 'মাটলা হোজা'(গাভৰু নেত্ৰী) নামে দুগৰাকী বিশিষ্ট ব্যক্তিক গণতান্ত্ৰিকভাৱে নিৰ্বাচিত কৰি লৈছিল। এই দুগৰাকী ব্যক্তিৰ নিৰ্দেশত আগন্তুক বিহুৰ বাবে কৰিবলগীয়া কামবোৰ কেনেকৈ সমাধান আৰু কোনে কোনে সেই কামবোৰত অংশগ্ৰহণ কৰিব তাৰ আলোচনা কৰিছিল। বিহুৰ খৰচৰ বাবে গঞাৰ ঘৰে ঘৰে অৰ্থ সংগ্ৰহ কৰাৰ

প্ৰথা নাছিল। তেওঁলোকে যৌথভাৱে পাহাৰত জুম পদ্ধতিৰে কৃষি কৰ্ম কৰিছিল। এনে ধৰণৰ কৃষি কাৰ্যত তেওঁলোকে যিখিনি শস্য উৎপাদন কৰিছিল সেইখিনি গওাক ধাৰ হিচাপে দিয়াৰ নিয়ম আছিল, যাৰ দ্বাৰা তেওঁলোকে অভাৱ তথা বিপদৰ সময়ত ৰক্ষা পাইছিল। ধাৰ পৰিশোধ কৰোতে ধৰুৱাই ঠাইভেদে এদোন আৰু ঠাইভেদে তিনিদোন ধান এদোন শস্যৰ বাবদ সুদ দিব লাগিছিল। তেনেকৈ টকা হিচাপে দুটকাত এটকা আৰু তিনি টকাত এটকা সুত দিব লাগিছিল। অধুনা এনে ধৰণৰ সুন্দৰ প্ৰথাৰ ঠাইভেদে অৱসান ঘটিব লাগিছে। ডিমাছাসকলৰ আহোমৰ নামঘৰৰ সদৃশ নব্ৰাঙ আছে, য'ত বহি তেওঁলোকে বিহুৰপৰা আৰম্ভ কৰি সমাজৰ সকলো বিষয়ে আলোচনা কৰে।

সহজ সৰল ডিমাছা কছাৰীসকলৰ সমাজত তিনিটা বিহু (সাঁঈজোৰা) পালন কৰে যথা— বাইশাগী (বহাগবিহু), মাঘু সাঁঈশাগী (মাঘবিহু) আৰু কাতিবিহু (গাড্ডী সাঁঈজোৰা)। ডিমাছাই মাহৰ শেহৰ দিনক সংক্ৰান্তি (সাঁঈজোৰা) বোলে।

অতীজত ডিমাছাসকলে কাতিবিহুৰ দিনা হেৰেমডী বা হৈডেম্বেশ্বৰী, চাণ্ডী বা ৰণচণ্ডী আদি আদ্যাদেৱীক শক্তিৰ দেৱী স্বৰূপে পূজা-অৰ্চনা কৰিছিল। এনে ধৰণৰ শক্তি দেৱীক পূজা কৰোতে নৰবলিও দিয়াৰ প্ৰথা আছিল। নৰবলিৰ দিনা পুৰুষ আৰু মহিলা উভয়ে 'গেৰ্ৱা' পালন কৰিব লাগিছিল। পাদামসকলে ইয়াক 'গেনা' বুলি কয়। অৰ্থাৎ সেইদিনা মুনিহে খৰি লুৰা আৰু ফলা, কৃষি কৰ্ম কৰা, হাবি কটা আদি ঘৰৰ বাহিৰৰ কৰ্ম কৰা নিষেধ আৰু মহিলাই ঘৰৰ চাৰি বেৰৰ ভিতৰৰ কৰ্মখিনি কৰিব লাগে। তাৰ বাহিৰে তাঁত বাটি কৰা, তাঁত বোৱা, কাপোৰ ধোৱা, কঠীয়া তোলা, ভুঁই ৰোৱা আদি কৰ্মবোৰ কৰা নিষেধ। তেওঁলোকৰ সমাজত এটা প্ৰশংসনীয় প্ৰথা আছে যে, সেইদিনা তেওঁলোকে গাঁৱৰ বয়োবৃদ্ধসকলৰ ওচৰলৈ যায়, অতীতৰ বুৰঞ্জীৰ কথা জানিবলৈ আৰু পূৰ্ব-পুৰুষৰ নামবিলাক জানিবলৈ। ডিমাছাসকলৰ বয়োবৃদ্ধবৰ্গ অনক্ষৰ আছিল যদিও আদিম বুৰঞ্জীৰ তথ্যবোৰ স্মৃতিপটত যুগুতাই ৰাখিছিল। ডেকা-গাভৰুসকলে বৃদ্ধ-বৃদ্ধাসকলৰ চৰণ স্পৰ্শ কৰি সেৱা কৰে আৰু সজ কথা, সজ উপদেশ আৰু মঙলাশীৰ্বাদ বিচাৰে। তেওঁলোকে মানীসকলক জু (ঘৰুৱা মদ) আৰু ভজা মাংসৰে আপ্যায়িত কৰে। এয়া ডিমাছা সমাজত থকা অকৃত্ৰিম ভক্তি আৰু চেনেহৰ চিন।

ডিমাছাসকলৰ সমাজত জু প্ৰস্তুত কৰোতে 'টৈব্ৰা' নামৰ এবিধ বন গছৰ শিপাৰপৰা বাখৰ আৱশ্যক। এইবিধ বাখৰ বাইৰং নামৰ সিজোৱা চাউলৰ লগত মিহলি কৰি লোৱাৰ ৰীতি আছে। বিহু নাইবা যি কোনো উৎসৱত জু নহ'লেই নহয়। এই বিষয়ে বিস্তৃত বৰ্ণনা ডিমাছা সংস্কৃতিৰ ৰূপৰেখা ২য় খণ্ডত চাওক।

ডিমাছাৰ বিহুৰ বিষয়ে আলোচনা কৰা নদ্ৰাঙৰ বিষয়ে এই ছেগতে কিছু জনা আৱশ্যক। নদ্ৰাঙ (ডেকাচাং) ডিমাছাসকলৰ এটি অপৰিহাৰ্য অনুষ্ঠান, যাৰ মাধ্যমেদি শাৰীৰিক, মানসিক, নৈতিক, ধৰ্মীয় আৰু সামাজিক শিক্ষাৰ উপযুক্ত জ্ঞান আহৰণ কৰিব পাৰিছিল। কৃষিবিদ্যা, ৰণ বিদ্যা, মৃগয়া, গৃহ-নিৰ্মাণ, গ্ৰাম্য উন্নয়ন, গাঁও নিৰাপত্তা, সমবায় পদ্ধতি, বিনিময় প্ৰথা আৰু উমৈহতীয়া শ্ৰমদান আদি এশ এবুৰি বিদ্যা শিক্ষা নদ্ৰাঙতেই লাভ কৰিব পাৰিছিল। ইয়েই আছিল মেল-মিটিঙৰ কেন্দ্ৰস্থলী। তাৰ উপৰিও অতিথি অভ্যাগতৰ বিশ্ৰাম আলয়, কুটীৰ শিল্পৰ প্ৰশিক্ষণ কেন্দ্ৰ, আধুনিক ক্লাব ঘৰ, ভাব ভাষা বিনিময়ৰ থলী আৰু ভৱিষ্যতৰ এখন ঘৰ তথা এখন গাঁৱৰ গধুৰ দায়িত্ব বহনৰ প্ৰশিক্ষণ কেন্দ্ৰ।

ডেকাচাঙক বিধান সভাৰ লগত তুলনা কৰিব পাৰি। প্ৰতিখন গাঁৱৰ প্ৰশাসনিক যন্ত্ৰৰ পৰিষদ হ'ল গাঁওসভা বা 'কেবাং'। কেবাংখন নদ্ৰাঙতেই অনুষ্ঠিত হয়। নদ্ৰাঙত অন্যান্য জনজাতিৰ ডেকাচাঙৰ দৰে কোনো স্বেচ্ছাচাৰী শাসন নাছিল। তেওঁলোকে কোনো শাসকৰ চৰকাৰ বুজি নাপাইছিল, য'ত জনসাধাৰণৰ দ্বাৰা গঠিত আৰু জনসাধাৰণৰ দ্বাৰা পৰিচালিত চৰকাৰকেই স্থান দিয়া হৈছিল। প্ৰতিখন গাঁৱেই একো একোটা স্বাধীন সংঘ, তেওঁলোকে যিকোনো বাহিৰা হস্তক্ষেপ নামানে। সেয়ে এনে ধৰণৰ আপোনা আপুনি সৃষ্টি হোৱা গণতন্ত্ৰ অনুষ্ঠানত কোনো কালেই ৰাজতন্ত্ৰই আসন পোৱা নাই।

নদ্ৰাঙৰ নিৰ্মাণ প্ৰণালী অসমীয়া ভঁৰালৰ লগত তুলনা কৰিব পাৰি। বেত, বাঁহ আৰু কাঠেৰে নদ্ৰাঙৰ মাটিতেই সাজে। অৱশ্যে ঠাইভেদে চাংঘৰো সাজি লয়। সাধাৰণতে নদ্ৰাঙৰ দৈৰ্ঘ ৪০ মিটাৰ আৰু প্ৰস্থ ৯ মিটাৰ। নদ্ৰাঙৰ ভিতৰত এটা ডাঙৰ কোঠা থাকে, য'ত কেবাখনো বাঁহৰ চাং থাকে। এই চাঙবোৰত ডেকাসকলে ৰাতি নিদ্ৰা যায়। নদ্ৰাঙৰ একাধিকখন জুহাল থাকে, য'ত বহি নাগা (ডেকা)সকলে শীত কালি জুই পুৱায় আৰু মনৰ কথা পাতি আনন্দ পায়। অতীতৰ নাগাসকলে শত্ৰুৰ হাতৰপৰা গাঁওখন ৰক্ষা কৰিবলৈ নদ্ৰাঙত ৰাতি সজাগে থাকিব লাগিছিল। এয়ে অধুনা গাঁওৰক্ষী বাহিনীৰ উৎপত্তি। অতৰ্কিতে শত্ৰু আহিলে তেওঁলোকে গএগাক খবৰ দিছিল। তেওঁলোকে পলাবলৈ সুবিধা নাপালে, অস্ত্ৰ লৈ শত্ৰুৰ লগত ৰণ দিছিল। বৰ্তমান নদ্ৰাঙ অনুষ্ঠান পুথিভঁৰাল অথবা প্ৰাপ্ত বয়স্ক শিক্ষাৰ কেন্দ্ৰলৈ ৰূপান্তৰিত হৈছে।

চেঙেলীয়া ল'ৰাক নদ্ৰাঙলৈ নিয়াৰ প্ৰথা আছিল। তেওঁলোকে বিয়া নকৰোৱালৈকে নদ্ৰাঙত থাকি, দিনৰ দিনটো হাড় ভগা পৰিশ্ৰম কৰিব লাগিছিল। প্ৰতিদিনে বেলি বহাৰ আগতে ঘৰত ভাত-পানী খাই, নদ্ৰাঙলৈ আহিছিল। দিনৰ ভাগত পিতৃ-মাতৃক যিকোনো কামত সহায় কৰাৰ বাহিৰেও নিঃকিন দৰিদ্ৰ আৰু

অসহায় লোকক বিশেষভাৱে শ্ৰমদান কৰাৰ আদৰণীয় প্ৰথা আছিল। শ্ৰাদ্ধ-বিবাহ আদি সকলো অনুষ্ঠানতেই নদ্ৰাঙৰ ডেকাসকলৰ শ্ৰমদানৰ ভূমিকা অতুলনীয় আৰু অনুকৰণীয়। এনে অনুষ্ঠানবিলাক কেৱল ডিমাছাসকলৰ বাবেই নহয় মঙ্গোলয়দসকলৰ সমাজৰ এটি অবিচ্ছেদ্য অংশ। ইয়াক এৰি তেওঁলোক জীয়াই থাকিব নোৱাৰে। নদ্ৰাং তথা ডেকাচাং অনুষ্ঠানে এটা জাতিক স্বাৱলম্বিতা আৰু শ্ৰমমুখী কৰি তোলাত যি অৰিহণা যোগাই আহিছিল, সেই অৰিহণা অধুনা কোনো অনুষ্ঠানে দিব পৰা নাই। বৰ্তমান শ্ৰমবিমুখী হোৱা লোকৰ বাবে এনে অনুষ্ঠানৰ অতীৱ প্ৰয়োজনীয় হৈ পৰিছে।

ডিমাছাসকলে আহিন মাহৰ সংক্ৰান্তিৰ দিনা গা-পা ধুই নতুন নাইবা পৰিষ্কাৰ সাজ-পাৰ পিন্ধি খেতি পথাৰলৈ গৈ চাই আহেগৈ আৰু সন্ধ্যা হোৱাৰ লগে লগে চাকি বন্তি জ্বলায়। তেওঁলোকে আই লখিমীদেৱীক প্ৰাৰ্থনা কৰে যে, পথাৰখন যাতে কীট-পতংগৰপৰা ৰক্ষা কৰি শস্যৰে পৰিপূৰ্ণ হয়। চাকি জ্বলোৱাৰ তাৎপৰ্য হৈছে, পথাৰৰ কীট-পতংগবোৰ যাতে অগ্নিত পৰি ধ্বংস হয়। ঘৰৰ পদূলিত আৰু তুলসী তলত চাকি-বন্তি জ্বলোৱাৰ প্ৰথা আছে। অৱশ্যে তুলসীৰ তলিখনত ঢিপ সাজি মচি-কাচি সুন্দৰ কৰি লয়। তুলসীক পূজা-সেৱা কৰাৰ তাৎপৰ্য হ'ল ঘৰখনলৈ লখিমী দেৱী আহি যি কোনো অভাৱ মোচন কৰা আৰু শস্যে-মৎস্যে ভঁৰাল পৰিপূৰ্ণ হোৱা। চাকি-বন্তি জ্বলোৱা দিনা ৰাতিৰ সাজ ভাতহে মাছে-মঙহে আৰু মদেৰে খোৱাৰ প্ৰথা আছে। ধনীঘৰে আত্মীয় লোকক নিমন্ত্ৰণ কৰি মদেৰে আপ্যায়িত কৰে। তেওঁলোকৰ সমাজত মদ নহ'লেই নহয়।

❖❖❖

গীতা দত্ত

জন্ম ঃ ১৯৪৫ চন। পাটনা (বিহাৰ)।

শিক্ষা ঃ বি, এ, বি, টি। ওয়াৰ্ধাৰ পৰা ৰত্ন উপাধি লাভ।

কৰ্মজীৱন ঃ অসম ৰেলৱে উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহশিক্ষয়িত্ৰী হিচাপে যোগদান কৰি বৰ্তমান ভাৰপ্ৰাপ্ত অধ্যক্ষা।

সাহিত্য কৃতি আৰু সাংস্কৃতিক জীৱন ঃ গভীৰ সংগীতানুৰাগী আৰু নাট্যপ্ৰেমী। গীটাৰ শিক্ষণত বিশাৰদ ডিগ্ৰী লাভ। আকাশবাণী যোগে প্ৰচাৰিত নাটকত অভিনয়। আলোচনীত লিখনি প্ৰকাশ।

ৰাজহুৱা জীৱন ঃ বিভিন্ন সংস্কাৰমূলক ৰাজহুৱা কৰ্মৰ লগত জড়িত, নিয়মানুবৰ্তিতা আৰু সততাৰ বাবে প্ৰিয়।

বেঙ্গলীসকলৰ মাজত কাতিবিহু উদ্‌যাপন

সমাজ পৰিবৰ্তনশীল। মানুহ সামাজিক জীৱ। সমাজৰ লগত সুৰ মিলাই সময়ৰ গতিত চলিবলৈ হ'লে বিভিন্ন পৰিবৰ্তনৰ সন্মুখীণ হ'ব লগা হয়। যান্ত্ৰিক যুগত মানুহ হৈ পৰিছে যন্ত্ৰৰ হাতৰ পুতলা। বহুতে নিজস্ব সত্তা পৰ্যন্ত হেৰুৱাই পেলাইছে। অত্যাধুনিকতাৰ লগত খোজ মিলাই চলিবলৈ গৈ বহুতে নিজস্বতাক বহুত দূৰলৈ দলিয়াই পেলাইছে, আৰু যিটোকে সন্মুখত দেখা পাইছে, তাকেই আকোঁৱালি লৈছে।

সময়ৰ পৰিবৰ্তনৰ লগে লগে সামাজিক প্ৰথাসমূহ নিৰ্দিষ্ট গণ্ডীৰ মাজত আবদ্ধ হৈ পৰিবলৈ ধৰিছে। কিছুমান পৰিয়ালৰ বয়োজ্যেষ্ঠ মহিলাসকলে প্ৰচলিত প্ৰথাসমূহ আজিও পালন কৰি আহিছে; আৰু কিছুমান পৰিয়ালে সমাজ বিবৰ্তনৰ প্ৰভাৱত পৰি প্ৰচলিত প্ৰথাসমূহক মূল সুঁতিৰ পৰা আঁতৰাই আনি নিজস্বতাৰে পালন কৰা দেখা গৈছে।

বৰ্তমান সময়ত, কিছুমান ৰক্ষণশীল পৰিয়ালৰ বাবেহে, পৰম্পৰাগত ৰীতি-নীতি আৰু প্ৰথাসমূহ বৰ্তি আছে বুলি স্বীকাৰ কৰিব লাগিব। উদাহৰণ স্বৰূপে কাতি সংক্ৰান্তিৰ কথা উল্লেখ কৰিব পাৰি, যাক অসমীয়াত কাতিবিহু বোলা হয়। অসমৰ বেঙ্গলী সমাজতো এই কাতিবিহু পালন কৰা হয়। অৱশ্যে অসমৰ বাকীসমূহ সম্প্ৰদায়ৰ লগত বেঙ্গলী সম্প্ৰদায়ৰ লোকসকলে পালন কৰা কাতি বিহুৰ নিয়মসমূহৰ যথেষ্ট তাৰতম্য থকা দেখা যায়।

সাধাৰণভাৱে কিছুমান নিয়ম প্ৰায় সকলো বেঙ্গলী পৰিয়ালতে পালন কৰা হয় যদিও অঞ্চলভেদে ইয়াৰ স্বকীয় বৈশিষ্ট্য থকা দেখা যায়। কোনো কোনো অঞ্চলত কাতি সংক্ৰান্তি উপলক্ষে পৰিষ্কাৰ-পৰিচ্ছন্ন হৈ খুব শুদ্ধ চিত্তে সংক্ৰান্তিৰ দিনা ভাত আৰু আঠবিধ শাক-পাচলিৰ ব্যঞ্জন, কোনো নতুন পাত্ৰত ৰন্ধা হয়। এই কৰ্ম এক প্ৰকাৰ পূজা সদৃশ। এই বিষয়ে প্ৰচলিত প্ৰবাদ আছে এনেদৰে—

আহিনত ৰান্ধে, কাতিত খায়,
যি বৰ মাগে, সেই বৰ পায়।

অৰ্থাৎ এই প্ৰসাদ সদৃশ ভাত-তৰকাৰী, নিৰ্মলীৰ দৰে হাতত লৈ মনত কিবা কামনা কৰি খালে, অভিপ্ৰেত কামনা সিদ্ধি হয় বুলি প্ৰচলিত প্ৰবাদ আছে। এই প্ৰসাদ গ্ৰহণ কৰাৰ আগতে গা-পা ধুই পবিত্ৰ হৈ ল'ব লাগে। কোনো কোনো পৰিয়ালত কাতি সংক্ৰান্তিৰ দিনা পুৰোহিত আমন্ত্ৰণ কৰি আনি পূজা পতাৰ ৰীতি প্ৰচলন আছে। পিছদিনা পুৱাৰ ভাগত পানীদিয়া ভাত অৰ্থাৎ পঁইতা ভাত, ৰোকা নাৰিকলৰ লগত খোৱা হয়।

দুপৰীয়া শাহুৰী-ব্ৰত পালন কৰা হয়। যিসকল গৃহিণীৰ শাহু স্বৰ্গগামী হৈছে তেওঁলোকে মৃত শাহুৰ আত্মাৰ সদ্‌গতিৰ উদ্দেশ্যে এই ব্ৰত পালন কৰে। এই ক্ষেত্ৰত চোতালৰ মাজ ভাগত এটা সৰু পুখুৰী খান্দি তাৰ ওপৰত শিলৰ পটা দিয়া হয়, তাৰ অৰ্থ হ'ল মৃতকৰ আত্মাবিলাক সেই পথেৰে বৈতৰণী পাৰ হৈ মুক্তি লাভৰ বাবে গতি কৰে, যিদৰে পিতৃ-মাতৃহীন পুৰুষসকলে মহালয়াৰ দিনা তৰ্পণ কৰে, ঠিক সেইদৰে মহিলাসকলেও একপ্ৰকাৰ শাহুৰ তৰ্পণ কৰে। এই পদ্ধতিত আটাৰে শাহুৰ কাল্পনিক মূৰ্ত্তিৰ গঢ় দি তাক ফুল, ধূপ আদিৰে পূজা কৰা হয়। যিসকল মহিলাই এই ব্ৰত পালন কৰে, তেওঁলোকে হালৰ খেতিৰ উৎপাদিত শস্যৰ আহাৰ গ্ৰহণৰ পৰা বিৰত থাকি কেৱল জুম খেতিৰ দ্বাৰা উৎপাদিত শস্যৰ আহাৰকে গ্ৰহণ কৰে।

সন্ধিয়া সময়ত খেৰ, অথবা বাঁহৰ কাঠি আদিৰে "প্ৰেত-কাৰ্ত্তিক" বনাই জুই জ্বলাই দি তালৈ বিভিন্ন পোক-পতঙ্গাদি দলিয়াই দিয়া হয়। ইয়াৰ তাৎপৰ্য হ'ল

অনাগত বছৰত যাতে খেতি পথাৰত পোক-পতঙ্গ আদিৰ উপদ্ৰৱ কম হয়। কিছুমান ঠাইত আকাশ-বাতি দিয়া হয়। এডাল দীঘল বাঁহৰ এটা মূৰত বাতিটো ৰাখি যিমান পাৰি ওখকৈ দিয়া হয়। এই বাতি তেল-শলিতাৰ চাকি নাইবা বিজুলী বাতিও হ'ব পাৰে। এই আকাশ-বাতিৰ জৰিয়তে স্বৰ্গগামী পূৰ্ব-পুৰুষসকলক যাত্ৰাৰ পথত পোহৰৰ যোগান ধৰা হয় বুলি বেঙ্গলীসকলে বিশ্বাস কৰি আহিছে।

কোনো কোনো অঞ্চলৰ বেঙ্গলীসকলৰ সমাজত কাতি বিহুক "গৰ্ভ সংক্ৰান্তি" বোলা হয়। অৰ্থাৎ ধান গছৰ গৰ্ভধাৰণ এই সময়ছোৱাতেই হয় বাবে কাতিবিহুক এনেদৰে নামকৰণ কৰা হৈছে। এই বিলাক অঞ্চলত সংক্ৰান্তিৰ দিনা ঘৰৰ মহিলাসকলে লক্ষ্মী আৰু অ-লক্ষ্মীৰ পূজা কৰে। পৰিয়ালৰ মহিলাসকলে লক্ষ্মীব্ৰত পালন কৰে। হয়তো অতীতৰ সমাজব্যৱস্থা প্ৰধানতঃ কৃষিভিত্তিক আছিল বাবেই এইবিলাক নিয়ম পৰম্পৰাগতভাৱে চলি আহিছে।

এনে সমাজত সংক্ৰান্তিৰ দিনা ঘৰৰ মহিলাসকল অনাহাৰে থাকি ঘৰৰ চোতাল, বাচন-বৰ্তন, কাপোৰ-কানি আদি ভালকৈ পৰিষ্কাৰ কৰি গা-পা ধুই আহি ভাগে ভাগে নিজৰ কাম আৰম্ভ কৰে। নিজৰ ৰুচি অনুযায়ী কোনোৱে পূজাৰ যা-যোগাৰৰ কাম আৰম্ভ কৰে, কোনোৱে ঘৰৰ চোতাল, দুৱাৰমুখ, ঘৰৰ ভিতৰ আদিত আল্পনা অঁকাত ব্যস্ত হৈ পৰে। এওঁলোকে পুৰোহিত আমন্ত্ৰণ কৰি আনি লক্ষ্মী পূজা কৰে। পূজাত প্ৰয়োজনীয নৈবেদ্য, ফল-মূল আদি মহিলাসকলে সজাই দিয়ে। এখন আগলি কলপাতত ঔটেঙাৰ পাত, কুশবনৰ শীহ, তিওৱা আৰৈ চাউল, বগা-চন্দনপিহা, দুবৰি আদি পূজালৈ বুলি অৰ্পণ কৰে। পূজা-অৰ্চনা শেষ হোৱাৰ পাছত সম্পূৰ্ণ নিৰামিষ হিচাপে ৰন্ধা ভোগ পূজাত অৰ্পণ কৰা হয়। ভোজত ভাত আৰু অন্যান্য ব্যঞ্জনৰ লগতে "আট-আনাজ" বাধ্যতামূলক। এই "আট-আনাজ" ৰঙালাও, কোমোৰা, মৰিচা শাকৰ ঠাৰি, উৰহী, কাচকল, মানকচু, আলু, ওলকচু, এইকেইবিধ পাচলি বাধ্যতামূলক হিচাপে লৈ তৰকাৰী বনোৱা হয়। পূজাত পুৰোহিতৰ কৰ্ম শেষ হোৱাৰ পাছত ভোগ গ্ৰহণ কৰাৰ আগে আগে পৰিয়ালৰ সকলোকে বহুৱাই লৈ আটাইতকৈ বয়োজ্যেষ্ঠ মহিলাগৰাকীয়ে এটা সাধু কয়। পৰম্পৰাগতভাৱে প্ৰচলিত এই সাধুটো হ'ল এনেধৰণৰ— এহাল বামুণ-বামুণী আছিল। বামুণে এদিন পথাৰৰ মাজৰ আলিৰ ওপৰেদি গৈ থাকোঁতে ক'লা পাৰিৰ বগা মলিয়ন কাপোৰ পৰিহিতা এজনী মানুহ লগ পালে। মানুহজনীয়ে বামুণক দেখা পাই ক'লে—"মোৰ তোমালোকৰ ঘৰলৈ যাবলৈ বৰ মন যায়। কিন্তু তোমাৰ গৃহিণীৰ আচাৰ-নীতিৰ কাৰণে মই যাব নোৱাৰো। তোমাৰ গৃহিণী পৰিষ্কাৰ আৰু পৰিপাটি হৈ থকাৰ বাবে মোৰ যাবলৈ ভাল নালাগে। তুমি ঘৰত গৈ তোমাৰ গৃহিণীক ঘৰ সৰা জাবৰ-জোঁথৰবোৰ দৰজাৰ সন্মুখত থ'বলৈ ক'বা,

বাহী গাৰে ৰন্ধা-বঢ়া কৰিবলৈ ক'বা, খোৱা-বোৱা, পতি-পত্নী দুয়োজনে একেলগে কৰিবা, বাচন-বৰ্তন অপৰিষ্কাৰ কৰি ৰাখিবা, নখ-দাঢ়ি-চুলি আদি নাকাটিবা" ইত্যাদি ইত্যাদি . . .।

বামুণজন ঘৰলৈ আহি পত্নীক সকলো কথা বিবৰি ক'লে। বামুণৰ কথা শুনি বামুণী মনে মনে থাকিল। কাৰণ বামুণীয়ে অনুমান কৰিব পাৰিছিল যে বামুণে পথাৰৰ মাজত কোনোবা অলক্ষ্মীক লগ পালে। সেইকাৰণে পিছদিনাৰ পৰা বামুণক সন্তুষ্ট কৰিবৰ বাবেই বামুণীয়ে বামুণৰ চকুত পৰাকৈ ঘৰ সৰা জাবৰ অলপ দুৱাৰ-মুখত ৰাখিলে, অলপ ভাত লৈ বামুণৰ লগত একেলগে খাবলৈ আৰম্ভ কৰিলে, আৰু তেনেকৈয়ে আনবিলাক কামো বামুণে কোৱাৰ দৰেই কৰিবলৈ ধৰিলে।

কাতি বিহুৰ দিনা বামুণ যেতিয়া বেলেগৰ ঘৰত পূজা কৰিবলৈ গ'ল, তেতিয়া বামুণীয়ে গা-পা ধুই পৰিষ্কাৰ-পৰিচ্ছন্ন হৈ সম্পূৰ্ণ নিয়মৰ মাজেৰে লক্ষ্মী-ব্ৰত পালন কৰি পূজা সম্পূৰ্ণ কৰিলে। "আট-আনাজ" ৰান্ধি ভোগ দিয়াৰ পাছত বামুণী খাবলৈ বহিল। লগে লগে পথাৰত থকা অ-লক্ষ্মীৰো বিপদ আৰম্ভ হ'বলৈ ধৰিলে। এই বিপদৰ প্ৰবাদ এনেধৰণৰ—

> "বামুণীয়ে খালে জেংগা (মৰিছা শাকৰ ঠাৰি), অলক্ষ্মীৰ ভাঙিলে ঠেংগা (ভৰি)
> "বামুণীয়ে খালে কচু, ধৰিলে অ-লক্ষ্মীৰ যচু (গল)
> "বামুণীয়ে খালে আলু, ভাঙিলে অ-লক্ষ্মীৰ তালু
> "বামুণীয়ে খালে ৰঙালাও, কৰিলে অ-লক্ষ্মীয়ে হাঁও হাঁও
> "বামুণীয়ে খালে ওল, হ'ল অ-লক্ষ্মীৰ নিৰ্মূল।"

আবেলি বামুণ ঘৰলৈ আহি থাকোঁতে পথাৰৰ মাজত সেই ক'লা পাৰিৰ বগা মলিয়ন কাপোৰ পৰিহিত মানুহজনী মৰি থকা দেখিলে। লগে লগে বামুণৰ চেতনা ঘূৰি আহিল। সি ঘৰত আহি বামুণীক ক'লে—

"বেয়া বস্তু নিৰ্মূল হ'ল।" এই সাধু শুনাৰ পাছত সকলোৱে মিলি-জুলি আনন্দ মনেৰে ভোগৰ খাদ্য গ্ৰহণ কৰে।

আবেলি সময়ত, পূজাত আগলি কলপাতত আগবঢ়াই দিয়া নৈবেদ্যসমূহ ব্যৱহাৰ কৰা হয়। ঔটেঙাৰ পাতবিলাকৰ দ্বাৰা নিৰ্দিষ্ট পদ্ধতিৰে এটা এটাকৈ খিলি (টগা) বনোৱা হয়। তাৰ ভিতৰত তিওৱা চাউল, দুবৰি আদি ভৰাই কুশকলৰ শীহেৰে গাঁঠি দি ওপৰত সেন্দুৰৰ ফোঁট দিয়া হয়। তাৰ পাছত মূল ঘৰ, ভঁৰাল

ঘৰ, গোহালি বাগিচা, খেতি-পথাৰ আদিত খিলিবোৰ গুজি দি এইদৰে গায়—

"আশ্বিন যাইতে, কার্ত্তিক আসতে,
চুয়া-চন্দনে বৰিলাম তোমাৰে।
চলিতা (ঔটেঙা) পাতায় ধৰছে কাড়াৰ, (কাজ্বাৰী)
এক এক কিয়াবে (কঠা) নয় নয় ভাড়াৰ (ভঁৰাল)।"

এই গান গাই গাই পুৰুষসকলে পর্যাপ্তমানে খেতিৰ পথাৰত খিলিবোৰ গুজি দিয়ে। এনে কৰিলে ধানৰ গেঁৰ ওলোৱাৰ সেই সময়খিনিত পথাৰত পোক-পতঙ্গবোৰ বিনাশ হয় বুলি বেঙ্গলীসকলে বিশ্বাস কৰে।

কোনো কোনো অঞ্চলত আকৌ এই পূজা বেলেগ ধৰণেৰে পতা দেখা যায়। ইয়াত ঘৰৰ মূল মহিলাগৰাকী অনাহাৰে থাকি ঘৰ, বাচন-বর্তন আদি পৰিষ্কাৰ কৰি গা ধুই আহি পবিত্ৰ মনেৰে চোতালৰ তুলসী ভেটিৰ ওচৰত এটা সৰু পুখুৰী খান্দি তাত একোজোপাকৈ হালধি, বগা কচু আৰু বৰ মেটেকা গছ ৰোৱে। পুখুৰীটোৰ পাৰত শাহুক উদ্দেশ্য কৰি এখন পীৰা পাৰি তাত কাঁহ বা পিতলৰ গিলাচত পানী ৰাখে। তিয়াই থোৱা মগুৰ দালি আৰু বিজুৰিয়াকৈ (৩,৫,৭ এনেদৰে) ভীমকলৰ সৈতে এখন থালত নৈবেদ্য সজাই তাৰ চাৰিওকাষে বিভিন্ন ফল-মূল কাটি দিয়ে। এই নৈবেদ্যত কুঁহিয়াৰ, নাৰিকল আৰু কল অপৰিহাৰ্য। আন এখন থালত তেতেলী, জলফাই, পদুমৰ ঠাৰি, শেলুক, কলৰ থোৰ আদিক মুখ্য কৰি চৈধ্যবিধ পাচলি সৰু সৰুকৈ কাটি সজাই লয়। এখন শৰাইত তামোল-পাণ আগবঢাই দিয়ে। শাহুৱে খাই ভালপোৱা কোনো-পথ্য থাকিলে তাকো আগবঢাই দি ধূপ জ্বলাই ফুল, দুবৰি আৰু লোটাত পানীসহ সুন্দৰকৈ সজাই লয়।

ইয়াৰ পাছত মহিলাগৰাকীয়ে একান্ত ভক্তিৰে শাহুক স্মৰণ কৰি কাটি ৰখা পাচলিৰ সৰু সৰু টুকুৰাবোৰৰ এটা এটাকৈ পুখুৰীটোত পেলাই শেষ কৰাৰ পাছত শাহুক উদ্দেশ্য কৰি সেৱা কৰে। পাছত দুহাতেৰে লোটাৰ পানীখিনি লাহে লাহে পুখুৰীটোত ৰোৱা গছকেইজোপাত ঢালি দিয়ে। প্ৰসাদখিনি পৰিয়ালৰ সকলোকে ভগাই দিয়ে। ইয়াৰ পাছত যি চৈধ্যবিধ পাচলি পুখুৰীত দিয়া হৈছিল, সেই চৈধ্যবিধ পাচলিৰে ঘৰত খেচাৰি দালিত দি তেল বিহীনভাৱে, কেঁচা হালধিৰে আঞ্জা বনাই "ঘিমা" কেৰেলা আৰু নিমপাতৰ সৈতে এখন তিতা ভাজি ভাতৰ লগত খাবলৈ ৰান্ধে।

ৰন্ধা-শেষ হ'লে ঘৰৰ উত্তৰ-পূব কোণৰ ঘাই খুঁটাৰ সন্মুখত এখন পীৰা পাৰি

তাত কাঁচৰ গিলাচত এগিলাচ পানী থৈ শিলৰ কাঁহী এখনত ভাত বাটি, ওচৰত তিতা ভাজি আৰু ডাঙৰ বাটি এটাত আঞ্জাখিনি ৰাখি সেইবোৰ "বাস্তু" দেৱতাৰ উদ্দেশ্যে নিবেদন কৰে। ঘৰৰ বাহিৰত, চোতালৰ কোণত এডোখৰ ঠাই ভালদৰে মচি-কাচি পৰিষ্কাৰ কৰি আগলি কলপাতত ভাত, তিতাভাজি আৰু চৈধ্যবিধ পাচলিৰ আঞ্জাসহ এখন ভোগ মৃত শাহুৰ উদ্দেশ্যে দিযে। এই ভোগ প্ৰথমতে কাউৰীক খাবলৈ দিয়া হয়। যিমান সময়লৈকে ভোগখিনি কাউৰীয়ে নাখায়, সিমান সময়লৈকে মৃত আত্মা সন্তুষ্ট হোৱা নাই বুলি পৰিয়ালৰ সকলোৱে ভাবি থাকে।

ঘৰৰ "বাস্তু" দেৱতাৰ উদ্দেশ্যে দিয়া ভোগৰ পৰা অলপ ভাত-আঞ্জা পৃথককৈ ৰাখি বাকীখিনি পৰিয়ালৰ সকলোৱে আনন্দ ফূৰ্তিৰে খায়। পৃথককৈ থোৱা ভাত আঞ্জাখিনি পিছদিনাখন গা-পা ধুই ঘৰৰ প্ৰত্যেকেই নিজ নিজ মনোকামনা কৰি প্ৰসাদ হিচাপে গ্ৰহণ কৰে। এই সম্পৰ্কে প্ৰবাদ আছে—

"আশ্বিনে ৰান্ধে, কাৰ্তিকে খায,
যে বৰ মাগে, সে বৰ পায়।"

কাতিবিহুৰ দিনা গধূলি এন্ধাৰ হোৱাৰ লগে লগে এওঁলোকৰ নিজৰ নিজৰ ঘৰৰ বয়োজ্যেষ্ঠ মহিলাগৰাকীযে খেৰৰ এটা মূৰ্ত্তি বনাই জুই জ্বলাই ঘৰৰ চাৰিওফালে ঘূৰি থাকে। সৰু সৰু ল'ৰা-ছোৱালীবিলাকে পাছে পাছে চিঞৰি চিঞৰি সোধে "অ'বুড়ি, কি পুড?" মহিলা গৰাকীযে উত্তৰ দি যায় "মাছি পুডি, মশা পুড়ি, সঙ্গে পুডি অ-লক্ষ্মী।"

গোটেই কাতিমাহ পৰ্যন্ত এওঁলোকে তুলসী গছৰ ওপৰত এটা ঘট ওলোমাই ৰাখি, ৰাতিপুৱা গা-পা ধুই, দিনটোলৈ ঘটটোৰ পৰা তুলসীজোপাত পানী পৰি থকাকৈ, ঘটটোত পানী ঢালে। এই অঞ্চলৰ বেঙ্গলীসকলে গোটেই কাতিমাহ জুৰি গধূলি গধূলি আকাশবন্তি জ্বলাই ৰাখে।

এই নিয়মসমূহ কিছুমান পৰিয়ালত বৰ্তমানেও বৰ্তি আছে যদিও আধুনিকতাৰ প্ৰভাৱত বহুতেই উলংঘা কৰি চলাও দেখা গৈছে। বিজ্ঞানে আমাক ক'ৰবাৰ পৰা ক'ৰবালৈ লৈ গৈছে। সমগ্ৰ পৃথিৱীখনেই এতিয়া মানুহৰ হাতৰ মুঠিত আহি পৰিছে। একেঠাইতে বহি দূৰ অথচ দূৰত্বহীনভাৱে পৃথিৱীৰ সকলো কথাকে জনা যায়। তাৰ মাজতো কিছুমান কথা "অন্তঃসলিলা ফল্গু ধাৰা"ৰ নিচিনাকৈ চিৰ-প্ৰবাহিত হৈ আহিছে।

বহুতৰ মতে নীতি-নিয়মসমূহ সমাজৰ কু-সংস্কাৰৰ বাহিৰে আন একো নহয়। কিন্তু কিছুমান কু-সংস্কাৰৰ অন্তৰ্নিহিত অৰ্থ ভালদৰে বিশ্লেষণ কৰিলে তাৰ তাৎপৰ্য

উপলব্ধি কৰিব পৰা যায়। এক কথাত আমাৰ সমাজৰ সামাজিক অনুষ্ঠানসমূহৰ বেছিভাগেই "স্ত্ৰী আচাৰ"। স্বাভাবিকতে প্ৰশ্ন উদয় হ'ব পাৰে "স্ত্ৰী আচাৰ" আকৌ কি বস্তু? এইক্ষেত্ৰত ক'ব পাৰি বিয়াই হওক, পূজা-অৰ্চনা বা অন্ন-প্ৰাসনই হওক, এই সকলোবিলাকতে বেঙলীসকলৰ মাজত কেৱল মহিলাইহে নিয়ম পালন কৰা দেখা যায়। বয়োজ্যেষ্ঠসকলে এইটো কৰিব পায়, সেইটো কৰিব নাপায় আদি কথা কয়, যদিও পুৰোহিতৰ প্ৰাধান্যতাক সম্পূৰ্ণৰূপে অস্বীকাৰ কৰিও চলিব পৰা নাই। এইসকলো কথাৰে মূল উদ্দেশ্য হৈছে যে করুণাময় ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা যেন সকলোৰে সুখ আৰু শান্তিত থাকক, ঈশ্বৰে সকলোকে মঙ্গলে ৰাখক। অসমৰ বেঙলীসকলেও কাতি-সংক্ৰান্তিৰ জৰিয়তে ইহলোকবাসী আৰু পৰলোকপ্ৰাপ্তিসকলৰ বাবে ইয়াকেই কামনা কৰি আহিছে। সেয়া বিশ্বাস বা অন্ধ-বিশ্বাস যিয়েই নহওক কিয়।।

বিঃ দ্ৰঃ লেখাটোত বিশেষভাবে সহায় কৰে শ্ৰীমতী সুভ্ৰা ভট্টাচাৰ্যই।

❖❖❖

ইন্দু প্ৰভা দেৱী

জন্ম : ১৯৬৯ চন। শোণিতপুৰ জিলাৰ গমিৰি।

শিক্ষা : স্নাতকোত্তৰ। এম ফিল।

কৰ্মজীৱন : বি বৰুৱা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপিকা।

সাহিত্য কৃতি আৰু সাংস্কৃতিক জীৱন : বিভিন্ন বাতৰি কাকত, আলোচনীত গল্প, প্ৰবন্ধ, কবিতা প্ৰকাশিত।

ৰাজহুৱা জীৱন : নেপালী সাহিত্য পৰিষদ আৰু বিভিন্ন সামাজিক অনুষ্ঠানৰ লগত ওতপ্ৰোতভাৱে জড়িত।

অসমৰ নেপালীসকলৰ মাজত কাতিবিহু উদ্‌যাপন

বৃহত্তৰ অসমীয়া সমাজে সাঙুৰি লোৱা বিভিন্ন জাতি-জনজাতিৰ ভিতৰত নেপালীও এক অন্যতম জাতি। অসমৰ প্ৰায় সকলো জিলাতে নেপালী সম্প্ৰদায়ৰ লোক আছে। তেওঁলোকে নিজ সাংস্কৃতিক পৰম্পৰা অক্ষুণ্ণ ৰাখিও অসমীয়া সংস্কৃতিৰ বহুতো সমল গ্ৰহণ কৰিছে, নেপালী আৰু অসমীয়া সংস্কৃতিৰ সংমিশ্ৰণেৰে সাংস্কৃতিক জীৱন চহকী আৰু বৈচিত্ৰ্যময় কৰি তুলিছে।

অসমীয়া সমাজত কৃষিৰ লগত জড়িত উৎসৱ কাতি বিহুত পালনীয় কেতবোৰ আচাৰ-অনুষ্ঠান অসমৰ নেপালী সমাজে পালন কৰা দেখা যায়। নেপালী সমাজত কাতি বিহু বুলি কোনো বিহু নাই। মাঘ বিহুত মকৰ সংক্ৰান্তি পালন কৰাৰ দৰে কাতি বিহুৰ সংক্ৰান্তি পালন কৰাৰো সাধাৰণতে কোনো নিয়ম নাই। তথাপিও অসমীয়া সমাজৰ সংস্পৰ্শ লভি অসমৰ নেপালী সমাজে আহিন-কাতিৰ সংক্ৰান্তিৰ দিনা কিছুমান আচাৰ-অনুষ্ঠান পালন কৰে। সংক্ৰান্তিৰ দিনৰ পৰা এমাহ ধৰি তেওঁলোকে পথাৰত চাকি দিয়ে। প্ৰথমদিনা আৰু শেষৰ দিনা চাকি দিওঁতে পূজা

সহকাৰে দিয়া হয়। ভঁৰালৰ গুৰিতো তেওঁলোকে চাকি দিয়ে। লখিমীৰ সন্তুষ্টিৰ জৰিয়তে কৃষিৰ শ্ৰীবৃদ্ধিৰ কামনা ইয়াত নিহিত হৈ থাকে। নেপালৰ নেপালী সমাজত সংক্ৰান্তিৰ দিনা পথাৰত চাকি দিয়াৰ নিয়ম নাই।

তুলসী তলত চাকি দিয়া আৰু আকাশবন্তি জ্বলোৱা অসমীয়া লোকৰ কাতিবিহুৰ প্ৰধান নিয়ম। নেপালী সমাজতো এনে নিয়ম আছে যদিও তিথিৰ ভিন্নতা মন কৰিবলগীয়া। সাধাৰণতে লক্ষ্মী পূৰ্ণিমাৰ দিনৰ পৰা ৰাসপূৰ্ণিমালৈকে তেওঁলোকে তুলসী তল চাকিৰে পোহৰায় আৰু চৌকাষ আকাশবন্তিৰে আলোকিত কৰে। আগতে নেপালীসকলে আহাৰ মাহৰ হৰিশয়নী একাদশীৰ পৰা কাতি মাহৰ হৰিবোধনী একাদশীলৈকে এই চাৰিমাহ কাল ঘৰে ঘৰে এনে আচাৰ পালন কৰিছিল। আজিকালি ঠাই বিশেষে কাতি সংক্ৰান্তিৰ এমাহ জুৰি তুলসী তলত চাকি দিয়া আৰু আকাশবন্তি জ্বলোৱা দেখা যায়। এয়া নেপালীসকলৰ ওপৰত অসমীয়া সমাজৰ প্ৰভাৱ।

নেপালী সমাজে বৰ্তমানো পালন কৰি থকা তুলসী সম্বন্ধীয় এটা প্ৰথা ইয়াত উল্লেখ কৰাটো নিশ্চয় অপ্ৰাসংগিক নহ'ব। জেঠ মাহৰ একাদশীত তেওঁলোকে তুলসীৰ বীজ ৰোপণ কৰে আৰু আহাৰ মাহৰ শুক্লপক্ষৰ হৰিশয়নী একাদশীত সেই তুলসী ৰোপণ কৰি ব্ৰত উপবাসে থাকি তুলসীৰ পূজা কৰে। সেইদিনাৰ পৰা কাতি মাহৰ শুক্লপক্ষৰ হৰিবোধনী একাদশীলৈকে এই চাৰিমাহ কাল যাক 'চৌমাসা' বোলা হয় বহুতে ব্ৰত ৰাখে। তুলসী তলত চাকি দিয়া আৰু আকাশবন্তি জ্বলোৱাৰ নিয়মো আগতে আছিল। কাতি মাহৰ হৰিবোধনী একাদশীত লক্ষ্মীস্বৰূপা তুলসীৰ বিষ্ণুৰ সৈতে বিবাহ অনুষ্ঠান পতা হয়। ঠাই বিশেষে এনে বিবাহ অনুষ্ঠানত 'সংগিনী গীত' গাই পৰিবেশ মুখৰিত কৰাও দেখা যায়। তেনে এক গীতৰ অসমীয়া ৰূপান্তৰ এনেধৰণৰ ঃ

জেঠ মাহৰ তুলসী ৰাণী
বীজ ৰাখিব পৰা হৈছেহে
শুনা নাৰায়ণ
আহাৰ মাহৰ তুলসী ৰাণী
দুপতীয়া হৈছেহে শুনা নাৰায়ণ
শাওন মাহৰ তুলসী ৰাণী
চাৰিপতীয়া হৈছেহে শুনা নাৰায়ণ
ভাদ মাহৰ তুলসী ৰাণী
লহপহীয়া হৈছেহে শুনা নাৰায়ণ

আহিন মাহৰ তুলসী ৰাণী
ঠাল মেলিছেহে শুনা নাৰায়ণ
কাতি মাহৰ তুলসী ৰাণী
বিয়া পাতিব পৰা হ'লেহে শুনা নাৰায়ণ।

অসমীয়া সমাজত কাতিবিহু মানে আকালৰ দিনৰ বিহু অৰ্থাৎ 'কঙালীবিহু'। নেপালী সমাজতো কাতি মাহ মানে এটা ক'লা মাহ (dark month) 'কালো কাত্তিক'। কিন্তু অসমীয়াৰ দৰে নেপালীৰ বাবেও এই মাহ মাহাত্ম্যময়। এই মাহটোত তেওঁলোকে ইয়াৰ মাহাত্ম্য বৰ্ণন কৰে, লখিমীৰ সন্তুষ্টিৰ অৰ্থে তুলসীৰ পূজা কৰে, পথাৰত চাকি দিয়ে, আকাশবন্তিৰে চৌকাষ পোহৰায়, আহাৰৰ হৰিশয়নী একাদশীৰ পৰা শয়ন কৰা নাৰায়ণে হৰিবোধনী একাদশীত সাৰ পায় বুলি তেওঁৰ বোধন কৰে, তুলসীৰ লগত তেওঁৰ বিয়া পাতে। তুলসী আৰু বিষ্ণুৰ বিবাহ মানে লক্ষ্মীৰ সৈতে জ্ঞান বা সত্যৰেই মিলন। জ্ঞান, সত্য আৰু ঐশ্বৰ্যৰ সংযোগ কামনা বোধহয় এনে লোকাচাৰৰ অন্তৰ্নিহিত তত্ত্ব।

দেখা যায় যে বিহু বা তেনে বিশেষ নামেৰে পালন কৰা নগ'লেও নেপালী সমাজৰ বহুতো লোকাচাৰ অসমীযাৰ বিহুৰ লগত একে। ঠাই বিশেষে তিথিৰ ভিন্নতা থাকিলেও উদ্দেশ্যৰ ভিন্নতা কম। ধৰ্মপৰায়ণ নেপালীৰ বাবে সংক্ৰান্তি মানেই এটা পবিত্ৰ দিন। অসমীয়া সমাজৰ প্ৰভাৱত আহিন-কাতিৰ সংক্ৰান্তি তেওঁলোকৰ বাবে আৰু বেছি মহত্ত্বপূৰ্ণ হৈ উঠিছে।

❖❖❖

মনজিৎ সিং

জন্ম ঃ ১৯৫৫ চন। নগাঁও জিলাৰ লংকা।

শিক্ষা ঃ স্নাতক।

কৰ্মজীৱন ঃ অসম চৰকাৰৰ বিত্ত বিভাগৰ অধীনত হিচাপ বিষয়া।

সাহিত্য কৃতি আৰু সাংস্কৃতিক জীৱন ঃকাব্য সংকলন সম্পাদনা (১), কটন কলেজৰ প্ৰাক্তন আলোচনী সম্পাদক, বিভিন্ন আলোচনীৰ সম্পাদক, আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ ঘোষক, প্ৰযোজক, নিৰ্দেশক আছিল (যুৱবাণীৰ), দূৰদৰ্শনৰ তথ্যচিত্ৰ কাহিনী ৰচক। বিভিন্ন কাকত আলোচনীৰ লগত জড়িত আৰু লিখনি প্ৰকাশ।

ৰাজহুৱা জীৱন ঃঅসম সাহিত্য সভা, অসমীয়া শিখ সন্থা, অসম হিচাপ সেৱা সন্থা, আৰু বিভিন্ন সামাজিক-সাংস্কৃতিক অনুষ্ঠানৰ লগত জড়িত।

অসমীয়া শিখসকলৰ কাতিবিহু পালনৰ পৰম্পৰা

অসমৰ ভৌগোলিক চাৰিসীমাৰ ভিতৰত বসবাস কৰা বিভিন্ন জনগোষ্ঠীৰ ভূমিপুত্ৰসকলৰ লগতে বিভিন্ন ঐতিহাসিক সন্ধিক্ষণত অসমলৈ আগমন ঘটা বিভিন্ন ফৈদ, গোষ্ঠী, বিভিন্ন ধৰ্মাৱলম্বী লোকৰ সংমিশ্ৰণত গঢ় লৈ উঠিছে অসমীয়া মহাজাতি। সেয়ে অসমীয়া সংস্কৃতি বাৰেবৰণীয়া আৰু একক। কেৱল ভাৰতবৰ্ষৰে নহয়, দাঁতিকাষৰীয়া অন্যান্য প্ৰান্তৰ পৰা অহা এইসকল লোকে অসমভূমিক আদৰি লৈ মহাবাহু ব্ৰহ্মপুত্ৰৰ পাৰত গঢ়ি তুলিলে ভিন্নতাৰ মাজত অভিন্ন হৃদয়ৰ সংস্কৃতি। ভূমিপুত্ৰসকলৰ লগতে ন-কৈ অহা বিভিন্ন জনগোষ্ঠীৰ এইলোকসকলে পৰস্পৰৰ পৰা কিছু লৈ কিছু দি অসমীয়া জাতিক শক্তিশালী আৰু চহকী কৰি তুলিলে।

শেহতীয়াভাৱে অসমীয়া মহাজাতিৰ লগত বিলীন হোৱা এটি অনুবীক্ষণিক জনগোষ্ঠী হ'ল অসমীয়া শিখসকল। এতিয়া প্ৰশ্ন হ'ল— এই অসমীয়া শিখসকলৰ আত্মপৰিচয় কেনেধৰণৰ? তেওঁলোকৰ সংজ্ঞাইবা কি? একে আষাৰে ইয়াৰ উত্তৰ দিবলৈ ক'ব লাগিব যিসকল শিখধৰ্মাৱলম্বী লোকৰ পিতৃপুৰুষ বিভিন্ন সময়ত বিভিন্ন কাৰণত অসমলৈ আহি ইয়াত স্থায়ীভাৱে বসবাস কৰি অসমীয়া ভাষা সংস্কৃতিৰে লালিত-পালিত হৈ অসমকে মাতৃভূমি বুলি গ্ৰহণ কৰি ইয়াত জাহ গ'ল আৰু অসমভূমিৰ বাহিৰে যিসকলৰ আন কতো এখন স্থায়ী ঘৰ নাই, সেইসকলেই অসমীয়া শিখ।

শিখসকলৰ প্ৰথম অসম আগমনৰ বিষয়ে অসম বুৰঞ্জীৰ উপৰিও পঞ্জাবৰ বুৰঞ্জীতো ছেগা-চোৰোকাকৈ উল্লেখ থকা পাওঁ। প্ৰামাণিক তথ্য সহকাৰে শিখসকল অসমত বসবাস কৰিবলৈ লোৱাৰ বিস্তৃত ইতিহাস ক'তো নাথাকিলেও বিভিন্ন বুৰঞ্জীবিদ আৰু সমাজ বিজ্ঞানীয়ে আগবঢ়োৱা তথ্যৰ আধাৰত অসমৰ শিখসকলৰ এক ইতিহাস সংগ্ৰহ কৰিব পাৰি। এই ক্ষেত্ৰত সঠিক চন তাৰিখ সন্দৰ্ভত বিভিন্ন ইতিহাসবিদৰ মতভেদ থাকিলেও তেখেতসকলে উল্লেখকৰা ঘটনাৰাজিৰ পৰা বাদানুবাদলৈ নগৈ চমুকৈ শিখসকলৰ অসম আগমনৰ বিষয়ে এক থূলমূল আভাস। দাঙি ধৰিলো।

শিখ ইতিহাসমতে গুৰু নানকে তেখেতৰ ধৰ্মমত প্ৰচাৰৰ বাবে যাত্ৰা কৰা পবিত্ৰ ভ্ৰমণ কালত ১৫০৫ খ্ৰীঃত অসমলৈ আহিছিল। এই সন্দৰ্ভত ড° ত্ৰিলোচন সিঙে তেখেতৰ গুৰু টেগবাহাদুৰ নামৰ গ্ৰন্থত উল্লেখ কৰিছে যে "It was during the reign of Ahom king Suhungmung, who under the influence of Brahmins, assumed the Hindu tittle Swarga Narayan, the Guru Nanak visited this land of magic and beauty On the way to Kamakhya, Guru Nanak stoped at Dhubri and it was during this itinerary that Guru Nanak met the great Vaishnava Saint, Sankardeva" ইয়াৰ পিছত দ্বিতীয়জনা শিখ গুৰু, গুৰু অংগদদেৱজীৰ পৰা অষ্টমগুৰু, গুৰুহৰজীলৈকে এইকালছোৱাত শিখগুৰুসকলে অসমৰ লগত ৰখা সম্পৰ্কৰ বিষয়ে ক'তো উল্লেখ পাবলৈ নাই। অৱশ্যে গুৰুনানকে এক বৃজনসংখ্যক অনুগামী ইয়াত এৰি থৈ যায় বুলি ঠায়ে ঠায়ে উল্লেখ আছে। ইয়াৰ পিছত নৱমজনা শিখগুৰু, গুৰু টেগবাহাদুৰজী অসমলৈ অহাৰ বিষয়ে বিভিন্ন ইতিহাসবিদে উল্লেখ কৰি গৈছে। ড° সূৰ্যকুমাৰ ভূঞাদেৱে "Lachit Barphukan and his times" আৰু Macauliffeৰ "History of Sikh Religion" নামৰ পুথি দুখনতো গুৰু

টেগবাহাদুৰ অসমলৈ অহাৰ কথা উল্লেখ কৰিছে। ইয়াৰ আগতে ড° ত্ৰিলোচন সিঙৰ ইতিপূৰ্বে উল্লেখ কৰা গ্ৰন্থত আৰু ড° অৰ্জুন সিংমানৰ "Guru Tegh Bahadur in Assam Pradesh" নামৰ গ্ৰন্থখনতো গুৰু টেগবাহাদুৰ অসমলৈ অহাৰ বিষয়ে তথ্যসহকাৰে উল্লেখ কৰিছে। আনহাতে নীলাচলপাহাৰত কামাখ্যা মন্দিৰৰ কাষত পুৰুষানুক্ৰমিকভাৱে বসবাস কৰি অহা এগৰাকী পাণ্ডাৰ হাতত সংৰক্ষিত গুৰু টেগবাহাদুৰৰ অসম ভ্ৰমণ সন্দৰ্ভত গুৰুজনাৰ লগত অহা এগৰাকী শিষ্যৰ দ্বাৰা বৰ্ণিত "ফৰমান"খনকো এইক্ষেত্ৰত আমি উল্লেখনীয় প্ৰামাণিক তথ্য হিচাপে গণ্য কৰিব পাৰো।

অসমলৈ আহি ধুবুৰীত চাউনি পতা গুৰু টেগবাহাদুৰজীৰ আজ্ঞা অনুসাৰে তেখেতৰ শিষ্য-প্ৰশিষ্য আৰু শুভাকাংক্ষীসকলে গুৰুনানকৰ পদধূলাৰে পবিত্ৰ হোৱা আৰু গুৰুজনাই জিৰণি লোৱা স্থানত এটি দৌল নিৰ্মাণ কৰে। ইয়াক "দমদমা সাহিব" অৰ্থাৎ গুৰুৰ জিৰণিৰ স্থান হিচাপে জনা যায়। পিছলৈ সেই স্থানতে এটি গুৰদ্বাৰা নিৰ্মাণ কৰা হয়। এই গুৰদ্বাৰাটি পূৰ্বতে "দমদমা সাহিব" আৰু বৰ্তমানে "ধুবুৰী সাহিব" নামে খ্যাত। এইটিয়ে অসমৰ প্ৰথম ঐতিহাসিক গুৰদ্বাৰা।

ড° মহেশ্বৰ নেওগদেৱৰ দ্বাৰা সম্পাদিত "পবিত্ৰ অসম" আৰু অধ্যাপক ৰামচৰণ ঠাকুৰীয়াদেৱৰ "অসম গৌৰৱ" নামৰ গ্ৰন্থ দুখনতো এই বিষয়ে বিষদভাৱে লিপিবদ্ধ কৰা হৈছে। "পবিত্ৰ অসম" নামৰ গ্ৰন্থখনিত উল্লেখ আছে যে— "শিখ বুৰঞ্জীত আছে, টেগবাহাদুৰৰ অনেক শিষ্য কামৰূপতে বৈ গ'ল। তেওঁলোকৰ সতি-সন্ততিসব এতিয়াও ধুবুৰী আৰু ছাওতলা (শিখটোলা)ত আছে।" অসম গৌৰৱ নামৰ পুথিখনত অধ্যাপক ৰামচৰণ ঠাকুৰীয়াদেৱে লিখিছে "দমদমা গুৰদ্বাৰা স্থাপন হোৱাৰ পাছৰে পৰাই লাহে লাহে অসমৰ আন আন ঠাইতো শিখ ধৰ্মৰ লোকে বসতি কৰিবলৈ লয়।"

অসম বুৰঞ্জীত "দন্দুৱা দ্ৰোহ" বুলি খ্যাত যুঁজত ৰঙিয়াৰ জমিদাৰ ভাতৃদ্বয় হৰদত্ত-বীৰদত্তই বদন বৰফুকনৰ বিৰুদ্ধে যুঁজোতে পঞ্জাবৰ পৰা কুমেদান সিঙৰ নেতৃত্বত অহা এদল শিখ সৈন্যয়ে হৰদত্ত-বীৰদত্তৰ হৈ যুঁজ কৰে বুলি উল্লেখ আছে। কুমেদান সিঙৰ লগত অহা শিখ সৈন্যসকলৰ কিছু অংশও যুদ্ধৰ শেষত অসমত থাকি যাব পাৰে বুলি ধাৰণা কৰিব পাৰি। অৱশ্যে "Sir E A Gait"ৰ "History of Assam"ৰ মন্তব্য অনুসৰি হৰদত্ত-বীৰদত্তৰ হকে যুঁজ দিয়া শিখ সৈন্যসকল নতুনকৈ পঞ্জাবৰ পৰা অহা লোক নাছিল। বৰং এইসকল গুৰু টেগবাহাদুৰৰ লগত আহি ইয়াত থাকি যোৱা শিষ্য-প্ৰশিষ্যসকল বা তেখেতে

ইয়াত শিষ্য কৰি থৈ যোৱা অনুগামীসকল। "Sir E A Gait" এ লিখিছে "Two brothers named Hari Dutta and Bir Dutta conspired with the secret aid of Rajas of Kooch Bihar and Bijni who hoped through them to recovers Kamrup for one of their race, raised a bonds of Punjabis, Hindustanis and Kacharis and declared themselves independent of Kamrup king These bonds of Pubjabis and Hindustanis were popularly called Dam-Demians, most probably because they all came from Gurdwara DamDama Sahib, now called Dhubri Sahib in Goalpara district" "(History of Assam by E A Gait)"

হাদিৰাচকীৰ ৰণ অসমীয়া শিখসকলৰ বুৰঞ্জীৰ এক মাইলৰ খুঁটি। অসমীয়া শিখসকলৰ ইতিবৃত্ত খুচৰি চালে আমি ১৮২০ খ্ৰীঃৰ হাদিৰাচকীৰ ৰণলৈও উলটি যাব লাগিব। মানৰ সৈতে হোৱা আহোম ৰজাৰ এই যুদ্ধত সহায় কৰিবৰ কাৰণে স্বৰ্গদেও চন্দ্ৰকান্ত সিংহই পঞ্জাব কেশৰী মহাৰজা ৰণজিৎ সিঙক এদল সুদক্ষ সেনা পঠিয়াবলৈ অনুৰোধ জনালে। এই অনুসৰি পঞ্জাব নৃপতিয়ে বীৰ চেতন সিং ওৰফে চৈতেন্য সিঙৰ নেতৃত্বত দুহেজাৰ শিখ সেনা অসমলৈ পঠিয়ায় বুলি বুৰঞ্জীবিদ গেইটে উল্লেখ কৰিছে। এই সৈন্যৰ সংখ্যা কোনোৱ মতে পাঁচশ আকৌ কোনো কোনোৰ মতে পাঁচ হাজাৰ। যি কি নহওক, হাদিৰাচকীৰ ৰণত মানৰ বিৰুদ্ধে ৰণ কৰি স্থানীয় সেনাপতি কৃষ্ণৰামৰ লগতে পঞ্জাববীৰ সেনাপতি চৈতেন্য সিঙে বীৰ গতি প্ৰাপ্ত কৰে। ৰণত অন্যান্য স্থানীয সেনাৰ লগতে বহু সংখ্যক শিখ সৈন্যইও মৃত্যু বৰণ কৰে। যুদ্ধৰ শেষত চৈতেন্য সিঙৰ পত্নী (কোনো কোনোৰ মতে মাতৃ) যে কিছু জখমী সৈন্য লগত লৈ ব্ৰহ্মপুত্ৰৰে নাৱেৰে উজাই আহি কাজলিমুখ হৈ কপিলীত নাও মেলি দিয়ে। কপিলীয়েদি পুনৰ উজাই গৈ তিতাইমৰা সুঁতিয়েদি চাপৰমুখত বাহৰ পাতে। এই তিতাইমৰা সুঁতিৰ পাৰতে শিখধৰ্মৰ পৰম্পৰা অনুসৰি এটি গুৰুদ্বাৰা নিৰ্মাণ কৰি বসতি আৰম্ভ কৰে। চাপৰমুখৰ এই গুৰুদ্বাৰাটিত সৈন্যসকলে লগত লৈ অনা দুখনমান শিখ ধৰ্ম গ্ৰন্থ, দুটা সৰুকামান, এখন তৰোৱাল, এখন যাত, এখন খাঞ্জা আজিও সংৰক্ষিত হৈ আছে। এই গুৰুদ্বাৰাটিয়ে হ'ল অসমৰ দ্বিতীয ঐতিহাসিক গুৰুদ্বাৰা। চৈতেন্য সিঙৰ পত্নীক সকলোৱে মাইজী অৰ্থাৎ আই বুলি সম্বোধন কৰিছিল। তাৰে স্মৃতিত গুৰুদ্বাৰাটিক পুনৰ নিৰ্মাণ কৰি বিগত ১৯৮২ খ্ৰীঃৰ ১১ এপ্ৰিলৰ দিনা "গুৰুদ্বাৰা মাতাজী" নামেৰে উদ্বোধন কৰা হয়।

উল্লেখনীয় যে "মাইজী"ৰ বাহিৰে সৈন্যসকলৰ লগত পঞ্জাবৰ পৰা কোনো নাৰী ইয়ালৈ অহা নাছিল। সেয়ে মাইজীৰ লগত অহা অৱশিষ্ট শিখ সৈন্যসকলে স্থানীয় অসমীয়া নাৰীৰ পাণি গ্ৰহণ কৰে। এই সংমিশ্ৰণেই অসমীয়া শিখসমাজৰ সৃষ্টি কৰে।

হাদিৰাচকীৰ ৰণ— অসমলৈ শিখসকলৰ আগমনৰ মুখ্য কাৰণ হ'লেও, বিভিন্ন সময়ত, বিভিন্ন কাৰণত অসমলৈ শিখসকলৰ প্ৰব্ৰজন হৈছে। মূলতঃ চাকৰি আৰু ব্যৱসায়সূত্ৰে দ্বিতীয় মহাসমৰ বা তাৰ কিছু পাছলৈকে অসমলৈ আহি নিগাজীকৈ বসবাস কৰিবলৈ লোৱা শিখসকলে পূৰ্বে অহা শিখসকলক অনুকৰণ কৰি তেওঁলোকৰ লগত বা থলুৱা অন্যান্য অসমীয়াৰ লগত বৈবাহিক সম্পৰ্ক ঘটাই অসমীয়া ভাষা-কৃষ্টি গ্ৰহণ কৰি হাড়ে হিমজুৱে অসমীয়া হৈ অসমীয়া শিখৰ সংখ্যা বৃদ্ধি কৰে। বৰ্তমান ধৰ্মীয় ৰীতি আৰু পৰম্পৰা অনুসৰি তেওঁলোকে পৰিধান কৰা পাগুৰি তথা মুখমণ্ডল আৰু মূৰত থকা দাড়ি আৰু কেশেই তেওঁলোকৰ একক পৰিচয়। অন্যথা দোষে-গুণে অন্যান্য থলুৱা অসমীয়াৰ দৰে তেওঁলোকো শ-শতাংশই অসমীয়া। এই ক্ষেত্ৰত অৱশ্যে উল্লেখনীয় যে, দৈহিক অৱয়বতে অসমীয়া শিখ পুৰুষসকলক পৃথক কৰিব পাৰিলেও অসমীয়া শিখ জীয়ৰী-বোৱাৰীসকলৰ অন্যান্য অসমীয়া নাৰীৰ লগত কোনো পাৰ্থক্য চকুত নপৰে।

চাপৰমুখৰ পৰা লাহে লাহে জীৱিকাৰ তাড়নাত আৰু নতুনত্বৰ সন্ধানত অসমৰ অন্যান্য ঠাইলৈ শিখসকলৰ বিস্তাৰিত হ'বলৈ ধৰে। বৰ্তমান নগাওঁ জিলাৰ বৰকলা অসমীয়া শিখসকল সৰ্ববৃহৎ গাঁও। ইয়াৰোপৰি নগাঁওজিলাৰ হাতিপাৰা, লংকা, হোজাই, কামপুৰ, কঠিয়াতলী আদি, কামৰূপ জিলাৰ পলাশবাৰী, ৰামপুৰ, গোৱালপাৰা জিলাৰ গোৱালপাৰা, ধুবুৰী জিলাৰ ধুবুৰী, দৰং জিলাৰ হেলেম, শোণিতপুৰ জিলাৰ তেজপুৰ, কাৰ্বি আংলং জিলাৰ ডিফু আৰু উজনী অসমৰ শিৱসাগৰ, যোৰহাট, ডিব্ৰুগড়, তিনিচুকীয়া লক্ষীমপুৰকে আদি কৰি ৰাজধানী চহৰ গুৱাহাটীতো ভালেমান অসমীয়া শিখ পৰিব্যাপ্ত হৈ আছে।

শিখসকলে অসমলৈ আহি কেনেধৰণেৰে অসমীয়া জাতিৰ লগত বিলীন হৈ গ'ল বা কি প্ৰক্ৰিয়াৰে অসমীয়া হ'ল, সেই বিষয়ে B C Allen এ Assam District Gazetteer ত এনেদৰে উল্লেখ কৰিছে "The Sikh came to this province alongwith their nineth Guru Tegh Bahadur and also to Serve at the time of Burmese envasion The original settlers have inter marriage, with the Keauts, Kacharis and Kalitas and all except the latest arrivals from the Punjab have now admixure of Assamese blood"

অসমীয়া শিখসকল মূলতঃ কৃষিজীৱী হ'লেও বিভিন্ন কল-কাৰখানা আৰু চৰকাৰী-বেচৰকাৰী চাকৰিৰ ক্ষেত্ৰতো নিয়োজিত হৈ আছে। ইয়াৰ উপৰিও বেহা-বেপাৰতো অতীজৰে পৰা অসমীয়া শিখসকল জড়িত হৈ আছে। এটা সময়ত বেহা-বেপাৰৰ ক্ষেত্ৰত অসমৰ শিখসকলে, বিশেষকৈ নগাঁও জিলাৰ শিখসকলে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল বুলি উইলিয়াম ৰবচন চাহাবে তেখেতৰ Descriptive Account of Assamত এনেদৰে লিখিছে — "The whole area of Nowgong District is 3870 sq miles and consist of Nine Mauzas Some years back the trade of this whole division was entirely in the hands of the Sikhs, who had migrated from the Punjab"(Decriptive Account of Assam by William Robson)

অতীজৰ পৰা প্ৰতিবেশী অসমীয়া সমাজৰ লগত সকলো ক্ষেত্ৰতে আদান-প্ৰদানেৰে মধুৰ সম্পৰ্ক ৰক্ষা কৰি অহা অসমীয়া শিখসকলৰ সামাজিক জীৱন ধাৰাও স্বাভাৱিকতে থলুৱা অসমীয়াৰ দৰে হৈ পৰিছে। ধৰ্মীয় ৰীতি-নীতি আৰু পৰম্পৰাৰ বাহিৰে অসমীয়া শিখসকলৰ সাংস্কৃতিক জীৱনো অন্যান্য থলুৱা অসমীযাৰ দৰেই। অসমৰ জলবায়ুৰ লগত ৰজিতা খোৱাকৈ অসমীযা শিখসকলেও খেতিবাতিৰ কাৰণে থলুৱা অসমীযাসকলে ব্যৱহাৰ কৰা প্ৰচলিত পদ্ধতি আৰু সা-সঁজুলিকে ব্যৱহাৰ কৰে। অসমীয়া শিখসকলৰো কৃষিক্ষেত্ৰত মূল উৎপাদিত শস্য ধান। সেয়ে অন্যান্য অসমীযাৰ দৰে অসমীয়া শিখসকলৰো প্ৰধান আহাৰ ভাত। অন্যান্য অসমীয়াৰ দৰে টেঙা, খাৰ, খৰিছা, খাৰলি, কাহুদি আদি অসমীযা শিখসকলৰো প্ৰিয় খাদ্য।

ধৰ্মীয পৰম্পৰাৰে গুৰদ্বাৰাত বৈশাখী উৎসৱ পালন কৰাৰ বাহিৰে এই উৎসৱক সাংস্কৃতিকভাৱে পঞ্জাবৰ লোকাচাৰৰ দৰে পালন নকৰি অসমীয়া শিখসকলে বহাগবিহু বা ৰঙালীবিহু হিচাপেহে পালন কৰে। মাঘবিহু বা ভোগালী বিহুতো অসমীয়া শিখসকলেও অন্যান্য অসমীয়াৰ দৰে ইষ্ট-কুটুম্বক দৈ-চিৰা, সান্দহ, কৰাইৰ লগতে তিলপিঠা, ঘিলাপিঠা, টেকেলি পিঠা আদি বিবিধ পিঠা-পনাৰে আপ্যায়ন কৰি বিহুৱান যাচে। ভেলা ঘৰ সাজি ভোজ-ভাত খায়।

পঞ্জাবত কাতিবিহু বুলি কোনো লোকাচাৰ নাই। তাহানিৰ পঞ্চনদীৰ পাৰৰ বংশধৰ অসমীয়া শিখসকলে অসমীয়া সমাজৰ পৰম্পৰা অনুসৰি কাতিবিহু পালন কৰে।

কাতিবিহুৰ দিনা বা তাৰ আগতে অসমীযা শিখ নাৰীয়ে ঘৰৰ আগচোতালত তুলসী ৰোৱে। তুলসীৰ তলত সৰু ঢিপ এটা কৰি মচি-কাচি কাতি বিহুৰ দিনা

গধূলি চাকি জ্বলায়। ইয়াৰ উপৰিও পদূলিত, ভঁৰালৰ গাধৰিত, ঢেঁকী শালত, পুখুৰী বা কুঁৱাৰ পাৰত চাকি জ্বলায়। প্ৰত্যেকৰে ঘৰৰ থাপনাৰ কাষত সাধাৰণতে বুট-মাহ-প্ৰসাদেৰে শৰাই আগবঢ়ায়। ডেকা গাভৰুহঁতে লগ হৈ পথাৰত চাকি দিবলৈ যায়। কলপুলিৰ দোনাৰে বা ঔটেঙাৰ খোলাৰে চাকি বনায়। কোনো কোনোৱে আকাশবন্তি জ্বলায়।

অসমীযা শিখসকলেও পথাৰত চাকি দিবৰ সময়ত মনে মনে প্ৰাৰ্থনা কৰে— শস্যৰ শত্ৰু পোক-ডাঁহবোৰ ধ্বংস হওক আৰু শস্যভৰা নদন-বদন হওক। পথাৰত চাকি-বন্তি জ্বলাই আহি গুৰদ্বাৰালৈ যায়। গুৰদ্বাৰাৰ নিচান সাহিব (শিখসকলৰ ধৰ্মীয় পতাকা)ৰ তলত চাকি দিয়ে। গুৰদ্বাৰাত নিয়মিত সান্ধ্য পাঠৰ অন্তত গ্ৰন্থীয়ে (যি গৰাকী ব্যক্তিয়ে সাধাৰণতে নিয়মিতভাৱে গুৰদ্বাৰাত গুৰু গ্ৰন্থসাহিব পাঠ কৰে) আৰদাস (প্ৰাৰ্থনা) কৰে। শিখ ধৰ্মীয় ৰীতি অনুসৰি উপস্থিত সকলোৱে এই আৰদাসত অংশ গ্ৰহণ কৰে। আৰদাসৰ অন্তত বাক লোৱা (গুৰু গ্ৰন্থসাহিবৰ এফেৰী বাণী পাঠ কৰা) হয়। তাৰ পিছত প্ৰসাদ বিতৰণ হয়। মূলতঃ কৃষিৰ লগত জড়িত এই কাতি বা কঙালীবিহুত অসমীয়া শিখসকলেও আন কোনো ৰং তামাচাৰ অনুষ্ঠান উদ্‌যাপন নকৰে। বহুতে গোটেই কাতি মাহটোত তুলসীৰ তলত চাকি জ্বলায়।

অসমীযা জাতি গঠন প্ৰক্ৰিয়াত বিশিষ্ট ভূমিকা গ্ৰহণ কৰা অসমীয়া শিখসকলৰ বিষয়ে বিক্ষিপ্তভাৱে কিছু লিখনি প্ৰকাশিত হৈছে যদিও গুৱাহাটী বিশ্ববিদ্যালয়ৰ নৃতত্ব বিভাগৰ ৰিডাৰ ড° বিৰিঞ্চিকুমাৰ মেধি দেৱে অসমীয়া শিখসকলৰ সংস্কৃতিৰ বিষয়ে গৱেষণা কৰি প্ৰস্তুত কৰা " Assamese Sikh A study on their social relation in a rural situation" শীৰ্ষক গ্ৰন্থখনিয়ে এই বিষয়ত একমাত্ৰ প্ৰামাণিক গ্ৰন্থ। ড°মেধি দেৱক প্ৰসঙ্গক্ৰমে কাতিবিহু পালনৰ ক্ষেত্ৰত অন্যান্য অসমীযাৰ লগত অসমীয়া শিখসকলৰ কিবা পাৰ্থক্য লক্ষ্য কৰিব পাৰিলেনে বুলি সোধা প্ৰশ্নৰ উত্তৰত একে আষাৰে তেখেতে কৈছিল "সন্ধিয়া গুৰদ্বাৰালৈ গৈ চাকি দিয়াৰ বাহিৰে আন কোনো পাৰ্থক্যই নেদেখিলো, আনকি আমাৰ দৰং আৰু কামৰূপৰ কোনো কোনো অঞ্চলত ঔটেঙাৰ খোলাত চাকি জ্বলোৱাৰ দৰে অসমীয়া শিখসকলেও ঔটেঙাৰ খোলাত চাকি দিয়া দেখিলো।" উল্লেখযোগ্য যে গৱেষণাৰ কালছোৱাত ড ° মেধিয়ে বিভিন্ন অসমীয়া শিখ গাঁও ফুৰাৰ উপৰিও সৰ্ববৃহৎ অসমীয়া শিখ গাঁও বৰকলাত দীৰ্ঘদিন কটাইছিল। সেয়ে ড° বিৰিঞ্চি কুমাৰ মেধি দেৱে "অসমীয়া শিখসকলঃ প্ৰতিবেশী সমাজৰ লগত তেওঁলোকৰ সম্পৰ্ক" শীৰ্ষক ৰচনাত লিখা এষাৰ কথাৰে প্ৰবন্ধটো সামৰণি মাৰিব খুজিছো।

ড° মেধিদেৱে লিখিছে "দুখে-সুখে, আপদে-সম্পদে অসমীয়া শিখসকল বৃহৎ অসমীয়া সমাজৰ দেহ লাউ হৈ আছে। একেটা পৰিয়ালৰ এজন সদস্যৰ লগত আন এজনৰ যি সম্পৰ্ক অসমীয়া শিখসকলৰো অন্যান্য অসমীয়া লোকসকলৰ লগত সম্পৰ্ক ঠিক তেনেকুৱাই। মৃতকৰ কাজেই হওক বা বিয়া-বাৰুয়েই হওক, নখোৱাই হওক বা নোৱাই তোলনী বিয়াই হওক, শিখৰ ঘৰত অনা শিখ বন্ধু-বান্ধৱ, সুহৃদ-সহচৰক দেখিবলৈ পাবই। শংকৰ-মাধৱৰ তিথিত বা ৰাস-উৎসৱত, বিহুতলীত বা অন্যান্য উৎসৱ আনন্দত শিখসকলৰ প্ৰতিবেশী সমাজৰ লগত নিঃসংকোচ স্বতঃস্ফূৰ্ত আদান-প্ৰদান এক নয়নাভিৰাম দৃশ্যত পৰিণত হয়।"

বিঃ দ্ৰঃ এই প্ৰবন্ধটি যুগুত কৰোতে ৰচনাত উল্লেখিত লেখকসকলৰ গ্ৰন্থসমূহৰ বাহিৰেও অসমীয়া শিখসন্থাৰ উদ্যোগত বিভিন্ন উপলক্ষত প্ৰকাশিত স্মৃতিগ্ৰন্থ সমূহৰ সহায় লোৱা হৈছে।

—লেখক।

কিশোৰ কুমাৰ জৈন

জন্ম ঃ ১৯৫৯ চন। কামৰূপ জিলাৰ বিজয় নগৰ।

শিক্ষা ঃ উচ্চতৰ মাধ্যমিক (বিজ্ঞান)।

কৰ্মজীৱন ঃ ব্যৱসায়।

সাহিত্য কৃতি আৰু সাংস্কৃতিক জীৱন ঃ কবিতা সংকলন (১), হিন্দী অনুবাদ গ্ৰন্থ (১)। ৰাজ্যিক আৰু ৰাষ্ট্ৰীয বিভিন্ন কাকত আলোচনীত লিখনি প্ৰকাশ।

ৰাজহুৱা জীৱন ঃ অসম সাহিত্য সভা, মাৰোৱাৰী যুৱ মঞ্চ আৰু বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত ওতপ্ৰোতভাৱে জড়িত।

কাতিমাহত জৈনধৰ্মৰ পৰ্ব

সাধাৰণতে পৰ্বৰ অৰ্থ হ'ল উৎসৱ। এই উৎসৱ বিভিন্ন ধৰণৰ হ'ব পাৰে যেনে—

১। পাৰিবাৰিক উৎসৱ। ২। সামাজিক উৎসৱ, ৩। ধৰ্মীয় উৎসৱ, ৪। ৰাষ্ট্ৰীয় উৎসৱ, ৫। আন্তঃৰাষ্ট্ৰীয় উৎসৱ,

জৈন ধৰ্মীয় পৰম্পৰাত পৰ্বক দুটা ভাগত ভগোৱা হৈছে ঃ

১। লৌকিক পৰ্ব (ব্যৱহাৰিক)

২। অলৌকিক পৰ্ব (আধ্যাত্মিক)

ব্যৱহাৰিক অৰ্থত পূজা, বিধান, ৰথযাত্ৰা, সমূহীয়া সাংস্কৃতিক আয়োজন, গান-বাজনা, ব্ৰতদান আদি অনুষ্ঠানৰ জৰিয়তে পাৰস্পৰিকভাৱে ধৰ্ম প্ৰভাৱনা কৰা হয়। আধ্যাত্মিক পৰ্ব ত্যাগ, তপস্যা আত্মসাধনা আদিৰ দ্বাৰা পালন কৰা হয়।

সামান্যতঃ পৰ্বৰ প্ৰচলিত অৰ্থ হ'ল উৎসৱ, য'ত আমোদ-প্ৰমোদ আৰু খোৱা-লোৱাক মহত্ব দিয়া হয়। কিন্তু জৈন ধৰ্মত প্ৰচলিত উৎসৱ বা পৰ্ববোৰ আধ্যাত্মিক ভাৱত উদ্‌যাপন কৰা হয়। জৈন পৰ্ববোৰৰ মুখ্য বিশিষ্টতা হ'ল—আত্মশুদ্ধি।

জৈনধৰ্মৰ পৰ্ববো অন্য বিশিষ্টতা হ'ল সাংসাৰিক বিষয় বাসনাৰ পৰা মানুহৰ মন আঁতৰাই বৈৰাগ্যৰ ফালে আকৰ্ষিত কৰা। বীতৰাগতাই হ'ল জৈন পৰ্বৰ আদৰ্শ। কৃত্ৰিম পৰ্বৰূপে জৈন ধৰ্মত পালন কৰিবলগীয়া পৰ্ব হ'ল, অক্ষয় তৃতীয়া, ৰক্ষাবন্ধন, বিজয়াদশমী, দীপাবলী, মহাবীৰজয়ন্তী, ঋষৎ জয়ন্তী তথা জৈনধৰ্মৰ ২৪জন তীৰ্থংকৰৰ নিৰ্বাণ উৎসৱ আদি। অকৃত্ৰিম পৰ্ব হ'ল অনাদি পৰ্ব আৰু অনন্ত কাললৈ চলি থকা পৰ্ববোৰ। সেইবোৰ পৰ্ব হ'ল অষ্টাহ্নিকা পৰ্ব, ৰত্নত্ৰয় পৰ্ব আৰু দহলক্ষণ পৰ্ব।

জৈন ধৰ্মৰ আটাইতকৈ ডাঙৰ পৰ্ব হ'ল দহলক্ষণ পৰ্ব অৰ্থাৎ পৰ্য্যুষণ পৰ্ব। জৈন ধৰ্মাৱলম্বীসকলৰ বাবে ভাদমাহ অতি মহত্বপূৰ্ণ মাহ, এই মাহতে পৰ্য্যুষণ পৰ্বৰ দহটা দিন দহটা ধৰ্মৰ ৰূপত পালন কৰা হয়। দিগম্বৰ জৈন ধৰ্ম সম্প্ৰদায়ৰ লোকসকলে ভাদ্ৰ মাহৰ শুক্লা পঞ্চমী তিথিৰ পৰা ভাদ্ৰ শুক্লা পূৰ্ণিমা তিথিলৈকে দহোটা ধৰ্মৰ উপাসনা কৰে। ইয়াৰ বাহিৰেও অষ্টাহ্নিকা পৰ্ব ৰূপে ফাগুন, আষাঢ়, আৰু কাতি মাহত আঠদিনলৈকে পালন কৰা পৰ্ববোৰৰ নিজা বিশিষ্টতা আছে। বছৰত তিনিবাৰকৈ উদ্‌যাপিত হোৱা অষ্টাহ্নিকা পৰ্বত আত্মাৰ পবিত্ৰতাৰ বাবে ধৰ্ম সাধনা কৰা হয়।

কাতিমাহৰ শুক্লা অষ্টমী তিথিৰ পৰা পূৰ্ণিমা তিথিলৈকে অষ্টাহ্নিকা পৰ্ব উদ্‌যাপন কৰা হয়। অষ্টাহ্নিকা পৰ্ব জৈন ধৰ্মৰ মহান পৰ্ব। এই আঠটা দিনতেই নন্দীশ্বৰ দ্বীপ বিধান মণ্ডলৰ পূজাৰ আয়োজন কৰা হয। উক্ত পূজাত ৫২টা অকৃত্ৰিম জিন্ চৈত্যালয়ৰ পূজা কৰা হয়। জৈন ধৰ্ম শাস্ত্ৰবোৰত উল্লেখিত কথামতে নন্দীশ্বৰ দ্বীপ দেৱতাসকলে পূজাৰ আয়োজনৰ কৰা ঠাই। উক্ত আয়োজনত মানুহে সশৰীৰে উপস্থিত থাকিব নোৱাৰে। অকল দেব যোনি থকা দেৱী-দেৱতাসকলহে পূজা অৰ্চনা কৰে। জৈন ধৰ্মত চাৰিটা গতিৰ উল্লেখ আছে সেইবোৰ হ'ল মনুষ্যগতি, দেৱগতি, তিৰ্যঞ্চ গতি (পশুপক্ষী) আৰু নৰকগতি। এই কেইটাৰ ভিতৰত মনুষ্য গতিয়েই আটাইতকৈ শ্ৰেষ্ঠ গতি। মনুষ্য ৰূপত জন্ম পালেহে মানুহে নিজৰ আত্মাত লিপিট খাই পৰা অষ্ট কৰ্মবোৰ নষ্ট কৰি মোক্ষ লাভ কৰিব পাৰে। নিজৰ অশুভ কৰ্মৰ বাবে বিভিন্ন যোনিত জন্ম গ্ৰহণ কৰা জীৱ এটাই মনুষ্য গতিত জন্ম পাই সেইবোৰ কষ্টৰ পৰা মুক্তি পাবৰ বাবে কঠিন তপস্যা আৰু সাধনা কৰে। সেইটো মনুষ্য যোনিত জন্ম গ্ৰহণ পালেহে সম্ভৱ। মনুষ্য যোনিত জন্ম পাবৰ বাবে দেৱতাসকলেও বিভিন্ন তপস্যা বিধান, পূজা আদিৰ আয়োজন কৰে। নন্দীশ্বৰ দ্বীপত দেৱতাসকলৰ দ্বাৰা অনুষ্ঠিত এই পূজাৰ বাবে মনুষ্য যোনিত জন্ম লভাসকলেও আগ্ৰহ প্ৰকাশ কৰে। কিন্তু সেইটো সম্ভৱ নহয়

বাবে কৃত্ৰিমভাৱে এই নন্দীশ্বৰ দ্বীপ সজাই জৈন ধৰ্মাৱলম্বীসকলে জৈন মন্দিৰত পূজা অৰ্চনাৰ অনুষ্ঠান চলায়। এই পৰ্বক অষ্টাহ্নিকা পৰ্বৰূপে আত্মসাধনাৰ বাবে নিজৰ কৰ্ম মলিনতাক কিঞ্চিত ৰূপে হ'লেও নষ্ট কৰিবৰ বাবে পূজা অৰ্চনা কৰে। উক্ত পৰ্বত জৈন ধৰ্মাৱলম্বীসকলে উপবাস আদিও কৰে। দিনত এবাৰৰ বাবে জল গ্ৰহণ কৰি ২৪ ঘণ্টা পৰ্যন্ত নিৰাহাৰে থাকি আত্মতত্ত্বৰ উপলব্ধিৰ বাবে কষ্টকৰ সাধনা কৰে। এই কেইটাদিনত উপবাস কৰাসকলে আঠদিন পৰ্যন্ত ২৪ঘণ্টাৰ ভিতৰত এবাৰহে জল গ্ৰহণ কৰে।

কাতি মাহৰ কৃষ্ণা অমাৱস্যাৰ সুপ্ৰভাতৰ বেলাত জৈন ধৰ্মৰ ২৪তম তীৰ্থংকৰ ভগৱান মহাবীৰে নিৰ্বাণ লাভ কৰে। জৈন পৰম্পৰাত দীপাৱলী পৰ্ব ভগৱান মহাবীৰৰ নিৰ্বাণৰ লগত জড়িত। দীপাৱলী ভগৱান মহাবীৰ মঙ্গলময়, কল্যাণকামী মোক্ষ লক্ষ্মীৰ পূজনৰ পৰ্ব। আচলতে দীপাৱলী পৰ্ব ভগৱান মহাবীৰৰ প্ৰতি অনন্য ভক্তি প্ৰদৰ্শনৰ প্ৰতীক। যিদিনা ভগৱান মহাবীৰে নিৰ্বাণ লাভ কৰিছিল, সিদিনাই ভগৱান মহাবীৰৰ প্ৰথম শিষ্য গৌতম গণধৰে কেৱল জ্ঞান লাভ কৰিছিল। গতিকে কাৰ্ত্তিক কৃষ্ণ অমাৱস্যাৰ দিনাখন দুটাকৈ মাঙ্গলিক কাৰ্য সম্পাদিত হৈছিল। এটা হ'ল ভগৱান মহাবীৰৰ নিৰ্বাণপ্ৰাপ্তি আৰু আনটো আছিল গৌতম গণধৰৰ কেৱলজ্ঞান লাভ। দীপাৱলীৰ দিনা বন্তি প্ৰজ্বলনৰ মুখ্য অৰ্থ হ'ল জ্ঞানৰ জ্যোতিৰে মানুহৰ মনৰ অন্ধকাৰ নাশ কৰা। নিৰ্বাণ (মোক্ষ) প্ৰাপ্তি আৰু কেৱল জ্ঞান প্ৰাপ্তিৰ মাংগিলক ক্ষণ ঘটে, কাতিমাহৰ কৃষ্ণ অমাৱস্যাৰ দিনা। সেয়েহে জৈন ধৰ্মাৱম্বীসকলে মন্দিৰত বিশেষ পূজা অৰ্চনা কৰি উঠি ঘৰে ঘৰে বন্তি প্ৰজ্বলন কৰে।

❖❖❖

পৃথিৱী মাঝি

জন্ম ঃ ১৯৫১ চন। বাঘপাৰা চাহবাগিচা, ডিব্ৰুগড় জিলা।

শিক্ষা ঃ বি এ, এল এল বি।

কৰ্মজীৱন ঃ অধ্যক্ষ, অসম বিধান সভা।

সাহিত্য কৃতি আৰু সাংস্কৃতিক জীৱন ঃ বিভিন্ন স্মৃতিগ্ৰন্থ, আলোচনী, বাতৰি কাকত আদিত কবিতা, প্ৰবন্ধ আদি প্ৰকাশ। সাওঁতালি শব্দমালা আৰু সাওঁতালি অসমীয়া অভিধান নামৰ গ্ৰন্থ দুখনি প্ৰকাশৰ পথত।

ৰাজহুৱা জীৱন ঃ প্ৰাক্তন সাংসদ, প্ৰাক্তন সম্পাদক, চাহ জনজাতি ছাত্ৰ সন্থা, প্ৰাঃ সম্পাদক সদৌ অসম সাওঁতাল কামিটি, প্ৰাঃ মুখ্য কাৰ্যবাহী, ডিব্ৰুগড মহকুমা পৰিষদ, প্ৰাঃ উপসভাপতি, অসম চাহ মজদুৰ সংঘ, প্ৰাঃ উপ-সভাপতি, অসম চাহ-কৰ্মচাৰী কল্যাণ পৰিষদ, প্ৰাঃ সাধাৰণ সম্পাদক, অসম চাহ-কৰ্মচাৰী শিল্প সমবায় সমিতি, প্ৰাঃ অধ্যক্ষ, অসম ৰাজ্যিক হস্ত-শিল্প নিগম, প্ৰাঃ নিৰ্বাচিত উপাধ্যক্ষ, অসম বিধান সভা, প্ৰাঃ বিধায়ক (৩), উপ-সভাপতি, অসম চাহ আৰু প্ৰাঃ চাহ জনজাতি সাহিত্য আৰু সাংস্কৃতিক পৰিষদ। তদুপৰি বিভিন্ন সাহিত্য-সংস্কৃতি আৰু সামাজিক অনুষ্ঠানৰ লগত ওতপ্ৰোতভাৱে জড়িত।

সাওঁতালসকলৰ চহৰাই পৰব

চহৰাই সাওঁতালসকলৰ মূল পৰব বা উৎসৱ। সাওঁতালসকল অষ্টিক গোষ্ঠীৰ লোক আৰু ভাৰতৰ আদিম জাতি। অৱশ্যে সাওঁতাল নামটো বৰ বেছি দিনৰ নহয়। সাওঁতালসকলক পূৰ্বতে 'খেৰৱাড" আৰু 'কোল' বুলি জনা গৈছিল। এতিয়াও সাওঁতালসকলে নিজকে খেৰৱাড বংশধৰ বুলি গৌৰৱ কৰে। সংস্কৃতত

এই লোকসকলক 'সামানা পাল' বুলি জনা গৈছিল। বহুতে সান্ত বা সাৱন্ত নামৰ ঠাইত বহু কাল থকাৰ বাবে সান্তাল বা সাওঁতাল বুলি নামকৰণ কৰে। তেওঁলোকে আদিম কালৰ পৰাই কৃষিৰ ওপৰত নিৰ্ভৰ কৰি আহিছে। কৃষিৰ উপৰিও হাবিত চিকাৰ কৰি, হাবিৰ ফলমূল আদিয়েই আছিল জীৱন নিৰ্বাহৰ থল।

অসমলৈ সাওঁতালসকল আহিছিল চাহ বাগিচা আৰম্ভ কৰাৰ লগে লগে। ইংৰাজসকলে চাহ বাগিচা খোলাৰ পিছত যিহেতু থলুৱা শ্ৰমিকৰ অভাৱ ঘটিছিল তেওঁলোকে (ইংৰাজ) ঢাপলি মেলিছিল মধ্য ভাৰতৰ বিভিন্ন প্ৰান্তত সস্তীয়া শ্ৰমিক বিচাৰি। অভাৱ, অনাটন, দুৰ্ভিক্ষ আদিত একেবাৰে জুৰুলা হৈ থকা লোকসকল বৃটিছৰ ফুচুলনিত ভোল গৈ অসমলৈ বুলি যাত্ৰা কৰিছিল, আজিৰ পৰা ডেৰশ দুশ বছৰৰ আগত। বিভিন্ন জনগোষ্ঠী অৰ্থাৎ কোল, ভীল, মুণ্ডা, খাড়িয়া, উৰাং তাঁতী আদিৰ লগতে সাওঁতাল সকলো আহিছিল অসমলৈ। সাওঁতালসকল উড়িষ্যাৰ ময়ুৰভঞ্জ, কেওনঝাৰ পশ্চিমবঙ্গৰ মিদিনাপুৰ, ২৪ পৰগণা, বিহাৰৰ (বৰ্তমান ঝাৰখণ্ড) হাজাৰিবাগ, পুৰুলিয়া, সান্তাল পৰগণা আদি জিলাৰ পৰা অনা হৈছিল। অৱশ্যে অষ্টিক জাতি হিচাপে সাওঁতালসকল অসমত বহু হেজাৰ বছৰৰ আগতে আহিছিল বা এই ঠাইৰ মাজেদিয়েই পৰিভ্ৰমি মধ্য ভাৰতত থিতাপি লৈছিল, তাৰ ক্ষীণ আভাস মাজে মাজে পোৱা যায় যদিও কিন্তু ই এক সাঁথৰ হৈ আছে। যি কি নহওক চাহ বাগিচাত কাম কৰিবলৈ আহি এওঁলোকে অসমৰ লগতে মিলি গৈছে। অসমৰ বা-বতাহ সেৱন কৰি অসমীয়া জাতি সংস্কৃতিৰ মাজত বিলীন হ'বলৈ ধৰিছে। এই মিলনৰ গোন্ধ পোৱা যায়—বিভিন্ন উৎসৱ বা পূজা-পাৰ্বণত। পূজা-পাৰ্বণ বা উৎসৱ, ঋতুৰ লগত সম্পৰ্ক আৰু সেই বাবেই পৰব বা উৎসৱ ভাৰতৰ বিভিন্ন প্ৰান্তৰ সৈতে কিছু তাৰতম্য ঘটে, ইয়াৰ পালন বা উদ্‌যাপনৰ ক্ষেত্ৰত। সেইবাবে অসমৰ সাওঁতালসকলে অসমৰ উৎসৱ আদিৰ লগত সঙ্গতি ৰাখি উৎসৱ-পাৰ্বণ সমূহ পালন কৰি আহিছে। যেনেকৈ বহাগত বহাগবিহুৰ লগতে সাওঁতালসকলে 'বাহা' উৎসৱ পালন কৰিবলৈ লৈছে। প্ৰকৃততে বাহা ফাগুন মাহত হে পতা হৈছিল। তেনেকৈ চহৰাই কালি পূজাতে পাতে। কিন্তু প্ৰকৃততে পাতিব লাগে পুহ মাহতহে। তেনেকৈ কাতিবিহু বুলি সাওঁতালসকলে পালন নকৰিছিল। কিন্তু, এতিয়া চাহ জনগোষ্ঠীৰ লগতে সাওঁতালসকলেও কাতিবিহু পাতিবলৈ লৈছে। অসমৰ সাওঁতালসকলেও কাতিবিহুত খেতিৰ পথাৰত চাকি-বাতি দিয়াৰ উপৰিও ঘৰতো চাকি-বাতি দি ধান বা শস্যৰ অধিষ্ঠাত্ৰী দেৱী লক্ষ্মীক আহ্বান কৰে। কাতিবিহুৱেও সাওঁতালসকলৰ মাজত সমাদৰ লাভ কৰিছে।

সাওঁতালসকলে বছৰৰ বাৰ মাহেই পূজা পাৰ্বণ বা উৎসৱ পালন কৰে বুলিব পাৰি। ইয়াৰ ভিতৰত বাহা, এৰঃজিম, হাৰিয়াড় সিম দাসাঁয়, চহৰায়, কাৰাম যাত্ৰা,

আদিয়েই প্ৰধান। যিহেতু সাওঁতালসকলে কৃষিৰ ওপৰত নিৰ্ভৰ কৰিছিল সেইবাবে সকলো উৎসৱ বা পৰব কৃষি ভিত্তিক। কৃষি কাৰ্য আৰম্ভ হোৱাৰ পৰা শেষলৈকে বিভিন্ন উৎসৱ ও বঙ্গা (পূজা) আদি পালন কৰা হয়।

সাওঁতালসকলৰ মূল উৎসৱ চহৰায় উৎসৱ বুলিব পাৰি। পুহ মাহত অৰ্থাৎ খেতি চপোৱাৰ পিছত এই উৎসৱ প্ৰকৃততে পালন কৰা হয়। অৱশ্যে অসমত ইয়াৰ সময়ৰ তাৰতম্য ঘটিছে। এই উৎসৱ অতি কমেও পাঁচ দিনলৈকে চলে। এই কেইদিন সাওঁতাল গাৱঁৰ ডেকা-গাভৰু, বুঢ়া-বুঢ়ী সকলোৱেই নৃত্য-গীত আদিত আত্মহাৰা হৈ থাকে। মাদলৰ মাতত ৰজন জনাই থাকে সাওঁতাল গাঁও।

চহৰায় পৰব পালন কৰাৰ প্ৰাৰম্ভতে গাৱঁৰ 'মাঝি' অৰ্থাৎ গাৱঁৰ গাঁওবুঢ়াই গাৱঁৰ লোকসকলক গোট খুৱাই চহৰায উৎসৱ পালন কৰাৰ দিন ধাৰ্য কৰে আৰু গাৱঁৰ সকলোকে ইয়াৰ প্ৰস্তুতি চলাবলৈ 'মাঝি' বুঢ়াই আদেশ দিয়ে।

প্ৰথম দিনা ৰাতিপুৱা নায়কে (পুৰোহিত) গা- পা ধুই উঠি গাৱঁৰ এঠাইত খঁড় (চাউলৰ গুড়িৰে কৰা আঁক) বনাই সেন্দুৰৰ ফোঁট দিয়ে আৰু কুকুৰা দি পূজা কৰে আৰু গাৱঁৰ সকলো লোকৰ কুশল মঙ্গলৰ বাবে "মাৰাং বুৰু, জাহেৰ এৰা" (সাওঁতাল সকলৰ মূল দেৱতা আৰু দেৱী) স্তুতি কৰে। ইয়াৰ পিছত গৰখীয়াবিলাকক মাতি অনা হয় আৰু গৰু-গাই আনিবলৈ কোৱা হয— উক্ত 'খঁড়'ৰ ওচৰত। গৰুৰ এচাৰিত সেন্দুৰৰ ফোঁট দিয়া হয়। খঁডত থকা কণী যি গৰুৱে গছকি ভাঙে বা শুঙে সেই গৰুক ঠেং ধুৱাই শিং আদিত তেল-সেন্দুৰ ঘঁহে। সাওঁতালসকলৰ এই প্ৰথা ইজিপ্তসকলৰ পৌৰাণিক প্ৰথাৰ লগত ৰিজাব পাৰি। ইজিপ্তসকলৰ "Bull and egg" (গৰু আৰু কণী)ৰ লগত সাওঁতালসকলৰ এই সাদৃশ্য মন কৰিবলগীয়া।-ইজিপ্তসকলৰ মতে পৃথিৱীখন কণীৰ পৰাই সৃষ্টি হোৱা আৰু এই কণী বলধ গৰুৱে গছকি ভাঙি পৃথিৱীৰ সৃষ্টি কৰিছিল (Sonthalıa and the sonthals)। যি কি নহওক উক্ত গৰুৱে গৰখীয়াক অতি সম্মানেৰে কান্ধত তুলি আনি 'মাঝি' বুঢ়াৰ ঘৰলৈ আনে। ইয়াৰ পিছত নৃত্য-গীতৰ মাজেৰে নায়ক (পুৰোহিত)ৰ ঘৰলৈ লৈ অনা হয়। ইয়াৰ পিছত আকৌ তেওঁক মাঝি বুঢ়াৰ ঘৰলৈ নি স-সম্মানে খুৱাই-বুৱাই বিদায় দিযা হয়। তেওঁৰ লগতে সকলো নিজৰ নিজৰ ঘৰলৈ যায়। সন্ধ্যা ভাত-পানী খোৱাৰ পিছত বুঢ়া-বুঢ়ীসকল শুই যায় আৰু ডেকা ল'ৰা বিলাক 'গাই জাগাও' (হুচৰিৰ দৰে অনুষ্ঠান) অনুষ্ঠান পাতে। অৰ্থাৎ গৰুৰ গোহালিৰ সমুখত জুম পাতি মাদল বজাই গীত গায়। মাঝি বুঢ়াৰ ঘৰৰ পৰাই এই অনুষ্ঠান আৰম্ভ হয়। আমাৰ বহাগবিহুত হুচৰি গোৱাৰ দৰেই প্ৰতি ঘৰৰে গোহালিৰ সমুখত "গায জাগাও" গাই যায়।

গীতসমূহ এনে ধৰণৰ ঃ

গাইয়িনী চলিল শিৰিবিন্দা বনে হো
মহিষিণী চাৰায় গঙ্গা পাৰা জো য়ো ৰে
মহিষিণী চাৰায় গাঙ্গা পাৰা হো

গাইয়িনী আওয়ায় বেৰেণা ডুবায়াত্তে
মহিষিণী আওয়ায় আধা ৰাতা জো য়ো ৰে
মহিষিণী আওয়ায় আধা ৰাতা জো

কোন শিঙে দেবো তেলাৰে সিন্দুৰা
কোন পিঠে দেবো ধুবি ধা জো য়ো ৰে
কোন পিঠে দেবো ধুনি ধানা জো।

(অৰ্থ ঃ গাই গ'ল শিৰিবিন্দা বনলৈ। মহিষ (ম'হ) চৰে গঙ্গাৰ পাৰত
গাই আহে বেলি মাৰ যোৱাৰ লগে লগে মহিষ আহে মাজ ৰাতি

কোন শিঙত তেল সেন্দুৰ দিম
কোন পিঠিত ধুবৰি বন, ধান চিটিয়াম)

এইদৰে প্ৰতি ঘৰৰ গোহালিৰ সমুখত মাদল আৰু গীতৰ সুৰত ৰঞ্জন-জনাই থাকে গাঁও। গাভৰুসকলে ইয়াৰ পিছে পিছে আহি 'গৰু'ক "চুমাড়া" (দৈয়ান) দিযে। অৰ্থাৎ আৰৈ চাউল, ধান, দুবৰি বন আৰু মাটিৰ চাকি আনি গোহালিৰ সমুখত ৰয আৰু আৰৈ চাউল আদি গৰুৰ গালৈ ছটিয়াই দিয়ে আৰু স্তুতি কৰে এনে ধৰণে—

"নে ৰাঙ্গিযা, আম ৰাঙ্গিৰাতে সায ৰাঙ্গিযা আম আয়ুৰলেকো সোতো, লেকো দ, নিয়া, গডা নিযা যাত্ৰা পেৰেচ্ কাঃ চাঙকাঃমে আম আৰজাওলে বিৰজাওলে দ কুডামতে সাতেতে, সাতে দাঃ বাডে জৰওয়াঃ অত্ বাডে অমনঃ গেমকেম দ পাযকেম দ, নাই পাৰম, গাডা পাৰম বালা বাডে সাকা বাডে, জজম বাডে এ্ঞ এ্ঞ বাডে আঁজমজং আতেন জংমে, তুডুক আডা ভাঙ ভাডাঙ, আম গমকেম দ পায়কেম দ আচ্আঃ সাৰ কাপিতে বাডে লা এ্ঞেৎ ভসা এ্ঞেংকঃ মায়।"

—(হে ৰঙামুৰা, তুমিয়ে গৰু-গাই লৈ যাবা, আনিবা। গৰু গাইৰে ভৰি পৰক ইত্যাদি)।

এইদৰে স্তুতি কৰি গীত গাই পুৱতি নিশালৈকে। ৰাতিপুৱা হোৱাৰ পিছত গা-পা ধুই প্ৰত্যেক ঘৰতে নিজ নিজ গৃহ দেৱতাক পূজা-অৰ্চনা কৰে। ঘৰবিলাকত চাউলৰ গুড়িৰে আঁক কৰে ধুনীয়া দেখাবলৈ। গোহালিবিলাকতো চাফ-চিকুণ কৰি

চাউলৰ গুড়ি সেন্দুৰ আদিৰ ফোঁট দিয়ে। ভাটি বেলা হওঁতেই গৰখীয়াই গৰুবিলাক লৈ আহে। গৰু-গাই সকলোকে তেল-সেন্দুৰ ঘঁহা হয়। গৰখীয়াক গোহালিৰ দুৱাৰমুখত থিয় কৰাই গা ধুৱাই তেল ঘঁহি দিয়ে। তাৰ পিছত ঘৰলৈ নি আদৰেৰে পিঠা আদি বনাই খুৱায়। এনেকৈ প্ৰত্যেক ঘৰেই এই নিয়ম পালন কৰে। চহৰাই পৰবৰ মুখ্য উদ্দেশ্য গৰু ম'হ আৰু গৰখীয়াক আদৰ সাদৰ কৰি ৰখা যিয়ে কৃষি কাৰ্যত সক্ৰিয় যোগদান কৰি শস্য উৎপাদনত সহায় কৰে। এইদৰে বিভিন্ন অনুষ্ঠানৰ মাজেদি, ৰং ৰহইচ, গীত মাত, খোৱা-বোৱা আদিৰ মাজেদি পাৰ হৈ যায় উৎসৱৰ মুখৰ দিনবিলাক। আৰু অৱশেষত যতি পৰে চহৰাই পৰব। আকৌ বাট চাই ৰৈ থাকে সহজ সৰল সাওঁতাল লোকসকল আগন্তুক চহৰাই পৰবলৈ।

❖❖❖

ড° অন্তৰা বৰুৱা কলিতা

জন্ম ঃ ১৯৫৬ চন। যোৰহাট জিলাৰ কৰঙা।

শিক্ষা ঃ স্নাতকোত্তৰ, পি এইচ ডি।

কৰ্মজীৱন ঃ প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ প্ৰবক্তা।

সাহিত্য কৃতি আৰু সাংস্কৃতিক জীৱন ঃ বিভিন্ন আলোচনী আৰু কাকতত গৱেষণা বিষয়ৰ লিখনি প্ৰকাশ। গীত, কবিতা, গল্প আদি নাটক ৰচনা। ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় আলোচনা চক্ৰত অংশ গ্ৰহণকাৰী।

ৰাজহুৱা জীৱন ঃ বিভিন্ন সংস্কাৰমূলক কামৰ লগত নিষ্ঠাসহকাৰে জড়িত।

কৰঙাৰ চাউদাং আৰু আহোম সম্প্ৰদায়ৰ কাতিবিহু

যোৰহাট জিলাৰ দক্ষিণ প্ৰান্তত চৰাইবাহী আৰু কাটনি মৌজাৰ সমষ্টি কৰঙা এখন ইতিহাস প্ৰসিদ্ধ ঠাই। দীঘ আৰু প্ৰস্থই দহ কিলোমিটাৰকৈ জোৰা (১০×১০) কৰঙাত— 'হাতীবৰুৱা', 'ফুকনাচুক', 'কাটনি', 'তিমতিমিয়া', 'হেজাৰী', গন্ধীয়া, চৰাইবাহী চমুৱা, কমাৰ, সোণাৰী, চাৰিঙিয়া. কেবাং আদি নামৰ কেইবাখনো গাঁৱৰ উপৰিও নগৰীয়া, কাথবাপু, লেতুগ্ৰাম, জুৰকটা আদি নামৰ সত্ৰই পাঁচশ বছৰৰ পুৰণা ইতিহাসৰ স্বাক্ষৰ বহন কৰি আহিছে।

১৭শ শতিকাত হাবি জংঘল আৰু সৰু সৰু টিলাৰে ভৰপুৰ কৰঙাৰ প্ৰায় শেষ অংশত ঢেকীয়াজুলি নৈ বৈ গৈ ভোগদৈত পৰিছে। এই নদীৰ এটি জান হ'ল ৰঙাজান। এই ৰঙাজান নামৰ জানটিৰ পশ্চিমফালে "কৰোঙি" বা কৰঙা বনেৰে ভৰি পৰে। পানীত গজা এই বিশেষ দলঘাঁহৰ ধানৰ দৰে থোক বিলাকত পতান থাকে বাবে এই বনক 'উৰিদল' বুলিও কয়। এই কৰোঙি বন গজা বাবে

এই ঠাইখনৰ নাম হ'ল কৰঙা। গড়ৰ মাজেৰে ওখ বাটটোত ১৮৯০ চনৰ পৰা তিতাবৰলৈ ৰেল চলিবলৈ লৈছিল। বৰ্তমান যোৰহাট জিলাৰ অসম টাঙ্কৰোডৰ পৰা ফাটি যোৱা এই বাটটিৰ নাম "গড আলি"। বৰহোলা নেগাজেস্কালৈকে যোৱা এই বাটটোৱে কৰঙা অঞ্চলটি দুভাগ কৰি গৈছে।

আহোম ৰাজত্বৰ আগৰে পৰা দুই এঘৰকৈ সেৰেঙা বসবাস আছিল যদিও, আহোমৰজাৰ ৰাজত্বৰ পৰা এই অঞ্চলত ৰজাঘৰীয়া কমাৰ, সোণাৰী, চাউদাং আদিৰে বসবাস কৰিবলৈ আৰম্ভ কৰা কৰঙা ২০-২৫টা জনগোষ্ঠীৰ সমষ্টিৰে বৰ্তমান প্ৰায় ত্ৰিশহেজাৰৰ অধিক জনসংখ্যা। চিনামৰাৰ ৰবৈয়া জানটিৰ দক্ষিণ অংশৰ পৰাই কৰঙা আৰম্ভ হৈছে।

বহুকেইটা জনগোষ্ঠীৰ সন্নিবিষ্ট কৰঙাৰ সাংস্কৃতিক, আধ্যাত্মিক, ভাষা-সাহিত্যৰ বহুক্ষেত্ৰত কিছু তাৰতম্য দেখা যায়। একতাৰ প্ৰতীক স্বৰূপে স্বাধীনতা আন্দোলনত ৰোহিণী হাতীবৰুৱা প্ৰমুখ্যে বহুলোকৰ অৱদান ইতিহাস বিদিত। তথাপিও কৰঙাৰ বিভিন্ন জনগোষ্ঠীৰ মাজত বৈবাহিক ৰীতি-নীতি, বিহু, পৰ্ব-পাৰ্বণ আদি পালনত নীতি-নিয়মৰ তাৰতম্য দেখা যায়। তাৰেই উদাহৰণ হ'ল চাউদাং আৰু আহোমসকলৰ কাতিবিহু পালনৰ নিয়ম।

আহোম আৰু চাউদাংসকলৰ দৰেই কৰঙাৰ, কলিতা, বামুণ, কোঁচ, কাটনি আদি সকলো সম্প্ৰদায়ে আহিন আৰু কাতিমাহৰ সংক্ৰান্তিৰ দিনা পুৱাবেলা তুলসী পুলি ৰুবলৈ ভেটি সাজি ভক্তিভাৱেৰে তুলসী পুলি ৰোৱে। গধূলি তুলসীৰ তলত চাকি-বন্তি জ্বলাই ধূপধূনা দি মাহ-প্ৰসাদৰ এখনি শৰাই আগবঢ়ায়। সাধাৰণতে এইখিনি কাম ল'ৰা-ছোৱালীবিলাকে কৰে।

আহোম আৰু চাউদাংসকলে ভঁৰাল ঘৰতো চাকি সহ এখনি মাহ-প্ৰসাদৰ শৰাইখন আগবঢ়ায়। গোটেই ৰাতিটো শৰাইখন তাতে থাকে। ৰাতিপুৱা গা-ধোৱাৰ পাচতহে অনা হয়। বিহুৰ দিনা ৰান্ধনিঘৰ, ঘৰৰ শাকনিবাৰী, গোঁসাইঘৰ আৰু পদুলিমুখত চাকি জ্বলায়। লোকসমাজৰ জনবিশ্বাস যে ধাননি পথাৰত চাকি জ্বলালে নতুনকৈ গেঁৰ ওলোৱা ধান খাবলৈ পোক পৰুৱা নাহে।

সংক্ৰান্তিৰ বাবে দিনত সাধাৰণতে ভাত নাখায়। বিহু উপলক্ষে যোগাৰ কৰা জা-জলপান খায়।

গোটেই কাতিমাহটো সন্ধ্যা তুলসীতলত চাকি জ্বলায়।

কাতিমাহতে কলগছৰ পটুৱা কাটি শুকাই লৈ তাৰ পৰা গোটেই বছৰটোৰ বাবে ক্ষাৰ প্ৰস্তুত কৰি লয়। কেৱল ভীমকল (নামনিত আঠিয়া কল বোলে)ৰ গছৰ পৰাহে এই ক্ষাৰ প্ৰস্তুত কৰে।

কাতিমাহত কৰঙাৰ এই দুই সম্প্ৰদায়ে ঢেকীয়া শাক নাখায়। জন প্ৰবাদমতে সাপে ঢেঁকীয়াত কোব মাৰি গাঁতত সোমায়।

খাদ্যবস্তু প্ৰচুৰ পৰিমাণে নাপায় বাবে এই মাহক কঙালী মাহ বুলিও কয়। আনহাতে ধানে গেঁৰ মেলে বাবে লখিমীমাহ বুলিও কয়। কাতিমাহত কৰঙাৰ এই দুই সম্প্ৰদায়ৰ মানুহে দিনত নোশোৱে। জনবিশ্বাস মতে এই মাহত দিনত শুলে গাৰ তেজ পনীয়া হয়।

গুৰুজনাৰ একশৰণীয়া নামধৰ্মৰ প্ৰভাৱ সোমোৱা কৰঙাৰ প্ৰতিটি গোষ্ঠীয়ে কাতিবিহুৰ দিনা নিজ নিজ নামঘৰত ৰাজহুৱা নামকীৰ্ত্তন কৰে।

উল্লেখযোগ্য তথা অতি প্ৰশংসনীয় কথা হ'ল যে, বিভিন্ন জনগোষ্ঠীৰে ভৰপূৰ এই ত্ৰিশ হাজাৰৰো অধিক জনসংখ্যাৰ মাজৰ ঐক্য। নিজ নিজ নীতি নিয়মেৰে প্ৰতিটো জনগোষ্ঠীয়ে অতি সুন্দৰভাৱে জীৱন অতিবাহিত কৰি আহিছে। প্ৰত্যেক গোষ্ঠীৰ নীতি-নিয়মৰ প্ৰতি, প্ৰত্যেক গোষ্ঠীৰ অগাধ শ্ৰদ্ধা, বিশ্বাস আৰু অশেষ আন্তৰিকতাৰ প্ৰৰ্দশন বিশেষভাৱে মন কৰিবলগীয়া।

❖❖❖

হৰপ্ৰিয়া বাৰুকিয়াল বৰগোহাঞি

জন্ম ঃ ১৯৫৩ চন। গোলাঘাটৰ ভোলাগুৰি।

শিক্ষা ঃ স্নাতকোত্তৰ।

কৰ্মজীৱন ঃ যোৰহাটৰ তৰাজান হাইস্কুলত শিক্ষকতা আৰম্ভ কৰি বৰ্তমান গুৱাহাটীৰ সোণাৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষয়িত্ৰী।

সাহিত্য কৃতি আৰু সাংস্কৃতিক জীৱন ঃ কবিতা পুথি (১), শিশু উপন্যাস (৪), সাধু কিতাপ (৪), গল্প সংকলন (৩), গীতৰ সংকলন (১), জীৱনী গ্ৰন্থ (৩), সম্পাদিত গ্ৰন্থ আৰু আলোচনী (৫), অনুবাদ সাহিত্য (৮), বিভিন্ন কাকত আলোচনীত বিভিন্ন বিষয়ৰ শতাধিক লিখনি প্ৰকাশ, সাহিত্য বঁটা বিজয়ী।

ৰাজহুৱা জীৱন ঃ অসম লেখিকা সন্থা, সত্ৰীয়া কৃষ্টি চৰ্চা কেন্দ্ৰ, যোৰহাট, নানা সামাজিক সাংস্কৃতিক অনুষ্ঠানৰ লগত ওতপ্ৰোতভাৱে জড়িত।

কাতিবিহু ঃ লোক সংস্কৃতিৰ

শৰতৰ শেষ আৰু হেমন্তৰ আৰম্ভণিযে যেন অসমলৈ নিমন্ত্ৰণ কৰে কাতিবিহুক। কাতি মাহ বুলিলে মনলৈ আহে পুৱাৰ পাতল কুঁৱলি আৰু দুপৰৰ চেংচেঙীয়া ৰ'দ। আনহাতে কেউপিনে উকা উকা, নাই নাই ভাব। আচলতে বছৰটো খাবলৈ জোৰাকৈ খেতি কৰা মানুহখিনিৰ— মানে প্ৰকৃত খেতিয়কসকলৰ আঘোণমহীয়া দাই ভঁৰালত সামৰি থোৱা লখিমী মুঠিৰ অৱশিষ্টহে ৰয়গৈ, এই মাহত। গতিকে কৃষিৰ লগত প্ৰত্যক্ষভাৱে জড়িত থকা এই সাধাৰণ মানুহখিনিৰ অভাৱ অনুভূত হোৱাটো স্বাভাৱিক।

বিহু — কৃষিৰ লগত সম্পৰ্ক থকা উৎসৱ হিচাপে, কাতিবিহুও কৃষি উৎসৱ। শাওণ ভাদ মহীয়া পথাৰত ৰোৱা পাতল সেউজীয়া বৰণৰ কঠিয়া গোছা আহিনত

ভাঠ সেউজীয়া হয় আৰু কাতিমাহত ধানৰ গেঁৰ মেলিবলৈ আৰম্ভ কৰে। বাকলিটোৰ মাজত থকা পনীয়া গাখীৰৰ দৰে বগা বস্তুখিনি টান হৈ কাতিমাহৰ শেহৰ পিনে অথবা আঘোণ মাহত পূৰঠ হয়। আহোম শালি নামৰ এবিধ ধান কাতিমাহত পকে আৰু আঘোণ নোসোমাওঁতেই দাব পৰা হয়। বহুৰটো ভাতে নোজোৰা মানুহে উজনি অসমৰ কোনো কোনো ঠাইত সাধাৰণতে আহোম শালি ধানৰ খেতি কৰা দেখিবলৈ পোৱা যায়। অৱশ্যে বৰ্তমান সময়ত বহুৰত দুই তিনিটা খেতি একেখন পথাৰতে কৰিব পৰা হোৱাত এই প্ৰথা লোপ পাইছে আৰু আহোম শালি নামৰ ধানবিধো খেতিয়কৰ পথাৰৰ পৰা নোহোৱা হৈছে।

কাতিমাহটো শালি খেতিৰ গুৰুত্বপূৰ্ণ মাহ এই কথা ইতিমধ্যে কোৱা হৈছে। গতিকে পথাৰখন কিমান নিৰাপদে ৰাখিব পাৰি তাৰ ওপৰতে আঘোণমহীয়া সোণালী ধাননিৰ সৌন্দৰ্য নিৰ্ভৰ কৰে। পথাৰখন কিমান সেউজীয়া হৈছে, কিবা অপায়-অমংগলে দেখা দিছে নেকি সেইটো প্ৰত্যক্ষ কৰিবলৈকে আহিনৰ শেষৰ দিনা অৰ্থাৎ কাতিবিহুৰ দিনা পথাৰ চাবলৈ যোৱা প্ৰত্যেকঘৰ খেতিযকৰ বিশেষকৈ নাৰীসকলৰ এটি গুৰুত্বপূৰ্ণ কাম। এই বিহুৰ দিনা দুপৰ বেলাৰ ঠিক পিছৰ পৰাই উজনি অসমৰ গাঁওবিলাকত জাকে জাকে বোৱাৰী-দাৱনী পথাৰলৈ যোৱা দৃশ্য মন পৰশা। “ধান চাবলৈ যাওঁ” অথবা “পথাৰ চাবলৈ যাওঁ” বুলি যোৱা এই যাত্ৰা কাতিবিহুৰ এটি পৰম্পৰা বুলিয়েই ক'ব লাগিব।

বিহুত পিঠা-পনা কৰাটোও এটি পৰম্পৰা। উজনি অসমৰ এই গাঁওবিলাকত প্ৰতিটো বিহুতে বৰা চাউলৰ বিভিন্ন পিঠা তৈয়াৰ কৰাটো নিয়ম। অৱশ্যে মাঘবিহুত পিঠা-পনা কৰা তথা খোৱা-বোৱাৰ পয়োভৰ বেছি। প্ৰতিটো বিহুতে মৃতকক অৰ্থাৎ উপৰি পুৰুষক স্মৰণ কৰাটোও উজনি অসমৰ গোলাঘাট জিলাৰ আহোম সম্প্ৰদায় অধ্যুষিত কিছু অঞ্চলৰ অন্যতম পৰম্পৰা। ‘মৃতকক দিয়া’ নামেৰে জনাজাত এই অনুষ্ঠান সাধাৰণতে বিহুৰ দিনা দুপৰীয়া অথবা গধূলি অনুষ্ঠিত হয়। গৃহস্থৰ পিতৃ-মাতৃ দুয়োজনৰে মৃত্যু হ'লে তেওঁলোকৰ উদ্দেশ্যে খাদ্যবস্তু (যিখিনি বিহু বুলি গোটোৱা হয়) আগলি কলপাতত আগবঢ়াই এগছি মাটিৰ চাকি, ধূপ-ধুনা সহ দিয়া হয়। স্বৰ্গগামী পিতৃ-মাতৃক বিহুৰ দিনা এনেদৰে স্মৰণ কৰাটো বৰ গুৰুত্বপূৰ্ণ। কোনো গৃহস্থৰ যদি ইতিমধ্যে পত্নীৰ মৃত্যু হৈছে তেওঁ মাক-দেউতাকলৈ খাদ্যবস্তু আগবঢ়াই দিয়াৰ দৰে তেওঁৰ পত্নীলৈকো তেওঁৰ পুত্ৰ-কন্যাসকলে বেলেগকৈ খোৱা বস্তু ধূপ-ধুনা চাকিসহ আগবঢ়োৱা নিয়ম। আনহাতে গৃহস্থৰ যদি ইতিমধ্যে মৃত্যু হৈছে আৰু পত্নী জীৱিত আছে, তেতিয়া সেই গৃহস্থনীয়ে তিনিজন (শহুৰ শাহু আৰু স্বামী)লৈ তিনিখিলা পাতত খোৱাবস্তু আগবঢ়োৱা নিয়ম আৰু পুত্ৰ-কন্যা সমন্বিতে তাৰ সমুখত সেৱা কৰাটো বাধ্যতামূলক। ঘৰখনৰ, পথাৰখনৰ

যাতে কোনো ধৰণৰ অপায় অমংগল নহয় তাৰ কাৰণে মৃতকসকলৰ পৰা আৰ্শীৰ্বাদ বিচৰাটোৱেই হ'ল এই প্ৰথাৰ মূল উদ্দেশ্য। এই 'মৃতকক দিয়া'ৰ নিয়মটো এতিয়াও বহু গাঁৱত প্ৰচলিত হৈ আছে। কাতিবিহুতো এই নিয়ম পালন কৰা হয়। পাকঘৰৰ অথবা জুহালৰ এটা কোণত এই 'মৃতকক দিয়া' প্ৰথা পালন কৰা হয় কাৰণে বাহিৰৰ পৰা গম পোৱা নাযায় সাধাৰণতে। মৃতকে খাই ভালপোৱা সাজপানীও খাদ্যবস্তুৰে ভৰাই দিয়া কলপাতৰ কাষত কাঁহৰ বাটিত সজাই দিয়া হয়। বাটিৰ তলত এটুকুৰা কলপাত আৰু ওপৰত এক ইঞ্চি বা আধা ইঞ্চি জোখৰ এটুকুৰা কলপাত দিয়াটোও নিয়ম। উক্ত নিয়মেৰে উপৰি পুৰুষক স্মৰণ কৰাৰ বিপৰীতে কোনো কোনো ঠাইত সমগ্ৰ কাতিমাহৰ নিশা আকাশ বন্তি জ্বলাযো উপৰি পুৰুষক সন্মান জনোৱা হয়। কাতিবিহুৰ দিনাৰ পৰা সমগ্ৰ মাহটো তুলসীৰ ভেটিত চাকি জ্বলাই তুলসী পূজা কৰাটো এই বিহুৰ অন্যতম নিয়ম যদিও কিছুলোকে বিহুৰ দিনাখন মাথোন তুলসী ৰুই ভেটিত চাকি জ্বলোৱাৰ লগতে ধাননি, শাকনি, তামোল বাৰী, ভঁৰাল ঘৰ আৰু পদূলিমুখত চাকি জ্বলাই মংগলময়ৰ ওচৰত আশীস প্ৰাৰ্থনা কৰে। আচলতে বহাগবিহুৰ ৰং-ধেমালি, মাঘবিহুৰ ভোগৰ আনন্দৰ বিপৰীতে কাতিবিহুৰ পৰিবেশ গাম্ভীৰ্যপূৰ্ণ। সেয়ে আমাৰ সংস্কৃতিত এই বিহুৱে এক সুকীয়া আসন অধিকাৰ কৰি থকাটো অনস্বীকাৰ্য।

❖❖❖

(গ) কাতিবিহুৰ আঞ্চলিক ৰূপ ঃ

জীউৰাম চাংমাই

জন্ম ঃ ১৯৬৩ চন। ডিব্ৰুগড় জিলাৰ টিংখঙৰ বেতনি ৰাইডঙীয়া গাঁও।

শিক্ষা ঃ স্নাতকোত্তৰ, এম্ ফিল।

কৰ্মজীৱন ঃ প্ৰবক্তা, শদিয়া মহাবিদ্যালয়।

সাহিত্য কৃতি আৰু সাংস্কৃতিক জীৱন ঃ বিভিন্ন আলোচনীত লিখনি প্ৰকাশ।

ৰাজহুৱা জীৱন ঃ ছাত্ৰাৱস্থাৰ পৰাই বিভিন্ন সামাজিক সাংস্কৃতিক অনুষ্ঠানৰ লগত জড়িত।

শদিয়াত কাতিবিহু

অসমৰ পুব-প্ৰান্তত অৱস্থিত, তিনিচুকীয়া জিলাৰ অন্তৰ্গত শদিয়া এক সীমামূৰীয়া অঞ্চল। ১৯৭৯ চনত শদিয়াক অসম চৰকাৰে মহকুমাৰূপে ঘোষণা কৰে। শদিযাৰ পুবে লোহিত জিলা, পশ্চিমে দিচাং নদী আৰু পাছিঘাট, উত্তৰে ডিবাং ভেলি আৰু দক্ষিণে ব্ৰহ্মপুত্ৰ নদী। মহকুমাটোৰ তিনিও দিশে অৰুণাচল প্ৰদেশে আগুৰি আছে। চৰকাৰীভাৱে শদিয়াৰ মাটিকালি যিমানেই বুলি উল্লেখ নকৰক কিয়, ইয়াৰ প্ৰকৃত মাটিকালি চৰকাৰীভাৱে দেখুওৱা মাটি-কালিতকৈ বহু পৰিমাণে কম। বিশেষকৈ প্ৰতি বছৰে কুণ্ডিল আৰু ব্ৰহ্মপুত্ৰ নদীৰ গৰাখহনীয়াৰ লগতে অৰুণাচলপ্ৰদেশৰ বেদখলে ইয়াৰ প্ৰকৃত মাটি-কালি হ্ৰাস কৰিছে। আনকি অতীতৰ পুৰণি শদিয়া এতিয়া ব্ৰহ্মপুত্ৰৰ অতল গহ্বৰত।

বিভিন্ন জনগোষ্ঠীৰে পৰিপূৰ্ণ শদিয়াত জনসংখ্যাৰ ফালৰ পৰা আহোম, নেপালী, মিচিং, দেউৰী আৰু কছাৰী জনসংখ্যাই তুলনামূলকভাৱে অধিক। জনগোষ্ঠীসমূহৰ নিজস্ব কলা-কৃষ্টি, সংস্কৃতি থাকিলেও অসমৰ জাতীয় উৎসৱ সকলো জাতি-জনগোষ্ঠীয়ে কম-বেছি পৰিমাণে পালন কৰে।

শদিয়াত বিহু বিভিন্ন জনগোষ্ঠীৰ মাজত নিজস্ব ৰীতি-নীতি উলহ-মালহেৰে পালন কৰে যদিও কঙালী বিহু নামেৰে পৰিচিত কাতিবিহুটো অনুষ্ঠুপীয়াকৈ পালন

কৰা দেখা যায়। আহিনৰ সংক্ৰান্তি কাতিবিহু নিজৰ সাধ্য অনুসৰি পালন কৰে। বহাগ আৰু মাঘবিহুৰ তুলনাত কাতিবিহু উদ্‌যাপনৰ সময়ত বিহু যেন অনুভৱ নহয়।

আহোম আৰু কছাৰী সম্প্ৰদায়ে এই বিহুত বিশেষকৈ ধাননি পথাৰত, ভঁৰালত, তুলসী গছৰ তলত বন্তি জ্বলায়। পুৱাবেলা পথাৰলৈ পুৰুষ বা মহিলাই ধান চাবলৈ যায়। দুই এক উক্ত দিনা মাহ-প্ৰসাদ আৰু কল পিঠা ইত্যাদিৰে ভঁৰালত লখিমী দিয়াৰ ৰীতি-নীতিও আছে। সাধ্যানুসৰি পিঠা-পনা, জলপান আদিৰ লগতে ঘৰতে তৈয়াৰী মদো ব্যৱহাৰ কৰে।

শদিয়াত বসবাস কৰা 'দক্ষিণপাট' গোসাঁই খেলৰ ৰাইজে কাতিবিহু আগতে অলপ বেলেগ ধৰণে পালন কৰা পৰিলক্ষিত হয়। তেওঁলোকে ১৫ৰ পৰা ৩০ ফুটমান দীঘল দুডাল গোটা বাঁহ চাচি প্ৰায় চাৰি ফুট মান আঁতৰত দুয়োডাল বাঁহ পুতি ওপৰৰ ফালে লগ খুৱাই, ওপৰৰ পৰা ২ (দুই) ফুটমান তলত দুগছি চাকি জ্বলায়। চাকি দুগছ ওপৰলৈ তোলাৰো এক বৈশিষ্ট্য পৰিলক্ষিত হয়। দুয়োডাল বাঁহ সংযুক্ত কৰি মাটিৰ পৰা ৩ ফুটমান ওপৰত এডাল ফলা বাঁহ দিয়ে আৰু তাতেই চাকি দুগছ জ্বলাই চকৰি লগাই ৰচীৰে টানি এক বিশেষ পদ্ধতিৰে ওপৰলৈ লৈ যায়। এই কাম, বৰ মেধিয়েহে কৰে। চাকি দুগছ পূবলৈ মুখ কৰি ৰাখে, বৰমেধি সোঁ-ফালৰ চাকিগছ গুৰু ঘৰৰ আৰু বাঁওফালৰ চাকিগছ ৰজা ঘৰৰ বুলি গণ্য কৰা হয়। দুযোডাল বাঁহৰ ওপৰত ২ যোৰ ধনু-কাঁড আৰু চৰাই তৈয়াৰ কৰি দিয়ে। একেবাৰে ওপৰত এজনী চৰাই দিয়ে। বৰমেধিয়ে হৰিধ্বনি দি ৰচীৰে টানি চাকি দুগছ যেতিয়া ওপৰলৈ লৈ যায় তেতিয়া তাত উপস্থিত থকা ৰাইজেও হৰিধ্বনি দিয়ে। এই কামসমূহ বৰমেধিৰ ঘৰত থকা মণিকূটতহে পালন কৰা হয়। চাকি জ্বলোৱা কাম সম্পূৰ্ণ হোৱাৰ পাছত তাত গোটখোৱা ৰাইজে অনা মাহ-প্ৰসাদেৰে হৰি নাম লয়। মেধিৰ ঘৰত এই কাৰ্য সমাপন হোৱাৰ পাছতহে ৰাইজে নিজৰ ধাননি পথাৰত আৰু ঘৰত চাকি জ্বলায়। চাকি তলৰ পৰা ওপৰলৈ তোলাৰ প্ৰাক-মুহূৰ্তত বৰমেধিয়ে শংখ আৰু ঘণ্টা বজায়।

যিদিনাখন চাকি জ্বলাই অৰ্থাৎ বিহুৰ দিনাৰ পৰা এমাহলৈকে বৰমেধিয়ে ব্ৰত পালন কৰে, কেৱল ৰাতিহে এসাজ খায়। সিও শালি চাউলৰ ভাত আৰু গাইৰ ঘি হ'ব লাগিব। এমাহ যেতিয়া পূৰ হয়, তেতিয়া ৰাইজে পুনৰ বৰমেধিৰ ঘৰত গোট খায়। ৰাইজে অনা শাক-পাচলি, চাউল, তেল-নিমখ আদিৰে তাত এটা ভোজ খাই অনুষ্ঠানটোৰ সমাপ্তি ঘোষণা কৰে। সেইদিনাই বাঁহ কেইডাল আঁতৰত পেলাই দিয়ে আৰু চাকি কেইগছ আৰু অন্যান্য সঁজুলি সমূহ নামঘৰত ৰাখি

থয়। এই উৎসৱৰ জৰিয়তে তেওঁলোকে লক্ষ্মীদেৱী আৰু ভগবান সন্তুষ্ট হয় বুলি বিশ্বাস কৰে।

অৱশ্যে বৰ্তমান সময়ত অৰ্থনৈতিক দুৰৱস্থাৰ বাবেই বা সময়ৰ নাটনিৰ বাবেই হওক দক্ষিণপাট খেলৰ বাইজেও কাতিবিহু অনুষ্ঠুপীয়াকৈ পালন কৰা দেখা যায়। বাঁহ পুতি খুউব জাক-জমকতাৰে পালন কৰাৰ পৰিবৰ্তে বৰ্তমান সময়ত দুটা কলপুলি পুতি তাতেই চাকি জ্বলায়। এই কাম আজিকালি ঘৰমেধিয়ে অকলেই সমাপন কৰা দেখা যায। আগেয়ে দহ-বাৰখন গাঁৱৰ মানুহ গোট খাই কৰিছিল, বৰ্তমান তেনেধৰণে গোট নাখায়।

মিচিং সম্প্ৰদায়ৰ লোকে নিজৰ মাজতে কাতিবিহু পালন কৰাৰ ক্ষেত্ৰত ভিন্নতা দেখা যায়। বৰ্তমান সময়ত তেওঁলোকে ধাননি পথাৰ আৰু চোতালত চাকি জ্বলায়। শদিয়াৰ মিচিং সম্প্ৰদায়ৰ মাজত মাঘ বিহুটোহে অতি জাক-জমকতাৰে পালন কৰা দেখা যায়। তেওঁলোকৰ চাকি জ্বলোৱাৰ ক্ষেত্ৰত কোনো বাধ্য-বাধকতা নাই। দুই একে তুলসীৰ তলতো চাকি জ্বলায। অৱশ্যে মিচিং সম্প্ৰদায়ৰ বৈষ্ণৱ পন্থীটোৱে এনেদৰে পালন কৰাৰ পৰিবৰ্তে কেৱলীয়া পন্থীসকলে কাতিবিহুটো যথেষ্ট উলহ-মালহেৰে পালন কৰে।

কেৱলীয়া পন্থীৰলোকে বিহুৰ আগদিনা ৰাতিপুৱা শুই উঠি গা-মূৰ ধুই মহিলাসকলে বগা সাজ পৰিধান কৰি পথাৰলৈ ধান চাবলৈ যায়। হাতত তেওঁলোকে কাচি নতুবা সেইজাতীয় বস্তু লৈ যায়। গধূলি তৰাপাতত বান্ধি বৰা চাউলেৰে ভাতৰ টোপোলা কৰে। সেই ভাতৰ টোপোলাবোৰ পিছৰ দিনা ৰাতিপুৱা ওচৰ চুবুৰীয়াৰ লগত মাছ-মাংসৰে আনন্দ মনেৰে খায়। লগতে আপং (ঘৰতে চাউলৰ পৰা তৈয়াৰ কৰা মদ) আৰু পৰ আপং (ছাইমদ) ব্যৱহাৰ কৰে। অৱশ্যে ঘৰৰ গৃহস্থ অৰ্থাৎ মূল ব্যক্তিজনে মাছ-মাংস ব্যৱহাৰ নকৰে। মৃতকৰ আত্মাই ঘৰখনত যাতে একো অনিষ্ট কৰিব নোৱাৰে তাৰ বাবে সেইদিনা মৃতকৰ প্ৰতি প্ৰাৰ্থনা জনাই সকাম কৰে। আবেলি বেলি ডুবাৰ লগে লগেই পথাৰত, ভঁৰালৰ সন্মুখত, চোতালত চাকি জ্বলায়। নিশালৈ মনৰ আনন্দত দুই-চাৰিজন লগ হৈ বিহু নাম গায়, যদিও হুচৰিৰ দৰে বিহু নকৰে।

শদিয়াৰ দেউৰী সম্প্ৰদায়ৰ মাজত কাতিবিহুটো একেবাৰেই অনুষ্ঠুপীয়াকৈ পালন কৰে। তেওঁলোকে কাতিবিহুক গুৰুত্ব নিদিয়ে। পথাৰত বিহুৰ দিনা চাকি জ্বলায় আৰু দুই একে তুলসীৰ তলতো চাকি জ্বলায়। তুলসীৰ তলত চাকি জ্বলোৱাটো তেওঁলোকৰ মাজত নতুন।

শদিয়াত জনসংখ্যাৰ ফালৰপৰা যথেষ্ট নেপালী সম্প্ৰদায়ৰ মানুহ আছে। তেওঁলোকে কাতিবিহু পালন নকৰে যদিও কাতিমাহত তিহাৰ উৎসৱ পালন কৰে। অমাৱস্যাৰ পৰা ভ্ৰাতৃ দ্বিতীয়ালৈকে ঘৰে ঘৰে হুঁচৰি গায়। অমাৱস্যাৰ আগে আগে কাক তিহা (কাউৰী), কুকুৰ তিহা, হালোৱা তিহা, ষাঁড় তিহাৰ, গাই তিহাৰ আদি পূজা কৰে। গাই তিহাৰক তেওঁলোকে লক্ষ্মী বুলি গণ্য কৰে।

চমু কথাত ক'বলৈ গ'লে শদিয়াত পৰম্পৰা ৰক্ষা কৰি কাতিবিহু অতি অনুষ্ঠুপীয়াকৈ পালন কৰে।

❖❖❖

অনুভা বৰুৱা



জন্ম ঃ ১৯৫১ চন। তিনিচুকীয়া।

শিক্ষা ঃ স্নাতক, বি এড্।

কৰ্মজীৱন ঃ শিক্ষকতা, চেনাইৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয়।

সাহিত্য কৃতি আৰু সাংস্কৃতিক জীৱন ঃ প্ৰকাশিত কবিতা পুথি (১); সম্পাদিত গ্ৰন্থ (৩); স্মৃতি গ্ৰন্থ, মুখপত্ৰ (৩); বিভিন্ন আলোচনী, স্মৃতিগ্ৰন্থ, বাতৰি কাকত আদিত লিখনি প্ৰকাশ।

ৰাজহুৱা জীৱন ঃ সদৌ অসম লেখিকা সমাৰোহ সমিতি, অসম সাহিত্য সভা আদি অনুষ্ঠানৰ লগত সক্ৰিয়ভাৱে জড়িত।

তিনিচুকীয়া জিলাত কাতিবিহু

অসম এখন কৃষি প্ৰধান দেশ। ইয়াৰ বিভিন্ন উৎসৱ-পাৰ্বণ, পূজা-পাতল, ৰীতি-নীতি, কলা-কৃষ্টি, সাহিত্য-সংস্কৃতি আদিৰো কৃষিৰ লগত আছে এক নিবিড় সম্বন্ধ। ইতিহাস লুটিয়াই চালে আমি দেখা পাওঁ বিভিন্ন সময়ত, বিভিন্ন কাৰণত ভিন্ ভিন্ পথেদি অসমলৈ নানা ধৰ্ম-ভাষা, জাতি-উপজাতিৰ প্ৰব্ৰজন ঘটিছিল আৰু বৰ্তমানো তাৰ কোনো যতি পৰা পৰিলক্ষিত হোৱা নাই, বৰঞ্চ দিনে দিনে ই বাঢ়িহে আছে। যিয়েই এবাৰ অসমত পদাৰ্পণ কৰিছে তেওঁলোকেই ইয়াত নিগাজী বাসিন্দা ৰূপে থাকি গৈছে আৰু কালক্ৰমত ইয়াৰ ভাষা-কৃষ্টি-সংস্কৃতি আঁকোৱালি লৈছে। আৰু এনেদৰেই নানা জাতি-ধৰ্ম-ভাষাৰ সংমিশ্ৰণত সৃষ্টি হৈছে এটা বৃহৎ অসমীয়া জাতি। অসমীয়াসকলে ব্যাপকভাৱে পালন কৰা জাতীয় উৎসৱটোৱেই হৈছে বিহু।

বিহু উৎসৱ কেতিয়া কোন জাতি বা জনগোষ্ঠীয়ে সৰ্বপ্ৰথমে পালন কৰিবলৈ আৰম্ভ কৰিছিল তাৰ কোনো লিখিত বা শ্ৰুতিগত প্ৰমাণ পাবলৈ নাই। কিন্তু, অতীজৰে পৰা হিন্দু ধৰ্মাৱলম্বীলোকসকলে সাৰ্বজনীনভাৱেই এই উৎসৱ পালন

কৰি আহিছে নিজৰ নিজৰ জাতিগত ভিন্ ভিন্ কলা-কৃষ্টিৰে। সেই সময়ত মানুহৰ জীৱিকা নিৰ্বাহৰ একমাত্ৰ পথ কৃষি হোৱা হেতুকে হয়তো কৃষিকাৰ্যৰ বিশেষকৈ ধান খেতিৰ প্ৰতিটো ক্ৰিয়া-কৰ্মৰ লগত সংগতি ৰাখি ইয়াৰ আগত আৰু পাছত এই উৎসৱ ভিন্ ভিন্ আচাৰ অনুষ্ঠানেৰে পালন কৰা হয়। সেইবাবেই আমি বছৰৰ বেলেগ বেলেগ সময়ত তিনিটা ভিন্ন প্ৰকৃতিৰ বিহু পাওঁ। বছৰৰ আৰম্ভণিতে কৃষিকৰ্মত জড়িত হোৱাৰ আগে আগে পালন কৰা বিহুটো হৈছে ৰঙালীবিহু, চ'ত্ৰ বা বহাগবিহু, ভুঁই ৰুই খেতি-খোলা তোলাৰ পাছত পথাৰত শস্য বিশেষকৈ যেতিয়া ৰোৱাবোৰ সজাল ধৰি গেঁৰ পেলাবলৈ আৰম্ভ কৰে তেনেসময়তে পালন কৰা হয়, কাতিবিহু বা কঙালীবিহু আৰু পকা ধানেৰে ভঁৰাল ভৰাই খেতি সামৰাৰ অন্তত ভোগৰ নানা খাদ্য সম্ভাৰ—চিৰা, পিঠা, সান্দহ, হুৰুম, আখৈ আদিৰ বিভিন্ন জা-জলপান বনাই পুহ আৰু মাঘৰ সংক্ৰান্তিৰ দিনা পালন কৰা বিহুক মাঘবিহু বা ভোগালী বিহু বোলে।

'তিনিচুকীয়া জিলাত কাতিবিহু' শীৰ্ষক আমাৰ সীমিত জ্ঞানেৰে এই ক্ষুদ্ৰ লিখনিটিত মুখবন্ধ হিচাপে এইখিনি কথা দাঙি ধৰা হ'ল। বিভিন্ন জাতি আৰু জনগোষ্ঠীয়ে পালন কৰি অহা বিহুৰ বিশেষকৈ কাতিবিহুৰ কোনো ধৰা-বন্ধা নিয়ম নাই। সময়ৰ লগে লগে সমাজ পৰিবৰ্তন হয় আৰু তাৰ পৰিপ্ৰেক্ষিততে কিছু পৰিমাণে হ'লেও পৰিবৰ্তন হয় সমাজৰ ৰীতি-নীতি, কৃষ্টি-সংস্কৃতি আদিৰো। অসমত বসবাস কৰা প্ৰায়ভাগ মানুহেই বিহু পালন কৰে। ইয়াত বাস কৰা বিভিন্ন জাতি বা জনগোষ্ঠীসমূহৰ মাজত বিভিন্ন সম্প্ৰদায়, খেল, জাত-পাতৰ বিভিন্নতা থাকিলেও ওপৰত উল্লেখিত মাহকেইটাত তেওঁলোকে বিহু বুলি নামকৰণ নকৰিলেও সংক্ৰান্তি বুলি কিছু আচাৰ-অনুষ্ঠান পালন কৰা দেখা যায়। তথাপিও আমি ক'ব পাৰো ভাৰতীয় সংস্কৃতি অনৈক্যৰ মাজত ঐক্য হোৱাৰ দৰে অসমতো বিহু হৈছে নানা জাতি উপজাতিৰ ঐক্যৰ প্ৰতীক স্বৰূপ।

কাতিবিহু আহিন আৰু কাতিমাহৰ সংক্ৰান্তিৰ দিনা পালন কৰা হয। "আহিনৰ শেষত সূৰ্যৰ তুলা ৰাশিত সংক্ৰমণত কাতি বা কঙালীবিহু অনুষ্ঠিত হয়। তুলাৰাশিৰ সংক্ৰমণত হোৱা কাতিৰ সংক্ৰান্তিক জলবিষুব বোলা হৈছে।' (অসমীযা সংস্কৃতিৰ কণিকা' পৃঃ ৪৬, সম্পাদক ড° নাৰাযণ দাস, ড° পৰমানন্দ ৰাজবংশী।) এই সময়ছোৱাত সাধাৰণতে মানুহৰ শস্যৰ ভঁৰাল উদং হয, খুউব কম সংখ্যক মানুহৰ ভঁৰালত গুটি ধান বা মুঠি ধান থকা দেখা যায়। খেতি পথাৰত ধানৰ ৰোৱাবোৰ সঁজাল ধৰি গেঁৰ মেলাৰ সময় সমাগত হয়। এনে সময়ত নানা পোক-পৰুৱাই শস্য নষ্ট কৰাৰ আশংকা থাকে, সেইবাবে এই সময়ছোৱাতে কাতিবিহু পালন

কৰে। বৰ্ষা ঋতুৰ ক্লেদাক্ত আৱৰণ গুচাই শৰতৰ আগমনৰ লগে লগে ধৰিত্ৰীয়েও নতুন সাজেৰে নিজকে সজায়। মানুহবোৰেও নৱ উৎসাহেৰে বাৰীৰ অলাগতীয়াল বন-বাত চাফ-চিকুণ কৰি, ঘৰ-দুৱাৰ অতাই, চোতাল চুৰুকি নিকা কৰে। চোতালৰ এমূৰে মাটিৰে ওখ ঢিপ তুলি নতুনকৈ তুলসী পুলি বিহুৰ দিনা ৰোৱে। সন্ধিয়া তাৰ তলত পূৰমুৱাকৈ ভক্তিভাৱেৰে মিঠাতেলৰ চাকি জ্বলাই সেৱা কৰে। কোনো কোনোৱে সেইদিনা গোহালি ঘৰ, পুখুৰীৰ পাৰ, হাঁহ-কুকুৰাৰ গৰাল আৰু ঘৰৰ কোঠালিবোৰত কেৰাচিন তেলৰ লেম্প-চাকিৰ সলনি কিছু সময়ৰ বাবে হ'লেও মিঠাতেলৰ প্ৰদীপ জ্বলায়। সম্প্ৰদায় আৰু ঠাই বিশেষে চোতালৰ মূৰত দীঘল বাঁহ পুতি তাত আকাশবন্তি লগায়। আকাশবন্তিবোৰো মানুহৰ ৰুচি অনুযায়ী নানা ৰং-বিৰঙৰ হোৱা দেখা যায়। সৰু সৰু ল'ৰা-ছোৱালীবোৰৰ এনে আকাশবন্তি দেখিলে আনন্দত হিয়া নধৰা হয়।

কাতিবিহুৰ দিনা প্ৰায়বোৰ খেতি- খোলা থকা গৃহস্থই নিজৰ নিজৰ ধাননি পথাৰ চাবলৈ যায়। সন্ধিয়া চাকি এগছি জ্বলাই অঞ্চল বিশেষে কোনোবাই তিনি আন কোনোবাই পাঁচগছিকৈ দি পথাৰখন শস্যৰে পৰিপূৰ্ণ কৰি তুলিবলৈ নেদেখাজনক কৰযোৰে প্ৰাৰ্থনা জনায়। আজিকালিহে সৰ্বত্ৰত কুমাৰে গঢ়োৱা মাটিৰ চাকি ব্যৱহাৰ কৰা দেখা যায়। অতীজত আনকি তিনি চাৰি দশকমান আগলৈকে গঞাই অমিতা আৰু ঔ-টেঙাৰ খবুৱাতে মিঠাতেল আৰু এঁৰা সূতাৰ শলিতাৰে চাকি জ্বলাইছিল। কাতিবিহুৰ এনে নিয়ম যৎসামান্য হ'লেও আধ্যাত্মিক তথা দূৰদৃষ্টিসম্পন্ন।

খোৱা-বোৱাৰ ক্ষেত্ৰত কাতিবিহু একেবাৰে অনাড়ম্বৰ। সেইবাবেই অসমীয়া সমাজত জনপ্ৰবাদ প্ৰচলিত যে 'বহাগ বিহু ৰঙালী, মাঘৰ বিহু ভোগালী আৰু কাতি-

বিহু কঙালী।' কিয়নো, এই সময়ত খাদ্য শস্যৰ নাটনি হয়। জাতি, গোষ্ঠী, সম্প্ৰদায় আৰু অঞ্চল বিশেষে কোনো কোনোৱে তুলসী তলত চাকি জ্বলাই নানাবিধ ফলমূলেৰে শৰাই দিয়ে, কিছুমানে ভঁৰালত কেঁচা পিঠাগুৰি আৰু কলেৰে শৰাই দি ভঁৰালঘৰটো ধানেৰে ভৰাই তুলিবলৈ আই লখিমীক ভক্তিভাৱে প্ৰাৰ্থনা জনায়। সেইদিনা সাধাৰণতেই নিৰামিষ আহাৰ গ্ৰহণ কৰা দেখা যায়। কাতিবিহু ৰং-ৰহইচেৰে পালন কৰা উৎসৱ নহয়, কৃষিজীৱী গৃহস্থই আধ্যাত্মিকতাৰে এককভাৱে পালন কৰা এটা লোক-কৃষ্টিহে।

ওপৰত উল্লেখিত ধৰণেৰে অসমৰ প্ৰায়ভাগ অঞ্চলতে কাতিবিহু পালন কৰা দেখা যায়। তিনিচুকীয়া জিলাও অসমৰে এটি অংগ। ইয়াক ভাৰতৰ এটি ক্ষুদ্ৰ সংস্কৰণ বুলিও অভিহিত কৰা হয়। বেপাৰ-বাণিজ্য আৰু অন্যান্য সূত্ৰে ইয়ালৈ

অহা লোকসকলে ইয়াৰ আশে-পাশে তথা গোটেই তিনিচুকীয়া জিলাতে সিঁচৰতি হৈ বসবাস কৰিছে। তিনিচুকীয়া বিভিন্ন জাতি আৰু জনগোষ্ঠীৰ আবাসস্থল হ'লেও প্ৰধানকৈ মৰাণ আৰু মটকসকলেই হৈছে ইয়াৰ দুটা উল্লেখযোগ্য জনগোষ্ঠী। আদিতে তেওঁলোকে কাতিবিহু বুলি কোনো উৎসৱ পাৰ্বণ পালন নকৰিছিল যদিও আহিনৰ সংক্ৰান্তিৰ দিনা গৃহস্থই নিজৰ নিজৰ শস্য বা ধাননি পথাৰ চাবলৈ গৈ সন্ধিয়া তাত চাকি জ্বলাইছিল যাতে শস্য নষ্টকাৰী পোক-পৰুৱা আদি চাকিৰ পোহৰত আত্মজাহ গৈ শস্যৰ পথাৰ নিষ্কণ্টক হয়। কিন্তু সময়ৰ পৰিবৰ্তনৰ লগে লগে সমাজৰ আচাৰ-বিচাৰ, নীতি-নিয়মৰো পৰিবৰ্তন হয়। অঞ্চল বিশেষে মৰাণ মটকসকলেও আজিকালি বিহুৰ দিনা তুলসী ৰুই চাকি-বন্তি জ্বলাই ফলমূলৰ শৰাই দিয়া দেখা যায়। কোনো কোনো অঞ্চলত ভকতসকলে লগ হৈ নামঘৰত নামকীৰ্তন কৰে।

তিনিচুকীয়া জিলাৰ আন এটা উল্লেখনীয় বৃহৎ জনগোষ্ঠী হৈছে সোণোৱাল কছাৰীসকল। "কাতিবিহুৰ উৎপত্তি সম্বন্ধে তেওঁলোকৰ সমাজত এটি মনোৰম জনশ্ৰুতি আছে। আদিতে সৃষ্টিকৰ্তা ব্ৰহ্মাই নৈ-বিল, পৰ্বত-পাহাৰ, গছ-গছনি, জীৱ-জন্তু, পশু-পক্ষী, কীট-পতঙ্গ আদি সৃষ্টি কৰি নিজ সৃষ্টিৰ ৰহস্যৰ আনন্দত আত্মহাৰা হৈ পৰিল। যুগ-যুগান্তৰৰ পাছত ব্ৰহ্মাসৃষ্ট গছ-গছনি, জীৱ-জন্তু, পশু-পক্ষী আদিৰে পৃথিৱী নধৰা হ'ল। বসুমতীয়ে এই ভাৰ সহ্য কৰিব নোৱাৰি ভগৱান বিষ্ণুৰ ওচৰত প্ৰাৰ্থনা জনালে। ব্ৰহ্মা, বিষ্ণু, শিৱৰ আলোচনা মৰ্মে শিৱক বসুমতীৰ ভাৰ পাতলাবলৈ সৃষ্টি ধ্বংসলীলা পাতিবলৈ ভাৰ দিয়া হ'ল। আৰম্ভ হ'ল শিৱৰ তাণ্ডৱলীলা। চাৰিওফালে প্ৰলয়ৰ হাহাকাৰ শুনা গ'ল। শিৱৰ এনে আচৰণৰ মূল বুজি মানুহে প্ৰাণ ৰক্ষা কৰিবলৈ শিৱৰ ওচৰত প্ৰাৰ্থনা জনাবলৈ ধৰিলে। শিৱৰ ধ্বংস যজ্ঞৰ হেতু পৃথিৱী শূন্য হৈ পৰিল। মানুহে অনাহাৰে অনিদ্ৰাই দিন কটাব লগা হ'ল। সেয়েহে সামান্য এগছ শলিতা জ্বলাই শিৱক আৰাধনা কৰিবলৈ ধৰিলে। ইয়াত কেৱল মানুহেই নহয়— জীৱ-জন্তু, পশু-পক্ষী আদিয়েও অনাহাৰে অনিদ্ৰাই থাকি শিৱক তুতি মিনতি কৰিবলৈ ধৰিলে। সেয়েহে কাতিমাহত 'বগলীয়ে মাছ নেখায়' আৰু 'জীৱ-জন্তুবিলাকে উপবাসে থাকে' বুলি কোৱা হৈছে। মানুহ, জীৱ-জন্তু, পশু-পক্ষীৰ প্ৰাৰ্থনাত ভগৱান শিৱ ক্ষান্ত হ'ল। বিষ্ণুৰ বাবেহে তেওঁলোকৰ উদ্ধাৰ হ'ল বুলি ভাবি মানুহে বিষ্ণুক পূজিবলৈ ধৰিলে। শংখচূড়ক বধ কৰিবলৈ শংখচূড় পত্নী বৃন্দাদেৱীৰ সতীত্ব বিষ্ণুৱে নষ্ট কৰাত বৃন্দাদেৱীয়ে তুলসীৰূপে শিৱৰ জঁটাত আশ্ৰয় গ্ৰহণ কৰে। বৃন্দাৰ অভিশাপৰ বাবেই তুলসী পাত নহ'লে বিষ্ণু পূজা সমাপন নহয়। সেইবাবে কাতি বিহুৰ দিনা তুলসী ৰুই বিষ্ণু পূজা

কৰা প্ৰথা সমাজত প্ৰচলিত। ইফালে দেৱাদিদেৱ শিৱই যাতে সৃষ্টি ধ্বংস নকৰে তাৰ বাবে শস্য পথাৰ আদি চাই মানুহে শিৱ সন্তুষ্টিৰ বাবে শলিতা জ্বলায়।" ('সোণোৱাল কছাৰীৰ সমাজ আৰু সংস্কৃতি' পৃ২৭০, লিখক অহিন্দ্ৰ শইকীয়া)

সময়ৰ পৰিবৰ্তনৰ লগে লগে সোণোৱাল কছাৰীসমাজলৈও কিছু পৰিবৰ্তন আহে। ঠাই বিশেষে কোনো কোনোৱে পথাৰত চাকি জ্বলোৱাৰ উপৰিও পাচিত ভৰাই কেঁচা পিঠা, কল কুহিয়াৰেৰে উপচাৰ আগবঢ়াই সৰু সৰু ল'ৰা-ছোৱালীৰ সৈতে ভাগ বটাই খায়। তেওঁলোকে ভঁৰাল, গোহালি, গঁৰাল, ধকাধৰ, মজিয়া, নাদ, পুখুৰীৰ পাৰ আদিত শলিতা জ্বলাই শিৱক পূজা কৰে।

মিচিংসকল তিনিচুকীয়া জিলাৰ এক অন্যতম জনগোষ্ঠী। বিহুৰ দিনা খেতি পথাৰ পৰিভ্ৰমণ মুখ্য হ'লেও অঞ্চল বিশেষে ভিন্ ভিন্ ধৰণেৰে তেওঁলোকে কাতি বিহু পালন কৰে বুলি জনা যায়। গধূলি তুলসী তল আৰু শস্য পথাৰত চাকি জ্বলাই আপং আৰু পৰাঙেৰে ওচৰ চুবুৰীয়াক আপ্যায়ন কৰে। নানা ধৰণৰ পিঠা-পনাও বনোৱা দেখা যায়। টাই-ফাকে আৰু চিংফৌসকলে বহাগবিহু আৰু মাঘবিহু সমূহীয়াভাৱে উদ্‌যাপন কৰিলেও কাতিবিহু পালন কৰাৰ বিষয়ে জনা নাযায। আহোমসকলেও সচৰাচৰ চলি অহা একে পদ্ধতিৰে কাতিবিহু পালন কৰিলেও অঞ্চল আৰু ব্যক্তি বিশেষেহে আকাশবন্তি জ্বলায়। ঠাই বিশেষে পিঠা-পনা পোৰে যদিও সেইদিনা কেঁচা পিঠাগুৰি আৰু আগী কলেৰে ভঁৰালত নাইবা ভঁৰালৰ গাধৈত শৰাই দিয়ে। কোনো কোনোৱে শৰাইৰ সলনি ধান জোখা দোনটো লেপি মচি সুন্দৰকৈ ব্যৱহাৰ কৰে। শৰাই ভঙাৰ অন্তত পিঠাগুৰিখিনি পানীৰে বা গাখীৰেৰে সানি কলপাতত মেৰিয়াই পানীত সিজাই পাত পিঠা বনায়। ই এবিধ সুস্বাদু আৰু নিৰোগী খাদ্য। পিছদিনা পুৱাহে এইবোৰ খোৱা হয়। কোনো কোনোৱে তুলসীৰ তলত নানা বিধ ফলমূল, বুট, কলেৰে শৰাই দি নাম-গুণ গায় আৰু নামৰ অন্তত ওচৰ-চুবুৰীয়াৰ সৈতে লগে ভাগে খায়। দেউৰীসকলে পথাৰত চাকি দিয়ে আৰু তিল পিঠা, ছেঁৱা পিঠা আদি বনায়।

ওপৰত উল্লেখ কৰা জনগোষ্ঠীসমূহৰ বাদেও অসমৰ খিলঞ্জীয়া অন্যান্য জাতি আৰু জনগোষ্ঠীসমূহেও প্ৰায় একে পদ্ধতিৰে কিছু হীন-দেঢ়ীৰ মাজেদি আমাৰ জাতীয় উৎসৱৰ অন্যতম কঙালীবিহুটি পালন কৰা পৰিলক্ষিত হয়।

বিভিন্ন সময়ত অসমলৈ প্ৰব্ৰজন কৰা ভাৰতৰ বিভিন্ন ৰাজ্যৰ বহিৰাগতসকলে নিজৰ নিজৰ জাতীয় কৃষ্টি-সংস্কৃতি বৰ্জন নকৰিলেও প্ৰায়ভাগেই অসমীয়া সংস্কৃতিক আপোন কৰি লৈ ইয়াতে জীণ যোৱা প্ৰত্যক্ষ হয়। তাৰ ভিতৰত তিনিচুকীয়াৰ জনসংখ্যাৰ এক গৰিষ্ঠসংখ্যক লোক হৈছে উৰিষ্যা, বিহাৰ,

উত্তৰপ্ৰদেশ, চোটানাগপুৰ আদিৰ পৰা বৃটিছৰ আমোলত বিশেষভাৱে চাহ খেতি কৰিবলৈ আমদানি কৰি অনা চাহ জনগোষ্ঠীৰ লোকসকল। তেওঁলোক বৰ্তমান অসমীয়া জাতিৰ এক অবিচ্ছেদ্য অংগ। অসমীয়া সমাজ, সাহিত্য, সংস্কৃতিৰ জগতত তেওঁলোকৰ অৱদান প্ৰভূত। তুলসী তল সাৰি-মচি থোৱাতো তেওঁলোকৰ নিত্য কৰ্ম যদিও আজিকালি কাতিবিহুতো তেওঁলোকে কোনো কোনোৱে তুলসী তলত বিভিন্ন ফলমূলেৰে শৰাই দি নাম গায়। বিহুৰ দিনা আৰু তাৰ পাছতো কেইবাদিন জুৰি আকাশ বন্তি জ্বলায়। বৃটিছৰ সময়ত চাকৰি সূত্ৰে, পিছত ব্যৱসায় সূত্ৰে অসমলৈ অহা পশ্চিমবংগৰ বাংলাভাষী লোকসকলে কাতিবিহু বুলি নামানিলেও আহিনৰ সংক্ৰান্তিত 'শাশুড়ী ব্ৰত' বুলি ব্ৰত এটা পালন কৰে। সেইদিনা ঘৰ-দুৱাৰ সাৰি মচি সন্ধিয়া তুলসী তলত চাকি জ্বলাই আকাশবন্তি লগায়। আঠবিধ পাচলিৰে আঞ্জা ৰান্ধি সেই ভাত-আঞ্জা পিছদিনা ৰাতিপুৱা বাহীকৈ খোৱাৱো তেওঁলোকৰ নিয়মৰ ভিতৰত পৰে।

ওপৰৰ আলোচনাৰ পৰা দেখা যায় যে তিনিচুকীয়া জিলাত কাতিবিহু সাৰ্বজনীন আৰু এককভাৱে পালন কৰা হয়। কাতিবিহু বুলি পালন নকৰিলেও বহুতেই আহিনৰ সংক্ৰান্তিক নিজস্ব জাতিগত তথা গোষ্ঠীগত নিয়ম-নীতি, আচাৰ-বিচাৰেৰে কিছু হ'লেও পালন কৰে। এনেদৰেই তিনিচুকীয়া জিলাত কাতিবিহুৰ পুৰণি ৰূপ গুচি চাকি-বন্তি, পিঠা-পনাৰে উজলি এটা সময়ত যে ৰাজহুৱা ৰূপ এটালৈও পৰিবৰ্তন নঘটিব তাক কোনে ক'ব।

❖❖❖

শ্ৰীতৰংগ কল্লোল শইকীয়া

জন্ম ঃ ১৯৬৩ চন। টিংখঙৰ দিচাং ৰংছোৱাল গাঁও।

শিক্ষা ঃ স্নাতকোত্তৰ।

কৰ্মজীৱন ঃ নাহৰকটীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয় সহশিক্ষক।

সাহিত্য কৃতি আৰু সাংস্কৃতিক জীৱন ঃ বহুতো কাকত আলোচনীত বিভিন্ন বিষয়ৰ লিখনি প্ৰকাশ।

ৰাজহুৱা জীৱন ঃ সদৌ অসম নবীন লেখক-লেখিকা আৰু শিল্পী সমিতি, অসম সাহিত্য সভা, অসম নাট্য সন্মিলন, শতদল আদি বহুতো অনুষ্ঠানৰ লগত ওতপ্ৰোতভাৱে জড়িত।

নাহৰকটীয়াত কাতিবিহু ঃ

যুগৰ পৰিবৰ্তনৰ লগে লগে ঐতিহ্যগত চেতনাৰ ৰূপান্তৰ বা প্ৰাচীন মূল্যবোধ তথা ধ্যান-ধাৰণাসমূহৰ সলনি হয়। অসমীয়া জাতিয়ে পৰম্পৰাগতভাৱে পালন কৰি অহা অসমৰ জাতীয় উৎসব 'বিহু'ৰো সময় আগবঢ়াৰ লগে লগে আনেকখিনি পৰিবৰ্তন সাধিত হৈছে। পৰিবৰ্তনৰ এই দীৰ্ঘবাটত অনেকখিনি আচাৰ-অনুষ্ঠান, ৰীতি-নীতি, খোৱা-লোৱা, পিন্ধা-উৰা আদি এৰা-ধৰা হৈছে। এনে সংযোজন-বিয়োজনে সাংস্কৃতিক মূল্যবোধৰ পৰিবৰ্তন আনে। এয়া সংস্কৃতিৰেই বৈশিষ্ট্য। অৱশ্যে, সম্প্ৰতি আধুনিকতাৰ হেঁচাত এই পৰিবৰ্তন দ্ৰুতৰ পৰা দ্ৰুততৰ হৈছে। কৃষি-কৰ্মৰ সৈতে সম্পৰ্ক থকা এই বিহু-উৎসৱে ভৱিষ্যতে কেনেৰূপ পৰিগ্ৰহ কৰে তাক কোৱা টান।

উল্লেখ্য যে, তিনিটা বিহুৰ ভিতৰৰে যৎসামান্যভাৱে পালন কৰা কাতি বা কঙালীবিহুৰ বিষয়ে আজিও সুস্থ আলোচনা হোৱা নাই। সেয়ে এই বিহুত পালনীয় আচাৰ-অনুষ্ঠান, ৰীতি-নীতি, বিশ্বাস আদি সম্পৰ্কে সৰ্ব-সাধাৰণলোকৰ জ্ঞাত নহয়। প্ৰসংগক্ৰমে উল্লেখ কৰা ভাল যে, অসমৰ অন্যান্য ঠাইত পালন কৰা 'কাতিবিহু'ৰ

পৰা ই পৃথক নহয়। কিয়নো ডিব্রুগড় জিলাৰ অন্যতম প্ৰধান ঠাই (চহৰ) নাহৰকটীয়াত বাসকৰা জনসমষ্টিয়েই এই কথাৰ প্ৰমাণ কৰে। ইয়াৰ জন-গাঁথনিলৈ লক্ষ্য কৰিলে দেখা যায় যে আহোম, সোণোৱাল কছাৰী, চাহ-জনজাতি লোকৰ সংখ্যাই প্ৰাধান্য পায়। বুজন সংখ্যক অন্যান্য সম্প্ৰদায় কোঁচ, কলিতা, ব্ৰাহ্মণ, কৈবৰ্ত, নেপালী, টাইফাকে আদি লোকো বাস কৰে। তদুপৰি নগৰাঞ্চলত বঙালী, মুছলমান, বিহাৰী, মাৰোৱাৰী, পঞ্জাবীকে আদি কৰি বিভিন্ন ধৰ্ম আৰু সম্প্ৰদায়ৰ লোকে বাস কৰে। অৱশ্যে ভৌগোলিক পৰিবেশৰ পৃথকতাৰ বাবে যিদৰে পৃথিৱীৰ বিভিন্ন অঞ্চলৰ জীৱন-যাত্ৰাৰ প্ৰণালী সুকীয়া সুকীয়া সেইদৰে একে ভৌগোলিক পৰিবেশ তথা সাংস্কৃতিক পৰিমণ্ডলত থাকিলেও অঞ্চল বা ঠাই বিশেষে যৎসামান্য পৃথকতা লক্ষ্য কৰা যায়। সেয়ে নাহৰকটীয়াত পালন কৰা কাতিবিহুৰো আঞ্চলিক বৈশিষ্ট্য তথা উৎসাহ-উদ্দীপনাৰ কথা নুই কৰিব নোৱাৰি।

আহিন আৰু কাতিমাহৰ সংক্ৰান্তিত কাতিবিহু বা কঙালীবিহু পালন কৰা হয়। অসমৰ বেলেগ বেলেগ সম্প্ৰদায়ৰ লোকে সুকীয়া সুকীয়া নিয়ম-নীতিৰে পালন কৰে যদিও সম্প্ৰতি সকলো জাতি-উপজাতিৰ ৰীতি-নীতিৰ সংমিশ্ৰণত ই এটা উমৈহতীয়া স্থায়ীৰূপ গ্ৰহণ কৰা দেখা গৈছে। যি উদ্দেশ্য বা বিশ্বাসক ভেটি কৰি নহওক কিয় উক্ত দিনা সামগ্ৰিকভাৱে পালন (পদ্ধতি বেলেগ হ'লেও) কৰা আচাৰ-অনুষ্ঠানসমূহ হ'ল— দিনৰ ভাগত ধাননি পথাৰ চোৱা আৰু সন্ধ্যাৰ আগে আগে বন্তি প্ৰজ্বলন, তুলসী পুলি ৰোপণ আৰু গধূলি তাৰ তলত বন্তি প্ৰজ্বলন, লগতে ভঁৰাল, পদূলি, দুৱাৰ মুখ আদিত বন্তি প্ৰজ্বলন আৰু বিহু উপলক্ষে খাদ্য প্ৰস্তুতকৰণ ইত্যাদি।

কাতিমাহ বছৰৰ সপ্তম মাহ। ইয়াক বহুতে সপ্তৰ্ষিমণ্ডলৰ লগত ৰিজায়। সুদূৰ অতীতৰ পৰাই ভাৰতীয় দৰ্শন তথা জনমানসত এই সপ্তৰ্ষি-মণ্ডলৰ প্ৰভাৱ অনস্বীকাৰ্য। কাতিমাহত কৃষিজীৱী লোকৰ ভঁৰাল উদং হৈ আহে, অন্যহাতে পথাৰৰ শস্যও সম্পূৰ্ণ হৈ নুঠে। সেযে কাতিমাহে চেতনাও জাগ্ৰত কৰে। "প্ৰাচুৰ্যৰ অহংকাৰ নাশ হ'লে মানুহৰ মন আধ্যাত্মিক জ্যোতিৰে আলোকিত হয়।" সেয়ে শৰতৰ শান্ত সমাহিত ৰূপত পালন কৰা এই উৎসৱত 'ঐহিক প্ৰাচুৰ্যৰ পৰিৱৰ্তে এই বিহুত আধ্যাত্মিক প্ৰাচুৰ্য প্ৰভাৱ অধিক দেখা হোৱা দেখা যায়।' গতিকে এই বিহুত নাম-প্ৰসংগ, তুলসী ৰোপণ, বন্তি প্ৰজ্বলন আদিয়ে আগস্থান পায়।

সংক্ৰান্তিৰ দিনা পুৱাই গা-মূৰ ধুই ধাননি পথাৰ চাবলৈ (বিশেষ সময় নাই যদিও সাধাৰণতে আগবেলা) যায়। যাওঁতে লগত এখন কাচি বা তেনে জাতীয় বস্তু লৈ যায়। সম্ভৱতঃ পথাৰত গজি উঠা অপতৃণ আঁতৰাবৰ বাবেই এনেদৰে লগত অস্ত্ৰ লৈ যায়। এই কাৰ্যত সাধাৰণতে আয়তীসকলে আগ-ভাগ লয়। অৱশ্যে

পুৰুষসকলো নোযোৱাকৈ নাথাকে। সেইদিনা পথাৰত গেঁৰেলি হোৱা ধানবোৰ নয়ন ভৰি ভৰি চায়। সন্ধ্যাৰ আগে আগে পথাৰত এগছি বন্তি জ্বলায়। অৱশ্যে বহুতে পৃথককৈ থকা প্ৰতিডৰা ধাননিতে চাকি জ্বলোৱাও দেখা যায়। লখিমীক সেৱা জনাই তিনি গোছা ৰোৱা গা-ধুৱাই (কোনোৱে ঘৰৰ পৰা পানী নিয়ে আৰু কোনোৱে পথাৰৰ পানীয়েই ব্যৱহাৰ কৰে) কয়, 'আমি তোমাক চাবলৈ আহিলো লখিমী মাতৃ, আকৌ তোমাক আঘোণত নিবলৈ আহিম দোষ নধৰিবা। পোক-পতঙ্গৰ পৰা তোমাক ভগৱানে ৰক্ষা কৰিব" বুলি বিদায় লৈ ঘৰলৈ আহে। আগতে অমিতা, ঔ-টেঙা আদিৰে চাকি জ্বলোৱা দেখা গৈছিল। আজিকালি প্ৰদৰ্শন ধৰ্মিতাৰ যুগত সৰহকৈ মাটিৰ চাকি আনকি মমবাতি জ্বলোৱা পৰিলক্ষিত হয়। আগতে কাতিবিহুৰ দিনা ঔ-টেঙাৰে চাকি জ্বলোৱাৰ পাছতহে ৰাইজে ঔ-টেঙা খায়। আজিকালি অৱশ্যে ফুলৰ দিনৰ পৰাই ঔ-টেঙা খায়। কৃষিজীৱী ৰাইজে মাতৃ ধৰিত্ৰীয়ে উৰ্বৰা শক্তি বৃদ্ধি কৰি ধাননি পথাৰখনি লহ-পহকৈ বঢ়াই এমুঠিতে দুমুঠি কৰি ৰাইজক যেন পৰিত্ৰাণ কৰে। এই বিশ্বাস শিৰোধাৰ্য কৰি সূৰ্য অস্ত যোৱাৰ লগে লগে প্ৰত্যেকেই পথাৰত একোগছি ধৰ্মৰ বন্তি জ্বলাই অদৃশ্য শক্তিৰ চৰণত নতশিৰে প্ৰাৰ্থনা জনায়। বন্তি গছিৰ পোহৰে সমূহ-ৰাইজৰ জীৱন দায়িনী লখিমী মুঠিক বেমাৰ-আজাৰ, পোক-পতঙ্গ, শিলা-বৃষ্টি, বানপানী আদি উপসৰ্গৰ পৰা প্ৰভু ভগৱন্তই সুদৰ্শন চক্ৰ ধৰি ৰক্ষা কৰিব বুলি আশা (বিশ্বাস) প্ৰকাশ কৰে। প্ৰতীকী অৰ্থ যিয়েই নহওক কিয়, আহিনৰ শেষত ধানবোৰ গেঁৰেলি হোৱাৰ সময়ত ধাননি পথাৰডৰাত চকু দিয়া প্ৰতিজন কৃষকৰে কৰ্তব্য। কাৰণ এই সময়ত পোক-পৰুৱাই বা অন্যান্য অনিষ্টকাৰী কীট-পতঙ্গই, অনিষ্ট কৰিলে সকলো পৰিশ্ৰম অথলে যাব। সেয়ে চাকি-বন্তি দি শস্যৰ মঙ্গল কামনা কৰাৰ উদ্দেশ্য থাকিলেও অনিষ্টকাৰী কীট-পতঙ্গ ধ্বংস কৰিবৰ কাৰণে বন্তি বা জুই জ্বলোৱাটো অস্বীকাৰ কৰিব নোৱাৰি। কাৰণ এই বন্তি মাটিত জ্বলোৱা নহয়। এডাল গোজ নাইবা খুটাৰ ওপৰত দূৰৰ পৰা জিলিকি থকাকৈ ধান গছৰ বহু ওপৰত এই চাকি জ্বলোৱা হয়, যাতে দূৰৰ পৰা কীট-পতঙ্গ আকৰ্ষিত হৈ বন্তিত পৰি জাহ যাব পাৰে।

এই বিহুৰ আন এটা সামগ্ৰিক কাৰ্য হৈছে তুলসী পুলি ৰোপণ। অতিশয় পৱিত্ৰ বুলি গণ্য কৰা সংক্ৰান্তিৰ এই দিনটোত চোতালৰ আগত বেদী সাজি এজোপা তুলসী গছ ৰোপণ কৰে। বহুতে ইয়াক ধোৱা তুলসী বোলে। আগবেলাতে গা-পা ধুই বেদী তৈয়াৰ কৰে। আগৰে পৰা তুলসী থাকিলে তাতে বেদী সাজি সন্ধ্যা বন্তি প্ৰজ্বলন কৰে। সাধাৰণতে এই বেদী ঘৰৰ জ্যেষ্ঠজনৰ পৰামৰ্শ, উৎসাহ-অনুপ্ৰেৰণাত ল'ৰা-ছোৱালী বা সন্তানসকলে সাজে। পৰাপক্ষত মহিলাসকলে

(বিশেষকৈ ব্ৰাহ্মণ সম্প্ৰদায়) তুলসী নোচোৱে বা নিছিঙে। এই প্ৰসঙ্গত তুলসীৰ জন্ম সম্পৰ্কে থকা মনোৰম কাহিনীটো চমুকৈ উল্লেখ কৰা হ'ল। মহাসতী বৃন্দা দেৱাদিদেৱ মহাদেৱৰ শিৰত পাত হৈ, বিষ্ণুৰ ঘৰত জন্ম গ্ৰহণ কৰে। বমভোলা মহাদেৱে মাথাত গন্ধ পাই কি গন্ধ ওলাইছে বুলি হাতেৰে মাথা জোকাৰি দিয়াত পৃথিৱীত আহি পৰে আৰু এজোপা সুগন্ধি বৃক্ষৰূপে তুলসী নাম লৈ ধৰাৰ বুকুত জন্ম লভে।

বহুতে সিদিনা তুলসীৰ তলত চাকি জ্বলোৱাৰ উপৰি গুৱা-পাণ, দক্ষিণা, ধূপ আদি দি নৈবেদ্যৰে শৰাইখনি আগবঢ়ায়। বহুতে খৰাহি আদিতো মাহ-প্ৰসাদ দি আটায়ে হৰিনাম গায়। প্ৰসংগক্ৰমে উল্লেখ কৰা ভাল যে এয়া সম্প্ৰদায়গত বুলি কোৱাতকৈ অঞ্চলটোৰ গাঁও বিশেষেহে পালন কৰে। কিছুলোকে গোটেই কাতিমাহটো গা-ধুই তুলসীৰ গুৰিত এঘটি পানী ঢালি সেৱা জনায়। স্থানীয় কোঁচ ৰাজবংশীসকলে তুলসী সবাহ পাতে। শিশুসকলে আগদিনাৰ পৰা যো-জা কৰি থোৱা প্ৰসাদ সামগ্ৰীৰে সৈতে তুলসীগছৰ গুৰিত হৰি নামেৰে সৈতে সবাহ পাতে। সেই সবাহত ল'ৰা-ছোৱালীবিলাকে পৰিয়াল বা কোনো অভিজ্ঞ ব্যক্তিৰ সহযোগত আশীৰ্বাদ দি কাম সমাপ্ত কৰে। এইদৰে ল'ৰা-ছোৱালীবিলাকে বহাগৰ বিহুত হুঁচৰি গোৱাৰ দৰে প্ৰতিঘৰ মানুহৰ ঘৰলৈ গৈ তুলসী সবাহ সম্পন্ন কৰে। গৃহস্থই সাধ্যানুসাৰে (অৱস্থা অনুসৰি) পিঠা-পনা, কল আদি খাবলৈ দিয়ে। এই কাম গধূলিৰ পৰা আৰম্ভ কৰি ৰাতিয়েই শেষ কৰে। নিশা বেছি হ'লে অভিভাৱকসকলে নিজৰ ল'ৰা-ছোৱালীক আনিবলৈ যায়। বয়োজ্যেষ্ঠসকলে দিনত নামঘৰত নাম-প্ৰসঙ্গ পালন কৰি বিহু পালন কৰে।

প্ৰশ্ন হয়, তুলসী ৰোপণ কৰা দিনটো আহিন মাহৰ দোমাহী দিনা কিয় লোৱা হ'ল। উক্ত দিনটোতে ভোলানাথে বৃন্দাক পৃথিৱীলৈ পঠাইছিল নেকি? বিশ্বাসৰ ভেটিটো যিয়েই নহওক তুলসীৰোপণৰ প্ৰাসংগিকতা নিশ্চয় আছে। সাধাৰণতে আহিন কাতি মাহৰ পৰা ঠাণ্ডা নামে। এই শৰৎ-হেমন্ত ঋতুত সৰু ডাঙৰ সকলোৰে পানীলগা জ্বৰ, কাহ আদি হয়। তুলসী বহুগুণে বিভূষিতা। এই কাহৰ উত্তম ঔষধ হৈছে তুলসী। তুলসীয়ে দূষিত বায়ু শোধন কৰে। আজিকালি তুলসীৰ পৰা তৈয়াৰ কৰা কাহৰ ঔষধ বজাৰতো পোৱা যায়। গতিকে আগৰ কালত এই ঔষধৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি তুলসী গছ ৰোপণ কৰাটো এক কৰ্তব্য বুলিয়েই গ্ৰহণ কৰিছিল। তুলসীক আজিও পবিত্ৰ জ্ঞান কৰা হয়। তুলসীৰ এটি পাতে পাপীক উদ্ধাৰ কৰে আৰু সকলো দেৱকাৰ্যত তুলসীৰ পাত অতি প্ৰয়োজনীয়। সেয়ে কাতিবিহুত ৰোপণ কৰিব পোৱাতো সৌভাগ্য বুলিয়ে গণ্য কৰে। ঠায়ে ঠায়ে নামঘৰতো সামূহিকভাৱে ৰোপণ কৰে।

কাতিবিহুৰ দিনা পথাৰত চাকি জ্বলোৱাৰ উপৰি ভঁৰাল, গোসাঁই ঘৰ, ঢেঁকীশাল, গোহালি, পাকঘৰ, বৰঘৰৰ দুৱাৰ মুখত এগছিকৈ আৰু পদূলিমুখত দুগছিকৈ বন্তি জ্বলায়। ভঁৰালত আই লখিমীলৈ বুলি এভাগ শুকুলা পিঠা গুড়ি আৰু কল আগবঢ়ায়। উদং ভঁৰাললৈ ধান মুঠি আহিব, গোহালিত গৰু গাই ভালে-কুশলে থাকিব, খৰাহী-পাচি খালি নকৰিব বুলি প্ৰাৰ্থনা জনায়। বন্তিগছিৰ পোহৰেই যেন ঘৰখনিৰ, পথাৰখনিৰ সৰ্ব বিঘিনি নাশ কৰি উদ্ধাৰ কৰিব।

উদং ভঁৰাল, অভাৱ-অনাটন আদিৰ বাবেই এই বিহুৱে 'কঙালীবিহু' নাম পালে। সেয়ে এই বিহুত সাধাৰণ পিঠা-পনা, জা-জলপান যা-যোগাৰ কৰাৰ বাহিৰে আন বস্তুৰ পযোভৰ নঘটে। অন্যহাতে এই বিহুত ইঘৰ-সিঘৰ বৰকৈ ফুৰা-চকাও নহয়। মাছ-মাংসও নাখায। বৃদ্ধ বা বয়সস্থ লোকসকলে সিদিনা ভাত নাখায়। পিঠা-পনা বা অন্যান্য লঘু আহাৰ খায। মাছ নোখোৱা বিষয়ে লুভুনী-ৰান্ধনী বুঢ়ীৰ কাহিনীটো উল্লেখযোগ্য।

যি কি নহওক আজিকালিৰ 'কঙালী বিহু'ৰো পৰিসৰ বৃদ্ধি হৈছে। গোটেই নিশাটোত বিহু উদ্‌যাপন কৰা দেখা যায়। গধূলি ঘৰে ঘৰে পিঠা-পনা কৰে। লোকসকলে মাজনিশালৈকে ইঘৰ-সিঘৰ ফুৰে। সাজপানী ব্যৱহাৰ কৰা গাঁও বিলাকত ইঘৰ সিঘৰ ফুৰোতে পানীয় দ্ৰব্যৰে আপ্যায়ন কৰে। আনকি পিছদিনা 'বিহু ওলোৱা' দেখা যায়। সম্প্ৰতি ডিব্ৰুগড়ৰ দাঁতি-কাষৰীয়া দুই এক গাঁৱত যুৱ-সংঘৰ উদ্যোগত মাছে মাংসই ভোজ-ভাত খায। কোনো কোনো সমাজত কাতিবিহুৰ দিনা নামকীৰ্ত্তন, ভাগৱত পাঠ আদিও কৰে।

সোণোৱাল কছাৰীৰ একাংশই (কেঁচা) কাতিবিহুৰ দিনা ৰাতি মৃতকলৈ ভাত আৰু সাজ আগবঢ়োৱাটো প্ৰণিধানযোগ্য।

চাহজনজাতিসকলৰ মাজতো কাতিমাহৰ গুৰুত্ব অপৰিসীম। উদং ভঁৰালৰ অনুভৱেৰে লক্ষ্মীদেৱীৰ আৰাধনা কৰি ঘৰৰ মহত্ব বঢ়াবলৈ মনোযোগ দিয়ে। তুলসী গছ ৰোপণ কৰি লক্ষ্মী আইক মতাৰ উদ্দেশ্যেৰে পথাৰত চাকি জ্বলোৱাৰ প্ৰথা আছে। চাহ-জনজাতিসকলৰ মাজত লক্ষ্মী আইৰ আগমন এই কাতিমাহতে হয় আৰু 'চহৰাই' নামে এক উৎসৱ পালন কৰে। বিশেষকৈ ছত্ৰীশগড়ি সমাজত দীপাৱলী বা চহৰাই পৰ্বৰ দিনা গৰুক গা ধুৱাই নতুন পঘাৰে বান্ধে।

বঙালী সমাজত এই বিহুক 'কাৰ্তিক বিহু' বা 'গাৰো সংক্ৰান্তি' বুলি কোৱা হয়। এওঁলোকৰ চট্টগামী, চিলেট, ফৰিৎপুৰ, কুমুল্যা, ত্ৰিপুৰা, ঢাকা আদি গোষ্ঠীসমূহে নিজ নিজ নিয়মেৰে এই দিনটো পালন কৰে।

চট্টগামী গোষ্ঠীৰ মানুহে আহিন মাহ শেষ হোৱাৰ আগদিনা ৰাতি এটা ব্ৰত পালন কৰে। এই ব্ৰতটোক 'আহিন কুমাৰী' ব্ৰত বুলি কোৱা হয়। সেইদিনা ৰাতি

ঘৰৰ বয়সীয়াল তিৰোতাসকলে মাটিৰ কলহত ভাত ৰান্ধে আৰু ভাত ৰান্ধোতে জুইৰ বাবে কেৱল পাটশলা ব্যৱহাৰ কৰে। ভাত ৰন্ধাৰ পাছত কলহটো চৌকাৰ পৰা নমাই আনি গোঁসাই ঘৰত ৰাখে আৰু কলহটোৰ ভিতৰত এপাহ জবা ফুলৰ কলি ৰাখে। তাৰ পাছত কলপাতেৰে কলহটোৰ মুখ বান্ধি ৰাখি থয়। পিছদিনাখন পুৰোহিতে আহি পূজা অৰ্চনা কৰি ভগৱানক সেৱা জনাই আৰু মুখখুলি ফুলৰ কলিটো ফুলি থকা দেখিলে সৌভাগ্য বুলি বিশ্বাস কৰে। অন্যথা অমঙ্গল সূচনা বুলি ভাবে। এই ব্ৰতটোত এক শ্লোক আছে— "আহিনত ৰান্ধি কাৰ্তিকত খাই যি বৰ বিচাৰে সেই বৰ পায়।" পূজা-পাৰ্বণ সামৰাৰ পাছত পুৰোহিতে সেইদিনা প্ৰসাদ বিতৰণ নকৰে। তাৰ পিছদিনা অৰ্থাৎ কাৰ্তি মাহৰ ১ তাৰিখে এই ব্ৰতৰ ভাতখিনি প্ৰসাদ হিচাপে গ্ৰহণ কৰে। সেইদিনা তুলসীতল, খেতিপথাৰ আৰু ঘৰৰ চাৰিওফালে প্ৰদীপ জ্বলায়।

চিলেট সম্প্ৰদায়ৰ মানুহে সকলো প্ৰকাৰৰ শাক-পাচলিৰে তৰকাৰী বনাই খায় আৰু সকলোৱে একেলগ হৈ আনন্দ উপভোগ কৰে।

কুমুল্যা, ফৰিংপুৰ আৰু ঢাকা সম্প্ৰদায়ৰ মানুহে 'গাঁৰোডাল' বনায। এইদাল (দাইল) বনোৱাৰ পাছত কাউৰীক আগত দিয়া হয়। এই সম্প্ৰদায়ৰ মানুহে ভাবে দালখিনি কাউৰীযে গ্ৰহণ নকৰালৈকে সিহঁতেও গ্ৰহণ কৰিব নোৱাৰে। কাউৰীয়ে সোনকালে গ্ৰহণ কৰিলে মঙ্গল, অন্যথা অমঙ্গল বুলি বিশ্বাস কৰে।

ত্ৰিপুৰা সম্প্ৰদায়ৰ মানুহে কচুশাক আৰু বিভিন্ন ধৰণৰ শাক-পাচলিৰে সব্জি বনাই খায় আৰু ইয়াৰ লগত টেঙা জাতীয় বস্তুও গ্ৰহণ কৰে।

বিহু বুলি ক'লে আনন্দ, উৎসাহ-উদ্দীপনা থাকিবই, লাগিলে সেয়া 'কঙালী বিহুৱেই হওক। সেয়ে দুই-তিনিদিন আগৰ পৰা জীয়ৰী-বোৱাৰীহঁতে ঘৰ চফা, মকৰাজাল গুচোৱা, কাপোৰ-কানি ধোৱা, ল'ৰাহঁতে চোতাল পদূলি চাফ-চিকুণ কৰা আদি কামত ব্যস্ত হৈ পৰে। বহাগ বা মাঘবিহুৰ দৰে জাক-জমক বা হৈ চৈ কৈ নহ'লেও সমগ্ৰ নাহৰকটীয়াত কাতিবিহুৰ এক শান্ত-শীতল পৰিবেশ গঢ়ি উঠে। আৰু এনে পৰিবেশ ক্ৰমশঃ বৃদ্ধি পাব লাগিছে। এনেকৈয়ে প্ৰায় প্ৰতিটো জনগোষ্ঠীয়ে নিজ নিজ আচাৰ-আচৰণেৰে নাহৰকটীয়াত কাতিবিহু উদ্‌যাপন কৰে।

❖❖❖

ডিম্বেশ্বৰ চলিহা

জন্ম ঃ ১৯৩৬ চন। গোলাঘাটৰ কছাৰীহাট।

শিক্ষা ঃ স্নাতকোত্তৰ।

কৰ্মজীৱন ঃ ১৯৬১ চন। ডিব্ৰুগড কানৈ মহাবিদ্যালয়ত প্ৰবক্তা হিচাপে যোগদান কৰি একে মহাবিদ্যালয়ৰে অধ্যক্ষ হিচাপে ১৯৯৭ চনত অৱসৰ গ্ৰহণ।

সাহিত্য কৃতি আৰু সাংস্কৃতিক জীৱন ঃ
শিশু সাহিত্য, জীৱনী সাহিত্য আৰু বিজ্ঞান সাহিত্যকে ধৰি মুঠ ৬ খন গ্ৰন্থৰ প্ৰণেতা। অসম সাহিত্য সভাৰ বঁটা বিজয়ী, বহুতো আলোচনীৰ সম্পাদনা।

ৰাজহুৱা জীৱন ঃ ডিব্ৰুগড সাহিত্য সভা, অসম বিজ্ঞান সমিতি, অসম কলেজ শিক্ষক সংস্থা আদি সামাজিক সাংস্কৃতিক অনুষ্ঠানৰ লগত ওতপ্ৰোতভাৱে জড়িত।

ডিবুৰুৰ কাতিবিহু

অসমৰ আন জিলাসমূহৰ তুলনাত তিনিচুকীয়াৰ পাছতে ডিব্ৰুগড জিলাত চাহবাগিচাৰ সংখ্যা অধিক। চাহবাগিচাৰ সংখ্যা অধিক হোৱা মানে থলুৱা অসমীয়া মানুহৰ গাঁৱৰ সংখ্যা কম হোৱা। তথাপি এই গাঁওসমূহৰ সীমিত সংখ্যক মানুহখিনিয়েই আন দুটা বিহুৰ দৰে কাতিবিহুও পালন কৰে। বিহু যিহেতু গাঁৱৰ থলুৱা মানুহখিনিৰে আছুতীয়া সম্পদ, গতিকে তেওঁলোকেই সাধ্যানুসৰি বিহুৰ পৰম্পৰা ৰক্ষা কৰে। জিলাখনত সৰু ডাঙৰ নগৰ কেইখনমানো আছে। ইয়াত থকা নগৰীয়া মানুহখিনিও অতীজতে আৰু এতিয়াও গাঁৱৰ পৰাই অহা। তেওঁলোকৰ বহুতৰে বংশ পৰিয়াল বা সম্পৰ্কীয় লোক এতিয়াও গাঁৱত আছে। গতিকে এইসকল লোকেও গাঁৱৰ মানুহখিনিৰ দৰেই বিহু উৎসৱ পালন কৰে।

অসমীয়া গাঁওসমূহৰ ওচৰে- পাজৰে থকা চাহবাগিচাৰ মজদুৰসকলেও

অসমীয়া সমাজ আৰু সংস্কৃতিৰ লগত মিলিবলৈ চেষ্টা নকৰা নহয়। কিন্তু তেওঁলোকৰ নিজস্ব পৌৰাণিক সংস্কৃতি কিছুমানো থাকে। পুৰুষানুক্ৰমে পালন কৰি অহা এই সাংস্কৃতিক অনুষ্ঠানসমূহো তেওঁলোকে বাদ দিব নোৱাৰে। প্ৰকৃততে বাদ দিয়াটো উচিতো নহয়। কেতিয়াবা সেইবোৰত লাগি থাকোতে আমাৰ বিহুৰ মাজলৈ আহিবলৈ সময়ো নাপায়। কাতি মাহৰ কাৰ্ত্তিক পূজা আৰু মাঘবিহুৰ সময়ত হোৱা তুচু পূজাৰ প্ৰতি তেওঁলোকৰ যি আকৰ্ষণ, সিমানখিনি আকৰ্ষণ বিহুলৈ নথকাটোৱেই স্বাভাৱিক।

অসমৰ আন জিলাৰ দৰে ডিব্ৰুগড় জিলাতো কাতি বিহুৰ জাকজমকতা বৰ বেছি নহয়। বহাগ বা মাঘবিহুৰ তুলনাত ই নিস্তেজ। ব'হাগবিহুৰ হুচৰি, ৰাতি বিহু, বিহু সন্মিলন বা মাঘবিহুৰ মেজি, ম'হযুঁজ আদিয়ে মানুহৰ মন যিদৰে পুলকিত কৰে, কাতিবিহুৰ অনুষ্ঠানসমূহে সেইদৰে নোৱাৰে। কাতিবিহু ঘাইকৈ কৃষকৰ বিহু হিচাপেই পৰিগণিত হৈ আহিছে। তথাপি নগৰৰ মানুহখিনিয়েও কাতিবিহু পালন নকৰাকৈ নাথাকে। হয়তো নগৰীয়া মানুহৰ ঘৰত পিঠা-পনা, দৈ, চিৰা আদি সৰহীয়াকৈহে যোগাৰ কৰা হয। ইয়াৰ মূলতে সম্ভৱ আৰ্থিক স্বচ্ছলতা। কিন্তু নগৰীয়া মানুহে যিমানেই ধুম-ধামকৈ বিহু পাতক বা খাওক, গাঁৱৰ বিহুৰ আকৰ্ষণ বেলেগ। বিহুৰ দিনা নগৰীয়া মানুহখিনিৰো গাঁওখনলৈহে মনত পৰে। নগৰীয়া মানুহৰ প্ৰাচুৰ্যই এক কৃত্ৰিম বিহুৰ সৃষ্টি কৰিবলৈ চেষ্টা কৰিব পাৰে, কিন্তু ৰং ৰহইচ, উদুলি-মুদুলি, উখল-মাখল, হাঁহি-ধেমালিৰে ভৰা বিহুটো চাবলৈ বা উপভোগ কৰিবলৈ হ'লে গাঁৱলৈকে যাব লাগিব।

প্ৰতিটো বিহুৰ সঁচা ছবি এখন আমি গাঁৱতেই বিচাৰি পাওঁ। এই ক্ষেত্ৰত ডিব্ৰুগড় জিলাও ব্যতিক্ৰম নহয়। জিলাখনত নানান উপজাতি আৰু বহুতো সম্প্ৰদায়ৰ লোক আছে। সকলোৰে গোষ্ঠীভিত্তিক বৈশিষ্ট্য বা ধৰ্মীয় পৰম্পৰাও একে নহয়। জিলাখনত ঘাইকৈ মটক আৰু তাৰ পাছতে মৰাণ সম্প্ৰদায়ৰ লোকৰ সংখ্যাই সৰহ। তেওঁলোকৰ প্ৰত্যেকৰে ধৰ্মীয় পৰম্পৰা, আচাৰ-অনুষ্ঠান আদি অলপ হ'লেও বেলেগ। তথাপি বিহু কেইটা পালনৰ ক্ষেত্ৰত এইবোৰ কথাই কোনো ধৰণৰ বাধা বিঘিনিৰ সৃষ্টি নকৰে। বিহুৰ ক্ষেত্ৰত সকলো একে। জিলাখনৰ সকলো গোষ্ঠী সম্প্ৰদায়ৰ লোকে একে ধৰণেৰেই আটাইকেইটা বিহু পালন কৰে।

শাওণত ৰোৱা ধান গছ জোপা আহিনত সঁজাল ধৰে, পাছত গেঁৰ ধৰে আৰু আহিনৰ শেষলৈ থোক মেলিবলৈ লয়। গোটেই পথাৰখন ডাঠ সেউজীয়া হৈ পৰে। খেতিয়কৰ মন প্ৰাণ পুলকিত হৈ পৰে। পথাৰৰ ধান মুঠিৰ ওপৰতে সৰ্বভাৰসা কৰা খেতিয়কে পৰম আশাৰে চাই থাকে পথাৰখন। মনতে হিচাপ কৰে— যোৱা বছৰ ইমানখিনি ধান পাইছিল, এইবাৰ বা কিমান পাব? এইবাৰ সাৰো অলপ বেছিকৈয়ে দিছিল। চৰহা পোকেও আক্ৰমণ কৰা নাছিল। নানান

কল্পনা, নানান হিচাব। খেতিয়কৰ ধান মুঠিয়েই সৰ্বস্ব। তাকে খাব লাগিব আৰু তাৰ পৰা হোৱা উপাৰ্জনেৰেই গোটেই বছৰটো ঘৰখনৰ লেঠা লুঠলিবোৰ মাৰিব লাগিব। কেতিয়াবা ৰোৱানীত পোকে ধৰে। গৰু-ছাগলীয়ে লুকাই চুৰকৈ খায়। কৃষকৰ মূৰত সৰগ ভাগি পৰে। খেতিয়কে ভয় খায়—জানোচা বছৰটো খাবলৈ নোজোৰে, জানোচা কঙালীৰ গ্ৰাসত কাতিমহীয়া খুজিব মাগিব লগাত পৰে। সেইকাৰণে সময় আৰু সুযোগ পালেই পথাৰখন এপাক চাই আহে। কিন্তু আনদিনা যেনেকৈয়ে নাচাওক, কাতিবিহুৰ সংক্ৰান্তিৰ দিনা পথাৰখন এপাক চাই অহাটো নিযম। এক কৌটিকলীয়া পৰম্পৰা। বহুতে খেতি উঠাৰ পাছত পথাৰখনলৈ পিঠি দিয়ে। গতিকে সদায় নোৱাৰিলেও কাতিবিহুৰ সংক্ৰান্তিৰ দিনা পথাৰ চাবলৈ যোৱাটোক কাতিবিহুৰ এক নিয়মৰ ভিতৰতে সুমুৱাই লোৱা হৈছে।

খেতিয়কসকলে ধান মুঠিক সদায় লখিমীৰূপে জ্ঞান কৰে। অ'ত ত'ত ধান এটা পৰি থকা দেখা পালেও বুটলি থয়। প্ৰথম ভাত গঢ়া মুখত দিবৰ সময়ত সেৱা এটা জনাই লয়। কাতিবিহুৰ দিনা সন্ধ্যা লখিমীক আদৰাৰ উদ্দেশ্যেই সম্ভৱ পথাৰৰ মাজত চাকি জ্বলোৱা হয়। বৈজ্ঞানিক দৃষ্টিৰে চালে পথাৰৰ চাকি জ্বলোৱাৰ উদ্দেশ্য আন এটাও হ'ব পাৰে। সেইটো হ'ল— চাকিৰ জুইত পৰি অসংখ্য শস্যভোজী পতংগৰ মৃত্যু হয়। ধানবোৰ পোকৰ আক্ৰমণৰ পৰা ৰক্ষা পৰে।

কাতিবিহুৰ দিনা সন্ধ্যা পদুলি মুখতো কেইগছমান চাকি জ্বলোৱা হয় আৰু চাকি দিয়া হয় ভঁৰালৰ আগতো। এইবোৰ চাকিৰ জুইত পৰিও শস্যভোজী পতংগৰ মৃত্যু হয়। খেতিয়কসকলে ধানৰ ভঁৰালটোকে লখিমী গৃহৰূপে জ্ঞান কৰে আৰু সেই কাৰণেই সম্ভৱ ভঁৰালৰ আগত চাকি জ্বলায়। কোনো কোনো অঞ্চলত পুখুৰীৰ পানীৰ ওপৰত ভুৰ একোখন সাজি তাতো চাকি বা জোৰ একোটা জ্বলাই দিয়া হয। জল দেৱতাক প্ৰাৰ্থনা কৰাই সম্ভৱ ইয়াৰ উদ্দেশ্য। কোনো কোনোৱে চোতালৰ মূৰতে বাঁহ এটা পুতি তাৰ একেবাৰে ওপৰত চাকি একোটা জ্বলায়। ইয়াকে আকাশবন্তি বুলি কোৱা হয়। কোনোৱে গোটেই কাতি মাহটোতে এনে আকাশ বন্তি জ্বলায়। ওপৰত উল্লেখ কৰা সকলোবোৰ অনুষ্ঠান ডিব্ৰুগড় জিলাত পালন কৰা হয়। অৱশ্যে অঞ্চল বিশেষে কিছু পাৰ্থক্য দেখা যায়।

কাতিবিহুৰ এক প্ৰধান বৈশিষ্ট্য হ'ল চোতালত তুলসী গছ পুলি ৰোৱা। তুলসীৰ পাত বিভিন্ন ৰোগৰ ঔষধ। গতিকে চোতালত দুই চাৰি জোপা তুলসী গছ এনেয়েও থাকিব লাগে। সেই কাৰণেই সম্ভৱ আমাৰ উপৰিপুৰুষসকলে কাতিবিহুতে তুলসী গছ ৰোৱাৰ এটা নিয়ম কৰি গ'ল আৰু সেই নিয়মেই আজিও চলি আছে। তুলসী গছক পবিত্ৰ বুলিও ভবা হয়। কাৰণ, যি কোনো পূজা পাৰ্বণত ফুলৰ লগতে তুলসীও অৰ্পণ কৰা হয়। বিহুৰ দিনা চোতালৰ এটা মূৰত মাটিৰে ঢিপ এটা সাজি তাৰ ওপৰত তুলসী পুলিটো ৰোৱা হয়। কাতি বিহুৰ দিনা সন্ধ্যা এই

তুলসী পুলিৰ গুৰিতে চাকি জ্বলোৱা হয়। কোনো কোনোৱে গোটেই কাতি মাহটোতে তুলসীৰ গুৰিত চাকি জ্বলাই সেৱা কৰে। বিহুৰ দিনা তুলসীৰ গুৰিত মাহপ্ৰসাদ, ফল-মূল উচৰ্গা কৰা হয়। তুলসীৰ ওচৰতে ল'ৰা-ছোৱালীবোৰ বহি নাম গায়। তুলসী গুৰিত গোৱা নাম আন নামতকৈ বেলেগ। উদাহৰণ স্বৰূপে তুলসীৰ গুৰিত গোৱা হয়— "তুলসীৰ তলে মৃগপহু চৰে, তাকে দেখি ৰামচন্দ্ৰই শৰ ধেনু ধৰে।" চন্দ্ৰৰ উপৰিভাগত দুই চাৰিটা দাগ থাকে। আমি সৰুতে বয়সস্থসকলে তাকে তুলসী পুলি বুলি কৈছিল আৰু আমিও তাকে মানি লৈছিলো।

আন দুটা বিহুৰ দৰে কাতিবিহুৰ দিনাও চৰু কেৰাহি আদি বাহিৰলৈ উলিয়াই আনি জুইত পুৰি পাছত ধোৱা হয়। লগতে ধোৱা হয় কাপোৰ-কানিও। এসময়ত কাপোৰ-কানি ধুবৰ কাৰণে কলাখাৰ ব্যৱহাৰ কৰা হৈছিল। কাতিমাহত ভীমকলৰ মূঢাবোৰ টুকুৰা-টুকুৰকৈ কাটি ৰ'দত দি পাছত তাকে জ্বলাই তাৰ ছাইখিনি কলহত ভৰাই থৈ দিছিল। এতিয়া কলাখাৰৰ প্ৰচলন নাই বুলিবই পাৰি। তাৰ ঠাইত বজাৰত পোৱা চৌদা, চাবোন আদি ব্যৱহাৰ কৰিবলৈ লোৱা হ'ল। আগৰ দিনত আৰু এতিয়াও বিহু কেইটাকে উপলক্ষ্য কৰি চৰু কেৰাহি, কাপোৰ-কানি আদি ধোৱা আৰু ঘৰবোৰৰ মজিয়াখন ৰঙা মাটিৰে লেপা আদি কামবোৰ গাঁৱৰসমাজত চলি আছে। বিহু কেইটাত এইখিনি কাম কৰাটো এক প্ৰকাৰ বাধ্যতামূলক। অম্বুবাচী নিবৃত্তিৰ দিনাও কাপোৰ-কানি ধোৱা হয়। আনহাতে চৰু কেৰাহী ধোৱাৰ ক্ষেত্ৰত অসমীয়া গাঁৱলীয়া সমাজত অন্ধবিশ্বাসো আছে আৰু সেইটো হ'ল নিতৌ কাঁহী-বাটি ধুলেও, চৰু কেৰাহি বাহিৰলৈ উলিয়াই আনি ধোৱাটো নিষেধ। কেৱল ঘৰৰ বা বংশৰ কোনোবা মৰিলে আৰু বিহু কেইটাতহে চৰু কেৰাহি বাহিৰলৈ উলিয়াব পাৰি। আজিকালি নগৰীয়া সমাজত এই নিয়ম মানি চলা নহয়।

সাধাৰণ খেতিয়কসকলে তেওঁলোকৰ খেতিৰ ধান আঘোণ পুহৰ পৰাই খাবলৈ লয়। খেতিৰ মাটি কম হ'লে নিজৰ মাটিৰ ধানে বছৰটো খাবলৈ নোজোৰে। তদুপৰি ধান এমুঠিকে বেচি ঘৰৰ অন্যান্য কামো কৰিব লগাত পৰে। গতিকে আহিন-কাতিমাহ দুটাত বহুতো খেতিয়কে খুজি মাগি পেট প্ৰৱৰ্তন কৰিব লগা হয়। আৰু তাৰ মাজতে আহে কাতিবিহুটো। গতিকে কাতিবিহু উদ্‌যাপনত খেতিয়কসকল অলপ অসুবিধাত পৰাটো স্বাভাৱিক। তাৰ ফলতে কাতিবিহুৰ ৰং ৰহইচ কিছু ম্লান হয়। অৱশ্যে সৰুৱে ডাঙৰক সেৱা সৎকাৰ কৰা আৰু সংক্ৰান্তিৰ নাম কীৰ্তন, দুই চাৰিবিধ পিঠা-পনা বনোৱা আদিৰ দৰে কামবোৰ নোহোৱাকৈ নাথাকে। তদুপৰি শৰৎকালৰ নাতিশীতোষ্ণ পৰিবেশ, কুঁৱলিৰ আগমন আৰু নানা ধৰণৰ ফুলৰ গোন্ধেও কাতিবিহুলৈ কিছু মাদকতা আনে।

❖❖❖

বিমলা গগৈ গোঁহাই

জন্ম ঃ ১৯৫০ চন। ধেমাজি।

শিক্ষা ঃ প্ৰবেশিকা।

কৰ্মজীৱন ঃ পঞ্চায়তৰ উচ্চবৰ্গ কাৰ্যালয় সহায়ক।

সাহিত্য কৃতি আৰু সাংস্কৃতিক জীৱন ঃ কবিতা সংকলন (১), শিশু আৰু অন্যান্য আলেখ্য ৰচনা (৬), নৃত্য নাটিকা ৰচনা (১), বিহু গীতৰ কেছেটৰ সহ-পৰিচালনা (১), পূৰ্ণাঙ্গ নাট ৰচনা আৰু সম্পূৰ্ণ মহিলাৰ দ্বাৰা মঞ্চস্থ কৰাই খ্যাতি অৰ্জন, অভিনেত্ৰী হিচাপে সু-পৰিচিত, অলেখ বিহুগীত ৰচনা আৰু সুৰ প্ৰদান কৰি বহু তৰুণ যুৱক-যুৱতীক শিকাই অসমৰ বিভিন্ন ঠাইত যশস্যা লাভ, বিহু সম্পৰ্কীয় ৰাজ্যিক আলোচনাচক্ৰত অংশ গ্ৰহণ; বিহু সম্পৰ্কীয় কৰ্মশালাত প্ৰশিক্ষকৰ দায়িত্ব পালনৰ উপৰিও লোক-সংস্কৃতিমূলক গীত-মাতৰ ৰচক।

ৰাজহুৱা জীৱন ঃ সদৌ অসম নবীন লেখক-লেখিকা আৰু শিল্পী সমিতি, সদৌ অসম লেখিকা সমাৰোহ সমিতি আৰু বিভিন্ন অনুষ্ঠানৰ লগত জড়িত।

ধেমাজি জিলাত কাতিবিহু উদ্‌যাপন

সংস্কৃতি হৈছে বোৱতী নদী। গতিশীলতাই এটা জাতিৰ জাতীয় সংস্কৃতিৰ পৰিবৰ্তন সাধন কৰে। অসমীয়া জাতীয় সংস্কৃতি অতি বিচিত্ৰ আৰু বৈশিষ্ট্যপূৰ্ণ। অসমৰ জাতীয় উৎসৱ বিহু সংস্কৃতি হৈছে উৰ্বৰা শক্তিৰ ওপৰত প্ৰতিষ্ঠিত। পথাৰত শস্য উৎপাদনৰ বাবে আনন্দ উৎসৱ আয়োজন কৰা হয়। মিচিংসকলৰ "আলি আই লিগাং" হৈছে তাৰে নিদৰ্শন। যেতিয়া পথাৰত আহু-বাও ধানবোৰ লহপহকৈ বাঢ়ি আহে তেতিয়া ডেকা-গাভৰুৱে যৌৱনৰ গীত গাই নাচিলে

পৃথিৱীৰ উত্তেজনা আৰু উৎপাদিকা শক্তি বৃদ্ধি পায় বুলি জনবিশ্বাসৰ ফলতে সৃষ্টি হ'ল ৰঙালীবিহু। খেতি চপোৱা শেষ কাৰ্য সমাপন কৰি আনন্দ উপভোগ কৰাৰ ফলত সৃষ্টি হ'ল মাঘবিহু বা ভোগালীবিহু। কৃষিজীৱী সমাজখনত শস্য গৰ্ভিনী হোৱাত বন্তি প্ৰজ্বলন কাৰ্যই হৈছে কাতিবিহু। কাতিবিহু সম্পৰ্কে লিখিবলৈ লোৱাৰ লগে লগে সৰুতে প্ৰাথমিক বিদ্যালয়ত পঢ়া বাক্যটিলৈ মনত পৰে "কাতিবিহু কঙালী, মাঘৰবিহু ভোগালী, বহাগবিহু ৰঙালী আমি কৰো ধেমালি।" এই কাতিবিহু অসমৰ জাতীয় উৎসৱ হিচাপে পৰিগণিত হ'লেও এই উৎসৱ পালন কৰাত অসমীয়াই কিছু পৰিমাণে অৱহেলা কৰা যেন অনুভৱ হয়। কাৰণ, এই উৎসৱ পালনৰ ক্ষেত্ৰত অভাৱ-অনাটনে জুৰুলা কৰাৰ ফলত নিৰ্ধাৰিত নীতি-নিয়মসমূহ অনাড়ম্বৰভাৱে পালন কৰা দেখা যায়। অতীজৰ পৰা এই কাতিবিহুক কৃষিজীৱীসকলে কৃষি সমাগত উৎসৱ হিচাপে পালন কৰি আহিছে। অসমীয়া সংস্কৃতিৰ মূল ভেটি হৈছে কৃষি উৎপাদন। এই ভেটিতে আজি অসমীয়াই সমন্বয়ৰ ডোলেৰে বিভিন্ন জনগোষ্ঠীৰ স্বকীয় ৰীতি-নীতিৰ বৈশিষ্ট্যপূৰ্ণ সংস্কৃতিৰে প্ৰাকৃতিক মনোমোহা পৰিৱেশৰ লগত সমাজখনো সেউজ কৰি তুলিছে।

এই প্ৰবন্ধৰ মূল বিষয় বস্তুটোৰ ওপৰত আলোকপাত কৰিবলৈ প্ৰয়াস কৰিলে দেখা যায় যে ধেমাজি জিলাত অতীজৰ পৰা আহোম, চুতীয়া, কছাৰী, দেউৰী, মিচিং, কোঁচ, কলিতা, তিৱাসকলে সমন্বিতে বিহু উৎসৱ পালন কৰি আহিছে। আন দুটা বিহুৰ দৰে কাতিবিহুৰ ক্ষেত্ৰত কিছু নীতি-নিয়ম বাধ্য-বাধকতাৰে পালন কৰা নহয় যদিও পৰম্পৰাগতভাৱে কাতিবিহুত শস্য পথাৰত বন্তি প্ৰজ্বলন আৰু তুলসী তলত চাকি দি সবাহ পতা নিয়ম দেখিবলৈ পোৱা যায়। আহিন-কাতি সংক্ৰান্তিৰ দিনা সৰু ল'ৰা-ছোৱালীয়ে আৰু ডেকা-গাভৰুৱে চোতালত এজোপা তুলসী গছ ৰুই মাটিৰে টিপ তুলি সুন্দৰকৈ মচি তাত গধূলি সবাহ পাতে। তুলসী তলত চোতালত পতা সবাহত বুট মাহ, কল, কুঁহিয়াৰ, নাৰিকল আদি প্ৰধান। প্ৰত্যেকৰ চোতালত তুলসী তলত জুম পাতি ল'ৰা-ছোৱালীয়ে হৰিনাম গাই। পবিত্ৰ তুলসী তলত এইদৰে গায়—

"তুলসী তলে তলে মৃগপহু চৰে
তাকে দেখি ৰামচন্দ্ৰই শৰ ধনু ধৰে।
নধৰিবা শৰ ধনু সীতাই দিছে হাক
বনৰ পহু বনত চৰে এৰি দিয়া তাক।।

বহুতে গোসাঁই নামো তুলসী তলৰ সবাহত গায়। মাঘবিহু, বহাগবিহুৰ দৰে এই বিহু পালনৰ বাবে আগৰ পৰা জা-জলপান, চিৰা-দৈ, সান্দহ পিঠা প্ৰস্তুত

কৰা নহয় যদিও বহু সম্প্ৰদায়ৰ লোকে ধৰ্মীয়ভাৱে মৃতকৰ নামত চাকি জ্বলাবলৈ আহোমসকলে সোম ৰস, কছাৰীসকলে সাজপানী আদি প্ৰস্তুত কৰি অতিথিক খাবলৈ দিয়ে। মিচিংসকলে আপং প্ৰস্তুত কৰি অতিথিক আপ্যায়িত কৰে। সম্প্ৰদায় অনুসৰি পূজা-নীতি বেলেগ হ'লেও আবেলি শস্য পথাৰলৈ গৈ কুমলীয়া তামোল তিনিখন দি বাঁহৰ থোৰা সাজি তাত অমিতা বা ঔ টেঙাৰ বখুৰা কাটি তাত তেল পাঁজিৰে এগছি বন্তি জ্বলাই থৈ আহে। জনবিশ্বাস যে শলিতা জুই শিখাত পৰি পোক-পৰুৱা ধ্বংস হ'ব। আই লখিমীক উদ্দেশ্য কৰি কয়— আই লখিমী গোঁৰতে মৰহি নেযাবি, ফুলতে যেন পোক-পৰুৱাই নধৰিবি, লখিমী আই, পেটে ভাতে জোৰাবি ইত্যাদি। আহাৰ শাওণতে ৰুই থৈ অহা খেতি পথাৰডৰা সংক্ৰান্তিৰ দিনা চাই, চাকি শলিতা দি আদৰণি জনোৱা কাৰ্য কাতিবিহুৰ প্ৰধান পালনীয় নিয়ম। তুলসীতলত চাকি দিয়া আৰু গধূলি ভঁৰাল ঘৰত লখিমী পিঠা দিয়া জিলাখনৰ প্ৰায সকলো সম্প্ৰদায়ৰ নীতি-নিয়ম হিচাপে চলি আছে। লখিমী পিঠা প্ৰত্যেক ঘৰৰ গৃহিণীয়ে দিয়ে, কেঁচা পিঠা গুৰি খুন্দি কল, কুঁহিয়াৰ কাটি কুমলীয়া তামোল তিনিখনৰ সৈতে অমিতাৰে বা ঔ টেঙাৰ বখুৰাৰে শলিতা বনাই খৰাহী বা গামলাত ভৰাই ভঁৰাল ঘৰৰ দুৱাৰ মুখত সেৱা কৰি লখিমীক ওলগ জনাই থৈ আহে। তুলসী তলৰ সবাহ খাই ফুৰা ডেকা ল'ৰাই কেতিয়াবা ধেমালিতে এই পিঠা, কল, কুঁহিযাৰ খাই গৃহিণীক লখিমীয়ে খালে বুলি ৰং-ধেমালি কৰে। এইবিলাক কাতি বিহুৰ কৰণীয কৰ্ম আছিল যদিও আজিকালি ভঁৰাল ঘৰৰ অভাৱত বৰঘৰতে এগছি শলিতা জ্বলায়। কাতিবিহুৰ দিনা ঘৰ দুৱাৰ মচি, চাৰি-পাটী উলিযাই পৰিষ্কাৰ কৰা নিযমসমূহে ঘৰলৈ লখিমী আনিবলৈ আদৰণি জনোৱা লোকবিশ্বাস পদ্ধতি। গ্ৰাম্য অঞ্চলৰ আহোম, চুতীয়া, কোঁচ, কলিতা সম্প্ৰদায়ৰ লোকসকলে কাতিবিহুৰ আগে-পাছে লখিমী সবাহ পাতে। সমূহীয়াকৈ নামঘৰত উদ্‌যাপন কৰা লখিমী সবাহ এদিনীয়াকৈ আৰু তিনিদিনীয়াকৈ উৎসৱমুখৰ অনুষ্ঠান উপভোগ কৰা মোৰ মনত আছে। লখিমী সবাহৰ দিনা ৰাইজে কল পটুৱাৰে দোলা সাজে, এই দোলা ৮/১০ বছৰীয়া দুটা এৰাঁ লৰাই ধৰে। সিহঁতে লক্ষ্মী পূজাৰ দিনা দুপৰীযা ভাত নেখায়। এৰাঁ সূতা, কেঁচা পিঠা, নতুন জাকৈ, থুৰীয়া, তামোল, ধূপ, শলিতা, দোলনী, কলচি লৈ গাঁৱৰ জীয়ৰী-বোৱাৰী সকলো লখিমী নাম গাই পানী তুলিবলৈ যায়। আইসকলে এইদৰে গায়—

পথাৰৰ মাজতে লক্ষ্মী আই আছিলে
তই থাক মই যাওঁ কৰি এ
কুবেৰ ঘৰলৈ আহিছে লক্ষ্মী আই
সোণৰে দোলাতে উঠি ঐ

সাগৰৰ মাজতে লক্ষ্মী আই আছিলে
মাণিক মুকুতা পায়
কুবেৰৰ ঘৰলৈ লক্ষ্মী আই আহিছে
কেঁচা পিঠা গুৰি পায় ঐ।

এইদৰে নাম গাই নতুন জাকৈৰে পথাৰৰ বোকা পুনি-পুতালি তিনিবাৰ চুচি দোলাত ভৰাই পুনৰ নামঘৰত থয়। নামঘৰৰ চৌপাশে উঘাত লোৱা কেঁচা সূতাৰে লখিমী গুচি যাব নোৱাৰাকৈ বেৰা মাৰে। সকলো গাঁৱলীয়া, ঢুলীয়া, নামতী দোলাভাৰীয়ে সেৱা লয়। প্ৰত্যেকে লখিমী সবাহৰ বোকা মাটি নিজৰ ঘৰলৈ নি ভঁৰাল ঘৰত দিয়ে। ময়ো সৰুতে ধনী হোৱাৰ আশাতে ৰাতিটো নামঘৰত থাকি পুৱা ঘৰলৈ বোকা মাটি আনি পাইছো।

কাতিবিহুৰ আগে-পাছে পালন কৰা এই লখিমী সবাহ কাতিবিহুৰ লগত আনুষঙ্গিক সম্বন্ধ আছে। কৃষিজীৱী জনসাধাৰণে কৃষি উৎপাদনৰ কাৰণে পালন কৰা উৎসৱসমূহেই আজি অসমৰ আপুৰুগীয়া লোক সংস্কৃতি হিচাপে পৰিগণিত হৈ আহিছে।

ধৰ্মীয় অনুশাসনৰ ফলত জনগোষ্ঠীসকলৰ স্বকীয় ভালেমান প্ৰাচীন সংস্কৃতিক উপাদান সংৰক্ষিত হৈ আছে। অসমত তিনিটা সংক্ৰান্তিত তিনিটা উৎসৱ পালন কৰা হয়। এই উৎসৱসমূহৰ মূল উদ্দেশ্য অধিক শস্য উৎপাদন কৰা আৰু তাক আদৰি আনি কৰ্মময় জীৱনৰ স্বৰূপ নিৰ্ণয় কৰা।

ধেমাজি জিলাত কাতিবিহু পালনৰ স্বকীয় বৈশিষ্ট্য অভাৱ-অনাটনৰ ফলত প্ৰায় নিঃশেষ হৈ গৈছে, যদিও প্ৰত্যেকে বৰঘৰত বা গোহালি ঘৰত বা বাকচৰ কাষত এগছি শলিতা জ্বলাই হ'লেও জাতীয় ঐক্য ৰক্ষা কৰি আহিছে। প্ৰতি বছৰতে বানে ধেমালি কৰা ধেমাজিত গাই নদীৰে চিচিবৰ গাওঁ অঞ্চলত জীয়াঢল নদীৰ চমৰাজান, নৱোৱাথান আদি অঞ্চলৰ খেতি পথাৰত বালিৰে মৰুভূমিৰ সৃষ্টি কৰিছে। কণালে চকুলো নৈ বোৱাই গৈছে। এনে অৱস্থাত কাতিবিহুৰ মাদকতা থাকিবই বা ক'ত? তথাপিও সংস্কৃতি প্ৰেমী ৰাইজে শোকোতাকে মুকুতা কৰি প্ৰতি বছৰে এই উৎসৱ হা-হুমুনিয়াহৰ মাজেদি পালন কৰি আহিছে।

যুগৰ পৰিৱৰ্তনৰ লগে লগে আধুনিক সমাজখনৰ উদীয়মানসকলে কাতিবিহু যে অসমীয়া সংস্কৃতিৰ এক অবিচ্ছেদ্য অঙ্গ তাক গুৰুত্ব নিদিয়া যেন অনুভৱ হয়। সাম্প্ৰতিক কালত আমাৰ চৰকাৰখনেও এই কাতিবিহুৰ তাৎপৰ্যৰ ক্ষেত্ৰত আওকাণ কৰা যেন অনুমান হয়। কাৰণ এনে এটি জাতীয় উৎসৱ পালনৰ বাবে চৰকাৰী বন্ধ নিমিত্ত হোৱাতো জাতীয় জীৱনৰ বাবে বাঞ্ছনীয় নহয়। অসমৰ লোক

সংস্কৃতিৰ লোকগীতসমূহ প্ৰায় লুপ্ত হৈ পৰিছে। আধুনিক সমাজখনে আইনাম, বিয়ানাম, ধাইনাম, লখিমী সবাহৰ নামসমূহ চৰ্চা কৰিবলৈ এৰি দিয়াৰ দৰে কাতি বিহুকো অৱহেলাৰ দৃষ্টিৰে চোৱা পৰিলক্ষিত হৈছে।

অসমৰ এই লোক উৎসৱৰ নীতি-নিয়মসমূহ কেৱল পুথিৰ পাতত জিলিকি থাকিলে অসমীয়া সংস্কৃতিয়ে পূৰ্ণতা লাভ কৰিব বুলি ভবাটো সমীচীন নহ'ব, যদিহে প্ৰতিজন অসমীয়াই বিশেষকৈ অনুজ সকলে ইয়াক উপলব্ধি আৰু অনুকৰণ কৰিবলৈ চেষ্টা নকৰে, অসমীয়াৰ বৈশিষ্ট্যপূৰ্ণ সংস্কৃতি কাহানিও উজলি নুঠিব।

❖❖❖

ড° প্ৰহ্লাদ কুমাৰ বৰুৱা



জন্ম ঃ ১৯৪৫ চন।

শিক্ষা ঃ স্নাতকোত্তৰ, পি এইচ ডি।

কৰ্মজীৱন ঃ প্ৰাধ্যাপক (প্ৰফেচাৰ), ডিব্ৰুগড় বিশ্ববিদ্যালয়।

সাহিত্য কৃতি আৰু সাংস্কৃতিক জীৱন ঃ মৌলিক গ্ৰন্থ (১০), সম্পাদিত গ্ৰন্থ (৫), গল্প সংকলন (২), সংকলন বহিৰ্ভূত প্ৰকাশিত গল্প প্ৰায় ডেৰ কুৰি, প্ৰকাশিত প্ৰবন্ধ প্ৰায এহেজাৰ।

ৰাজহুৱা জীৱন ঃ অসম সাহিত্য সভা আৰু অন্যান্য সাহিত্য সাংস্কৃতিকমূলক অনুষ্ঠানৰ লগত ওতপ্ৰোতভাৱে জড়িত।

শিৱসাগৰ জিলাত কাতিবিহু

শিৱসাগৰ জিলাত কাতিবিহু বুলিলে অথবা যিকোনো এখন জিলাৰ কাতিবিহু বুলিলে এটা প্ৰশ্নৰ উদয় হয় যে, কাতিবিহু পালনৰ স্বৰূপ জিলাই জিলাই পৃথক নেকি? দৰাচলতে ৰঙালী আৰু ভোগালীৰ দৰেই কাতিবিহুও অসমৰ জাতীয় উৎসৱ। এইফালৰ পৰা চাবলৈ গ'লে অসমৰ সৰ্বত্ৰ বিহু কেইটা পালনৰ স্বৰূপ একেই হ'ব লাগে। কিন্তু একেটা জাতিৰে উৎসৱ হ'লেও এই বিহু তিনিটা পালনৰ স্বৰূপ অঞ্চলভেদে কিছু পৃথক। বিশেষকৈ তিনিওটা বিহুৰ স্বৰূপ উজনি অসম আৰু নামনি অসমত একে নহয।

অসমৰ প্ৰধান বিহু তিনিটাৰ অতি প্ৰাচীন উৎস বিচাৰি পোৱা যায় বৈদিক সাহিত্যতে। কিন্তু কালক্ৰমত অসমৰ বিহু তিনিটাই বৈদিক যুগৰ ধৰ্মীয় ধ্যান-ধাৰণাৰ পৰা আঁতৰি আহি বহু পৰিমাণে লোক মনোধৰ্মী অথবা লোক বিশ্বাসধৰ্মী হৈ পৰিল।

বৈদিক যুগত আশ্বিন নামৰ দেৱতা এজনৰ পূজা উপাসনা কৰাৰ কথা পোৱা যায়। লগতে পোৱা যায় আশ্বিন দেৱতাৰ পূজাৰ সৈতে মিলাই কৰা অতিৰাত্ৰ

নামৰ এটা যজ্ঞৰ কথা। ধাৰণা কৰিব পাৰি যে, বৈদিক যুগৰ ধৰ্মীয় চিন্তাই যুগে যুগে বিবৰ্তন ঘটি আহি আহিন মাহৰ সংক্ৰান্তিৰ দিনা কাতিবিহুৰূপে পালন কৰাৰ পৰম্পৰা এটা গঢ় লৈ উঠিল। কৃষি প্ৰধান দেশ অসমত এই কাতিবিহুত পূৰ্বৰ ধৰ্মীয় আচাৰ-অনুষ্ঠান বহু পৰিমাণে গৌণ হৈ পৰিল আৰু মুখ্য হৈ উঠিল কৃষি বিশ্বাসভিত্তিক কিছুমান আচাৰ-অনুষ্ঠান। এই কৃষি বিশ্বাসভিত্তিক আচাৰ-অনুষ্ঠানবোৰো অসমৰে উজনি নামনিত কিছু পৃথক হৈ পৰিল।

এতিয়া সামগ্ৰিকভাৱে অসমত কাতিবিহু কিদৰে পালন কৰা হয়; তাৰ কথা পৰিহাৰ কৰি কেৱল শিৱসাগৰত কিদৰে উদ্‌যাপন কৰা হয়; সেই বিষয়ে অলপ কোৱা যাওক। সেইখিনি কথা ক'বলৈকে এৰি অহা ল'ৰালি কাললৈ ভটিয়াই যাব খুজিছোঁ।

কাতিবিহু যিহেতু আহিন-কাতিৰ সংক্ৰান্তিৰ দিনা হয়; গতিকে এই বিহুৰ বতৰ হয় ফৰকাল। জাৰ জহ দুয়োটাই নাথাকে। ৰাতি নিয়ৰে সেমেকাই পেলোৱা শুকান পৃথিৱীখন কিন্তু আন এটা দিশত সজীৱ আৰু সেউজীয়া হৈ পৰে। পথাৰ হৈ পৰে গেঁৰ ধৰা ধানেৰে সজীৱ। গোটেই পৃথিৱীখনহে যেন গৰ্ভৱতী হৈ উঠিছে। বিহুৰ আগতে আগধানবোৰ অৰ্থাৎ লাহি ধানবোৰে থোক মেলে। শালি ধানে গেঁৰ ধৰে। সগৰ্ভা শস্যই কৃষকৰ মনত আনন্দৰ শিহৰণ জগায়।

আহিন কাতিৰ সংক্ৰান্তি অহাৰ লগে লগে গাঁৱৰ কৃষকৰ শিশু আৰু কিশোৰৰ মনতো আনন্দৰ বা লাগে। কাৰণ কাতিবিহু আহিব। ঘৰে ঘৰে তুলসী ৰুব। তুলসীৰ তল মচি কাচি কাতিবিহুৰ দিনা সন্ধ্যা তুলসীৰ তলত মাটিৰ চাকি জ্বলাব। পদূলিত শাৰী শাৰী চাকি জ্বলাব। আৰু যে কত কি কি কৰি কাতিবিহুৰ দিনা সন্ধ্যা ৰং তামাচা কৰিব।

কাতিবিহুৰ সৈতে বৈদিক যুগৰে পৰা ধৰ্মীয় চিন্তাৰ সম্পৰ্ক থকাৰ কথা আগতে কৈ অহা হৈছে। সেই বিশ্বাসেই পিছৰ কালত ৰূপ সলালে। কাতিবিহুৰ সৈতে কৃষিকেন্দ্ৰী অনেক বিশ্বাস জড়িত হৈ পৰিল। কাতিবিহুৰ দিনা প্ৰতিঘৰ কৃষকেই নিজৰ নিজৰ শস্য পথাৰলৈ যায়। যোৱাটো নিয়মত পৰিণত হ'ল। নিজৰ শস্য পথাৰলৈ গৈ গেঁৰ ধৰা আৰু গেঁৰ মেলা শস্য চোৱাটো নিয়ম। গতিকে প্ৰতিঘৰ মানুহৰ কোনোবা এজনে নিজৰ পথাৰৰ শস্যবোৰ চাইগৈ। চালে হেনো শস্যই ভাল পায়। বিহুৰ দিনা শস্যবোৰ চালে হেনো শস্য ভাল হয়। আৰু বিশ্বাস কৰে যে, কাতিবিহুৰ দিনা শস্য চালে লখিমীও সন্তুষ্ট হয় হেনো। এনেবোৰ বিশ্বাসৰ বাবেই কাতিবিহুৰ দিনা প্ৰতিঘৰ মানুহৰ কোনোৱা নহয় কোনোবা এজনে হ'লেও শস্য পথাৰখন চায়গৈ। এইটো শস্য পথাৰৰ কথা।

পথাৰত বাৰু এইখিনি কাম কৰা হয়; পিছে ঘৰত কি কৰা হয়? কাতিবিহুৰ দিনা ঘৰতো বহুতো কাম কৰা হয়। ঘৰত কৰা কামৰ ভিতৰত ডাঙৰ সৰুৰ কামৰ মাজত পাৰ্থক্য আছে। প্ৰতিঘৰ মানুহৰ তিৰোতাসকলে পিঠা-পনা কৰে। ঘৰ-দুৱাৰ মচি চাফ-চিকুণ কৰে। কিন্তু এইটো কথাও মন কৰিবলগীয়া যে, মাঘবিহু আৰু বহাগ বিহুত জা-জলপানৰ যোগাৰ কৰা হয় যদিও কাতিবিহুত কিন্তু জা-জলপানৰ যোগাৰ কৰা নহয়। পিঠা-পনা আৰু চাহেৰেই বিহুৰ অতিথি আপ্যায়ন কৰা হয়।

আগতে কোৱা হৈছে যে, কাতিবিহুৰ সৈতে অতীততে লখিমী বিশ্বাস জড়িত হৈ পৰিছিল। গতিকে কাতিবিহুৰ দিনা পদূলিত চাকি জ্বলোৱা হয়। লগতে ভঁৰালৰ গাঁধেখন দিনতে মচি-কাচি থয় আৰু সন্ধ্যা ভঁৰালৰ দুৱাৰখন খুলি দুৱাৰ মুখত চাকি এগছ জ্বলোৱা হয়। কৃষক সমাজৰ বিশ্বাস যে এনে কৰিলে লখিমীক পূজা কৰা হয় আৰু লখিমী স্বৰূপ ধানেৰে ভঁৰাল ভৰি পৰিব।

কোনোবা অতীততে কাতিবিহুৰ সৈতে তুলসী গছৰ সম্পৰ্কও গঢ় লৈ উঠিছিল। সেয়ে কাতিবিহুৰ দিনা ঘৰে ঘৰে তুলসী পুলি এটা ৰোৱাটো নিয়মত পৰিণত হ'ল। এই তুলসী জোপাৰ গুৰিটো ৰঙা' মাটিৰে দিনৰ ভাগতে মচি কাচি সুন্দৰ কৰি থোৱা হয় আৰু সাজ লগাৰ পৰতে সভক্তিৰে তুলসীৰ তলত চাকি এগছ জ্বলোৱা হয়।

শিৱসাগৰত কাতিবিহু মানে বহু পৰিমাণে তুলসী পূজাৰ নিচিনাহে হয়। কাৰণ সাজ লগাৰ পৰতে ঘৰে ঘৰে তুলসীৰ তলত কলৰ আগ পাতত মাহপ্ৰসাদো সজাই দিয়া হয় আৰু তুলসীৰ কাষত আসন পাৰি সৰু সৰু ল'ৰা-ছোৱালীবোৰে হাত চাপৰি বজাই "তুলসীৰ তলে মৃগ পহু চৰে, তাকে দেখি ৰামচন্দ্ৰই শৰধনু ধৰে" বুলি সুৰ ধৰি গায। এই যে গঞা সৰু ল'ৰা-ছোৱালীবোৰ— সিহঁতে ঠিক এনেকৈয়ে প্ৰতিঘৰ মানুহলৈ যায় আৰু তুলসীৰ গুৰিত বহি নাম গায়। নামৰ অন্তত গৃহস্থৰ এগৰাকী মহিলাই ল'ৰা-ছোৱালীবোৰক মাহপ্ৰসাদ ভগাই দিয়ে। আমাৰ ল'ৰালি কালৰকথা কৈছো। এই যে সৰু ল'ৰা-ছোৱালীবোৰে তুলসীৰ কাষত বহি নাম গায়, তেওঁলোকৰ লগতে মনৰ আনন্দত কেতিয়াবা ডাঙৰ মানুহো বহি একেলগে নামগুণ গাই আনন্দ কৰে। কেৱল সেয়ে নহয় পদূলিয়ে পদূলিয়ে শাৰী শাৰী মিঠাতেলৰ চাকিৰ পোহৰত ল'ৰা-ছোৱালীৰ উপৰিও ডাঙৰবোৰেও ইঘৰে সিঘৰে গৈ চাহ পিঠা-পনা খাই মৰম চেনেহ আদান প্ৰদান কৰে।

শিৱসাগৰত কাতিবিহু পালনৰ সম্পৰ্কে এইখিনি কথা যে কোৱা হ'ল— এইবোৰ আমাৰ ল'ৰালি কালৰ কথা। সেইদিন আৰু এতিয়া নাই। ৰামো নাই অযোধ্যাও নাই। আছে মাথোন স্মৃতি। যুগৰ পৰিবৰ্তনৰ লগে লগে গঞা কৃষক

সমাজৰ বাবে কাতি মাহ হ'ল কঙালৰ মাহ। যাৰ পেটৰ ভাত মুঠিৰে সমস্যা; তাৰ বাবে বিহুৰ মাদকতা কল্পনাৰ অতীত। পেটৰ ভোকৰ জ্বালাই খাওঁ খাওঁ মূৰ্তি ধৰি থকা অৱস্থাত কাতিবিহু পতাৰ কথা কোনে ভাবিব পাৰে? কেৱল সিয়ে নহয়। গাঁওৰ কৃষক সমাজলৈয়ো আপদীয়া আধুনিকতা আহিলে। আধুনিকতাই মানুহক ক্ৰমশঃ যন্ত্ৰলৈ ৰূপান্তৰ কৰিবলৈ লৈছে। যন্ত্ৰৰ জানো বিহু থাকে। গএগ কৃষকৰ বাবে দাৰিদ্ৰই এতিয়া জ্বলা জুইৰ ৰূপ লৈছে। তাতে আকৌ ৰজা প্ৰজাৰ উভয়ে এতিয়া মানুহ হত্যাৰ আনন্দত মতলীয়া। সময় যদি এনেকুৱাই হয়, সভ্যতা যদি এনেকুৱাই হয় আৰু মানুহো যদি এনেকুৱাই হয়, তেনেহ'লে বিহুৰ মাদকতা থাকিব ক'ত?

❖❖❖

পুষ্পা গগৈ

জন্ম : ১৯৫২ চন।

শিক্ষা : স্নাতকোত্তৰ।

কৰ্মজীৱন : ধেমাজি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষয়িত্ৰী।

সাহিত্য কৃতি আৰু সাংস্কৃতিক জীৱন : বিভিন্ন স্থানীয় তথা ৰাজ্যিক পৰ্যায়ৰ বাতৰি কাকত, আলোচনী, স্মৃতিগ্ৰন্থ আদিত কবিতা, গল্প, প্ৰবন্ধ আদি প্ৰকাশ।

ৰাজহুৱা জীৱন : সদৌ অসম নবীন লেখক-লেখিকা আৰু শিল্পী সমিতি; অসম লেখিকা সমাৰোহ সমিতি আৰু স্থানীয়ভাৱে বিভিন্ন সাহিত্য-সংস্কৃতি আৰু সামাজিক অনুষ্ঠানৰ লগত জড়িত।

ঢকুৱাখনাৰ কাতিবিহু

সংস্কৃতি এটা জাতিৰ জীৱনজোৰা সাধনাৰ মূল আধাৰ। সংস্কৃতি সাধনাৰ নিৰবচ্ছিন্ন ধাৰাই জাতি এটাক ৰাজহাড় পোনকৈ জীয়াই ৰাখে। কিযনো সংস্কৃতি যিকোনো জাতিৰে সভ্যতাৰো এক মৌলিক সম্পদ স্বৰূপ। সৃষ্টিৰ আদিম কালৰে পৰা প্ৰাকৃতিক পৰিবেশে মানুহৰ সমাজ জীৱনত অভূতপূৰ্ব প্ৰভাৱ পেলাই আহিছে। যিহেতু অসম ৰাজ্যৰ প্ৰাকৃতিক পৰিবেশ কৃষি আৰু জীৱন-নিৰ্বাহৰ বাবেও অতি অনুপম, সেয়ে এই ৰাজ্যৰ সামাজিক জীৱনৰ সকলো স্তৰতে প্ৰকৃতিৰ প্ৰভাৱ বিশেষভাৱে মন কৰিবলগীয়া। কৃষিজীৱী সমাজত প্ৰকৃতি নিৰ্ভৰ জীৱন নিৰ্বাহ প্ৰণালী মূলতঃ সৃষ্টিৰ আদিম কালৰে পৰা নানান বিশ্বাস আৰু ৰীতি-নীতিৰে সংপৃক্ত হৈ আহিছে। দৈনন্দিন জীৱনত পুৱাৰ পৰা সন্ধিয়ালৈকে, কৃষিনিৰ্ভৰ জীৱন-নিৰ্বাহ প্ৰণালীত বসন্তৰ ঋতুৰ পৰা হেমন্ত ঋতুলৈকে প্ৰকৃতিয়ে মানৱ-সমাজক আদিম কালৰে পৰা নিয়ন্ত্ৰণ কৰি আহিছে। গ্ৰাম্য জীৱনত এনে কিছুমান জনবিশ্বাস প্ৰবাহিত হৈ আহিছে যিবোৰ জনবিশ্বাস বা ৰীতি-নীতি

আজিকোপতি লোকজীৱনত পালন কৰা হৈ আহিছে। সিয়ে আজি লোকসংস্কৃতিৰূপে স্বীকৃতি লভিছে। অসমীয়া লোকসংস্কৃতি বুলিলে অসমীয়া লোকজীৱনত প্ৰচলিত হৈ অহা ৰীতি-নীতি আৰু জন-বিশ্বাসসমূহকে বুজোৱা হয়। অসমীয়া লোকসংস্কৃতি মানেই পোনপটীয়া অৰ্থত অসমীয়া জাতিৰ প্ৰাণৰ আকৰ বিহু সংস্কৃতিকে অৰ্থ কৰা হয়। যদিওবা বিহু উৎসৱৰ বাহিৰেও অসমীয়া লোকসমাজত আন নানান ৰীতি-নীতি বা লোকবিশ্বাসজনিত অনুষ্ঠান পালিত হৈ আহিছে, 'বিহু অসমীয়া জাতিৰ জাতীয় উৎসৱ', জাতীয় সংস্কৃতিৰ বাহক।

অসমীয়া সংস্কৃতি সমন্বয়ৰ সংস্কৃতি। বৰলুইতৰ সাৰুৱা ভূমিলৈ অতীজৰে পৰা চামে চামে অহা তীব্ৰত ধৰ্মী, অষ্ট্ৰিক-দ্ৰাবিড়, টাই-মঙ্গোলীয়, আৰ্য-অনাৰ্য, ইংৰাজ, বঙাল, মোগল, আৰু শেহতীয়াকৈ চাহজনজাতি আৰু চৰ বাসীসকলৰ সমন্বয়ে অসমীয়া সংস্কৃতিক বৈচিত্ৰ আৰু চহকী কৰি তুলিছেহি। ভাষা-সাহিত্য, সমাজ-আধ্যাত্মিক জীৱন, সাহিত্য-শিল্প-দৰ্শন, সকলো দিশতে "বৰ অসমৰ" "বৰ সংস্কৃতি" বৈচিত্ৰপূৰ্ণ আৰু সংহতি সমন্বয়ৰ চানেকি হৈ উঠিছে। তাৰেই এক অনুপম উদাহৰণ অসমৰ বিহু উৎসৱ। বিহু অসমৰ কৃষিজীৱী জনগণৰ স্বকীয়তাৰ ঐতিহ্যপূৰ্ণ বাহক। কৃষকৰ কৃষি আৰু প্ৰকৃতি ভিত্তিক উপাদানেৰেই বিহুৰ ঐতিহ্য প্ৰকাশ পায়।

বহাগমাহত বহাগবিহুৱে বছৰটোৰ কৃষিকৰ্মৰ আৰম্ভণী, আহিন-কাতিমাহত শস্য সম্ভৱা কৃষিৰ আদৰণী আৰু মাঘমাহত বছৰটোৰ লখিমী চপাই-গুচাই ভোগালীবিহু পতাটো কৃষিকৰ্মৰ লগত ওতপ্ৰোতভাৱে জড়িত। কৃষকসমাজৰ এই সংস্কৃতিয়েই হ'ল লোক সংস্কৃতি। Robert Redfieldএ "কৃষক সমাজক লোকসমাজ আখ্যা দিয়াৰ অনুকুলে মত প্ৰকাশ কৰিছে।" (অসমীয়া লোক-সংস্কৃতি)

অৱশ্যে ৰঙালীবিহু আৰু ভোগালীবিহুৰ বিষয়ে যিমান বিস্তৃত আলোচনা বিলোচনা হৈছে— কঙালীবিহু বা কাতিবিহুৰ বিষয়ে কিন্তু বাহুল্যভাৱে হোৱা আলোচনা বা চিন্তা চৰ্চাই বৰ বেছি গুৰুত্ব পোৱা যেন ধাৰণা নহয়।

ঢকুৱাখনা বুলি ক'লে পলসুৱা ভূমিৰ পৰশেৰে তাহানিৰ 'হাবুং', অসমৰ অবিভক্ত লক্ষীমপুৰ জিলাৰ দক্ষিণ-পূব প্ৰান্তত অৱস্থিত, বৰ্তমান ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত লক্ষীমপুৰ জিলাৰ সদৰ স্থান হিচাপে পৰিচিত বাৰেৰহণীয়া সাংস্কৃতিক ঐতিহ্যৰে পৰিপূৰ্ণ ঠাইখনৰ কথাকে ক'ব লাগিব। ব্ৰহ্মপুত্ৰ, সোৱণশিৰী, কড়া, চাৰিকৰীয়া, একৰীয়া আৰু অন্যান্য সৰু-বৰ জান-জুৰিৰে আবৰা ঢকুৱাখনা এখনি মনোৰম ঠাই। আহোম, কছাৰী, কোঁচ, কলিতা, কৈবৰ্ত, চুতীয়া, বামুণ, মিচিং, দেউৰী আদি বিভিন্ন জাতি-জনজাতিৰ সমন্বয়ত গঢ়ি উঠা সংস্কৃতিপূৰ্ণ এডোখৰ ঠাই ঢকুৱাখনা। বহাগমাহত অনুষ্ঠিত 'ফাট' বিহু'ৰে ঢকুৱাখনাৰ ঐতিহ্য বহন কৰি

আহিছে। অৱশ্যে ঢকুৱাখনাৰ কাতিবিহু বুলি ক'লে যি ৰূপ আছিল— ই জহি-খহি গৈ অৱশিষ্ট অৱস্থাতহে আছেগৈ বুলি কোনো কোনোৱে ক'ব খোজে।

ঢকুৱাখনাত পৰম্পৰাগতভাৱেই কাতিবিহু পালন কৰা হয়। আহিন মাহৰ শেষৰফালে ঘৰে ঘৰে জা-জলপান, পিঠা-পনা খুন্দি কাতিমহীয়া "কঙালী বিহু"ৰ বাবে জীয়ৰী-বোৱাৰীৰ আয়োজন চলে। সংক্ৰান্তিৰ দিনা পুৱাতে উঠি জীয়ৰী-বোৱাৰীয়ে কাপোৰ-কানি ধুই ঘৰ-দুৱাৰ মচি-কাচি চাফ-চিকুণ কৰে। সকলোৱে একেলগে জা-জলপান খাই ইঘৰ-সিঘৰকৈ অহা-যোৱা কৰি বিহুৰ ৰং-ৰহইচ কৰে। এই ৰং-ৰহইচ বিশেষকৈ ডেকা-জীয়ৰীৰ মাজত বেছিকৈ দেখা যায়। কাতিবিহুৰ দিনা দিনটো ৰান্ধনীয়ে ভাত নৰন্ধাকৈ থাকে। প্ৰবাদ অনুসৰি সেইদিনা দিনত চৰুৰ তলত জুই জ্বলাব নাপায়। সেইবাবে সকলোৱে জলপান, পিঠা-পনা খাইয়ে দিনটো কটায়। সন্ধিয়া ঘৰৰ আগফাল, পাছফাল সকলোতে চাকি-বন্তি জ্বলায়। কাতিবিহুৰ পৰম্পৰা অনুসৰি ঢকুৱাখনাতো তুলসীৰ তলত চাকি-বন্তি জ্বলায়। ঘৰৰ পদূলিত, ভঁৰালৰ আগত তুলসী পুলি ৰুই মচি-কাচি মাহ প্ৰসাদেৰে শৰাই দি প্ৰাৰ্থনা গায়। সৰু সৰু ল'ৰা-ছোৱালীবিলাকে ঘৰে ঘৰে গৈ তুলসীৰ তলত প্ৰাৰ্থনা গায়। মাহ-প্ৰসাদ, পিঠা-পনাৰে সৰু সৰু ল'ৰা-ছোৱালীবিলাকক আদৰা হয়।

কাতিবিহুত তুলসীৰ পূজা কৰাটো হিন্দুসকলৰ পৰম্পৰাগতভাৱে চলি অহা এক ৰীতি। জনবিশ্বাসমতে, তুলসীক প্ৰণাম কৰিলে বিষ্ণু সন্তুষ্ট হয়।

> "ওঁ বৃন্দায়ৈ তুলসী দেব্যৈ প্ৰিয়ায়ৈ কেশৱস্যচ।
> বিষ্ণুভক্তি প্ৰদায়িন্যৈ সত্যৱত্যৈ নমো নমঃ।।"

কাতিবিহুৰ দিনাৰ পৰাই সন্ধিয়া তুলসীৰ গুৰিত চাকি জ্বলোৱা নিয়ম। কিছু কিছু লোকে গোটেই কাতিমাহটোতে তুলসীৰ গুৰিত চাকি জ্বলায়। তুলসীক লক্ষ্মীস্বৰূপা হিচাপেও প্ৰণাম কৰা হয়।

'কাতিবিহু'ক লখিমী বিহু হিচাপেই আদৰা হয়। সেইবাবেই হয়তো কাতি মাহত লক্ষ্মীদেৱীক আদৰিবৰ বাবে তুলসীক পূজা কৰাৰ নিয়ম প্ৰচলিত। কাৰণ, এই মাহতে পথাৰত ধানৰ গেঁৰ ধৰে। পথাৰৰ ধানৰ থোকবোৰ পৰিপূৰ্ণ হোৱাৰ কামনাৰে লক্ষ্মীস্বৰূপা তুলসীক গোটেই কাতিমাহতে হয়তো পূজা-অৰ্চনা কৰা হয়। এইক্ষেত্ৰত ড° নবীন চন্দ্ৰ শৰ্মাৰ ভাষাত,

"গোটেই কাতিমাহটোতে সন্ধিয়া সময়ত তুলসীৰ গুৰিত চাকি দিয়া ৰীতি কৃষিৰ লগত জড়িত। কিছুমানে গোটেই কাতিমাহটোতে সন্ধিয়া সময়ত তুলসীৰ গুৰিত আকাশবন্তি দিয়ে। কাতিমাহত বিষ্ণুক তুলসী দিয়াৰ ৰীতি হিন্দুসকলৰ মাজত প্ৰচলিত।" (অসমীয়া লোক সংস্কৃতি)

ঢকুৱাখনাত কাতিবিহুক 'লখিমী আদৰা' বিহু বুলিও কোৱা হয়। সেইবাবে অৰ্থনৈতিকভাৱে অনগ্ৰসৰ লোকসকলেও পথাৰত এগছি চাকি জ্বলাই লখিমীক সভক্তিৰে সেৱা জনায়। লোকসংস্কৃতিৰ পৰম্পৰা অনুসৰি পথাৰত চাকি জ্বলোৱাটো এক নিয়ম বুলি ধৰা হয়। কোনো কোনোৱে পথাৰত আকাশবন্তিও জ্বলায়। পথাৰত চাকি জ্বলোৱাটো 'লখিমী আদৰা' হিচাপে পৰম্পৰাগত এক বিশ্বাস হ'লেও ইয়াৰ যুক্তি নথকা নহয়। কাতিমাহত গৈৰ ধৰা ধানৰ থোকবোৰ যাতে পোক-পৰুৱা, কীট-পতঙ্গ আদি শত্ৰুবোৰে অনিষ্ট কৰিব নোৱাৰে তাৰ বাবে পথাৰত চাকি বা আকাশবন্তি জ্বলোৱাটো এক বিজ্ঞানসন্মত ব্যৱস্থা বুলি ক'ব পাৰি। কাতিবিহুৰ এই বিজ্ঞানসন্মত পৰম্পৰাৰ পথা ঢকুৱাখনাত কাতি বিহু পালনত কৃষক ৰাইজ বাদ পৰি যোৱা নাই। সেইবাবেই হয়তো বিহুৰ দিনা পথাৰত চাকি এগছ জ্বলাই সেৱা কৰি "পতান নহ'বি গোট গোট হ'বি লখিমী আই আহ" বুলি মনে মনে প্ৰাৰ্থনা গোৱা হয়।

চাকি-বন্তি জ্বলাই শেষ কৰি ঘৰৰ লখিমী বোৱাৰীয়ে দিনটোৰ অন্তত মচি-কাচি থোৱা আখলত জুই ধৰি সেৱা জনাই ৰন্ধা-বঢ়া কৰে। সকলোৱে একেলগে মিলিজুলি আনন্দ-ফূৰ্তিৰে কাতিবিহুৰ নামত এসাজ আহাৰ গ্ৰহণ কৰে। এইখিনিতে এষাৰ কথা উল্লেখযোগ্য, ঢকুৱাখনাৰ যিসকল মানুহে সাঁজ থৈ সকাম-নিকাম কৰে, তেওঁলোকক 'পকা' মানুহ বুলি কোৱা হয়। বিশেষকৈ আহোম, মিচিং, কছাৰী আদি সম্প্ৰদায়ৰ মাজত এই প্ৰথা প্ৰচলিত আছে। বৰ্তমান বিভিন্ন ধৰ্মীয় চিন্তা-চৰ্চাৰ প্ৰভাৱ পৰিলেও সাজ থৈ সকাম কৰাৰ প্ৰথা ঢকুৱাখনাত এতিয়াও বিলোপ হোৱা নাই বুলি ক'ব পাৰি। এইসকল লোকে বছৰৰ প্ৰতিটো বিহুতে ৰান্ধনীঘৰৰ একুকত আছুতীয়াকৈ ৰখা ঠাইত সাজৰ কলহ থৈ দিয়ে। আছুতীয়া বা সংৰক্ষিত ঠাইডোখৰত বিহুৰ দিনা পূৰ্ব-পুৰুষৰ নামত বা মৃতকক স্মৰণ কৰি এগছি চাকি-জ্বলাই সভক্তিৰে সেৱা জনাই বিশেষভাৱে আগবঢ়াই থোৱা সাজৰ কলহৰ পৰা কাঁহৰ বাটিত সাজ বাকি ঘৰখনৰ জ্যেষ্ঠজনক প্ৰথমে খাবলৈ দিয়ে। আছুতীয়াকৈ ৰখা ঠাইৰ সাজৰ এই কলহ চাকি নজ্বলোৱাকৈ কেতিয়াও স্পৰ্শ কৰা নহয়। কাৰণ, সাজৰ এই বিশেষ কলহটো মৃতকৰ নামতহে আবগঢ়াই থয়। জনশ্ৰুতিমতে, মৃতকৰ নামত এইদৰে চাকি জ্বলাই সেৱা নজনালে ঘৰৰ অমঙ্গল হয় বুলি বিশ্বাস প্ৰচলিত আছে।

ঢকুৱাখনাত এই পৰম্পৰা বিভিন্ন জনগোষ্ঠীসমূহৰ মাজতো প্ৰচলিত আছে। বিশেষকৈ মিচিং, কছাৰী আদি সম্প্ৰদায়ৰ মাজত এই নিয়ম প্ৰচলিত। মিচিংসকলেও কাতিবিহুৰ দিনা মৃতকৰ নামত চাকি জ্বলাই সেৱা কৰি 'আপং' আগবঢ়াই দিয়ে। সংৰক্ষিত ঠাইত এই বিশেষ আপঙৰ কলহ ৰখা হয় আৰু বিহুৰ দিনা পূৰ্ব-পুৰুষক সোঁৱৰণ কৰি আপং বাকি সকলোৱে একেলগে মাছে-মঙহে খাই বৈ

স্ফূৰ্তি কৰে। "পূৰাং" (টেক পাতত মেৰিয়াই বনোৱা বিশেষ জলপান) মিচিংসকলৰ বিহুৰ এক অন্যতম খাদ্য। মিচিংসকলেও কাতিবিহুক 'লখিমী আদৰা" বিহু হিচাপে পালন কৰে। পথাৰত চাকি বন্তি জ্বলাই সভক্তিৰে সেৱা জনায়। তেওঁলোকে কাতি বিহুৰ উপৰিও আহিন-কাতি মহীয়া আহুধান চপাই শেষ কৰি "পঃৰাগ্" (নৈখাছিগা বিহু) ও পাতে। মিচিংসকলক পঃৰাগ এটা প্ৰধান কৃষি উৎসৱ। কেতিয়াবা এই উৎসৱ মাঘ-ফাগুন মাহতো আয়োজন কৰে। প্ৰধানতঃ এই উৎসৱ ধান চপোৱাৰ শেষত অৰ্থাৎ ধানৰ নৱাছিগাৰ সময়তহে আয়োজন কৰে, সেইবাবে এই উৎসৱক "নৱাছিগা বিহু" বুলি কোৱা হয়। কৃষি ভিত্তিক এই উৎসৱেও ঢকুৱাখনাৰ ঐতিহ্য বহন কৰি নিয়াত যথেষ্ট বৰঙণি যোগাইছে। এইখিনিতে এটা কথা উল্লেখযোগ্য যে, মিচিংসকল বৰ অতিথি পৰায়ণ। 'কাতিবিহু' কঙালী হ'লেও তেওঁলোকে 'আপং-আপিনে'ৰে "আ' মিনম" (আলহীক) সোধ-পোছ কৰাতো কৰ্তব্য জ্ঞান কৰা দেখা যায়।

ঢকুৱাখনাৰ কছাৰী সম্প্ৰদায়ৰ মাজতো এই 'পকা' প্ৰথাৰ ব্যৱস্থা কিছু কিছু লোকৰ মাজত প্ৰচলিত থকা দেখা যায়। 'কাতিবিহু' কঙালী হ'লেও তেওঁলোকে লখিমীৰ নামত পথাৰত চাকি-বন্তি জ্বলাই সেৱা সংকাৰ কৰে।

বৰ্তমান ঢকুৱাখনাত বিভিন্ন ধৰ্মাবলম্বী লোকৰ প্ৰভাৱত 'তুলসী পূজা' কৰাৰ ব্যৱস্থা যদিও কমি যোৱা দেখা যায় তথাপিতো একেবাৰে শেষ হৈ যোৱা বুলি ক'ব নোৱাৰি।

ইতিহাস প্ৰসিদ্ধ ঢকুৱাখনা এডোখৰ বানে গৰকা ঠাই। কেইবাবাৰো ব্ৰহ্মপুত্ৰৰ বানপানীৰ তাণ্ডৱলীলাই ঢকুৱাখনাবাসীক জুৰুলা কৰি তুলিছে। বানপানীৰ ফলত ঢকুৱাখনাৰ জনসাধাৰণৰ সামাজিক আৰু অৰ্থনৈতিক গাঁথনি সোলোক-ঢোলোক হৈ পৰা দেখা যায়। তাহানিৰ ভোগালী ঠাই হিচাপে পৰিচিত ঢকুৱাখনাৰ বিহুৰ বাহুল্যতা কিছু হ্ৰাস পালেও মানসিক বাহুল্যতাৰ অভাৱ এতিয়াও হোৱা নাই। এতিয়াও সংস্কৃতিৰ বাৰে-ৰহণীয়া পৰশত ঢকুৱাখনাৰ সাংস্কৃতিক ঐতিহ্যই অসমীয়াৰ জাতীয় সংস্কৃতি বহন কৰাত সহায় কৰিছে। এতিয়াও ঢকুৱাখনাৰ বহাগৰ ফাট' বিহুৰ বহাগী ৰং, মাঘৰ ভোগালীৰ ভোগ-বিলাস, কাতিৰ কঙালীৰ লখিমী আদৰাৰ মানসিক ঐশ্বৰ্য হেৰাই যোৱা নাই।

'বিহু অসমীয়া জাতিৰ বাপতি সাহোন'— এই আপ্তবাক্যষাৰ ঢকুৱাখনাৰ প্ৰতিজন ব্যক্তিৰ মনত এতিয়া অনুৰণন হৈ আছে। সেইবাবেই হয়তো সাম্প্ৰতিক কালত বানে গৰকা বহু ঢকুৱাখনাবাসীৰ জীৱন নিৰ্বাহ প্ৰণালী অভাৱগ্ৰস্ত হ'লেও কাতিমহীয়া কঙালীত ৰং-ৰহইচ কিছু পৰিমাণে কমিলেও তাৰ ঐতিহ্যৰ বহল হেৰাই যোৱাকে এৰি দিয়া নাই।

❖❖❖

নন্দকিশোৰ মহেশ্বৰী

জন্ম ঃ ১৯৪৮ চন। উত্তৰ লক্ষীমপুৰ।

শিক্ষা ঃ স্নাতক।

কৰ্মজীৱন ঃ ব্যৱসায়।

সাহিত্য কৃতি আৰু সাংস্কৃতিক জীৱন ঃ স্ব-ৰচিত নাটক (১); অনুবাদ নাটক (৬), নাটক সম্পৰ্কীয় গ্ৰন্থ (১); কথাছবি সম্পৰ্কীয় গ্ৰন্থ (১), শিক্ষামূলক গ্ৰন্থ (১), পৰিচালিত নাটক (২), পূৰ্ণাঙ্গ নাটকত অভিনয় (২১); ৰাষ্ট্ৰীয় নাট-কৰ্মশালাত অংশ গ্ৰহণ কথাছবিত অভিনয় (২); কথাছবি প্ৰযোজনা (৩), অসমীয়া আৰু হিন্দী কাকতত বিভিন্ন প্ৰবন্ধ-নিবন্ধ প্ৰকাশ। বাবা আম্বেদাকাৰ বঁটা প্ৰাপ্ত।

ৰাজহুৱা জীৱন ঃ আজীৱন সদস্য অসম সাহিত্য সভা আৰু YHI, আৰু প্ৰেছ ক্লাব (লক্ষীমপুৰ-ধেমাজি), বিভিন্ন ধৰ্মীয় আৰু সামাজিক অনুষ্ঠানৰ প্ৰতিষ্ঠাতা। ভালেমান সামাজিক-সাংস্কৃতিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত নিবিড়ভাৱে জড়িত।

লখিমপুৰ জিলাত কাতিবিহু উদ্‌যাপন

স্কুলীয়া জীৱনত পঢ়িছিলো। ছাৰে পঢ়ায় আৰু পাছত ৰচনা লিখিবলৈ দিয়ে। বিষয়—"বিহু"। আমিও শ্ৰেণীত পঢ়া আৰু ছাৰে কোৱা কথাখিনিকে হুবহু লিখিবলৈ যত্নৰ ত্ৰুটি কৰা নাছিলো।

. অসমত বিহু তিনিপ্ৰকাৰৰ। মাঘবিহু, বহাগবিহু আৰু কাতিবিহু। কোৱা হয় মাঘবিহু মানে ভোগালী, বহাগবিহু মানে ৰং-ধেমালি আৰু কাতিবিহু মানে কঙালী। ...এনে ধৰণে।

অসমীয়া শব্দকোষতো বিহুৰ অৰ্থ এনে ধৰণৰ—

বিহু- অসমীয়াৰ জাতীয় উৎসৱ। আহিন, পুহ আৰু চ'তৰ সংক্ৰান্তিত হোৱা উৎসৱ (কাতিৰ কঙালীবিহু, মাঘৰ ভোগালীবিহু আৰু বহাগৰ ৰঙালীবিহু)।

মোৰ নগণ্য জ্ঞানেৰে ইমানখিনিয়ে মাত্ৰ জানো যে 'বিহু' শব্দৰ প্ৰয়োগ বা প্ৰচলন মাত্ৰ অসমৰ পৰিসীমাৰ মাজতে আবদ্ধ নেকি! ভাৰতৰ প্ৰতিখন ৰাজ্যতে কাতি, মাঘ আৰু বহাগ মাহৰ আগৰ মাহকেইটাৰ শেষৰ দিনটোত হোৱা "সংক্ৰান্তি" শব্দটোক ব্যৱহাৰ কৰি এই তিনিও সংক্ৰান্তিক পালন কৰা হয়। ক'ৰবাত 'পুংগল', ক'ৰবাত 'বৈশাখী', ক'ৰবাত 'ছঠ', ক'ৰবাত 'পৰাং' ঠিক তেনেকৈ অসমত যেনিবা 'বিহু' বুলি কোৱা হয়।

এতিয়া কাতিবিহুক কিয় কঙালী বুলি কোৱা হ'ল। হয়তো এইবাবেই যে সেই সময়ছোৱাত ভঁৰাল প্ৰায় উদং হয় অৰ্থাৎ বছৰৰ শেষত কিছুমানৰ ধান নাথাকেই, যেনে— চিৰাৰ বাবে চপোৱা ধান, সান্দহৰ বাবে নানীয়া ধান ইত্যাদি ইত্যাদি। কিন্তু লখিমপুৰ জিলাৰ ভোগপুৰ, নাৰায়ণপুৰ, বিহপুৰীয়া অঞ্চলসমূহত কাতিবিহুক কঙালীবিহু বুলি আখ্যা দিব নোৱাৰি। এই অঞ্চলৰ প্ৰতিটো বিহুকে আধ্যাত্মিক দিশতে প্ৰাধান্য দিয়া দেখা যায়। হয়ো । খেতিৰ উৎসক লৈ বিহু কেইটা উদ্‌যাপন হোৱা সত্ত্বেও এই তিনিওটা বিহুৰ আধ্যাত্মিক মাহাত্ম্য বহু অধিক।

পুতলী কায়স্থই লখিমপুৰত কি ধৰণে কাতি বিহু উদ্‌যাপন কৰে তাৰে ৰচনা লিখিবলৈ বৰকৈ হেঁচা দিছিল। গুৱাহাটীৰ পৰা ফোন কৰিব। লখিমপুৰলৈ আহিলে মই য'তেই নাথাকোঁ কিয় বিচাৰি হ'লেও উলিয়াই মোৰ 'লিখাখিনি' লাগে বুলি জিদ্ ধৰে। উপায়হীন হৈ মোৰ নগণ্য জ্ঞানেৰে যিখিনি ঢুকি পায় তাকেই ব্যক্ত কৰিবলৈ চেষ্টা কৰিছোঁ।

যিহেতু ভাৰতবৰ্ষ এখন কৃষিপ্ৰধান দেশ। ইয়াৰ জনসংখ্যাৰ শতকৰা প্ৰায় ৮০% ভাগেই কৃষক। অসমখন ভাৰতৰেই একোটা খণ্ড যেতিয়া ভাৰতীয় সংস্কৃতিৰ প্ৰভাৱ পৰাটো নিশ্চিত। মাত্ৰ পাৰ্থক্য থাকে লোকসংস্কৃতিৰ।

পাঞ্জাব, ৰাজস্থান, বিহাৰ, উত্তৰ প্ৰদেশ, বেঙ্গল, দক্ষিণাত্যৰ ৰাজ্যসমূহ আদিৰ লোকসংস্কৃতি যি ধৰণে ভিন্ন, আমাৰ অসমৰ লোকসংস্কৃতিও তেনেকৈ ভিন্ন। কিন্তু এই বিভিন্নতাৰ মাজতো একতাৰ যিটো "লয়", "সাংস্কৃতিক লয়" সেইটো কিন্তু এক। তাত ভিন্নতা নাই। বিভিন্নতাৰ মাজতো একতা। যিকোনো প্ৰদেশৰ লোকগীত শুনিলে আমাৰ নিজৰ লোকগীতৰ লগত কিবা খাপ খাই পৰা সুৰ এটাই মনটোত স্পন্দন কৰে।

বিহু তিনিওটা বা তিনিওটা সংক্ৰান্তিৰ উদ্‌যাপনৰ ক্ষেত্ৰত ভিন্নতা নিশ্চয় আছে কিন্তু অন্তৰ একো নাই। মই যে কলো কৃষিৰ উৎসক লৈ পালন কৰা এই সংক্ৰান্তি কেইটাৰ আধ্যাত্মিক দিশটো অতি প্ৰবল।

লখিমপুৰত অসমীয়া মানুহে এই কাতিবিহুটো বহু নিয়মাৱলীৰে পালন কৰে। বিশেষ প্ৰাধান্য দিয়ে তুলসীৰ গুৰিত বন্তি দিয়া। গাঁৱে-ভূঞে সেইদিনা ল'ৰা-

ছোৱালীয়ে তুলসী ৰোৱা, তুলসীৰ গুৰিত ভেটি সজা আদিৰ প্ৰতিযোগিতা চলে। ৰাতিপুৱাতে ঘৰ-চোতাল মচা, মাটি-গোবৰেৰে লিপা আদি কাৰ্য সমাপন কৰা হয়, কাৰণ সেইদিনা গধূলি ঘৰে ঘৰে লখিমী আহিব। পথাৰত, আগ আৰু পিছ বাৰীত বন্তি প্ৰজ্বলন কৰা হয়। লখিমী আহি পথাৰত নামিব, বাৰীত প্ৰৱেশ কৰিব। পথাৰে সেইদিনাৰ পৰা গৰ্ভধাৰণ কৰিব, লখিমী ধানে থোৰ মেলিবলৈ আৰম্ভ কৰিব।

তুলসী তলত বন্তি প্ৰজ্বলন কৰি পূজা-অৰ্চনা কৰা হয় যাতে মনোবাঞ্ছা পূৰ্ণ হয়। লখিমপুৰ জিলাৰ গাঁওসমূহত কাতিমাহত অৰ্থাৎ আহিনৰ শেষৰ দিনত পুৱাতে উঠি-শীতল পানীৰে গা ধুই চোতাল লিপা মেলা কৰি তুলসী জোপাৰ গুৰিত মাটি-গোবৰে লিপা মেলা কৰি সন্ধিয়া পথাৰত বন্তি প্ৰজ্বলন কৰি তুলসীৰ তলতো চাকিগছ জ্বলাইহি। গাঁৱত থকা নামঘৰতো চাকিগছ দিয়া, নাম প্ৰসঙ্গ গোৱা, মাহ-প্ৰসাদ বিতৰণ কৰা ইত্যাদি আধ্যাত্মিক দিশত যথেষ্টখিনি কৰা দেখা যায়। গোৱালপাৰাত কাতি পূজা উদ্‌যাপন কৰে। সন্তানৰ কামনা কৰি দম্পতিয়ে কাৰ্তিক দেৱতালৈ এই পূজা আগবঢ়ায়। দাক্ষিণাত্য ৰাজ্যসমূহতো এইদৰে পূজা পালন কৰা দেখা যায়। লখিমপুৰত কিন্তু তেনে দেখা পোৱা নাই বিশেষ কিছু সম্প্ৰদায়ৰ বাদে। অৱশ্যে আজিকালি কাতিবিহুৰ দিনা পথাৰ বা তুলসী জোপাৰ তলত চাকিগছ দিয়াৰ উপৰিও দীপান্বিতাৰ দৰে হাজাৰ হাজাৰ চাকিয়েই চাকি প্ৰজ্বলিত হোৱা দেখা যায়। নাৰায়ণপুৰ, বিহপুৰীয়া, ঢলপুৰ, ঢকুৱাখনা, নাওবৈচা আদি অঞ্চল বিলাকত চাকি প্ৰজ্বলনৰ দৃশ্যসমূহ যদি মুখ্য ঘাই পথৰ পৰা দেখা যায় অনুমান হ'ব যেন লাখ লাখ জোনাকী পৰুৱা ধৰণীত নামি এক মনোৰম মনোমোহা দৃশ্যৰ অৱতাৰণা কৰিছে। এয়া এক মন মোহি পেলোৱা দৃশ্য।

প্ৰকৃতিৰ অনবদ্য সম্ভাৰেৰে জকমকীয়া লখিমীৰ (লখিমপুৰ) বুকুত প্ৰাকৃতিক পৰিবেশৰ লগতেই যেন ওতপ্ৰোতভাৱে জড়িত এই কাতি বিহুটি। শৰতৰ সুনিৰ্মল ৰিব্ ৰিব্ বা'ৰ মৃদু মধুৰ পৰশে প্ৰকৃতিৰ বুকুৰ মনোৰম সেউজীয়া ৰূপেৰে বসুন্ধৰাক সেউজীয়া দলিচা সজাই থুপি থুপি ফুলৰ মালাৰে লখিমীক (লখিমপুৰ) মনোৰমা কৰি তোলাৰ সময়টোৱেই হৈছে আহিনৰ সংক্ৰান্তি বা কাতিবিহু। আহিন আৰু কাতিমাহৰ সংক্ৰান্তিৰ বা বিহুৰ দিনা গধূলি ঘৰৰ লখিমীগৰাকীয়ে পথাৰত বন্তি দিয়েগৈ। বন্তি দি আহি চোতালৰ সন্মুখত তুলসী জোপাৰ তলত ভেটি সাজি চাকি বন্তি জ্বলাই নামকীৰ্তন কৰি মাহ-প্ৰসাদ বিতৰণ কৰা ইত্যাদিয়ে প্ৰধান। লখিমপুৰত অনেক লোকগীতো শুনা যায়। অৱশ্যে এই গীতবোৰ এই জিলাখনতে আৱদ্ধ হৈ থকা নাই। যেনে—

তুলসীৰ তলে তলে
মৃগ পহু চৰে
তাকে দেখি ৰামচন্দ্ৰই
ধেনু কাঁড ধৰে
ইত্যাদি।

পৃথিৱীয়ে সেউজীয়া শস্যৰে বুকু উপচাই অসমীয়া জাতিৰ অন্তৰত আশাৰ হেঙুলীয়া ৰেঙণি বিৰিঙাই তোলে এই সময়ছোৱাতে। লখিমীয়ে সেউজীয়া পথাৰত থিত লৈ লিহিৰী আঙুলীৰে শস্যৰ শিৰত মধুৰ পৰশ বুলাই পৃথিৱীখন বিনন্দীয়া কৰি তোলে। অসমীয়া জাতিয়ে তুলসী তলৰ বন্তিৰ জেউতিৰে পথাৰৰ লখিমীক ভঁৰাললৈ অহাৰ বাট প্ৰশস্ত কৰে। আকাশবন্তি জ্বলাই লখিমীৰ আগমনৰ পূৰ্বাভাস জনায়।

পূৰ্বতে মাঘ বিহুত মাঘী মেলা পতা দেখিছিলোঁ। আজিকালি সেয়া লোপ গ'ল। বহাগত বিহু আয়োজন কৰা গাঁৱতে দেখা আৰু বহাগৰ শেষৰ দিনা বিহু উৰুৱা ইত্যাদি অতি আন্তৰিকতাৰে উপভোগ কৰিছিলো। এতিয়া কিন্তু বিহু মঞ্চত। আধুনিক গান-বাজনা। বহাগৰ শেষত বিহু উৰুৱা, কেতিয়াবাই উৰি গ'ল। নতুন নাম দিয়া হ'ল বিহু বিদায়। বহাগী বিদায় আৰু এই বিদায় জেঠৰ তপতীয়া মাহতো উদ্‌যাপন কৰা দেখি লখিমপুৰৰ লোক সংস্কৃতিৰ দিশত ভৱিষ্যৎ যে অন্ধকাৰময় তাক নুই কৰিব নোৱাৰি আৰু তাতোকৈ নিৰ্লজ্জ সংস্কৃতি ইয়াত (লখিমপুৰ জিলাত) গঢ় লৈ উঠিছে । এই উদ্‌যাপনসমূহ আয়োজনৰ বাবে ডকাহকা দি অৰ্থ-লুণ্ঠন কৰা সংস্কৃতিৰ। অন্য প্ৰান্তৰ মানুহে হাঁহে। কাৰণ তেওঁলোকৰ তাত এনেকুৱা সংস্কৃতি নায়েই। ভাগ্য ভাল বৰ্তমান লখিমপুৰত কাতিবিহুৰ মৰ্যাদা অৱশ্যে ইয়াৰ বাসিন্দাসকলে ঠিক ধৰণেই বজাই ৰাখিছে। ইয়াৰ মূল কাৰণ অৱশ্যে এইটোৱেই যে আধ্যাত্মিক দিশত অন্য দুই বিহুৰ তুলনাত কাতিবিহুৰ মাহাত্ম্য বেছি। কাৰণ এই বিহুতে তুলসী পূজা কেৱল অসমতে নহয় সমগ্ৰ ভাৰতবৰ্ষতে পালন কৰা হয়। দাক্ষিণাত্য ৰাজ্যসমূহত কাৰ্তিক দেৱতাৰ পূজা অৰ্চনা এইমাহতে উদ্‌যাপন হয়। গোৱালপাৰাৰ কথা আগতে কোৱা হৈছেই। কাতিমাহত বন্তি প্ৰজ্বলন গোটেই মাহটোতে লখিমপুৰৰ অসমীয়া সমাজে কৰা দৃষ্টিগোচৰ হোৱা নাই যদিও ৰাজস্থানী, বিহাৰী, বেঙ্গলী সম্প্ৰদায়ৰ লোকে অৱশ্যে সম্পূৰ্ণ মাহটোতে তুলসীৰ তলত বন্তি প্ৰজ্বলন কৰে। "আকাশবন্তি" গোটেই মাহটোত জ্বলাই থকা প্ৰায়বোৰ ৰাজস্থানী সম্প্ৰদায়ৰ লোকৰ ঘৰত দেখা যায়। কাতিমাহৰ অমাৱস্যাতে দীপান্বিতা বা দেৱালী উদ্‌যাপন হয়। লক্ষ্মীদেৱীক পূজা আৰাধনা কৰা হয়।

লক্ষ্মীপূজা কাতিমাহতে উদ্‌যাপন হয়। বেঙ্গলী সম্প্ৰদায়ৰ লোকে বৰ জাকজমকতাৰে পাতে। সেই ৰাতিয়েই অসমীয়া সমাজে নামঘৰত চাকি বন্তি দি নাম প্ৰসঙ্গ কৰি শ্ৰীশ্ৰীকৃষ্ণলীলাৰ নাট মেলে আৰু কাতিৰ পূৰ্ণিমাতে উক্ত নাট মঞ্চস্থ কৰে। কাতিমাহতে অমাবস্যাৰ অৰ্থাৎ, দেৱালীৰ ছদিনৰ পিছত বিহাৰী সম্প্ৰদায়ৰ লোকে সূৰ্যপূজা কৰে। যিটোক "ছঠ" পূজা বুলি কোৱা হয়। কাতি মাহতে ৰাজস্থানী, পাঞ্জাবী জীয়াৰীহঁতে সুন্দৰ "বৰ" পাবৰ বাবে ৰাতিপুৱাতে শীতল পানীত গা ধুই তুলসী বন্দনা কৰে। বোৱাৰীসকলে স্বামীৰ দীৰ্ঘায়ু আৰু সন্তান প্ৰাপ্তিৰ বাবে বেলি উদয় হোৱাৰ আগতে ঠাণ্ডা পানীৰে গা-তিয়াই তুলসী গছত জল প্ৰদান কৰি ধূপ-ধূনাৰে পূজা-অৰ্চনা কৰা ৰাজস্থানৰ লোক-সংস্কৃতিৰ এক অঙ্গ, যিটো লখিমপুৰতো প্ৰত্যক্ষ কৰিছে তেওঁলোকে। পাঞ্জাবী সম্প্ৰদায়তো কাতিমাহ তেওঁলোকৰ বাবে এক পবিত্ৰ মাহ। দাক্ষিণাত্য অঞ্চলসমূহত কাতিমাহৰ মহত্ত্ব এক অভিলেখ।

মুঠতে লখিমপুৰৰ সমূহ জাতি সম্প্ৰদায় আৰু অন্যান্য প্ৰান্তৰ পৰা অহা বিভিন্ন সম্প্ৰদায়ৰ লোক সমাবেশিত লখিমপুৰ জিলাত কাতিবিহুক গোটেই মাহ জুৰি আধ্যাত্মিকতাৰ দিশত এক পবিত্ৰ উৎসৱ হিচাপে উদ্‌যাপন কৰা দেখা যায়।

❖❖❖

ড° জয়জ্যোতি গোস্বামী

জন্ম ঃ ১৯৬০ চন। ধলবসত্ৰ, চুঙী, যোৰহাট।

শিক্ষা ঃ স্নাতকোত্তৰ।

কৰ্মজীৱন ঃ প্ৰবক্তা, দিশপুৰ মহাবিদ্যালয়।

সাহিত্য কৃতি আৰু সাংস্কৃতিক জীৱন ঃ কবিতাপুথি (১), সু-গায়িকা হিচাপে সমাদৰ লাভ; আধুনিক গীতৰ কেছেটত কণ্ঠদান, বহুতো কাকত-আলোচনীত লিখনি প্ৰকাশ।

ৰাজহুৱা জীৱন ঃ বিভিন্ন সামাজিক, সাংস্কৃতিক অনুষ্ঠানৰ লগত ওতপ্ৰোতভাৱে জড়িত।

যোৰহাটত কাতিবিহু

অসমীয়া জনজীৱনৰ আঁহে আঁহে সোমাই থকা তিনিটা বিহুৰ ভিতৰত কাতিবিহু অন্যতম। কাতিবিহু বুলিলেই লোক কবিৰ এফাকি গীতলৈ মনত পৰে—

"বিহু বিহু বিহুটি
বিহু আমাৰ তিনিটি
কাতিবিহু কঙালী
মাঘৰবিহু ভোগালী
বহাগতে কৰোঁ ধেমালি।"

বছৰৰ ষষ্ঠমাহ আহিন আৰু সপ্তম মাহ কাতিৰ সংক্ৰান্তিৰ দিনাই কাতিবিহু। কৃষিজীৱী অসমীয়াৰ এই লোক উৎসৱ খেতিবাতিৰ লগতেই জড়িত। বহাগত বিহু নাচি, ঢোলত মেঘৰ গাজনি তুলি উৰ্ব্বৰা কৰা পথাৰত ৰুই দিয়া সেউজীয়া কঠীয়া আঘোণত পকাধান হৈ পথাৰ সোণালী হয়, ধান চপাবৰ হয়। আঘোণৰ পৰা পিছৰ কাতিলৈ বাৰমাহ, এবছৰ। সেয়ে বছৰটোৰ শেষলৈ বহুতৰে ধানমুঠিৰ টনাটনি হয়গৈ। সেয়ে এই বিহুক কঙালীবিহু বোলা হয় কিন্তু অসমীয়া জনমানসে

কঙালীকো সাদৰেৰে গ্ৰহণ কৰিব জানে। নাথাকিব পাৰে বহাগৰ ৰং-ৰহইচ, নতুবা মাঘৰ উভৈনদী ভোগ। সেইবুলি আহিন কাতিৰ সংক্ৰান্তিৰ দিনা উৎসৱ পালন নকৰাকৈ নাথাকে। এই বিহু উদ্‌যাপনৰ নীতি-নিয়মো সুকীয়া। যোৰহাটবাসীও তাৰ ব্যতিক্ৰম নহয়।

অসমৰ পুব দিশত অৱস্থিত 'দিছৈ' নগৰ, আজিৰ যোৰহাট জিলা বহুকেইখন সাৰুৱা পথাৰেৰে চহকী। সেই পথাৰৰ অন্নেৰে যোৰহটীয়া ৰাইজৰ দেহমন সুপুষ্ট। যোৰহাটৰ প্ৰতিঘৰ মানুহৰে একোটি হ'ক হ'লেও মেটমৰা ধানৰ ভঁৰাল। কাতি বিহু পালনৰ পৰম্পৰা যোৰহাটত আজিও প্ৰচলিত হৈ আছে।

বিহুৰ দিনা পুৱা গা-পা ধুই গোসাঁইঘৰত সেৱা কৰি মান্যজনক সেৱা সৎকাৰ কৰা হয়। কাতিবিহুতো ঘৰৰ সকলোৱে একেলগে বহি পিঠা-পনা, চিৰা-দৈ আদি জা-জলপান খোৱাটো নিয়ম। বিহুৰ দিনা দিনত ভাত নাখায়। জা-জলপান খায়েই কটাই দিয়ে। নিশালৈ বিহু ভাত বুলি পৰিয়ালৰ সকলো লগ হৈ মাছ্ অকণেৰে ভাত এসাজ নাখালে যোৰহটীয়া ৰাইজে সন্তোষ নাপায়। বিহু বুলি সেইদিনা ওচৰ চুবুৰীয়া, মিতিৰ কুটুমৰ ঘৰলৈও যোৱা হয়।

কাতিমাহত পথাৰত ধান গাখীৰতী হয় বা চাউল অতি কোমল অৱস্থাত থাকে। এই সময়ত ফৰিং আদি পোক-পতঙ্গই খাই ধানবোৰ অনিষ্ট কৰে। ধান গুটি পতান হয়। সেইসময়তে পথাৰৰ কাষত জুই জ্বলোৱাৰ ব্যৱস্থা কৰা হয়। ৰাতি জুইৰ পোহৰ দেখি পোক-পতঙ্গ উৰি আহি তাতে পৰি জাহ যায়।

কালক্ৰমত সংস্কৃতিৰ লাৱনী হাতৰ পৰশত হয়তো সিয়েই একোগছি বন্তি জ্বলোৱাৰ পৰম্পৰালৈ পৰিবৰ্তন হ'ল। ধান মুঠিয়ে ঠাই ললে লখিমী গোসাঁনীৰ। সেয়ে কাতিবিহুৰ দিনা ৰাতি লখিমী পথাৰত চাকি জ্বলোৱা হয়। ঠায়ে ঠায়ে আকাশবন্তিও জ্বলায়। বাঁহেৰে সৰুকৈ সঁজা এটা সাজি ভিতৰত এটা চাকি জ্বলোৱা হয়। বতাহ নালাগিবলৈ সঁজাটোৰ চাৰিওফালে ৰঙা, নীলা কাগজ আঠাৰে লগাই দিয়া হয়। পথাৰত বাঁহ এডাল পুতি ওপৰত সঁজাটো ৰচীৰে বান্ধি ওলোমাই দিয়া হয়। কোনো কোনোৱে কেইবা মুখীয়া পিতলৰ চাকি জ্বলায়ো এইদৰে ওলোমাই দিয়ে। ৰাতি আকাশবন্তিৰ এনে শোভা বৰ মনোৰম। তদুপৰি ঘৰৰ পদূলি, ভঁৰাল, বৰ ঘৰ সকলোতে চাকি জ্বলোৱা হয়।

যোৰহাটৰ ঘৰে ঘৰে কাতিবিহুৰ দিনা সন্ধিয়া উদ্‌যাপিত আটাইতকৈ আকৰ্ষণীয় উৎসৱটো হৈছে তুলসী ৰোৱা। ল'ৰা-ছোৱালীবোৰে বৰ আনন্দ উলাহেৰে এই কাম কৰে। প্ৰথমে চোতালৰ এমূৰত সৰুকৈ মাটিৰে টিপ সাজি তাতে তুলসী পুলি ৰোৱে। ৰঙা মাটিৰে সজা টিপটো মচি-কাচি ধুনীয়া কৰা হয়। সন্ধিয়া গা-পা ধুই তুলসী পুলিৰ তলত কলপাত পাৰি ধূপ চাকি লগোৱা হয়। মাহ-প্ৰসাদো

আগবঢ়োৱা হয়। ল'ৰা-ছোৱালীবোৰে তাৰ কাষতে বহি নাম কীৰ্তন কৰে। যেনে—

"তুলসীৰ তলে তলে মৃগ পহু চৰে
তাকে দেখি ৰাম চন্দ্ৰই শৰধনু যোৰে"।
"তুলসী তুলসী অ' আই তুলসী
তুমি গোবিন্দৰ প্ৰিয়া।" ইত্যাদি।

যোৰহাটৰ সত্ৰ সমূহতো এই কৃষি উৎসৱটি বৈষ্ণৱ পৰম্পৰাৰে পালন কৰা হয়। উপৰোক্ত লোকাচাৰসমূহ পালন কৰাৰ উপৰিও বিহুৰ দিনাখন পুৱা নৈমিত্তিক প্ৰসঙ্গ কৰা হয়। দুপৰীয়া ভকত বৈষ্ণৱ গোট খাই নামকীৰ্তন কৰে। নামৰ অন্তত মাহ-প্ৰসাদ আৰু সত্ৰত যোগাৰ কৰা অৰ্থাৎ ভকতলৈ আগবঢোৱা পিঠা-পনা আদি খাই গুৰু সেৱা কৰি ভকতসকল ঘৰাঘৰি যায়। বিহু বুলি সত্ৰৰ নামঘৰলৈ গুৱাপাণ এটি আগবঢোৱাটো পৰম পবিত্ৰ কৰ্তব্য বুলি ধৰা হয়।

নামঘৰত নামৰ অন্তত ভকত বৈষ্ণৱে এই বুলি আশীৰ্বাদ দিয়া শুনা যায় 'ভাল বোলে ৰজোগুণে বহাগবিহু, তমোগুণে মাঘবিহু, সত্বগুণে কাতিবিহু। এই কাতিবিহু উপলক্ষে আজি এই সেৱা ভাগ ধৰা হৈছে' ইত্যাদি। সঁচাকৈয়ে কাতিবিহুত বহাগৰ উন্মাদনা নাই, মাঘৰ ভোজন বিলাস নাই, আছে মাথো অন্তৰত শ্ৰদ্ধা ভক্তি বিজড়িত সাত্বিক ভাব জগাই তুলিব পৰাকৈ একোগছি বন্তি জ্বলোৱাৰ পৰম্পৰা। এই গছি বন্তিয়ে আমাৰ দেশক, ৰাইজক আকাল দাৰিদ্ৰৰ পৰা ৰক্ষা কৰে। 'সৰ্বজন সুখায়', 'সৰ্বজন হিতায়' এই যি মঙ্গলময় পৰম্পৰা, এই পৰম্পৰাই সম্প্ৰীতিৰ এনাজৰীডালো ছিগি যাব নোৱাৰাকৈ বান্ধি ৰাখে।

❖❖❖

খগেন বৰঠাকুৰ

জন্ম ঃ ১৯৪২ চন। যোৰহাট জিলাৰ গৰুমৰা।

শিক্ষা ঃ প্ৰাক্ স্নাতক।

কৰ্মজীৱন ঃ ১৯৬০ চনত মাজুলীৰ ২ নং গড়মূৰ প্ৰাথমিক বিদ্যালয়ত শিক্ষকতা আৰম্ভ কৰি ২০০০ চনৰ ফেব্ৰুবাৰীত অৱসৰ গ্ৰহণ।

সাহিত্য কৃতি আৰু সাংস্কৃতিক জীৱন ঃ নাটক ৰচনা (১), স্থানীয় আলোচনীত গল্প, কবিতা প্ৰকাশ, অভিনেতা আৰু ফুটবল খেলুৱৈ।

ৰাজহুৱা জীৱন ঃ বংশীগোপাল নাট্য সমিতি; সাহিত্য সভা, সত্ৰ পৰিচালনা সমিতি আৰু সত্ৰীয়া সংস্কৃতিৰ লগত বিশেষভাৱে জড়িত।

মাজুলীত 'কাতিবিহু' প্ৰসঙ্গত

প্ৰকৃতিৰ ৰম্য ভূমি মাজুলী, শান্তিৰ স্থল। যাৰ মাটি কালি ১২৫০ কিঃ মিটাৰৰ পৰিবৰ্তে বৰ্তমানে ৬৫০ কিঃ মিটাৰ হৈছেগৈ। প্ৰকৃতিৰ নিজা সৃষ্টি,পৃথিবীৰ সৰ্ববৃহৎ নদী দ্বীপটোৱেই মাজুলী। শংকৰ-মাধৱৰ পদৰেণু ৰঞ্জিত ধোৱাহাট আজিও বিৰাজমান। প্ৰবল বানপানী, প্ৰাকৃতিক দুৰ্যোগেৰে লগ নেৰা মাজুলীখনি শান্তি সম্প্ৰীতিৰ আৰু সুখৰ ভঁৰাল হোৱাৰ বাবেই নেকি ত্ৰিকালজ্ঞ মহাপুৰুষসকলে এখনৰ পিছত এখনকৈ শুনামতে, প্ৰখ্যাত ৬০/৬২ খন নামি অনামি সত্ৰ স্থাপন কৰাৰ প্ৰয়াস কৰিছিল। বিভিন্ন সম্প্ৰদায়ৰ ১৪/১৫টা জাতিৰ মিলনভূমি মাজুলীত নিজা জাতি সম্প্ৰদায়ৰ অতীজৰ ৰীতি-নীতি, সাজ-পোছাক, খাদ্য, বসবাস পদ্ধতি অক্ষুণ্ণ ৰাখিও কিন্তু অসমৰ বাপতি-সাহোন স্বৰূপ বিহুক বুকুৰ মাজৰ পৰা এৰি দিয়া নাই। কোনোবা যুগৰ পৰা অধিবাসীৰ মাজত চলি অহা বাপতি সাহোন স্বৰূপ বিহুকেইটাৰ ভিতৰৰে কাতিবিহুও অন্যতম। এই কাতিবিহুক মাজুলীৰ সত্ৰ কেইখনত এটা বেলেগ পৰম্পৰা চলি আহিছে। নানান দুৰ্যোগৰ মাজতো পৰম্পৰা

ধৰি ৰখাতো মাজুলীবাসীৰ এক বেলেগ কৃতিত্ব। এই পৰম্পৰা ৰক্ষা কৰি অহাতো মাজুলীৰ সমাজ ব্যৱস্থাৰ এটা অঙ্গ।

আহিনৰ সংক্ৰান্তিৰ দিনটোৱেই কাতিবিহু ও তুলসী পূজা হিচাপে চলি আহিছে। সংক্ৰান্তিৰ দিনা সন্ধ্যাৰ লগে লগে এজুপি নতুন তুলসী প্ৰতিঘৰ অসমীয়াৰ দুৱাৰ মুখত ৰুই এগছি বন্তি জ্বলাই কণ কণ ল'ৰা-ছোৱালীৰ যোগে "তুলসীৰ তলে মৃগ পছ চৰে তাকে দেখি ৰামচন্দ্ৰই শৰধনু ধৰে।" এই গীতটি গোৱাই তুলসীৰ তলত অৰ্পণ কৰা মাহ প্ৰসাদ নাখালে মনটো শুদ্ধ যেনেই নালাগে। তুলসীৰ তলত মৃগ পছ চৰেনে নাই আমি নাজানো। কিন্তু ই পৰম্পৰা। তুলসী পাতত লাগি বৈ অহা বতাহ স্বাস্থ্যৰ বাবে হিতকৰ, ই কফ নিৰাময়ৰ গুণ নিহিত।

তাতোকৈ চৰা প্ৰতিজন কৃষকে নিজৰ নতুন শস্যৰ মাজত কাতিবিহুৰ দিনা এগছি বন্তি প্ৰদান কৰা আৰু মাজুলীৰ সৰু বৰ সত্ৰ বিভেদে "আকাশবন্তি" জ্বলোৱা। জনবিশ্বাসমতে, খেতিৰ মাজত বন্তি প্ৰজ্বলনে খেতিৰ মাজত কীট-নাশক আৰু আকাঁশবন্তিয়ে বায়ু প্ৰদূষণ ৰোধ কৰে। এই পৰম্পৰা মানিবলৈ গৈ আকাশবন্তি জ্বলাওঁতাজনে মাহ জোৰা নিৰামিষ আহাৰ ভোজন কৰি ৰজা, প্ৰজা সকলোৰে বাবে মঙ্গল কামনা কৰি সংকল্প ল'ব লগা হয়।

কিন্তু ভয় লাগে ১২৫০ কিঃ মিটাৰৰ পৰা ৬৫০ কিঃ মিটাৰলৈ মাজুলীৰ মাটি কালি কমি যোৱালৈ চাই অসমৰ অসমীয়া পৰম্পৰা ৰক্ষা কৰি অহা মাজুলী World Heritage ঘোষণা কৰাৰ আগতেই এদিন নিচিহ্ন হৈ কাগজৰ মান চিত্ৰতহে ৰ'বগৈ নে কি বাৰু?

❖❖❖

কীৰ্তি কমল ভূঞা

জন্ম : ১৯৪৪ চন। গোলাঘাট জিলাৰ কছাৰিহাট কাকতি গাঁও।

শিক্ষা : স্নাতক।

কৰ্মজীৱন : আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ জ্যেষ্ঠ ঘোষক।

সাহিত্য কৃতি আৰু সাংস্কৃতিক জীৱন : অনুবাদ সাহিত্য (৩), প্ৰতিষ্ঠিত গীতিকাৰ, বহুতো মৌলিক নাটক, ৰূপক, সঙ্গীতালেখ্য আদিৰ ৰচক, বিভিন্ন কাকত আলোচনীত গল্প, কবিতা আদি প্ৰকাশ।

ৰাজহুৱা জীৱন : বহুতো সামাজিক, সাংস্কৃতিক আৰু সাহিত্য অনুষ্ঠানৰ লগত জড়িত আৰু পৰামৰ্শদাতা।

গোলাঘাট অঞ্চলত কাতিবিহু

কৃষিজীৱী সমাজৰ পৰম্পৰাগত উছৱ হিচাপে অসমৰ বহাগবিহু আৰু মাঘবিহুৰ দৰেই কাতিবিহুৰ তাৎপৰ্যও নিশ্চয় অনস্বীকাৰ্য, কিন্তু এই বিহুত ৰঙালীৰ ৰং কিম্বা ভোগালীৰ ভোগৰ পয়োভৰ এইবোৰৰ একোৱেই পাবলৈ নাই। সেয়েহে বোধকৰো এই বিহুক কঙালীবিহু আখ্যা দিয়া হৈছে। অৱশ্যে এই আখ্যাৰ অন্য এটি হেতুও নথকা নহয়। এই বিহুৰ সময়ত গাঁৱে-ভূঞে কিছু দুখীয়া অৱস্থাৰ কৃষক পৰিয়ালবোৰৰ সৰ্বসাধাৰণতে খোৱাৰ নাটনি পৰে। বিশেষকৈ যিসকল দুখীয়া কৃষকৰ বছৰৰ শালি খেতিটোৱেই জীৱিকাৰ প্ৰধান অৱলম্বন, তেওঁলোকে বছৰটোৰ আৰ্জিত ধান-চাউল আদি বিক্ৰী কৰিয়েই ঘৰৰ ৰাজহী-টুটহি সকলোবিধ জোৰা মাৰিবলগা হয়। ইফালে আঘোণত ন-ধান চপোৱালৈ পূৰা এটা মাহ বাকী থাকে। গতিকে এনেবোৰ খেতিয়ক পৰিয়ালে এইখিনি সময়ত ভাতমুঠিৰ ক্ষেত্ৰত কিছু হাত ধৰি চলিবলগা হয়; নহলে বা স্বচ্ছল অৱস্থাৰ কোনো এজনৰ পৰা ধাৰ কৰি আনি ভাতমুঠিৰ যোগাৰ ধৰিবলগা হয়। এইদৰে সমাজৰ একাংশৰ বাবে

একপ্ৰকাৰ কাঙাল অৱস্থাৰ সৃষ্টি হোৱাৰ পৰিপ্ৰেক্ষিতত এইখিনি সময়ত উদ্‌যাপিত এই বিহুৰ নাম সম্ভৱতঃ কঙালীবিহু হ'ল।

সি যি কি নহওক, গোলাঘাট অঞ্চলৰ কাতিবিহুৰ কথা ক'বলৈ যাওঁতে এসময়ত অন্যতম মহকুমা হিচাপে পুৰণা শিৱসাগৰ জিলাৰ অন্তৰ্গত আৰু আজি কিছুবছৰৰ পূৰ্বে গোলাঘাট, ধনশিৰি আৰু বোকাখাত মহকুমাক লৈ গঠিত বৰ্তমানৰ গোলাঘাট জিলাকে সামৰি লোৱা হৈছে। উল্লেখযোগ্য যে উত্তৰে লক্ষীমপুৰ জিলাৰ একাংশ আৰু শোণিতপুৰ জিলা, পূবে যোৰহাট জিলা, দক্ষিণে নাগালেণ্ড আৰু পশ্চিমে কাৰ্বি আংলং জিলাৰ দ্বাৰা পৰিবেষ্টিত এই ভূখণ্ডকো প্ৰাকৃতিক তথা নৃ-গোষ্ঠীয় বৈচিত্ৰই এক বৰ্ণাঢ্য ৰূপ প্ৰদান কৰিছে। অসমৰ অন্যান্য ঠাইৰ দৰেই এই গোলাঘাট অঞ্চলতো অতীজৰে পৰা পৰম্পৰাগতভাৱে কাতিবিহু পালন কৰা হৈ আহিছে। আহিন মাহৰ সংক্ৰান্তিৰ দিনা উদ্‌যাপিত এই কাতিবিহুৰ দিনাও পুৱাবেলা, বছৰৰ আন দুটি বিহুত কৰাৰ দৰেই ঘৰৰ গৃহিণী গৰাকীকে মুখ্য কৰি জীয়ৰী-বোৱাৰীসকলে ঘৰ-চোতাল সাৰি, গোবৰ-মাটিৰে মচি পৰিষ্কাৰ কৰে। ঘৰৰ কোনো এজন বয়স্ক পুৰুষ বা ল'ৰা এটিয়ে নতুন তুলসী পুলি এটি সংগ্ৰহ কৰি আনি চোতালৰ আগৰ পুৰণা তুলসী-ভেটিৰ কাষতে ৰোৱে। ৰুই থওঁতাই তুলসী-পুলিৰ চাৰিওফালে মাটিৰে সৰু টিপ কৰি (ভেটি বান্ধি) দিয়া হয়। তাৰ পিছত উক্ত ভেটি চাৰিওফালে সমানকৈ কাটি মচি-কাচি ধুনীয়া কৰা হয়। এই তুলসী পুলি আকৌ পুৰুষ মানুহেহে ৰোৱাটো নিয়ম। প্ৰচলিত লোকবিশ্বাস অনুসাৰে তিৰোতাই তুলসী ৰুব নাপায় বুলি কোৱা হয়। সামৰ্থ্য থকাসকলে বিহুৰ নামত কিছু যোগাৰ কৰি পিঠা-পনা ভাজে, আনহাতে গাঁৱৰ ঘৰ একোখনত সাধাৰণতে চিৰা-সান্দহ আদি জা-জলপানৰ যোগাৰ থাকেই। সেয়ে হ'লেও ঘৰৰ তিৰোতাসকলে উৰুকাৰ নিশাই (বিহুৰ আগনিশা) এইখিনি সাজু কৰি থয়। বিহুৰ দিনা পুৱা চাহ জলপানৰ লগতে আটায়ে এইদৰে সামান্যৰূপে যোগাৰ কৰা পিঠা-পনাৰো জুতি লয়। এই বিহুতো মান্যজনক সেৱা একোটিৰে সন্মান জনোৱাৰ প্ৰথা আছে। কিন্তু বহাগৰ বিহুত কৰাৰ দৰে এই সেৱাৰ বেলিকা গামোচা বা তেনে ধৰণৰ আন কোনো সামগ্ৰী মাননি হিচাপে আগবঢ়োৱা নহয়। সিদিনা দিনৰ সাঁজ ভাত খোৱা নহয়। ভাতৰ পৰিবৰ্তে ওপৰত উল্লেখ কৰাৰ দৰে জা-জলপান আদিয়েই খোৱা হয়।

সন্ধিয়া নমাৰ লগে লগে ধাননি পথাৰ, ভঁৰালৰ আগ, পদূলিমুখ আৰু ঘৰৰ চৌহদৰ শাকনিবাৰী, ফুলনিবাৰী আদিত মাটিৰ চাকি জ্বলোৱা হয়। আকৌ, নতুন তুলসী-ভেটিৰ সমুখত চাকি এগছি আৰু লগতে ধূপ-ধূনা জ্বলাই, মাহ-প্ৰসাদ,

কল-কুঁহিয়াৰ আদি আগ আগবঢ়াই নাম-কীৰ্ত্তন কৰা হয়। সাধাৰণতে চুবুৰীৰ সৰু ল'ৰা-ছোৱালীহঁতে মিলি প্ৰতি ঘৰতে এই নাম গায়—

"তুলসীৰ তলে মৃগ পহু চৰে।
তাক দেখি ৰামচন্দ্ৰই শৰধনু ধৰে।।"

নামৰ অন্তত ল'ৰা-ছোৱালীহঁতে মাহ-প্ৰসাদ ভগাই খায় আৰু ঘৰলৈও আনে। ইপিনে সন্ধিয়া হোৱাৰ লগে লগে গাঁৱৰ ৰাজহুৱা নামঘৰত ৰাইজ সমবেত হৈ কাতি বিহু উপলক্ষে ভগৱন্তৰ শ্ৰীচৰণত এখনি শৰাই আগবঢ়াই নাম-কীৰ্ত্তন কৰে। এই নাম-কীৰ্ত্তনৰ যোগাৰৰ বাবে গাঁৱৰ প্ৰতিঘৰৰে পৰা আগতীয়াকৈ পঁচা (চান্দা) সংগ্ৰহ কৰা হয়। নাম-কীৰ্ত্তনৰ শেষত গাঁৱৰ সবাৰে কল্যাণৰ হকে ভগৱন্তৰ ওচৰত প্ৰাৰ্থনা জনাই ৰাইজ ঘৰাঘৰি যায়।

এনেবোৰ আচাৰ-অনুষ্ঠানৰ মাজেৰেই এদিনীয়াকৈ পালন কৰা কাতিবিহুৰ সামৰণি পৰে।

❖❖❖

সদানন্দ বৰদলৈ

জন্ম ঃ ১৯৪৪ চন। শোণিতপুৰ জিলাৰ জামুগুৰিহাট।

শিক্ষা ঃ বি, এ, বি, টি।

কৰ্মজীৱন ঃ অসম চৰকাৰৰ বিত্ত বিভাগৰ কোষাগাৰ প্ৰাধিকাৰীৰ পৰা পদোন্নতি হৈ অসম সচিবালয়ত কেইবাটাও বিভাগৰ বিত্তীয় উপদেষ্টা হিচাপে কাৰ্যনিৰ্বাহ কৰি অৱসৰ গ্ৰহণ।

সাহিত্য কৃতি আৰু সাংস্কৃতিক জীৱন ঃ বিভিন্ন কাকত আলোচনীত লেখা প্ৰকাশ।

ৰাজহুৱা জীৱন ঃ বহুতো আৰ্থ-সামাজিক আৰু সাহিত্য-সাংস্কৃতিক অনুষ্ঠানৰ লগত ওতপ্ৰোতভাৱে জড়িত।

শোণিতপুৰ জিলাত কাতিবিহু উদ্‌যাপন

ভাৰতৰে পূৰ্বদেশৰ সূৰ্য উঠা দেশ এই অসম। অন্যান্য জিলাসমূহৰ লগতে অসমৰ শোণিতপুৰ জিলাও প্ৰকৃতিৰ জাকজমক সাজেৰে সুসজ্জিত আৰু অনেক সৰু বৰ নদী-উপনদী আৰু গছ-গছনিৰে শুৱনি শান্ত প্ৰকৃতিৰ এক পৰিৱেশৰ স্থলী। বাণৰজাৰ শোণিতপুৰ, জীয়ৰী উষাৰ জন্মভূমি আৰু ভগৱান শ্ৰীকৃষ্ণৰ নাতি অনিৰুদ্ধ কোঁৱৰৰ সু-আগমনৰ স্থান। কাতিবিহুৰ যেতিয়া আগমন হয় পথাৰৰ ৰং হৈ থাকে ঘন সেউজীয়া। ধান খেতিৰ দ চানেকীয়া ঠাইবোৰত বাৰিষাৰ পানীৰ অন্তৰ্ধান তেতিয়াও প্ৰায় নহয়েই। বোৱাবিলাকৰ গুৰিত কিছু কিছু পানী থাকে, মাজে মাজে ঘাঁহ গজে, বিশেষকৈ পথাৰৰ মাজৰ সৰু সৰু আলিবোৰত। দূৰৰ পৰা চালে এনেহে লাগে যেন এখন অতি বহল সেউজীয়া কাপোৰেৰে গোটেই পথাৰখন ঢাকি থোৱা আছে। ঠিক এনে সময়তে পথাৰৰ কোনো কোনো ঠাইত বোৱাবিলাকৰ মূৰত দুথোক, এথোক কেঁচা-ধানৰ আবিৰ্ভাৱ হোৱা দেখা পোৱা যায়। ভিতৰত কিন্তু চাউল পূৰঠ হবৰ হোৱা নাই। সৰুতে আমি তাৰে দুটা এটা ধান ছিঙি ভিতৰত থকা গাখীৰৰ দৰে বসকণ উলিয়াই কপালত ফোঁট লৈ

আনন্দ কৰিছিলো। পথাৰৰ এই সময়ৰ সেউজীৰূপে আমাক যেন কৈছিল আৰু কিমান দিন এইদৰে কপালত ফোঁট লবা। দুমাহ পিছতেই এই সেউজীয়া কাপোৰৰ ঠাইত সোণালী দলিচা পাৰি দিম। তেতিয়া আৰু সেউজীয়া ধানৰ গোট ছিঙি কপালত ফোঁট লোৱাৰ দিন নেথাকিব— পূৰঠ ধানেৰে পথাৰ সোণালী হৈ থাকিব।

যি নহওক এনেহেন সময়তে কাতিবিহু আহি ভুমুকি মৰাৰ মুহূৰ্তত গাঁৱৰ মানুহৰ কোনো কোনোৰ খেতিৰ ধানে ভঁৰালৰ তলি চোৰেগৈ। কেৱল ধানেৰে ধনী গাঁৱলীয়া অসমীয়া মানুহৰ যাৰ ধান মুঠি নাথাকিলেই অন্যবিলাক দিশৰ পৰাও নাটনি পৰে আৰু আলু, কবি, শাক-পাচলি আদিৰ খেতি কৰাৰ কাৰণে নিৰ্দিষ্ট মাটিখিনিও যেতিয়া বাৰিষাৰ জেকনিৰ পৰা মুক্ত হোৱাৰ সময় আহি পোৱা নাই তেনে সময়তে অসমীয়াৰ বাপতিসাহন তিনিবিহুৰ ভিতৰত মাজৰটি কাতিবিহুৱে আগমন কৰি গাঁৱৰ অসমীয়া মানুহক অভাৱৰ মাজতো এক শান্ত আৰু নিৰিবিলি আনন্দ বিলাবলৈ আহে। নাম দিয়া হয় কঙালী অৰ্থাৎ প্ৰাচুৰ্যৰ সময়ত বহাগ আৰু মাঘমাহত ৰঙালী আৰু ভোগালীবিহুক আদৰাৰ দৰে কাতিবিহুক আদৰিবলৈ গাঁৱৰ মানুহৰ শক্তি সামৰ্থ্যৰ কিছু অভাৱৰ বাবেই কোৱা হয় 'কাতিবিহু' কঙালী।

আমাৰ মনত পৰে ল'ৰা-কালতে আমি প্ৰাইমাৰী আৰু হাইস্কুলত পঢ়াকালত গাঁওবিলাকৰ আলি-পদূলিবোৰ আজিৰ দৰে উন্নত নাছিল। কেঁচা আলি পদূলিবোৰৰ দুযোকাষে আছিল দ-বাম নৰ্দমাবোৰ— যিবোৰত বাৰিষাৰ পানী জমা হৈছিল আৰু ভৰ বাৰিষাৰ সময়ত নৰ্দমাবোৰেদি বৈ গৈছিল বৰষুণৰ পানীৰ সোঁত। নৰ্দমাবোৰত পথাৰ আৰু পুখুৰীৰ মাছে ঠাই লৈছিল আৰু বৰশীৰে মাছ ধৰিবলৈ ডাঙৰ পুখুৰীলৈ নগৈ নৰ্দমাবোৰতেই গৰৈ, কাৱৈ ইত্যাদি মাছ ধৰিব পৰা গৈছিল। কাতিবিহু অহাৰ সময়ত কেঁচা নৰ্দমাবোৰৰ পানী শুকাবলৈ ধৰাৰ লগে লগে তাত থকা মাছ পুঠিবিলাক আবদ্ধ হৈ নৰ্দমাৰ কমি যোৱা পানীতে থাকিব লগা হোৱাত মাছ ধৰা সহজ হৈ পৰিছিল। কাতিবিহুৰ সময়ত নৰ্দমাত আবদ্ধ এনে গৰৈ, কাৱৈ, চেঙেলী ইত্যাদি মাছবিলাক ধৰাৰ আনন্দ আমি সমূহ গাঁৱৰ ল'ৰা-ছোৱালীয়ে উপভোগ কৰিছিলো।

কাতিবিহুলৈ এসপ্তাহমান সময় থকা কালত ঘৰৰ সন্মুখৰ এনে নৰ্দমাবিলাকৰ মাছ পুঠিবিলাক ধৰি চাফা কৰা হৈছিল। পদূলিৰ চোতালত গজি উঠা বাৰিষাৰ ঘাঁহ-বন বিলাক চাফা কৰি চোতাল পৰিষ্কাৰ কৰা হৈছিল।

এনে পৰিষ্কাৰ চোতালখনত তুলসীৰ পুলি ৰুবৰ কাৰণে সৰু মাটিৰ ভেটি এটা কৰি ঠাই উলিওৱা হৈছিল আৰু বিহুৰ সময়ত তাতে এটা নতুনকৈ তুলসীৰ পুলি ৰোৱা হৈছিল। গৃহস্থৰ ঘৰৰ সন্মুখৰ এনে পৰিষ্কাৰ চোতালখনত আহিন মাহৰ পৰিষ্কাৰ আকাশৰ পৰা সন্ধিয়াৰ জোনাকে এটি শান্ত শিষ্ট গধূলিৰ পৰিৱেশ

নমাই আনিছিল আৰু অভাৱৰ মাজতো কাতিবিহুৰ শান্ত ৰূপ লৈ গৃহস্থই অপেক্ষা কৰিছিল কাতিবিহুৰ দিনটোলৈ। এইখিনি সময়ত গাঁৱৰ মানুহৰ জিকা, ভোল আদি পাচলিয়েই আছিল সম্বল, আলু কচু আদিৰ খেতি মাত্র আৰম্ভ কৰাৰ সময়হে হৈছিল, ভৰপক হোৱাৰ সময় হোৱা নাছিল। সেইকাৰণে পাহাৰৰ নামনি অঞ্চলৰ পৰা গাঁৱলৈ নামি অহা বিভিন্ন জনজাতীয় লোকৰপৰা সামান্য ধান চাউলৰ বিনিময়ত আলু, কচু আৰু বিভিন্ন শাকৰ মুঠা গাঁৱৰ মানুহে বিনিময় কৰিছিল।

অসমৰ অন্যান্য জিলাৰ লগতে শোণিতপুৰ জিলাতো কাতিবিহুৰ অন্যতম দিশ বন্তি প্ৰজ্বলন। যি হেমন্ত ঋতুৰ সময়ত কাতিবিহুৱে আগমন কৰে প্ৰকৃতপক্ষে সেই গোটেই সময়খিনিয়েই বন্তি প্ৰজ্বলনৰ এক বিশেষ সময় হিচাপে আমি অসমীয়া মানুহে পাই আহিছো। বাৰিবাৰ বোকাপানী অন্তৰ্ধান হোৱাৰ পিছত নিৰ্মল আকাশৰ তলত গধূলিৰ বন্তিয়ে হেমন্ত ঋতুৰ শোভা বৰ্দ্ধন কৰে। এই সময়ছোৱাৰ ভিতৰতে পালন কৰা দীপান্বিতাৰ বন্তিৰ নিৰ্মল সুবাসো যেন কাতিবিহুৰ বন্তিৰ লগত সমসাময়িক ৰূপে মিলিত হৈ কাতিবিহুৰ শোভা বৰ্ধন কৰিবলৈহে আহে।

পৰিষ্কাৰ চোতালত তুলসীৰ পুলি ৰুই ঠাই মচি আদৰেৰে তুলসীৰ গুৰিত গধূলি চাকি-বন্তি জ্বলাই, নাম-গুণ, কীৰ্তন আদি কৰি কাতিবিহু পালন কৰা শোণিতপুৰ জিলাৰ গাঁৱৰ মানুহৰ এটি পৰম্পৰা।

এদিনৰ কাৰণে হ'লেও দুখীয়াৰ দুখ পাহৰি গাঁৱৰ মানুহে নিজৰ খেতিৰ পথাৰখনত সেউজীয়া লখিমীৰ ওচৰত প্ৰণাম কৰি ওখকৈ এগছি চাকি দিয়ে। নিজৰ ভঁৰাল ঘৰটিৰ সন্মুখত চাকি দিয়ে। সাধ্যানুসাৰে অন্য দুটি ৰঙালী আৰু ভোগালীবিহুৰ নিচিনাকৈ পিঠা-পনা তৈয়াৰ কৰে আৰু বিহুৰ দিনা তুলসীৰ গুৰিত গধূলি নামগুণ গাওঁতে মাহ প্ৰসাদ আগবঢ়ায়। চিৰা আৰু দৈ অন্য বিহুৰ নিচিনাকৈ কাতিবিহুৰো সুস্বাদু সামগ্ৰী। মুঠতে কাতিবিহু অন্য দুটি বিহুৰ দৰে জাকজমক নহলেও লেখত লবলগীয়া উৎসৱৰ তালিকাত কাতিবিহুক এক বিশেষ স্থানেই আগবঢ়াই আহিছে শোণিতপুৰ জিলাৰ গাঁওবাসীয়ে।

সামগ্ৰিকভাবে শান্ত আৰু শান্তিপ্ৰিয় শোণিতপুৰ বাসী অসমীয়া গাঁৱলীয়া বাইজৰ মিচিং, কছাৰী, চাহবনুৱা, নেপালী ইত্যাদি বিভিন্ন গোষ্ঠীয় লোকৰ সৈতে সৌহাৰ্দ্যপূৰ্ণ সমন্ধত কাতিমাহৰ দিনকেইটা প্ৰায় আনন্দৰেই পাৰ হয়। গোটেই কাতিমাহটো গৃহস্থই চোতালৰ তুলসীৰ গুৰিত গধূলি চাকি দিয়ে। তুলসী গছৰ গাত এঘটি পানী ঢালি তুলসীৰ গা ধুৱায়। শাস্ত্ৰমতে তুলসীক এক দেৱীৰ লগত তুলনা কৰা হয়। তুলসী দেৱীক ঘৰৰ চোতালৰ আগত গোটেই কাতিমাহ চাকি-বন্তি জ্বলাই প্ৰাৰ্থনা কৰিলে আগন্তুক শীত কালৰ ঋতুত উদ্ভৱ হ'ব পৰা শীত জনিত অসুখ-বিসুখৰ পৰা ৰেহাই পোৱা যায় বুলি মানুহৰ বিশ্বাস। কবিৰাজী চিকিৎসা মতেও তুলসীৰ পাতৰ ৰস কাহ, কফ আদিৰ বাবে মহৌষধ।

শোণিতপুৰ জিলাত অসমীয়া ৰাইজকে ধৰি বিভিন্ন জনগোষ্ঠীয় লোকে কাতিবিহু উদ্‌যাপন কৰে। অৱশ্যে সকলোৱে পালন কৰাৰ পদ্ধতিৰ কিছু বিভিন্নতা আছে। ইয়াৰ মিচিং, মিকিৰ, কছাৰীসকলে পথাৰত চাকি জ্বলাই। তুলসী গছ অৱশ্যে নোৰোৱে। নিজ নিজ ঘৰত কাতিবিহুক তেওঁলোকৰ নিজা অন্যান্য উৎসৱৰ দৰে উৎসৱ হিচাপে পালন কৰাৰ ৰীতি তেওঁলোকৰ মাজত অৱশ্যে নাই। নেপালীসকলেও কেৱল পথাৰত আৰু ঘৰতহে চাকি জ্বলায়। চাহ মজদুৰ জনজাতিসকলৰ মাজত কিন্তু তুলসী ৰোৱাৰ প্ৰথা আছে। মিচিংসকলৰ মাজত কাতি বিহুৰ সময়ত চাকি জ্বলোৱা উৎসৱক 'অগ্ৰাতি' নামেৰেও জনা যায়।

স্বভাৱতে সৰল আৰু সাধাৰণ অসমীয়া মানুহখিনিৰ মনলৈ, জীৱনলৈ সমাজলৈ অসাধাৰণ উদ্দীপনা আৰু আনন্দ কঢ়িয়াই আনে বিহু পূজা ইদ্ ইত্যাদি নানাৰঙী উৎসৱ সমূহে। মনবোৰ কিছুসময়ৰ কাৰণে হ'লেও বৈচিত্ৰ্যৰ বোলেৰে বোলাই যায় এই উৎসৱসমূহে বিচিত্ৰ ৰঙেৰে। উৎসৱৰ উখল-মাখলত নিজ নিজ দুখবোৰ, অভাববোৰ আৰু সমস্যাবোৰ ক'ৰবাত লুকাই পৰে। মনবোৰ ভৰি উঠে অনিৰ্বচনীয় আনন্দেৰে, হিয়াবোৰ উদাৰ হয় আকাশৰ দৰে। দেহাবোৰ উৰো উৰো হয় বয়স আৰু সীমাৰ পৰিধি পাহৰি। পূজা, বিহু, ইদ্, বৰদিন আদি সকলোতে জাতি, বৰ্ণ, ধৰ্ম, গোষ্ঠীৰ বিভাজন পাহৰি প্ৰায় সমভাৱে আৰু আন্তৰিকতাৰে সকলোৱে একেলগে উৎসৱ উপভোগ কৰিব পৰা অসমীয়া জাতিৰ দৰে দৃষ্টান্ত অন্য ক'ৰবাত বিচাৰি পোৱাটো ইমান সহজ নহয়। পৰস্পৰৰ মাজত থকা অসূয়া-অনীহা, অশান্তি, উদ্বেগ ক্ষন্তেকৰ কাৰণে হ'লেও পাহৰি উৎসৱৰ ৰং-ৰহইচ্‌ত নিজকে বিলাই দিয়াতো অসমীয়াৰ সৰল বিলাসিতা।

অসমীয়াৰ আটাইতকৈ বুকুৰ আপোন বাপতিসাহোন বিহুৰ সৃষ্টি ক'ত, কেতিয়া কেনেকৈ হ'ল, বিহু শব্দৰ উৎপত্তি কেনেকৈ হ'ল তেনেবোৰ দিশৰ ঐতিহাসিক ব্যাখ্যা আমি একাষৰীয়াকৈ থলো। কাৰণ সেয়া আমাৰ নিবন্ধৰ বিষয়-বস্তু নহয়। বিহু আমাৰ কিমান আপোন কিমান মৰমৰ সেই কথা আমি অসমীয়া মাত্ৰেই উপলব্ধি কৰিব পাৰো। বিহুতে সোমাই আছে সংস্কৃতিবান অসমীয়া মানুহৰ শিল্পী সত্তা। বিহুৱে প্ৰকাশ কৰে কেঁচা যৌৱনৰ উন্মুক্ত প্ৰকাশ আৰু সুৰুচিসম্পন্ন ৰূপ। বিহু কৃষিজীৱী অসমীয়াৰ সেউজীয়া গ্ৰাম্য জীৱনৰ সহজ সৰল প্ৰতিচ্ছবি। বিহুৱে দেখুৱাই দিয়ে প্ৰাচুৰ্যক প্ৰাণভৰি উপভোগ কৰিব পৰা অসমীয়াৰ ৰূপটোক।

কিন্তু সেয়ে হ'লেও কেৱল প্ৰাচুৰ্য বা প্ৰেম-প্ৰীতিৰ মূৰ্ত্ত প্ৰকাশতেই বিহুৰ তাৎপৰ্য সীমাবদ্ধ নহয়। ঈশ-ভক্তিপ্ৰাণ অসমীয়াৰ আটাইকেইটি বিহুৰেই আধ্যাত্মিক গুৰুত্বও কম নহয়। যি সময়ত কৃষিজীৱী ৰাইজৰ ভঁৰাল উদং হয় আৰু নতুন খেতি চপাবলৈকো প্ৰায় দুমাহ বাকী, সেউজীয়া পথাৰে মাথো আগজাননী দিয়ে ভৱিষ্যতৰ সোণালী সম্পদৰ, তেতিয়াই অসমীয়াই পালন কৰে আহিন আৰু কাতি মাহৰ সংক্ৰান্তিৰ দিনা এই কাতিবিহু। প্ৰাচুৰ্যহীন তেনে সময়ৰ কঙাল অৱস্থাটোকো

বিহু নাম দি উৎসব হিচাপে উপভোগ কৰাৰ বিশিষ্ট ৰীতি অন্য কোনোবা জাতিৰ মাজত আছেনে নাই সেই কথা বুজা নাযায়। অসমীয়া জাতিৰ এই কঙালী কাতি বিহুক কিন্তু তেনে প্ৰাচুৰ্যহীন দিনকেইটাৰ ভিতৰতো বিহু নামেৰে নামকৰণ কৰি উৎসব হিচাপে উপভোগ কৰাটো অসমীয়া জাতিৰ এক বিশিষ্টতাই বুলি ক'ব লাগিব। বহাগবিহুৰ চাৰি দিনৰ এটি দিন গোসাঁই বিহু নামেৰে ভগৱানৰ পূজা-অৰ্চনাৰ বাবে নিবেদিত। সেইদৰে কাতিবিহুৰ আধ্যাত্মিক উৎস তুলসী দেৱী। হিন্দু মাত্ৰেই তুলসীক দেৱী হিচাপে মানি লৈ কাতিবিহুত গোবিন্দ বল্লভা এই তুলসী দেৱীক অসমীয়াই আদৰি আনে। কাতিবিহু বা কঙালীবিহু মূলতঃ তুলসীৰ নামত উৎসৰ্গিত। যাৰ ঘৰত তুলসীৰ আদৰ নাই তাত লক্ষ্মীৰো স্থিতি নহয় বুলি কোৱা হয়। পথাৰত চাকি জ্বলাই লক্ষ্মী দেৱীক আদৰণি জনোৱা হয়। পথাৰৰ শস্যৰ অনিষ্টকাৰী পোক-পৰুৱা মাৰি শস্য সুৰক্ষিত কৰা হয়। কোনো কোনোৱে আকাশবন্তিও জ্বলায়।

মুঠতে কাতি বিহু পালনত আড়ম্বৰ বিহীনতা থাকিলেও শোণিতপুৰ জিলাৰ অসমীয়া ৰাইজে অতি নিষ্ঠাৰেই কাতি বিহু পালন কৰে। সুদীৰ্ঘ এমাহ ধৰি অৰ্থাৎ গোটেই কাতি মাহটোতে কাতি বিহুক স্মৰণ কৰি গধূলি মিঠাতেলৰ চাকিৰে চোতালত তুলসীদেৱীক আৰাধনা কৰে। পালন কৰা সময়ছোৱাৰ এনে এমাহজোৰা দৈৰ্ঘ্যলৈ চাই কাতিবিহুক কোনো কাৰণতে অসমীয়াৰ এক সামান্য উৎসৱ বুলি ধৰিব নোৱাৰি। ইয়াৰ আধ্যাত্মিক উৎস আৰু অসমীয়া মানুহৰ জনজীৱনত ইয়াৰ উৎসৱসুলভ প্ৰভাৱ গুৰুত্বপূৰ্ণ।

পাতল কুঁৱলীৰ ওৰণিৰে মুখ ঢাকি শেৱালিৰ সুবাস বোকোচাত লৈ কাতি বিহু আহে অসমীয়াৰ মাজলৈ। কৃষিজীৱী অসমীয়াৰ ঘৰত জ্বলি উঠা মাটিৰ চাকিৰ পোহৰত ভৱিষ্যতৰ সোণালী ধাননি ডৰাৰ প্ৰতিচ্ছবি জিলিকি উঠে। কঙালীৰ বুকুতে লুকাই থাকে ভোগালীৰ উৎস। অসমীয়াৰ জন্ম লগ্নৰে পৰা কাতিবিহুৱে অসমীয়া জাতিলৈ সঞ্জীৱনী সুধা আগবঢ়াই আহিছে। আৰু অসমীয়া সমাজ বৰ্তি থকালৈকে কাতিবিহু সদায় জীৱিত আৰু ৰসাল হৈ থাকিব। ঘৰে ঘৰে, পথাৰে পথাৰে আৰু পদূলিয়ে পদূলিয়ে কাতিবিহুৰ বন্তি সদায় জ্বলিব। নতুন এটি তুলসীৰ পুলি প্ৰত্যেক অসমীয়াৰ চোতালে চোতালে কাতিবিহুৰ দিনা ৰোৱা হ'ব। গোটেই কাতিমাহ ধৰি অসমীয়াৰ চোতালত নিম্নলিখিত ভক্তিমূলক পাঠেৰে গধূলি হ'ব তুলসীৰ স্নান আৰু বন্তি প্ৰজ্বলন—

গোবিন্দবল্লভাং দেবীং
ভক্ত চৈতন্য কাৰিনীং
স্নাপয়ামি জগদ্ধাত্ৰীং
বিষ্ণু ভক্তি প্ৰদায়িনীং।

❖❖❖

বুদ্ধীন্দ্ৰ কুমাৰ বৰুৱা

জন্ম ঃ ১৯২৯ চন। নগাওঁ জিলাৰ কলিয়াবৰ।

কৰ্মজীৱন ঃ শিক্ষকতাৰে আৰম্ভ কৰি বৰ্তমান ব্যৱসায়।

সাহিত্য কৃতি আৰু সাংস্কৃতিক জীৱন ঃ প্ৰকাশিত কবিতাপুথি (১); উপন্যাস (৭), কেইবাটাও গল্প-সংকলন আৰু প্ৰবন্ধ সংকলন প্ৰকাশ।
(২) সাহিত্যিক পেঞ্চনাৰ।
(৩) সংবাদ সেৱী।

ৰাজহুৱা জীৱন ঃ প্ৰাক্তন কাৰ্যনিৰ্বাহক সদস্য সমন্বয় সাহিত্য মঞ্চ অসম, নগাওঁ জিলা মইনা পাৰিজাত, নগাঁও সাহিত্য কানন, নগাঁও প্ৰাকৃতিক কবি সন্মিলন আদি অনুষ্ঠানৰ উপৰিও (ৰহা অধিবেশন), অসম সাহিত্য সভা, অসম নাট্য সন্মিলন আদি অনুষ্ঠানৰ লগত ওতপ্ৰোতভাৱ জড়িত।

কলিয়াবৰ অঞ্চলৰ কাতিবিহু আৰু তাৰ তাৎপৰ্য

বৈচিত্ৰময় অসমৰ অস্তিত্ব ৰক্ষাৰ বৰ্ণাঢ্য অনুষ্ঠান তথা উৎসৱ বিহু। প্ৰতিটো বিহুৰেই একো একোটা নিজাববীয়া তাৎপৰ্য আছে। বিহুক আমি বাপতি-সাহোন বুলি পৰম্পৰাগতভাৱে স্বীকৃতি দিয়ায়েই নহয় আপুৰুগীয়াকৈ সকলোৰে পালন কৰা এক জাতীয় উৎসৱ। আহিনৰ সংক্ৰান্তিৰ দিনা এই উৎসৱ নিম্ন উল্লেখিত ধৰণেৰে সম্প্ৰদায় নিৰ্বিশেষে অসমতেই নহয় ভাৰতবৰ্ষৰ ভিন্ন প্ৰান্তৰতো পতা হয়। দুয়োটা মাহৰ দোমোজাৰ দিনাই গাইগুটিয়াকৈ নিজৰ নিজৰ খেতিৰ পথাৰত আকাশ বন্তি জ্বলোৱা এটা মাঙ্গলিক প্ৰথা। তাৰ বাহিৰেও ঘৰৰ পদুলিত বন্তি

জ্বলোৱাটো ধৰা বন্ধা প্ৰথা, খেতিৰ সেউজ পথাৰডৰাত কীট-পতঙ্গ পৰি যেন অনিষ্ট সাধন কৰিব নোৱাৰে তাৰেই প্ৰতিৰোধক ৰূপে ইয়াৰ প্ৰচলন। অবাঞ্ছিতভাৱে শস্যৰ পথাৰডৰাত কীট-পতঙ্গই অনিষ্ট সাধন কৰিব নোৱাৰে। অকল এয়ে নহয় প্ৰতিঘৰ গৃহস্থৰ নতুন তুলসী ৰুই তাৰ তলত বন্তি প্ৰজ্বলন কৰি সন্ধিয়া পৰিয়ালৰ মানুহেই নহয় সৰু সৰু ল'ৰা-ছোৱালী কঠত বহি প্ৰসাদ উৎসৰ্গা কৰি নাম গুণ গাই এটা আনন্দমুখৰ পৰিবেশৰ সৃষ্টি কৰি মাহ প্ৰসাদ খোৱাটো নীতি-নিয়মৰেই কথা। এই মাহটো প্ৰকৃতপক্ষে কৃষিজীৱী ৰাইজৰ অভাৱৰ সময়। সেইদিনা নামঘৰত সকলো মিলি কীৰ্তন কৰে। সেইকাৰণেই এই বিহুটিক কঙালীবিহু বুলি কোৱা হয়। আচলতে অসমীয়া মানুহ কঙাল নহয় কেতিয়াও। প্ৰকৃততে স্বভাৱৰ কঙাল হৈছে অসমীয়া জাতি।

কাতিবিহুৰ দিনা থোক ওলোৱা পথাৰৰ পৰা এটা ধানৰ মুঠি আনি ভঁৰাল ঘৰত সুমুওৱা হয় লক্ষ্মী বসতিৰ উদ্দেশ্যে। প্ৰতিখন গাঁৱৰ মাজত বা কাষত একো একোখনি সমুহীয়া পথাৰ কলিযাবৰ অঞ্চলত দেখিবলৈ পোৱা যায়। প্ৰতিখন পথাৰেই সেউজ সোণালী হৈ কৃষিজীৱী ৰাইজৰ মনলৈ কঢ়িয়াই আনে আগন্তুক সম্ভোগৰ বতৰা। কাতি বিহুৰ দিনৰে পৰাই সকলো সাজু হয় শস্য চপোৱাৰ দুৰ্বাৰ আশালৈ। কঙালীৰ উৎসৱ মুখৰ পৰিবেশ জাকজমকতাৰে ভৰা নহ'লেও মনলৈ কঢ়িয়াই আনে তৃপ্তিৰ আগলি বতৰা।

এই বিহুৰ ক্ষণটো প্ৰকৃতপক্ষে ঋতু পৰিবৰ্তনৰো শুভ মুহূৰ্ত। প্ৰকৃতিৰ মায়াবী ক্ষণ। কিছু শীত কিছু জহ। এই মাহৰ পৰাই আৰম্ভ হয়। দুবৰি দলিচাত নিয়ৰে মুকুতা সজায়। আকাশ ছানি ধৰে শীতৰ প্ৰবাহে। আকাশেও ৰূপ সলায়। কৃষকে সঞ্জীৱনী সুধা পান কৰে প্ৰকৃতিৰ অনুপম সৌন্দৰ্য ৰাশিৰ পৰা। সেয়ে হ'বলা তুলসী তলত বন্তি জ্বলাই ল'ৰা-ছোৱালীয়ে গায়—

তুলসীৰ তলে মৃগ পহু চৰে।
তাকে দেখি ৰামচন্দ্ৰই শৰধনু ধৰে।।
আৰু
তুলসী তুলসী অ' আই তুলসী।
তুমি গোবিন্দৰে প্ৰিয়া।।
গোঁসাই কোন পন্থে গ'লে আই তুলসী।
শীঘ্ৰে সমিধান দিয়া।।..

ইত্যাদি ইত্যাদি কীৰ্তন কৰা হয়। এই বিহু অঞ্চল ভেদে প্ৰথাৰ তাৰতম্য বিশেষভাৱে একো নাই। ই এক পৰম্পৰা নীতি-নিয়মৰ মাজেদিয়েই উদ্‌যাপিত

হোৱা পূৰ্বৰ পৰাই পৰিলক্ষিত হৈছে। কল্যাণকামী এখন কৃষিজীৱী ৰাষ্ট্ৰৰ প্ৰান্তৰে প্ৰান্তৰে এই উৎসৱ তাৎপৰ্যপূৰ্ণভাৱে সকলোৱেই পালন কৰে। অসমখন প্ৰকৃততে এখন উৰ্বৰ উৎসৱ মুখৰ ৰম্য ভূমি। ইয়াৰ মাটিত সোণৰ চেকুৰা পোৱা যায়, ইয়াৰ নদী, বিলত নানান প্ৰজাতিৰ মাছ পোৱা যায়, ইয়াৰ অৰণ্যত বিধে বিধে মূল্যবান কাঠ বাঁহ পোৱা যায়। ইয়াত বিভিন্ন ধৰণৰ আপুৰুগীয়া জীৱ-জন্তু চৰাই চিৰিকতি কীট-পতঙ্গ পোৱা যায়। অকল এয়েনে ইয়াৰ বননি হৰেক ধৰণৰ বনৌষধিৰে মেটমৰা, ইয়াৰ গৰ্ভত চুণ, তেল, কয়লা মেঙ্গানিজ প্ৰচুৰভাৱেই পোৱাটো সৌভাগ্যৰেই কথা। ইয়াত বিভিন্ন ভাষা ভাষীৰ মানুহে অৰ্থ উপাৰ্জনৰ পথ প্ৰশস্ত কৰি জীৱিকা অৰ্জন কৰা মানৱ কল্যাণৰ পূৰ্ণ আপোনত্বৰেই নিদৰ্শন বুলি ক'লে বঢ়াই কোৱা নিশ্চয় নহয়। একোৰে অভাৱ নোহোৱা ৰাজ্য অসম। ইয়াত কৰি খোৱা মানুহৰ অভাৱৰ কাৰণেই অন্য ৰাজ্যৰ মানুহ আহি ইয়াত নিজৰ কৰ্ম চতুৰতা প্ৰকট কৰি আমাৰ মুখৰ ভাত কাঢ়ি নিয়া বিশেষভাৱে পৰিলক্ষিত হোৱা দুৰ্ভাগ্যৰ কথা।

কলিয়াবৰ অঞ্চলৰ হিন্দু মুছলমান সকলোৱেই বিহু পাৰ্বণ আদি উমৈহতীয়াকৈ পালন কৰাটো সম্প্ৰীতিৰেই এনাজৰী তথা পাৰস্পৰিক বুজা বুজিৰ নিদৰ্শন। বিশেষকৈ মহবুব আলি, লালমহম্মদ আদিৰ যিটো সংস্কৃতি প্ৰীতি সেইটো অন্য ঠাইত সঁচা কথা ক'বলৈ গ'লে কেতিয়াও দেখা পোৱা নাযায়। অসমীয়া জাতিৰ ইয়ো এক সংহতি আৰু আপোনত্বৰ মোহ বন্ধন। হিন্দু মানুহৰে ঘেৰি থকা কেইখনমান গাঁৱৰ আবেগ অনুভূতি জাতিটোৰ কাৰণে বিশেষ বৈশিষ্ট্যপূৰ্ণ। সেইকেইখন গাঁও হৈছে দলগাঁও, মৰিয়াগাঁও (বৰ্তমান জয়ন্তীপুৰ), চিলাবন্ধা। এইকেইখন গাঁওক লৈ কলিয়াবৰ এখন হিন্দু মুছলমানৰ মিলনভূমি বুলি ক'লে অত্যুক্তি কৰা নিশ্চয় নহ'ব। ৰাজহুৱা কামত এইসকল সদায় আগবঢ়া অৰ্থাৎ মুখিয়াল হিচাপেই পৰিচিত। নামঘৰৰ হুজ কৰিবলৈ, বিহু পাৰ্বণ কৰিবলৈ সদায় আগভাগ লোৱা মানুহ মহবুব আলি। ভাওনা কৰিবলৈ অগ্ৰণী ভূমিকা লোৱা মানুহ মহবুব আলি। এনে ধৰণৰ মানুহৰ বাৰুকৈয়ে অভাৱ এই সময়ত পৰিলক্ষিত হৈছে। ধৰ্মৰ গোড়ামিয়ে সেই সময়ত কলিয়াবৰ অঞ্চলত গা কৰি উঠিব পৰা নাছিল— এনে কিছু সংখ্যক শুভ বুদ্ধি সম্পন্ন মানুহৰ কাৰণেই। ধৰ্মৰ বিচাৰতকৈ কৰ্মৰ বিচাৰ আৰু সংহতিৰ এনাজৰীডাল ইমান মজবুত আছিল সেইকথা এতিয়া কোৱা নিষ্প্ৰয়োজন। ৰাজনীতিৰ প্ৰকোপেও কলিয়াবৰৰ সম্প্ৰীতি বিনষ্ট কৰিব পৰা নাই আৰু নোৱাৰিবও। আচলতে মহানুভৱতাৰেই পৰিচায়ক নহয় মানবীয় প্ৰমূল্যবোধৰ এক অখণ্ডনীয় নিদৰ্শন। কলিয়াবৰ এখন প্ৰসিদ্ধ জনগোষ্ঠীৰ ঐক্যবদ্ধ

সমাজ ব্যৱস্থাৰে প্ৰবৰ্তিত সমৃদ্ধ অঞ্চল। কলিয়াবৰৰ অসমীয়া সমাজখনৰ মহত্বৰ দিশ হৈছে নিৰপেক্ষ সমাজ ব্যৱস্থা। কোনোদিনেই কলিয়াবৰত অপ্ৰীতিকৰ ঘটনাৰ উদ্ভৱ হোৱা নাই। সিয়েই উমৈহতীয়া মানবতাবাদী নিৰপেক্ষ চিন্তাৰ মহত্ববোধ। বিহু উৎসৱৰ পৰা আৰম্ভ কৰি পূজা পাৰ্বণৰ সম্পাদকৰ দায়িত্ব লোৱাৰ নজিৰ তথ্যানুসৰি দিব পৰা যায়। কোনো কালেই মানবীয় প্ৰমূল্যবোধক হত্যা কৰা হোৱা নাই। ছয়অৰা সত্ৰৰে চহকী এখন পুণ্যভূমি কলিয়াবৰ। কেউটা ধৰ্মৰ মানুহেই কাতিবিহু শস্য শ্যামলা বসুন্ধৰাক নিৰাপদ ৰক্ষাৰ মানস কৰা এক সমন্বিত প্ৰচেষ্টাৰেই সমুজ্জ্বল উদাহৰণ। কলিয়াবৰীয়া সমাজখনে এনে ধৰণেই বিহু উৎসৱ উদ্‌যাপন কৰি মিলাপ্ৰীতিৰ সৌধ নিৰ্মাণেৰে পৰম্পৰাক আঁকোৱালি ৰাখিছে। অসমীয়া জাতিৰ বিহু এক সংস্কৃতিৰ উৎসৱমুখৰ প্ৰতীক। বিহুৱে কঢ়িয়াই আনে সজীৱতা, কৰ্মসচেতনতা, কৰ্মসংস্কৃতিৰ বুনিয়াদ গঢ়াৰ আবেগিক অনুভূতি।

ভানু হাজৰিকা বৰা



জন্ম ঃ ১৯৫৬ চন। দেৰগাঁও।

শিক্ষা ঃ স্নাতক।

কৰ্মজীৱন ঃ গোৱালপাৰা জিলাৰ চাক্লা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিষয় শিক্ষয়িত্ৰী হিচাপে যোগদান কৰি বৰ্তমান ডচন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষয়িত্ৰী।

সাহিত্য কৃতি আৰু সাংস্কৃতিক জীৱন ঃ বিভিন্ন আলোচনীত গবেষণামূলক প্ৰবন্ধ প্ৰকাশ।

ৰাজহুৱা জীৱন ঃ অসম সাহিত্য সভাৰ আজীৱন সদস্য হোৱাৰ উপৰিও বিভিন্ন শিক্ষানুষ্ঠান, বিভিন্ন সামাজিক-সাংস্কৃতিক অনুষ্ঠানৰ লগত ওতপ্ৰোতভাৱে জড়িত।

নগাঁও জিলাত কাতিবিহুৰ পৰম্পৰা

প্ৰকৃতিৰ ৰম্যভূমি অসম বিভিন্ন জনগোষ্ঠীৰ পুণ্যভূমি। এই পুণ্যভূমি অসমত বসবাস কৰা লোকসকলে পৰস্পৰে পৰস্পৰৰ লগত আদান-প্ৰদানৰ জৰিয়তে পৰম্পৰাগত উৎসৱসমূহ অতি আন্তৰিকতাৰে পালন কৰে। অসমত পালন কৰা উৎসৱসমূহৰ কথা ক'লেই প্ৰথমে মনলৈ আহে হিয়া-মন ৰাই-জাই কৰা বিহুৰ কথা। বিহুৱে সমগ্ৰ অসমবাসীৰ সত্তাক আচ্ছন্ন কৰি ৰাখিছে। বিহু বোলোতে কেৱল বহাগবিহুৱেই নহয়, মাঘ আৰু কাতিবিহুতো সকলোৱেই সমান আনন্দেৰে অংশ গ্ৰহণ কৰা দেখা যায়।

অসমত ঠাই বিশেষে বিহু উদ্‌যাপন কিছু বেলেগ বেলেগ হয়। মধ্যমণি নগাঁও জিলাতো বিহুত পালন কৰা ৰীতি-নীতি কিছু লক্ষ্য কৰিব লগা বিষয়। সংস্কৃতিৰ তীৰ্থভূমি নগাঁও জিলাত বহাগ আৰু মাঘবিহুৰ দৰে কাতিবিহুটিকো অতি আনন্দৰে পালন কৰা দেখা যায়।

নগাঁও জিলাৰ সমীপতে অৱস্থিত মৰিকলং এখনি ঐতিহ্যমণ্ডিত গাঁও। এই

গাঁওখনিৰ গৰিষ্ঠসংখ্যক লোকেই নামধৰ্মৰ। এই গাঁওখনিৰ নামধৰ্মৰ লোকসকলৰ কাতিবিহু পালনৰ এটি বিৱৰণ দিয়া হৈছে। কেৱল এক ঈশ্বৰৰ উপাসক এই লোকসকলৰ প্ৰায় প্ৰতিটো পৰিয়ালতে এটি গোঁসাই ঘৰ আটোম-টোকাৰীকৈ ৰখা দেখা যায়। বিহুৰ দিনা ঘৰৰ এজনে পুৱা গোঁসাই ঘৰখন পৰিষ্কাৰ কৰি প্ৰসাদ মুঠি তিয়ায়। বাকীসকলে ঘৰ-দুৱাৰ সৰা-মচা কৰে। বিহুত আগফাল-পাছফাল চোতাল মচাটো নিয়ম। সমস্ত কাম শেষ কৰি গা-ধুই গোঁসাই সেৱা কৰি মৃতকৰ ফটো বা পাদুকাত (চেণ্ডেল) সেৱা জনাই পিঠা-পনা, চাহৰ আয়োজন কৰে। চাহ-পানীৰ আগে আগে তামোল-পাণ বঁটাত দি শহুৰ-শাহু আৰু জ্যেষ্ঠজনক সেৱা জনায়। চাহৰ লগত বিভিন্ন পিঠা, লাৰু আদিৰ সমাবেশ। তাৰ পিছতে প্ৰসাদ ধোৱা-পখলা কামখিনি আটায়ে হাতে-পাতে ধৰি শেষ কৰি ঘোষা গাই প্ৰাৰ্থনা জনাই দুপৰীয়া পাঠ-নাম দুয়োটা অনুষ্ঠানেই সম্পন্ন কৰে। বয়সীয়াল পুৰুষসকল নামঘৰত গোট খাই দুপৰীয়াৰ প্ৰসঙ্গ নাম ঘৰত কৰে। ঘৰুৱাভাৱে আয়োজন কৰা প্ৰসাদ বিতৰণৰ পিছতহে জা-জলপান (চিৰা-দৈ বা ভজা চাউল-দৈ) খোৱাৰ নিয়ম। আবেলি পৰিয়ালৰ আটাইবিলাক বোৱাৰী লগ হৈ এবঁটা খনীয়া তামোল লৈ পৰিয়ালৰ ঘৰে ঘৰে গৈ শাহু-শহুৰ, বৰজনা-জা সকলোকে সেৱা জনাই তামোল দি এক আনন্দ মধুৰ পৰিবেশৰ সৃষ্টি কৰে। বিহুত দুপৰীয়া ভাত নাৰান্ধে। সন্ধ্যা-প্ৰসঙ্গৰ পাছতহে ভাত ৰান্ধে। এই অঞ্চলৰ নামধৰ্মৰ লোকসকলে তুলসী নোৰোৱে বা তুলসীৰ তলত প্ৰসাদ নিদিয়ে। ধাননি পথাৰ আবেলিতে চাই আহেগৈ যদিও ধাননিত বন্তি নিদিয়ে। কিন্তু ওচৰৰে জুৰীয়া, শিয়ালখোৱা আদি গাঁওসমূহত পুৱাৰ নিয়মবিলাক একে যদিও তুলসী পুলি ৰোপণ কৰা, সন্ধ্যা তুলসীৰ ভেটিত প্ৰসাদ দিয়া, ধাননি, গোহালি, পদূলি আৰু ভঁৰালৰ গাধৈত বন্তি দিয়াৰ নিয়ম। দুপৰীয়া বিহুৰ দিনা গএঞা ৰাইজ নামঘৰলৈ যোৱাটো প্ৰায় বাধ্যতামূলক।'

নগাঁও চহৰৰ সমীপৰ ভোটাইগাঁওৰ ৰিণ্টু দাস (বিষয় শিক্ষয়িত্ৰী, ইংৰাজী)ৰ পৰা জনা মতে ভোটাই গাঁও অঞ্চলত কাতিবিহু অতি সাদৰেৰে পালন কৰে। তেখেতৰ শহুৰেক শ্ৰীযুত পদ্ম-গোস্বামী (সত্ৰাধিকাৰ শ্ৰীশ্ৰী নগএঞা সত্ৰ)ৰ কোৱা মতে তেখেতসকলে সত্ৰৰ নামঘৰতে প্ৰসাদ দিয়ে, ধাননি পথাৰত বন্তি দিয়াৰ উপৰিও ৰবাব টেঙা কাটি ধাননিত ছটিয়াই দিয়ে আৰু সন্ধ্যা প্ৰসাদত ৰবাব টেঙা দিয়ে। তেখেতৰ মতে ইয়াৰ এটা বিজ্ঞান সম্মত যুক্তি আছে। ধাননিত সন্ধ্যা জ্বলোৱা চাকিত পোক কিছুমান আত্মাহুতি দিয়ে আৰু ৰবাব টেঙাত থকা এবিধ বিশেষ গুণে পানীত থকা পোক মাৰে। সেই অঞ্চলত নগৰীয়া বতাহে এতিয়াও চুঁৱাব পৰা নাই। শিশু আৰু চেমনীয়াসকলে হিয়া উজাৰি কৰা আনন্দত কাতি বিহুৰে প্ৰাণ পায়। লখিমীক আদৰা এই বিহুত তুলসী ৰোপণ

কাৰ্যটি সাধাৰণতে ল'ৰাবিলাকে কৰে আৰু ছোৱালীবিলাকে আটক ধুনীয়া কৰি ভেটিটো বান্ধি মচি-কাচি চকুত লগা কৰে। সন্ধ্যা সেই ভেটিতে প্ৰসাদ দিয়ে। চুবুৰীৰ ল'ৰা-ছোৱালীবিলাক প্ৰথমে এঘৰত গোট খাই প্ৰাৰ্থনা কৰে। "তুলসীৰ তলে মৃগ পহু চৰে, তাকে দেখি ৰামচন্দ্ৰই শৰ ধনু ধৰে"— এই গীতটিও গায়। এঘৰত প্ৰসাদৰ অন্তত, অন্য এঘৰলৈ যায়। এইদৰে চুবুৰীৰ প্ৰতিঘৰ মানুহলৈ গৈ প্ৰসাদ গ্ৰহণ কৰে। খাব নোৱাৰাখিনি লগত নিয়া মোনা বা গামোচাত বান্ধি ঘৰলৈ লৈ আহে।

আঁহতগুৰিৰ বিভা ভূএগ্ৰা (বিষয় শিক্ষয়িত্ৰী, শিক্ষা)ৰ মতে নগাঁও জিলাত কাতি বিহুৰ নিয়ম প্ৰায় একে। সেই অঞ্চলত ভালেমান কাৰবি লোক আছে। ধাননিত তেওঁলোকৰো কোনো কোনোৱে বন্তি প্ৰজ্বলন কৰে। আঁহতগুৰিৰ বহু লোকৰ ঘৰত স্থায়ীভাৱে তুলসীৰ ভেটি থাকেই। তাতে বিহুৰ দিনা পুৰণা ল'ৰা এটাই নতুনকৈ পুলি এটা ৰোপণ কৰে। ছোৱালীহঁতে ভেটিতো অতি সুন্দৰকৈ মচি-কুচি আটকধুনীয়া কৰে। তাতেই সন্ধ্যা প্ৰসাদ দিয়ে আৰু ল'ৰা-ছোৱালীহঁতে "তুলসীৰ তলে মৃগপহু চৰে, গোঁসায়ে শৰধনু ধৰে" বুলি গীত জোৰে। তাৰ পাছত ঘোষা গাই গৃহস্থক আশীৰ্বাদ দিয়ে। মাটি চাকিৰ অভাৱত কোনোলোকে ঔ-টেঙাৰ বখলাত চাকি জ্বলায়। ধাননি, গোহালি, বাৰী, ভঁৰালৰ গাধৈত বন্তি দিয়ে। একোডাল বাঁহৰ গোজ পুতি তাত কল-ঠৰুৰাৰ টুকুৰা একোটি সুমাই তাৰ ওপৰত চাকিগছ নপৰাকৈ ৰাখে।

পুৰণিগুদাম জালোৱা গাঁৱৰ লক্ষ্যদা শইকীয়া (বিষয় শিক্ষয়িত্ৰী-অসমীয়া)ৰ মতে সেই অঞ্চলতো একেদৰেই কাতিবিহু পালন কৰে। গোজৰ ওপৰত অমিতা ফালি মাজটো চাকিৰ দৰে কৰি শলিতা ডাঙৰকৈ দি পথাৰত বহুসময় জ্বলিব পৰাকৈ তেল দি বন্তি প্ৰজ্বলন কৰি লক্ষ্মীক আদৰে। গোঁসাই ঘৰৰ সন্মুখত তুলসীৰ ভেটিৰ কাতিবিহুৰ দিনা আৰম্ভ কৰা বন্তি গোটেই মাহ জুৰি দিয়ে। বিহুৰ দিনা পৰিয়ালৰ লোকে ইঘৰ-সিঘৰলৈ যায়।

মাজপাঠৰি গাঁৱৰ ভানু গোস্বামীৰ মতে এই বিহু লক্ষ্মীক আমন্ত্ৰণ কৰা বিহু। পথাৰত চাকি সাধাৰণতে পুৰুষসকলে দিয়ে। ঠায়ে ঠায়ে আকাশবন্তি জ্বলায়।

ধিঙৰ আৰতি মজুমদাৰ (শিক্ষয়িত্ৰী)ৰ মতে সেই অঞ্চলত কাতিবিহুত পিঠা-পনা, জা-জলপান কম পৰিমাণে হ'লেও কৰেই।

মাঘবিহু বা বহাগবিহুৰ দৰে 'দৈ'ৰ ব্যৱস্থা বৰ জৰুৰী বুলি নাভাবে। আজিকালি লুচি-তৰকাৰী আদিও কৰে। তুলসীৰ তলত বন্তি দি "তুলসীৰ তলে মৃগ পহু চৰে" এই গীতটোকে দোহাৰি দোহাৰি গাই ল'ৰা-ছোৱলীহঁতে আনন্দ কৰে। জ্যেষ্ঠজনক সেৱা-সৎকাৰ কৰাৰ নিয়ম। অৱশ্যে গামোচা বা বিহুৱান কাকো দিয়া নহয়।

কামৰূপৰ জীয়ৰী নগাঁও তেলীয়া গাঁৱৰ বোৱাৰী কুলদা দেৱীৰ মতে তুলসী তলত বন্তি দি মাহ-প্ৰসাদ দিয়া, বাৰী, গোহালি, পদূলিমূৰত বন্তি দিয়া কাতিবিহুৰ অবিচ্ছেদ্য অঙ্গ। তেওঁ কেইটামান গীতৰ কথা উল্লেখ কৰিলে, যি কেইটা নগাঁও জিলাৰ অন্য ঠাইৰ মানুহৰ মুখত শুনা নাযায। হয়তো এইয়া আমদানিকৃত।

১। তুলসীৰ পাত হৰি তুলসীৰ পাত,
লক্ষী আই আহিছে ৰাইজক দিব মাত।
২। তুলসীৰ গুটি-হৰি তুলসীৰ গুটি,
লক্ষী আই আহিছে আমি কৰোঁ স্তুতি।
৩। তুলসীৰ শিপা হৰি তুলসীৰ শিপা,
লক্ষী আই আহিছে, আমি পাম দেখা।

বেবেজীয়াৰ জন-জাতি প্ৰধান অঞ্চলসমূহৰ ল'ৰা-ছোৱালীবিলাকে শাওণ মাহত ৰুই থৈ অহা পথাৰডৰা কাতিবিহুৰ দিনা জাক পাতি চাবলৈ যায। যাওঁতে ৰবাব টেঙা লৈ যায় আৰু কাটি খাই হাঁহি তামচা কৰে। তেওঁলোকৰো বিশ্বাস এইদৰে টেঙা বাকলি আদি পথাৰত পেলালে পানীত থকা পোকবোৰ মৰে, আৰু খেতিডৰা ভাল হয।

আমচৈৰ শ্ৰীৰেবতী শইকীয়া (ইংৰাজী-বিষযৰ বিষয শিক্ষয়িত্ৰী)ৰ মতে আমচৈখন হ'ল বিভিন্ন জন-গোষ্ঠীৰ মিলন ভূমি। মিকিৰ, হাজং আদি লোকসকলৰ বাসস্থান। এওঁলোকেও নিজস্ব পৰম্পৰা কিছুমান ৰক্ষা কৰিও কাতিবিহু বৰ আনন্দেৰে পালন কৰে। পুৰা ঘৰ-দুৱাৰ মচি-কাচি তুলসী পুলি ৰোপণ কৰি সন্ধ্যা বন্তি দিয়া কাৰ্যবোৰ নগাওঁ জিলাৰ অন্য ঠাইৰদৰে পালন কৰে। পৰিয়ালৰ ইজন-সিজন বিহুৰ দিনা ইঘৰ-সিঘৰলৈ যায। আকাশবন্তি প্ৰজ্বলন দুই এঠাইত কৰে।

নগাঁও জিলাৰ কলিযাবৰ এখন সংস্কৃতিবান ঠাই। এই ঠাইৰ শ্ৰীমতী প্ৰেমবালা বৰা (গৃহিণী)ৰ মতে সেই অঞ্চলত নগাঁও জিলাৰ অন্য ঠাইৰ দৰেই কাতিবিহু পালন কৰে। নামধৰ্মৰ লোকসকলে পথাৰত বা তুলসীৰ তলত বন্তি নিদিযে। গোঁসাই ঘৰতে বন্তি আৰু প্ৰসাদ দিযে। বাকীসকলে বাৰী-ঘৰত আৰু তুলসী তলত বন্তি দিযে। একে ধৰণেৰে শিশুসকল ইঘৰ-সিঘৰলৈ গৈ সন্ধ্যা প্ৰসাদ গ্ৰহণ কৰে।

এইদৰেই নগাঁও জিলাত কাতিবিহু পালন কৰা হয়।

❖❖❖

টংক কোঁৱৰ

জন্ম ঃ ১৯৪৭ চন। গোলাঘাট।

শিক্ষা ঃ স্নাতক।

কৰ্মজীৱন ঃ প্ৰধান শিক্ষক, টিকা চৰকাৰী মধ্য ইংৰাজী বিদ্যালয়।

সাহিত্য কৃতি আৰু সাংস্কৃতিক জীৱন ঃ প্ৰকাশিত শিশু গ্ৰন্থ (২), অনুবাদ গ্ৰন্থ, যুটীয়াভাৱে (১), দৈনিক অসমৰ পৰা আয়োজিত গল্প প্ৰতিযোগিতাত পুৰস্কাৰ লাভ, অসমৰ প্ৰায়বোৰ কাকত আলোচনীত বিভিন্ন বিষয়ৰ লিখনি প্ৰকাশ।

ৰাজহুৱা জীৱন ঃ দৈনিক জনমভূমি কাকত আৰু জ্ঞানদীপ আলোচনীৰ সহঃসম্পাদক, বৈঠালাংছ' শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আৰু স্থানীয়ভাৱে সামাজিক কামৰ লগত ওতপ্ৰোতভাৱে জড়িত।

কাৰবি আংলং জিলাত ছকক্লিম কাংথুৰ

(কাতিবিহুৰ লগত সাদৃশ্য থকা কাৰবিসকলৰ এটি পূজা)

অসমৰ বিভিন্ন ঋতু উৎসৱসমূহৰ উৎপত্তিৰ মূল হৈছে কৃষিক্ষেত্ৰৰ উৰ্বৰতা বৃদ্ধি। এই উৰ্বৰতা বৃদ্ধিৰ লগতো উৎপাদনৰ সংৰক্ষণ আৰু বিভিন্ন কাৰণত হ'ব পৰা অনিষ্টৰ প্ৰতিকাৰৰ চিন্তাও জড়িত। এই উৎসৱবোৰ অসমীয়া সংস্কৃতিৰ অন্তৰ্ভুক্ত। জনজাতিসকলৰ সমাজ কেন্দ্ৰিক সংস্কৃতিৰ গাঁঠনিত সামাজিক ঐতিহ্যৰ ছাপ সুস্পষ্ট। অসমলৈ বিভিন্ন সময়ত আহি থিতাপি লোৱা বিভিন্ন জনগোষ্ঠীৰ সমন্বয় ঘটিলেও এতিয়াও এনে কিছু সাংস্কৃতিক বিষয়, নিজা অস্তিত্ব ৰক্ষা কৰি বৰ্তি আছে। বিশেষকৈ জনজাতিসকলৰ ক্ষেত্ৰত এই কথা বেছি প্ৰযোজ্য। ইংৰাজী Assimilation শব্দটোৰ পাৰিভাষিক বা আভিধানিক অৰ্থ 'সমন্বয়' বুলি কোৱা হয় যদিও ই Assimilationৰ প্ৰকৃত অৰ্থ প্ৰকাশ নকৰা যেন লাগে। অসমীয়াত

ইয়াক পৰিমিশ্ৰণ বুলিলেহে অৰ্থটো অলপ ওচৰ চাপিব যেন লাগে।

পৃথিৱীৰ প্ৰায়বোৰ জনগোষ্ঠীৰেই কৃষিৰ অধিষ্ঠাত্ৰী 'দেৱী'হে। কীৰাটসকলে উৰ্বৰতাৰ বাবে শিৱক পূজা কৰিলেও পাৰ্বতীকো একেবাৰে বাদ দি থোৱা হোৱা নাই। পূব-ভাৰতীয় দ্বীপপুঞ্জ, গ্ৰীচ, পেৰু আদি পৃথিৱীৰ বিভিন্ন দেশত শস্যৰ অধিষ্ঠাত্ৰী হৈছে দেৱী। দেৱতা নহয়।

অসমৰ শস্য-সম্পদৰ অধিষ্ঠাত্ৰী দেৱী লখিমী। এই দেৱীক সন্তুষ্ট কৰিব পাৰিলে খেতি-বাতি বা সম্পদৰ শ্ৰীবৃদ্ধি হয় বুলি এটা জনবিশ্বাস আছে। এই জনবিশ্বাসৰ ভেটিতেই কৃষিজীৱী জনগণে বিভিন্ন ৰূপত আৰু বিভিন্ন ঋতুত দেৱী সন্তুষ্টিৰ অৰ্থে পূজা বা উৎসৱ পালন কৰি আহিছে।

অসমৰ তিনিটা বিহুৰ ভিতৰত কাতিবিহুত প্ৰকৃতিক আদৰি সন্তুষ্ট কৰিবলৈ তুলসী তলত, কৃষি ক্ষেত্ৰত বন্তি জ্বলাই বা আকশবন্তি জ্বলাই কৃষিৰ মঙ্গল কামনা কৰে।

অসমৰ পাহাৰীয়া জিলা দুখনৰ জনজাতিসকলৰ মাজত, আহিনৰ সংক্ৰান্তিত অসমৰ বাকী জিলাবোৰত উদ্‌যাপন কৰাৰ দৰে কাতিবিহু বা তেনে সদৃশ কোনো উৎসৱ বা নিয়ম পালন কৰাৰ নিদৰ্শন পোৱা নগলেও কৃষিৰ লগত সম্পৰ্কিত কৃষিৰ অধিষ্ঠাত্ৰী দেৱীক সন্তুষ্ট কৰিবৰ কাৰণে কিছুমান অনুষ্ঠান পতাৰ ধাৰাবাহিকতা আছে।

কাৰবিসকলে শস্য সিঁচাৰ পিছত, শস্যৰ গজালি চাৰি-ছয় আঙুলমান বঢ়াৰ সময়ত "ছকক্লিম কাংথুৰ" নামৰ এক অনুষ্ঠান খেতি পথাৰত উদ্‌যাপন কৰে। ছকক্লিম মানে ধানৰ কঠীয়া, 'কাংথুৰ' বা 'ইংথুৰ' মানে টোপনিৰ পৰা জগোৱা বা উন্নত কৰা।

তেওঁলোকৰ আন কিছুমান সমূহীয়াভাৱে পতা উৎসৱ বা পূজাৰ বিপৰীতে এই পূজা একেটা পৰিয়ালৰ ভিতৰতহে কৰাৰ প্ৰথা। আনকি এই পূজা আন পৰিয়ালে দেখাটোও নিষেধ। অৱশ্যে কাৰবিসকলৰ পাঁচটা ফৈদ তেৰাং, তেৰণ, ইংতি, ইংহি আৰু তিমুঙৰ একে ফৈদৰ লোক ইয়াত উপস্থিত থকাত বাধা নাই।

এইখিনিতে এটা কথা স্পষ্ট কৰি দিয়া ভাল যে উল্লিখিত পাঁচটা ফৈদৰ আকৌ কিছুমান উপফৈদ আছে। তেৰাং ফৈদৰ বাৰটা, তেৰণৰ ছটা, ইংতিৰ ছটা, ইংহি আৰু তিমুঙৰ ত্ৰিশটাকৈ উপফৈদ আছে।

এনে ফৈদ বা উপফৈদে অনুষ্ঠিত কৰা এনে পূজাত, উদাহৰণ স্বৰূপে ইংতি ফৈদে পতা এনে পূজাত একেঘৰৰ নহলেও তেওঁলোকৰ ছটা উপফৈদৰ বেলেগ পৰিয়ালৰ লোক থাকিব পাৰে। খাবও পাৰে। ইয়াৰ ব্যতিৰেকে তেৰাং, তেৰণ, ইংহি আৰু তিমুং ফৈদৰ কোনো লোক থাকিব নোৱাৰে। আন চাৰিটা ফৈদৰ ক্ষেত্ৰতো একেই নিয়ম। তদুপৰি পূজা শেষ হোৱাৰ পিছত পেলনীয়া উচ্ছিষ্ট

আদিও আনে দেখা পাব নেলাগে। সেয়ে পূজা শেষ হোৱাৰ পিছত তেনে পেলনীয়া বস্তুখিনি সাৰি পুচি নি খেতিৰ জাবৰৰ মাজত নাইবা চপৰাৰ তলত ঢাকি লুকুৱাই ৰখা হয়।

পূজা চলি থকা অৱস্থাতেই হওক বা শেষ কৰি যোৱাৰ পিছতেই হওক পূজাৰ নৈবেদ্য বা উচ্চিষ্টখিনি যদি আনে দেখে তেন্তে খেতিৰ অমঙ্গল হয় বুলি জনবিশ্বাস।

এই পূজা অনুষ্ঠিত কৰিবলৈ হ'লে ইয়াৰ বেদী স্থাপনৰো নিৰ্দিষ্টতা আছে। প্ৰায় ডেৰফুটমান দীঘল ত্ৰিভুজাকৃতিৰ ছয় ইঞ্চিমান দকৈ এটা গাঁত খান্দি তাত বেদী স্থাপন কৰা হয়। বেদীত কলপাতৰ ওপৰত দুঠাইত অলপ অলপ মাটি ৰখা হয়। ইয়াক 'চিতং আপ্লাং' বুলি কোৱা হয়। খেতিত অনিষ্টকাৰী পোক-পৰুৱা উঁই আদি নহ'বৰ কাৰণে ইয়াত পূজা কৰা হয়।

"ছকক্লিম্ কাংথুৰ" পূজাক "লংলে হিঙ্গী কাৰক্লি" (খেতিৰ অপদেৱতাৰ পূজা) বুলিও কোৱা হয।

এই পূজাৰ প্ৰয়োজনীয় নৈবেদ্যসমূহ হৈছে হৰৰাক (মদ) এবটল, হৰলাং (সাঁজপানী) এলাও, গাহৰি এটা, কুকুৰা এটা, তামোল পাঁচটা, পাণ পাঁচখিলা, তাম বা ৰূপৰ মুদ্ৰা এটা আৰু ধূপ-ধূনা আদি।

এই পূজাত গোৱা গীতৰ উদাহৰণ এটা।

"কক্চুৰ্পি কক্চুৰ্
ছেংকান আৰৰণ কাংথুৰ্
ৰহামপি কাচুৰ্।"

এই গীত দুবাৰকৈ গোৱা হয়। ইয়াৰ অৰ্থ হৈছে হেৰা কক্চুৰ আৰু ৰহামপি পখী তোমালোক শুই নেথাকিবা। জাগি উঠা। কাৰণ খেতিৰ বাবে ওলাবৰ সময় হ'ল। এই প্ৰতীক ধৰ্মী গীতটোৱে আচলতে কৃষকক কৃষি কৰ্মৰ কাৰণে জগাই তোলাৰ এক আহ্বান।

এই পূজাত গোৱা গীতৰ এটি মাত্ৰ উদাহৰণ হে দিয়া হৈছে। এনে গীত আৰু আছে। বাহুল্যৰ ভয়ত সকলোবোৰ গীত দিয়া হোৱা নাই।

বেদীত অৰ্পণ কৰা মদ আৰু লাওপানীৰ উপৰিও তাত উপস্থিত থকা লোকৰ কাৰণে বেলেগকৈও এই দ্ৰব্য ৰখা হয়।

আনুষ্ঠানিক পূজা শেষ হোৱাৰ পিছত উচৰ্গিত মদ আৰু মাংস, ভাতৰ লগত তাত উপস্থিত থকা সকলোৱে মিলি একেলগে পান ভোজন কৰি নীতি নিয়মেৰে সামৰি ঘৰাঘৰি যায়।

❖❖❖

সুহাগমণি বৰ্মন



জন্ম : ১৯৪১ চন। হাইলাকান্দি।

শিক্ষা : স্নাতক, হিন্দী-কুবিদ, হোমিও এম, ডি, এইচ।

কৰ্মজীৱন : শিক্ষকতা (অৱসৰপ্ৰাপ্ত)

সাহিত্য কৃতি আৰু সাংস্কৃতিক জীৱন : কবিতা পুথি (৫), গীতি কবিতা (৫); কেইবাখনো শিক্ষামূলক গ্ৰন্থ, কেইবাখনো ধৰ্মমূলক গ্ৰন্থ, জীৱনীমূলক গ্ৰন্থ আৰু ভালেকেইখন নাটক (অসমীয়া আৰু বাংলা ভাষা)ৰ ৰচক। ৫ খনতকৈও অধিক আলোচনীৰ সম্পাদনা। কেইবাখনো কাকত আলোচনীত অসমীয়া, বাংলা আৰু হিন্দী ভাষাত লিখনি প্ৰকাশ। ডঃ বি, আৰ, আম্বেদাকাৰ ফেলশ্বিপ আৰু ৰাষ্ট্ৰীয় বঁটা বিজয়ী তথা ভাৰত এক্সচেলেঞ্চ পুৰস্কাৰ প্ৰাপ্ত।

ৰাজহুৱা জীৱন : অসম সাহিত্য সভাৰ আজীৱন সদস্য হোৱাৰ উপৰিও শ্ৰীমন্ত শংকৰদেৱ সংঘ আৰু অন্যান্য বহুতো সামাজিক সাংস্কৃতিক অনুষ্ঠানৰ সৈতে সক্ৰিয়ভাৱে জড়িত।

কাছাৰ জিলা তথা বৰাক উপত্যকাত কাতিবিহু

বৰ্তমানৰ কাছাৰ জিলা তথা গোটেই বৰাক উপত্যকাত দুটা বেলেগ বেলেগ দিনত কাতিবিহু অনুষ্ঠিত হয়। ই এটা গৱেষণামূলক কথা। ইয়াক ব্যক্ত কৰাৰ আগতে কাছাৰ জিলাৰ এটি চমু পৰিচয় দিয়াটো উচিত হ'ব। অখণ্ড কাছাৰ জিলাখন হাইলাকান্দি, কৰিমগঞ্জ আৰু কাছাৰ জিলা লৈ গঠিত আছিল। একালত কাছাৰ জিলা কামৰূপ ৰাজ্যৰ অন্তৰ্ভুক্ত আছিল। কামৰূপ ৰাজ্যৰ বিভিন্ন ৰজাবৰ্গই এই কাছাৰ ৰাজ্য শাসন কৰিছিল। কাছাৰখন সপ্তখণ্ডৰ একখণ্ড আছিল। অমৰকোষ

অভিধানত কাছাৰ জিলাক প্ৰত্যন্ত ভূমি বোলা হৈছিল। এই প্ৰত্যন্ত ভূমি সুহ্ম, ত্ৰিপুৰা, পূৰ্বদেশ, কিৰাতভূমি, ম্লেচ্ছদেশ আদি নামে জনাজাত আছিল। তেতিয়া কাছাৰ জিলাৰ ভৈয়াম অঞ্চলেই ত্ৰিপুৰা ৰাজ্য আছিল। বৰাক নদী-উপত্যকা আছিল হেডম্বদেশ। ১৮৩২ চনৰ ১৪ জুলাইত কাছাৰ জিলা ইংৰাজ চৰকাৰৰ অধীনলৈ যায়। একালত উত্তৰ কাছাৰ জিলাখন কাছাৰৰ অধীনস্থ আছিল। তাৰ পাছত শিলচৰ, হাইলাকান্দি আৰু কৰিমগঞ্জকলৈ কাছাৰ জিলা গঠিত হয়।

কাছাৰ জিলা বুলিলে অতীজৰ অখণ্ড কাছাৰ বা বৰাক সুৰমা উপত্যকাকে ধৰিব লাগিব। কাৰণ ইয়াৰ কৃষ্টি সভ্যতা একে সাঁচে গঢ়া।

এই অখণ্ড কাছাৰত অসমীয়াভাষী মানুহো আছে। তেওঁলোকে ব্ৰহ্মপুত্ৰ উপত্যকাৰ দৰে আহিনৰ সংক্ৰান্তিৰ দিনা যথানিয়মে কাতি বিহু পালন কৰে আৰু তাৰে বহুতে কাছাৰজিলাৰ অন্যান্যসকলৰ দৰে কাতিৰ সংক্ৰান্তিৰ দিনা কাতিবিহু পালন কৰে। তেতিযা ইযাক কাৰ্ত্তিক সংক্ৰান্তি বোলা হয়। কাৰ্ত্তিক সংক্ৰান্তিক 'ভুলাভুলি' বুলিও কোৱা হয। ব্ৰহ্মপুত্ৰ উপত্যকাৰ দৰে ইয়াৰ অসমীয়া ভাষীসকলে বহাগবিহুত গৰুবিহু পতাৰ দৰে কাছাৰ জিলাৰ আদিম লোকসকলে কাতিমাহৰ সংক্ৰান্তিৰ দিনা গৰুবিহু পাতে।

এই গৰুবিহু বা ভুলাভুলিৰ বাবে গৰখীয়া ল'ৰাবোৰে কাতিমাহৰ আৰম্ভণিৰ পৰা ৰাতি ৰাতি ৰাইজৰ ঘৰে ঘৰে গৈ "আঈ" নামৰ এবিধ গীত গাই গাই টকা-পইচা, চাউল আদি সংগ্ৰহ কৰে আৰু ভুলাভুলিৰ দিনা আবেলি ভাগত গাঁৱৰ গৰুবোৰ গোটাই পথাৰত গৰুক মাজত ৰাখি ঘূৰি ঘূৰি গৰখীয়াইঁতে আঈগীত গাই গাই সন্ধিযাৰ আগে আগে গৰুবোৰ লৈ ঘৰলৈ আহে। গৃহস্থীৰ আইগৰাকীয়ে গৰুবোৰৰ ঠেং ধুৱাই বিচনীৰে বিচি আদৰি লয়। পাছত গৰখীয়াজনে গোটেই ঘৰৰ চাৰিওফালে তিনিপাক ঘূৰি "মহ যাওক মাখি যাওক" বুলি কৈ কৈ আহি গা-পা ধুই ঈশ্বৰসেৱা কৰে। সেইদিনা গৰুক এছাৰিৰে মাৰিব নাপায় বুলি কোৱা হয়। তাৰবাবে গৰখীয়াবোৰে কলগছৰ ঠাৰিত ফুল আদি ধুনীয়া কৰি বান্ধি তাৰে গৰুক কোবায়। ৰাতি কীৰ্ত্তন কৰি ডেকা বুঢ়া সকলোৱে মিলি প্ৰসাদ খায়।

উল্লেখযোগ্য যে বৰাকৰ কাতিবিহুৰ অৰ্থাৎ কাৰ্ত্তিক সংক্ৰান্তি বা ভুলাভুলিত প্ৰচলিত আঈ গীতবোৰ বৰ উপাদেয় বোলা যায়। গাঁৱৰ গৰখীয়াবোৰে ইয়াক কণ্ঠস্থ কৰি ৰাখে। তাৰে নমুনা দুটামান উল্লেখ কৰা হ'ল।

(১) এজনে ক'ব	: সকলোৱে গাব।	এজনে ক'ব	: সকলোৱে গাব।
বলৰে আঈৰ মংগল	হৈয়ে	এইন নিবা বহুত কাল	হৈয়ে
ৰূপাৰ লাংগল	হৈয়ে	বহুত কালে বহুত অইব	হৈয়ে

(১) এজনে ক'ব : সকলোৱে গাব। এজনে ক'ব : সকলোৱে গাব।

এন ঘৰঅ গিয়া বেটা অইব	হৈয়ে	খৰিদ বেকায় খাইছে লাৰু	হৈয়ে
বেটাৰ নাম বৈয়া	হৈয়ে	সুবন পীৰ মাণিক পীৰ	হৈয়ে
জামু খায় বৈয়া	হৈয়ে	যেবায় জাইন অবায় ফিৰ	হৈয়ে
জামুৰে একা নেকা	হৈয়ে		
বলদে খাইছে খৰিদ বেকা	হৈয়ে		

(২) ছোট্ট মোট্ট কমলা পাকিয়া পড়ে মৌ,
মাঝিৰে বিয়াদিতাম সুন্দৰ চাইয়া বৌ।
মাঝিৰ ঘৰঅ অইন বেটা নাম থইতাম্ কি?
বাঁচিয়া ৰুচিয়া নাম থইলাম স্বোনাৰ চান্দ বেপাৰী।
স্বোনাৰ খাটে, বত্তৰে মাঝি ৰূপাৰ খাটে পাও,
কোন বাণিজ্যে যাওৰে মাঝি লক্ষ টেকা পাও।
লক্ষ টেকা ভাঙিয়া ৰাজা আইলা জিনিয়া,
আগৰ স্বাধু গণইয়া, পাচৰ স্বাধু ভাই,
ঘৰঅ থইয়া যে দিবায় না ৰাখাল পীৰৰ দোহাই।। ইত্যাদি ইত্যাদি।

আনহাতে বৰাক উপত্যকাৰ ঠায়ে ঠায়ে এই কাতি মাহত আদহীয়াসকলে একো একোটা দল বান্ধি গাঁৱে গাঁৱে বাউলা কীৰ্ত্তন অৰ্থাৎ ৰাধাকৃষ্ণৰ প্ৰেম কাহিনীমূলক গীত গাই গাই টকা-পইচা সংগ্ৰহ কৰি কাতি মাহৰ সংক্ৰান্তিৰ দিনা ৰাতি গৰখীয়াসকলৰ ভুলাভুলি পৰ্ব বা ৰাখালপীৰৰ সেৱাৰ পিছত গোটেই ৰাতি ৰাধাকৃষ্ণৰ দুখ-বেদনা-মিলনৰ গীত গাই ৰাতিপুৱাই দিয়ে। ৰাতিপুৱাৰ লগে লগে ফলমূলৰ প্ৰসাদৰ লগত খিচিৰি খাই ঘৰাঘৰি হয়। ঠাই বিশেষে পুৰুষ-স্ত্ৰী একেলগ হৈ ৰাতি বাউলা কীৰ্ত্তন কৰা দেখা যায়। এই বাউলা কীৰ্ত্তনৰ ক্ৰম আছে, তাকে ভঙ্গ কৰিলে অপৰাধী হোৱা বুলি গণ্য কৰা হয়।

কাতিবিহুক কাছাৰৰ স্থানীয় কথিত ভাষাত কাতি সংক্ৰান্তি বুলি কোৱা হয়। এই সময়ত বহুতে নিজ নিজ ধৰ্মধ্বজা উত্তোলন কৰি ব্ৰত পালন কৰা দেখা যায়। তুলসী তলতো সেইদিনা চাকি-বন্তি জ্বলোৱা হয়। বহুতে আকাশবন্তিও জ্বলোৱা দেখা যায়।

কাতিবিহু বা কাৰ্ত্তিক সংক্ৰান্তিৰ উৎসৱটো অন্যতম এটা কৃষি উৎসৱ। ইয়াক লোকউৎসৱ বুলি ক'ব পাৰি।

এই কাতিবিহুক বৰাক উপত্যকাৰ কিছুমান অসমীয়াভাষীয়ে আহিন কাতি মাহৰ দোমাহীৰ দিনা পালন কৰে আৰু কিছুমানে কাতি মাহত সংক্ৰান্তিৰ দিনা পালন কৰে। সেইদিনা নামঘৰ থকা গাঁওবোৰত দুপৰীয়া ৰাইজৰ পুৰুষ-মহিলা সমন্বিতে নামঘৰত গোট খাই নামকীৰ্ত্তন, পাঠ প্ৰসঙ্গ কৰে।

কাতি মাহত কাৰ্ত্তিক পূজাও উল্লেখযোগ্য। এই কাতি মাহত বৰাক উপত্যকাৰ ঠায়ে ঠায়ে ৰাতি অৱসৰ সময় চাই গাভৰু, আদহীয়া তিৰোতাসকলে কাৰোবাৰ ঘৰত গোট খাই ৰাধাকৃষ্ণৰ প্ৰেমজনিত বিৰহ-বিচ্ছেদ আদি ৰস মিহলোৱা গীত গাই নৃত্য কৰে। এই নৃত্যত বাদ্যৰ ব্যৱহাৰ নহয়। মাত্ৰ হাত চাপৰিয়েই প্ৰধান। ইয়াক ধামাইল নৃত্য বুলি কোৱা হয়। এই ধামাইল নৃত্যত নাৰীসকলে বৃত্তাকাৰে ঘূৰি ঘূৰি নাচে। কেতিয়াবা পুৰুষ-নাৰী মিলিতভাৱেও নচা দেখা যায়। এইদৰে কাছাৰ বা বৰাক সুৰমা উপত্যকাত কাতিবিহুৰ সামৰণি হয়।

❖❖❖

তুষাৰ কান্তি নাথ

জন্ম ঃ ১৯৬১ চন। কাছাৰ জিলাৰ শিলচৰ চহৰৰ ওচৰৰ বেৰাবাক গাঁও।

শিক্ষা ঃ স্নাতকোত্তৰ।

কৰ্মজীৱন ঃ শিলচৰ চৰকাৰী বালক উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বেঙ্গলীৰ বিষয় শিক্ষক।

সাহিত্য কৃতি আৰু সাংস্কৃতিক জীৱন ঃ বহুতো গৱেষণাধৰ্মী প্ৰবন্ধ ৰচনা। প্ৰকাশিত কাব্যগ্ৰন্থ (১), সংকলিত কবিতা (৫), আলোচনী সম্পাদক (২), প্ৰকাশিত কবিতা আবৃত্তিৰ অডিঅ কেছেট (১)। অসমৰ বৰাক উপত্যকাৰ ঐতিহাসিক ঐতিহ্য, লোক ঐতিহ্য আৰু উত্তৰ কাছাৰ পাৰ্বত্য এলেকাৰ উপজাতি সংস্কৃতি উপাদান সংগ্ৰহত বিশেষভাৱে জড়িত। দেশ-বিদেশৰ বিভিন্ন কাকত-আলোচনীত কবিতা, প্ৰবন্ধ আদি প্ৰকাশ।

ৰাজহুৱা জীৱন ঃ বিভিন্ন অঞ্চলৰ ইতিহাস আৰু সমাজৰ বিষয়ে অনুষ্ঠিত হোৱা বিভিন্ন আলোচনা চক্ৰত অংশ গ্ৰহণ কৰাৰ উপৰিও "গঙ্গাৰিভি গৱেষণা কেন্দ্ৰ" (কাকদ্বীপ, পশ্চিমবঙ্গ)ৰ আজীৱন সদস্য।

বৰাক উপত্যকাত পালন কৰা কাতিবিহুৰ আচাৰ-অনুষ্ঠান

বৰাক উপত্যকাৰ লোকসংস্কৃতিৰ যিকোনো শাখা সম্পৰ্কে আলোচনা কৰিবলৈ হ'লে এই অঞ্চলৰ সমাজ-সংস্কৃতি তথা জনপ্ৰবাহৰ ফালেও আমি দৃষ্টি ৰাখিব লাগে। কাৰণ, লোকসংস্কৃতি হ'ল সামাজিক মানুহৰ প্ৰত্যক্ষ ঐতিহ্যবাহী। নৃতত্ত্ব, জাতিতত্ত্ব তথা সামাজিক-সাংস্কৃতিক ইতিহাসৰ দৃষ্টিকোণৰ পৰা বঙ্গভূমি যেনে উপমহাদেশৰ এটি সমৃদ্ধ অঞ্চল, তেনেকৈয়ে বৰাক উপত্যকাও এটি সমৃদ্ধ অঞ্চল। হাজাৰ বছৰ আগৰ পুৰণি বাংলা ভাষাত (চৰ্যাপদ) ব্যৱহৃত বহু শব্দ, ফকৰা-

যোজনা, বাগ্‌ধাৰা যি অন্যত্ৰ বৰ্জিত বা লুপ্ত ই বৰাক উপত্যকাৰ লোকমুখত এতিয়াও বৰ্তমান, গাঁৱলীয়া সমাজ এতিয়াও বাহিৰৰ প্ৰভাৱেৰে খুব বেছি প্ৰভাৱিত নহয়, প্ৰাচীন জীৱনপদ্ধতি আৰু পৰম্পৰাক খামুচি ধৰি আছে। ফলত গ্ৰামীণ ঐতিহ্য-সংস্কৃতিৰ বাৰেবৰণীয়া ৰূপটোৰ বহুতোখিনি ইয়াত দীৰ্ঘস্থায়ী হৈছে। ইয়াত লোকসংস্কৃতি এতিয়াও প্ৰাণময় আৰু জীৱন্ত হৈ আছে।

বৰাক, সুৰমা, কুশিয়াৰা, সোনাই, ৰুকণী, জিৰি, চিৰি, বাদ্ৰি, মধুৰা, জাতিঙ্গা, ধলেশ্বৰী, কাটাখাল, সিংলা, লঙ্গাই আদি নদ-নদী বিধৌত আৰু অসংখ্য নলা-বিল, উচ্চাবচ টিলাভূমি, পাহাৰশ্ৰেণী, দিগন্ত বিস্তৃত আবাদি ভূমি, ঘন অৰণ্য-হাবিৰে পৰিপূৰ্ণ এই ভূ-ভাগ প্ৰাক্-স্বাধীনতা যুগৰ 'সুৰমা উপত্যকা'ৰ খণ্ডিত পূৰ্বাংশ। বৰ্তমান দক্ষিণ অসমৰ তিনিখন জিলা (কাছাৰ, হাইলাকান্দি, কৰিমগঞ্জ)ৰ সাধাৰণ অভিধা 'বৰাক উপত্যকা'। বিশ্বমানচিত্ৰত ইয়াৰ অৱস্থান ২৪°৮' আৰু ২৫°৮' উত্তৰ অক্ষাংশৰ ভিতৰত আৰু ৯২°১৫' আৰু ৯৩°১৫' পূব দ্ৰাঘিমাংশৰ ভিতৰত। ভূ-প্ৰকৃতিগতভাৱে বৰাক উপত্যকা বঙ্গ সমভূমিৰ পূৰ্বপ্ৰান্তিক সম্প্ৰসাৰণ। ভৌগোলিক দৃষ্টিকোণৰ ফালৰ পৰা বিচাৰ কৰিলে শ্ৰীহট্ট (চিলেট) কাছাৰ দৰাচলতে একেই অখণ্ড উপত্যকা। এই প্ৰসঙ্গত ড° নীহাৰৰঞ্জন ৰায়ে লিখিছে "বৰাক ও সুৰমা নদীৰ উপত্যকাটো মেঘনা উপত্যকাৰেই (মৈমনসিং-ত্ৰিপুৰা-ঢাকা) উত্তৰাংশ মাত্ৰ। এই দুই উপত্যকাৰ মধ্যে প্ৰাকৃতিক সীমা কিছু নাই বলিলেই চলে, এবং এই কাৰণেই প্ৰাচীন ও মধ্যযুগে পূৰ্ব বাঙলাৰ এই কয়টি জেলাৰ— বিশেষভাৱে ত্ৰিপুৰা ও পূৰ্ব-মৈমনসিং জেলাৰ— সংস্কাৰ ও সংস্কৃতি এত সহজে শ্ৰীহট্ট-কাছাড়ে বিস্তাৰ লাভ কৰিতে পাৰিয়াছিল। এখনও শ্ৰীহট্ট-কাছাড়েৰ হিন্দু-মুসলমানেৰ সমাজ ও সংস্কৃতি বাঙলাৰ পূৰ্বতম জেলাগুলিৰ সঙ্গে একসূত্ৰে গাঁথা। শুধু তাহাই নয়, লৌকিক ও অৰ্থনৈতিক বন্ধনও বাঙলাৰ এই জেলাগুলিৰ সঙ্গে।"[১]

নৃতত্ত্ববিদসকলে প্ৰমাণ কৰিছে অষ্ট্ৰিক ভাষা-ভাষী-অষ্ট্ৰেলিয় (প্ৰোটো-অষ্ট্ৰোলয়েড)সকল বঙ্গদেশৰ আদিম অধিবাসী। ভাৰতৰ বাৰীবহুল আন আন সমতল এলেকাৰ দৰে বঙ্গদেশতো সিহঁতে কৃষি-সভ্যতাৰ পত্তন কৰে। দক্ষিণ এচিয়াৰ সভ্যতাত ধান-পাণৰ পৰা আৰম্ভ কৰি সকলো কৃষিজ দ্ৰব্য আৰু কৃষিভিত্তিক গ্ৰামীণ সংস্কৃতি আদি-অষ্ট্ৰেলিয় বুলি পণ্ডিতমহলত স্বীকৃত। অষ্ট্ৰিক, মঙ্গোলীয়, আৰ্য আদি নৃ-গোষ্ঠীৰ সমন্বয়ৰ ফলত পূবভাৰতৰ যি বঙালী জাতিৰ অভ্যুদয় হৈছিল, শ্ৰীহট্ট-কাছাৰতো সি একেদৰেই হৈছে।

বৰাক উপত্যকা সম্পৰ্কত এই প্ৰাথমিক ভূমিকাটো শেষ কৰি আমাৰ আলোচ্য বৰাক উপত্যকাত পালন কৰা কাতিবিহু ('আশ্বিন সংক্ৰান্তি')-ৰ আচাৰ-অনুষ্ঠানৰ বিষয়ে এতিয়া আলোকপাত কৰোঁ।

কাতিবিহু ঃ বঙালী সমাজত ঃ

বঙালীৰ সভ্যতা-সংস্কৃতি মূলতঃ কৃষি আৰু নাৰীক কেন্দ্ৰ কৰি গঢ লৈ উঠিছে। কৃষিক কেন্দ্ৰ কৰি বঙালী সমাজৰ সকলো উৎসৱ-পাৰ্বণ-ব্ৰত আদি পালিত হয়। বঙালীৰ 'বাৰো মাসে তেৰো পাৰ্বণ'। ইয়াৰ এটি 'আশ্বিন সংক্ৰান্তি' (আশ্বিন=আহিন)। বৰাক উপত্যকাত পালিত আশ্বিন সংক্ৰান্তি (কাতিবিহু)-ৰ লগত সম্পৃক্ত কিছুমান লোকাচাৰ কৃষিভাবনা তথা ফাৰ্টিলিটি কাল্ট সংশ্লিষ্ট বুলি কোৱাৰ থল আছে।

বৰাক উপত্যকাৰ গাঁৱলীয়া জীৱনৰ প্ৰধান সম্বল কৃষি। কৃষি নিৰ্ভৰ সমাজত আশ্বিন সংক্ৰান্তিৰ দিনা পালন কৰা যি কেইটা আচাৰ-অনুষ্ঠান বা পাৰ্বণ প্ৰচলিত আছে তাৰ মাজত 'গৰ্ভ সংক্ৰান্তি/ গাড়ু সংক্ৰান্তি' এটা। সেইদিনা 'আট আনাজ' ব্ৰতৰ প্ৰচলনও দেখা যায়। সেইদিনা ধানক 'সাধ খাওয়ানো' আচাৰ পালন কৰা হয়, যি শস্যবৃদ্ধিৰ ইন্দ্ৰজাল বিশেষ, অশুভ শক্তিৰ প্ৰভাৱত পথাৰৰ ধান বা ফচল যাতে নষ্ট নহয় তাৰ বাবে নানা ধৰণৰ ঐন্দ্ৰজালিক প্ৰক্ৰিয়াৰ আশ্ৰয় লয় কৃষিজীৱী সমাজে। সেইদিনা মহিলাসকলে ৰাতিপুৱা উঠি ঘৰৰ চাৰিওফালে ঝাড়ু দি গোবৰ-পানী ছটিয়াই দিয়ে। ঘৰ-দুৱাৰ ধুই-মচি পৰিষ্কাৰ-পৰিচ্ছন্ন কৰে। দিনটো উপবাসে থাকি লক্ষ্মীপূজা কৰে। ধানৰ ভঁৰাল ঘৰত চাউলৰ গুৰি দি আল্পনা আঁকে। চাউলৰ গুৰি দি দুটা পুতলা তৈয়াৰ কৰে, এটি লক্ষ্মী (লখিমী), আনটো অলক্ষ্মী। লক্ষ্মীৰ কপালত সেন্দুৰৰ ফোঁট দিয়ে আৰু অলক্ষ্মীৰ মুখত ক'লা ৰং সানি দিয়ে। ভঁৰালৰ সমুখত আসন পাতি লক্ষ্মীক বহুৱায় আৰু আসনৰ তলত আগলতি কলৰ পাতত অলক্ষ্মীক বহুৱায়। ব্ৰতিনীয়ে ঔটেঙাৰ পাতেৰে খিলি ('উলা') তৈয়াৰ কৰে। ঔটেঙাপাত, বেলপাত, সুন্দা-মেথি, ধান-দুবৰি আৰু সেন্দুৰৰ ফোঁট দি কলপাত দুভাঁজ কৰি খেৰেৰে বান্ধি এটা টোপোলা বনায়। ইয়াক 'উলা' বুলি কয়। এই 'উলা' লক্ষ্মীদেৱীৰ আশীৰ্বাদৰ প্ৰতীক বুলি বিশ্বাস কৰা হয়। ধানৰ পথাৰত অলক্ষ্মীৰ প্ৰবেশ প্ৰতিহত কৰাৰ উদ্দেশ্যে খিলি দিয়ে। পূজাৰ পিছত লক্ষ্মীৰ পুতলাটো ভঁৰালত তুলি ৰখা হয় আৰু অলক্ষ্মীৰ পুতলাটোক কলপাতত বান্ধি ঘৰৰ চাৰি সীমাৰ বাহিৰত পেলাই দিয়া আৱশ্যিক কৃত্য হিচাপে পালন কৰা হয়। এনেকৈ অলক্ষ্মী বিদায়ৰ লগে লগে পাৰিবাৰিক অমঙ্গল দূৰ হয় বুলি মহিলাসকলে বিশ্বাস কৰে। বাসগৃহৰ প্ৰত্যেক কোঠাত আৰু ধাননি পথাৰৰ চাৰিওফালে 'খিলি' দিয়াৰ প্ৰথা আছে। খেতি পথাৰত 'খিলি' বা 'উলা' ছটিয়াই দিয়াৰ সময়তে উচ্চাৰণ কৰা হয় এটি মন্ত্ৰধৰ্মী পদ। এনেকুৱা কৰিলে ধান বা শস্য লহপহকৈ বাঢে বুলি লোকবিশ্বাস। মন্ত্ৰধৰ্মী পদটো হ'ল—

আশ্বিন যাইতে কাত্তি হামাইতে
দেবীৰ পুতে ভুঁই জুড়োতে

হুন্দা মেথি বেলৰ পাত
হিজা ছাড়ে আড়াই হাত
চইলতাপাতায় ধৰছে কাডাৰ
একই কিত্তায় ন ন ভাডাৰ।

এই পাৰ্বণটোৰ সকলোতকৈ গুৰুত্বপূৰ্ণ দিশটো হ'ল খাদ্য সংক্ৰান্ত বিধি নিষেধ। সেইদিনা তেল স্পৰ্শ কৰা সম্পূৰ্ণ নিষেধ। 'পুলিপিঠা' বা 'সিদ্ধপিঠা' সেইদিনা খাব লাগে। চাউলৰ গুৰি এই পিঠাৰ প্ৰধান উপকৰণ। 'আট আনাজ' (আঠবিধ শাক-পাচলি) সিদ্ধৰ বাহিৰে বেলেগ একো খোৱা নিষেধ। এই 'আট আনাজ' বিলাক হ'ল— ওল, মাটি আলু, কল, মানকচু, ভেট, লাউ, মৰিচা, ঘাটু (বনৰীয়া ফল বিশেষ)। সেইদিনা, 'সম্বৰা' (তেল মৰা) দিয়াটো নিষেধ, সুন্দা-মেথিৰ গুৰাৰ বাহিৰে বেলেগ মচলা ব্যৱহাৰো নিষেধ। মহিলাসকলে সন্ধিয়া ঘৰৰ সকলো কোঠাত চাকি জ্বলাই দিয়ে। পূজাৰ পিছত ব্ৰতিনীয়ে ব্ৰত-কাহিনী কয়। বৰাক উপত্যকাৰ বঙালী সমাজত বিংশ শতাব্দীৰ প্ৰথম ভাগলৈ আহিন-সংক্ৰান্তিৰ লগত সম্পৃক্ত আৰু কিছুমান লোকাচাৰ আছিল, যিবিলাক এতিয়া প্ৰায় লুপ্ত হৈছে। যেনে— প্ৰতি হিন্দুৰ ঘৰতে সেই সন্ধিয়াৰ পৰা এমাহলৈ তুলসীৰ গুৰিত আকাশবন্তি দিছিল (আহিন সংক্ৰান্তিৰ পৰা কাতি সংক্ৰান্তি পৰ্যন্ত), ফল-মূল গছৰ গুৰিত প্ৰদীপ (চাকি) জ্বলাইছিল, পুৰণি তুলসী গছ থকা সত্ত্বেও তুলসীৰ বেদীত নতুন এজোপা তুলসী ৰোৱা হৈছিল।

'গৰ্ভ সংক্ৰান্তি' বা 'আট আনাজ' ব্ৰতৰ লগত সংশ্লিষ্ট আচাৰ-অনুষ্ঠান বিলাক লক্ষ্য কৰিলে আমি বুজি পাওঁ যে, পাৰ্বণটো বহু প্ৰাচীনকালৰ আৰু ইয়াৰ ভিতৰত উৰ্বৰতাবাদৰ বিশিষ্ট গুণবিলাক সংগুপ্ত আছে। শস্যবৰ্ধন কামনা ইয়াৰ উদ্দেশ্য। শস্য প্ৰাণৰ প্ৰতীক হিচাপে শস্যদেৱী (লক্ষ্মী)ৰ ধাৰণা (চাউলৰ গুৰিৰ দ্বাৰা লক্ষ্মী-পুতলা তৈয়াৰ), সেন্দুৰৰ ব্যৱহাৰ, লক্ষ্মী-পুলতাক ওঁৰালত তুলি ৰখা, মন্ত্ৰধৰ্মীপদত ব্যক্ত কামনা, সিদ্ধপিঠা খোৱা (আকৃতিত নাৰী যোনিৰ অনুৰূপ)— আদিম চিন্তা বা আদিম মানুহৰ প্ৰজনন চিন্তা ব্যক্ত হৈছে। তদুপৰি ভাতৰ দৰে পিঠাও বঙালীৰ প্ৰিয় আৰু আদিম খাদ্য। তেওঁলোকৰ প্ৰিয় খাদ্যসমূহ নিজৰ লগতে পূজ্য দেৱতাৰ কাৰণেও সি ব্যৱস্থা কৰে। 'আট-আনাজ' বা আঠবিধ বনৰীয়া শাক-পাচলি সংগ্ৰহ কৰাৰ প্ৰথা আৰু ৰন্ধন পদ্ধতিটোও একেবাৰে আদিম যুগৰ বুলি ধাৰণা হয়। শস্যাদি সংশ্লিষ্ট 'গৰ্ভ-সংক্ৰান্তি'ৰ আচাৰ-অনুষ্ঠানৰ স্বৰূপ সম্পৰ্কত আৰু এটা মন্তব্য কৰা যায় যে, এই উপলক্ষে পালন কৰা শস্যদেৱী/ শস্যদায়িনী (লক্ষ্মী) পূজা-ব্ৰতে প্ৰাগৈতিহাসিক হৰপ্পা-সংস্কৃতিৰ কথা মনত পেলাই দিয়ে। ফল-মূলৰ গছৰ তলত বন্তি জ্বলাই প্ৰণাম কৰা— এই বিলাক আচলতে ফচলাদি আৰু উৰ্বৰাশক্তিৰ

উপাসনাৰ নিদৰ্শন। গছ-পূজাৰ নিদৰ্শন মহেঞ্জোদাৰো-হৰপ্পাতো পোৱা গৈছে। হৰপ্পা-সংস্কৃতিৰ এটি ফলকত (সীল মোহৰত) এজন ভক্তৰ নতজানু হৈ বৃক্ষোপাসনাৰ চিত্ৰ সুস্পষ্টৰূপে দৃশ্যমান। হৰপ্পাত প্ৰাপ্ত আন এটা সীল মোহৰত উৎকীৰ্ণ এক নাৰীমূৰ্ত্তিত দেখা যায় যে তাৰ যোনিৰ পৰা নিৰ্গত হৈ আছে তৰুলতা বা শস্যগুচ্ছ। ইয়াৰ পৰা পণ্ডিতসকলে এই সিদ্ধান্তত উপনীত হৈছে যে হৰপ্পা-সভ্যতাৰ মাতৃদেৱীও আছিল শস্যদেৱী/শস্যদায়িনী। অৰ্থাৎ হৰপ্পা-সিন্ধুৰ মানুহসকল আছিল শস্য আৰু উৰ্বৰতাৰ দেৱী পূজক। হৰপ্পা-সংস্কৃতিৰ লগত বঙ্গ-সংস্কৃতিৰ যোগসূত্ৰ আৰু সমগোত্ৰীয়তাৰ কথা আজি পণ্ডিতমহলত স্বীকৃত। হৰপ্পা-সিন্ধু সভ্যতা যে আচলতে বাণিজ্যিক আৰু কৃষিভিত্তিক সভ্যতা— এই কথাটো আজি সৰ্বজনস্বীকৃত।

আহিন সংক্ৰান্তিত পালন কৰা 'আট আনাজ' ব্ৰত বৰাক উপত্যকাৰ কোনো কোনো ঠাইত অলপ বেলেগ ধৰণে পালন কৰাও দেখা যায়। যেনে— আঠবিধ শাক-পাচলি বনাই ইয়াক প্ৰসাদ হিচাপে গ্ৰহণ কৰা হয়। মহিলাসকলে এই ব্ৰত পালন কৰে দুদিন। আহিন সংক্ৰান্তিত (আহিনৰ শেষদিনা) ই আৰম্ভ হয় আৰু শেষ হয় পিছদিনা, অৰ্থাৎ কাতিৰ ১ তাৰিখে। পূজাৰ উপচাৰ-উপকৰণঃ শস্যদায়িনী লক্ষ্মীৰ ঘটৰ সমুখত বনোৱা 'আট আনাজ', ঔটেঙাপাত, বেলপাত, বিন্না (শণ)ৰ ফুল আৰু সুন্দা-মেথিৰ গুৰা সজাই ৰখা হয়। দেৱী লক্ষ্মীৰ ওচৰত ব্ৰতিনীয়ে কামনা কৰে ধৰিত্ৰী যেন শস্যপূৰ্ণা হৈ উঠে, শস্য যেন লহপহকৈ বাঢ়ে। লক্ষ্মীৰ উদ্দেশ্যে আগবঢ়োৱা 'আট আনাজ'-ৰ তৰকাৰি পিছদিনা ৰাতিপুৱা প্ৰসাদ হিচাপে খোৱা হয়। লোকবিশ্বাস অনুযায়ী এই প্ৰসাদ খালে মনস্কামনা সিদ্ধ হয়, ফচলৰ দেৱী লক্ষ্মীৰ বৰ পোৱা যায়। ইয়াৰ কাৰণে ব্ৰতিনীয়ে উচ্চাৰণ কৰে—

> আশ্বিনে ৰান্ধিয়া কাৰ্তিকে খায।
> যে যে বৰ মাগে সে সে বৰ পায।।

এনে ধৰণৰ আচাৰ-অনুষ্ঠান চিলেটতও আছে।

বৰাক উপত্যকাৰ 'গৰ্ভ সংক্ৰান্তি'ৰ লগত সাদৃশ্য থকা এটা পাৰ্বণ হ'ল পশ্চিমবঙ্গৰ 'ধান ডাকা'।

পশ্চিমবঙ্গৰ বাঁকুড়া জিলাত কৃষিজীৱী সমাজে আশ্বিন সংক্ৰান্তি (আহিন সংক্ৰান্তি)ৰ দিনা এই 'ধান ডাকা' পাৰ্বণ পালন কৰে। আহিন সংক্ৰান্তিৰ ৰাতিপুৱা অনুষ্ঠানটো পালন কৰা হয। কৃষকে নীৰৱতা পালন কৰি ধাননি পথাৰত উপস্থিত হৈ আৰৈ চাউল পথাৰত ছটিযাই দিয়ে আৰু লগতে মন্ত্ৰধৰ্মী পদ গায়—

> 'লোকেৰ ধান হুলুম থুল, আমাৰ ধান শুধুই ফুল
> ধান— ফুল ফুল ফুল।'

লোকবিশ্বাস এই যে ফচলৰ দেৱী লক্ষ্মীক এনেকৈ তুষ্ট কৰা যায় আৰু বছৰটোলৈ পৰিয়ালৰ অপায়-অমঙ্গল দূৰ হয়, ভূমিত প্ৰচুৰ ফচল উৎপন্ন হয়।[২] আহিন সংক্ৰান্তিত পশ্চিমবঙ্গৰ ৰাঢ় অঞ্চলত মহিলাসকলে 'গাৰুব্ৰত' নামেৰে এটা আচাৰ-অনুষ্ঠান পালন কৰে। মহিলাসকলে গা ধুই শুচিবস্ত্ৰ পৰিধান কৰি কেঁচা হালধি বটি সৰিয়হৰ তেলৰ লগত মিহলাই ধান-খেতিত ছটিয়াই এই বুলি গায়—

'ধানৰে ধান সাধ খা,
পাক্যা ফুল্যা ঘৰে যা।'[৩]

উৰিষ্যাত সধৱা নাৰীসকলৰ মাজতো আহিন মাহত 'গৰ্ভনাসংক্ৰান্তি' নামে এটি ব্ৰত অনুষ্ঠান পালন কৰা দেখা যায়। ভাল ফচলৰ উদ্দেশ্যে নানাবিধ মিষ্টান্ন তৈয়াৰ কৰি মহিলাসকলে আই-প্ৰকৃতিৰ কাৰণে পথাৰলৈ কলপাতত বান্ধি লৈ যোৱাটোও এই অনুষ্ঠানৰে এটা অঙ্গ।

দৰাচলতে এই সময়তেই (আহিন-কাতি) আই প্ৰকৃতি গৰ্ভৱতী হয়। মধ্যযুগৰ কবিৰ ভাষাতো এই সমযতেই 'ধান্য আদি শস্য যত হয় গৰ্ভৱতী।' সন্তান-সম্ভৱা নাৰীৰ গৰ্ভৰ সপ্তম মাহত সুপ্ৰসব কামনা কৰি যেনে 'সাধভক্ষণ/ সাধ খোৱা' আচাৰ প্ৰতিপালিত হয, উৰিষ্যাৰ 'গৰ্ভনাসংক্ৰান্তি', পশ্চিমবঙ্গৰ 'গাৰুব্ৰত' তথা 'ধান ডাকা', বৰাক উপত্যকাৰ 'গাড়ুসংক্ৰান্তি/গৰ্ভসংক্ৰান্তি', 'আট আনাজ' ব্ৰত আৰু ব্ৰহ্মপুত্ৰ উপত্যকাত পালন কৰা আহিন-কাতিৰ সংক্ৰান্তিৰ দিনা 'কাতিবিহু' তেনেকুৱাই আচাৰ-অনুষ্ঠান। এইবিলাক ব্ৰত-পাৰ্বণ মাতৃতান্ত্ৰিক, কৃষিনিৰ্ভৰ সমাজৰ প্ৰজননশক্তি আৰু যাদুশক্তিৰ প্ৰতি বিশ্বাসৰেই প্ৰকৃষ্ট লক্ষণ। প্ৰজননশক্তিৰ প্ৰশস্তি ইযাৰ মূল কথা। অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকাতো এনেকুৱা আচাৰ-অনুষ্ঠানেৰে কাতিবিহুৰ দিনা ধাননি পথাৰত বন্তি জ্বলোৱা হয়। ইয়াৰ বাহিৰে সেইদিনা আলু-কচু আৰু ভেঁট-শেলেকু খোৱাৰ নিযম আছে। তুলসীৰ তলত আৰু ভঁৰালৰ গুৰিত বন্তি জ্বলোৱা হয। ইও কৃষি বা শস্য উৎসৱ।

ডিমাছা সমাজত ঃ সুপ্ৰাচীন ঐতিহ্যৰ উত্তৰাধিকাৰ বহন কৰি চলিছে এনে এটি উপজাতি গোষ্ঠীৰ নাম ডিমাছা। ঐতিহাসিক আৰু নৃতত্ত্ববিদসকলৰ মতে ডিমাছাসকল— ভোটবৰ্মী/তিব্বতবৰ্মী ইন্দো-মঙ্গোলীয় বড়ো (BODO) সকলৰ এটি শাখা। অসমৰ প্ৰাচীন অধিবাসীসকলৰ মাজত ডিমাছাসকল যে অন্যতম, এই ক্ষেত্ৰত ঐতিহাসিক পণ্ডিতসকলৰ মাজত দ্বিমত নাই। কাছাৰত বাস কৰা ডিমাছা উপজাতি সমাজত আহিন সংক্ৰান্তি/কাতিবিহু (ডিমাছা ভাষাত 'গাডি সাইনজোৰা') নানা আচাৰ-অনুষ্ঠানৰ মাধ্যমেৰে পালন কৰা হয়। প্ৰতি ঘৰে ঘৰে চলে অন্ন-ব্যঞ্জনৰ বাহুল্য। বলি দিয়া হয় হাঁহ/পাৰ। গৃহস্থই সেইদিনা পূৰ্বপুৰুষৰ আত্মাৰ উদ্দেশ্যে অন্ন-ব্যঞ্জন, তৰকাৰি, মাছ-মাংস, 'জু' (ঘৰত বনোৱা এবিধ মদ),

পাণ-তামোল, চাউলৰ গুৰিৰে বনোৱা পিঠা আদি কলপাতত সজাই ভোগ (ডিমাছা ভাষাত 'মাখাম গাৰবা') নিবেদন নকৰা পর্যন্ত নিজে অন্ন-জল গ্রহণ নকৰে। নিজকে পৰিষ্কাৰ-পৰিচ্ছন্নভাৱে ৰখাৰ লগতে আত্ম-সংযম পালন কৰে। ভোগ দিয়া হয় সাধাৰণতে নদী বা পুখুৰীৰ পাৰত। ভোগ ৰাখি গৃহস্থই আঁঠু কাঢ়ি সেৱা কৰি ঘৰলৈ উভতি আহে। যদিও ডিমাছাসকলৰ দৃষ্টিত ই হ'ল পূর্বপুৰুষৰ আত্মাৰ উদ্দেশ্যে দিয়া ভোগ, তথাপি এই অনুষ্ঠানটো অধ্যয়ন কৰি আমাৰ এটি ধাৰণা হৈছে যে ডিমাছাসকলৰ এনেধৰণৰ অনুষ্ঠান ভূমিপূজা বা ক্ষেত্রপূজাৰ সমার্থক। আমি এই কথাও ক'ব পাৰো যে ই হ'ল ভূমিৰ উৎপাদিকাশক্তিৰ পূজা আৰু ই হ'ল ভূমি-শস্যঋতু তথা উর্বৰতা কেন্দ্রিক ভাবনাৰ ঐতিহ্য।

সেইদিনা ডিমাছা তিৰোতাসকলে দল বান্ধি হাবিৰ পৰা বনৰীয়া শাক-পাচলি সংগ্ৰহ কৰে। পৰিয়ালগতভাৱে বা সমষ্টিগতভাৱেও ভোজ-ভাত খায়। গোটেই দিনটো মিলা-প্রীতি আৰু খেল-ধেমালিৰে অতিবাহিত কৰে। আনন্দ উপভোগ কৰাৰ লগতে পৰম্পৰাগত সাজ-পাৰ পৰিধান কৰি 'সুটাই মালা উঠাই' (ঘিলা), 'ডুয়ুং' (ৰচি টনা) আদি খেলা খেলে। এইবোৰ খেলা যদিও বর্তমানে লুপ্তপ্রায়, তথাপি প্রত্যন্ত গাঁওবিলাকত আজিও জীয়াই আছে। ঘিলা খেলা মণিপুৰীসকলৰ মাজতো আছে আৰু এই ঘিলা খেলা লন্‌টেনিচৰ আদিৰূপ বুলি বহুতে ক'ব খোজে।

মণিপুৰী সমাজত ঃ বৰাক উপত্যকাৰ লোক-সংস্কৃতিৰ অন্যতম অংশ স্বৰূপ মণিপুৰী সকলৰো বাৰেবৰণীয়া নিজস্ব বৈশিষ্ট্যপূর্ণ সাতামপুৰুষীয়া আচাৰ-ব্যৱহাৰ, পূজা-পাতল, উৎসৱ-পার্বণ আদি প্রচলিত আছে। মণিপুৰীসকলৰ দুটি শাখা— মেইতেই মণিপুৰী আৰু বিষ্ণুপ্রিয়া মণিপুৰী। বৰাক উপত্যকাত প্রতিখন মণিপুৰী গাঁৱতে একোটাকৈ বৃহৎ চাৰিচালিৰ 'মণ্ডপঘৰ' আছে। মণিপুৰী জীৱনধাৰাত এই 'মণ্ডপঘৰ' বিলাকৰ ভূমিকা বৰ গুৰুত্বপূর্ণ। গাঁৱৰ সকলো ধৰণৰ সভা ইয়াত বহে আৰু উৎসৱৰ বাবে আয়োজিত নৃত্য-গীতৰ তালিম ইয়াতেই হয়। ইয়াৰ পৰাই ধর্মালোচনা তথা সাংস্কৃতিক তৎপৰতা বা সামাজিক কর্মকাণ্ড পৰিচালিত হয়। ইয়াক আমি গাঁওবাসীৰ মিলন কেন্দ্ৰ, বিনোদন কেন্দ্ৰ বা সাংস্কৃতিক প্রশিক্ষণ কেন্দ্ৰ বুলি ক'ব পাৰো।

আহিন-সংক্রান্তিৰ দিনা সন্ধিয়াৰ পৰা এমাহলৈ 'মণ্ডপঘৰ' সংলগ্ন দেৱতা মন্দিৰৰ কাষত থকা তুলসীৰ গুৰিত আকাশবন্তি জ্বলোৱা হয়। এই আকাশবন্তি অপায়-অমঙ্গল আৰু অতিপ্রাকৃত দুষ্ট শক্তিক প্রতিহত কৰিবলৈ সক্ষম বুলি লোকবিশ্বাস আছে। বয়সীয়ালসকলে এমাহলৈ নিতৌ সন্ধিয়া গাঁৱৰ মণ্ডপঘৰত

মিলিত হয়। পুৰোহিতে মহাভাৰত পাঠ কৰে, ধৰ্মালোচনা কৰে আৰু ৰাইজে শুনে। মন্দিৰৰ দেৱতা (ৰাধাকৃষ্ণ, জগন্নাথ-সুভদ্রা-বলৰাম)ৰ উদ্দেশ্যে নৈবেদ্য আগবঢ়ায়। ডিমাছাৰ দৰে মণিপুৰী সমাজতো 'ঘিলা' খেলৰ প্ৰচলন আছে। কিন্তু মণিপুৰীসকলে আহিন-সংক্ৰান্তি (কাতিবিহু)ত ঘিলা নেখেলে, সিহঁতে চ'ত-সংক্ৰান্তি (বহাগবিহু)তহে এই খেল খেলে।

মুঠতে কৃষিক কেন্দ্ৰ কৰি লোকমানসত বহু বিচিত্ৰ অভিব্যক্তিৰ সৃষ্টি হৈছিল সুপ্ৰাচীন কালতেই। কৃষিভিত্তিক সমাজত যি সংস্কৃতিৰ জন্ম, সেইটো বিশ্বৰ সকলো ঠাইতেই একেই ধাৰাক অনুসৰণ কৰি গঢ় লয় আৰু বিকাশ লাভ কৰে। কৃষিভিত্তিক সমষ্টিগত জীৱনত শস্য-বন্দনাৰ প্ৰচলন পৃথিৱীৰ বিভিন্ন দেশত আছে। আই-ধৰিত্ৰীক শস্যশালিনী কৰিবলৈ মানৱ সমাজত বহু আচাৰ-অনুষ্ঠান-ব্ৰত-উৎসৱ-পাৰ্বণ পালিত হয়। বৰাক উপত্যকাৰ 'গৰ্ভসংক্ৰান্তি/গাড়ু সংক্ৰান্তি', 'আট আনাজ' ব্ৰত, পশ্চিমবঙ্গৰ 'গাৰুব্ৰত', 'ধান ডাকা', উৰিষ্যাৰ 'গৰ্ভনাসংক্ৰান্তি', ব্ৰহ্মাপুত্ৰ উপত্যকাৰ 'কাতিবিহু', মণিপুৰীসকলৰ 'মেৰা-সংক্ৰান্তি' (মেৰা=আহিন), ডিমাছাসকলৰ 'গাডি সাইনজোৰা' আদি উৎসৱ-পাৰ্বণৰ ক্ষেত্ৰতো একে কথা।

তথ্য নিৰ্দেশঃ

১ *বাঙ্গালীৰ ইতিহাস (আদি পৰ্ব) ঃ ড° নীহাৰৰঞ্জন ৰায় ঃ বৈশাখ ১৪০০ ঃ কলকাতা ঃ পৃ ৬৯।*

২ *লোকউৎসৱ ও লোকদেবতা প্ৰসঙ্গ ঃ ড° বৰুণকুমাৰ চক্ৰবৰ্তী ঃ জানুৱাৰী ১৯৮৪ ঃ কলকাতা ঃ পৃ ৩-৪।*

৩ *বাংলাৰ লোকউৎসৱ ঃ ড° দুলাল চৌধুৰী ঃ ফেব্ৰুৱাৰী ১৯৮৭ ঃ কলকাতা ঃ পৃ. ১০০।*

❖❖❖

নবকান্ত বৰদলৈ



জন্ম ঃ ১৯৪৪ চন। মৰিগাঁও।

শিক্ষা ঃ স্নাতকোত্তৰ।

কৰ্মজীৱন ঃ অধ্যাপক, মৰিগাঁও কলেজ।

সাহিত্য কৃতি আৰু সাংস্কৃতিক জীৱন ঃ প্ৰকাশিত গল্প- সংকলন (১), উপন্যাস (৪), প্ৰবন্ধ সংকলন (১), অসমৰ আগশাৰীৰ বিভিন্ন কাকত আলোচনীত লিখনি প্ৰকাশ।

ৰাজহুৱা জীৱন ঃ দৈনিক অগ্ৰদূতৰ সাংবাদিক। বিভিন্ন উন্নয়নমূলক কামৰ সৈতে জড়িত।

মৰিগাঁও জিলাত কাতিবিহু উদ্‌যাপন

অবিভক্ত নগাঁও জিলাৰ পৰা পশ্চিম অঞ্চলটো সামৰি মৰিগাঁৱক ১৯৮৯ চনত এখন সুকীয়া জিলাৰূপে ঘোষণা কৰা হয়। মৰিগাঁৱৰ উত্তৰে ব্ৰহ্মপুত্ৰ নদী তথা দৰং আৰু শোণিতপুৰ জিলা। দক্ষিণে কাৰবি আংলং জিলা, পূবে যোৰহাট জিলা আৰু পশ্চিমে কামৰূপ জিলা। পূবে বাৰপূজীয়াৰ পৰা পশ্চিমে মাযঙলৈকে সামৰি এই ভূমিখণ্ডই হ'ল মৰিগাঁও জিলা। ইয়াৰ উত্তৰ অঞ্চলত অৰ্থাৎ মৈৰাবাৰী লাহৰিঘাট আদি কৃষি প্ৰধান অঞ্চল সংখ্যালঘু মুছলমান অধ্যুষিত। কাতিবিহুৰ বিষয়ে লেখিবলৈ লৈ উত্তৰে গেৰুৱা, ভুৰাগাঁও, পূবে বাৰপুজীয়া, চৰাইবাহী, পশ্চিমে মায়ং, মনহা, বঘৰা, শিলসাঁকো, তৰাণি, কলবাৰী, দক্ষিণে আহতগুৰি, তেলাহি, শ'লমাৰী, মধ্য মৰিগাঁৱৰ পচতীয়া, দন্দুৱা, ভূৰবন্ধা আদি গাঁৱত বিস্তৃত ভ্ৰমণ কৰি তথ্য সংগ্ৰহ কৰা হ'ল। বিভিন্ন ব্যক্তিক সাক্ষাৎ কৰি কাতিবিহু উদ্‌যাপন তথা পৰম্পৰাৰ বিষয়ে অনুসন্ধান কৰি জনা গ'ল যে সমগ্ৰ জিলা জুৰি কাতি বিহু উদ্‌যাপনৰ প্ৰক্ৰিয়া একেই। ঠাই বিশেষে দুই এটা সৰু সুৰা পাৰ্থক্য পৰিলক্ষিত হ'ল।

জন লাব্বক, টেইলৰ, ফাৰ্গুচন আৰু মনিয়ৰ উইলিয়ামছৰ গ্ৰন্থৰ পৰা জনা যায় যে গছ আৰু উদ্ভিদৰ পূজা গোটেই পৃথিবীতে একালত চলিছিল। ই এক প্ৰাচীন প্ৰথা তথা বিশ্বাস। গছ পূজা একালত গ্ৰীচ, ফ্ৰান্স আৰু এচিবিয়াত চলিছিল আৰু এতিয়াও আফ্ৰিকা পলিনেচিয়া আমেৰিকা আৰু ভাৰতৰ বিভিন্ন মানুহৰ মাজত গছ পূজা বিদ্যমান। আদিম যুগত গছক স্বয়ং দেৱতা জ্ঞান কৰিয়েই পূজা কৰা হৈছিল। সিন্ধু উপত্যকাত উদ্ধাৰ হোৱা প্ৰাচীন মোহৰত বৃক্ষ দেৱদেৱী অঙ্কিত আছে আৰু ইবোৰৰ সন্মুখত প্ৰাৰ্থনা কৰি থকা চিত্ৰ পোৱা হৈছে। আজিৰ হিন্দুসকলে বৰগছ, আঁহতগছ, কদমগছ, বেলগছ আৰু তুলসী গছৰ পূজা কৰে। কাতিবিহুত তুলসী গছক পবিত্ৰ জ্ঞান কৰি পূজা কৰা হয়।

জিলাখনৰ কেইজনমান বয়োজ্যেষ্ঠ লোকৰ পৰা জনা গ'ল— কাতিবিহু সম্পৰ্কে এক জনশ্ৰুতি প্ৰচলিত। এই জনশ্ৰুতিমতে, ব্ৰহ্মা বিষ্ণু মহেশ্বৰে বছৰৰ তিনিটা বিহু ভগাই ললে। ব্ৰহ্মাৰ ভাগত ৰঙালীবিহু; বিষ্ণুৰ ভাগত ভোগালীবিহু আৰু মহেশ্বৰৰ ভাগত পৰিল কাতিবিহু। ব্ৰহ্মা বিষ্ণুৱে বেছ উলহ-মালহৰেই ৰঙালী আৰু ভোগালীবিহু উদ্‌যাপন কৰিলে। কিন্তু মহেশ্বৰে ভাং খাই মছগুল হৈ থাকোতেই বিহুৰ কথা পাহৰিলে। কাতিবিহুৰ দিনা পাৰ্বতীয়ে মনত পেলাই দিলে আজি দেখোন বিহু, যোগাৰ পাতি একোৱেই কৰা নহ'ল। মহেশ্বৰৰ গালে তেতিয়াহে হুঁচ আহিল। তেওঁ পাৰ্বতীক ক'লে— আলু, কচু, শেলেকু, কল যি আছে তাকেই যোগাৰ কৰা, তাৰেই বিহু পাতিম। অনুষ্টুপীয়াকৈ মহেশ্বৰ-পাৰ্বতীয়ে বিহু উদ্‌যাপন কৰিলে। সেই কাৰণেই হেনো কাতিবিহু কঙালী।

কাতিবিহুত ধৰ্মীয় অনুলেপন বিদ্যমান। ঘৰত পুৰণি তুলসী গছ থাকিলেও নতুনকৈ মাটিৰ ঢিপ সাজি পুৰাই তুলসী পুলি এটা ৰোৱাৰ নিয়ম। সন্ধিয়া তুলসী পুলিটোৰ গুৰিত মাটিৰ চাকি জ্বলোৱা হয়। আহিন-কাতিমাহৰ সংক্ৰান্তিৰ দিনা এই ধৰ্মীয় পৰ্ব পালন কৰা হয়। তুলা ৰাশিৰ সংক্ৰমণত হোৱা কাতিৰ সংক্ৰান্তিক জলবিষুব বুলি মানুহে গণ্য কৰে। সেইদিনাৰে পৰা আৰম্ভ কৰি গোটেই কাতিমাহটো তুলসীৰ গুৰিত চাকি জ্বলোৱা হয়। এই বিহুতে লক্ষ্মী আৰু দামোদৰক যুগলভাৱে বন্দনা কৰাৰ উদ্দেশ্যে ওখকৈ বাঁহ পুতি বাঁহৰ আগত আকাশবন্তি জ্বলোৱা হয় কোনো কোনো গাঁৱত। কিন্তু সকলো অঞ্চলতে আকাশবন্তিৰ প্ৰচলন নাই। কাতিমাহৰ তিথিক পুণ্য তিথি বুলি গণ্য কৰি নাম কীৰ্ত্তন পাঠ আদি কৰি ভগৱানৰ উদ্দেশ্যে গোসাঁই ঘৰ, তাঁত শাল, গোহালি ঘৰ, পদূলি তথা বাৰী, থকা ঘৰত ধূপ দীপ জ্বলোৱা হয়। দিনৰ ভাগত খেতিয়কসকল পথাৰলৈ গৈ পথাৰত বাঁহৰ আগ পুতি থৈ আহে। কোনো কোনোৱে ত্ৰিকোণাকৃতিৰ বাঁহৰ চালনি বৈ বাঁহৰ আগত স্থাপন কৰে। স্থানীয়

ভাষাত ইয়াক চাট বাৰি বোলে। ইয়াৰ উদ্দেশ্য হ'ল এই বাঁহত পৰি চৰাই-চিৰিকতিয়ে শস্যৰ অনিষ্টকাৰী পোক-পৰুৱা খাই অতি কষ্টেৰে গঢ়ি তোলা শস্যভৰা ৰক্ষা কৰিব। মায়ং, মনহা, চৰাইবাহী আদি অঞ্চলত ৰবাব টেঙা কাটি তাৰ বাকলিবোৰ শস্যক্ষেত্ৰৰ চৌদিশে ছটিয়াই দিয়াৰ নিয়ম। তেনে কৰিলে গাখীৰতী গেঁৰ হোৱা ধাননি লহপহকৈ বাঢ়ি আহিব বুলি বিশ্বাস। এই নিয়ম কিন্তু সকলো ঠাইতে নাই। এই সময়ছোৱাত মানুহৰ শস্যৰ ভঁৰাল উদং হয় আৰৌ আনহাতে আগত শুভদিনৰ বাবে ভঁৰাল নতুনকৈ ভৰি উঠিবৰ বাবে পথাৰৰ লখিমীদেৱীৰ উদ্দেশ্যে শৰাই নৈৱেদ্য আদি আগবঢোৱা হয়। শ'লমাৰী অঞ্চলৰ গাঁওসমূহত গাঁৱৰ ডেকামখাই পুৱাবেলা গাঁৱৰ ঘৰে প্ৰতি পইচা সংগ্ৰহ কৰে আৰু আবেলি সেই পইচাৰে মাহ-কল, বুট-মগু আদি কিনি পথাৰত মুকলিভাৱে নৈবেদ্য আগবঢোৱা হয়। এই ব্যৱস্থা অবচীনো হ'ব পাৰে কাৰণ জিলাখনৰ অন্য ঠাইত এই পৰম্পৰা দেখা নাযায়।

সন্ধিয়া প্ৰতিঘৰ গৃহস্থই নিজৰ পদূলিত দিনতে পৰিষ্কাৰ কৰি ৰখা বাৰীত, নিজৰ গোসাঁই ঘৰত আৰু দিনতে ৰুই থোৱা তুলসীৰ গুৰিত চাকি জ্বলায়। গাঁৱৰ সৰু সৰু ছোৱালীবোৰ সন্ধিয়া গোট খাই ঘৰে ঘৰে তুলসীৰ গুৰিত নাম গায়। গৃহস্থই মাহপ্ৰসাদ বিতৰণ কৰি দিয়ে। এই বিহুৰ মাহপ্ৰসাদৰ লগত নল কচু, শেলেকু আদি দ্ৰব্য অপৰিহাৰ্য। বঘৰা শিলসাকোঁ আদি গাঁৱত আকৌ চেমনীয়া ল'ৰাইহে তুলসীৰ গুৰিত নাম গায। মৰিপচতীযাৰ কলিতা সম্প্ৰদাযৰ গাঁৱত গাঁৱৰ মহিলাসকলে গোটেই ৰাতি ঘৰে ঘৰে নাম কীৰ্ত্তন কৰে। যি গৃহস্থৰ ঘৰত নামকীৰ্ত্তনৰ ওৰ পৰে তাতে মাহ প্ৰসাদ, চাহ জলপান খাই ঘৰাঘৰি হয। বহা অঞ্চলৰ পৰা পোৱা তথ্যমতে প্ৰতিঘৰ গৃহস্থৰ তুলসীৰ তলত আগবঢোৱা মাহপ্ৰসাদ গাঁৱৰ ৰাইজে সংগ্ৰহ কৰি ৰাজহুৱা নামঘৰলৈ লৈ যায আৰু তাতে সমূহীয়াভাৱে নামকীৰ্ত্তন কৰি মাহপ্ৰসাদ খাই ঘৰাঘৰি হয়। বহা অঞ্চলত আকৌ দিনৰ ভাগত পথাৰত ভাঙৰ গছ পুতি থৈ আহে। এই পৰম্পৰা দীৰ্ঘদিন ধৰি চলি আহিছে বুলি সেই অঞ্চলৰ ৰাইজে কয। বঘৰা শিলসাঁকো, তৰাণি, কলবাৰী আদি গাঁৱৰ ৰাইজৰ মাজত এনে বিশ্বাস প্ৰচলিত যে যদি কাতি বিহুত কচু খোৱা নহয় পিছৰ জন্মত মানুহ গাহৰি হৈ ওপজে। সেই অঞ্চলত শৰাই বা নৈৱেদ্যত কুমলীয়া তামোলহে দিয়াৰ নিয়ম। কাতিবিহুত লগোৱাৰ পিছতহে মানুহে বাৰীৰ কুমলীযা তামোল খায়।

কাতিবিহুত মৰিগাঁৱৰ প্ৰায়বোৰ অঞ্চলতে সন্ধিয়া তুলসীৰ গুৰিত চাকি জ্বলাই নাম কীৰ্ত্তন গোৱাটোতেই প্ৰাধান্য দিয়া হয়। দিনৰ ভাগত বয়সীয়াল লোকসকলে উপবাস দিয়ে। ৰাতিৰ সাজ নিৰামিষ, মাছ, মাংস কোনেও ভক্ষণ নকৰে। কোনো

কোনোৱে পিঠা-পনা তৈয়াৰ কৰি ওচৰ-চুবুৰীয়া বন্ধু-বান্ধৱক নিমন্ত্ৰণ কৰে। সন্ধিয়া তুলসীৰ গুৰিত গোৱা নামবোৰৰ কোনো আতি গুৰি নাই। ঈশ্বৰ আৰাধনাৰ বাবে ল'ৰা-ছোৱালীবোৰৰ মনলৈ যেনে ধৰণৰ গীত পদ আহে তাকে সুৰ দি গায়। বহুতে আকৌ নিজৰ মাজতে কিছুমান নাম পদ সৃষ্টি কৰি লোৱা দেখা যায়। বিভিন্ন ব্যক্তিক সাক্ষাৎ কৰি বঘৰা, শিলসাঁকো আৰু মায়ং অঞ্চলত প্ৰচলিত দুটামান গীত পদ তলত উল্লেখ কৰা হ'ল। বিভিন্ন অঞ্চলত তুলসীৰ গুৰিত গোৱা কেইটিমান নাম পদ উল্লেখ কৰা হ'ল।

শিলসাঁকো গাঁও

কাতিদেউল কাতিমাহ
আমাৰ মন মলুষা চাউল (মলখু চাউল)
আজিৰ পৰা কাতিদেউল
যায় ঐ গোবিন্দই ৰাম।
ঘৰে ঘৰে লগাই চাকি
গোসাঁই ফুৰে দিনে ৰাতি
ক'ত কোনে হৰিনাম লয় ঐ গোবিন্দাই ৰাম।
ঘৰে ঘৰে বায় তাল
গোপাল নাচিছে ভাল
নন্দঘৰে আনন্দ বিলায় ঐ গোবিন্দাই ৰাম।
দেউলৰ ওপৰে শ্ৰৱণ কীৰ্ত্তন ধৰে
গোঁসাই মৈৰা চালি ধৰে ঐ গোবিন্দাই ৰাম।
লোকৰ ধান আউল বাউল
আমাৰ মন মলুষা চাউল
আজিৰ পৰা কাতি দেউল যায় ঐ গোবিন্দাই ৰাম।

এই নামগোৱাৰ পিছত যথা নিয়মে গৃহস্থক আশীৰ্বাদ দিয়া হয়। ইয়াৰ পিছত দেউলৰ মাজত থকা শৰাইভাগ দাঙি অনা হয়। এনেদৰে সকলো মানুহৰ ঘৰৰ পৰা শৰাইভাগ উঠাই আনি এঘৰত বহি হুচৰি গোৱা ল'ৰাবোৰে ভগাই খায়। সংগ্ৰহ সূত্ৰ মঞ্জুলা ডেকা।

মায়ং অঞ্চলত গোৱা গীতৰ নিদৰ্শন

তুলসীৰ তলে তলে মৃগপহু চৰে
তাক দেখি ৰামচন্দ্ৰই শৰধনু ধৰে।

হৰধনু ভাঙিবলৈ ৰামচন্দ্ৰক মাতে
জনকৰ জীয়ৰী সীতাক ৰামক অৰ্পণ কৰে।
দেউলত পলো দেউল দেখিলো
দেউলত ছটফট কৰে।
দেউলৰ ওচৰত শ্ৰৱণকীৰ্ত্তন
মাথাই মৈৰা চালি ধৰে।
উৰি গ'ল তুলসী/পৰি গ'ল পাত
সেই তুলসীৰে নোৰা নোৰা পাত।।
কাতি দেউল কাতি দেউল
মিঠা তেলৰ চাকি
লক্ষ্মী আহি বহি আছে
থুম পিতি আজি
লক্ষ্মীক ভজিবলৈ পদূলিতে চাকি
লক্ষ্মীয়ে দি থৈ গ'ল চাউল মুঠি মুঠি।।

সংগ্ৰহ পৰাগ কুমাৰ মেধি

হীৰেন শৰ্মা



জন্ম ঃ ১৯৫৬ চন।

শিক্ষা ঃ স্নাতকোত্তৰ।

কৰ্মজীৱন ঃ বিষয় শিক্ষক (জাগীৰোড উচ্চতৰ মাধ্যমিক বিদ্যালয়)।

সাহিত্য কৃতি আৰু সাংস্কৃতিক জীৱন ঃ বাতৰি কাকত-আলোচনীত লিখনি প্ৰকাশ।

ৰাজহুৱা জীৱন ঃ বিভিন্ন সাহিত্য সংস্কৃতিমূলক অনুষ্ঠানৰ লগত জড়িত।

মৰিগাঁও অঞ্চলত কাতিবিহুৰ পৰম্পৰা

কোনো এটা জাতিৰ আশা-আকাংক্ষা, আনন্দ-উল্লাস তেওঁলোকে পালন কৰা উৎসৱৰ মাজেদি প্ৰতিফলিত হয়। অসমত ধৰ্ম আৰু বৰ্ণ নিৰ্বিশেষে সকলো মানুহে 'বিহু' উৎসৱটি স্বতঃস্ফূৰ্তভাৱে উদ্‌যাপন কৰে। সেয়ে বিহু অসমীয়াৰ জাতীয় উৎসৱ, বাপতি সাহোন।

অসমত বুৰঞ্জীয়ে ঢুকি নোপোৱা কালৰ পৰা যি তিনিটি বিহু উদ্‌যাপন কৰা হয়, কেউটি বিহুৱে ঋতু পৰিবৰ্তনৰ লগত সম্পৃক্ত। ঋতু পৰিবৰ্তনৰ ফলত প্ৰকৃতিয়ে ন ন সাজ পৰিধান কৰে, লগে লগে প্ৰকৃতিৰ সন্তান মানুহৰো মনৰ পৰিবৰ্তন ঘটে। ঋতুৰাজ বসন্তৰ আগমনত গছ-বিৰিখ ৰঙচুৱা পল্লৱেৰে জাতিষ্কাৰ হৈ উঠে, কুলি-কেতেকীৰ সুললিত সুৰে প্ৰকৃতিক উন্মনা কৰি তোলে। প্ৰকৃতিৰ সুৰতে উল্লাসিত হৈ অসমীয়া মানুহে ঢোল, পেঁপা, গগণা বজাই আকাশ-বতাহ মুখৰিত কৰি তোলাৰ লগে লগে গীত-মাত আৰু নৃত্যৰ লয়লাসেৰে পৃথিৱী উৰ্বৰা আৰু শস্য-শ্যামলা হ'বলৈ কামনা কৰে। সাতদিনলৈ ৰং-ৰহইচেৰে ৰজনজনাই থাকে কাৰণে এই বিহু ৰঙালীবিহু। শস্য-সম্ভৱাৰ প্ৰতিশ্ৰুতি দি বৰ্ষা ঋতু পাৰ হৈ যায়। শান্ত-সমাহিত ৰূপত শৰৎ ঋতুৰ আগমন ঘটে। হিম-সিক্ত শৰতত শস্যৰ পথাৰ সেউজ-বুলীয়া হৈ পৰে। শস্যৰ শ্ৰীবৃদ্ধি আৰু লখিমী আদৰাৰ্থে পালন

কৰা হয় কাতিবিহু বা কঙালীবিহু। শস্য চপোৱাৰ পিছত ন-ধানেৰে খেতিয়কৰ ভঁৰাল ভৰি পৰে। তেতিয়া পালন কৰা হয় মাঘ বিহু বা ভোগালীবিহু।

দেখা যায় খেতি পথাৰৰ লগত 'বিহু'ৰ সম্পৰ্ক অতি নিবিড়। সেয়ে বিহুক পথাৰৰ সংস্কৃতি বুলি ক'লেও বঢ়াই কোৱা নহয়। খেতিয়কৰ জীৱন ধাৰণৰ সকলো স্বপ্ন, আশা-আকাংক্ষা থুপ খাই থাকে পথাৰতে। পথাৰ খেতিয়কৰ মাতৃস্বৰূপা। আহিন মাহত খেতি পথাৰ সেউজীয়া হৈ উঠে। আ-দিগন্ত সেউজীয়া বিস্তৃত পথাৰ চাই চকু জুৰ পৰে। আহিনত ধানে থোৰ মেলে। পথাৰ গৰ্ভৱতী হয়। আহিন আৰু কাতি মাহৰ সংক্ৰান্তিৰ দিনটোতে 'কাতিবিহু' বা 'কঙালীবিহু' পালন কৰা হয়। 'কাতিবিহু'ৰ দিনাখন ধাননি পথাৰত মিঠাতেলৰ বন্তি দিয়া, নৈবেদ্য আগবঢ়োৱা আদিলৈ চায় ইয়াক লখিমী আদৰা উৎসৱ বুলিবও পাৰি।

মৰিগাঁও জিলাতো সমগ্ৰ অসমৰ দৰে ভোগালী আৰু ৰঙালীবিহু উলহ-মালহেৰে উদ্‌যাপন কৰা হয় যদিও 'কাতিবিহু'টি আন অঞ্চলবিলাকৰ দৰে ধৰ্মীয় কিছু আচাৰ-অনুষ্ঠানৰ মাজতে সীমাবদ্ধ থকা দেখা যায়। মৰিগাঁও জিলাৰ অধিবাসী জনগোষ্ঠী তিৱা (লালুং), মিকিৰ, অন্ত্যজা হীৰা, কৈৱৰ্ত্ত আৰু উচ্চবৰ্ণ হিন্দু আৰু মুছলমান ধৰ্মীয় লোকৰ সংমিশ্ৰণত গঢ় লৈ উঠিছে। এই অঞ্চলৰো প্ৰত্যেক হিন্দু পৰিয়ালে কাতি বিহুত প্ৰাচুৰ্যৰ অহংভাৱ ত্যাগ কৰি ভগৱৎ চিন্তাৰে উদ্বুদ্ধ হৈ চোতাল, ঘৰ-বাৰী, পদূলি আদি চাফ-চিকুণ কৰে। চোতালৰ পূব মূৰত মাটিৰ ঢাপ সাজি তাত তুলসী পুলি ৰোৱে। পুৰণি তুলসী থাকিলেও নতুনকৈ পুলি ৰোৱাতো নিয়ম। তুলসীৰ তল মচি গধূলি হিন্দু নাৰীয়ে মিঠাতেলৰ দীপ জ্বলাই নৈবেদ্য আগবঢ়ায়। গছ-বিৰিখ মানুহৰ পৰম বন্ধু বুলি উপলব্ধি হোৱাৰ পৰাই মানুহে বৃক্ষ পূজা কৰিবলৈ আৰম্ভ কৰে। জনলাবৃক, টেইলৰ, ফাৰ্গুচন আদিৰ লিখনিৰ পৰা অতি প্ৰাচীন কালৰ পৰা গছ আৰু উদ্ভিদৰ পূজা পৃথিৱীত চলি আহিছে বুলি জানিব পাৰি। ভাৰতবৰ্ষৰ প্ৰাচীন সভ্যতা মহেঞ্জোদাৰো আৰু হৰপ্পাতো গছপূজাৰ ইংগিত আছে। হিন্দু ধৰ্মত অতীজৰ পৰা তুলসীগছক পবিত্ৰ জ্ঞান কৰি অহা হৈছে। তুলসী পাত নহ'লে কোনো পূজা-পাতল সম্ভৱ নহয়। বিভিন্ন বেমাৰ আজাৰৰ ক্ষেত্ৰতো তুলসীপাতৰ ৰস মহৌষধ। সেয়ে তুলসী গছৰ প্ৰতি মানুহৰ ভক্তিভাৱ অপাৰ। অকল কাতি বিহুৰ দিনা বুলিয়ে নহয় গোটেই কাতি মাহতে তুলসীৰ গুৰি মচি গধূলি বন্তি জ্বলোৱা নিয়ম। ঠাই বিশেষে দীঘল বাঁহ এডাল পুতি আকাশবন্তিও জ্বলায়। গধূলি তুলসীৰ গুৰিত নৈবেদ্য আগবঢ়োৱাৰ লগতে নাম প্ৰসঙ্গও কৰে।

তুলসীৰ তলে মৃগ পহু চৰে
তাকে দেখি ৰামচন্দ্ৰই শৰধনু ধৰে, ৰাম, ৰাম।

আনহাতে কাতিবিহুক লখিমী আদৰা উছৱ বুলিও ক'ব পাৰি বুলি আগতে উল্লেখ কৰা হৈছে। লখিমী বুলিলে— কৃষিপ্ৰধান সকলো সমাজত ধানক লখিমী জ্ঞান কৰা হয়। প্ৰাচীন কালৰ পৰা ধান পথাৰৰ প্ৰধান শস্য। ধানৰ পৰা পোৱা চাউল মানুহৰ প্ৰধান খাদ্য আৰু দেৱ-দেৱী পূজাৰো প্ৰধান উপাচাৰ। কিছুমান ধৰ্মগ্ৰন্থত 'অন্ন'ক অতি উচ্চ স্থান দিয়া হৈছে। 'অন্ন'ক অৱহেলা কৰাতো পাপ বুলি গণ্য কৰা হয়। যোগিনীতন্ত্ৰত নানাবিধ শ্ৰাদ্ধযোগ্য ধানৰ নাম উল্লেখ আছে। মাধৱকন্দলিৰ ৰামায়ণত খৰিকাজহাৰ পিঠাৰ বৰ্ণনা আছে। আন এঠাইত লিখিছে 'দিব্য শালি তণ্ডুলে ঋষিক দেই ভাত' ইত্যাদি। গতিকে পুৰণি কালৰ পৰা অসমত ধানৰ আদৰ প্ৰচুৰ। সেউজীয়া ধাননি পথাৰডৰাত গধূলি বন্তি জ্বলায় নৈবেদ্য আগবঢ়াই বছৰটোৰ বাবে ভঁৰাল ভৰাই ধান পাবলৈ প্ৰাৰ্থনা জনায় কাতিবিহুৰ দিনাখন। অকল তুলসী তল, ধাননি পথাৰতে নহয়, ভঁৰাল ঘৰ, গোহালি ঘৰ, পদূলি আনকি ফলন্ত গছৰ গুৰিটো মিঠাতেলৰ বন্তি একোগছি আগবঢ়ায়।. জুইৰ শিখাক মানৱ সভ্যতাৰ জ্ঞানৰূপ আলোক হিচাপে গণ্য কৰা হৈছে প্ৰাচীন কালৰ পৰা। ভাৰতীয় মনীষীসকলে জ্যোতিৰ বাবে প্ৰাৰ্থনা কৰিছিল 'তমসো মা জ্যোতিৰ্গময় '। বন্তিগছি পবিত্ৰতা আৰু ঈশ্বৰৰ উপস্থিতিৰ ব্যঞ্জনাময় প্ৰকাশ। এনেধৰণে কাতি বিহুত বন্তি প্ৰজ্বলনেৰে অন্ধকাৰ ৰূপ অজ্ঞানতা দূৰ কৰাৰ লগতে ধনে-ধানে সুখ-সমৃদ্ধি কামনা কৰাটো আধ্যাত্মিকতাৰ পূৰ্ণ প্ৰকাশ বুলি ক'ব পাৰি।

আনহাতে বিজ্ঞানৰ দৃষ্টিত আহিন-কাতি মাহত পোক-পৰুৱাৰ প্ৰাদুৰ্ভাৱ ঘটে আৰু সেইবোৰৰ পৰা থোৰ ওলোৱা ধাননি পথাৰ ৰক্ষা কৰাটো অন্তৰ্নিহিত উদ্দেশ্য। কাকতি ফৰিং, মোৱা পোক, বিছা, উঁই, ভুঁৰ, মজাখোৱা, গান্ধীপোক ইত্যাদি পোক-পৰুৱাবোৰ শস্যৰ প্ৰধান শত্ৰু। অতীজতো কাকতি ফৰিঙে শস্য খাই পথাৰৰ পিছত পথাৰ উদং কৰিছিল। মাধৱ কন্দলিৰ ৰামায়ণত উল্লেখ আছে— 'আকাশ ছানিয়া যেন ফৰিঙ্গ উজান্ত'। ১৪৮৬ শকৰ পুহত 'ফৰিঙ্গ উজালে, বৃক্ষৰ পত্ৰ নাথাকিল খালে।' সেয়ে বন্তিৰ শিখাত পৰি শস্যৰ শত্ৰু পোক-পৰুৱা জাহ যায় বুলি বিশ্বাস কৰা হয়।

মৰিগাঁও অঞ্চলৰ ঠাই বিশেষে আনকি তিৱাসকলৰ মাজতো কাতি বিহুত পালন কৰা আন এটি নিয়ম হ'ল ধাননি পথাৰত 'চোঁ', 'চাট' বা 'চটাই' পোতা। আগলি বাঁহৰ 'চাট' এডালত বাঁহৰ সৰু দৈয়াৰে সজোৱা এখন বিচনী (ডাঙৰ ফুটা থকা) বান্ধি দিয়া হয়। তাত চাও গছৰ পাত আৰু তুলসীপাত বা ডাল গুজি দিয়ে। কিছুমানে ৰক্ত জবাও আঁৰি দিয়ে। কোনো কোনোৱে আকৌ বিচনীখনত ত্ৰিশূল আকৃতিৰ ৰঙা চিহ্নও আঁকে। বধকাব্যৰ স্ৰষ্টা ৰামসৰস্বতীৰ 'ভীম-চৰিত'ত শিৱই কৃষি কৰ্ম কৰাৰ কথা বৰ্ণনা কৰা হৈছে। লহপহকৈ বাঢ়ি

অহা ধানডৰা পাৰ্ব্বতীয়ে মনে মনে চাবলৈ যাওঁতে আচম্বিতে তেওঁৰ মুখৰ পৰা উস্-আস্' শব্দ দুটি ওলাই আহিছিল। তাৰ পৰা 'খোবা' আৰু 'খোবী'ৰ সৃষ্টি হৈ ধাননি ডৰা পুৰি চাই কৰি পেলাইছিল। 'খোবা-খোবী' নামৰ এই অপদেৱতা হালিৰ ভাল বস্তু আৰু মানুহৰ ওপৰত কু-দৃষ্টি পৰে বুলি অন্ধবিশ্বাস এটি অতীজৰ পৰা চলি আহিছে। সেয়ে মানুহৰ কু-দৃষ্টি বিশেষত মাইকী মানুহৰ 'মুখ' যাতে ধাননি ডৰাত নপৰে তাৰ বাবে এই 'চোঁ' বা 'চাট'ৰ ব্যৱস্থা বুলি বুঢ়া-মেথাসকলে কয়। আলু তলীৰ 'চোঁ' এনে এক প্ৰচলিত ব্যৱস্থা। বাস্তৱ দৃষ্টিত ইয়াতো এক বিজ্ঞানসন্মত সত্য নিহিত থকা যেন লাগে। 'চাট'ত থকা বিচনীত চৰাই-চিৰিকতি পৰি যাতে পোক-পৰুৱাবোৰ খাই ধ্বংস কৰিব পাৰে তাৰে ই বাস্তৱসন্মত ব্যৱস্থা।

আধুনিক যুগত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ চৰম উৎকৰ্ষই মানুহৰ জীৱন-ধাৰণ মানদণ্ডৰ দ্ৰুত পৰিৱৰ্তন সাধিছে। পৰিৱৰ্তনৰ জোৱাৰে সমাজ জীৱন, কৃষি বিপ্লৱ, শিল্প বিপ্লৱ, লৌকিক আচাৰ-অনুষ্ঠান সকলো বিধৌত কৰিছে। কৃষি-বিপ্লৱৰ ক্ষেত্ৰত নানা বৈজ্ঞানিক পদ্ধতিৰ প্ৰয়োগ ঘটিছে। পোক-পৰুৱা ধ্বংস কৰিবলৈ নানাবিধ ঔষধ আৱিষ্কাৰ হৈছে। ফলত কাতিবিহুৰ যি প্ৰাচীন পালনীয় আচাৰ-অনুষ্ঠান সেইবোৰে আগৰ দৰে পৰিপোষণ নোপোৱাটো স্বাভাৱিক। তথাপি এইটো আমি দৃঢ়তাৰে ক'ব পাৰো যে— যেতিয়ালৈকে শইচৰ পথাৰ থাকিব, পথাৰৰ লগত খেতিয়কৰ সম্বন্ধ থাকিব তেতিয়ালৈকে কাতিবিহুৰ ধৰ্মীয় আচাৰ-অনুষ্ঠানো চলি থাকিব।

-প্ৰবন্ধটি যুগুত কৰোঁতে বিভিন্ন গ্ৰন্থ, আলোচনীৰ সহায় লোৱা হৈছে।

❖❖❖

ড° বিজয় কুমাৰ শৰ্মা



জন্ম ঃ ১৯৫৭ চন। গধিয়াপাৰা (মঙলদৈ)।

শিক্ষা ঃ স্নাতকোত্তৰ।

কৰ্মজীৱন ঃ অধ্যাপক, মঙ্গলদৈ মহাবিদ্যালয়।

সাহিত্য কৃতি আৰু সাংস্কৃতিক জীৱন ঃ বিভিন্ন কাকত-আলোচনীত লিখনি প্ৰকাশ হোৱাৰ উপৰিও প্ৰকাশিত গ্ৰন্থ(২); সম্পাদনা (১)।

ৰাজহুৱা জীৱন ঃ বিভিন্ন ধৰণৰ সামাজিক অনুষ্ঠানৰ লগত ওতপ্ৰোতভাৱে

দৰঙ জিলাৰ কাতিবিহু

মাঘবিহুৰ ভোগৰ প্ৰাচুৰ্য, বহাগ বিহুৰ ৰং-ধেমালিৰ বিপৰীতে অভাৱ-অনাটনৰ দিনত উদ্‌যাপিত কাতিবিহুত অসমৰ অন্যান্য ঠাইৰ দৰে ধৰ্মীয় প্ৰকাৰ্যৰ ওপৰত গুৰুত্ব প্ৰদান কৰা দেখা যায় দৰঙ জিলাতো। কৃষিজীৱী জনগণে এই বিহু উলহ-মালহেৰে পালন কৰা দেখা যায়।

আহিন মাহৰ সংক্ৰান্তিৰ দিনা অনুষ্ঠিত হোৱা যাদুমূলক উৎসৱৰ নামেই কাতিবিহু বা কঙালী বিহু। বহাগ মাহত খেতিয়কসকলে আৰম্ভ কৰা শালিখেতি আহিনত গৰ্ভ পৰে। পথাৰত বাঢি অহা লখিমী যাতে পোক-পৰুৱা আদিৰ অনিষ্টকাৰী শত্ৰুৰ আক্ৰমণৰ পৰা ৰক্ষা পৰি নিৰ্বিঘ্নে নদন-বদন হৈ উঠিব পাৰে তাৰ বাবে আহিনৰ দোমাহীৰ দিনা সন্ধিয়া চাকি-বন্তি, ধূপ-ধূনা, নৈবেদ্য আদিৰে তুলসীৰ গুৰি, তামোল-পাণ আৰু শাক-পাচলিৰ বাৰী, পথাৰ-সমাৰত শস্য দেৱীক বন্দনা কৰা হয়। কাতিবিহুৰ দিনাৰ পৰাই শালি ধানে থোৰ মেলে।[১]

কাতিবিহুৰ সময়ত কৃষকসকলৰ ভোগৰ সামগ্ৰী একো নাথাকে। গৰু-ম'হৰো ঘাঁহ-বন নাইকিয়া হৈ পৰে। অভাৱ-অনাটনৰ সময়ত এই বিহুটি পালন কৰা বাবেই ই কঙালীবিহু। আন কথাত ক'বলৈ গ'লে ই লখিমীৰ আৱাহনী বা আদৰণী উৎসৱ। প্ৰকৃতিৰ প্ৰভাৱ আদিম মানুহৰ ওপৰত কেনেদৰে পৰিছিল তাৰে এটি

দৃষ্টান্ত কঙালী বিহু। বিহুৰ দিনা গৃহস্থই গোহালিঘৰ, ৰান্ধনিঘৰ, বৰঘৰ, ভাখেৰী (ভঁৰাল), শাক-পাচলিৰ বাৰী, ধাননি পথাৰত চাকি দিয়াৰ উপৰিও গৃহস্থৰ গোসাঁইঘৰ অথবা ভাখেৰীৰ ওচৰত বাঁহৰ ওখ খুটা এটাৰ ওপৰত চাকি দিয়ে। কোনো কোনোৱে আকাশবন্তি জ্বলায়। শস্য সম্ভৱা শ্যামল ধৰিত্ৰীৰ নৱশ্ৰী লক্ষ্য কৰি মানুহে সুখৰ সংসাৰ ৰচনা কৰে। শস্য ক্ষেত্ৰৰ সুখ আৰু সুস্থ প্ৰসৱৰ বাবে প্ৰাৰ্থনা জনাই ফলপ্ৰসু প্ৰকৃতিৰ উদ্দেশ্যে ধূপ-ধূনা নৈবেদ্য আগবঢ়ায়।

কাতিবিহুৰ পৰম্পৰা বৈদিক যুগৰ পৰাই আৰম্ভ হোৱা যেন লাগে। অশ্বিন সূত্ৰৰ অংগ স্বৰূপে অশ্বিন দেৱতাদ্বয়ৰ সন্মানৰ অৰ্থে 'অতিৰাত্ৰ' যজ্ঞ সম্পাদন কৰাৰ উল্লেখ ঐতৰেয় ব্ৰাহ্মণত পোৱা যায়। প্ৰজনন আৰু সম্পত্তি লাভৰ অৰ্থে এই যজ্ঞ অনুষ্ঠিত হৈছিল।[২] অতিৰাত্ৰ যজ্ঞৰ পৰিৱেশ বৰ্তমান কাতিবিহুত ফুটি নুঠিব পাৰে, কিন্তু সংক্ৰান্তিৰ দিনা আৰু কাতি মাহটোত মন্ত্ৰ মাতি আকাশবন্তি জ্বলোৱা নিয়ম নিশ্চিতভাৱে শাস্ত্ৰীয়। কাতিমাহত যিজনে বিষ্ণুৰ মন্দিৰত চাকি দিয়ে তেওঁ এহেজাৰ অগ্নি ষ্টোমৰ সমান ফল লাভ কৰে।[৩] সেয়ে কাতিবিহুত নতুনকৈ তুলসী ৰুই তলত চাকি-বন্তি জ্বলাই নাম-কীৰ্তন কৰে। তুলসী জোপাৰ ওচৰত কলপুলি এটা ৰোৱাটো কোনো কোনো ঠাইৰ বিশেষত্ব।[৪]

জীৱিকা নিৰ্বাহৰ প্ৰধান অৱলম্বন কৃষিকৰ্মৰ উন্নতিৰ নিমিত্তে প্ৰাৰ্থনা জনোৱা মন্ত্ৰ বৈদিক সাহিত্যত পোৱা যায। ঋকবেদত ২৫টা কৃষি সম্পৰ্কীয় মন্ত্ৰ আছে।[৫] কাতি বিহুৰ দিনা মতা মানুহে খেতি-পথাৰত বাঁহৰ খুটা এটা পুতি তাত চাকি দিয়া, নৈবেদ্য আগবঢ়োৱা, গোহালিত চাকি জ্বলোৱা আদিয়ে কৃষি কৰ্মৰ লগত এই বিহুৰ সম্পৰ্ক গভীৰভাৱে সূচায়। খেতি পথাৰত ৰোৱা খোৱা পোক ধৰিলে মন্ত্ৰ মাতি সেই পোক দূৰ কৰা, নিগনিৰ মুখ চুলিৰে বান্ধি ধাননি পথাৰত পুতি থোৱা, কোনো কোনো অঞ্চলত নিগনিৰ ডিঙিত জৰী লগাই পথাৰত বান্ধি থোৱা আদি কাৰ্যই কৃষিক্ষেত্ৰক ৰক্ষা কৰাত জনসাধাৰণে কিমান গুৰুত্ব দিয়ে তাৰ উমান পোৱা যায়। ইয়াৰ উপৰিও চন্দ্ৰ গ্ৰহণ অথবা সূৰ্য গ্ৰহণৰ সময়ছোৱাত খেতিয়ক ৰাইজে প্ৰস্তুত কৰা মৰাপাটৰ ৰচী সেউজীয়া ধানৰ ওপৰত টানি ৰোগ অথবা শস্যৰ অনিষ্টকাৰী পোক-পৰুৱাৰ পৰা ধান ডৰা ৰক্ষা কৰে।[৬] আহুধান গান্ধীপোকৰ পৰা ৰক্ষা কৰিবলৈ শঠা তুলি থোৱা কলথোক অথবা হাতী আৰু জন্তুৰ পৰা শস্য ক্ষেত্ৰ ৰক্ষা কৰিবলৈ উক্ত জন্তুৰ নামত আগবঢোৱা কলথোক, মাহ-প্ৰসাদখিনি কাতিবিহুৰ দিনা ওচৰ-চুবুৰীয়াক বিতৰণ কৰি দি দায়মুক্ত হোৱাটো দৰঙী খেতিয়কৰ বৈশিষ্ট্য।

কাতিবিহুৰ দিনা দৰঙী ৰাইজে ঘৰ-দুৱাৰ মচি-সাৰি পৰিষ্কাৰ কৰে। চৰু-হাড়ি ধুই পৰিষ্কাৰ কৰি দিন-ৰাতি লঘোণে থাকে। ১০/১১ মান বজাত তামোলৰ ঢকুৱা

এখনত পথাৰৰ মাজৰ পৰা কাকাৰা (কেঁকোৰা) গোগলৰ মাটি ভৰাই টানি আনে। সেই মাটিৰে গোঁসাইঘৰ অথবা ভঁৰাল ঘৰৰ সন্মুখত ৭/৯টা সৰু সৰু ভেটি সাজে। ভেটিকেইটাৰ আগত ৫/৬ ফুট ওখ বাঁহৰ খুটা এটি চাকি দিবৰ বাবে পোতে। অথবা আকাশবন্তি জ্বলোৱা বাঁহডাল উক্ত স্থানত পোতে। সন্ধিয়া গোঁসাইঘৰত চাকি-বন্তি জ্বলাই উঠি ভেটিকেইটাৰ ওপৰত ঔটেঙাৰ খোলত একোগছি শলিতা জ্বলায়। তাৰ সন্মুখত থাকে কলদোনাত সজাই থোৱা নৈবেদ্য। নৈবেদ্যৰ উপকৰণসমূহৰ ভিতৰত মাটি-মাহ, নাৰিকল, কমলা, ৰবাব টেঙা, জৰা, কুঁহিতামোল, কল আদি বছৰৰ বাবে হোৱা, নতুন ফল। এই নৈবেদ্য সহ বাঁহেৰে নির্মাণ কৰা বঁহা সদৃশ যতন এটা আৰু ভেটি এটা লৈ গৈ সেইটো পথাৰৰ একোণত স্থাপন কৰি বাঁহৰ যতনটো ওচৰতে পোতে। বাঁহডালৰ ওপৰ ভাগত নৈবেদ্যৰ দোনাটোত চাকি এগছি দি গায় ঃ

আদা দেউল দেউল
অইনৰ ধান আউল ঝাউল
আয়াৰ ধান মলখা চাউল।[৭]

অঞ্চল বিশেষে বাঁহৰ পৰিবর্তে নল এডাল পোতা দেখা যায়। সেইবোৰ ঠাইত নলৰ গুৰিত ভেটিটো স্থাপন কৰি তাত চাকিগছি জ্বলায আৰু উপৰোক্ত পদ ফাঁকি গায়।[৮] পথাৰৰ পৰা আহি ভেটিবোৰৰ পৰা এটা এটাকৈ বন্তি নৈবেদ্যৰ সৈতে তামোল-পাণৰ বাৰী, শাক-পাচলিৰ বাৰী, গোহালি, ভঁৰাল, বৰঘৰ, ঢেঁকীশাল আদিত দিয়ে। নৈবেদ্য আগবঢ়োৱাৰ অন্তত প্রত্যেক গৃহস্থই ধর্মগ্রন্থ পাঠ কৰে। ওচৰ-চুবুৰীয়াক মাতি আনি মাহ-প্রসাদ বিতৰণ কৰে। পৰস্পৰে পৰস্পৰক নিমন্ত্রণ কৰি মাহ-প্রসাদ দিয়া লক্ষ্য কৰা যায়।

কাতি বিহুৰ দিনাই দেবানন্দ সত্রত লক্ষ্মী উদ্ভৱ বিষয়ক মিথৰ লগত জড়িত মথেনী উৎসৱ অনুষ্ঠিত হয়।

মঙ্গলদৈ চহৰৰ পৰা ১৮ কিঃমিঃ দক্ষিণ-পশ্চিম দিশে অৱস্থিত দেবানন্দ সত্রত কাতিবিহুৰ দিনা অনুষ্ঠিত উৎসৱটোৰ নাম (মথেনী ঃ স্থানীয় উচ্চাৰণ) মথনী।

শালিখেতিৰ অন্তত আৰু ৰবি শস্যৰ খেতিৰ আৰম্ভণিতে মথেনী উৎসৱ অনুষ্ঠিত হয়। মথেনী উৎসৱৰ দিনাই কাতিবিহু। কাতিবিহুত শস্যৰ মঙ্গল কামনাৰ অর্থে ভগবানৰ ওচৰত প্রার্থনা জনোৱা হয়। শস্যৰ মঙ্গল কামিতাৰ লগত মথেনী উৎসৱৰ সম্পর্ক লক্ষ্য কৰিব পাৰি।

মথেনী উৎসৱত দধিমথন আৰু সাগৰ মন্থনৰ দৃশ্য প্রদর্শন কৰা হয়। দধিমথন কার্যৰ লগত সম্পর্ক আছে বিষ্ণুৰ। বৈষ্ণৱ সম্প্রদায়ৰ দৃষ্টিত কৃষ্ণ আৰু বিষ্ণু অভিন্ন।

দেৱতা আৰু অসুৰসকলে লগ লাগি সাগৰ মন্থন কৰিছিল। দুৰ্বাসাৰ অভিশাপত স্বৰ্গৰাজ্যৰ পৰা লক্ষ্মী ভ্ৰষ্ট হয়। ফলত দেৱতাসকলে নানা বিপদ-বিঘিনিৰ সন্মুখীন হ'ব লগা হয়। অৱশেষত তেওঁলোকে বিষ্ণুৰ চৰণত শৰণ লয়। বিষ্ণুৰ নিৰ্দেশত দেৱতা-দানৱ উভয়ে মিলি মন্দৰ পৰ্বতক মথনীৰ দণ্ড আৰু বাসুকী নাগক মথনীদণ্ডৰ ৰচী কৰি ক্ষীৰ সাগৰ মন্থন কৰে। বিষ্ণুৱে কূৰ্ম অৱতাৰ গ্ৰহণ পূৰ্বক মন্দৰ পৰ্বত বহন কৰিছিল। দেৱতাসকল বাসুকীৰ নেগুৰৰ ফালে আৰু অসুৰসকলে বাসুকীৰ মূৰৰ ফালে ধৰি সাগৰ মন্থন আৰম্ভ কৰাত ক্ৰমে কালকূট বিষ, কামধেনু, উচ্চৈঃশ্ৰৱা ঘোঁৰা, ঐৰাৱত, পাৰিজাত পুষ্প, কৌস্তুভমণি, অপেশ্বৰাসকল আৰু সৰ্বশেষত হাতত অমৃতপূৰ্ণ দুটা ঘট লৈ বৈদ্য ধনন্তৰি সাগৰৰ মাজৰ পৰা নিৰ্গত হ'ল। দানৱসকলে অমৃতৰ ঘট দুটাক লৈ দেৱতাসকলৰ লগত কাজিয়া আৰম্ভ কৰাত বিষ্ণুৱে মোহিনী নাৰী-মূৰ্তি পৰিগ্ৰহ পূৰ্বক দানৱসকলক ভক্ষণ কৰায়। অমৃত ভক্ষণান্তত দেৱতা আৰু দানৱৰ মাজত সংঘৰ্ষ হ'ল। সংঘৰ্ষত দানৱসকলে পৰাজয় বৰণ কৰে। এই কাহিনীটোৰ কায়িক ৰূপ প্ৰদৰ্শন কৰাটো মথেনী উৎসৱৰ মুখ্য কৃত্য।

দেৱতা আৰু অসুৰৰ সাগৰ মন্থনৰ লগত সাদৃশ্য থকা মিথ বেবিলনৰ সংস্কৃতিতো পৰিলক্ষিত হয়।[১]

দেৱানন্দ সত্ৰৰ সত্ৰাধিকাৰ আৰু তেওঁৰ বংশধৰসকলে পাল পাতি প্ৰতি বছৰে মথেনী উৎসৱ পালন কৰি আহিছে। এই উৎসৱৰ লগতে 'দধিমন্থন' কৃত্যও অনুষ্ঠিত হয়। মথুৰাত গোপ-গোপী নাৰীসকলে দধিমন্থন কৰা সময়ত শিশু কৃষ্ণই যশোদা প্ৰমুখ্যে গোপিনীসকলক অলৌকিক কৰ্ম কৰি দেখুৱায় আৰু সময়ত দধিপাত্ৰ ভাঙি নষ্ট কৰি হাবিৰ পৰা বান্দৰ মাতি আনি দধি খাবলৈ দি দিয়া কাৰণে যশোদাই শিশু কৃষ্ণক উৰালত বান্ধি থৈ দধিমন্থন কৰিছিল। এই কাহিনীটোক অভিনয়ৰ জৰিয়তে দধিমন্থন উৎসৱত প্ৰদৰ্শন কৰায়। অধিবাসৰ দিনা ৰাতি আৰু দোমাহীৰ দিনা ৰাতি সাগৰ মন্থনৰ অভিনয় অনুষ্ঠিত কৰা দেখা যায়।

উৎসৱ উপলক্ষে কাতিবিহুৰ কেইবাদিনো আগৰে পৰা সত্ৰাধিকাৰ প্ৰভুসকল ব্যস্ত হৈ পৰে। মন্দিৰৰ ওচৰতে গোন্ধচৌপৰী সভাৰ বাবে প্ৰস্তুত কৰা ৰভাৰ দৰে ৰভা এখন নিৰ্মাণ কৰে। ৰভাৰ তলত পূবৰফালে দধিমন্থন আৰু সাগৰ মন্থনৰ অভিনয় হয়। ইয়াৰ বাবে প্ৰায় ৩০ বৰ্গ গজ মান ঠাই আগুৰি কলচতিয়া ধুনীয়াকৈ দলিচাৰ দৰে পাৰি দিয়ে। ইয়াৰ সোঁমাজত ডাঙৰ আৰু দ গাঁত এটা প্ৰস্তুত কৰি তাৰ মাজত চক্ৰ এটা স্থাপন কৰি তাতে মথনীদণ্ড প্ৰতিষ্ঠা কৰে। মথনীদণ্ড প্ৰায় দহ-বাৰ হাত দীঘল। তাৰ ওপৰত নানা ৰঙচঙীয়া ধনু চাৰিখন আঁৰি দিয়ে। মথনী

দণ্ডৰ প্ৰায় ছয়হাত মান আঁতৰে আঁতৰে চাৰিটা ডাঙৰ খুঁটা পোতে, আৰু এই খুঁটাকেইটা কলচতিয়াৰে মেৰিয়াই দিয়ে। মথনী দণ্ডত ৫০/৬০ হাত দীঘল আৰু শকত জৰী এডাল এনেদৰে লগাই দিয়ে যাতে জৰীডালৰ এটা মূৰত ধৰি টানিলে মথনী দণ্ডডাল তীব্ৰভাৱে ঘূৰে। মথনীদণ্ডৰ সোঁমাজত পৰাকৈ ওপৰৰ ৰভাত এখন চামৰ যুক্ত বগা চন্দ্ৰতাপ আঁৰি দিয়া হয়। এটা মাটিৰ পাত্ৰত দধি, দুগ্ধ, ঘৃত, মধু আৰু শৰ্কৰা (অৰ্থাৎ পঞ্চামৃত) মিশ্ৰিত জহা চাউলৰ পিঠাগুৰি মথনী দণ্ডৰ ওপৰতে আঁৰি থয়। এইয়া অমৃত। আগেয়ে উল্লেখ কৰা দ গাতটো ক্ষীৰদধি সাগৰ, চক্ৰটো কূৰ্মৰূপী বিষ্ণু, দণ্ডডাল মন্দাৰ পৰ্বত আৰু জৰীডাল বাসুকী নাগ।[১০]

বিহুৰ আগদিনা গধূলি সাত মান বজাত সত্ৰাধিকাৰ পৰিয়ালৰ গৃহিণী গৰাকীয়ে ওচৰৰ জীয়ৰী-বোৱাৰীক লগত লৈ উৰুলি জোকাৰেৰে পুখুৰীৰ পৰা পানী তুলি আনি শালৰ তলত পুতি থোৱা কলহত থয়। তাত অলপমান সোণ-পাণ-তামোল এযোৰ দি গৃহিণীজনীয়ে সেৱা জনাই শালত লগাই থোৱা জৰীত ধৰি দধিমন্থনৰ দৃশ্য দেখুৱায়। তেওঁৰ পিছত সত্ৰৰ চাৰিজন সমান বয়সৰ ল'ৰাই নাৰীৰূপত সাজি-কাচি আহি দধিমন্থন কৰিবলৈ ধৰে। তেওঁলোকে দধিমন্থন কৰা সময়ত নামগোৱা দল এটাই তাল আদি বজাই ল'ৰাকেইজনৰ সহযোগত মথনী চক্ৰৰ চাৰিওফালে তিনিবাৰ প্ৰদক্ষিণ কৰে। প্ৰদক্ষিণৰ অন্তত নাম গোৱা দলটোৱে তাল-চাপৰিৰে পদ গায়। ল'ৰাকেইজনে পদৰ ছেৱে ছেৱে নাচি নাচি মথনীদণ্ডত লগাই থোৱা জৰীডাল টানি দধি মথাৰ অভিনয় কৰে। বিহুৰ দিনা পুৱাৰে পৰা সত্ৰৰ থলাত মেলা বহে। মেলাত অনেক লোকৰ সমাগম হয়। ইয়াত বিভিন্ন ধৰণৰ বয়-বস্তু কিনা-বেচা কৰে। সত্ৰৰ সত্ৰাধিকাৰ প্ৰভুসকলৰ ঘৰলৈ শিষ্যসকলৰ আগমন হয়। এই সময়তে দূৰ-দূৰণিৰ শিষ্যসকলে আহি সত্ৰাধিকাৰ প্ৰভুসকলক 'কৰ' শোধায়। আবেলি সময়ত আগদিনা দধিমন্থন কৰা ল'ৰাকেইজনে পূৰ্বৰ দৰে স্ত্ৰীবেশ গ্ৰহণ কৰি নামগোৱা দলটোৰ সৈতে আহি মন্থনশাল তিনিবাৰ প্ৰদক্ষিণ কৰি জৰীত ধৰি দধিমন্থনৰ অভিনয় কৰে। নামগোৱা দলটোৱে ভোৰ তাল আৰু চাপৰি বজাই দধিমথনৰ পদ গায়।

ঘিউৰ বাটি লই, তেলৰ বাটি লই
আহা সখী কৃষ্ণক মাতো গৈ।
আহা সখী আহা ভাই দধি মথো গৈ
ঐ সখী ঐ ভাই সখীয়ে হৰি কোন পন্থে গৈলা।
মইটো অভাগিনী দেখিবে নাপাইলো
চক্ষু জলমল ভৈলা।।
হৰি এৰিয়া গৈলা সখীহে কৰিবো কোন উপায়।

আহা সখী আহা ভাই সব
দধি মথোগে গোবিন্দৰ গুণ গায়।
মথেনী এ ধৰ টানিয়া
দয়াৰ গোকুল লোক সুৱৰ্ণ ভৰিয়া।।
এ নন্দৰ জায়া যশোদা সুন্দৰী এ
বৰনাৰী হৰি এ এ
মথেনীৰ কলসী বসাইলা শাৰী শাৰী
হৰি এ—
যশোদাযে লাগিচয দধি মথিবাৰ।
উথলি পৰয় দধি লাগে ৰাখিবাৰ।।
তাল ছন্দে মথে গোৱালৰ জী
মথেনীৰ পাক লাগি উথলিলা ঘি।।
যশোদা সুন্দৰী মথনী থৌ।
কৃষ্ণই কান্দে কোলাত লৌ।।
লয়নু যশোদাৰ মথিবাৰ মন।
কৃষ্ণই কান্দে নিদিযে স্তন।।[১১]

নিশা ৭/৮ বজাত মথেনীৰ মূল কৃত্য আৰম্ভ হয। মন্থন কাৰ্যৰ বাবে সত্ৰাধিকাৰৰ পুত্ৰ-পৌত্ৰাদিয়ে গা-মূৰ ঢাকি বগা কাপোৰ পৰিধান কৰে। এওঁলোক দেৱতা। সত্ৰাধিকাৰ শিষ্য-প্ৰশিষ্যসকলে ক'লা সাজ পৰিধান কৰি অসুৰৰ বেশ ধাৰণ কৰে। ইতিমধ্যে নাম গোৱা দলটোৱে সাগৰ মন্থনৰ আগে আগে পদ গায পদগোৱাৰ বাবে এগৰাকী সত্ৰীয়াই ধুতি চাদৰ পিন্ধি হাতত চোঁৱৰ লৈ দলটোৰ আগত স্থান লয়। এওঁ সূত্ৰধাৰ। সূত্ৰধাৰে গীত আৰু কথাৰ সহায়ত বিষ্ণুৰ বন্দনা, সাগৰ মন্থনৰ কাৰণ, সাগৰ মন্থন আদি বৰ্ণনা কৰে।[১২] নাট্যগুণ বিশিষ্ট বৰ্ণনাংশত থকা পদৰ অংশ বিশেষ দাঙি ধৰা হ'ল ঃ

দিহা ঃ *আহে মাধৱ স্বামী কৰিযোক দায়া।*
তোমাক প্ৰণাম কৰো দূৰ কৰা মায়া।।
পদ ঃ *তুমিয়ে সৰ্বজ্ঞ সৰ্ব জগত কাৰণ।*
আমি দেৱগণে লৈলো তোমাত শৰণ।।
তোমাক পূজিবে তপ-জপ-যজ্ঞ কৰি।
কহে সতানন্দ দ্বিজে চৰণত ধৰি।।
দিহা ঃ *হৰি তেৰ কৰ্ম অতি বিপৰীত।*
মহন্ত সকলে যাক চিন্তে প্ৰতিনিত।।

পদ ঃ ভকতৰ দুখ দেখি হৃদি নসহয়।
গৰুড়ৰ স্কন্ধে দেখা দিলা কৃপাময়।।
কোটী কোটী সূৰ্যসম শৰীৰ জ্যোতি।
তাক দেখি দেৱগণ ভৈলন্ত তৃপিতি।।
গড়ুৰৰ স্কন্ধে হৰি থৈলা পৰ্বতক।
আনন্দে চলিলা সবে ক্ষীৰ সাগৰক।।
সাগৰ মথাইলা যিটো কৃষ্ণ কৃপাময়।
তাহান চৰণ চিন্তি সতানন্দে গায়।।

দিহা ঃ সাগৰ মথে দেবাসুৰ গণে।
হৰি হৰি কৰিয়া পৰম ৰংগমনে।।

পদ ঃ বাসুকী জৰী ভৈলা মন্দাৰে দাণ্ডি।
কূৰ্মে আধাৰি ভৈলা সাগৰে হাণ্ডি।।
উপৰে ধৰিলা হৰি সহস্রেক হাতে।
বাসুকীত প্ৰৱেশ কৰিল জগন্নাথে।।
দেৱতাত দেৱৰূপে প্ৰৱেশিলা হৰি।
অসুৰৰ লগত অসুৰ ৰূপ ধৰি।।
দেৱতাৰ দুখ দেখি পুষ্প বৰিষয়।
লুহ লুহ কৰি বায়ু আপুনি বহয়।।
কালকূট বিষ আসি আগে উপজিলা।
তাকে দেখি দেবাসুৰে মহাভয় ভৈলা।।
বিষভয়ে শঙ্কৰত পশিলা শৰণ।
শঙ্কৰে আসিয়া বিষ কৰিলেক পান।।
বিষৰ বিয়োগ দ্বাৰ দেখায়া লোকত।
নীলকণ্ঠ নাম ধৰি ৰৈলা জগতত।।

দিহা ঃ সাগৰ মথে দেবাসুৰ যত।
উপজিলা কামধেনু বাৎসৰু সহিত।।

পদ ঃ কৈলাস সদৃশ হস্তী উপজিলা আসি।
দেৱসমে বাসৱে নিলেক তাক দেখি।।
উয়েশ্ৰৱা ঘোঁৰা আসি আগে উপজিলা।
প্ৰহ্লাদৰ নাতি বলি তাক কাঢ়ি নিলা।।
ব্যক্তহয়া মণিগোট সূৰ্য্যসম জ্বলে।
মাধৱে পিন্ধিলা তাক যত্ন কৰি গলে।।
দধি দুগ্ধ ঘৃত আদি উপজিলা যত।
ঋষি সবে খুজি নিলা যজ্ঞৰ নিমিত।।

পাৰিজাত অপেশ্বৰা আসি উপজিলা।
ব্ৰহ্মাদেৰে স্বৰ্গৰ ভূষণ কৰি থৈলা।।

দিহা ঃ *সাগৰ মন্থে দেৱাসুৰ গণে।*
অমৃতৰ ঘণ্ট উপজিলা জলে।।

পদ ঃ *অমৃতৰ ঘণ্ট কাঢ়ি নিলেক অসুৰে।*
তাক দেখি দেৱগণে মাটিত বাগৰে।[১৩]

গীত-কথাংশ দোহৰাৰ অন্তত ইতিমধ্যে সাজি-কাচি থকা দেৱতা আৰু অসুৰৰ ভাও লোৱা লোকসকলে আহি মথনীদণ্ডৰ জৰীত ধৰে। অসুৰসকল উত্তৰ দিশে আৰু দেৱতাসকল মথনী দণ্ডৰ দক্ষিণ দিশে থিয় হয়। মন্থন কাৰ্য আৰম্ভ কৰোতে অসুৰসকলে হুলস্থূল কৰি আৰু দেৱতাসকল ধীৰস্থিৰভাৱে প্ৰবৃত্ত হয়। মন্থন কাৰ্য কৰি থাকোতে অসুৰসকল কেতিয়াবা নিয়ন্ত্ৰণৰ বাহিৰত যোৱা যেন লাগে। দুয়ো পক্ষই টনা-টনি কৰি থাকোতে মথনী শালৰ জৰী ছিঙি যায়। তেনে অৱস্থাত অসুৰসকলে হুক হুক শব্দৰে মণ্ডপৰ চাৰিওফালে ঘূৰি ঘূৰি মথনী জৰীত ধৰেহি। পুনৰ জৰী ছিঙিলে দৈত্যসকলে হুক হুককৈ মণ্ডপৰ চাৰিওফালে দৌৰি ফুৰি পকা মিঠৈৰ দোকান ভাঙি, মানুহ বগৰাই ফুৰে। দৈত্যসকল এনেদৰে ফুৰা কাৰ্যক দৈত্যই হুহি দিয়া বোলে। মথনী জৰীডাল সম্পূৰ্ণ ছিঙি যোৱাৰ পিছত মন্থন শালৰ ওপৰত আঁৰি থোৱা ভাগুটো নমাই আনি দেৱতা আৰু অসুৰসকলে ভগাই খায়। ইয়াতে মথেনীৰ সামৰণি পৰে। পিছত গোটেই নিশাটো খুলীয়া ভাওৰীয়া উঠে।

মথেনীৰ জৰীডালৰ কিছু অংশ নিব পৰাটো সৌভাগ্যজনক বুলি মথেনী উৎসৱত ভাগ লোৱাসকলে বিশ্বাস কৰে। এই জৰীৰ কিছু অংশ জালত ব্যৱহাৰ কৰিলে সেই জালত বেছি মাছ ধৰা পৰে। গৰুৰ পঘা আদি বটোঁতে সাজোতে ইয়াৰ কিছু অংশ দিব পাৰিলে সেই পঘাৰে বন্ধা গৰু-ম'হৰ বেমাৰ নহয়। ঘৰত কিছু অংশ ৰাখিলে সৰ্পভয় আৰু ব্যাধিভয় দূৰ হয়।[১৪]

উৎসৱ উপলক্ষে এই অঞ্চলৰ মানুহৰ ঘৰে ঘৰে দুই তিনিদিন আগৰে পৰা কুৰমা-বণ্ডহৰ সমাগম হয়। দূৰ-দূৰণিত বিয়া দিয়া ছোৱালীসকল মাকৰ ঘৰলৈ বুলি ঢাপলি মেলে। অঞ্চলটোৰ প্ৰত্যেক ঘৰ মানুহৰ ঘৰলৈ চিনাকি-অচিনাকি লোক গৈ আত্মীয়তা গঢ়ি তোলে। এই লোকসকলক আপ্যায়ন কৰিবৰ বাবে পিঠা, তিলৰ লাৰু, নাৰিকলৰ লাৰু আদি তিনি-চাৰি দিন আগৰে পৰা সাজু কৰি ৰাখে। কাতি বিহু উপলক্ষে আনবোৰ অঞ্চলত মাছ-মঙহ খোৱাৰ ক্ষেত্ৰত বাধা-নিষেধ আছে যদিও এই অঞ্চলৰ লোকে আলহী-অতিথিক খুৱাবৰ বাবে মাছ-মঙহৰ যোগাৰ কৰে।

কাতিবিহুৰ দিনটো মথেনী উৎসৱৰ দিন হিচাপে বাছি লোৱাৰ তাৎপৰ্য এনেধৰণৰ ঃ বহাগবিহু ৰং-ধেমালিৰ আৰু ভোগালীবিহু ভোগৰ, কিন্তু কঙালীবিহু

ৰং আৰু ভোগৰ বিপৰীতে জনগণক ধৰ্মীয় ভাবত উদ্বুদ্ধ কৰাহে। কাতিবিহুত খেতিৰ পথাৰ আৰু তুলসীৰ গুৰিত চাকি দিয়া হয়। ইয়াৰ উদ্দেশ্য লক্ষ্মীক আদৰা। বিহু যিহেতু কৃষিভিত্তিক সেয়ে সাগৰ মন্থনত ওলোৱা কৃষিদেৱী 'লক্ষ্মী'ৰ লগতে কৃষ্ণ বা বিষ্ণু ভক্তিৰ প্ৰতিও মানুহৰ ৰতি হয়। পথাৰৰ শস্য লক্ষ্মী স্বৰূপা। এই দিনটোতেই পথাৰৰ শালি ধানৰ গৈঁৰ ওলায়। খেতিয়ক ৰাইজে সেইদিনা পথাৰলৈ চাই লাভ কৰে অফুৰন্ত আনন্দ। মনতে ধাৰণা কৰে এই দিনটো লক্ষ্মীৰ জন্মদিন। সেয়ে কাতিবিহুৰ দিনটো মথেনী উৎসৱৰ দিন হিচাপে ধাৰ্য কৰিছিল বুলি ভবাৰ থল আছে। এই দিনটোতেই সাগৰ মন্থনৰ ফলত অমৃত আৰু লক্ষ্মী নিৰ্গত হোৱাৰ দৃশ্যাভিনয় দৰ্শন আৰু শ্ৰৱণ কৰি অভাৱ-অনাটনত জুৰুলা হৈ থকা জনগণে মনলৈ শান্তি আনে। লগতে উক্ত দৃশ্যাভিনয় শ্ৰৱণ আৰু দৰ্শনত পুণ্য সঞ্চয় হয় বুলিও ধাৰণা। মুঠতে কল্যাণ-কামিতা মথেনী উৎসৱৰ ঘাই লক্ষ্য।

বিহুৰ পিছদিনা গৃহস্থই তামোল-পাণৰ বাৰী অথবা শাক-পাচলিৰ বাৰীত দিয়া নৈবেদ্যৰ মাহ মাটিত পৰি গজালি মেলিছেনে নাই লক্ষ্য কৰে। মাটিত পৰি মাহে গজালি মেলিলে কৃষক ৰাইজৰ বাবে ৰবি শস্য লাভজনক হোৱাৰ আশা থাকে।

কাতিবিহুৰ পিছত ওৰে কাতি মাহ গৃহস্থৰ ঘৰ বা গোঁসাইঘৰত পুথি পাঠ কৰে। প্ৰায়বোৰ লোকে এই মাহত মাছ-মাংস নাখায়। কোনো কোনোৱে দিনত ভাত নাখাই ৰাতি হবিষান্ন কৰে। কাতিমাহত বিষ্ণুৰ উদ্দেশ্যে তুলসী দান কৰে। এই মাহত বিবাহাদি শুভ কাৰ্য নিষেধ বুলি ভাবে।

১ *প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্যঃ অসমৰ লোক উৎসৱ, পৃ ৯*
২ *ঐতৰেয় ব্ৰাহ্মণ ঃ ৪।১৮।৪*
৩ *গদাধৰ শৰ্মা ঃ প্ৰবন্ধ প্ৰৱন্ধ, পৃঃ ৩০*
৪ *P Goswami* The Spring Time Bihu of Assam, p 10
৫ *N N Bhattacharyya* Indian Mother Goddess, p 9
৬ *সংবাদ দাতা ঃ শ্ৰীমোহন চন্দ্ৰ ডেকা, মেধিপাৰা।*
৭ *সংবাদ দাতা ঃ শ্ৰীঅনন্ত চৰণ শৰ্মা, দুনী।*
৮ *সংবাদ দাত্ৰী ঃ শ্ৰীকৌশল্যা দেৱী, বৰব্যাসপাৰা।*
৯ *Sir Charles Eliot,* Hinduism and Budhism Vol 1, P61
১০ *নবীন চন্দ্ৰ শৰ্মা ঃ অসমীয়া লোক-সংস্কৃতিৰ আভাস, পৃঃ ১৫৪*
১১ *আনন্দানন্দ গোস্বামী ঃ মংগলদৈৰ দধি মন্থন উৎসৱ, (কিৰণ চন্দ্ৰ শৰ্মা (সম্পা) দৰংগ স্মৃতি), পৃঃ ৩৮*
১২ *নবীন চন্দ্ৰ শৰ্মা ঃ অসমীয়া লোক-সংস্কৃতিৰ আভাস, পৃঃ ২৪১-২৪৫*
১৩ *সংবাদ দাতা ঃ ৰমানন্দ গোস্বামী, দেৱানন্দ সত্ৰ, অৰুণ চন্দ্ৰ গোস্বামী, দেৱানন্দ সত্ৰ।*
১৪ *সংবাদ দাতা ঃ শ্ৰীগংগাধৰ গোস্বামী*

❖❖❖



হিমাদ্ৰি কুমাৰী শৰ্মা

জন্ম ঃ ১৯৬৩ চন। ঢেকিয়াজুলী।

শিক্ষা ঃ স্নাতকোত্তৰ, বিশাৰদ।

কৰ্মজীৱন ঃ বিষয় শিক্ষয়িত্ৰী, দিশপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়।

সাহিত্য কৃতি আৰু সাংস্কৃতিক জীৱন ঃ কবিতা পুথি (২), গল্প সংকলন (১), উপন্যাস (২),পুথি সমালোচক, আকাশবাণীৰ জৰিয়তে গল্প, কবিতা আদি প্ৰচাৰ, অসম সাহিত্য সভাৰ বঁটা বিজেতা, বহুতো প্ৰতিষ্ঠিত আলোচনীত লিখনি প্ৰকাশ।

ৰাজহুৱা জীৱন ঃ বিভিন্ন সাহিত্য-সংস্কৃতিমূলক অনুষ্ঠানৰ লগত ওতপ্ৰোতভাৱে জড়িত। "শতদল"ৰ সদস্যা।

অসমৰ প্ৰাচীনতম জ্যোতিষ চৰ্চাৰ কেন্দ্ৰস্থল 'গন্ধিয়াৰ কাতিবিহু'

'গন্ধিয়া' অসমৰ প্ৰাচীন জ্যোতিষ চৰ্চাৰ কেন্দ্ৰস্থল। পালবংশীয় বা ধৰ্মপালৰ দিনৰে পৰা গন্ধিয়াত জ্যোতিষ চৰ্চা কৰি ভূমিদান পোৱাৰ প্ৰমাণ পোৱা যায়।

পাল বংশৰ শেষ ৰজা ধৰ্মপালৰ ৰাজত্বকাল আছিল ১০৯০ খৃঃৰ পৰা ১১১৫ খৃঃলৈ। আৰু যদি সেইটোৱে হয, তেতিয়াহ'লে প্ৰায় এহেজাৰ বছৰ কাল আগৰে পৰা গন্ধিযাৰ জ্যোতিষীসকলে জ্যোতিষ চৰ্চাৰে ভূমিদান পাইছিল বুলি ভবাৰ থল আছে।

বুৰঞ্জী খুচৰিলে আমি এনেকৈয়ো পাওঁ কামৰূপ নৰেশ 'নাগাঙ্ক'ই ভীমসেন নামৰ এজন ব্ৰাহ্মণক শুক্ৰেশ্বৰ দেৱালয়ৰ পৰা বিশ্বেশ্বৰ দেৱালয়লৈ তিথিকৰ আৰু বৰদেউৰী হিচাপে আনি বৰ্তমান কান্দেনি আইৰ মন্দিৰ থকা ঠাইত থাপে। আৰু সেই ভীমসেন ব্ৰাহ্মণকে গন্ধিয়াৰ আদি পুৰুষ বুলি জনা যায়।

চতুৰ্থ শতিকা আছিল নাগাক্ষ ৰজাৰ শাসনকাল। গতিকে চতুৰ্থ শতিকাৰ পৰা প্ৰায় ডেৰহাজাৰ বছৰৰো ওপৰকাল গন্ধিয়াত জ্যোতিষ চৰ্চাৰ মাজেৰে ভূমিদান পোৱাৰ কথাটো অনুমান কৰাত অসুবিধা নহয়।

অবিভক্ত কামৰূপৰ অন্তৰ্গত গন্ধিয়া আছিল বিলেশ্বৰ দেৱালয়ৰ ফুলৰ বাগিচা। দেৱালয়ৰ চৌপাশৰ আকাশ-বতাহ বাগিচাৰ ফুলে আমোল-মোলাই ৰাখিছিল, ফুলৰ গোন্ধও চৌদিশ সুৰভিত হৈ আছিল, সেয়েহে নাম হ'ল গন্ধিয়া।

এই ইতিহাস সমৃদ্ধ গন্ধিয়াতে ধৰ্মীয় উৎসৱৰ বাহিৰেও অসমৰ সুকীয়া লোকসংস্কৃতিৰ ৰূপ ফুটাই তোলে সামাজিক উৎসৱসমূহেও। জ্যোতিষ চৰ্চাৰ বাহিৰেও বিভিন্ন আচাৰ-অনুষ্ঠান, ধৰ্মবিশ্বাস, সংস্কাৰ, নৃত্য-গীত, শিক্ষা-সাহিত্য, সংগীত, খেলা-ধূলাৰে চহকী গন্ধিয়াৰ নামতীয়ে গোৱা কিছুমান নামৰো শব্দ-যোজনা অতিকে অপূৰ্ব। কথা ঠাঁচৰ প্ৰভাৱেও তাৰ ৰূপ চৰায় এনেদৰে—

"তুলসীৰ গোৰে গোৰে মিৰগা পহু চৰে
তাকে মাৰিবলেগি ৰামে যতন কৰে
ৰামে ৰোৱা তুলসীত লক্ষ্মণে ঢালে পানী
চান গোবৰ দিয়া আই সীতাৰ গোসাঁনী।"

নামতীৰ কণ্ঠস্বৰ এনেয়ে সুন্দৰ, তাতে গন্ধিয়াবাসীৰ আঞ্চলিক ভাষাৰ গীত-পদে সেইকণ্ঠ সোণত সুৰগা চৰাইছে। সেই সুৰাগ চৰা দিনতে আহিন আৰু কাতি মাহৰ দোমাহীৰ দিনা পৰম উলাহেৰে তেওঁলোকে কাতিবিহু পাতে। অসমৰ অন্যান্য ঠাইৰ লগতে গন্ধিয়াৰ মহিলাসকলেও এই বিহুটো কিছু আচাৰেৰে পালন কৰে।

ঘাইকৈ কাতিবিহুৰ দোমাহীৰ দিনা ঘৰে, ঘৰে তুলসীৰ ঢাপ সাঁজি তাত তুলসীৰ পুলি ৰোৱে। মহিলাসকলে গোটেই দিনটো উপবাসে থাকি গধূলি তুলসীৰ গুৰিত ঠগি (শৰাই) বন্তি দিয়াৰ উপৰিও তামোল-পাণৰ গুৰিত, বেলৰ গুৰিত, নাৰিকলৰ গুৰিত আৰু বিশেষকৈ পথাৰত এই ঠগি বন্তি দিয়ে। এই শৰাই বা ঠগি কলগছৰ দোনা বা আগলতি কলপাতত সাধাৰণতে দিয়া হয়। আৰু এই যে ঠগিখন দিয়া হয় পথাৰত, তামোল-পাণ, নাৰিকল ইত্যাদিৰ গুৰিত সেই শৰাইৰ উপকৰণবোৰ সাধাৰণতে ভগাই মেলি দিয়া নহয়, সৰু-সৰু ল'ৰা-ছোৱালীবিলাকে শৰাই বা ঠগিৰ বুট, কল, ৰবাব, নাৰিকল ইত্যাদি চুৰ কৰি খায়, আনন্দত কিৰিলি পাৰে, কোনোবাই দেখিছে নেকি বুলি আকৌ পলাই ফাট মাৰে। সিহঁতৰ ইও এক ধেমালি।

কাতি মাহটোত মহিলাসকলে সাধাৰণতে উপবাসে থাকি গধূলিলৈ হবিচ্ কৰে। মাছ-মাংসৰ উপৰিও জহাচাউল, মগুদালি, আলু, বেঙেনা ইত্যাদি খোৱা নিষেধ। এবাঁ গাখীৰ, মালভোগ কল উপবাসে থকা কালছোৱাত খোৱাৰ ব্যৱস্থা আছে যদিও দৈ খাব নাপায় বুলি কয়। যিদিনা মাহটো সম্পূর্ণ হ'ব সেইদিনা মহিলাসকলে পুৰুষ, সৰু সৰু ল'ৰাইতক মাতি আদৰ সৎকাৰ কৰি কিবা-কিবি খুৱাই আশীর্বাদ লৈ ব্ৰত ভাঙে। অৱশ্যে যিসকল মহিলাই সম্পূর্ণ মাহটো কৰিব নোৱাৰে তেওঁলোকে পাঁচদিনো ব্ৰত কৰিব পাৰে। তেওঁলোকে পাঁচদিনৰ দিনা উক্ত নিয়মমতে ব্ৰত ভাঙিব লাগে।

অন্যান্য ঠাইৰ লগতে গহিয়াৰ কাতিবিহুতো আকাশবন্তি দিয়াৰ প্ৰথা আছে। দুই কাষ মুকলি মাটিৰ কলহত বন্তি জ্বলাই ভৰাই থোৱা হয়। দুফালে দুডাল বাঁহ পুতি কলহৰ মুৰত বন্ধা ৰচিডাল বাঁহ দুডালত সাঙুৰি লাহে লাহে ওপৰলৈ তুলি দিয়া হয়। আৰু বাঁহৰ মূৰৰ ফালে ব্যৱস্থা কৰি থোৱামতে পূব মুৱাকৈ এই বন্তি জ্বলি থাকে, ইয়াকে আকাশবন্তি বুলি কয। সামর্থ্যবানসকলে সম্পূর্ণ কাতিমাহটোতেই আকাশবন্তি দিয়ে। এই বন্তি দিয়া পাত্ৰটো মাটিৰ কলহেই যে হ'ব লাগিব তেনে নহয়, স্থায়ীভাৱে কাঠৰো বনাই ল'ব পাৰে। সুন্দৰকৈ সাৰি-মচি থোৱা গহিয়াৰ চোতালবোৰত জ্বলি উঠা 'আকাশবন্তি'ৰ ৰূপ কি যে বিতোপন! গহিয়াৰ ভক্তপ্ৰাণ মহিলাসকলৰ লখিমীক আদৰাৰ এই প্ৰস্তুতিয়ে প্ৰাচীন ঠাইকণ মনোৰম কৰি তোলে। ভক্তিত গদ্‌গদ্ হৈ পুৰুষসকলেও আকাশবন্তি দিয়াৰ ক্ষেত্ৰত, পথাৰলৈ যোৱাৰ ক্ষেত্ৰত মহিলাসকলক সহায় কৰে।

যিদিনা কাতিমাহটো শেষ হয়, সেইদিনা আকাশবন্তি তললৈ নমাই আনি, আয়তীসকলে উপবাসে থাকি গৃহস্থৰ কুশলৰ অৰ্থে ঘৰে, ঘৰে তেওঁলোকে নাম ধৰে। চাকি-বন্তি জ্বলাই ঠগি আগবঢাই মানুহক প্ৰসাদৰ লগতে সামৰ্থ্য অনুযাযী খুৱায়।

গহিয়াৰ কাতিবিহুৰ আৰু এটা ডাঙৰ বৈশিষ্ট্য হ'ল বিষকৰ্মী দেৱতাৰ পূজা। অসমীয়া শিপিনীৰ নিপুণতাই সমগ্ৰ বিশ্বক চমক লগোৱা উদাহৰণ দেখাৰ ওলাব। অতিকে উচ্চখাপৰ একোখন ফুলাম কাপোৰে অসমৰ লোক সংস্কৃতিৰ ঐতিহ্যকে বহন কৰিছে। তাঁত বোৱা, সূতা কটা ইত্যাদি কামবোৰ অসমৰ আন আন ঠাইৰ লগতে গহিয়াৰ শিপিনীয়েও যথেষ্ট উলাহ আৰু আন্তৰিকতাৰে কৰে। সেয়েহে দোমাহীৰ দিনা পথাৰত, বাৰীত, গোহালিত দিয়াৰ উপৰিও কাপোৰ বোৱা তাঁত শালৰ তলতো ঠগি-বন্তি দি সাধাৰণতে বিষকৰ্মী দেৱতাৰ পূজা কৰা হয়। কোনো কুমন্ত্ৰই যাতে শালখন স্পৰ্শ কৰিব নোৱাৰে, তাঁতত, বাণি-সূতা চলোৱা যতনত

যাতে কোনো ধৰণৰ জোট্ নালাগে, কোনো ধৰণৰ অসূয়া নোপোৱাকৈ, যাতে সবল সুস্থ হৈ শিপিনী তাঁতশালত বহিব পাৰে তাৰ বাবে বিষকৰ্মী দেৱতাক পূজা অৰ্চনা কৰা দেখা যায়।

কেৱল জ্যোতিষ চৰ্চা বুলিয়ে নহয়ʼ কান্দেনি আইৰ মন্দিৰৰ কাৰণেও গন্ধিয়া প্ৰসিদ্ধ। ১৮৫১ চনত শ্ৰী শ্ৰী চিন্তামণি মহাপ্ৰভুৱে শিষ্য সমন্বিতে আহি চৈতন্য ধৰ্ম প্ৰচাৰৰ কাৰণে দক্ষিণ কামৰূপৰ ৰাণীত সোমায়হি। দক্ষিণৰ ধৰ্মপ্ৰচাৰৰ কাম সমাধা কৰি নলবাৰীৰ ককয়া গাঁৱত বৌমাৰীৰ থান প্ৰতিষ্ঠা কৰি পুনৰ গন্ধিয়া বেলশৰৰ মাজত আল্লিবাৰী নামৰ সত্ৰ স্থাপন কৰে।

ধৰ্মপ্ৰচাৰত আত্মনিয়োগ কৰা মহাপ্ৰভুৱে কেইবছৰমানৰ পাছত তেওঁৰ পত্নীক এৰি পুনৰ নৱদ্বীপলৈ গুচি যায়, কিন্তু তাতে তেওঁৰ মৃত্যু হোৱাত পত্নী ধৰ্মেশ্বৰী আই কান্দি, কান্দি শোকত ভাগি পৰে আৰু সাতদিন পাছত তেওঁৰো মৃত্যু হয়। শোকৰ দাবানলে অধীৰ কৰা ভক্তসকলে আইৰ স্মৃতিৰ ৰক্ষাৰ্থে সেই ঠাইতে প্ৰতিষ্ঠা কৰিলে প্ৰসিদ্ধ ʼকান্দেনি আইৰ মন্দিৰ।

আৰু এই কান্দেনি আইৰ মন্দিৰতে দোমাহীৰ দিনা যথেষ্ট উলহ-মালহেৰে কাতি বিহু উদ্‌যাপন কৰা হয়। বিহুৰ দিনা দিয়া ঠগিত সাধাৰণতে যি দক্ষিণা দিয়া হয, সেই দক্ষিণাৰ পইচা কোনেও সাধাৰণতে নলয়। সেই পা-পইচাৰে মিঠাতেল কিনিʼ আইৰ মন্দিৰত শৰাই দিয়ে, চাকি-বন্তি দিয়ে। দক্ষিণা কিমান দিব লাগিব তাৰ কোনো ধৰা-বন্ধা নিয়ম নাই, গৃহস্থই সাধ্য অনুযায়ী দিয়ে। মন্দিৰৰ সকলো কাম দেউৰীয়ে পৰিচালনা কৰে যদিও 'দেউৰী' সাধাৰণতে মহিলাসকলহে হয। কাতি বিহুত নামতীসকলৰ নামেʼ কান্দেনি আইৰ মন্দিৰ উৎসৱ মুখৰ কৰি তোলে। বৰ্তমানে অৱশ্যে নাগাৰা নামো মাতে।

কাতিবিহুক যিহেতু লক্ষ্মীপূজা বুলিয়ে মানি অহা হৈছে গতিকে লক্ষ্মী মন্দিৰতো পূজা-অৰ্চনা নোহোৱাকৈ নাথকে। ভগৱতী মন্দিৰতো উক্ত দিনত একেদৰে পূজা-অৰ্চনা কৰা হয়।

মুঠৰ ওপৰত কাতিমাহটো গন্ধিয়াবাসীৰ বাবে অতিকে পুণ্যৰ মাহ। ঘৰে ঘৰে, গোৱা নামতীসকলৰ অৰ্থবহ গীত-পদে গন্ধিয়াৰ সুকীয়া লোক সংস্কৃতিৰ এক অপূৰ্ব ৰূপ মাধুৰ্য ফুটাই তুলিছে।

গন্ধিয়াৰ নামতীৰ দৰে নামতী ক'তো নাই বুলি ৯০ বছৰীয়া আইতা হেমলতা দেৱীয়ে আজিও গৌৰৱ কৰে। তাহানিৰ কাতিবিহু পালনৰ কথা সুধিলে তেওঁৰ চকু-মুখ উজলি উঠে।

গন্ধিয়াত পালন কৰা কাতিবিহুৰ ৰূপত পৰিবৰ্তনৰ চেকা লাগিছে। তথাপি পুৰণি ঐতিহ্যৰে গন্ধিয়া মহীয়ান।

৯০ বছৰীয়া হেমপ্ৰভা আইতাই যেতিয়া জনমানসৰ জিলিঙনি প্ৰকাশ কৰি হাত চাপৰি বজাই-বজাই নাম গায় এনেদৰে—

"শাস্ত্ৰতে উত্তম গীতা-ভাগৱত
ধৰ্মতে উত্তম হৰি,
দেৱতে উত্তম দৈৱকী নন্দন এ
চৰণে কৰো প্ৰণাম।।"

তেতিয়া আমি অভিভূত হৈ পৰোঁ। গন্ধিয়াৰ আকাশবন্তিয়ে সমগ্ৰ ধৰা পোহৰাই তোলা যেন লাগে। এই ঐতিহ্য কেৱল গন্ধিয়াৰে নহয়, সমগ্ৰ অসমৰে ঐতিহ্য।

❖❖❖

টোকা ঃ প্ৰবন্ধটি যুগুতাওঁতে গন্ধিয়াৰ প্ৰখ্যাত জ্যোতিষী শ্ৰীৰবীন্দ্ৰ নাথ শৰ্মাই আমাক যথেষ্ট সহায় কৰিলে। আমি তেখেতৰ শলাগ ললোঁ।

লেখিকা

ড° সূৰ্য দাস



জন্ম ঃ ১৯৫৪ চন। কামৰূপ জিলাৰ সোণাপুৰ মৌজাৰ তেতেলীগুৰি গাঁও।

শিক্ষা ঃ স্নাতকোত্তৰ, পি এইচ ডি।

কৰ্মজীৱন ঃ আকাশবাণীৰ বিভিন্ন কেন্দ্ৰত বিভিন্ন পদত কাৰ্যনিৰ্বাহ কৰি বৰ্তমান আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ সহকাৰী কেন্দ্ৰ সঞ্চালক।

সাহিত্য কৃতি আৰু সাংস্কৃতিক জীৱন ঃ বিভিন্ন বিষয়ক গ্ৰন্থ (৩), সংকলন আৰু সম্পাদনা (১), আকাশ বাণীত ভালেকেইখন সংগীতালেখ্য প্ৰচাৰ, সমালোচক আৰু অভিনেতা।

ৰাজহুৱা জীৱন ঃ বহুতো সামাজিক সাংস্কৃতিক অনুষ্ঠানৰ সৈতে নিবিড়ভাৱে জড়িত।

ডিমৰীয়াৰ কাতিবিহু

প্ৰাচীন কালৰে পৰা অসমত বসবাস কৰি অহা খিলঞ্জীয়া অসমীয়াসকলৰ জাতীয় উৎসৱ বিহু। বছৰটোত তিনিবাৰ অসমীয়াসকলে বিহু পালন কৰে। চ'ত-বহাগৰ সংক্ৰান্তিৰ দিনাৰ পৰাই আৰম্ভ হয় ৰঙালীবিহু, আহিন-কাতিৰ সংক্ৰান্তিৰ দিনাৰ পৰা আৰম্ভ হয় কাতিবিহু বা কঙালীবিহু আৰু পুহ-মাঘৰ সংক্ৰান্তিৰ দিনাৰ পৰাই আৰম্ভ হয় মাঘৰ দমহী, মাঘৰ দোমাহী, মাঘৰ বিহু বা ভোগালীবিহু। অসমীয়া মানুহে পালন কৰা প্ৰতিটো বিহু উৎসৱেই হ'ল কৃষি উৎসৱ বা খেতিৰ লগত জড়িত উৎসৱ। আহাৰ-শাওনৰ পৰা আৰম্ভ কৰি ভাদ মাহৰ ভিতৰত অসমৰ মানুহে বোকা কৰি ৰোৱা ধান খেতিৰ ৰোৱা কাম শেষ কৰে। ধান ৰোৱাৰ পিছত, গোছবোৰে হালধীয়াৰ পৰা সেউজীয়া হ'বলৈ আৰম্ভ কৰাৰ লগে লগে ধানখেতিত বিভিন্ন ধৰণে পৰিচৰ্যাৰ কাম কৰিবলগীয়া হয়। আহিনৰ শেষৰ ফালৰ

পৰা ধান বোৱাৰ সময়ভেদে লাহে লাহে পথাৰত গাখীৰতী ধান ওলাবলৈ আৰম্ভ কৰে। ধানডৰা ৰক্ষা কৰাৰ বাবে এই সময়ছোৱা অতি গুৰুত্বপূৰ্ণ সময়। এই সময়ছোৱাত গাখীৰতী ধানবোৰক বিভিন্ন পোক-পতংগৰ আক্ৰমণৰ পৰা ৰক্ষা কৰিবৰ বাবে বিশেষভাৱে যত্ন ল'ব লাগে। নহ'লে গান্ধী পোক আৰু অন্যান্য পোক-পতংগই ধানৰ গাখীৰ চুহি খাই সমগ্ৰ ধাননি ডৰাক পতানত পৰিণত কৰিব। পথাৰৰ ধানডৰাক ৰক্ষা কৰাৰ বাবে যি অনুষ্ঠানিকতা পালন কৰা হয়, সেয়ে হ'ল, কাতিবিহু বা কঙালীবিহু। বাৰ মাহৰ গীতত কাতিমাহত কৰা কাম বা কাতিবিহুত পালন কৰিবলগীয়া উৎসৱৰ বিষয়ে এনেদৰে কোৱা হৈছে ঃ

ভাদত শালি খেতি কৰে পথাৰত।
আহিনত ৰোৱা শেষ হৰিষ মনত।।
কাতিত দেৱালী হয় ভাল লাগে কেনে।
আঘোণৰ পথাৰ ঢাকি থয় পকা ধানে।।

আহিন-কাতিমাহৰ সংক্ৰান্তি বা দোমাহীৰ দিনাই কাতিবিহু বা কঙালীবিহু পালন কৰা হয়। বহাগৰবিহু বা মাঘৰবিহুৰো উৎস অনুসন্ধান কৰি ব্ৰাহ্মণ্য ধৰ্মৰ পৃষ্ঠপোষক পণ্ডিতসকলে ইয়াক ঐতৰেয় ব্ৰাহ্মণ্যৰ অশ্বিন দেৱতাৰ পূজা বা বৈদিক আৰ্যসকলে পালন কৰা উৎসৱত ইয়াৰ মূল বিচাৰে যদিও, কাতিবিহুকে ধৰি, অসমৰ গোটেই কেইটা বিহু অসমৰ ধানখেতি কৰা আদিম কৃষিজীৱী সমাজৰ কৃষি সম্পৰ্কীয় লোকাচাৰ পালনৰ আনন্দ-উৎসৱ।

কাতিবিহুৰ দিনা ৰাতিপুৱাতে চোতালৰ এমূৰত থকা তুলসী ভেটিটোত নতুনকৈ মাটি চপাই দি মচি-কাচি সুন্দৰকৈ সজাই তাত এজোপা তুলসী ৰুই দিয়া হয়। তুলসী অসমীয়া সমাজ-জীৱনত পূজা-সেৱা, বিভিন্ন দৰৱ-জাতি আৰু ভালেমান শুভ কামত ব্যৱহাৰ কৰা হয়। তুলসী গছ হিন্দুসকলৰ এক পবিত্ৰ উদ্ভিদ। এই তুলসীৰ পাত ভগৱান বিষ্ণু বা নাৰায়ণ বা শালগ্ৰামৰ অতি প্ৰিয় পৰিধান। তুলসীক সাক্ষাৎ লক্ষ্মীৰ প্ৰতিৰূপ বুলি কোৱা হয়। সেইদিনা চোতালৰ এমূৰত থকা তুলসীৰ গুৰিত সন্ধিয়া চাকি-বন্তি জ্বলাই নৈবেদ্য আগবঢ়োৱা হয় আৰু সেইদিনা সকলোৰে ঘৰে ঘৰে নাম ধৰা হয়। তুলসীৰ গুৰিত চাকি-বন্তি জ্বলাই শৰাই আগবঢ়োৱাৰ উপৰিও ভঁৰালঘৰ, গোহালিঘৰ আৰু পদূলিত বন্তি জ্বলোৱা হয়। সেইদিনাখনৰ পৰাই এডাল ওখ বাঁহ পুতি আকাশবন্তি সজোৱা হয় আৰু চাকি ওলোমাই দি এমাহলৈ আকাশবন্তি জ্বলোৱা হয়। তুলসীৰ গুৰিতো কাতিবিহুৰ দিনাৰ পৰা আৰম্ভ কৰি এমাহলৈ তুলসীৰ তলত চাকি জ্বলোৱা হয়। চাকি-বন্তি জ্বলাই মাহ-প্ৰসাদ আৰু সেই সময়ত পোৱা বিভিন্ন ফল-মূলেৰে এখনি

নৈবেদ্য আগবঢোৱা হয়। তাতে ঘৰৰ সকলোৱে লগ লাগি নাম-গুণ গাই ঈশ্বৰৰ ওচৰত খেতি-বাতি আৰু সকলোৰে মঙ্গলৰ বাবে প্ৰাৰ্থনা জনোৱা হয়। কাতিবিহুৰ দিনা তুলসীৰ তলত গোৱা এফাকি বিশেষ নাম নামনি অসমৰ অন্যান্য ঠাইৰ দৰে ডিমৰীয়াতো গোৱা হয়।

তুলসীৰ তলে তলে মৃগ পহু চৰে
তাকে মাৰিবা লাগি ৰামে যতন কৰে।

সকলোবোৰ নামতেই তুলসীৰ গুণ-গৰিমা, তুলসীৰ তলে তলে মৃগপহু চৰিফুৰা, তাকে দেখি ৰামে ধনুকাঁড় জোৰা, লক্ষ্মণে পানী আনি দিয়া, সীতাই গোবৰ মাটিৰে তুলসীৰ ভেটি মচা, ইত্যাদি বিভিন্ন কথা কাতিবিহুৰ নামত উল্লেখ আছে।

মূলতঃ পথাৰৰ শস্য সংৰক্ষণ আৰু সিবিলাকৰ ৰক্ষণাবেক্ষণ দিয়াই কাতিবিহুৰ মূল প্ৰতিপাদ্য বিষয়। আহিনৰ সংক্ৰান্তি বা কাতি বিহুৰ দিনা সেই সময়ত উৎপন্ন হোৱা বিভিন্ন ফলমূল শৰাইত ঈশ্বৰৰ উদ্দেশ্যে আগবঢাই দি সেইদিনাৰ পৰাহে খাবলৈ লোৱা হয়। বিভিন্ন টেঙা জাতীয় ফল আৰু কেঁচা তামোল, কাতিবিহুৰ পিছৰ পৰা খাবলৈ লোৱা হয়। সকলো অপায়-অমঙ্গলৰ পৰা হাত সাৰিবলৈ ভগৱন্তৰ ওচৰত সেৱা জনাই সকলো শস্যক যাতে হানি-বিঘিনি নোহোৱাকৈ চপাব পাৰি, আৰু ঘৰখন যাতে কৃষিজাত সামগ্ৰীৰে ভৰি উঠে তাৰ বাবে প্ৰাৰ্থনা জনোৱা হয়।

তুলসীৰ গুৰিত সন্ধিয়া নাম-গুণ গোৱাৰ আগতে গধূলি বেলিকা পালন কৰা আন এটি প্ৰধান অনুষ্ঠান হ'ল খেতি পথাৰত বন্তি প্ৰজ্বলন বা চাকি দিয়া কাৰ্য। সেইদিনা সন্ধিয়া ঘৰৰ গৃহস্থই বা ঘৰৰ অইন জ্যেষ্ঠ পুৰুষ সদস্যই পৰিয়ালৰ ল'ৰা-ছোৱালীহঁতক লগত লৈ এটি কলপুলি, মাটিৰ চাকি বা কলগছৰ দোনাৰে তৈযাৰী চাকি আৰু মাহ প্ৰসাদৰ শৰাই এখন লগত লৈ পথাৰলৈ যায়। পথাৰৰ যি কোনো এঠাইত কলপুলিটো পুতি, পুলিটোৰ গাত মাটিৰ চাকিটো স্থাপন কৰাৰ ব্যৱস্থা কৰি চাকিটো জ্বলাই দিয়া হয়। কলপুলিটোৰ গুৰিত মাহ-প্ৰসাদৰ শৰাইখন আগবঢাই দি খেতিডৰা ভালে ৰাখিবলৈ নেদেখাজনৰ ওচৰত প্ৰাৰ্থনা জনোৱা হয়। প্ৰাৰ্থনা অন্তত সেৱা-সৎকাৰ কৰি শৰাইৰ পৰা মাহ-প্ৰসাদ লৈ ধাননি ডৰাত ছটিয়াই দিয়া হয়। মাহ-চাউল ছটিয়াই দি সমস্বৰে এই বুলি গায়—

"দেউল গ'ল দেউল গ'ল।
বৰঘৰেদি নেউল গ'ল।।

লোকৰ ধান আউল-জাউল।
আমাৰ ধান মৰ্খা, চাউল।।

বাকীখিনি মাহ-চাউল সকলোৱে ভগাই খায়। তাৰ পিছত সকলোৱে আগতে কৈ অহাৰ দৰে গাই গাই আৰু উকিয়াই উকিয়াই ঘৰলৈ উভতি আহে। আন্ধাৰ নামি অহাৰ লগে লগে বিস্তীৰ্ণ পথাৰৰ বিভিন্ন অংশত জ্বলি উঠা অজস্ৰ চাকিৰ পোহৰে পথাৰখন পোহৰাই তুলি এক অপৰূপ শোভাৰ সৃষ্টি কৰে। কাতিবিহুৰ পৰাই থোক মেলিবলৈ ধৰা শস্যডৰাক যাতে গান্ধী পোকে ধৰি অন্যান্য অনিষ্টকাৰী পোক-পতঙ্গই নষ্ট কৰিব নোৱাৰে তাৰ বাবে পৰম্পৰাগত ব্যৱস্থাসমূহ লোৱা হয়। ধাননি ডৰাত বাহৰ জেং বা গছৰ ডাল পুতি দিয়া হয। সেই জেং বা গছৰ ডালত পৰি চৰাই-চিৰিকতিয়ে যাতে শস্য নষ্টকাৰী পোক-পতংগ ধৰি খাব পাৰে, তাৰ বাবে এই ব্যৱস্থা কৰি দিয়া হয়।

ক'বলৈ পাহৰিছো, কাতিবিহুক ডিমৰীয়া অঞ্চলত কাতিদেউল বুলি কোৱা হয। মাঘৰ বিহুটি যাতে ভোগালীত পৰিণত হয় তাৰ বাবে কাতিবিহুৰ দিনাৰে পৰা পথাৰত শস্যডৰা ৰক্ষাৰ বাবে উপযুক্ত ব্যৱস্থা লোৱা হয়। এই বিহুত ভোগৰ সুবিধা নাই। এই সময়ত ভঁৰাল লাহে লাহে উদং হ'বলৈ ধৰে, পথাৰতো ধানডৰাই থোকহে মেলিবলৈ ধৰে আৰু ৰবি খেতিৰ প্ৰস্তুতি চলে। সেয়ে এই বিহুৰ নাম কঙালীবিহু। শস্যডৰা সংৰক্ষণ কৰি কাতিবিহুৰ পৰাই মাঘৰ ভোগালীবিহুৰ বাবে প্ৰস্তুতি চলোৱা হয়।

❖❖❖

নীলাক্ষি চৌধুৰী



জন্ম ঃ ১৯৫৮ চন। যোৰহাট।

শিক্ষা ঃ স্নাতকোত্তৰ।

কৰ্মজীৱন ঃ গৃহিণী।

সাহিত্য কৃতি আৰু সাংস্কৃতিক জীৱন ঃ প্ৰকাশিত জীৱনীপুথি (১), বিভিন্ন কাকত আলোচনীত গল্প, কবিতা আদি লিখনি প্ৰকাশ, সংগীত কলাৰ সৰ্বভাৰতীয় প্ৰতিযোগিতাত অংশ গ্ৰহণ, সু-অভিনেত্ৰী।

ৰাজহুৱা জীৱন ঃ মহিলা সমিতি আৰু বিভিন্ন অনুষ্ঠানৰ লগত বিশেষভাৱে জড়িত।

গুৱাহাটীত কাতিবিহু উদ্‌যাপন

গুৱাহাটীত কাতিবিহু উদ্‌যাপন অৰ্থাৎ গুৱাহাটীৰ কাতিবিহু—সেই তাহানি দিনৰে পৰা আজিলৈ। এই বিষয়ে লিখিবলৈ লৈ থমকি ৰ'বলগীয়াই হয। তাহানিৰ বিহু আৰু আজিৰ বিহুৰ মাজত যেন বহু ব্যৱধান। আজোআইতা, ককাআইতাহঁতৰ মুখত শুনা পুৰণি গুৱাহাটীৰ কাতিবিহু আজি যেন সাধুকথা।

বিহু আমাৰ প্ৰাণৰ উৎসৱ। মানুহৰ অতিশয় আনন্দৰ প্ৰকাশেই যেন বিহু। অসমীয়া সংস্কৃতিৰ প্ৰতিভূ স্বৰূপ বিহু আনন্দোৎসৱেই নহয় ই সমন্বয়ৰো প্ৰতীক। প্ৰকৃততে আদিম মানৱ সৃষ্টিৰ লগে লগেই এই আনন্দ উৎসৱৰ সূচনা হৈছিল। কেৱল তেতিয়া মানুহে পৰ্বতৰ গুহা, গছৰ খোৰোঙত বাস কৰাৰ লগে লগে চিকাৰজীৱী হোৱা হেতুকে একোটা জন্তু চিকাৰ কৰি সেইটোৰ চাৰিওকাষে নাচি-বাগি, জপিয়াই কেঁচাই খাই স্ফূৰ্তি কৰিছিল। ফলমূল গোটাই, মাছ মাৰি, চিকাৰ কৰি জীৱন ধাৰণ কৰা লোকসকলে সময়ৰ লগে লগে শস্যগৰ্ভা পৃথিৱীৰ পৰা লহপহীয়া সোণসেৰীয়া শস্য উৎপাদন কৰি সমাজপাতি থাকিবলৈ শিকিলে। সময়ৰ সোঁতত বুদ্ধিৰ বিকাশ হোৱাৰ লগে লগে খেতি ৰোৱাৰ আগে আগে

উৎপাদনৰ কামনা কৰি বা শইচ চপোৱাৰ পিছত শৰীৰৰ সকলো 'ক্লান্তি অৱসাদ' জোকাৰি পেলাই আনন্দত সামূহিকভাৱে নাচি-বাগি মতলীয়া হোৱা হ'ল। এইয়া মানুহৰ সহজাত প্ৰবৃত্তি। সুললিত কণ্ঠৰ গীতমাত, শাৰীৰিক অঙ্গচালনাৰ ফলশ্ৰুতি নৃত্যৰ প্ৰকাশ হয় সৃষ্টিৰ আশীৰ্বাদ বিচাৰি বা সৃষ্টিৰ সাফল্যত। তেতিয়া পূৰ্ণিমাৰ আকাশৰ ৰূপোৱালী পোহৰৰ দিনটোকে হয়তো তেওঁলোকে বাছি লৈছিল বা আন্ধাৰ আঁতৰাবলৈ একুৰা জুইৰো প্ৰয়োজন বোধ কৰিছিল। সময়ৰ সোঁতত বুদ্ধিৰ বিকাশৰ লগে লগে সেই চন্দ্ৰমাহ গৈ সৌৰমাহ হ'ল— সংক্ৰান্তিত বিহু নামকৰণেৰে এই আনন্দোৎসৱ ৰূপায়িত হ'ল। এইয়া বোধহয় বৈদিক জ্যোতিষৰ প্ৰভাৱ। মুঠতে সকলো ৰং-ৰহইচ, আনন্দৰ অনুভূতিৰে বিহু অসমীয়াৰ জাতীয় উৎসৱ।

অসমীয়া সংস্কৃতি সংমিশ্ৰিত সংস্কৃতি। ভাৰতবৰ্ষলৈ মূল ছটা জাতিৰ প্ৰব্ৰজন হৈছিল যদিও অসমীয়া সামাজিক সংস্কৃতিত বিশেষকৈ মঙ্গোলীয় অষ্ট্ৰিক সকলৰ প্ৰভাৱেই পৰিলক্ষিত হয়। অষ্ট্ৰিক সংস্কৃতিৰ প্ৰধান অৱদানেই হ'ল কৃষি সংস্কৃতি। এই কৃষি কৰ্মক ভেজা দিয়েই আমাৰ বিহু উৎসৱেও প্ৰাণ পাই উঠিছিল। বিহুত বহুক্ষেত্ৰত 'প্ৰট' অষ্ট্ৰেলয়ড'ৰ অৱদান দেখা যায়।

অসমীয়া জাতি অতীজৰ পৰাই কৃষিজীৱী। কৃষি প্ৰধান জাতিটোৰ নিশ্বাসে প্ৰশ্বাসে নিৰ্গত হৈছিল ভৰুণ শস্যৰ জলমলীয়া সুবাসৰ মাযা। কৃষিত ভেজা দিযে গঢ়ি উঠিছিল অসমীয়া সংস্কৃতিৰ জাউতিযুগীয়া প্ৰমূল্য।

উদাৰ প্ৰকৃতি দেৱীযে সম্পদৰে চহকী কৰাৰ উপৰিও অসমী আইক এনেনো শুৱনিকৈ সজাইছে যে চালে মন ভৰি যায। এনেহনে লাৱণী অসমীৰ শৰতৰ বতৰ কি যে মধুৰ। শৰতৰ আকাশৰ স্নিগ্ধ ৰূপোৱালী জোনাক চাই চকু যেন জুৰ পৰি যায়। সেউজীযা দলিছা সদৃশ ধাননি ডৰাই চকুৰ জেউতি চৰায়। ভেট-পদুমে মিতৰালি পাতি সৌন্দৰ্য বিলায। শেৱালিৰ স্নিগ্ধ মৃদু গোন্ধে মন উন্মনা কৰে। সূৰুযে ভুমুকি মৰাৰ লগে লগে শতদলেও যেন মিচিকি হাঁহিটি মাৰে। ৰংবিৰঙৰ নানা তৰহৰ সুগন্ধি ফুলৰ মেলা বহে। গ্ৰীষ্মৰ প্ৰখৰ তাপৰ ছটফটনিৰ পিছত মলয়াৰ মৃদু বা — ছাটিযে শৰীৰ যেন জুৰ পেলায। শৰীৰৰ ক্লান্তি যেন আঁতৰি যায়। এনে আপ্লুত মনৰ সময়তে আনন্দমুখৰ হৈ ৰাইজে কাতিবিহু পাতে। ডঃ লীলা গগৈ দেৱৰ ভাষাত ক'বলৈ গ'লে—"কাতিবিহু ছমহীয়া শ্ৰমৰ ভাগৰ-অৱসাদ জোকাৰি পেলাবলৈ আৰু লগে লগে নতুন আশাৰে উদ্দীপ্ত হৈ উঠা লখিমীৰ আগমনিক স্বাগতম জনাবলৈ আয়োজন কৰা মধুৰ অনুষ্ঠান।"

শালি খেতি প্ৰধান ঠাইবোৰত আহিনত ধান পকে। অঞ্চল বিশেষে এবিধ আগতীয়া লাহি ধানো পকে। সেয়েহে ঠাই বিশেষে লখিমী আদৰা উৎসৱ, 'খেতি

উঠা ভাত খোৱা' উৎসৱ, 'নাঙল ধোৱা পিঠা খোৱা' উৎসৱ আদি অনুষ্ঠান পাতি মিতিৰ কুটুম মাতি, হাঁহ-পাৰ মাৰি, মাছ-পুঠি গোটাই, পিঠা-পনা, জা-জলপান কৰি খাই আনন্দ কৰিছিল। কালৰ গতিত এই উৎসৱসমূহেই সৰু হৈ হয়তো সংক্ৰান্তিৰ কাতিবিহুত পৰিণত হ'ল। অৱশ্যে ধাননি পথাৰলৈ গৈ তৃপ্তিত হাঁহি মৰা চিৰন্তন প্ৰথা আজিও চলি আছে। জনামতে দক্ষিণপূব এচিয়াত মঙ্গোলীয় অষ্ট্ৰিকসকলৰ চান্দ্ৰমতে গণনা কৰা এটা সুকীয়া মাহ আৰু বছৰ গণনাৰ পদ্ধতি আছিল। সেইমতেই আহোমসকলেও বছৰ গণনাৰ প্ৰথম মাহ ডিং-চিং কাতি আঘোণৰ মূৰা-মূৰিৰ পৰাই আৰম্ভ কৰিছিল। বছৰৰ আৰম্ভণীৰ এই উৎসৱ হয়তো উলহ-মালহৰে তেওঁলোকে পালন কৰিছিল। ব্ৰহ্মদেশত 'তেজাওমৌ' উৎসৱ এই সময়তে আজিও পতা হয়। গতিকে কাতিবিহুৰ আঁতিগুৰি বিচাৰিলে আমি আজিৰ কঙালীবিহুক কঙালী-ভোগালী অৰ্থতহে পালন কৰা যেন অনুমান কৰিব পাৰো। ইয়াৰ বহু দিনৰ পিছতহে বৈদিক সংস্কৃতিৰ প্ৰভাৱত জ্যোতিষ চৰ্চা চলিল আৰু ফলস্বৰূপে দেশৰ সকলো ৰাইজকে একতাৰ ডোলেৰে বান্ধিবলৈ সৰ্বসন্মতৰূপে সংক্ৰান্তিত কাতিবিহু পালন কৰা নিয়ম প্ৰচলিত হ'ল। নিৰ্দিষ্ট দিনটোত হয়তো কাৰোবাৰ অভাৱ অনাটনো হ'ল— ৰঙালী নামকৰণো হ'ল— ফলত ই চাকি বন্তি জ্বলোৱা তথা তুলসী পুলি ৰোৱা উৎসৱতহে পৰিণত হ'ল। কিন্তু বাকী লখিমী আদৰা উৎসৱকে আদি কৰি অন্য উৎসৱসমূহ ৰাইজৰ সা-সুবিধা আৰু বিশ্বাস অনুযায়ী আজিও চলি থাকিল।

মুঠতে চকু শাঁত পৰা সেউজী ধাননি ডৰা কেতিয়ানো সোণসেৰীয়া হালধীয়া বৰণেৰে উজ্জ্বলি উঠে, চকুৰ পচাৰতে দুটি মাহ কেনিনো গুচি যায়, পথাৰৰ লখিমী ৰাইজৰ ভঁৰালত সোমাই ভোগালীবিহুৰ পাতনি মেলে আমি তলকিবই নোৱাৰো। সেযেহে যদিও কাতিবিহুক কঙালী আখ্যা দিয়া হয় ইয়াতেই লুকাই আছে সম্ভাৱনাৰ বীজ। গতিকে ই লখিমী আদৰা উৎসৱ হোৱাৰ লগে লগে অতীতৰ ভোগালী বিহুৰো পাতনিৰ উছৱ বুলিব পাৰি।

বাহ্যিক দৃষ্টিত আগৰ বছৰৰ শস্য বিশেষকৈ ধানৰ ভঁৰাল প্ৰায় উদং হোৱাৰ সময়ত বা খাদ্যবস্তুৰ অভাৱ হ'ব পাৰে বুলিয়েই বোপা ককাইঁতে আহিন কাতিৰ সংক্ৰান্তিত পতা এই কাতিবিহুক কঙালী বুলিছিল যদিও ইয়াৰ অন্তঃনিৰ্হিত অৰ্থ অন্য ৰকমৰ। মুকলি পথাৰত নাচি-বাগি টৌ খেলি থকা সেউজীয়া ধাননি ডৰা অগ্নিৰ পৰশত গৰ্ভৱতী হৈ এই মঙ্গলময় সংক্ৰান্তিৰ দিনাই থোক মেলে বুলি লোক বিশ্বাস আছে। সেইকাৰণে কৃষকে পথাৰত বন্তি জ্বলাই লক্ষ্মীক আদৰণি জনায়। পথাৰৰ কাষে কাষে ওখত বাঁহ বান্ধি সহস্ৰ বন্তিৰে উজ্জ্বলিত কৰি তোলা হয়। দীপাৱলী সদৃশ আলোকেৰে আলোকিত কৰি সমগ্ৰ অসমকে উদ্ভাষিত কৰি

তোলা হয়। এই বন্তি প্রজ্বলনে শস্য অনিষ্টকাৰী হাজাৰ-বিজাৰ কীট-পতঙ্গ ধ্বংস কৰি ধ্বংসৰ গৰাহৰ পৰা গোছা-ধানক ৰক্ষা কৰে। বন্তি প্রজ্বলনৰ এই পৰম্পৰা পুৰণি গুৱাহাটীৰ বহু ঠাইত প্রচলিত আছিল। ককা আইতাহঁতে কোৱা মতে বর্তমানৰ ৰাধাগোবিন্দ বৰুৱা পথ, নুনমাটিৰ কাষৰীয়া অঞ্চল, ট্রিবিউন প্রেছৰ পিছৰ পৰাই হাবি জংঘল আৰু উলুবাৰীৰ কাষৰীযা অঞ্চলৰ পৰা আৰম্ভ কৰি, দিশপুৰ ছয়মাইলৰ আশে পাশে, পাঞ্জাবাৰী, খানাপাৰা, বেলতলা, ৰুক্মিণী গাঁও আদি অঞ্চলত পকী দালানৰ পৰিবর্তে ধাননি পথাৰেহে বহু অঞ্চল আৱৰি আছিল। কোনো কোনো ঠাইত হাবি জংঘল এনেকুৱা আছিল যে চাৰিওকাষৰ পাহাৰীয়া অঞ্চলৰ পৰা বাঘ আদিও নামি আহিছিল। জনজাতীয় লোকৰ মাজত বিহুৰ উৎসৱ পালন কিছু বেলেগ হ'লেও বন্তি প্রজ্বলন আছিল। কিন্তু সময়ৰ লগে লগে আকাশলংঘী অট্টালিকা, দোকান-পোহাৰ, দালানেৰে পথাৰ প্রায দেখিবলৈ নোহোৱাই হ'ল। এতিয়াও চুকে-কোণে যি দুই এখন সৰু-সুৰা পথাৰ দেখিবলৈ পোৱা যায় সেইবোৰত মাটিৰ মালিকৰ সংস্কৃতি মতে বিহু পালন কৰা দেখা যায।

আগৰ দিনত বিহুৰ দিনা ঘৰ-দুৱাৰ মচা, বিছনাৰ কাপোৰ, পর্দা আদি ধোৱা-পখলা কৰা, ৰান্ধনীশালৰ চৰুহাড়ি, কেৰাহী ইত্যাদি পৰিষ্কাৰ কৰা নিয়ম আছিল। এতিয়াও ঘৰদুৱাৰ মচি চাৰিওফালে চাফ-চিকুণ কৰি ৰখা পৰম্পৰা ছেগা-চোৰোকাকৈ গুৱাহাটীতো চলি থকা দেখা যায।

গুৱাহাটী আজি মহানগৰী হ'ল। সেই ৰামো নাই অযোধ্যাও নাই। তথাপি পুৰণি যিবিলাক সম্ভ্রান্ত পৰিয়াল আছে সেইবিলাকে পূর্ণ পৰম্পৰাৰে আজিও চুৰ্চুৰীয়াকৈ হ'লেও কাতিবিহু উদ্‌যাপন কৰে, জা-জলপান, পিঠা-পনাৰো দিহা কৰে।

উজনি অসমত আজিও বাৰুকৈযে দৈ, কোমল চাউল, চিৰা, লাৰু-পিঠাৰে কাতিবিহু পাতে। ইঘৰে সিঘৰে অহা-যোৱা কৰে। খোৱা-বোৱাও কৰে। এতিযাৰ গুৱাহাটীত অসমৰ সকলো ঠাইৰে মানুহৰ বসতি। গতিকে যি ঠাইৰ মানুহ সেই ঠাইৰ নিয়ম অনুযায়ীয়েই তেওঁবিলাকে বিহু পাতে। ওচৰ চুবুৰীয়াৰ ওপৰতো তাৰ প্রভাব পৰে। ফলত এটা সংমিশ্রিত সংস্কৃতিৰ সৃষ্টি হয। গতিকে এতিয়াও উজনিৰ লোকৰ বসতি স্থলত পূর্ণ-পৰম্পৰাৰে কাতিবিহু উদ্‌যাপন কৰা দেখা যায়।

কাতিবিহুৰ অন্যতম প্রধান পৰম্পৰা হৈছে তুলসী পুলি ৰোপণ। মনত নপৰা দিনৰে পৰা আজিলৈকে কাতিবিহুৰ দিনা প্রতি ঘৰে ঘৰে চোতালত তুলসী পুলি ৰোৱা দেখি আহিছো। ভেটিটো মচি-কাচি চাফ-চিকুণ কৰি তোলা হয়। ধূপ, দীপ, গোটা তামোল-পাণ, নৈবেদ্যৰে হয়তো শস্য দেৱতা জ্ঞান কৰি বন্দনা কৰা হয় নতুবা মঙ্গল প্রার্থনা কৰা হয়। শাকনিবাৰী, চোতাল, ফুলনি, ভঁৰাল আদি প্রদীপেৰে

আলোকিত কৰি লক্ষ্মীক আদৰাৰ লগে লগে তুলসীৰ তলত বহি ঘৰৰ সকলোৱে মিলি নাম গায়। আগতে আইতাহঁতৰ লগত বহি গোৱা এতিয়াও মনত পৰে—

"তুলসীৰ তলে তলে মৃগ পহু চৰে।
তাকে দেখি ৰামচন্দ্ৰই শৰ-ধনু ধৰে।।"

তেতিয়া ই মনত অনাবিল আনন্দ যোগাইছিল যদিও এতিয়া চন্দ্ৰ অভিযানৰ পিছৰ পৰা ই নিজ গুণে নিশ্চুপ হ'ল। এতিয়া অন্য নাম, কীৰ্ত্তনপাঠ, নামপ্ৰসঙ্গ আদি ঠায়ে ঠায়ে কৰা দেখা যায়। তাৰ পিছত মুকলি আকাশৰ তলত বহি মাহ প্ৰসাদ খাই হাঁহি স্ফূৰ্তি কৰা হয়। মৰম চেনেহ আৰু সৌহাৰ্দ্যৰ চিন স্বৰূপে ইঘৰে সিঘৰক প্ৰসাদ বিতৰণ কৰা পৰম্পৰা অতীতৰ পৰাই আজিও চলি আছে। বয়োজ্যেষ্ঠজনক সেৱা জনোৱাৰ লগে লগে আপোনজন আৰু বন্ধু বান্ধৱক বিহুৰ ওলগ জনোৱা হয়। আজিৰ গুৱাহাটীত বাকী পৰম্পৰা কিছু পৰিমাণে কমিলেও তুলসী পুলি ৰোৱা, নৈৱেদ্য-প্ৰদীপেৰে তুলসীক অৰ্চনা কৰা পৰম্পৰা প্ৰায় সকলোৰে ঘৰে ঘৰে দেখা যায়। পৰস্পৰৰ প্ৰীতি কামনাৰে ইঘৰে সিঘৰে প্ৰসাদ অনা-নিয়া কৰা এতিয়াও দেখা যায়। পিঠা-পনা, জা-জলপানৰ ব্যৱস্থা অৱশ্যে গুৱাহাটী মহানগৰীৰ ঠাই বিশেষে বেলেগ বেলেগ। যিহেতু উজনীত কঙালী হ'লেও এই বিহুতো লাড়ু, পিঠা, দৈ-জলপানৰো যোগাৰ কৰে; সেয়েহে যি চুবুৰীত উজনীৰ মানুহ সৰহকৈ আছে সেই অঞ্চলত পিঠা-পনাৰ পয়োভৰ দেখা যায়। কিছুমান ঠাইত আকৌ মগু-বুটৰ প্ৰসাদেৰেই কাতিবিহু সমাপন কৰা হয়। অতীজতো গুৱাহাটীৰ কোনো কোনো ঘৰত জা-জলপান, পিঠা-পনাৰ ব্যৱস্থা সুন্দৰকৈ আছিল বুলি আইতা, মাহঁতৰ মুখে শুনিছিলো।

কাতিবিহুৰ আন এটা উল্লেখযোগ্য চিৰন্তন প্ৰথা হৈছে আকাশবন্তি প্ৰজ্বলন। পুৰণি গুৱাহাটীত এইটো এটা ধৰা-বন্ধা নিয়মৰ দৰেই আছিল। অতিশয় উৎসাহ উদ্দীপনাৰে গুৱাহাটীবাসী ৰাইজে আকাশবন্তি লগাইছিল। এডাল অতি দীঘল বাঁহত ৰচি লগাই এটা আইনাৰ বাকচত মাটিৰ চাকিগছি জ্বলাই জৰীৰ সহায়ত (পতাকা উত্তোলন কৰাৰ নিচিনাকৈ) ওপৰলৈ তুলি দিছিল। যিমান ওখত দিব পাৰে ৰাইজৰ যেন সিমানেই আনন্দ। সকলোৱে চোতাল, বাৰাণ্ডালৈ ওলাই চাৰিওকাষৰ আকাশবন্তি চাই আপ্লুত হৈছিল। কণমানিহঁতৰ কাৰণে ই বৰ আমোদজনক কথা। সন্ধিয়া সময়ত তুলসীতলৰ বন্তি আৰু আকাশবন্তি গোটেই কাতিমাহ জুৰি জ্বলাই লখিমীক আদৰি পোহৰেৰে 'সেউজী ধৰণী ধুনীয়া' কৰি তোলে। আজিও কোনো কোনো ঠাইত আকাশবন্তি আৰু প্ৰায় প্ৰতিঘৰতেই তুলসী তলৰ প্ৰদীপ দেখিলে ভাব হয় আমি যেন হেৰাই যাব খোজা কাতিবিহুটিক

সঙ্গোপনে লুকাই লুকাই আড়ম্বৰবিহীনভাৱে হ'লেও পালন কৰি আছো। সময়ৰ লগে লগে ভেটিৰ তুলসী পুলিটি কোনো কোনো ঠাইত 'টাব' পাইছেহি যদিও আজিও তুলসী ৰোপণত ব্যাঘাত জন্মা নাই। বহুতে আকাশবন্তিৰে ইষ্ট-দেৱতাক প্ৰণিপাত জনাই বুলিও কয়। মুঠতে আকাশবন্তিৰ পোহৰে গৃহস্থৰ মন ভক্তিত গদ্‌গদ্ কৰে।

কাতিমাহ, মাঘমাহ দুয়োটা মাহেই হিন্দুসকলৰ বাবে ধৰ্মৰ মাহ। পুৰণি শাস্ত্ৰত আকাশবন্তি প্ৰদান তথা কাতি মাহৰ দীপ প্ৰদান মন্ত্ৰ পোৱা যায়। সেইযা এনেধৰণৰ—

"দামোদৰায নভসি তুলায়াং লোলয়া সহ।
প্ৰদীপং তে প্ৰযচ্ছামি নমহনন্তায বেধসে।।"
(আকাশবন্তি, প্ৰদান)
শাস্ত্ৰকাৰসকলৰ মতে দীপ-প্ৰদান মন্ত্ৰ এনেধৰণৰ
"বিষ্ণুৰেম্মনি যো দদ্যাৎ কাৰ্ত্তিকঃ মাসি দীপকং।
অগ্নিষ্টোম সহস্যস্য ফলং প্ৰপ্নোতি মানবঃ।।
উচ্চৈ প্ৰদীপমাকাশে যো দদ্যাৎ কাৰ্ত্তিক নৰঃ।
সৰ্ব্বং কুলং সমদ্ধৃতে বিষ্ণুলোকম বাপ্নুযাৎ।।

আজিৰ প্ৰযুক্তি বিজ্ঞানৰ যুগতো কাতিবিহুৰ তুলসী ৰোপণ বিজ্ঞান সন্মত। কাৰণ ই বায়ু প্ৰদূষণমুক্ত কৰি আমাক নিৰ্মল বায়ু সেৱনত অৰিহণা যোগায়। তদুপৰি তুলসী পাতৰ ঔষধি গুণো সৰ্বজন স্বীকৃত। ই নানা বেমাৰ আজাৰৰ মহৌষধিৰূপে কাম কৰে। এই সকলোবোৰ কথা চালি-জাৰি চাই আমি ক'ব পাৰো যে অনাড়ম্বৰভাৱে হ'লেও আজিও ভক্তিভাৱেৰেই আমি এই কাতিবিহু পালন কৰি আছো।

❖❖❖

লীলাধৰ হাজৰিকা

জন্ম ঃ ১৯৫৫ চন। গুৱাহাটীৰ পদুমবৰী।

শিক্ষা ঃ স্নাতকোত্তৰ।

কৰ্মজীৱন ঃ গোটানগৰ নামবাৰী হাইস্কুলত শিক্ষকতা আৰম্ভ কৰি বৰ্তমান গুৱাহাটী বিশ্ববিদ্যালয় আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক।

সাহিত্য কৃতি আৰু সাংস্কৃতিক জীৱন ঃ প্ৰকাশিত কাব্য গ্ৰন্থ (৩), শিশু উপন্যাস(১), নাটক (৬), আলোচনীৰ সম্পাদনা (৩); সহ সম্পাদনা (৫), আকাশবাণীৰ বিভিন্ন অনুষ্ঠানত অংশ গ্ৰহণকাৰী, আলেখ্য (১৫), বিভিন্ন কাকত আলোচনীত ৬শত (৬০০) কৈও অধিক প্ৰবন্ধ প্ৰকাশ, বিভিন্ন আলোচনাচক্ৰৰ আলোচক আৰু সঞ্চালক, ভালেকেইটা গৱেষণামূলক লেখনি প্ৰকাশ, অভিনেতা, শিল্পী আৰু খেলুৱৈ হিচাপে সু-পৰিচিত।

ৰাজহুৱা জীৱন ঃ সাংবাদিকতা আৰু স্থানীয়ভাৱে বিভিন্ন সামাজিক, সাংস্কৃতিক আৰু শৈক্ষিক অনুষ্ঠানৰ সৈতে নিবিড়ভাৱে জড়িত।

কামৰূপ জিলাত কাতিবিহু

'বিহু' বুলি ক'লে বৰ্তমান সময়ত ৰঙালীবিহু আৰু ভোগালীবিহুৰ হে কথা মনলৈ আহে। কঙালীবিহু বা কাতিবিহুৰ কথা সতকাই মনলৈ নাহেই। কাতিবিহুৰ আনুষঙ্গিক অনুষ্ঠানসমূহৰ ভিতৰত পথাৰত ধান চোৱা, তুলসী পুলি ৰোৱা, পথাৰত চাকি-বন্তি জ্বলোৱা, কলপুলি ৰোৱা, আৰু অন্যান্য লোকাচাৰ বৰ্তমান সময়তো প্ৰচলিত হৈ আছে। "গছক পবিত্ৰ বুলি দেৱত্ব আৰোপ কৰা পৰম্পৰাটো ভাৰতৰ অনেক জাতিৰ ভিতৰতে দেখা যায়। অসমৰ সিজু গছক পবিত্ৰ বুলি ভবাটো ভালে কেইটা জনজাতিৰ মাজতো দেখা যায়। আহোমসকলে আকৌ বড়গছকহে পবিত্ৰ বুলি ভাবিছিল। জাক জমকীয়া ধৰ্মীয় অনুষ্ঠানত আওবড়

বাটবড় ৰোৱাটো ৰজাৰ একান্ত কৰ্তব্য।"[১] তুলসী গছ হিন্দুসকলৰ পবিত্ৰ বৃক্ষ। তুলসী পূজাৰ পৰা লক্ষ্মী লাভ হয়। বিভিন্নজনৰ ভিন ভিন মত তুলসী সম্পৰ্কে। পদ্মপুৰাণৰ মতে বিষ্ণুভক্তা বৃন্দা বিষ্ণুৰ বৰত তুলসী হৈ জন্ম লাভ কৰিছিল। ব্ৰহ্মবৈবৰ্ত পুৰাণৰ মতে তুলসী কৃষ্ণপ্ৰিয়া ৰাধিকাৰ সহচৰী। বিষ্ণুৰ বৰ মতে তুলসীৰ কেশৰ পৰাই লক্ষ্মীসদৃশ তুলসী গছৰ জন্ম।

শৰৎকালীন প্ৰকৃতিৰ বুকুত কঙালীবিহু বা কাতিবিহুৰ অনুষ্ঠান পতা হয়। বিহু কৃষি উৎসব। কৃষিৰ লগত ওতপ্ৰোত সম্পৰ্ক আছে আটাইকেইটা বিহুৰে। বহাগত আৰম্ভ কৰা কৃষিকৰ্মৰ প্ৰায় আধা আধি আহিনত ওৰ পৰে। পথাৰত বাঢি অহা লখিমীয়ে যাতে পোক-পৰুৱা আদি অনিষ্টকাৰী শত্ৰুৰ পৰা ৰক্ষা পৰি নদন-বদন হৈ পৰে তাৰ বাবেই আহিন-কাতিৰ দোমাহীৰ দিনা সন্ধিয়া চাকি-বন্তি, ধূপ-ধূনা নৈবেদ্য আদিৰে তুলসীৰ গুৰি, ঘৰবাৰী, পথাৰ-সমাৰত বন্দনা কৰা হয়। এই বিহুৰ দিনাই কাতিযান শালি ধানে থোৰ মেলে বুলি এটি জনবিশ্বাস আছে।[২] অভাৱ অনাটনৰ মাজতেই এই বিহু উদ্‌যাপিত হয বাবেই ইযাৰ নাম কঙালীবিহু। কঙালীবিহুৰ আঁতিগুৰি বিচাৰ কৰিলে দেখা যায "বৈদিক যুগত অগ্নিন দেৱতাৰ সম্মানাৰ্থে কাতিবিহুৰ নিশা পূজা সেৱা যাগ-যজ্ঞৰ বিধান আছিল। ঐতৰেয ব্ৰাহ্মণ নামৰ বৈদিক গ্ৰন্থমতে অগ্নিন দেৱতাৰ পূজাৰ লগতে অতিৰাত্ৰ নামেৰে যজ্ঞ এটি সম্পন্ন হৈছিল। ধন-সম্পত্তি আৰু প্ৰজনন বৃদ্ধিৰ বাবে এই উৎসৱ পাতিছিল। অতিৰাত্ৰ যজ্ঞত নিশা জুইৰ চাৰিওপিনে ঘূৰি ঘূৰি সোমৰস পান কৰাৰ নিযম আছিল। পিছে আমাৰ কাতিবিহুত বৈদিক নিযমৰ ক্ষীণ স্মৃতি থাকিলেও, ইয়াৰ ধৰণ-কৰণ ভালেখিনি বেলেগ। পথাৰৰ লখিমী যাতে নিৰ্বিঘ্নে বাঢিব পাৰে আৰু অপায অমঙ্গল দূৰ হয, তাৰ কাৰণে শহ-মাহৰ গুৰিত চাকি নৈৱেদ্য দিয়া হয়।[৩]

'কামৰূপ জিলাত কাতিবিহু' শীৰ্ষক নিবন্ধত আমি অবিভক্ত কামৰূপ জিলাৰ পৰিবৰ্তে বৰ্তমানৰ কামৰূপ জিলাই আগুৰি থকা ভৌগোলিক পৰিসীমাৰ ঠাইসমূহত উদ্‌যাপিত কাতিবিহুৰ আচাৰ-অনুষ্ঠান, লৌকিক পৰম্পৰা আদিৰ বিষযে আলোচনা কৰিবলৈ যত্ন কৰিম।

কামৰূপ জিলাখন ব্ৰহ্মপুত্ৰ নদীৰ দুয়োপাৰ সামৰি আছে। অসমৰ প্ৰধান নগৰ গুৱাহাটীও কামৰূপ জিলাৰ অন্তৰ্ভুক্ত।

কামৰূপ জিলাখনৰ পূবত আছে মৰিগাঁও আৰু দৰং জিলা। পশ্চিমত আছে গোৱালপাৰা আৰু নলবাৰী জিলা। উত্তৰত আছে ভূটান, নলবাৰী আৰু বৰপেটা জিলা আৰু দক্ষিণত আছে মেঘালয়। জিলাখনৰ জনসাধাৰণৰ জীৱন-ধাৰণৰ পদ্ধতি মহানগৰীয়া, জীৱন ধাৰণৰ পদ্ধতি আৰু গ্ৰাম্য জীৱন-যাপন দুয়োটাই আৱৰি

আছে। সেইবাবে কাতিবিহুৰ আচাৰ-অনুষ্ঠান অথবা উৎসৱ উদ্‌যাপনৰ নিয়ম ঠাই বিশেষে ভিন ভিন হোৱা দেখা যায়।

কাতিবিহুৰ বাবে জনসাধাৰণৰ উখল-মাখল বিশেষ হোৱা দেখা নাযায়। বিহুৰ দিনা ঘৰ দুৱাৰ মচি গৃহিণীয়ে পৰিবেশটো সজীৱ কৰি ৰাখে। গৃহস্থই ৰাতিপুৱা পথাৰলৈ গৈ খেতিডৰা চাই অহাটো নিয়ম। নাচালে লখিমী অসন্তুষ্ট হয়। সন্ধিয়া ধানৰ পথাৰত, মাহতলীৰ সমুখত, বাৰীৰ শাক-পাচলিৰ কাষত, গোহালিঘৰত, ৰান্ধনিঘৰত, থকা ঘৰত, ভঁৰাল ঘৰত, কুঁৱাৰ পাৰত, গছৰ গুৰিত, পদূলি মুৰত, চাকি-বন্তি নৈবেদ্য দিয়াৰ উপৰিও চোতালত কলপুলি পুতি, গুৰিত এজোপা তুলসী পুতি আকাশবন্তি জ্বলোৱা হয়। আকাশবন্তি দীঘল বাঁহ পুতি ৰঙা নীলা কাগজেৰে ছোঁ বনাই গোটেই কাতিমাহটো জ্বলোৱা হয়। গাঁও ভুঁই অঞ্চলত বৰ্তমানেও "আহিনৰ মাহতে শান্তি তুলসীৰ গোৰে চাতি/ বিধবা ব্ৰাহ্মণী পূজে হাতে লৈয়া বাতি" এই গীত ফাকি প্ৰচলিত।

সন্ধিয়া তুলসীৰ গুৰিত দিয়া নৈবেদ্যখন খাবলৈ জাকে জাকে ল'ৰা-ছোৱালী আহে। কলগছৰ গুৰিত তুলসী পুতি চোতালত কৰা এই অনুষ্ঠান এনে গীত গোৱাটো বাধ্যতামূলক। কামৰূপৰ বিভিন্ন অঞ্চলত গোৱা গীতটো হৈছে

"ৰাম তুলসী এ আহিবি গধূলি বেলা
আলোৱা চাউল মুঠি মুঠি ৰাম তুলসীৰ মালা।
তুলসীৰ গোৰে গোৰে মৃগ পশু চৰে
তাকে মাৰিবাক লাগি ৰামে যতন কৰে।
ধূলাই লুতুৰ পুতুৰ হৰি
ধূলাই লুতুৰ পুতুৰ
ভকতিৰ মাজে মাজে
কৰে ঘুটুৰ মুটুৰ
আকৌ কিছুমানে গায়—
ৰামে ৰোৱে তুলসী
লক্ষ্মণে ঢালে পানী
স্নান গোবৰ দিয়া ধোৱে
সীতা ঠাকুৰাণী।

আহিন আৰু কাতিৰ দোমাহীৰ দিনাই অনুষ্ঠিত এই বিহুক কাতিবিহু বোলাৰ উপৰিও কামৰূপৰ কোনো কোনো অঞ্চলত ইয়াক "ৰাম তুলসী উৎসৱ"হে বোলে। কাতিবিহু বা কঙালীবিহুৰ আঁতি গুৰি বেদত উল্লিখিত অশ্বিন দেৱতাৰ পূজাৰ ক্ৰমবিকাশেই হওক (ঐতৰেয় ব্ৰাহ্মণ) নাইবা আৰ্য পদ্ধতিৰ ওপৰত

আৰ্যোত্তৰ আচাৰ ব্যৱহাৰৰ প্ৰভাৱৰ পৰিণতিয়েই হওক, এই বিহু যে কৃষি উৎসৱ তাত অকণো সন্দেহ নাই।[৪] সন্ধিয়া তুলসীৰ গুৰিত ল'ৰা-ছোৱালীবোৰে ঘূৰি ঘূৰি নাচি 'তুলসীৰ গোৰে' গোৱা গীতটিৰ কথাংশ ঠাই বিশেষে বেলেগ বেলেগ। কিছুমান ঠাইত গায়—

'তুলসী মৰি গ'ল
সৰি গ'ল পাত
হালবোৱা ভকতে আহি
ক'ৰ পৰা খাব ভাত?"

এই গীতগোৱা প্ৰথা আকৌ সকলো ঠাইতে নাই। তুলসী হিন্দুসকলৰ পূজাৰ পবিত্ৰ সামগ্ৰী। এই তুলসীৰ পাত নাৰায়ণ বা শালগ্ৰামৰ অতি প্ৰিয় পৰিধান। তুলসীক সাক্ষাৎ লক্ষ্মীৰ প্ৰতিৰূপ বুলি ভবা হয়। তুলসী অসমৰ জাতীয় জীৱনত পূজাই সেৱাই, দাৰুৱে দৰপণে (দৰৱ-জাতি) ভালেমান শুভ কামত ব্যৱহৃত হয়। তুলসীৰ পূজা বা তুলসীৰ বন্দনা স্বৰূপতে লক্ষ্মীৰ বন্দনা, লক্ষ্মীৰ অৰ্চনা। তুলসীৰ দ্ৰব্য গুণ আৰু ৰাসায়নিক প্ৰভাৱো অতি উল্লেখযোগ্য। তুলসী ৰাতি ছিঙিব নাপায়, বিধৱাই তুলসী ছিঙিব নাপায় আদি জনবিশ্বাসৰো তাৎপৰ্য আছে। তুলসীৰ গুৰিত চাকি বন্তি, নৈৱেদ্য উপাচাৰ আগবঢ়াই আকাশ বন্তিৰে আকাশ উজ্জ্বলোৱা আৰু খেতি পথাৰত চাকি জ্বলাই বিহুৰ সন্ধিয়া পৃথিবীৰ ৰূপ উজ্জ্বল কৰি তোলা দৃশ্যটোৱে জনসমাজত কাতিবিহু যে লখিমী আদৰাৰ পূৰ্বাভাস সেই কথাটোকেই সূচায়।[৫]

অসমীয়া সাহিত্যত কাতিবিহু সম্পৰ্কে বিশেষ চিন্তাচৰ্চা নোহোৱা যেন অনুমান হয়। কিয়নো অসমীয়া ভাষাৰ কেইবাখনো গ্ৰন্থত কাতিবিহু সম্পৰ্কে বিশেষ আলোচনা-বিলোচনা হোৱা দেখা নাই। বিশেষকৈ কামৰূপ প্ৰচলিত 'তুলসীৰ গোৰে গোৰে মৃগপহু চৰে' গীতটি সংকলিত হোৱা আমাৰ চকুত পৰা নাই। দুই এজন গৱেষকে নিবন্ধৰ মাজত গীতটিৰ কথা উল্লেখহে কৰিছে। লোকসংস্কৃতিৰ বিশিষ্ট পণ্ডিত ড° বিৰিঞ্চি কুমাৰ বৰুৱাই কাতিবিহু সম্পৰ্কে লিখিছে "আহিন-কাতিৰ সংক্ৰান্তিৰ দিনা কাতি বিহু। ইও কৃষি বা শস্য উৎসৱ আৰু খেতি-বাতিৰ মঙ্গলৰ কাৰণে এই বিহুত বিবিধ বিধি বিধান পালন কৰা হয়। সেইদিনা আলু কচু আৰু ভেঁট শেলেকু খোৱাৰ নিয়ম। এই দিনত তুলসীৰ তলত বন্তি লগাই নাম গায়, ভঁৰালৰ গুৰিত বন্তি জ্বলোৱা হয়। কামৰূপৰ কোনো কোনো অঞ্চলত বিশেষকৈ পশ্চিম বড়িগোগ মৌজাৰ দৈচপৰা গাঁৱত কুমাৰী ছোৱালীয়ে কাতিমাহত পদুলিত কলগছ পুতি তাৰ গুৰিত চাকি জ্বলাই কেইবাদিনো ধৰি শস্যবৃদ্ধিৰ অৰ্থে

জগন্নাথৰ নাম গায়। এই উৎসৱৰ কলপুলি উভালি নেপেলাই য'তে ৰোৱে ত'তে বাঢিবলৈ দিয়ে। সেই গছৰ প্ৰথম কলঠোক সবাহত লগোৱাৰ নিয়ম। কৃষি আৰু উৰ্বৰতাৰ উৎস স্বৰূপে কাতিবিহুৰ লগত ওৰাওসকলৰ 'কৰম-গাৰা' পূজাৰ সাদৃশ্য আছে বুলি ড° বৰুৱাই উল্লেখ কৰিছে।[৮] কাতিবিহু সম্পৰ্কে বিশিষ্ট পণ্ডিত গৱেষক ড° প্ৰফুল্ল দত্ত গোস্বামীয়ে অসমীয়া জনসাহিত্যতো বিশেষ আলোচনা কৰা নাই। তেখেতে বাৰমাহী গীতৰ কথাহে আলোচনা কৰিছে।[৯] কাতিবিহুৰ সময়তে কাতিপূজা বা কাৰ্ত্তিকপূজা অনুষ্ঠিত হয়। কামৰূপ জিলাৰ কোনো কোনো অংশত বিশেষকৈ (পশ্চিম কামৰূপ অঞ্চলত) এই পূজাৰ নামত গীত এটি প্ৰচলিত। পিছে এই গীতটো গোৱালপাৰা জিলাতহে প্ৰচলিত। "গোৱালপাৰা জিলাত প্ৰচলিত কাতি পূজাৰ গীত পচতিৰ সমধৰ্মী অনুষ্ঠান। কাৰ্ত্তিকৰ জন্ম উপলক্ষে অনুষ্ঠিত এই উৎসৱ স্ত্ৰী-সমাজত আবদ্ধ। এই অনুষ্ঠান সন্তান কামনাৰ সৈতে জড়িত। কাৰ্তিকক পুত্ৰ সন্তান আৰু কৃষিৰ অধিষ্ঠাতা বুলি ভবা হয়। সেই অনুসৰি কাতি পূজাৰ গীতৰ কাৰ্যসূচীত দুটা ভাগ থাকে— এটা ভাগত সন্তান জন্ম আৰু আনটো ভাগত কৃষিকৰ্মৰ উন্নতিৰ কামনা কৰা হয়। এই উৎসৱৰ লগত জড়িত থকা নাট্যধৰ্মী অনুষ্ঠানৰ লগত কামৰূপৰ "তুলসীৰ গোৰে গোৰে মৃগ পছু চৰে" নাট্যধৰ্মী অনুষ্ঠান পৰিবেশিত হয়। এই অনুষ্ঠানক নাম ভাওনা বোলা হয়। কামৰূপ জিলাৰ উত্তৰ গুৱাহাটী অঞ্চলত এনে পৰম্পৰাৰ প্ৰচলন আছে বুলি ড° শৈলেন ভৰালীয়ে উল্লেখ কৰিছে। মন কৰিবলগীয়া যে কামৰূপৰ কাতিবিহু আৰু গোৱালপাৰা অঞ্চলৰ কাতিবিহুৰ মাজৰ আনুষ্ঠানিকতা কিন্তু ভিন ভিন হোৱা দেখা যায়। ড° নিৰ্মলপ্ৰভা বৰদলৈয়ে 'অসমৰ লোক সংস্কৃতি' গ্ৰন্থত কাতিবিহুত যে কিছুমানে কেঁচা পিঠাগুড়ি পানীৰে সানি লৈ বাঁহৰ চালনীত ঘঁহাই ঘঁহাই উতলা পানীত দি পিঠা তৈয়াৰ কৰা হয় সেই কথা উল্লেখ কৰিছে। কাতিমাহত পথাৰ সেউজীয়া শোভাৰে উপচি পৰে। কাতিবিহুৰ দিনা ন শস্যৰ অঙ্কুৰেৰে ফলৱতী এই পথাৰ চাবলৈ যোৱা অসমীয়া কৃষকৰ অপৰিহাৰ্য নিয়ম। এই সংক্ৰান্তিত লখিমী আগমনৰ সূচনা কৰি উদং ভঁৰালৰ আগতো চাকি বন্তি নৈবেদ্য আগবঢাই পথাৰতো এগছি বন্তি দিয়াৰ নিয়ম।[৮]

কাতিবিহুৰ লগত তুলসী আৰু কলগছ নিবিড়ভাৱে জড়িত। তুলসীক গোবিন্দৰ প্ৰিয়া বোলা হয়। তুলসীৰ গুৰিত হেনো কৃষ্ণ গোসাঁই থাকে। তুলসী নহ'লে বিষ্ণু পূজা নহয়। সেই কাৰণে হিন্দুৱে তুলসীক অতি পবিত্ৰ জ্ঞান কৰে। অসমীয়া জনকবিয়ে তুলসীৰ গুৰিত গোৱাৰ উদ্দেশ্য ৰচনা কৰা গীত কেইটা হ'ল—

১ "তুলসীৰ গোৰে গোৰে মৃগ পছু চৰে
তাকে মাৰিবাক লাগি ৰামে যতন কৰে।"

"ৰাম গৈলা মৃগ মাৰিবা লক্ষ্মণ গৈলা লৰি।
লঙ্কাৰ ৰাৱণে পাই সীতাক নিলা হৰি।।
মৰি গেল তুলসী সৰি গেল পাত।
গুৰ্খা চলি নাম ধৰে উঠে জাত জাত।।
ৰামে ৰুৱা তুলসী লক্ষ্মণে ঢালে পানী
চান গোবৰ দিয়া আসে সীতা গোসাঁনী।।

২ এক কাল তুলসী এ নাযাযো ছাড়িয়া
দেউ কাষ পিতৃ কাম বৈব পৰিয়া কাল তুলসী এ।।

৩ এ কাল তুলসী এ চিৰলীয়া পাত
বেহে আহিলো যাই 'মথুৰাৰ হাট' কাল তুলসী এ।।

৪ "তুলসীৰ গুৰি গুৰি কুনজন ঘূৰে
হাতত ছাটি লৈ লক্ষ্মী আই ঘূৰে।।
হাতত কৰণ্ডী লৈ লক্ষ্মী আই ঘূৰে
হাতত ঠগী লৈ লক্ষ্মী আই ঘূৰে।।
ঠাইখেনি মুছাকাছা ফুল মহ্ মহ্ কৰে
তাতে বহি লক্ষ্মী আই শ্ৰৱণ কীৰ্ত্তন কৰে।
তুলসীৰ ফুল হৰি তুলসীৰ ফুল
লক্ষ্মী আই ঘৰক আইছি কুনে পাৰে মূল।।
তুলসীৰ পাত হৰি তুলসীৰ পাত
লক্ষ্মী আই ঘৰক আইছি কুনে পাৰে মাত,
তুলসীৰ শিপা হৰি তুলসীৰ শিপা
লক্ষ্মী আহি ঘৰক আইছি কুনে পাৰে দেখা।
লক্ষ্মী আই লক্ষ্মী আই নধৰিবা দোষ
তুমাৰ নামে চাতি দিছু মনত সন্তোষ।।
তুমাৰ নামে ঠগী দিছু মনত সন্তোষ।।

ওপৰত উল্লেখ কৰা গীত কেইটি ড° হেমন্ত কুমাৰ শৰ্মাৰ দ্বাৰা সম্পাদিত আৰু সংগৃহীত। 'অসমীয়া লোকগীতি সঞ্চয়ন' নামৰ পুথিৰ পৰা তুলি দিয়া হৈছে।[১০] কামৰূপ অঞ্চলত এই গীতকেইটা বৰ্তমানেও প্ৰচলিত। কামৰূপৰ দক্ষিণ অঞ্চলতো তুলসীক লৈ গোৱা গীত আছে। পলাশবাৰী, মিৰ্জা, মাজিৰগাঁও অঞ্চলত প্ৰচলিত তেনে এটি গীত হৈছে—

"অ' তুলসীৰ গৰে গৰে মিৰ্কা পহু ঘূৰে
তাহাক মাৰিবা লাগি ৰামে যতন কৰে।

তুলসী মৰি গ'ল
পাতো সৰি গ'ল
ভকতে গাথিলা মালা
সেই মালা হৈ ৰ'স সৰগৰ তাৰা।
ধূলাত লুতুৰ পুতুৰ হৰি ধূলাত লুতুৰ পুতুৰ
ভকতৰ পাছে পাছে ঘূৰে ঘুতুৰ মুতুৰ।"[১১]

কামৰূপৰ অন্যান্য অঞ্চলৰ দৰে "দক্ষিণ কামৰূপতো কাতিৰ সংক্ৰান্তিত শস্যৰ সদ্‌গতি কামনাৰে ধাননি আৰু অন্যান্য লাগনি গছৰ গুৰিত চাকি-বন্তি জ্বলাই আৰু চোতালত কলপুলি পুতি, তুলসী গছ ৰুই মাহ প্ৰসাদ আগবঢ়োৱা হয়। এমাহ জুৰি আকাশবন্তি জ্বলোৱা হয়। গাঁৱে-গাঁৱে, চুবুৰীয়ে-চুবুৰীয়ে, সংগঠন অনুসৰি ৰাইজ সমবেত হৈ ঘৰে ঘৰে গৈ প্ৰসাদ ভগাই খায়। পৰস্পৰে পৰস্পৰৰ ঘৰলৈ গৈ মিলাপ্ৰীতিৰ সম্বন্ধ গঢ়ে।

ঠাই বিশেষে প্ৰসাদ ভঙা গীত হিচাপে "তুলসীৰ গৰে গৰে" গীত গাই কঙালীৰ পৰিবেশ বৰং আনন্দমুখৰ কৰিহে তোলে।[১২] আমি আগতেই উল্লেখ কৰিছো কাতিবিহু সম্পৰ্কে বা এই বিহুৰ পৰম্পৰা আৰু প্ৰচলিত লোকাচাৰ আৰু গীতপদ সম্পৰ্কে বৰ্তমানেও বহুল প্ৰচাৰ হোৱা নাই। উদাহৰণ স্বৰূপে ড° লীলা গগৈৰ "অসমীযা লোক সাহিত্যৰ ৰূপৰেখা[১৩] শশী শৰ্মাৰ 'অসমৰ লোকসাহিত্য',[১৪] অতুল চন্দ্ৰ বৰুৱাৰ 'অসমীযা লোক সাহিত্য',[১৫] ড° প্ৰফুল্ল দত্ত গোস্বামীৰ "বাৰমাহৰ তেৰ গীত" (সম্পাদিত গ্ৰন্থ)[১৬] হেম বুঢ়াগোহাঞিৰ "উজনিৰ লোক উছৱ",[১৭] হৰিপ্ৰসাদ নেওগ আৰু লীলা গগৈ সম্পাদিত "অসমীয়া সংস্কৃতি"[১৮] আদি গ্ৰন্থত কাতিবিহুৰ লোকাচাৰ আৰু গীত পদ সম্পৰ্কে বিশেষ উল্লেখ নাই।

কামৰূপ জিলাৰ ভিন ভিন ঠাইত কাতিবিহুৰ লোকাচাৰ সম্পৰ্কে ভিন ভিন মত দেখা যায়। আকাশবন্তিৰ ক্ষেত্ৰত বন্তি প্ৰজ্বলনৰ ঠাইখিনিত ঢাপ বান্ধি দি ঘটেৰে পবিত্ৰজল আনি মচা হয়। বাৰীৰ এডাল পোন সলসলীয়া বাঁহ আনি আকাশবন্তি দিয়াৰ আয়োজন চলে। কেতিয়াবা দুডাল আৰু কেতিয়াবা এডাল বাঁহ পুতি যিমান পাৰি ওচৰত জৰী ওলোমাই দিবৰ কাৰণে যুৱলীৰ দৰে যতন লগোৱা হয়। জৰী ডালৰ মূৰত এটি আটোম টোকাৰিকৈ সজোৱা কুঁকি বান্ধি দিয়া হয়। এই কুঁকিৰ চাৰিওপিনে ৰঙীন কাপোৰ বা কাগজেৰে বেৰ দিয়া হয়। কাতিবিহুৰ দিনা দহ, এশ বা এশ আঠডাল শলিতাৰ চাকি দিয়াৰ নিয়ম আছে।[১৯] কঙালী বিহুৰ এই লোকাচাৰবোৰত আদিম, লৌকিক, আৰ্য আৰু আৰ্যেতৰ প্ৰভাৱৰ সমাহাৰ হৈছে। বাঁহ গছ পোঁতা, বাঁহৰ কুঁকি সজা আদিত বাঁহ পূজাৰ চিন ফুটি উঠিছে। আকৌ বাঁহ পূজা আৰু বাঁহৰ পবিত্ৰ ব্যৱহাৰে বংশ বৃদ্ধিৰ পৰিচয় দিয়ে।

ই তিব্বতবৰ্মীৰ দান। এই পূজাক (বাঁহ পূজা আৰু তুলসী পূজা) আদিম বোলাৰ কাৰণ এয়ে যে ইয়াৰ প্ৰচলন ইতিহাসৰ অজানিত কালৰ পৰাই চলি আহিছে। আদিম আৰু থলুৱা আচাৰ-বিচাৰ ৰীতি-নীতিৰ তাৰতম্য এই অনুষ্ঠানত পৰিলক্ষিত হয়।[২০] উদাহৰণ স্বৰূপে কামৰূপ জিলাৰ উত্তৰ পাৰ আৰু দক্ষিণ পাৰত এই বিহুৰ আচাৰ ৰীতি বেলেগ বেলেগ। "কামৰূপ জিলাৰ পুঠিমাৰী অঞ্চলত কাতিবিহুৰ ৰাতিপুৱা পথাৰ চাবলৈ যোৱাটো বাধ্যতামূলক। এই বিহুৰ দিনা চেং মাছ এটা খোৱাৰ নিয়ম। নাখালে গোটেই মাহটো চেং যাব। কাতিমহীয়া নাম গোৱাটোও এটা পৰম্পৰা। আকৌ সন্ধিয়া তুলসীৰ গুৰিত দিয়া শৰাইত গছৰ কেঁচা তামোল পাৰি দিব লাগিব। কেঁচা তামোল হেনো সেইদিনাৰ পৰাহে শুদ্ধি হয়। সন্ধিয়া পথাৰৰ মাজত চাকিৰ সৈতে আগবঢাই দিয়া নৈবেদ্যখন গৰখীয়া ডেকাই গৈ মনে মনে খাই অহাটোও যেন এক পৰম্পৰা। কাতিমহীযা নাম ধৰাটো অপৰিহাৰ্য।[২১]

কাঁতিবিহুৰ পিছদিনা খেতিযকসকলে ধাননি চাবলৈ যায, জনবিশ্বাস— আগদিনা দিয়া চাকিৰ পোহৰত লখিমী সন্তুষ্ট হৈ ধানবোৰ ফুলাই তোলে। আহিন কাতিমাহৰ দোমাহীৰ দিনা আগতীযা শালিধানে থোৰ মেলে বুলি জনবিশ্বাস থকা এটি গীত হৈছে—

> "কাতিৰ মাহতে শান্তি কাতিযান ধানৰ থোৰ
> বাৰ মাহৰ তেৰ গীত গাইতে নাপাও ওৰ।।

কাতিবিহুৰ লগত জড়িত তুলসী আৰু আকাশবন্তিৰ গীত, নাম প্ৰসঙ্গ আৰু কাৰ্যকলাপ মন কৰিবলগীযা। এই লৌকিক গীতবোৰৰ ৰচক গাঁৱৰ অনাক্ষৰী ডেকা, বুঢ়া, জীযাৰী, বোৱাৰীসকল। নামপ্ৰসঙ্গও তেওঁলোকেই কৰে। নাৰী-পুৰুষ; ডেকা-বুঢ়া শিশু সকলোৱে তুলসী আৰু লখিমীৰ বন্দনা কৰে। এই গীতবোৰ পৰম্পৰাগতভাৱে মানুহৰ মুখে মুখে প্ৰচলিত হৈ আহিছে। এইবোৰৰ সংগ্ৰহৰ কাম বৰ্তমানেও পূৰামাত্ৰাই হোৱা নাই। তুলসীৰ গীতত ৰামসীতাৰ চৰিত্ৰ কাহিনী অৱতৰণা কৰাটো লৌকিক ৰুচি। ৰাম-সীতা, কৃষ্ণ-ৰুক্মিণী, হৰ-গৌৰী, উষা-অনিৰুদ্ধ, নাৰদ-হনুমান আদি চহা জনগণৰ চিৰ পৰিচিত চৰিত্ৰ, সেইবাবেই এই গীতবোৰত এনে চৰিত্ৰবোৰৰ প্ৰবেশ ঘটে।

গুৱাহাটী মহানগৰীৰ মাজ মজিয়াত ধানৰ পথাৰ সীমিত। গুৱাহাটীৰ বৰ্দ্ধিতকৰণৰ পৰিসীমাই স্পৰ্শ কৰিলেও কাতিবিহুৰ আনুষ্ঠানিকতা কিন্তু পূৰামাত্ৰাই আছে। পশ্চিম গুৱাহাটীৰ নিকটৱৰ্তী ধাৰাপুৰ, আজাৰা, গড়ল, বগুৰা, আগচিয়া, সদিলাপুৰ, মিৰ্জা, ৰাণী, বৰিহাট, ৰামপুৰ, কুকুৰমাৰা আদিত পৰম্পৰাগতভাৱে

বিহুৰ দিনা ঘৰ-দুৱাৰ চাফচিকুণ কৰা, চোতালত কলপুলি পোতা, তুলসী পোতা, আকাশবন্তি জ্বলোৱা, ধাননিত ইকৰাৰ ঘেৰ বনাই চাকি দিয়া আদি পৰম্পৰা বৰ্তমানেও প্ৰচলিত।[22] মন কৰিবলগীয়া কথা হ'ল কামৰূপ জিলাৰ কেইবা ঠাইতো অ জনজাতি গাঁও, জনজাতি গাঁৱৰ লগত সাঙোৰ খাই আছে। কোনো কোনো গাঁৱত আকৌ কাতিবিহুৰ পৰম্পৰাৰ কোনো প্ৰভাৱেই নাই। উদাহৰণ স্বৰূপে কামৰূপ জিলাৰ বকো অঞ্চলৰ পশ্চিমৰ জালুকবাৰী নামৰ গাঁও এখনত কাতিবিহুৰ তুলসী ৰোৱা, কলপুলি পোতা আদি পৰম্পৰা বিশেষ নাই। মন কৰিবলগীয়া কথাটো হ'ল কাতিৰ কঙালীৰ মাজতো গৃহিণীসকলে ধাৰ ধুপাৰ কৰি হ'লেও পিঠাগুৰি খুন্দি পিঠা খোৱাৰ নিয়ম বৰ্তমানেও প্ৰচলিত। অৱশ্যে আমি উল্লেখ কৰা জালুকবাৰী (বকো) গাঁওখনত জনজাতি আৰু অজনজাতি দুয়ো প্ৰকাৰৰ সমাজেই আছে। কাতিবিহুৰ আচাৰ ৰীতি জনজাতিসকলৰ মাজত নথকাৰ বাবেই এই অঞ্চলৰ অজনজাতিসকলৰ জীৱনতো এনে প্ৰভাৱ নপৰিল যেন লাগে।[23]

কাতিবিহুৰ লোকাচাৰ পৰম্পৰা গুৱাহাটীৰ পূব দিশত অৱস্থিত ডিমৰীয়া অঞ্চলতো প্ৰায় একে। "কাতিবিহুৰ দিনা কোনো ঠাইৰ এই অঞ্চলত কোনো কোনোৱে পথাৰত তিওৱা মাহ ছটিয়ায়। পথাৰত চাকি বন্তি দিয়াৰ সময়ত খেতিয়কসকলে প্ৰায়ে এই বুলি গায়—

"দেউল গ'ল দেউল গ'ল
বৰ ঘৰেদি নেউল গ'ল
লোকৰ ধান আউল বাউল
আমাৰ ধান মুখা (মলখু) চাউল।"

পথাৰত ইকৰা, অথবা কলৰ দোনাৰে ঘেৰ সাজি চাকি দিয়া হয়। পথাৰত মাটিৰ তিনিমুখীয়া চাকি দিয়াৰো নিয়ম আছে। পথাৰত চাকি দিবলৈ যোৱাজনে গা-পা তিওৱাই শুদ্ধ মনেৰে চাকি দিবলৈ যায়। চাকিৰ লগত কলৰ দোনাত মাহ-চাউলো দিয়ে। লগত উপকৰণ হিচাপে কল কুঁহিয়াৰৰ উপৰিও ৰবাব টেঙা থকাটো বাধ্যতামূলক। জনবিশ্বাস ৰবাব টেঙা সেইদিনাৰ পৰাহে শুচি হয়। আকৌ কাতিবিহুৰ দিনা নতুন তামোল ব্যৱহাৰ কৰাটো নিয়ম। কোনো কোনো ঠাইত ঔ টেঙাৰ বাকলিটো এৰুৱাই তাতো চাকি দিয়ে। কল দোনাও সুন্দৰভাৱে বনাই চাকি হিচাপে ব্যৱহাৰ কৰে। কাতিমহীয়া নাম গোৱাটো ডিমৰীয়া অঞ্চলতো প্ৰচলিত।[24]

কাতিমাহত আকাশবন্তি জ্বলোৱা কিছু সংখ্যক লোকে গোটেই মাহটোত মাছ মাংস নাখায়। প্ৰকৃততে চাবলৈ গ'লে দেখা যায় এই কাতি মাহটোত মাছৰ গাত

বিশেষকৈ বাকলি থকা কাৱৈ, খলিহনা, শাল, শল আদি মাছৰ মূৰটোত বেমাৰ লাগে। কাতিমাহৰ গোটেই মাহটোত ঘৰে ঘৰে যি নাম প্ৰসঙ্গ কৰা হয়, সেয়া লখিমী সন্তুষ্টিৰ নাম বুলিব পাৰি। কিয়নো এই মাহতে ধানে থোৰ মেলে, থোৰ মেলা ধানবোৰত যেন কোনো পোক-পৰুৱাই অনিষ্ট কৰিব নোৱাৰে সেই বাবে নাম কীৰ্ত্তনেৰে ইষ্টজনক প্ৰাৰ্থনা জনোৱা হয়। আঘোণ মাহ আহিলেই মেটমৰা ধানৰ ডাঙৰি আহি ভঁৰাল সোমাবহি এনে এক আনন্দৰ মধুৰ স্মৃতিয়েও জনগণৰ মন প্ৰাণ মতলীয়া কৰি তোলে। কাতিবিহুত ৰঙৰ বোল, ভোগৰ আহ্বান নাই, আছে অন্তৰৰ কাতৰ নিবেদন।

কামৰূপ জিলাৰ প্ৰতিটো অঞ্চললৈ গৈ সেই সেই ঠাইত প্ৰচলিত কাতিবিহুৰ লোকাচাৰ, পৰম্পৰাৰ বিষয়ে বুজ ল'বলৈ আমি নিজে সকলো ঠাইলৈ যাব পৰা নাই। সকলো ঠাইতে পদুলি, ঢেঁকীশাল, ভঁৰাল, কুঁৱাৰ পাৰ, থকা ঘৰ, লাগনি গছ, গোসাঁই ঘৰ, কলপুলি পুতি তুলসীৰ তলত চাকি আৰু নৈৱেদ্য দিয়া, ঠাইবিশেষে আকাশবন্তি জ্বলোৱা, কাতিমহীয়া নাম গোৱা, কেঁচা তামোল আৰু ৰবাব টেঙা শৰাইত দিয়া, চেং মাছ খোৱা, কোনো কোনোৱে দিনত ভাতপানী নাখাই জলপান খোৱা, ৰাতি নৈৱেদ্য ভঙাৰ পিছত একেলগে ভাতপানী খোৱা আদি পৰম্পৰা প্ৰচলিত। তুলসী আৰু আকাশবন্তিৰ সৈতে প্ৰচলিত কাতিবিহুৰ গীতপদবোৰ অঞ্চল বিশেষে ভিন ভিন। কাতিবিহুৰ "তুলসীৰ গোৰে গোৰে গোৱা গীতটোৰ সৈতে পৰিবেশ কলা শৈলীৰ সম্পৰ্ক থকা যেন বোধ হয়। এই গীত-পদবোৰ উদ্ধাৰ আৰু ইয়াৰ সংৰক্ষণ কৰাটো জাতিৰ বাবে দেশৰ বাবে এক অমূল্য সম্পদ। কাতিবিহু সম্পৰ্কে আৰু অধিক চিন্তা চৰ্চা হোৱাটো উচিত। ভোগালীবিহুৰ পৰম্পৰা অথবা ৰঙালীবিহুৰ পৰম্পৰা, আচাৰ ৰীতি, গীত পদ, নৃত্যগীত সম্পৰ্কে হোৱা তুলনামূলক আলোচনাৰ দৰে কাতিবিহু অথবা কঙালীবিহুৰো তুলনামূলক আলোচনা হোৱা উচিত। তেতিয়াহে কাতিবিহুৰ আচাৰ ৰীতি আৰু পৰম্পৰাৰ মূল্যাংকন কৰা হ'ব। নহ'লে কালৰ গৰাহৰ কাতিবিহুৰ অস্তিত্ব লোপ পাব।

গ্ৰন্থপঞ্জী :

১ *গগৈ লীলা, বিহু এটি সমীক্ষণ, প্ৰথম প্ৰকাশ : ১৯৬৯ পৃঃ ১০*

২ *ভট্টাচাৰ্য, ড০ প্ৰমোদ চন্দ্ৰ— অসমৰ লোক উৎসৱ, দ্বিতীয় সংস্কৰণ, : ১৯৯১ পৃঃ ৯*

৩ *ভট্টাচাৰ্য, ড০ প্ৰমোদ চন্দ্ৰ— অসমৰ লোক উৎসৱ, দ্বিতীয় সংস্কৰণ, : ১৯৯১ পৃঃ ৯*

৪ *ভট্টাচাৰ্য, ড০ প্ৰমোদ চন্দ্ৰ— অসমৰ লোক উৎসৱ, দ্বিতীয় সংস্কৰণ, : ১৯৯১*

পৃঃ ৫৭
৫. ভট্টাচাৰ্য, ড০ প্ৰমোদ চন্দ্ৰ— অসমৰ লোক উৎসৱ, দ্বিতীয় সংস্কৰণ, : ১৯৯১
পৃঃ ৫৭
৬ বৰুৱা, ড০ বিৰিঞ্চি কুমাৰ— অসমৰ লোকসংস্কৃতি, দ্বিতীয় প্ৰকাশ— ১৯৮৫ চন, পৃঃ১৮৩ আৰু ১৮৪
৭ গোস্বামী, ড০ প্ৰফুল্ল দত্ত— অসমীয়া জনসাহিত্য, চতুৰ্থ সংস্কৰণ, — ১৯৮৬ চন,
৮ ভৰালী, ড০ শৈলেন, অসমীয়া লোকনাট্য পৰম্পৰা — ১৯৮৪ চন, পৃঃ৫৭-৫৯
৯ বৰদলৈ, ড০ নিৰ্মলপ্ৰভা, অসমৰ লোকসংস্কৃতি, দ্বিতীয় প্ৰকাশ — ১৯৮৩ চন, পৃঃ৩০
১০ শৰ্মা, ড০ হেমন্ত কুমাৰ— অসমীয়া লোকগীতি সঞ্চয়ন ৩য় সংস্কৰণ — ১৯৯৮, পৃঃ১০৫-১০৭
১১ সংবাদ শ্ৰীহৰিকান্ত বৈশ্য এম, এ, বি এড, বি, এচ, চি, বয়স ৫৯ বছৰ মাজিৰগাঁও
১২ মজুমদাৰ, সূৰ্য কুমাৰ — দক্ষিণ কামৰূপৰ লোক উৎসৱ (প্ৰবন্ধ)
১৩ মূল গ্ৰন্থঃ— দক্ষিণ কামৰূপৰ লোক সংস্কৃতি, পলাশবাৰী সাহিত্য সভা প্ৰথম খণ্ড, — ১৯৮৮চন,
১৩ গগৈ, লীলা— অসমীয়া লোকসাহিত্যৰ ৰূপৰেখা ৪ৰ্থ প্ৰকাশ — ১৯৯২
১৪ শৰ্মা, শশী— অসমৰ লোকসাহিত্য, প্ৰথম প্ৰকাশ ১৯৯৩
১৫ বৰুৱা, অতুল চন্দ্ৰ— অসমীয়া, লোকসাহিত্য, ১৯৮৪
১৬ গোস্বামী, ড০ প্ৰফুল্ল দত্ত (সম্পা)— বাৰ মাহৰ তেৰগীত, ১৯৭১
১৭ বুঢ়া-গোহাঞি, হেম— উজনিৰ লোক উছৱ, ১৯৯৩
১৮ নেওগ হৰি প্ৰসাদ আৰু গগৈ লীলা —অসমীয়া সংস্কৃতি ১৯৭৫
১৯ ভট্টাচাৰ্য, ড০ প্ৰমোদ— অসমৰ লোকউৎসৱ, ১৯৯১ পৃঃ৫৮-৫৯
২০ ভট্টাচাৰ্য, প্ৰমোদ— অসমৰ লোকউৎসৱ
২১ সংবাদ—ধৈৰ্যৰাম ডেকা, এম, এ, পুঠিমাৰী, গুইয়া, বয়স —৩৫ বছৰ
২২ সংবাদ—শ্ৰীদীনেশ কাকতি, ধাৰাপুৰ, বয়স —৫৫ বছৰ
২৩ সংবাদ—শ্ৰীঅৰ্জুন কৈবৰ্ত্ত, এম, এছ, চি, বি, এড, (জালুকবাৰী বকো)
২৪ সংবাদ—শ্ৰীৰমেন শৰ্মা, বি, এ, বি, এড, বয়স —৪৭ বছৰ, সোণাপুৰ।

❖❖❖

ড° পৰাগ কুমাৰ ভট্টাচাৰ্য

জন্ম ঃ ১৯৫০ চন।

শিক্ষা ঃ স্নাতকোত্তৰ।

কৰ্মজীৱন ঃ পাণ্ডু মহাবিদ্যালযৰ অধ্যাপক।

সাহিত্য কৃতি আৰু সাংস্কৃতিক জীৱন ঃ গল্প, উপন্যাস, কবিতা, গীত আৰু সাহিত্য সমালোচনা, অনুবাদ, জীৱনী গ্ৰন্থকে ধৰি প্ৰায় ৪৫খন গ্ৰন্থৰ ৰচক। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ গীতিকাৰ।

ৰাজহুৱা জীৱন ঃ বিভিন্ন ৰাজহুৱা কৰ্ম আৰু সাহিত্য অনুষ্ঠানৰ লগত জড়িত হোৱাৰ উপৰিও সাহিত্য একাডেমীৰ প্ৰাক্তন সদস্য।

নলবাৰীৰ কাতিবিহু

বিহু অসমীয়া সংস্কৃতিৰ লগত জড়িত এক অনুষ্ঠান। এই বিহুৰ তিনিটা ৰূপ বৰ্তমান। সেইবোৰ হ'ল ৰঙালীবিহু, কঙালীবিহু আৰু ভোগালীবিহু। সাধাৰণতে ৰঙালীবিহুৱে কামৰূপ অঞ্চলত বিশেষ প্ৰভাৱ বিস্তাৰ কৰিব পৰা নাছিল আৰু সেইবাবে নলবাৰী অঞ্চলতো ইয়াৰ প্ৰসাৰ আছিল সীমিত। সাম্প্ৰতিক কালত এই বিহুৱে সাৰ্বজনীনতা লাভ কৰিছে আৰু নৃত্য গীতৰ অনুষ্ঠান সম্বলিত হৈ নলবাৰী অঞ্চলতো ই জাতি ধৰ্ম বৰ্ণ নিৰ্বিশেষে পালিত হৈছে। অৱশ্যে ইয়াৰ ধৰ্মীয় ৰূপটোক এই অঞ্চলত সমাদৰ কৰা হৈছিল। গো পূজা, ঘৰত মহাদেৱৰ মন্ত্ৰ মাতি বিহুৱান পিন্ধোৱা আদি প্ৰথাৰ লগতে লোক বিশ্বাস মূলীয় নানা অনুষ্ঠানো পালন কৰা হৈছিল। ভোগালী বিহুৰ ক্ষেত্ৰতো অগ্নি পূজাৰ ওপৰত বিশেষ প্ৰাধান্য দি এই বিহু পালন কৰা হয়।

কঙালী বিহু নলবাৰী অঞ্চলত বিশেষ আনুষ্ঠানিকতাৰে পালন কৰা হয়। এই অনুষ্ঠানৰ ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ আদিতে স্থানীয ৰহণ আৰু ধৰ্মমূলকতা দুয়োটা উপাদানে ই সোমাই আছে। বিহু কৃষিৰ লগত জড়িত। কাতিবিহুত কৃষি উৎসৱেই। খেতিৰ সংৰক্ষণৰ কথাটো মুখ্যভাৱে ইযাত জড়িত হৈ আছে।

কাতিবিহুত পথাৰত চাকি জ্বলাই কৃষি-কৰ্মক কীট-পতঙ্গৰ পৰা ৰক্ষা কৰাৰ কথাটোকে ইঙ্গিত কৰা হৈছে। তদুপৰি আকাশবন্তিৰ তাৎপৰ্যও এই একেই বুলি ভাবিবৰ থল আছে। বিভিন্ন জনবিশ্বাস, আচাৰ ব্যৱহাৰ আদিৰে কৃষি উৎসৱ এই বিহু গঢ় লৈ উঠিছে তাৰেই কথা ড° নবীন চন্দ্ৰ শৰ্মাদেৱে এনেদৰে আঙুলিয়াইছে—

"অসমৰ বিহু উৎসৱত নানা সংস্কৃতিৰ আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি বিশ্বাস সংস্কাৰ সঞ্চিত হৈ ইয়াক সংস্কৃতিৰ শতদল ৰূপে বিকশিত কৰিছে। বাস্তৱিকতে বিহু উৎসৱ সমলয় সমাহাৰ আৰু সম্প্ৰীতিৰ প্ৰতীক।"

নলবাৰী অঞ্চলত পালিত হোৱা কাতিবিহুৰ ক্ষেত্ৰতো অনুৰূপ কথাই প্ৰযোজ্য। নলবাৰী অঞ্চলত ধৰ্মীয় আচাৰ-ব্যৱহাৰৰ গুৰুত্ব বেছি। প্ৰায়বোৰ লোক-অনুষ্ঠানত এই ধৰ্মীয় ৰহণৰ প্ৰলেপ দেখা যায়। কাতিবিহুতো এনে ধৰ্মীয় আচাৰৰ সমাবেশ ঘটিছে তুলসী তলত চাকি জ্বলোৱা প্ৰথাত। গধূলিতে যথেষ্ট ভক্তি সহকাৰে তুলসী গছ ৰুই তাত চাকি জ্বলোৱা নিয়ম। তাৰ পাছত দুডাল বাঁহত আকাশবন্তি দিয়াৰ কাৰণে সজুলি স্থাপন কৰা হয়। তাত চাকি জ্বলাই জৰীৰে সেই সজুলি ওপৰলৈ তুলি লৈ যোৱা হয়। এনেদৰে জৰীৰেই চাকি দিয়া সেই সাঁজুলি উঠোৱা আৰু নমোৱা হয়। বাঁহ দুডালৰ তলত ঢাপ কৰি তাত তুলসী ৰুই দিয়া হয়। গোটেই কাতি মাহটো পবিত্ৰ মাহ ৰূপে গণ্য কৰি তুলসী তলত চাকি দিয়াৰ লগতে আকাশবন্তি জ্বলোৱা হয়।

তুলসী তলত চাকি জ্বলোৱাৰ পাছত ধাননি পথাৰলৈ গৈ যথেষ্ট ভক্তি সহকাৰে ধানৰ তলত চাকি জ্বলোৱা হয়। আগলি কলপাতত চাকি জ্বলাই দিয়াৰ আগতে কল পটুৱাৰ খোলত মাহ প্ৰসাদ দিয়া হয়। এই সকলো কাৰ্য অনাড়ম্বৰভাৱে অথচ ভক্তিভাৱে পালন কৰা হয়। সেয়ে এই বিহুৰ নাম কঙালী হলেও এই উৎসৱৰ যেন এক বিশেষ গাম্ভীৰ্যতা আছে। বাকী দুটি বিহুত ধৰ্মীয় আচাৰক বিশেষ গুৰুত্ব দিয়া দেখা নাযায়। তাৰ বিপৰীতে এই বিহুত সেই দিশটোহে বিশেষভাৱে প্ৰোজ্জ্বল হৈ উঠে।

নলবাৰী অঞ্চলত যথেষ্ট সমাৰোহেৰে লোক-উৎসৱবোৰ পালন কৰা হয়। গাঁও অঞ্চলৰ লগতে নগৰতো ইয়াক সমান গুৰুত্বৰে পালন কৰা হয়। সম্প্ৰতি নলবাৰী অঞ্চলত সামাজিক তথা ৰাজনৈতিক বাতাবৰণ কিছু পৰিমাণে বিক্ষুব্ধ হোৱা সত্বেও আধ্যাত্মিক জীৱনৰ প্ৰতি আগ্ৰহ অকণমানো ম্লান হোৱা নাই। কাতিবিহু উৎসৱেও এই কথাকে সূচায়। জাতি বৰ্ণ নিৰ্বিশেষে এই উৎসৱত সমবেত হৈ নলবাৰীৰ ধৰ্মপ্ৰাণ ৰাইজে ভাৰতীয় জীৱনবোধৰ সৈতে থকা গভীৰ আত্মীয়তাৰ কথাকে প্ৰকাশ কৰে।

❖❖❖

হিৰণ শইকীয়া লহকৰ

জন্ম ঃ ১৯৫১ চন। কামৰূপ জিলাৰ কমলপুৰৰ সুন্দৰীশাল।

শিক্ষা ঃ স্নাতকোত্তৰ, বি, এড।

কৰ্মজীৱন ঃ শিক্ষকতা, বৰপেটা চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়।

সাহিত্য কৃতি আৰু সাংস্কৃতিক জীৱন ঃ বিভিন্ন আলোচনীত বিভিন্ন বিষয়ৰ লিখনি প্ৰকাশ।

ৰাজহুৱা জীৱন ঃ বহুতো সামাজিক, সাংস্কৃতিক অনুষ্ঠানৰ লগত জড়িত।

বৰপেটাৰ কাতিবিহু

কাতিবিহু! মনলৈ আহে দূৰ দূৰলৈ বিয়পি থকা এখন ঘন সেউজ ধাননি পথাৰ, মৃদু মলযাৰ পৰশত ঢৌ খেলিছে, হালিছে জালিছে। ধানৰ থোকবোৰেও নৱ যৌৱন প্ৰাপ্তিৰ আনন্দত লাজুকি হাঁহিৰে সেউজীয়া পাটকাপোৰৰ মাজৰ পৰা ভুমুকি মাৰিছে। তাৰ মাজে মাজে আকাশৰ নিশাৰ অন্ধকাৰক আঁতৰাব খোজে একোগছি তিৰবিৰাই জিলিকি থকা আকাশবন্তিযে। আগচোতালৰ ছবিখনো নোৱাৰো পাহৰিব— কুমলীয়া তুলসী পুলিটিৰ তলত জ্বলি থকা বন্তিগছিৰ জেউতিযে লখিমী আদৰাৰ দৃশ্য। মনত জিলিকি আছে ৰাতিৰ আন্ধাৰত লুকাই পৰা ধাননি পথাৰখনৰ অ'ত ত'ত জ্বলি থকা বন্তিগছি।

এৰা, সৰুৰে পৰা এই দৃশ্যই আমাৰ হৃদযত জিলিকি আছে। সোণালী শৈশৱ-কৈশোৰত দেখি অহা এই মধুৰ দৃশ্যবোৰ এতিযা কিছু ম্লান তথা কিছু সলনি হ'লেও মূল কাৰ্যবোৰ একে আছে। সকলো মানুহে এতিয়াও তুলসী তলত দোমাহীৰ দিনা এগছি চাকি জ্বলাই ঠগী দিয়ে।

বৰপেটা জিলাৰ চহৰ আৰু গাঁৱৰ মানুহৰ মাজত কাতিবিহু পালনৰ কিছুমান নীতি-নিয়মৰ পাৰ্থক্য আছে। গাঁৱৰ কৃষি প্ৰধান সমাজত কৃষকসকলে তুলসী তলত, পদুলিমুখত, বৰঘৰত চাকি জ্বলোৱাৰ উপৰি পথাৰতো চাকি জ্বলায়। পথাৰত খুঁটি পুতি ঠেকা তৈয়াৰ কৰি চাকিও দিয়ে, শৰাই বা নৈৱেদ্যও দিয়ে। চহৰত খেতি

পথাৰ নাই যেতিয়া পথাৰত চাকি জ্বলোৱাৰ কথাও নাই। অৱশ্যে আগচোতালত তুলসী পুলি ৰোপণ কৰি চাকি জ্বলোৱাটো বৰপেটা চহৰতো আছে। আকাশবন্তি আগতে গাঁৱতো আছিল, চহৰতো আছিল। বৰপেটা চহৰতো বহুতো মানুহে আগতে আকাশবন্তি জ্বলাইছিল। আজিকালি দুই এঘৰেহে জ্বলায়।

তুলসীৰ তলত চাকি জ্বলোৱাটো অতি প্ৰাচীন কালৰ পৰা চলি অহা ৰীতি, পৰম্পৰা। 'তুলসীৰ তলে মৃগ পছ চৰে।' কথাষাৰৰ ইয়াৰ লগত কিবা সঙ্গতি থাকিব পাৰে। কিন্তু ঘৰ, পদুলি, তুলসীতল আৰু খেতি পথাৰত চাকি জ্বলোৱা অতি তাৎপৰ্যপূৰ্ণ পৰম্পৰা। ধাৰ্মিক দৃষ্টি কোণেৰে ইয়াক লখিমী আদৰা উৎসৱ বুলি ক'ব পাৰি। অঞ্চল ভিত্তিত কিছুমান ঠাইত এই বিহুক সেয়ে লক্ষ্মীবিহু বুলি কয়। ইয়াৰ কাৰণ হ'ল ধাননিত নতুন ধানৰ (সেই দিনাৰপৰা বুলি ক'ব পাৰি) থোক ওলায। ধানৰ থোক যিমানে ভাল হয়, ডাঙৰ হয়, সিমানে গুটিধান বেছিকৈ হ'ব, গৃহস্থৰ মঙ্গল হ'ব। সেয়ে সেইদিনা ধাননি পথাৰৰ বন্তিৰ জেউতিৰে লখিমীক আদৰি ঘৰলৈ আনে। ঘৰতো আদৰাৰ ব্যৱস্থা, পদূলি আৰু চোতালত নতুনকৈ ৰোৱা তুলসীৰ তলত বন্তি জ্বলাই লখিমীক আদৰি আনে। বৰপেটা চহৰত কাতি বিহুৰ দিনা তুলসী তলত চাকি জ্বলাই, গোটেই মাহটোতে চাকি জ্বলাই থাকি এমাহ পিছত কাতি-আঘোণৰ সংক্ৰান্তিৰ দিনা চাকি জ্বলাই নৈবেদ্য দি সামৰে, ইয়াৰ পিছদিনাৰ পৰা তুলসী তলত চাকি নজ্বলায়। গাঁওবিলাকত প্ৰথম দিনাই (কাতিবিহুৰ দিনাই) চাকি জ্বলোৱাৰ লগতে নৈবেদ্য দিয়ে, কাতিমাহটো জ্বলাই শেষৰ দিনা অনাড়ম্বৰভাৱেই সামৰে।

(পথাৰত চাকি জ্বলোৱাটোৰ এটা বিজ্ঞানসম্মত ব্যাখ্যা দিব পাৰি। এই সময়ছোৱাত শস্যৰ অন্যাযকাৰী পোক কিছুমানৰ সৃষ্টি হয। চাকিৰ পোহৰত পোকবোৰ আকৰ্ষিত হৈ আহি চাকিৰ জুইত পৰি পুৰি মৰে। ফলত শস্য ৰক্ষা পৰে। এই পোকবোৰে নতুনকৈ ওলোৱা ধানৰ থোকৰ ৰসবোৰ চুহি খাই তাক নষ্ট কৰি পেলায।)

বৰপেটাত তুলসী তলত দিয়া নৈবেদ্যখিনি চুবুৰীৰ চেমনীয়া ল'ৰাবোৰে হৰিধ্বনি দি ভাঙি ভগাই খায।

কাতিবিহুক কঙালীবিহু বুলিও কোৱা হয়। এই সময়ত সৰ্বসাধাৰণ মানুহৰ ধানৰ ভঁৰালত ধান কমি আহে, নতুন ধান হৈ নুঠে। মানুহৰ খোৱা বস্তুৰ সম্ভাৰ কমি যায়। ফলত বিহু বুলি খোৱা-বোৱাৰ প্ৰাচুৰ্য নেথাকে। গাঁৱৰ ফালে সেইদিনা দিনত জুহাল পৰিষ্কাৰ কৰি নিৰামিষ খায় আৰু ৰাতি ভাত নেখায়। বৰপেটা চহৰতো সেইদিনা ৰাতি ভাত খোৱাৰ নিয়ম নাই। আগৰ দিনত চিৰা, গুৱা সান্দহ, টেক্‌লি পিঠা, খোলা চাপৰি পিঠা আদিৰ যিটো মিলে তাক খায়। আজিকালি

ৰুটিকে খায়, ৰুটি খাব নোৱাৰাসকলে ভাতো খাই দিয়ে। বৃহত্তৰ বৰপেটা চহৰ কাতি বিহুত কচুৰ আঞ্জা খায। অকল বিহুৰ দিনাই নহয় এই সমযত বজাৰ প্ৰচুৰ ওলোৱা কচু গোটেই মাহটোতে খায। ঠায়ে ঠায়ে কিছুমান বুঢ়া মানু কাতি মাহত মাছ নেখায়।

গাঁও অঞ্চলত কাতিবিহুৰ দিনা ৰাতি বহু মানুহে ঘৰত নাম ধৰে, নিজা করাৰ সামৰ্থ্য নহ'লে সমূহীয়াকৈ কৰে। কাতিমাহত নাম প্ৰসঙ্গ কৰাটো গাঁও চহ সকলোতে পুণ্যৰ কাম বুলি ভবা হয়। বৰপেটা চহৰতো কাতি মাহত সদায় ৰা হ'লে তাল-নাগ্ৰাৰে নাম ধৰা শব্দ বহু দূৰলৈকে বিযপি থাকে, ৰাতিবোৰ এ গভীৰ মাধুৰ্যৰে ভৰি পৰে।

বৰপেটাত কাতিমাহত এটি বিশেষ প্ৰথা দেখা যায়। কাতিবিহুৰ দিনাৰ পৰ আৰম্ভ হোৱা এই প্ৰথা পৰৱৰ্তী কাতি আৰু আঘোণ মাহৰ সংক্ৰান্তিত শেষ হ প্ৰথাটো এনেকুৱা— বৰপেটাৰ আইসকলে (বৃদ্ধা, বোৱাৰী, ছোৱালী) পুৱ নিশাতে উঠি গা-পা ধুই কীৰ্ত্তন ঘৰলৈ যায। ওৰে বাটে গীত গাই গাই কীৰ্ত্তনঘৰ গৈ তাত বন্তি জ্বলায, কীৰ্ত্তনঘৰটো প্ৰদক্ষিণ কৰে আৰু মঠৰ চোতালত বহি ন গায। কীৰ্ত্তনঘৰৰ বিষয়-বৰীযাসকলো উঠি গা-পা ধুই তেওঁলোকৰ নিত্য কৰ্মৰ কৰে। পোহৰ হোৱাৰ লগে লগে নাম গোৱা সামৰি আইসকল ঘৰা-ঘৰি যা সেই পুৱতি নিশাতে কীৰ্ত্তনঘৰৰ চৌহদ উখল-মাখল হৈ পৰে। দোমাহী, একাদ পূৰ্ণিমা তিথিত কৰ্তব্যৰত ভকতে শ্ৰীৰাম আতাৰ ভিঠিত সংৰক্ষিত কুৱাৰ পানী তোলে।

পুৱতি নিশা কীৰ্ত্তনঘৰলৈ গৈ নাম গোৱা, ভগৱানক স্তুতি কৰা প্ৰথাটোৰ পৰম্পৰাৰ কথা ভাগৱতত পোৱা যায। তাত পোৱা মতে, গোকু গোপকুমাৰীসকলে ভগৱান শ্ৰীকৃষ্ণক স্বামীৰূপে পাবলৈ কাত্যাযনী দেৱী কৰিছিল। হয়তো সত্ৰত অনবৰতে চলি থকা ভাগৱত পাঠৰ কোনো উৎস ভাগৱতীৰ প্ৰেৰণাতে আইসকলে এই প্ৰথা আৰম্ভ কৰিছিল আৰু দূৰ অতী আৰম্ভ কৰা এই প্ৰথা এতিযাও পূৰ্ণ পযোভৰেৰে চলি আছে।

ভাগৱতত এইদৰে আছে— গোপকুমাৰীসকলে নিয়ম-সংযম কৰি গো মাহটোতে হবিষান্ন কৰে। ঊষা সমযত উঠি গোপনাৰীসকলে যমুনাৰ পাৰলৈ যা পথত কৃষ্ণ-গুণ মহিমাৰ গীত সুললিতভাৱে সমস্বৰে গাই যায। কৃষ্ণপ্ৰে তেওঁলোকৰ পুলকিত দেহ-মন, চকুলো ঝৰি আছে, ধীৰে ধীৰে হৃদয়ত মহা ওপজে। যমুনাতীৰ পোৱাৰ পিছত গোপকুমাৰীসকলে কাত্যায়নী দেৱীৰ প্ৰ সাজি পূজা কৰে।

বালিৰ প্ৰতিমা সাজি যমুনা তীৰতে।
গন্ধে পুষ্পে ধূপে দীপে পূজে প্ৰতিনিতে।।১১৫৪২।।

পূজাৰ পিছত গোপকুমাৰীসকলে কাত্যায়নী দেৱীক কাতৰভাৱে প্ৰাৰ্থনা ক শ্ৰীকৃষ্ণক স্বামীৰূপে পাবলৈ 'বৰ' মাগে।

মহামায়া কাত্যায়নী দিয়ো এহি বৰ।
আমাৰ হোন্তোক স্বামী নন্দৰ কুমাৰ।।১১৫৪৩।।
এই মন্ত্ৰ মাত্ৰ জপি পূজে প্ৰতিনিত।
কৃষ্ণেসে হৈবন্ত পতি ৰাত্ৰি-দিনে চিত।।

মাহজুৰি এইদৰে পালন কৰা ব্ৰত পূৰ্ণ হোৱাৰ পিছত তেওঁলোকে সামৰে—

মাসপূৰ্ণ ভৈল যেবে বজবধূ যত।
কৰিলন্ত পাচে মহাব্ৰত সমাপত।। ১১৫৪৪।।

ভাগৱত পুৰাণৰ কৃষ্ণক স্বামীৰূপে পাবলৈ কৰা ব্ৰতৰ দ্বাৰা উৎসাহিত আ নাৰীযেও হয়তো স্বামীৰূপে, পুত্ৰৰূপে কৃষ্ণক পাবলৈ এইদৰে ব্ৰত কৰে। হয় সমগ্ৰ সত্তাৰে, মনে প্ৰাণে শ্ৰীকৃষ্ণৰ দৰে শক্তিমান, বুদ্ধিমান, সুন্দৰ পুৰুষক স আৰু পুত্ৰৰূপে পাবলৈ আজিও সকলোৱে কামনা কৰে।

এই স্বকীয় বৈশিষ্ট্যবোৰেৰে বিভূষিত হৈ নিজস্ব মহিমাৰে কাতিবিহু বৰ জিলাত পালিত হৈ আছে।

** ১ আকাশবন্তি— বাঁহ এডাল থিয়কৈ পুতি তাৰ আগত, ওপৰত ৰ ওলোমা যতন কৰি তাত জ্বলোৱা বন্তি।*

❖❖❖

গীতাদেৱী গগৈ

জন্ম ঃ ১৯৬০ চন। পাঠশালা।

শিক্ষা ঃ স্নাতকোত্তৰ।

কৰ্মজীৱন ঃ বিষয় শিক্ষয়িত্ৰী, দদৰা উচ্চতৰ মাধ্যমিক বিদ্যালয় কামৰূপ।

সাহিত্য কৃতি আৰু সাংস্কৃতিক জীৱন ঃ বিভিন্ন গ্ৰন্থ, আলোচনী, বাতৰি কাকত, বাৰ্তালোচনী, পত্ৰিকাত প্ৰবন্ধ, গল্প, কবিতা আদি প্ৰকাশ।
সাংস্কৃতিক বিভাগৰ বিভিন্ন নাটক আৰু গীত নৃত্যত ৰাজ্যিক তথা ৰাষ্ট্ৰীয়, আন্তঃৰাষ্ট্ৰীয নাট্যানুষ্ঠানত অংশ গ্ৰহণ, ৰাষ্ট্ৰীয আন্তঃৰাষ্ট্ৰীয পৰ্যযত গৱেষণামূলক আলোচনাত অংশ গ্ৰহণকাৰী।

ৰাজহুৱা জীৱন ঃ অসম সাহিত্য সভা, উত্তৰ-পূৰ ভাৰত ভাষাসাহিত্য অধ্যযন পৰিষদ আদিৰ লগত ওতপ্ৰোতভাৱে জড়িত।

বজালী অঞ্চলৰ কাতিবিহু উৎসৱ

বজালী দুশ সাতাৱন্নখন গাঁও আৰু এখন নগৰেৰে পৰিবেষ্টিত এটা বিস্তৃত অঞ্চল। গোটেই বজালী অঞ্চলটো কালাদিযা আৰু পোমাৰা নদীৰ পলসেৰে গঠিত এখন প্লাৱন ভূমি। প্ৰকৃতিযে বজালীক চহকী কৰি ৰাখিছে। কবিযে কোৱাৰ দৰে বজালীৰ 'শুৱনি গাঁও' এখনৰ প্ৰতি ঘৰতে 'চালত কোমোৰা লাও, জিকা, ভোল, ভঁৰালত জহাধান, গোহালিত গৰু, পুখুৰীত মাছ, বাৰীত তামোল-পাণ, শাকনিত শাক, ফুলনিত ফুল, আজিও আছে। যাক দেখিলে বাহিৰৰ মানুহৰ হিয়া মন জুৰ পৰি যায। বজালীৰ বাসিন্দাসকল কম-বেছি পৰিমাণে কৃষিৰ ওপৰতে নিৰ্ভৰশীল। কৃষিৰ ওপৰত নিৰ্ভৰ কৰাৰ কাৰণে বজালীত কাতিবিহুৰ তাৎপৰ্যও মন কৰিবলগীয়া।

অসমৰ আন আন অঞ্চলৰ দৰে বজালীতো উলহ-মালহৰ সৈতে তিনিওটা বিহু পালন কৰা হয। বিহু মুখ্যতঃ অসমৰ কৃষিমুখী জাতীয উৎসৱ। সূৰ্যৰ গতি নিৰীক্ষণ কৰি তিনিটা বিশেষ সংক্ৰান্তিত— মহাবিষুৱ সংক্ৰান্তি, জলবিষুৱ সংক্ৰান্তি আৰু উত্তৰাযণ-সংক্ৰান্তিত উদ্‌যাপন কৰা বিহু অসমৰ জাতীয় উৎসৱ হিচাপে

পালন কৰা হয়। তিনিওটা বিহুতে অগ্নিৰ ব্যৱহাৰ বেলেগ বেলেগ ধৰণে পোৱা যায়। আহিন আৰু কাতি মাহৰ সংক্ৰান্তিত কাতি বা কঙালীবিহু পালন কৰে। তুলাৰাশিৰ সংক্ৰমণত হোৱা কাতিৰ সংক্ৰান্তিক জলবিষুৱ বোলা হৈছে।

কাতিবিহুত ধৰ্মীয় অনুলেপন বিদ্যমান। বজালীৰ জনবসতিপূৰ্ণ অঞ্চল সমূহক আমি জাতি আৰু ধৰ্মীয় ভিত্তিত (Ethnic classification) প্ৰধানকৈ চাৰিটা ভাগত ভগাব পাৰোঁ। এই ভাগবোৰ হ'ল (১) অসমীয়া হিন্দু (২) বড়ো- কছাৰী (৩) বঙালী হিন্দু আৰু (৪) পমুৱা মুছলমান। এইসকলৰ ভিতৰত অসমীয়া হিন্দুৰ সংখ্যাই বেছি। মুঠ জনসংখ্যাৰ প্ৰায় ৩/৪ অংশ এই শ্ৰেণীৰ লোক। সেইবাবে বজালীৰ কাতিবিহুৰ অন্যতম প্ৰধান আকৰ্ষণ হৈছে গাঁৱৰ প্ৰতিঘৰ মানুহৰ ঘৰৰ সন্মুখত নতুনকৈ ভেটি বা ঢাপ বান্ধি তুলসী ৰুই গোটেই মাহটো জুৰি তুলসীৰ তলত বন্তি জ্বলোৱাৰ দৃশ্য। এই বিহুতে লক্ষ্মী আৰু দামোদৰক যুগলভাৱে বন্দনা কৰাৰ উদ্দেশ্যে ওখকৈ বাঁহ পুতি বাঁহৰ আগত চাকি বান্ধি আকাশবন্তি প্ৰজ্বলন কৰা হয। বজালীৰ প্ৰায় প্ৰতিঘৰ মানুহৰ ঘৰতে আকাশবন্তি প্ৰজ্বলন কৰা দেখিবলৈ পোৱা যায, আজিকালি মাটিৰ চাকি নজ্বলাই ইলেক্ট্ৰিক লাইট এটা হ'লেও দিয়া পৰিলক্ষিত হৈছে। আকাশবন্তি প্ৰজ্বলন কৰাৰ কথা শাস্ত্ৰতো উল্লেখ আছে।

"দামোদৰায নভসি তুলায়াং লোলয়া সহ।
প্ৰদীপং তে প্ৰমচ্ছামি নমোহনন্তায বেধসে।"

বিহুৰ দিনা গধূলি তুলসী তলত চাকি দিয়া, ঘৰ-বাৰী চাফা কৰা আদিৰ দ্বাৰা শস্যৰ অপকাৰী পোক-পৰুৱা নিধন কৰাৰ লগতে অতি কষ্টৰে গঢ়ি তোলা খেতিডৰা নদন-বদন হোৱাৰ প্ৰতি প্ৰাৰ্থনা জনোৱা হয। ঢেঁকীশাল, গোহালি, তাঁতশাল, তামোল-পাণৰ বাৰী, ধাননি পথাৰ আদিত চাকি দিয়া হয়। এইদৰে এমাহকাল তুলসী তলত চাকি জ্বলোৱা হয়। বজালীত এনেদৰে চাকি জ্বলোৱা তাৎপৰ্যৰ কাৰণ বহুতে অনুমান কৰে যে এই কালছোৱা হ'ল কৃষিৰ প্ৰজননৰ কাল। পোক-পৰুৱা আদিৰ উপদ্ৰৱ এই সময়তে বেছি। গতিকে পোক-পৰুৱা আদি নিধন কৰিবলৈ এই চাকি জ্বলোৱাৰ কাৰণ বুলি বজালীৰ সকলোৱে কাতিবিহুৰ তাৎপৰ্যক নুই কৰিব নোৱাৰে। কিছুমানে এমাহ কাললৈকে আকাশবন্তিও প্ৰজ্বলন কৰে। আই লখিমীক আদৰিবলৈ প্ৰতি ঘৰ মানুহৰে ঘৰৰ ভিতৰে-বাহিৰে চাকি জ্বলোৱা হয়। আন দুটি বিহুৰ দৰে ইয়াতো প্ৰকৃতিক পূজা কৰা দেখা যায়। কাতিবিহুৰ সময়ত বজালীত মানুহৰ মাজত ভোগ বা আনন্দ উছৱৰ পযোভৰ কম যদিও ই যথেষ্ট ক্ৰিযাবহুল অনুষ্ঠান হিচাপে পালন কৰে।

কাতিমাহৰ সংক্ৰান্তিৰ দিনা লখিমী দেৱতাৰ উদ্দেশ্যে শৰাই নৈবেদ্য আদি আগবঢোৱা দেখা যায়। ইয়াৰ মূল কাৰণ হ'ল— এই কালছোৱাত মানুহৰ শস্যৰ

ৰাল উদং হোৱাৰ উপক্ৰম হয় আৰৌ আনহাতে কৃষকসকলৰ মঙ্গলৰ অৰ্থে ৰাল নতুনকৈ ভৰি উঠিবৰ বাবে। বহাগ মাহৰ নতুন বছৰৰ কাৰণে খেতি ৰিবলৈ প্ৰস্তুত কৰি তোলে। কাতিমাহত শালিধানৰ থোৰ মেলে মাত্ৰ, খেতিয়কৰ ৰাল প্ৰায় উদং হয়। ভোগ-সম্ভাৰ কমি আহে, অতি দীন-হীন বা অনুষ্টুপীয়া পকৰেণেৰে এই উৎসৱ উদ্‌যাপন কৰা হয় কাৰণেই এই বিহুক কঙালী বিহু বালা হয়। কিন্তু আজি কেইবছৰমানৰ পৰা কঙাল ৰূপটো নাইকিয়া হৈছে, জালী অঞ্চলতো কম বেছি পৰিমাণে বড়ো খেতি (বাও ধান) কৰা দেখিবলৈ পাৱা যায়।

বজালীত কাতিমাহৰ তিথিক অতি পুণ্য তিথি বুলি গণ্য কৰি, নাম-প্ৰসঙ্গ াঠ আদি কৰি ভগৱানৰ উদ্দেশ্যে গোঁসাই ঘৰ, গোহালি ঘৰ, বাৰী, পদূলিত [প-ধূনা আদিও দিয়া দেখা পোৱা যায। গোটেই কাতিমাহটো গাঁৱৰ মানুহবিলাকে তুলসী তলত নাম-প্ৰসঙ্গ কৰে। প্ৰতি ঘৰে ঘৰে কমেও এদিনকৈ নাম-প্ৰসঙ্গ পতা দখা যায়। ইয়াত দুই ধৰণেৰে নাম প্ৰসঙ্গ গায়। কেতিয়াবা তিৰোতাবিলাকে আৰু কেতিয়াবা পুৰুষসকলে। নামৰ প্ৰসাদত সাধাৰণতে বুট-মগুৰ গাজি, াৰিকল, কল, ৰবাব টেঙা, জৰা টেঙা, কুঁহিয়াৰ আদি দিয়া দেখা যায। বজালীৰ কিছুমান অঞ্চলত পৰিয়ালৰ মঙ্গলৰ কাৰণে তুলসী পূজাও কাতিবিহুৰ সংক্ৰান্তিৰ দিনাৰ পৰা আৰম্ভ কৰি গোটেই মাহটোত পতা দেখা যায। বজালীৰ কিছুমান অঞ্চলত কাতিমাহতহে পাঁচতি উৎসৱ পতা দেখা যায়। কাতিমাহত বজালীৰ কোনো কোনো অঞ্চলত কাতি মাহটো পুণ্য মাহ হিচাপে গণ্য কৰি আমিষ আহাৰ পৰিহাৰ কৰি নিৰামিষ আহাৰ গ্ৰহণ কৰাও দেখা যায়। কাতিবিহু দেখাত কঙালী হ'লেও সংস্কৃতিৰ ক্ষেত্ৰত ইয়াক কঙালী বুলি ক'ব নোৱাৰি। বজালীত কাতিবিহুৰ এক বিশেষ তাৎপৰ্য পৰিলক্ষিত হয়।

❖❖❖

শ্যামাচৰণ নাথ



জন্ম ঃ ১৯৩১ চন। গোৱালপাৰা জিলাৰ শ্ৰীসূৰ্য পাহাৰৰ দক্ষিণে থকা লালাবৰী গাঁও।

শিক্ষা ঃ স্নাতক।

কৰ্মজীৱন ঃ ৰাজ্যিক পৰিবহণ বিভাগৰ কেৰাণী হিচাপে যোগদান কৰি পিছলৈ শিক্ষা বিভাগৰ সহপৰিদৰ্শক হিচাপে অৱসৰ গ্ৰহণ।

সাহিত্য কৃতি আৰু সাংস্কৃতিক জীৱন ঃ প্ৰকাশিত গ্ৰন্থ (বিভিন্ন বিষয়ক) (৪), বিভিন্ন আলোচনীত বিভিন্ন বিষযৰ লিখনি প্ৰকাশ।

ৰাজহুৱা জীৱন ঃ অসম সাহিত্য সভা আৰু অন্যান্য সামাজিক সাংস্কৃতিক অনুষ্ঠানৰ সৈতে জড়িত।

গোৱালপাৰা জিলাত কাতিবিহু উদ্‌যাপন

ভাৰতবৰ্ষৰ উত্তৰ-পূব প্ৰান্তত অৱস্থিত অসম ৰাজ্যত স্মৰণাতীত কালৰে পৰা উদ্‌যাপন কৰি অহা কৃষ্টিমূলক উৎসৱটো হৈছে— বিহু।

এই বিহু উৎসৱ বছৰত তিনিটা সময়ত ভিন ভিন ঋতুত তিনিপ্ৰকাৰে পালন কৰা হয। বসন্ত কালত— চ'ত আৰু বহাগৰ সংক্ৰান্তিত চ'তৰ বিহু/ বহাগবিহু বা ৰঙালীবিহু, শৰত কালত—আহিন-কাতিৰ সংক্ৰান্তিত কাতিবিহু বা কঙালীবিহু আৰু শীতকালত— পুহ-মাঘৰ সংক্ৰান্তিত মাঘবিহু বা ভোগালীবিহু।

নামনি অসমত বিশেষকৈ অবিভক্ত কামৰূপ আৰু অবিভক্ত গোৱালপাৰা জিলাত এই উৎসৱক বিহুৰ পৰিবৰ্তে দোমাহী, দমেহী, দম্‌হী, দোমাচী আদি নামেৰেহে অধিক জনাজাত। বছৰৰ তিনিটা ভিন ভিন ঋতুত উদ্‌যাপন কৰি অহা তিনিওবিধ বিহুৰে তাৎপৰ্য সুকীয়া হ'লেও এটা বিষয়ত কিন্তু মিল থকা দেখা যায। সেয়া হ'ল এই যে এই তিনিপ্ৰকাৰৰ বিহুৱেই কৃষিকৰ্মৰ লগত নিবিড়ভাৱে

সম্বন্ধ থকা উৎসৱ। সেয়েহে এই বিহু উৎসৱক অসমীয়া কৃষ্টিৰ এক মহান নিদৰ্শন ৰূপে গণ্য কৰা হয়। কৃষ্টি আৰু সংস্কৃতি সম্বন্ধে কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাদেৱে নিম্নোক্ত মন্তব্য আগবঢ়াইছে— " কৃষ্টি হৈছে, কৃষধাতু ক্তি প্ৰত্যয়ৰ সংযোগত কৃষ্টি। কৃষি বিষয়ক মাত্ৰেই কৃষ্টি অৰ্থাৎ কৰ্ষণেই কৃষ্টি। ভূমি কৰ্ষণেই কৃষ্টি নহয়, অদৃশ্য অন্তৰীক্ষৰ শূন্য ময় পথাৰ কৰ্ষণও কৃষ্টি। আৰু হৃদিস্থানত বা হৃদয়ৰ কুণ্ডলিনী চক্ৰত নাইবা মস্তিস্কৰ মগজৰ মাজত আলোড়ন তোলা মানসিক কৰ্ষণও কৃষ্টি।

সেই কৃষ্টিৰ যেতিয়া সংস্কাৰ হয়, তেতিয়া সেই কৃষ্টি সংস্কৃতি, আৰু সংস্কৃতিত যেতিয়া বিদেশীয় মীনাৰ নক্সা উঠে, তেতিয়া সেই সংস্কৃতি হয় (culture) কালচাৰ।" —(অসমীয়া কৃষ্টি বিষ্ণুৰাভা ৰচনাৱলী পৃঃ৫৭)

অসমীয়া কৃষ্টি সংস্কৃতিৰ ৰহঘৰা স্বৰূপ তিনিটা সংক্ৰান্তিত উদ্‌যাপিত হৈ অহা বিহু অসমৰ বিভিন্ন জাতি-উপজাতিৰ সমাজত বিভিন্ন নামেৰে আৰু ভিন্ন ভিন্ন আচাৰ অনুষ্ঠানেৰে পৰিচিত হ'লেও মূলতঃ কিন্তু কৃষি ভিত্তিক। উজনি অসমৰ এটা প্ৰধান জনগোষ্ঠী মিচিংসকলে বছৰি ফাগুন মাহৰ প্ৰথম বুধবাৰে শস্য বা কঠিয়া সিঁচাৰ উদ্দেশ্যে "আলিয়াই লিগাং" উৎসৱ পাতে। "আলিয়াই লিগাং" মিচিং সমাজৰ এটা প্ৰধান উৎসৱ। দঞি পল (জোন-বেলি) উপাসক মিচিং সমাজে জন্মদাত্ৰী বসুমতী আইকো সদায় শিৰত লয়। যিটোৱে মানুহক জীৱিকাৰ কাৰণে এমুঠি অন্নৰ যোগান ধৰে তেওঁৱে আমাৰ আই পৃথিৱী। তেওঁ আমাৰ চিৰপূজ্য। এয়া লিগাঙৰ প্ৰাথমিক উদ্দেশ্য।" [পৃঃ ১০৫ আলিযাই লিগাং' ইয়াৰ বৈশিষ্ট্য —দুৰ্গা ৰেগন "মিচিং সংস্কৃতিৰ আলেখ্য।"]

"বৰ'সকলে বাৰদৈচিখ্‌লা নামে গোঁসানী এগৰাকী (বীৰ হনুমানৰ জীযেক) পূজা কৰিছিল, 'বাৰ' মানে বতাহ বা ধুমুহা 'দৈ মানে পানী বা বৰষুণ' চিখ্‌লা' মানে গাভৰু বা গোঁসানী বা অপেশ্বৰী। চমুকৈ কবলৈ হ'লে 'বাৰদৈ চিখ্‌লা' মানে ধুমুহা বৰষুণৰ গোঁসানী। —(পৃঃ ৯০-বিষ্ণুৰাভা ৰচনাৱলী।) এই বাৰদৈচিখ্‌লাৰ পিচে পিচে বৰ'সকলৰ 'বৈসাগু'ৰো আগমন হয। বৰ'সকলৰ মৰমৰ 'বৈসাগু'ও প্ৰধানতঃ কৃষি উৎসৱ।

ইয়াৰ পিছত নামনি অসমৰ বিশেষকৈ গোৱালপাৰা জিলাৰ এটা প্ৰধান জনজাতি ৰাভাসকলৰ 'খুক্‌চি' আৰু 'বায়ুখো' পূজাও পোনে পোনে কৃষি কেন্দ্ৰিক নহ'লেও গাঁৱলীয়া কৃষক পৰিয়ালৰ কাহিনীৰ লগত সম্বন্ধ থকা। গাঁৱলীয়া কৃষক পৰিয়ালৰ তিৰোতা জুনাবায় মিচিকে মাছলৈ গৈ এটাও মাছ নেপাই বাৰে বাৰে জাকৈত উঠা এটি শিলগুটি ঘৰলৈ আনি খেৰীঘৰৰ চালত গুজি থয়। "ৰাতি সমাজিকত 'জুনাবায় মিচিকে' দেখিলে যে দীপলিপ ছোৱালী এজনী খেৰীঘৰৰ চালত গুজি থোৱা শিলগুটিটোৰ পৰা ওলাই জুনাবায় মিচিকক এই পূজা কৰাৰ

বিধি ব্যৱস্থাবোৰ কৈ দিলে।" (— পৃঃ৫০ খুক্‌চি পূজাৰ কাহিনী— ৰাভাৰ সাধুকথা শ্ৰীৰাজেন্দ্ৰ নাথ ৰাভা) সেই অনুসৰি গাঁৱৰ ভক্তিপৰায়ণ লোকসকলে গাঁৱৰ বাহিৰত নিকটস্থ হাবিৰ কাষত থান স্থাপন কৰি এই খুক্‌চি পূজাৰ ব্যৱস্থা কৰে।

আনহাতে বাযখো পূজাৰ কাহিনীতো এনেধৰণৰ লদ্ৰাং পাহাৰৰ কাষৰ এখনি গাঁওত বসবাস কৰা অন্ধ বুঢা ফেদ্ৰা। তেওঁৰ ল'ৰা দুজন—থানা আবুজা আৰু লোফা বিবুজা— কৃষিকৰ্ম কৰে। ছোৱালী দুজনী— থোপে আৰু নেচে। সিহঁতে খৰিকটা, মাছমৰা আদি কাম কৰে। খৰি কাটিবলৈ গৈ এদিনাখন নেচেৰ অত্যন্ত পানীৰ পিয়াহ লগাত পানী বিচাৰি পালে 'চিছাৰি চিমান্দি' নামে এটি পানীৰ কুণ্ডত। কুণ্ডটিত পানী খোৱাৰ পিছত দেখিলে এটা বৌমাছ পাৰত জঁপিয়াই পৰিছে। এই বৌমাছটো ঘৰলৈ লৈ আহি দেখিলে এচটা শিলহে। অন্ধ পিতাকৰ পৰামৰ্শমতে শিলচটা নতুন গামোচা এখনেৰে মেৰিয়াই ধানৰ ভঁৰালত থৈ দিলে আৰু নিতৌ চাকি-বন্তি জ্বলাই ধূপ-ধূনাৰে পূজা কৰি থাকিল। ইয়াৰ ফলত সিহঁতৰ পৰিয়ালৰ আৰ্থিক অৱস্থা দিনক দিনে ভাল হবলৈ ধৰিলে। এয়েই হেনো বায়খো পূজাৰ উৎপত্তি কাহিনী। ৰাভা ভাষাত 'বায' অৰ্থ দেৱ বা দেৱী আৰু 'খো' অৰ্থ উঠাই অনা বা তুলি অনা। মাছৰূপী দেৱীক উঠাই ঘৰলৈ অনা অৰ্থত বুজাইছে। (শ্ৰীযুত ৰাজেন্দ্ৰ ৰাভাদেৱৰ বায়খো পূজাৰ কাহিনীত উল্লেখিত।) ৰাভাসকলৰ এই দুই প্ৰধান উৎসৱৰ সম্পৰ্ক পোনে পোনে কৃষিকৰ্মৰ লগত নেথাকিলেও এযা কৃষিজীৱী পৰিয়ালৰেই কৰ্ম ভিত্তিক কাহিনী।

এনেদৰে দেখা যায অসমৰ সকলো জাতি আৰু জনজাতি সমাজত প্ৰচলিত কৃষ্টি কাহিনীযে ৰূপাযিত হয়— বিহু উৎসৱ হিচাপে। কেৱল অসমৰ ভৈয়াম অঞ্চলৰে নহয অসমৰ নিকটবৰ্ত্তী অৰুণাচলৰ আবৰ জনজাতিৰ মাজত প্ৰচলিত 'আদেং আপেং' উৎসৱৰ লগতো অসমৰ ভোগালী আৰু ৰঙালী বিহুৰ সাদৃশ্য পৰিলক্ষিত হয়। আবৰসকলৰ উপৰোক্ত উৎসৱৰ মনোৰম বৰ্ণনা এটি মিচিমি পাহাৰৰ দাম্বুকত শিক্ষকতা কৰা মোৰ প্ৰিয় বন্ধু শ্ৰীযুত অখিল বড়োদেৱে পঞ্চাশৰ দশকতে মোলৈ লিখা চিঠিত পাই সেই সময়তেই "আদেং আপেং আৰু বিহু" শীৰ্ষক এটি প্ৰবন্ধ লিখি অসমৰ জনপ্ৰিয় আলোচনী 'বৰদৈচিলা'ত প্ৰকাশ কৰিছিলো।

বৰ্তমান সময়ত বিহুক আমাৰ বাপতিসাহোন জাতীয় উৎসৱৰ মৰ্যাদা দিয়া হ'লেও এটা সময়ত কিন্তু আমাৰ সমাজৰ নীতিবাগিচ স্বৰূপ কিছুসংখ্যক নেতৃস্থানীয় লোকে বিশেষকৈ ৰঙালীবিহুৰ যৌনগন্ধী গীতমাতৰ বাবে ঘৃণাৰ চকুৰে চাইছিল। "উনৈশ শতিকাৰ আৰম্ভণিত হলিৰাম ঢেকিয়াল ফুকনে লেখিছিল যে

উৎসৱত "সাধাৰণ লোকেৰ স্ত্ৰীলোক আৰ লম্পট পুৰুষসকল একত্ৰ হুইয়া ্যস্ত জুগুপ্সিত নৃত্যগীত কৰিয়া থাকে।" গুণাভিৰাম বৰুৱাই লেখিছিল, "চৈত্ৰৰ ত সংক্ৰান্তিৰ পৰা সাতদিন কোনো ঠাইত ইতৰলোকসকলৰ স্ত্ৰী-পুৰুষ কোনো াশ্য স্থানলৈ গৈ নৃত্যগীত কৰে। যি সময়ত অবাচ্য ও অশ্লীল গীত গোৱা ৃ নিৰ্লজ ভাবভঙ্গী দেখুৱা হয়। এইটি নিয়ম শীঘ্ৰে দেশৰ পৰা গুচিলে বৰ কাৰ আৰু সুনীতি সংস্থাপন কৰা হয।" কমলাকান্ত ভট্টাচাৰ্যই লেখিছিল, "বিহু ম আমাৰ এটা বৰ বেয়া সংস্কাৰ আছে। বিহুৰ ছবিটো আঁকি এবাৰ চকুৰ াত উলিয়ালে কেনে নাক কটাৰ সমান লাজে ধৰে, শিক্ষিত ডেকাসকল, এবাৰ ৰ চোৱাচোন।' এই আটাইখিনি উদ্ধৃতি শিৱনাথ বৰ্মন লিখিত "লোককৃষ্টিৰ স' গ্ৰন্থৰ ৩৮ পৃষ্ঠাৰ পৰা কৰা হৈছে। এইসকল পণ্ডিত ব্যক্তিয়ে বিহু সম্পৰ্কে া কটূক্তিৰ কাৰণ ইয়াৰ যৌনগন্ধী স্বৰূপ। অৱশ্যে অসমীয়া কৃষ্টিৰ নিদৰ্শন ূপ বিহুৰ প্ৰতি এই বিৰূপ মনোভাৱ আছিল সীমিতজনৰ ক্ষন্তেকীয়া সময়ৰহে। ৰোতাই সন্তান উৎপাদন কৰাৰ দৰে পৃথিৱীয়েও খাদ্য উৎপাদন কৰা আদিম ুহে দেখা পাইছিল, গতিকে পৃথিৱীক তেওঁলোকে মাতৃৰ দৰে গণ্য কৰিছিল। ঃ৪২ লোককৃষ্টিৰ উৎস— শিবনাথ বৰ্মন)

অসমৰ তিনিওটা বিহুৱেই কৃষিকৰ্মৰ তিনিটা পৰ্যায়ৰ লগত সম্বন্ধ থকা। চ'তৰ ষ আৰু বহাগৰ আৰম্ভণি— কৃষি কৰ্মৰ বাবে প্ৰস্তুতিৰ সময়। মন উতলা কৰা ৱনকালত যিদৰে পুৰুষ-স্ত্ৰী সন্তান প্ৰজননৰ বাবে ব্যাকুল হৈ পৰে সেইদৰে ত-বহাগৰ ন-ৰৰযুগে কোমলাই তোলা পথাৰৰ বুকুতো খেতিৰ বীজ সিঁচাৰ াদনা কৃষকৰ অন্তৰত জাগ্ৰত কৰে।

ইয়াৰ পিছত আহিন-কাতি মাহত কৃষক পৰিয়ালত অভাৱ-অনাটনে দেখা লেও আশাৰ নিদৰ্শন স্বৰূপে দেখা দিয়ে পথাৰত গেঁৰ ধৰা সেউজীয়া ধাননিখন। ান সম্ভৱা মাতৃস্বৰূপা হৈ পৰে খেতি 'পথাৰখন।

অৱশেষত আঘোণ-পুহ মাহত পথাৰৰ লখিমী কৃষকৰ ঘৰলৈ আহে— ভাসমাজৰ অন্ধ বুঢ়া ফেদ্ৰাৰ কন্যাদ্বয় থোপে আৰু নেচেই খৰি কাটিবলৈ গৈ মাছ বুলি ভাবি কটিয়াই অনা বগা চেপেটা শিলচটাৰ দৰে— যাক বায় (দেৱ দেৱী) খো (উঠাই অনা বা তুলি অনা) অৰ্থাৎ 'বাযখো' আখ্যা দিয়া হয়। হত উপচি পৰা ভঁৰালৰ পৰা বিধে বিধে কৃষিজাত শস্য উলিযাই বিবিধ ভোজন মগ্ৰী তৈয়াৰ কৰা হয়— মাঘৰ ভোগালীবিহুত উপভোগৰ বাবে। সেয়েহে ঘবিহু ভোগালী। এই ভোগালীবিহুকে গোৱালপাৰাৰ কোনো কোনো অঞ্চলত চনা'ও বোলে— হয়তো পৌষ সংক্ৰান্তিত উদ্‌যাপন কৰাৰ বাবেই।

এই তিনিও বিধ বিহুকেই সমগ্ৰ অসমভূমিত পালন কৰা হয়—সামান্য ৰতম্যৰ মাজেৰে। অবিভক্ত গোৱালপাৰা জিলা—অসমৰ পশ্চিম প্ৰান্তত থকা

বাংলাদেশ আৰু পশ্চিমবঙ্গৰ সীমাত অৱস্থিত। বৰ্তমান যদিও এই অঞ্চল চাৰিখন সুকীয়া জিলাত প্ৰশাসনীয় সুবিধাৰ অৰ্থে বিভক্ত তথাপি সাংস্কৃতিকভাৱে পূৰ্ববিস্থাতেই আছে। এই জিলাত আটাইকেইটা বিহুকেই স্থানভেদে দোমাহী আৰু দোমাচী হিচাপেই জনা যায় আৰু ধৰ্মীয় আচাৰ-নীতিত বিশেষভাৱে গুৰুত্ব দিয়া দেখা যায়।

কাতিবিহুক এই অবিভক্ত গোৱালপাৰা জিলাত কাতি দোমাহী/ দোমাচী বুলিয়ে জনা যায়। বহুতো খেতিয়ক পৰিয়ালত খোৱা-লোৱাৰ ক্ষেত্ৰত অভাৱে দেখা দিয়ে আৰু কোনো কোনো পৰিয়ালত এসাজ খাই আনসাজ লঘোন দিবলগীয়া অৱস্থা হোৱা বাবে ইয়াক কঙালীও বোলে। এই কাতিমাহটো এই জিলাত পবিত্ৰ মাহ বুলি গণ্য কৰা হয়। এই পবিত্ৰমাহৰ আৰম্ভণিৰ পূৰ্ব মুহূৰ্তত আহিন-কাতিৰ সংক্ৰান্তিৰ দিনাখন তুলসী পুলি চোতালৰ পূবকোণত ৰোপণ কৰি চোতাল গোবৰ মাটিৰে লেপন কৰা হয। সন্ধিয়া তুলসীৰ তলত চাকি জ্বলোৱা হয়। ইয়াৰ উপৰি শাকনি বাৰী আৰু গোহালি ঘৰতো চাকি জ্বলোৱা হয়। ধানখেতি পথাৰত ঔটেঙাৰ খোলত তেল শলিতা দি চাকি জ্বলোৱা হয়। ইয়াৰ এটা উদ্দেশ্য গেঁৰ ধৰা ধানখেতিক লখিমী আইস্বৰূপে আদৰণি জনোৱা। সন্তান সম্ভৱা মাতৃক যিদৰে পাঁচ মাহত পঞ্চামৃত ভোজন আৰু সাতমাহত বিশিষ্ট ভোজন কৰাই জন্মিবলগীয়া নৱাগত শিশুটিৰ কল্যাণ কামনা কৰা হয়, সেইদৰে গুটিধান ওলাবগীযা ধানখেতিডৰাকো চাকি বন্তি জ্বলাই পোক-পৰুৱা আদি অনিষ্টকাৰী জীৱৰ পৰা ৰক্ষা কৰাৰ প্ৰযত্ন কৰা হয়। ইয়াৰ উপৰি কোনো কোনো পৰিয়ালত গোটেই কাতিমাহটোত সন্ধিযা আকাশবন্তি জ্বলোৱা হয়। জন বিশ্বাসমতে পৰিযালৰ অপায় অমঙ্গল বিনাশৰ বাবেই আকাশবন্তি জ্বলোৱা হয়। কোনো কোনো গাৱঁলীয়া অঞ্চলত ধৰ্মপ্ৰাণ ৰাইজে গোটেই কাতিমাহটো নামকীৰ্ত্তন কৰি গাঁওখন পৰিভ্ৰমণ কৰাৰো নিদৰ্শন থকা দেখা যায়। মুঠতে শস্য সম্ভৱা পথাৰৰ লখিমী আদৰাৰ উদ্দেশ্যে পতা এই কাতিবিহু বা দোমাহী অতি পবিত্ৰ উৎসৱ হিচাপেই এই অবিভক্ত গোৱালপাৰা জিলাত উদ্‌যাপন কৰা হয়—য'ত ধৰ্মীয় বিশ্বাস লোককৃষ্টিৰ অঙ্গীভূত হৈ পৰে।

❖❖❖

অৰুণ কুমাৰ ৰায়



জন্ম ঃ ১৯২৫ চন। বঙাইগাঁও জিলাৰ উত্তৰ শালমাৰা মহকুমাৰ বইটামাৰী তিহিৰ বেছিমাৰী গাঁও।

সাহিত্য কৃতি আৰু সাংস্কৃতিক জীৱন ঃ কলা-কৃষ্টিমূলক গ্ৰন্থ (২), কবিতা পুথি(১), লোকগীতৰ পুথি (১), একাঙ্কিকা নাটক (২), বিভিন্ন কাকত আলোচনীত প্ৰবন্ধ, কবিতা আদি প্ৰকাশ।

ৰাজহুৱা জীৱন ঃ কোচ-ৰাজবংশী সাহিত্য সভা আৰু বঙাইগাঁও জিলাৰ কেইবাটাও সামাজিক সাংস্কৃতিক অনুষ্ঠানৰ লগত ওতপ্ৰোতভাৱে জড়িত।

বঙাইগাঁও জিলা তথা অবিভক্ত গোৱালপাৰা জিলাত কাতিবিহু উদ্‌যাপন সম্পৰ্কীয় কিছু তথ্য

কাতিবিহুক অসমত বসবাস কৰা বিভিন্ন জনগোষ্ঠীয়ে নিজ নিজ গোষ্ঠীগত পৰম্পৰাৰ মাধ্যমত বিভিন্নভাৱে পালন কৰা দেখা যায়। এই বিহু পালনৰ অনুভূতিৰে, বঙাইগাঁও জিলা তথা অবিভক্ত গোৱালপাৰা জিলাতো গোষ্ঠীগত পৰম্পৰাৰ তাৎপৰ্য বহন কৰি বিভিন্ন জনগোষ্ঠীয়ে কাতিবিহু পালন কৰা দেখা যায়। এই কাতিবিহুক কিন্তু বিভিন্ন জনগোষ্ঠীয়ে বিভিন্ন নামকৰণেৰে পালন কৰে। কিছুমানে 'কঙালীবিহু', কিছুমানে 'কাতিবিহু' আৰু কিছুমানে 'কাতি গাছা' নামেৰে পালন কৰে। বঙাইগাঁও জিলা তথা অবিভক্ত গোৱালপাৰা জিলাত বসবাস কৰা কোচ ৰাজবংশী জনগোষ্ঠীৰ লোকসকলে কিন্তু 'কাতিবিহুক' 'কাতিগাছা' নামেৰে' কাতিবিহু উদ্‌যাপন কৰে। কাৰণ কোঁচ ৰাজবংশী জনগোষ্ঠীৰ পূৰ্বপুৰুষসকল

আছিল, বিশেষকৈ 'শাক্ত আৰু শৈৱ' ধৰ্মাৱলম্বী। শাস্ত্ৰত উল্লেখ আছে যে, শিৱ হেনো যোগবলত বলীয়ান, মহাযোগী, যাৰ কাৰণে তেওঁ মৃত্যুক জয় কৰিছিল আৰু সেইকাৰণেই শিৱক মৃত্যুঞ্জয়ী বুলি কোৱা হয়। শক্তিকো আদ্যাশক্তি, বিপদতাৰিণী, দুৰ্গতিনাশিনী, ধৰিত্ৰী আদি বিভিন্ন নামেৰে জগৎ পূজিতা মাতৃ বুলি বিভিন্ন শাস্ত্ৰত উল্লেখ আছে। সেইকাৰণে কোঁচ ৰাজবংশীয় লোকসকলে শাক্ত-শৈৱ ধৰ্মৰ প্ৰতি আকৃষ্ট হৈ, যোগী গুৰুশিৱ আৰু তেওঁৰ পত্নী শক্তিৰ প্ৰতি আত্মনিবেদন কৰি দেহতত্ব বিচাৰত পৰম্পৰাগতভাৱে আজিৰ আধুনিকতাৰ চাকনৈয়াত পৰি হাবাথুৰি খালেও, গোষ্ঠী বিশিষ্ট আৰু প্ৰাচীন সাংস্কৃতিক পৰম্পৰা ৰক্ষা কৰি চলি আছে। কোঁচ ৰাজবংশী জনগোষ্ঠীৰ পূৰ্বপুৰুষসকল যে, শাক্ত-শৈৱ ধৰ্মাৱলম্বী আছিল তাৰ প্ৰমাণ এতিয়াও দেখিবলৈ পোৱা যায়। এতিয়া কোঁচ ৰাজবংশী ৰজা, মহাৰাজসকলৰ প্ৰাচীন ৰাজধানী বিলাকৰ প্ৰবেশ দ্বাৰৰ ওপৰত শিৱ শক্তিৰ বাহন আৰু ত্ৰিশূলৰ প্ৰতীক দেখিবলৈ পোৱা যায়। প্ৰমাণ স্বৰূপে বৰ্তমানেও বঙাইগাঁও জিলাৰ উত্তৰ শালমাৰা মহকুমাস্থ অভয়াপুৰীত বিজনী ৰজাৰ ৰাজধানীৰ প্ৰবেশ দ্বাৰৰ ওপৰত এই প্ৰতীক দেখিবলৈ পোৱা যায়। প্ৰতীক চিহ্ন ঃ শিৱৰ ষাঁড, শক্তিৰ সিংহ, মাজত ত্ৰিশূল এতিয়াও বিদ্যমান। ষাড সিংহৰ মাজত থকা ত্ৰিশূল প্ৰতীকে গাৰ্হস্থ্য জীৱনৰ তাৎপৰ্য বহন কৰি থকা বিষয়টো শাস্ত্ৰত উল্লেখ পোৱা যায। গাৰ্হস্থ্য জীৱনত ত্ৰিশূলে ত্ৰিতাপ জনিত তাপৰ পৰা ৰক্ষা কৰা বুলি শাস্ত্ৰকাৰসকলৰ ব্যাখ্যাত পোৱা যায আৰু এই ত্ৰিতাপৰ ব্যাখ্যা শাস্ত্ৰত উল্লেখ আছে। এই ত্ৰিতাপ যথাক্ৰমেঃ (১) আধ্যাত্মিক তাপ (কাম, ক্ৰোধাদিৰ দ্বাৰা শাৰীৰিক পীডা জনিত তাপ) (২) আধি ভৌতিক তাপ (দস্যু বা হিংস্ৰ জন্তুৰ দ্বাৰা আক্ৰান্ত তাপ) (৩) আধি দৈবিক তাপ (দৈব নিবন্ধনৰ দ্বাৰা ঘটিত তাপ)। এই ত্ৰিতাপ জনিত কাৰণৰ পৰা ৰক্ষা পোৱাৰ কাৰণে কোঁচ ৰাজবংশী জনগোষ্ঠীৰ ৰজা মহাৰজাৰ ৰাজধানীৰ প্ৰবেশ দ্বাৰত ত্ৰিশূল ব্যৱহাৰ কৰা বুলি জনা যায। সেয়ে, এই বিচাৰ বিধানমতে কোঁচ ৰাজবংশীয় জনগোষ্ঠীৰ লোকসকলে পৰম্পৰাগতভাৱে এতিয়াও ইয়াক পালন কৰি আছে। এই কাতিগাছা (কাতিবিহু) পালন ও দেহতাত্ত্বিক বিচাৰৰ তাৎপৰ্য কোঁচ ৰাজবংশীয় জনগোষ্ঠীৰ মাজত এতিয়াও বাহাল আছে। মাহৰ শেষ আৰু পৰবৰ্ত্তী মাহৰ মাজৰ সময়খিনিক কোঁচ ৰাজবংশী জনগোষ্ঠী আৰু বঙাইগাঁও জিলা তথা অবিভক্ত গোৱালপাৰা জিলাত বসবাস কৰা বহু জনগোষ্ঠীয়ে দোমাসী বুলি কয। ঠিক সেইভাৱে আহিন মাহৰ শেষ আৰু কাতিমাহৰ আগমনৰ আগৰ সময়খিনিক কাতি মাসেৰ দোমাসী (কাতিবিহু) বা কাতিগাছা বুলি কোৱা হয়।

এই কাতিগাছা (কাতিবিহু) পালনৰ ক্ষেত্ৰত বিশেষকৈ কোঁচ ৰাজবংশী

জনগোষ্ঠীৰ লোকসকলে শালি ভূঁইত (শালি খেতি পথাৰত) বন্তি লগাই দি আই লখিমীক সেৱা জনায়। কাৰণ এই লখিমী হৈছে ধানৰ অধিষ্ঠাত্ৰী দেৱী। কোঁচ ৰাজবংশী জনগোষ্ঠীৰ মাজত সামাজিকভাৱে প্ৰচলিত এটি শ্লোক আছে, সেইটো হৈছে "ধনে ধান আৰো ধন গাই, কিঞ্চিত ধন সোণা ৰূপা আৰো য'তো দেখিছ ছাই।" কাৰণ কোঁচ ৰাজবংশী জনগোষ্ঠীৰ লোক, বৰ', ৰাভা আদি জনগোষ্ঠীৰ লোকসকল বিশেষকৈ কৃষিজীৱী আৰু গাঁৱত বাস কৰে। সেয়ে জীৱন নিৰ্বাহৰ মূল আহিলা ধান। কাতি গাছা (কাতিবিহু)ৰ দিনৰ পৰা শালি ধানৰ শীহ ওলাল ধৰে বাবে কাতিগাছা (কাতিবিহু) পালন কৃষিজীৱী ৰাইজৰ কাৰণে অতি প্ৰযোজন ইয়াৰোপৰি এই সময়খিনি অভাৱ অনাটনে দুখীয়া ৰাইজক বাৰুকৈয়ে আক্ৰমণ কৰে, সেই কাৰণে উল্লেখিত কাতিগাছা বা কাতিবিহুক বহুতে কঙালীবিহু বুলিও কয়

এই কাতি গাছা (কাতিবিহু)ই কোঁচ ৰাজবংশী লোক-সমাজত গোষ্ঠী বৈশিষ্ট্য আৰু গোষ্ঠীৰ প্ৰাচীন লোক-সংস্কৃতিৰ পৰম্পৰা ৰক্ষা কৰা তাৎপৰ্য বিশেষকৈ মন কৰিবলগীয়া। কাতিগাছাৰ দিনা খেতিপথাৰৰ পৰা আৰম্ভ কৰি প্ৰত্যেক গৃহস্থই বেদীৰ কাষত থকা তুলসীৰ গুৰিত, প্ৰত্যেক ঘৰৰ দুৱাৰ মুখত, কুঁৱাৰ পাৰত গোহালি ঘৰৰ সন্মুখত, ৰান্ধনি ঘৰৰ ভিতৰত, ঈশান কোণত বন্তি জ্বলোৱাটো পৰম্পৰাগত নিয়ম। ইয়াৰোপৰি প্ৰত্যেকে প্ৰত্যেকৰ ওপৰত প্ৰতিদ্বন্দ্বিতাৰ মাধ্যমত কিছুমান শ্লোক বাক্য গানৰ সুৰত গায় যেনে—

"দৌল দৌল দৌল লোকৰ ধান আউল ঝাউল
আমাৰ ধান মলখাৰ চাউল।" অৰ্থাৎ লোকৰ ধান খেতি
যিয়ে নহওক আমাৰ খেতি কিন্তু উন্নত বিধৰ।
"লোকৰ গৰু লেৰা ফেৰা, আমাৰ গৰু ভইসেৰ পেৰা"

অৰ্থাৎ লোকৰ গৰু যিয়ে নহওক আমাৰ গৰু কিন্তু ম'হ (ভইসৰ)ৰ পোৱালি দৰে শকত।

ইয়াৰোপৰি বন্তি প্ৰজ্বলনৰ ক্ষেত্ৰত, ঐ টেঙাৰ খোলত বন্তি প্ৰজ্বলন ব্যৱস্থা দেহতাত্বিক বিচাৰৰ বিশেষ তাৎপৰ্য বহন কৰি আছে। ঐ টেঙাৰ পাঁচটা খোল থাকে হেতুকে ঐ টেঙাক পাঁচ খোল বুলিও কয়। বঙাইগাঁও জিলা তথা অবিভক্ত গোৱালপাৰা জিলাত বসবাস কৰা কোঁচ ৰাজবংশী জনগোষ্ঠীৰ লোকসকল লগতে যিসকল জনগোষ্ঠীৰ লোকে 'কাতি গাছা' পালন কৰে, তেওঁলোকে টেঙাৰ পাঁচ খোলত পঞ্চভাব নিহিত থকাৰ কাৰণে ঐ টেঙাক পাঁচ খোল বু কয়। এই পাঁচ খোলৰ পঞ্চ ভাব যথাক্ৰমে (১) শান্ত, (২) দাস্য, (৩) স (৪) বাৎসল্য আৰু (৫) মধুৰ।

কোঁচ ৰাজবংশী ভাষাত এই পঞ্চ ভাবৰ স্বৰূপ বৰ্ণনা যথা—

শান্ত ভাবত, স্থিৰ মতি
ঠাণ্ডা থাকে মাথা
দাস্য ভাবত প্ৰেমত আসক্ত
প্ৰেমত থাকে বান্দা।
সখ্য ভাবত বন্ধু, মিত্ৰ
সখিত্বত বন্ধন
বাৎসল্য ভাবত দয়াত বিভোৰ
প্ৰীতিৰ ভাবত কয় মধুৰ বচন।
মধুৰ ভাবত, মধুবৰ্ষে প্ৰীতি সম্ভাষণ
আনন্দ লহৰী হৃদে উঠে ঘন ঘন।
পঞ্চ ভাবেৰ স্বৰূপ ভাই, বুজিয়া কইলুং
ঔ টেঙাৰ পঞ্চ খোলেৰ পঞ্চ ভাব
দেখেযা দিলুং।
প্ৰতি খোলত ভাবেৰ তত্ব
নিহিত হয়া আছে
কাতিমাসেৰ কাতিগাছা লোকে
পালে এৰে বাদে (এই কাৰণে)
সময়েৰ তাৎপৰ্য ভাই
সময়েৰ দান
গোষ্ঠী ভেদে পালন কৰে
কৰিয়া গোষ্ঠীৰ নিৰূপিত নাম।

❖❖❖

ডাঃ ফনীন্দ্ৰ নাথ নাজৰী

জন্ম ঃ ১৯৪৪ চনৰ। কোকোৰাঝাৰ।

শিক্ষা ঃ এম্ বি বি এছ, ডি এম চি ডব্লিউ, এম আই পি এইছ এ।

কৰ্মজীৱন ঃ অসম চৰকাৰৰ স্বাস্থ্য সেৱা বিভাগৰ অৱসৰপ্ৰাপ্ত যুটীয়া সঞ্চালক, কোকোৰাঝাৰ।

সাহিত্য কৃতি আৰু সাংস্কৃতিক জীৱন ঃ টেলি ফিল্ম (৪), ফিচাৰ ফিল্ম যুটীযাভাৱে (২), যুটীযাভাৱে তথ্য চিত্ৰ (২), আকাশবাণীৰ জৰিযতে নাটক, স্বাস্থ্য বিষযক কথিকা আৰু আলোচনা চক্ৰ আদিৰ সম্প্ৰচাৰ, ভালে সংখ্যাক আলোচনী, স্মৃতিগ্ৰন্থ আদিত লিখনি প্ৰকাশ।

ৰাজহুৱা জীৱন ঃ বহুতো সামাজিক, সাংস্কৃতিক অনুষ্ঠানৰ সৈতে ওতপ্ৰোতভাৱে জড়িত।

কোকোৰাঝাৰৰ কাতিবিহু

প্ৰাকৃতিক সম্ভাৰেৰে ভৰা চিৰসেউজীয়া অসমৰ বুকুত সকলো অসমীয়া বিহুৱেই প্ৰাকৃতিৰ পৰিবেশৰ লগত ওতপ্ৰোতভাৱে জড়িত।

অসমীযা জাতিৰ ৰঙালীবিহুত ঢাক-ঢোল বজাই নৃত্যগীত, হুচৰি ইত্যাদি গীত মাতেৰে মতলীয়া হৈ অকলে গা সাতখন আঠখন কৰি থকাৰ দৰে কোকোৰাঝাৰবাসী সকলেও ল'ৰাৰ ল'ৰা, ডেকাৰ ডেকা জাক বান্ধি ডাঙৰক ভক্তি সৰুক মৰম কৰি নৃত্যগীতেৰে বিহু মাৰি থকা আৰু ঠায়ে ঠাযে বিহু ভেদে নিযমানুসৰি বিহু পালন কৰা দেখা যায।

'বিহু' নামটোৰ ক্ষেত্ৰত বিভিন্ন পণ্ডিতৰ বিভিন্ন মত। বিষুব সংক্ৰান্তিত বিহু উদ্‌যাপন হয কাৰণে বিষুব শব্দৰ পৰা 'বিহু' শব্দৰ উৎপত্তি বুলি কিছুমান পণ্ডিতে কয়। কিছুমানে আকৌ বৰ' শব্দ "বি" (খোজা) আৰু "হু' (দিযা) অৰ্থাৎ "বি-হু" (খোজা-দিয়া) শব্দৰ পৰা "বিহু" শব্দটো হোৱা বুলি কয।

বিহু শব্দ য'ৰে পৰা নহওক কিয় ই অসমীয়াৰ জাতীয় উৎসব, জাতীয় জীৱনৰ সকলো উচ্ছ্বাস, আশা-আকাংক্ষা, ফূৰ্ত্তি-আনন্দ, আবেগ-অনুভূতি গোটেইবোৰৰ লগত ই ওতপ্ৰোতভাৱে জড়িত আছে।

বিহুৰ লগত অসমীয়া জাতিৰ প্ৰাণ এনেভাৱে নিহিত হৈ আছে যে বিহুক বাদ দিলে অসমীয়া জাতিৰ কৃষ্টি, সংস্কৃতি, সভ্যতা ইত্যাদি সকলো পৃথক হৈ যাব।

আদিম মানৱেও সভ্যতাৰ পোহৰত এখোজ দুখোজকৈ আগবাঢ়ি অহাৰ লগে লগে খাদ্য সম্ভাৰ লাভৰ বাবে, কৃষি কাৰ্যৰ কৃতকাৰ্যতাৰ লগতে শাৰীৰিক শ্ৰমৰ বিৰতিৰ পাছত আজৰি সময়ত বিভিন্ন ধৰণৰ ফূৰ্ত্তি কৰি মনৰ অসীম আনন্দ প্ৰকাশ কৰিছিল।

প্ৰাকৃতিৰ অনবদ্য সম্ভাৰেৰে জকমকীয়া অসমীৰ বুকুত বিহু প্ৰাকৃতিক পৰিবেশৰ লগতে বিজৰিত। শৰতৰ সুনিৰ্মল জিৰ জিৰ মধুৰ পৰশে প্ৰকৃতিৰ বুকুৰ মনোৰম সেউজীয়া ৰূপেৰে, পৃথিৱীক সেউজীয়া দলিচাৰে সজাই থুপি থুপি ফুলৰ মালাৰে মনোৰম কৰি তোলাৰ সময়তে আহিনৰ সংক্ৰান্তিত "কাতিবিহু" হয়।

গোটেইবোৰ ধাননি সেউজীয়া শস্যৰে বুকু ওপচাই অসমবাসীৰ অন্তৰৰ আশা-আকাংক্ষাৰ হেঙুলীয়া ৰেঙণি বিৰিঙাই তোলে এই সময়ছোৱাত। লখিমীয়ে সেউজীয়া পথাৰত থিত লৈ মিহি আঙুলিৰে শস্যৰ শিখৰত মধুৰ পৰশ বুলায়, পৃথিৱী মতলীয়া হৈ পৰে। প্ৰতিঘৰ অসমীয়াই তুলসীৰ তলত বন্তি জ্বলায়, বন্তিৰ জেউতিৰে পথাৰৰ লখিমীক ভঁৰাললৈ অহা বাট দেখুৱাই দিয়ে, আকাশবন্তি জ্বলাই লখিমীৰ আগমনৰ পূৰ্বাভাস জনাই দিয়ে, এইয়া অসমীয়া কাতিবিহুৰ বিশেষত্ব।

তেনেকৈ কোকোৰাঝাৰ এলেকাৰ বাসিন্দা ৰাজবংশী ভাইসকলেও প্ৰায় একেধৰণে কাতি বিহু পালন কৰা দেখা যায়। তেওঁলোকে কাতিমাহৰ পহিলা তাৰিখে গধূলি চোতালত তুলসী গছৰ তলত বন্তি জ্বলায়, আকাশবন্তি জ্বলাই আৰু অমিতা অথবা ঔ টেঙাৰ ফলৰ থাকত পথাৰত বন্তি জ্বলায়।

তেওঁলোকে গধূলি দু-ফাঁকিমান ভোগালীবিহুত হুচৰি গোৱাৰ নিচিনাকৈ কেইজনমান লগলাগি একেলগে গাই এনে ধৰণে—

"দেউল দেউল, পৰাৰ ধান আউল চাউল, আমাৰ ধান মুৰ্খা চাউল।"
'দেউল দেউল পৰাৰ গৰু লেৰা কেৰা আমাৰ গৰু ভৈষেৰ পেৰা।"

চোতালৰ তুলসী গছৰ তলত বন্তি জ্বলায় আৰু লখিমীৰ শুভাশীৰ্বাদ বিচাৰি সেৱা জনায়। ইয়াৰ বাহিৰেও কাৰ্ত্তিক দেৱতাৰ মূৰ্ত্তি বনাই চাৰিওফালে ঘূৰি ঘূৰি কেইবাজনীও ছোৱালীয়ে ভক্তি আৰু মঙ্গলৰ আৰ্শীবাদ বিচাৰি বিভিন্ন গীত গায়

আৰু মতাবিলাকে ঢাক-ঢোল বজাই পূজা কৰা দেখা যায়। তেনেকৈ প্ৰচুৰ পৰিমাণে শস্য পোৱাৰ আশা কৰিও পূজা আৰু প্ৰাৰ্থনা কৰে।

ঠিক তেনেকৈ নেপালীসকলৰ মাজতো তুলসীৰ তলত, পথাৰত আৰু আকাশবন্তি জ্বলোৱাৰ বাদে বিশেষ একো দেখা নাযায়।

বডোসকলে কাতিবিহু আহিনৰ সংক্ৰান্তি আৰু কাতিমাহৰ পহিলা তাৰিখে পালন কৰা দেখা যায়। সেই দুদিন ঘৰৰ ভিতৰ, বাহিৰ আৰু চৌদিশ চাফা কৰি ৰাখে আৰু গধূলি অমিতাফল দুফাল কৰি অথবা ঔ টেঙা ফলৰ খোলবোৰ লৈ ২/৩ ফুটমান দীঘল বাঁহৰ শলা লৈ খেতি পথাৰ (ধাননি)ৰ ঠায়ে ঠায়ে মিঠাতেলৰ বন্তি জ্বলায়। ঘৰৰ চোতালত তুলসী গছৰ তলত বন্তি জ্বলায়, তেনেকৈ ভঁৰাল ঘৰৰ দুৱাৰৰ দুযোফালে চাকি জ্বলায় আৰু চোতালত একোটা আকাশবন্তি জ্বলায়। ই লখিমীক আদৰা আৰু আগমনৰ পূৰ্বাভাস স্বৰূপ।

বডোসকলৰ কাতিবিহুত মন কৰিব লগা কথা এই যে তেওঁলোকে নিজা ধাননি ডৰাত সিদিনা আবেলি তাঁতশালৰ যতন চেউযাৰী (সিৰী)ত মিঠাতেল গোটেই ফাৰ্লিটোত চিক্‌চিকিয়াকৈ লগাই বতাহত হালি জালি থকা পথাৰৰ ধানগছৰ আগবোৰ পৰস্পৰ স্পৰ্শ কৰাই দিয়ে। সম্ভৱতঃ পখিলাবোৰে সিহঁতৰ অকণ অকণ ঠেঙেৰে লাউ-কোমোৰা ইত্যাদিৰ ফুলবোৰৰ পুংকেশৰ-গৰ্ভকেশৰৰ মিলন কৰাই দিয়াৰ নিচিনা যেনহে লাগে।

ঠিক তেনেকৈ বডো খেতিয়কসকলে পটলৰ লতাবোৰ যেতিয়া ফুলেৰে জাতিষ্কাৰ হয়, তেতিয়াও ঘৰৰ মানুহ কেইজনমান ওলায় হাতত নতুন ফুল ঝাড়ু লৈ (সম্ভৱতঃ একেটা কাৰণে) ফুলবোৰ পৰস্পৰ স্পৰ্শ কৰাই দিয়া দেখা যায়।

যিয়ে হওক গৰ্ভ সম্ভৱা আৰু ফুলফুলা গোটেই ধাননিখন আকাশত তিৰবিৰাই থকা তৰাবোৰৰ নিচিনাকৈ সেই দুদিন সৰ্বত্ৰ মনোৰম হৈ থকা দেখা যায় আৰু ধানগছবোৰ নিজা যি জৌসা (জহা)ৰ সুমধুৰ ঘ্ৰাণ আছে সেই জহাৰ ঘ্ৰাণ সেই সময়ত গোটেই পথাৰখন আমোল মোলাই থকা যেন অনুভৱ হয়।

যি কি নহওক কোকোৰাঝাৰত 'কাতিবিহু', মাঘ বা বহাগমাহৰ বিহুত যেনেকৈ ল'ৰা-ডেকা-বুঢ়া সৰ্ব বয়স নিৰ্বিশেষে বিহু পালন কৰে, কাতিবিহুত তেনেকৈ সমজুৱাভাৱে পালন কৰা দেখা নাযায়।

মুলতঃ বৰ' ৰাভা, ৰাজবংশী, নেপালী ইত্যাদি জাতি-উপজাতিৰ বাসভূমি কোকোৰাঝাৰ এলেকাত আহিনৰ সংক্ৰান্তি আৰু কাতিৰ পহিলা তাৰিখে ধাননিত, চোতালৰ তুলসী গছৰ তলত, ভৰালৰ দুৱাৰ মুখত চাকি আৰু চোতালত আকাশবন্তি জ্বলাই লখিমীক আদৰাৰ বাহিৰে সমজুৱাভাৱে কাতিবিহু পালন কৰা তেনেকৈ দেখা নাযায়।

❖❖❖

কাছেমা খাতুন

জন্ম ঃ ১৯৫১ চন। ধুবুৰী জিলাৰ তেলীপাৰা গাঁও।

কৰ্মজীৱন ঃ তেলীপাৰা প্ৰাথমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী।

সাহিত্য কৃতি আৰু সাংস্কৃতিক জীৱন ঃ কাব্য সংকলন (৬), কাব্য পুস্তিকা (১), চুটি গল্প সংকলন (১); উপন্যাস (১), সম্বৰ্দ্ধনা লাভ (৭), কৃতী শিক্ষকৰ ৰাষ্ট্ৰীয় বঁটা প্ৰাপ্ত, বিভিন্ন বাতৰি কাকত, আলোচনী, স্মৃতিগ্ৰন্থ আদিত গল্প, কবিতা প্ৰবন্ধ আদি প্ৰকাশ।

ৰাজহুৱা জীৱন ঃ সদৌ অসম লেখিকা সমাৰোহ সমিতি, গদাধৰ কবি চক্ৰ, ধুবুৰী, নেচাৰ্চ বেকন, ধুবুৰী, চৰ উপ-সমিতি অসম, স্মৃতিগ্ৰন্থ গোৱালপৰীয়া লোক কৃষ্টি বিকাশ সমিতি, অসম সাহিত্যসভা আদি অনুষ্ঠানৰ লগত ওতপ্ৰোতভাৱে জড়িত।

পশ্চিম অসমত কাতিবিহু আৰু গাম্খী উৎসৱ

আহিন-কাতিৰ সংক্ৰান্তিৰ দিনা কাতি বিহু পালন কৰা হয়। এই সময়ত শালিধান গাখীৰতী হয। ফুল আহে। খেতি-বাতিৰ মংগলৰ বাবে এই বিহুত বিবিধ বিধান পালন কৰা হয। পথাৰত চাকি আৰু আকাশবন্তি দিয়ে। সেইদিনা আলু, কচু, ভেঁট, শেলুক খোৱাৰ নিয়ম। তুলসীৰ তলত বন্তি জ্বলাই নাম গায়। ভঁৰালৰ গুৰিত বন্তি জ্বলোৱা হয়। বৰিগোগ মৌজাৰ (কামৰূপৰ) দৈচপৰা গাঁৱত কুমাৰী ছোৱালীৰ দ্বাৰা কাতি মাহত পদূলিত কলগছ পুতি চাকি জ্বলাই কেবাদিনো ধৰি শস্য বৃদ্ধিৰ অৰ্থে জগন্নাথৰ নাম গোৱায়। উৎসৱৰ কলপুলি উভালি নেপেলাই য'ত ৰোৱে তাতে বাঢিবলৈ দিয়ে। সেই গছৰ প্ৰথম কলথোক সবাহত লগোৱাৰ নিয়ম। চৰ অঞ্চলত কাতি বিহুৰ দিনা ল'ৰা-ছোৱালীয়ে চোতাল সাৰি-মচি তাত কুলা এখনত

শেলুক, ভেঁটৰ ঠানি, তামোল-পাণ, দুবৰি বন, হালধিৰ ফুল, কলহ ভৰ্ত্তি পানী, নাৰিকল, শাকপাচলি থৈ দিয়ে। বাৰ মাহৰ নাম লিখি বাৰটা কচুৰ পাত লুটিয়াই বান্ধি থয়। সেই ৰাতিটোক 'গাম্খী'ৰ ৰাতি বুলি কয়। গাম্খী শব্দৰ অৰ্থ হ'ল গণনা কৰা। পিছদিনাখন কাউৰীয়ে 'কা' কৰাৰ আগতে বিছনাৰ পৰা উঠি কচুৰ পাতবোৰ খুলি চায়। যিটো মাহৰ নাম লিখা পাতত বেছিকৈ পানী জমা হৈ থাকে সেইটো মাহত বৰষুণ বেছিকৈ হোৱা আৰু যিটো মাহৰ নাম লিখা পাতত একেবাৰে পানী নাথাকে সেইটো মাহত খৰাং বতৰ হোৱা বুলি ধৰি লয়। তিৰোতা আৰু গাভৰুসকলে পিছদিনাখন চোতালত থৈ দিয়া সকলোবোৰ বস্তু কলহৰ পানীত বুৰাই সেই পানীৰে গা ধোৱে। হালধি ফুল মুখত সানে যাতে মুখৰ সৌন্দৰ্য বৃদ্ধি হয়। ভেঁটৰ ঠানিৰে চুলি জাৰে যাতে ভেঁটৰ ঠনিৰ দৰে চুলি দীঘল হয। গাম্খী উৎসৱৰ সন্ধিয়া এদল ল'ৰাই হাতত দা কুঠাৰ আদি লৈ যিবোৰ গছ ফল নিদিয়ে সেইবোৰ গছে কাটিবলৈ যায। তেতিয়া আন এদলে বাধা দিয়ে—সিহঁতক নাকাটিবা। আৰু এটা বছৰ চোৱা। তেতিযাও যদি ফল নিদিযে তেন্তে কাটিবা। তেতিয়া দুয়ো দলে একেলগে গায—

কাতি মাসেৰ আকালে
গাছ কাটুমনা আৰ
গাছেৰ ফল বেইচা আমৰা
মাৰুম বছৰেৰ ধাৰ।

কাতি বিহুৰ লগত ওৰাওঁসকলৰ 'কৰম গাৰা' পূজাৰ সাদৃশ্য আছে। সেই পূজাৰ বিষয়ে W G Archerএ লিখিছে—"The Karam festival occurs in August at the climax of the monsoon when the paddy is standing in the fields but has not yet come into ear It makes a period of relaxation between the arduous work of transplanting the paddy and rigours of the harvest, and is possibly a fecundity festival to help the ripening of the crop

কাতি মাহৰ সংক্ৰান্তিৰ দিনাখনেই 'কাৰ্তিক পূজা' কৰা হয়। কেতিয়াবা কাতি মাহত কাৰ্তিক পূজা কৰিব নোৱাৰিলে আঘোণ মাহতো কৰে। ইয়াকে 'নমলা কাতি' বোলে। পশ্চিম অসমৰ ধুবুৰী জিলাত তিৰোতাসকলে পুৰুষ বৰ্জিত এই অনুষ্ঠান কৰে যদিও কাতি মাহৰ সংক্ৰান্তিৰ দিনা এই অনুষ্ঠান একেদিনাই গাঁৱৰ সকলোৰে ঘৰত কৰা সম্ভৱ নহয়। সেয়ে প্ৰতিবেশীৰ লগত আলোচনা কৰি তেওঁলোকৰ সুবিধা অনুযায়ী পুথি তিথিৰ কথা বাদ দি গোটেই আঘোণ মাহ ধৰি প্ৰতি ঘৰে ঘৰে এই কাতি অনুষ্ঠান কৰে। বংশ বৃদ্ধি আৰু শস্য বৃদ্ধিয়ে

হ'ল কাতি পূজাৰ প্ৰধান উদ্দেশ্য। নিঃসন্তান তিৰোতাই সন্তান লাভৰ কামনা কৰি এই পূজা কৰে। গতিকে এই পূজাৰ স'তে প্ৰজন্ম বা সৃষ্টি বাসনা জড়িত হৈ আছে। কাতি পূজাৰ মণ্ডপটো চাৰিটা কলপুলিৰে সাজে। চাৰিওটি কলপুলিত ধানৰ শীহ বান্ধি থয় আৰু প্ৰতিটো কল পুলিত একোখনকৈ ধনু ওলোমাই ৰাখে। মণ্ডপৰ মাজত ঘট আৰু ময়ূৰৰ ওপৰত কাৰ্তিক থাকে। কাতি পূজা স্ত্ৰী প্ৰধান। তাত পুৰুষৰ প্ৰৱেশ নিষেধ। সন্তান কামনা কৰা তিৰোতা গৰাকীৰ কোঁচত তামোল-পাণ দি বহুৱাই থয়। আনবোৰে দেৱতাৰ উদ্দেশ্যে গীত গায়। গীতবোৰত শ্লীল আৰু অশ্লীল দুযোধৰণৰ কথা থাকে। "সৃষ্টিৰ অদম্য স্পৃহাৰ লগত এই গীতবোৰৰ আৰু নৃত্যৰ নিগূঢ় সম্বন্ধ আছে।" কাতিৰ সিজ্জনৰ পৰা আৰম্ভ কৰি ভূমিষ্ঠ হোৱালৈকে নাৰীসকলে শিৱৰ বিয়া, শিৱৰ, হীৰা, জিৰা, নাপিত, ধাইয়ানী ইত্যাদিৰ ভূমিকা লয়। সন্তান কামনা কৰা কাতিৰ আইক দীঘল এডাল সূতা লৈ গীতৰ কথা অনুযায়ী একোটাকৈ 'সৰ্কা গাঁঠি' (সহজতে খুলিব পৰা গাঁঠি) দি দহমাহ প্ৰাপ্ত হ'লে নাড়ীৰ দহ-বন্ধনপ্ৰাপ্ত হৈ সন্তান ভূমিষ্ঠ হয। কাতি পূজাৰ এই গীতবোৰক 'কাতি সিজ্জনৰ গীত' বুলি কোৱা হয়। লেখিকাই গৌৰীপুৰ চহৰৰ পৰা পাঁচ কিলোমিটাৰ নিলগৰ বলদমাৰা গাঁৱত কাতি পূজাত ঘৰৰ ভিতৰত তিৰোতাসকলক কাতিৰ মা, মূল ধাইযানী, আৰু নাপিত-নাপিতনীৰ ৰূপত নঙঠা হৈ নৃত্য অভিনয় কৰা চাইছে। ফটো তোলা বা ভি, ডি অ কেছেট কৰাৰ অনুমতি কোনোপধ্যে দিযা নাই। তলত বৰ্তমানলৈকে প্ৰচলিত কাতি সিজ্জনৰ গীত কেইটামান উল্লেখ কৰা হ'ল। এই গীতবোৰ অভিনয়ৰ মাজেৰেহে গায। শিৱৰ বিয়াৰ পৰা আৰম্ভ কৰি কাতিৰ জন্মৰ পিছত নাড়ী কটালৈকে সকলোবোৰ অনুষ্ঠানত মূল গাযকে গীতৰ প্ৰথম পদটো ধৰি দিযে আৰু বাকীবোৰে পুনৰাবৃত্তি কৰি ধুৱা গায়।

ধুৱা—
কি আজলো বুঢ়া শিৱৰে।
ভাং ধুতুৰা খ্যায়া বুঢ়া শিৱ অচৈতন হইল
তিন দিন তিন ৰাতি উপাসে কাটিল।
চ্যাতন পায়া বুঢ়া শিৱ ভাবে মনে মনে
এ-শূণ্ পুৰিতে আমাক দ্যাখে কোনজনে
দৌৰ দিযা যায় শিৱ নাৰদ ভাগিনাৰ বাড়ী
বিযাৰ উপায় ভাগিন কৰেন শিগ্‌গিৰ কৰি
যায়া যায় নাৰদ ভাগিনা পণ্ডিত ঠাকুৰেৰ বাড়ী
বুঢ়া শিৱেৰ বিয়াৰ যোৰা দ্যাখো বিচাৰ কৰি।

ৰূপাৰ পাঞ্জি খুলিয়া দ্যাখে নাই শিৱেৰ যোৰা
সোণাৰ পাঞ্জি খুলিয়া দ্যাখে চণ্ডিৰ সাথে যোৰা
আকউ—
একে একে চণ্ডী মায়েৰ বাৰ বছৰ হইলো
বাৰ বছৰে চণ্ডী ঋতুদান কৰিলো।
একদিন হইলো চণ্ডীৰ দুইও দিন
দুইদিন হইলো চণ্ডীৰ হইলো তিনদিন।
ৰূপাৰ বাটায় নিল চণ্ডী আমলা আৰ খইলা
হীৰা-জিৰা দুই বান্দী আগে আৰ পিছনে
যায় যায় চণ্ডী মাও বাইৰ গাঙ ছিনানে

এক এক কৰিযা চণ্ডীৰ হইল দুই মাস
আইলেৰ কচু বাইলেৰ কচু তুলিযা আনিলো
সাত মাসে চণ্ডী মাওক সাধ নাখোৱাইলো।
দশ মাস দশ দিন পূর্ণিত হইলো
গৰভেৰ বিষে মাও ভূমিতে পৰিলো
কি কৰ হে হীৰা জিৰা নিশ্চিন্তে বসিযা
গৰভেৰ বিষে মুঞি যাওঁ বোল মৰিযা
কাতিৰ নাডী কটাৰ সময়ত কাতিৰ শৰীৰৰ বৰ্ণনা আছে এইদৰে
কাতিৰে তোৰ মাথা বানাইলে কোনজনে
আন জনমে ৰে ছিৰিফল
মাথা 'বানাইলো বাসুদেৱে
জন্ম দিলো শংকাই বাপে।

কাতি সিজ্জনৰ বহুতো গীত লেখিকাৰ হাতত থকা সত্বেও প্ৰবন্ধটোৰ কলেবৰ বৃদ্ধিৰ আশংকা কৰি ইয়াত দিয়া সম্ভৱ নহ'ল। আগলৈ পশ্চিম অসমত কাতিপূজাৰ বিষযে লিখিলে নিশ্চয় গীতবোৰ উল্লেখ কৰিব পৰা সম্ভৱ হ'ব।

❖❖❖

ঙ পৰিশিষ্ট ঃ (২)

"শতদল"ৰ কাৰ্য নিৰ্বাহক

"শতদল" (Satadal)

মুখ্য কাৰ্যালয় ঃ (অস্থায়ী) হেঙেৰাবাৰী হাউচিং কলনি
Head Office (Temp) Hengrabari Housing Colony
ই ডব্লিও এচ-১(১) দিশপুৰ, গুৱাহাটী-৭৮১ ০০৬
EWS-1(1) Dispur, Guwahati-781 006

উপদেষ্টা ঃ

ড° নবীন চন্দ্ৰ শৰ্মা
শ্ৰীযুত হোমেন বৰগোহাঞি
শ্ৰীযুত নীলপৱন বৰুৱা
শ্ৰীযুত দুলাল ৰয

সভাপতি ঃ

ড° যতীন মিপুন

উপ-সভাপতি ঃ

ড° অলকা শৰ্মা
শ্ৰী পুতলী কায়স্থ

সম্পাদকদ্বয় ঃ

ডাঃ দীপক দেউৰী
শ্ৰীঅনিমা দৈমাৰী

সদস্য সদস্যা

শ্ৰীহিমাদ্ৰি কুমাৰী শৰ্মা
শ্ৰীবীণা দেৱী
শ্ৰীমণ্টু ডেকা
শ্ৰীনিৰ্মল বৰা
শ্ৰীপাপৰি নেওগ
শ্ৰীদিপালী চেতিয়া
শ্ৰীসোমেশ ডেকা
ডাঃ প্ৰতুল শৰ্মা
শ্ৰীকামিনী বড়ো
শ্ৰীদিপ্তী তামুলী
শ্ৰীভদ্ৰেশ্বৰ মেধি
শ্ৰীৰাতুল ডেকা
শ্ৰীউৎপলা বৰুৱা
মঃ ফাইজুৰ ৰহমান বৰুৱা
শ্ৰীতৰংগ কল্লোল শইকীয়া
শ্ৰীপৰেশ ৰাহাং
শ্ৰীভূপেন নাৰ্জাৰী

যোগাযোগৰ ঠিকনা ঃ মণ্টু ডেকা/ পুতলী কায়স্থ, অসম ৰেলৱে উচ্চতৰ মাধ্যমিক বিদ্যালয়, পানবজাৰ, গুৱাহাটী-৭৮১ ০০১ (অসম) দূৰভাষঃ ২৬৩৭১৪২, ২২৬৯৩৩০ (ঘৰ) বিদ্যালয় ঃ ২৫৪৬২৬৮
কাৰ্য্যালয় সম্পাদক ঃ কুঞ্জ হাতীবৰুৱা

কাতিবিহু উপলক্ষে ঢেঁকীত পিঠাগুড়ি খুন্দা আৰু পিঠা বনোৱৰ দৃশ্য

কাতিবিহু উপলক্ষে তিলপিঠা বনোৱাৰ দৃশ্য

তুলসী পুলি ৰোৱাৰ দৃশ্য

সুসজ্জিত তুলসীভেঁটিৰ দৃশ্য

ঔ-টেঙা বাকলিৰে চাকি প্ৰস্তুতিৰ দৃশ্য

অমিতা কাটি চাকি প্ৰস্তুতিৰ দৃশ্য

মাটিৰ চাকি প্ৰজ্বলনৰ যো-জাৰ দৃশ্য

পথাৰত চাকি জ্বলাই প্ৰণাম কৰাৰ দৃশ্য

নিজৰ নিজৰ পথাৰত চাকি জ্বলোৱাৰ দৃশ্য



ভঁৰালত চাকি জ্বলোৱাৰ দৃশ্য



সোণোৱালসকলৰ আকাশবন্তি প্ৰজ্বলনৰ দৃশ্য

সোণোৱালসকলৰ তুলসীৰ তলত নৈবেদ্য আগবঢ়োৱৰ দৃশ্য

শিশুসকলে ঘৰে ঘৰে তুলসীভেঁটিৰ ওচৰত নাম গোৱাৰ দৃশ্য



কায়স্থ্ বেঙ্গলী সম্প্ৰদায়ৰ উপাসনা গৃহত অশ্বিনীকুমাৰ ব্ৰত ভঙাৰ দৃশ্য

কাতিবিহুৰ ৰূপৰেখা সম্পাদনা সমিতি



ড° নবীন চন্দ্ৰ শৰ্মা

ড° যতীন মিপুন



পুতলী কায়স্থ



ডাঃ দীপক দেউৰী



নিৰ্মল বৰা

উৎপলা বৰুৱা